# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Durgaswar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sahitya Sabhaā Patakaikaā | |
| Translated Title: Magazine of Asom Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1968 (1890 Sak) | Edition: |
| Size: 23 cms. 72+64+11+127+66 pages | Genre: Magazine |
| Volumes: 26 - 4 issues | Condition of the original: good |
| Remarks: 1st vol. published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |



# অসম সাহিত্য সভা পত্ৰিকা

॥ ষড়বিংশ বছৰ ॥ ● ১৮৯০ শক ● ॥ বেজবৰুৱা সংখ্যা ॥

# অসম সাহিত্য সভা পত্রিকা

॥ ষড়বিংশ বছৰ ॥ ● ১৮৯০ শক ● ॥ বেজবৰুৱা সংখ্যা ॥

অসম সাহিত্য সভা

ইং ১৯৬৮ চন

সম্পাদক

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

# সূচীপত্ৰ


| | | |
|---|---|---|
| বেজবৰুৱাৰ এটি মানসকন্যা | ॥১॥ | ৺ডিম্বেশ্বৰ নেওগ |
| কাকতৰ টোপোলা | ॥১০॥ | শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু |
| লক্ষ্মীনাথ বেজবৰুৱাৰ সাংবাদিকতা | ॥১৪॥ | শ্ৰীবেণুধৰ শৰ্ম্মা |
| বেজবৰুৱাৰ কবিতা | ॥২০॥ | শ্ৰীবীৰেণ বৰকটকী |
| বীণ-বৰাগী | ॥২৪॥ | শ্ৰীমহিম বৰা |
| গজপুৰীয়া | ॥২৮॥ | শ্ৰীশশী শৰ্ম্মা |
| চিকৰপতি-নিকৰপতি | ॥৩২॥ | শ্ৰীহৰেন্দ্ৰ দেৱগোস্বামী |
| পাঁচনি | ॥৩৪॥ | শ্ৰীভূপেন্দ্ৰকুমাৰ বৰ্ম্মা |
| বেজবৰুৱাৰ চুটি গল্প | ॥৩৬॥ | শ্ৰীগোবিন্দপ্ৰসাদ শৰ্ম্মা |
| সাধু কথাৰ কুকি | ॥৪২॥ | আব্দুছ ছাত্তাৰ |
| বুঢ়ী আইৰ সাধু | ॥৪৮॥ | শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা |
| জুনুকা | ॥৫২॥ | শ্ৰীবিশ্বেশ্বৰ হাজৰিকা |
| বাখৰ | ॥৫৬॥ | ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য |
| মোৰ জীৱন সোঁৱৰণ | ॥৫৮॥ | শ্ৰীহৰিনাথ শৰ্ম্মা দলৈ |
| বেজবৰুৱাৰ 'সভাপতিৰ ভাষণ' | ॥৬২॥ | শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা |
| মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ | ॥৬৫॥ | শ্ৰীৰাধানাথ শৰ্ম্মা |
| বেজবৰুৱাৰ বাঁহী | ॥৬৮॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| বেজবৰুৱাৰ ৰচনাত জাতীয়তাবাদী চিন্তাধাৰা | ॥৭২॥ | শ্ৰীমনোমোহন তালুকদাৰ |
| শ্ৰীকৃষ্ণ কথা | ॥৭৯॥ | শ্ৰীকমলেশ্বৰ চলিহা |
| বেজবৰুৱাৰ মাতৃ প্ৰেম—জন্মভূমি | ॥৮৩॥ | শ্ৰীযতীন গোস্বামী |
| নোমল | ॥৮৬॥ | শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা |
| পাঁচনি | ॥৮৯॥ | শ্ৰীহৰেন্দ্ৰনাথ শৰ্ম্মা |
| পদুম কুঁৱৰী | ॥৯২॥ | শ্ৰীতৰুণ ভৰালী |
| জোনবিৰি | ॥৯৮॥ | শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা |
| বেজবৰুৱাৰ জীৱন-পঞ্জী | ॥১০১॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| গ্ৰন্থ-পৰিচয় | ॥১০৩॥ | শক্তি ভট্টাচাৰ্য্য |
| প্ৰধান সম্পাদকৰ প্ৰতিবেদন | ॥১০৫॥ | শ্ৰীহৰিপ্ৰসাদ নেওগ |
| তেজপুৰ অধিৱেশন | ॥১১৪॥ | শ্ৰীনগেন শইকীয়া |
| সম্পাদকীয় | ॥১২৭॥ | |

# বেজবৰুৱাৰ এটি মানসকন্যা

শ্ৰীভিষেশ্বৰ নেওগ

শেক্সপীয়েৰৰ অফেলিয়াৰপৰা গথেৰ মাৰ্গেৰেট যিমান নিলগ, সিমানত দুইৰোপৰা বেজবৰুৱাৰ ডালিমী তাতোকৈ নিলগ। ফুলা ফুলতো ভোমোৰা আহে, কিন্তু নুফুলা কলিটিয়ে জানো ভোমোৰা বিচাৰে? বেজবৰুৱাৰ নিজৰ কবিতাৰ ভাষাৰেই ডালিমী অকল অনাঘ্ৰাত কেতকীৰ সোণোৱালী ৰেণুৱেই নহয়, 'তেওঁ নুফুলা ফুলৰ নুফুলা কলিটি।' ৰবীন্দ্ৰনাথৰ ভাষাৰে ডালিমী "মুকুলিকা", বিদ্যাপতিৰ ভাষাৰে "গাথই পুহব মালা" (নকৈ গাঁথা ফুলৰ মালাখনি যেন), আগৰৱালাৰ ভাষাৰে যৌৱনৰ দুৱাৰ-দলিত ডালিমী "ন যযৌ ন তস্থৌ!"

নাট্যকাৰে খাটাংকৈ কলে ডালিমী এখাৰ বছৰীয়া নাগিনী ছোৱালী, গদাপাণি তেতিয়া অন্ততঃ দুটা কুৰি বাপেকি, ৰাজ-সিংহাসনৰ প্ৰত্যাশাত পৰ্ব্বতত পলাই আছেগৈ, এনে অৱস্থা ডেকা-গাভৰুৰ প্ৰেমৰ অনুকূল যেন কেতিয়াও নালাগে; প্ৰথম দেখা দেখিত হোৱা প্ৰেম যে নহয়েই! এখন তালৰ সঙ্গীত গম্ভীৰ হোৱা হ'লে তাকে বুলিব পৰা হ'লহেঁতেন। বৰদলৈৰ "মিৰি-জীয়ৰী" উপন্যাসত ডালিমীয়ে জঙ্কিক আৰু জঙ্কিয়ে পানেইক ভাল পোৱাৰ দৰে হয়তো ডালিমীয়ে গদাপাণিক আৰু গদাপাণিয়ে জয়মতীক ভাল পায়: ই তিনি-শালিকাৰ জোটা-পুটিৰ নিচিনাই। ইয়াত কোনো কোনোৱে "ত্ৰিভুজাকৃতি প্ৰেম" বুলিব খোজে, বাস্তৱতে সি নহয়; কিয়নো 'ক'ৰ পৰা 'খ'লৈ আৰু 'খ'ৰ পৰা 'গ'লৈ দুডাল ৰেখা আছে নিশ্চয়, কিন্তু 'গ'ৰ পৰা 'ক'লৈ কোনো ৰেখা নথকাত সি ত্ৰিভুজ নহ'ল।

'ডালৰ নগা'ৰ ঘৰত ডালিমীৰ আবিৰ্ভাৱৰ দৰেই গদাপাণিলৈ ডালিমীৰ প্ৰণয়-উদয় সাধাৰণ ঘটনা নহয়, অভিনৱ, আৰু ইয়াক অভিনৱ-ৰূপেই গ্ৰহণ কৰিব লাগিব। জোনৰ কাঁচলিয় পোহৰ ওলাই যাৰ ওপৰত পৰে তাকে আশিসীত কৰি সি লুপ্ত হয়; গদাপাণিৰ সেই পোহৰৰ প্ৰতিফলক হ'বৰ ভাগ্য ঘটিছিল। ডালিমীৰ খোপাৰ বিজুলী ফুল ডালিমীয়েই; আৰু বিজুলীৰ দৰেই ক্ষণেকীয়াৰূপে চিৰস্থায়ী হৈ ৰ'ল তাই। সৌন্দৰ্য্য-শালী বস্তু চিৰ আনন্দৰ সামগ্ৰী, ডালিমীও ঠিক তেনে, "কাঠৰ মালা ফাটে-ফুটে। মনৰ মালা ক'লৈ চুটে।" "সেই বাঁশী বাজে। "বনো মাঝে কি মনো মাঝে?" নিলগৰ বাঁহীৰ মাত অতিকৈ মধুৰ। নুশুনা বাঁহীৰ ততোধিক সুমধুৰ॥"

এবাৰ ন জোনৰ কাচিয়লি পোহৰৰ দৰে ডালিমীৰ প্ৰেম, ডালিমীৰ জীৱন: ডালিমীৰ প্ৰেমেই ডালিমীৰ জীৱন; কিয়নো প্ৰেমৰ বিহনে ডালিমীৰ কিয় কাৰো জীৱনৰ সত্তা নাই। সেই ন জোনৰ পোহৰৰ মুখত পৰিল গদাপাণি; আৰু তেওঁ গদাপাণি নহৈ চক্ৰপাণি বা শূলপাণিও হব পাৰিলেহেঁতেন, সি কোনো লেখৰ কথা নহয়। মুঠতে সি এক প্ৰতিফলনৰ পাত্ৰ, উপযুক্ত-অনুপযুক্ত হোৱা নোহোৱাৰ কথা নাই। অথেলো জানো ডেচডিমনাৰ প্ৰেমৰ কিবা উপযুক্ত পাত্ৰ আছিল সাধাৰণ বিচাৰত?

প্ৰেমৰ বেলিকা নিয়তিৰ কাঠহাঁহি যিমান নিৰ্ম্মম হ'ব পাৰে, আন কেতিয়াও যেন সিমান হ'ব নোৱাৰে। 'পম্পিয়াই'ৰ শেষ দিনৰ কাহিনীৰ সেই নীদিয়া বোলা কাণী ছোৱালীজনী! সেইদৰে আৰু কিমান পোৰা কপালীয়ে অফুৰণ পীৰিতিৰ অপূৰণ হমুনিয়াহ এৰি পৃথিবীৰ বায়ু অক্ষবায়ু গধুৰ কৰি গৈছে!

নীদিয়া আছিল অন্ধ মালিনী; ফুলৰ মালা গুথি বেচাই তাইৰ কাম। তাই থাকে আভিজাত্যৰ ডেকা গ্লুকাছৰ ঘৰত, চৈধ্য বছৰৰ দেওনা তাই পাৰ হৈছে। গ্লুকাছে তাইৰ হাততে তাৰ প্ৰণয়িণী ইয়নলৈ প্ৰেম-উপহাৰ পঠায়। দেহী ঐ! নীদিয়া কাণী; কিন্তু গ্লুকাছে চকু থাকিও দেখিব বাৰু নাপায় নে—আভিজাত্যৰ নহ'লেও, বাটৰ খুদ-মাগনী হ'লেও তাইৰ

যে দেহলৈ মনলৈ, প্ৰথম যৌৱনৰ ধল আহিছো তায়ো যে তাৰ প্ৰেমৰো খুদ-মাগনী হব পাৰে, আৰু তেতিয়া হ'লে তাই নিজৰ প্ৰেমৰ ভিত্তি গৰকি ইয়নলৈ তাৰ প্ৰেম-উপহাৰ কঢ়িওৱা তাইৰ বাবে কি যমৰ যন্ত্ৰণা! যৌৱন জোনাকৰ যি ধল আহে, সি জানো কিবা পাত্ৰ-অপাত্ৰ বা ওখ-চাপৰ গণিতা কৰে?

ৰাঁৰী বামুণীৰ ধনৰ দৰে কিমান দিনৰপৰা গুমছাছৰ বাবে নীদিয়াৰ হেঁপাহৰ মৌ-মাখিবোৰে ভৰ যৌৱনৰ পূৰ্ণিমাৰ বাবে প্ৰেমৰ ৰহ-ঘৰা সাজিব লাগিছে। যৌৱনৰ-পূৰ্ণিমা পাৰ হব লাগিলে সেই সাঁচতীয়া মৌলৈ মৌ-মাখিবোৰ উৰি গুচি যাব!!' গুমছাছে তালৈ কটাহিকে নকৰি এদিন ইয়নৰ বাবে অনা এটি নতুন প্ৰেম-উপহাৰ যেতিয়া আকৌ নীদিয়াৰ হাতত গুজি দিয়ে, যৌৱন-মদত মতলীয়া অভিমানী নীদিয়াই সেই উপহাৰ দলিয়াই পেলায়! গুমছাছে তেতিয়াও তাৰ কাৰণ বুজিবৰ যত্ন নকৰি একো নোকোৱাকৈ সেই উপহাৰ বুটলি লৈ যায়। তাৰ পাছতো নীদিয়াই গুমছাছক তাইৰ নিজৰ কৰিবলৈ নানা যত্ন কৰি বিফল হ'ল।

ইফালে পাম্পিয়াইৰ শেষ দিন চমু চাপিল। এক প্ৰলয়ঙ্কৰী ধুমুহাত গোটেই নগৰ ধুৰ্মলি-কুঁৰলী হ'ল; সাগৰত পৰ্বত-প্ৰায় ঢৌ উঠিল। এনে দুৰ্দিনত এজুৰি প্ৰেমিক-প্ৰেমিকা পৰস্পৰ বাহু-বন্ধনত আৱদ্ধভাৱে বাহিৰত শুই থকা দেখা পোৱা হ'ল : সিহঁত গুমছাছ আৰু ইয়ন। অন্ধ মালিনী নীদিয়াই এই প্ৰলয়ৰ মাজতো উমানে উমানে আহি সেই ঠাইত ওলাল; আৰু খেপিয়াই খেপিয়াই গুমছাছৰ হাতত ধৰিলে; তেতিয়াই তাইৰ সিৰায় সিৰায় শেষ বাৰলৈ সেই প্ৰেমৰ বিজুলী শক্তি প্ৰবাহিত হ'ল। তাই আকাশ-পাতাল ভাবিলে; বাহিৰ-ভিতৰ উভয়েই তাইৰ বাবে আন্ধাৰ : বাহিৰ ভিতৰ-উভয়তে তাইৰ বাবে প্ৰলয়ৰ তাণ্ডৱ-নৃত্য। থলত প্ৰলয়ঙ্কৰী ধুমুহা, সাগৰত প্ৰলয়ঙ্কৰী পৰ্ব্বত প্ৰমাণ ঢৌ!! গুমছাছ ইয়ন্ কেও সাৰে নাই : সেই ছেগতে তাই যেন চুৰ কৰি গুমছাছৰ ওঁঠত কেইটামান তপত চুমা বৰষালে। পিছ মুহূৰ্ত্তত নীদিয়াক আৰু দেখা পোৱা নহ'ল। কেৱল অদূৰত সাগৰত বগা ফেনৰ দৰে কিবা অলপ জিলিকি উঠি গিও নোহোৱা হ'ল। ধুমুহা-ঢৌ উভয়ে শাম কাটিলে॥

প্ৰকৃতি নিজে ধোঁৱাধুলীয়া; এই বাবেই হ'বলা মানুহৰ বুজমুলীয়া আশা অনুভূতিহে নালাগে জীৱন আহুতি লৈও নিৰ্বিকাৰ। প্ৰেম-প্ৰাৰ্থিনী নিজ প্ৰতি কূলে প্ৰেমৰ কটকী হোৱাৰ যন্ত্ৰণামূলক অৱস্থা দেখা পোৱা হয় শ্বেক্সপীয়েৰৰ "দ্বাদশ নিশা" নাটকত। আৰু সেই ৰূপত ৰহণ চৰিছে ছদ্মবেশত এজনী গাভৰুৰ প্ৰতি আন এজনী গাভৰু আকৃষ্ট হোৱাত। ঘটনাচক্ৰত পৰি গাভৰু ভায়লাই ডেকাৰ ছদ্মবেশেৰে এঘৰত লগুৱা। সোমাই সেইঘৰৰ ধুনীয়া ডেকা অৰি-স্নোৰ প্ৰেমত আসক্ত হয়; অৰিস্নোৱে আকৌ ছদ্ম-বেশী ভায়লাক তেওঁৰ প্ৰণয়-কটকী পাতি অলিভিয়া গাভৰুৰ ওচৰলৈ পঠায় : অলিভিয়াই কিন্তু অৰিস্নোৰ নামে জুইতো থৰি নিদিয়ে, অথচ তাই ছদ্মবেশী ভায়লাৰ প্ৰতি আকৃষ্ট হয়, ভায়লাৰ প্ৰেম-দৌত্য আও-হেলা কৰিও।

এদিন ভায়লাই সাহ কৰি অৰিস্নোক কলে—"আপুনি অলিভিয়াক যেনেকৈ ভাল পায়, ধৰক জানিবা, আন এটি গাভৰুৱেও আপোনাক তেনেকৈ ভাল পায়; হব পাৰে তেনে কোনো গাভৰু সচাকৈয়ে আছেও: আৰু যদি সেই গাভৰুক আপুনি তেওঁৰ প্ৰেমৰ প্ৰতিদান দিব নোৱাঁৰো বোলে, তাই সেই উত্তৰতে সন্তুষ্ট থাকিব নালাগিব জানো?" এই আশ্বাস অৰিস্নোৰ মনে-পিঠিয়ে নাথাকে। ভায়লাই পুনৰ কলে, 'মই জানো।' 'কি জানা?' 'তিৰুতাৰ প্ৰতি মুনিহৰ যেনে আবেগ হব পাৰে, মুনিহৰ প্ৰতিও তিৰুতাৰ তেনে আবেগ হব পাৰে। একৰকম কালি মোৰ এজনী ভনী আছিল, তাই এজন মানুহক ভাল পাইছিল : মই তিৰুতা হোৱা হলে আপোনাক যেনেকৈ ভাল পালোঁহেতেন সাইলাখ তেনেকৈয়ে ভাল পাইছিল।' 'তাইৰ আদ্যোপান্ত কথাটো বাৰু কি?' 'একো নাই, এটা মহাশূন্য; তাই নিজৰ প্ৰেম কাৰো আগত ব্যক্ত নকৰে, আৰু গোপনতাৰ তাইৰ পদুমী গাল দুখনিত চৰি ফুৰিবলৈ এৰি দিয়ে। অৱশেষত সেই নাৰী-ফুলটি নিৰাশাত জহি-পমি সাৰা আৰু মূৰ্ত্তিমান ধৈৰ্য্যৰূপে মৰিশালিত বহি থাকিবলৈ ধৰিলে।'

ছদ্মবেশী ভায়লাই অৰিস্নোৰ আগত এইদৰে অৰ্দ্ধ প্ৰকাশ্যভাৱে নিজৰ গভীৰ হুমুনিয়াহ এৰা স্বৰূপ



অৰিস্নো অকণো নৰচৰ নহৈ আকৌ তাইকে প্ৰণয়-কটকী-ৰূপে অলিভিয়াৰ কাষলৈ পঠালে; অলিভিয়াই অৰিস্নোৰ নাম শুনিব নোৱাৰিলেও মুনিহৰূপী ভায়লাৰ প্ৰতি আকৃষ্ট হৈ তেওঁক দেখা কৰিলে, আৰু শেষত খানিকে নালাগে হীৰাৰ আঙঠি এটাও ছল কৰি ভায়-লালৈ উপহাৰ পঠালে। তেতিয়া ভায়লাই ভাবিলে—'অভাগিনী অলিভিয়াই সপোন এটাকে দিঠক বুলি ভাবিছে। দেহী ঐ! ছদ্মবেশ কি ঘোৰ অন্যায়! মই অৰিস্নোৰ প্ৰতি অনাহক যিমান হুমুনিয়াহ কাঢ়ি মৰিছোঁ, মোৰ ছদ্মবেশৰ বাবে অলিভিয়ায়ো মোৰ বাবে সিমান হুমুনিয়াহ কাঢ়ি মৰিব লগা হৈছে! জগতক এনে ব্যৰ্থ কিমান হা-হুমুনিয়াহে ব্যথিত কৰি তুলিছে তাৰ লেখ-বুজ লয় কোনে? কিন্তু আন্ধাৰত ৰূপজপাই ফুৰা বাটৰুৱাক যিদৰে বিজুলীৰ চিকমিকনিয়ে ক্ষন্তেকলৈ পোহৰ বিলাই আগতোকৈ আন্ধাৰতহে পেলাই থৈ যায়, জীৱনত প্ৰেমৰ ক্ষন্তেকীয়া তিৰবিৰণিয়েও সিদৰে দুৰ্ভগীয়াজনক সুখৰ মুখ দেখুৱাই চিৰজনমলৈ দুখৰ গোতাশালৈ হেচোঁকে।

কি সুখৰ স্বৰ্গতনো বাস নকৰিছিল নাগিনী ছোৱালী ডালিমীয়ে। আমি জয়ে জয়ে তাইক দেখা পাওঁ সেই কৈশোৰ আৰু যৌৱনৰ "ন যযৌ ন তস্থৌ" অৱস্থাত "খোপাত ফুল, মূৰত ফুল আৰু হাতত ফুল আৰু ধনু কাঁড়" লৈ মদন-ৰতিৰ সমন্বয় ৰূপে-অপূৰ্ব্ব অভিনৱ ৰূপত। গদাপাণি তাইৰ ঘৰৰ আলহী আৰু ফুল-পৰা জখলা; কিয়নো ওখ গছৰ ফুল পাৰিবলৈ গদাপাণিয়ে কান্ধ পাতি দিয়ে আৰু ডালিমীয়ে "পৰ পোৱালীটিয়ে জপিওৱাদি জপিয়াই তেওঁৰ কান্ধত উঠি থিয় হৈ ডালৰ ফুল সোপাসোপে" পাৰে। ইয়াত মনত ৰাখিব লগা কথা এই, জখলাৰ দৰেই গদাপাণি জড়; কিয়নো এই হেন উদ্ভিন্ন নৱ যৌৱনা ডালিমীৰ দেহৰ মধুৰ স্পৰ্শত গদাপাণিৰ দেহেদি বিজুলীৰ সোঁত যি নবয়েই, প্ৰাণৰ সামান্য স্পন্দনো অনুভৱ কৰাৰ কোনো সহাঁৰি তেওঁ নিদিয়ে কিয় বাৰু?

"ঋতুসংহাৰ"ত নায়কে সাতকুৰিবো অধিক সৰস শ্লোকৰ ভিতৰেদি তেওঁৰ প্ৰেমিকাৰ প্ৰেম-ভাব জগাই তুলিবৰ প্ৰয়াস কৰিবৰ দৰে, ডালিমীয়েও শৰীৰত সৰল পৰশৰ উপৰিও নানান অপূৰ্ব্ব গীত-নৃত্যৰ ভিতৰেদিও গদাপাণিৰ হৃদয় আৰু প্ৰণয় জগাই তুলিবৰ চেষ্টা কৰিছিল; কিন্তু একোৱে সেই নীৰস জখলাৰ ৰস উলিয়াব নোৱাৰিলে : ডালিমীহে সেই জখলাত ৰগাই ওখৰপৰা ওখলৈ গ'ল। ডালিমী সচ্চিদানন্দৰ অংশ : তাৰ ফিৰিঙতি গীতত উফৰি উঠিল।

"পৰ্ব্বতৰ ঢেকীয়া লিহিৰীপতীয়া ৰতাহতে
হালেজালে।
ক'লা আকাশত বগে জাকে পাতি উৰা মাৰে
ক'ৰবালে'॥
পখিলী উৰিলে উৰিব ডালিমী লগৰে লগৰী পাই।
মনৰ মোনাটি ছুটি মেলি যাব, ক'লৈ বা উৱাদিহ নাই।"

গদাপাণিৰ প্ৰাণৰ সহাঁৰি নাছিল। ডালিমীয়ে চৈতন্য জাগৃতিৰ গীত গালে—

"মই খোপাত পিন্ধিম বিজুলীৰ ফুল, কাণত
পদুমৰ কেৰু।
ডিঙিত আঁৰিম ফুলৰ সাতসৰি, হাতত মৃণালৰ
খাৰু॥"

গদাপাণিৰ চেতনাৰ উন-শ্বাস নাই। এইবাৰ ডালি-মীয়ে সদানন্দ সনাতনৰ গীত জুৰিলে—

"ল'ৰা বুঢ়া কাক কয় ডালিমী নুবুজে তাক।
পৰ্ব্বতে হাঁহে নৈয়ে নাচে, উৰিছে পখিলা জাক॥
পুৰণি আকাশ ফুলাম তৰাৰে লৰাতকৈও ল'ৰা।
পুৰণি পৃথিৱী ফুটুকী ফুলেৰে তাতোকৈয়ো যে চৰা।
অনেক কলীয়া নাহৰ জোপাই পেলায় কোমল কলি।
কৌটিকলীয়া মেঘৰ লগত বিজুলী থাকে উমলি।"

গদাপাণিয়ে তেতিয়াও সাৰ নাপালে। বাস্তৱতে পৰমাত্মা কৃষ্ণৰ বাঁহীৰ মাতেও তাকেই কৈছিল—'জীৱ-সকল, আহাঁ; মোৰ লগত খেমালি কৰাহিহঁক।"

গদাপাণিৰ প্ৰাণহীনতাত ডালিমী ডেউকা জগা দেৱ-দূতীৰ দৰে মাটিত পৰিল; তেওঁ এতিয়া ধূলিৰ মানুহ যেন হ'ল আৰু ধূলিৰ দৰে যেন পিয়াহত ছাটি ফুটি কৰিবলৈ ধৰিলে। পোনতে ডালিমীয়ে প্ৰাণ ভৰি ভাল পাইছিল প্ৰকৃতি-ৰাজ্যৰ প্ৰজা ফুল-পখিলা সৰাওকে, আৰু তাৰ মাজত তাই বহুবাৰ খুজিছিল তাইৰ "কেঁচা-সোণ" গদাপাণিক সূক্ষ্ম আনন্দ ৰূপত; ভোকৰ ভাত আৰু পিয়াহৰ পানী ৰূপে নহয়। কিন্তু এতিয়া লাহে লাহে ডালিমীয়ে গদাপাণিক বিচৰা হ'ল সূক্ষ্ম আনন্দ-

ৰূপে নহয়, স্থূলভাৱে। সেইহে পিছৰ অৱস্থাৰ আৱদ্ধত ডালিমী স্থূল ভাৱলৈ আহিল—

"ডালিমী—"কেঁচাসোণ, সেয়া কোনে পৰ্ব্বতৰ মাজৰ পৰা মই ইমান দৰে হাঁহিলে ?" গদাপাণি—'প্ৰতিধ্বনিয়ে ।" ডালিমী—"প্ৰতিধ্বনি কি ?" গদাপাণি—"তোমাৰ হাঁহিটোৱেই পৰ্ব্বতৰ বুকুত ঠেকা খাই উভতি আহিছে।" ডালিমী —কেঁচাসোণ তোমাৰ বুকুতো সেইদৰে মোৰ হাঁহি লাগি ঠেকা খায় নে ?"

ডালিমীয়ে ইয়াত প্ৰায় স্পষ্টভাৱে গদাপাণিক তাইৰ নিজৰ কৰি বুকুত সুমাই লবলৈ বিচাৰিছে, কিন্তু গদাপাণি তথাপি নিৰ্বিকাৰ। গতিকে তাইৰ আৰু সহ্য নহ'ল; আৰু ধৈৰ্য্য ধৰি আত্মগোপন কৰি তাই থাকিব নোৱাৰিলে। ডালিমীয়ে শেষবাৰ ভাত্তি কলে "হায়! কেঁচাসোণ !! তুমি আমাক (মোক) এৰি কলৈকো নেযাবা দেই !.... (গদাপাণিক হাতত ধৰি) কেঁচাসোণ তুমি মোক কোৱা যে আৰু তুমি মোক এৰি নোযোৱাঁ বুলি। মোৰ কেতিয়াবা বৰ ভয় লাগে কেনেবাকৈ তুমি আমাক (মোক) এৰি গুচি যোৱা বুলি। কিন্তু কেঁচাসোণ, নিশ্চয় জানিবা, তুমি গুচি গলে ডালিমী আৰু ইয়াত নাথাকে; এই জুৰিৰ পানীৰে সৈতে ডালিমী ক'ৰবালৈ গুচি যাব।"

প্ৰেমে মনত গিদ্ধি লিওঁতে যেনেকৈ প্ৰায় গিৰিইতে তাৰ ভু নাপায়, চোৰাই মাল নিওঁতেও বহুতে গম ধৰিব নোৱাৰে। ওপৰৰ উদ্ধৃতিত ডালিমীয়ে ব্যৱহাৰ কৰা "আমাক" মানে প্ৰকৃততে "মোক" গদাপাণি গলে গাম-গামনীৰ ঘৰখন উদং হবৰ কোনো কথাই নাই, উদং হব ডালিমীৰ বুকু। অথচ এই সম্পত্তি কেতিয়া কেনেকৈ তাইৰ বুকুৰ মাজত সোমাইছিল, তাই নিজেই পোনতে তাৰ ভু পোৱা নাছিল। এয়ে প্ৰেমৰ সিদ্ধিখনা ৰীতি।

"মেবাৰ পতন" নাটকত দ্বিজেন্দ্ৰলালৰ "মানসী"য়ো এই সত্যৰ আন এটি সন্ধান দিয়ে। অজয়ে মানসীক নিজভাৱে পাবলৈ বিচাৰোঁতে মানসীয়ে অজয়ৰ নিজা প্ৰেম প্ৰত্যাখ্যান কৰে; অথচ অজয়ৰ মৃত্যুত লাজ-কাজ এৰিও মানসীয়ে স্বীকাৰ কৰে অজয় মানসিকভাৱে তাইৰ স্বামী ॥

অজয়—মই আজি তোমাক বিদায় লবলৈ আহিছোঁ।

মানসী—"কেলৈ ? কেলৈ যাবা ?'

অজয়—'যুজলৈ।

মানসী—'অ', কেতিয়া যাবা ?' অজয়—কাইলৈ পুৱা।

মানসী— কাহানিকৈ ঘূৰি আহিবা ?

অজয়—'সেইটো কেনেকৈ কম ? ঘূৰিয়ে বা আহোঁ নে নাহোঁ। মানসী —"ওঁ"। (তলমূৰ কৰে)।

অজয়— "মানসী, যদি আৰু মই ঘূৰি নাহোঁ"?

মানসী— 'তেনেহলে কি হব' ? অজয়—'তোমাৰ বেয়া নালাগিব ?' মানসী—"লাগিব"।

অজয়—'ইমান উদাসিন ! তুমি নাজানা' ?

মানসী— 'কিটো' ?

অজয়—মই যে তোমাক ভাল পাওঁ। আৰু কিমান ভাল পাওঁ ?'

মানসী—'জানো।' অজয়—'তুমি মোক ভাল নোপোৱা।

মানসী—পাওঁ।' অজয়—নহয়, তুমি আৰু কাৰবাক ভাল পোৱানে ?'

মানসী—'মানুহৰ পদেই সকলোকে ভাল পাওঁ।

অজয়—'নিষ্ঠুৰ ?'

মানসী—কিয়, অজয়! তোমাক ভাল পালো বুলি আৰু কাকো ভাল পাব নাপাওঁনে ? তুমি অকলে মোৰ বহল হিয়াখন গিলি থ'ব খোজানে ? তুমি ইমান স্বাৰ্থপৰ হ'ব পাৰাঁ জানো ?".

অজয়—'তুমি এতিয়াও ইমান নজনা ছোৱালী হৈ আছাঁ নে, মানসী ?'

মানসী—তুমি মোক গালি পাৰিছা, অজয় ?' মোৰ কি দোষৰ বাৰু ? মই যে মানুহ মাত্ৰকে ভাল পাওঁ, এই দোষৰ ? তেন্তে মোৰ এই দায়ৰ দণ্ড লবলৈ মই সাজু আছো, অজয়।'

অজয়—'মই দণ্ড দিম তোমাক, ৰাজকন্যা?' মানসী—'ওঁ তুমি দণ্ড দিবা মোক। তুমি কাইলৈ যুঁজলৈ যাবা; তাত যিমান মানুহ তুমি মাৰিবা সিমান তোমাৰ সুযশ হ'ব; আৰু মই যিমান মানুহক ভাল পাম সিমান মোৰ কুযশ হ'ব ?' অজয়—'ভাল পাবা, মানসী। তোমাৰ বহল হিয়াত বিশ্বজগতক ঠাই দিবা। মূৰ্খ মই; আকাশৰ দৰে উদাৰ সেই তোমাৰ হিয়াখনি মই মোৰ ঠেক বুকত



সুমাই ল'ব খোজোঁ! মোক ক্ষমা কৰাঁ, মানসী! আৰু মোক বিদায় দিয়াঁ।'

মানসী—'শুনা, অজয়! অন্যায় —অত্যাচাৰে জগত ঢাকি পেলাইছে, তাক গুচাবৰ বাবে এনে সময়ত যুদ্ধ নহলেই নচলে। কিন্তু ই বৰ দয়া মায়া নোহোৱা কাম; তাৰ মাজত যিমান পাৰা নিজক পৱিত্ৰ ৰাখিবলৈ চাবাঁ।' (অজয় গুচি যায়)।

অজয় ৰণলৈ যায়, আৰু তাৰ পাছতে হঠাৎ মানসীও ৰণক্ষেত্ৰত ওলাইগৈ সেই ৰণত আহত বিলাকৰ শুশ্ৰূষাৰ বাবে। মানসীৰ পিতাক ৰাণা অমৰ সিংহই কবৰ দৰে মানসী বাস্তৱতে দেৱ কন্যা; বাট হেৰুৱাই পৃথিৱীলৈ নামি আহিছিল। মাক-বাপেক ৰজা-ৰাণী দুইৰো বাধা অতিক্ৰমিও তেওঁ ৰণলৈ গৈছিল আৰু আহত সৈন্যবোৰৰ যথেষ্ট আলপৈচান ধৰিছিল। ৰণ ক্ষেত্ৰত এবাৰ মাথোন তেওঁৰ অজয়ৰ লগত সাক্ষাৎ হৈছিল; যেতিয়া "জিনিয়া সমৰ আগিল অমৰ" তাৰ পাছত দুইৰো পুনৰ দেখা হয়:

মানসী—'মানুহ অতি দীন-দুখী, অজয়! তৰোৱালৰ একে ঘাপতে মাটিত শুই পৰে; দুদিন জ্বৰ বিকাৰত বয়সীয়া লোকো ল'বাৰ দৰে অসহায় হৈ পৰে। যাৰ তেজৰ লগত এইদৰে মৃত্যুৰ বীজ মিহলি আছে, তেনে মানুহে ইজনে সিজনক ভাল নাপাই থাকিব পাৰে জানো ? কি, অজয়! মোৰ মুখলৈ একেথৰে চাই ৰলা দেখোন ?

অজয়—তোমাৰ মুখত আকৌ সেই স্বৰ্গীয় জেউতি দেখিছোঁ যি জেউতি দেখিছিলোঁ সেইদিনা!

মানসী—'কোনদিনা ?'

অজয়—'সেই নিশা' সেই মেবাৰৰ ৰণক্ষেত্ৰত—সেই দোকমোক আন্ধাৰত তোমাক মূৰ্ত্তিমতী দয়াৰূপে অৱতীৰ্ণা দেখিলোঁ। সেইদিনা মোৰ উন্মুখ প্ৰেম অসীম হতাশত আৰু দীঘল নিশাহত মিহলি হৈ গ'ল। মানসী 'হতাশ কিহৰ, অজয় ?' অজয়—'কিহৰ ? শুনিবা ? শুনা তেন্তে, সেই দিনায় মই বুজিলোঁ তুমি মহান; তোমাক ধৰিবৰ চেষ্টা কৰা বৃথা। বুজিলোঁ, তুমি এই জগতৰ নোহোৱা, তুমি এটি শৰীৰী মহিমা, কিন্তু স্বৰ্গীয় কাহিনী। সৃষ্টিকৰ্ত্তাই পাথিৱ দেহাৰে তোমাৰ আত্মাৰ জেউতি ঢাকি ৰাখিছে—জানোবা সেই আত্মাৰ উন্মুক্ত জেউতি পথালি চকুৱা মনিছে সহিব নোৱাৰে। আকাশ যদি স্বৰ্গীয় প্ৰেৰণাৰ এটি ছোঁ ঘৰ হ'লহেঁতেন, প্ৰতি গ্ৰহ-নক্ষত্ৰ যদি তাৰ ভাৱবীয়া হলহেঁতেন, জোনাক যদি তাৰ ধাৰাখাৰ সঙ্গীত হ'লহেঁতেন, সেই মহা নাটকৰ নায়িকা হলাঁহেঁতেন তুমি !! মই আৰু তোমাক ভাল পোৱা যাচিব নোৱাৰোঁ, যাচিব পাৰোঁ ভক্তিপুষ্পাঞ্জলি !! মানসী, মই সেই ভক্তিপুষ্পাঞ্জলি যাচি ভিক্ষা কৰিছোঁ তোমাৰ এটি করুণা—কণা !!"..

তাৰ পাচত অজয়ৰ 'ধৰ্ম্ম-গুৰু' সেই মানসীৰ নিষ্ঠুৰ অগ্নি পৰীক্ষা !! ৰাণী 'মানসী'! মানসী-'কি, আই ?' ৰাণী—"তোমাক পিতাৰে মাতি পঠাইছে'। মানসী—কিয়, আই ? ৰাণী—'তোমাৰ বিয়াৰ দিন এটা ঠিক কৰিব লাগিল নহয়! তোমাক সুধিব খোজে'। মানসী—মোৰ বিয়া আই ?' ৰাণী—ওঁ, যোধপুৰৰ ৰাজকোঁৱৰ যশোৱন্ত সিংহৰ লগত; সকলো ঠিক ঠাক, মুঠেই বিয়াৰ দিনটো থিৰ কৰিবলৈ'। ৰাণী 'কি কথা কোৱে ? কান্দিছা কিয় ?' মানসী —'আই, মই বিয়া নকৰাওঁ।' ৰাণী-বিয়া নকৰোৱা ? ইনো কোন দেশৰ কথা ?' মানসী—'বিয়াৰ ঠেক সীমাত মোৰ জীৱনটো সুমাই নথওঁ। মোৰ প্ৰেমৰ পৰিধি তাতকৈ বহুত বহল।' ৰাণী—'তেনে কথা হব পাৰেনে ? সদায় কুমাৰী হৈ থাকিলে চলিব নে ? মানসী—'কিয় নচলিব, আই ? বিধৱা ছোৱালীয়ে ব্ৰহ্মচৰ্য্য ৰাখিব পাৰে, কুমাৰীয়ে নোৱাৰিব কিয় ? মই ব্ৰহ্মচৰ্য্যাব্ৰত পালিম, পিতাক জনাওগৈ।

মানসীয়ে নিজে জনাৰ ভিতৰত এয়ে তেওঁৰ আদি আৰু অন্ত কাহিনী। কিন্তু শ্বেক্সপীয়েৰে কবৰ দৰে 'দৰ্শন শাস্ত্ৰই চুকি নোপোৱা ভালেমান কথা এই স্বৰ্গ আৰু মৰ্ত্তাই আবৰি ৰাখিছে।' মানসীয়ে নিজে চুকি নোপোৱা বহুত লাগতিয়াল কথাই তেনেকৈ তেওঁ নিজ অৱচেতন মনৰ আন্ধাৰ কোঠাত লুকাই আছিল। সেইহে এদিন মানসীৰ মনত আপোনা-আপুনি এই গীতটি প্ৰতিধ্বনিত হল।

'কত ভাল পাওঁ! তাক কোৱা যে নহ'ল!
মনোখেদ ৰৈ গ'ল, কোৱা যে নহল !!
বুকুত ধুমুহা ব'লে, বাষ্পে মাত ৰাখা দিলে;
মনোকথা মনত ৰ'ল, কোৱা যে নহল !!

মুখ যদি নাফাটিল, বুকু কিয় নাভাগিল,
ফালি নেদেখালি প্ৰাণ,—কোৱা যে নহল !!'

আজন্ম কুমাৰী হৈ থকা, আজীৱন ব্ৰহ্মচাৰ্য্য-ব্ৰত ধৰা, মানসীৰ এয়ে অৱচেতন মনৰ এপিঠিৰ ইতিহাস! তাতোকৈ যি মুহূৰ্ত্তত অজয় ঢুকুৱাৰ বাতৰি আহিল তেতিয়া শোকাতুৰা মানসীৰ মৰ্ম্মস্থল ভেদি তাই নিজে নজনা, অজয়ে নজনা, কত ইতিহাসৰ পাতেইনো মেল নাখালে! মানসী—'গুছি গ'ল। এই জন্মলৈ অজয় আঁতৰি গ'ল !! মোক বিদায় নোলোৱাকৈ, মোক মাত একাষাৰ নলগোৱাকৈ, তেওঁ আঁতৰি গ'ল !! ই সঁচানে? উঃ, মোৰ মূৰ ঘূৰাইছে, মোৰ মূৰৰ ওপৰৰ পৰা আকাশখন আৰু ভৰিৰ তলৰ পৰা পৃথিৱীখন যেন আঁতৰি গৈছে !! (এখন্তেক ৰৈ) কাঠচিতীয়া মই, কেতিয়াও মুখ চিৰি কথা নকলোঁ! সিদিনা যেতিয়া অজয়ে মোৰ চেনেহ-কণা এটিৰ খুদ-মগনিয়াৰ হৈ মোৰ মুখলৈ ভিকহুৰ হেঁপাহ-ভৰা চকুৰে চাইছিল, মোৰ মাখোন এটি সহানুভূতিশীল চাৱনিৰ বাবে তেওঁ পিয়াহত মৰিছিল, তেতিয়াও মোৰ মুখ চিৰ নাখালে!! সেইহে মোৰ অজয়ে ঠেহ পাতি জীৱনৰ বাবে গুচি গ'ল! আজি মোৰ নিজৰ বুকু নিজে ফালি দেখুৱাবৰ মন গৈছে; পাছে কি হ'ব !!'....

অকল ইমানেই নহয়, যেতিয়া অজয়ৰ মৃত দেহ দাহ কৰিবলৈ নিয়া হৈছিল, তেতিয়া মানসীক কি বেশত দেখা পোৱা হৈছিল? তেওঁৰ চুলি মেলা, গাৰ কাপোৰ খহা; একেবাৰে বাউলী !! মানসী—'ৰবা, শেষবাৰ চাই লওঁ।' সত্যৱতী—'কিনো কথা, ৰাজকন্যা যে!' মানসী—অজয়! প্ৰিয়তম! মোৰ জীৱন সৰ্বস্ব! মোৰ স্বামী!' সত্যৱতী—'ই কেনে কথা, ৰাজকন্যা? তোমাৰ স্বামী ??' মানসী—'তেন্তে আটায়ে শুনিবাহঁক। আগতে কেতিয়াও কোৱা নহল এতিয়া কওঁ: এই অজয় সিংহৰ লগত মোৰ বিয়া হৈছিল শাৰীৰিক নহয়, মানসিক। কোনেও নাজানে। অজয়েও নাজানিলে, ময়ো নাজানিছিলোঁ !! আমাৰ আত্মাই আত্মাই সেই বিয়া হৈ গৈছিল, প্ৰিয়তম কলৈ যাবা? চোৱা! এয়া মই তোমাৰ অভিসাৰত আহিছো। আজি আৰু মই তোমাৰ সেই চতুৰ মানৱপ্ৰেমী গুৰু নহওঁ, দুখীয়াৰ দয়াময়ী ৰাজকন্যা নহওঁ; আজি মই তোমাৰ প্ৰেমৰ মাগনী দীনা অবলা তিৰোতা! আজি মই ভাল টোকোনা, বাটৰ ভিকহুতকৈও ভিকহু !! তোমাক ভাল পাওঁ বুলি মই কেতিয়াও কবলৈ নহয়; ক'মেই বা কেনেকৈ, মই নিজে নাজানিছিলো। ভিতৰৰ পৰাই কিবা এটাই মোক হেচা মাৰি ধৰিছে; সান্ত্বনা মিছা!'

নাট্যকাৰ দুজনৰ নিজ ভাষাৰেই মানসী বাস্তৱতে এটি "শৰীৰী মহিমা", কিন্তু ডালিমী এটি "সুখৰ সমাজিক।" বয়স, ব্যৱহাৰ, সকলোতে মানসী "মহিমা" হলেও 'শৰীৰী" পাৰ্থিৱ; ডালিমী প্ৰায় অশৰীৰী, অপাৰ্থিৱ, "সুখ" আৰু "সামাজিক"ৰ দৰেই। মানসী অপাৰ্থিৱ, "সুখ" আৰু "সমাজিক"ৰ দৰেই। মানসী 'জাগ্ৰতৰ সোণৰ সপোন', কিন্তু ডালিমী 'সুষুপ্তিৰ সুখ জাগৰণ। আমাকো তাই এখন নতুন সুখৰ জগতত জগাই থৈ যায়; সেই জগত ব্যৱহাৰিক নহয়, কিন্তু সি সত্য আৰু নিত্য।

ডালিমীৰ দৰে এটি সৃষ্টি বিশ্ব-সাহিত্যতো আপু-কণীয়া যেন লাগে। আমি তাইৰ যৎকিঞ্চিত আভাস পাওঁ ৰাজৰ্ষি টলষ্টয়ৰ "ককেছছৰ বন্দী" সাধুৰ দীনা চৰিত্ৰত। টলষ্টয়ে নিজে বিশ্বজনীন কৰা কলা বিদ্যাৰ এজন গুৰু হৈও নিজৰ অকল এই সাধুটি বিশ্বজনীন কলাবিদ্যাৰ ভিতৰত পৰিব পাৰে বুলি কয়। ডালিমী গদাপাণিৰ দৰেই দীনা। ঝিলিনৰ মাজত পাৰ্থিৱ সম্পৰ্কৰ সম্ভৱনাই নাই বুলিব পাৰি, যৌন আবেদনৰ যে কথাই নুঠে। ঝিলিন বৰ্বৰ টাটাৰবোৰৰ হাতত বন্দী, আৰু সেই নৰকৰ ঘোপমৰা আন্ধাৰৰ মাজত দীনা এটি দিব্য জ্যোতিৰূপে আহি ঝিলিনক জগতত আৰু মানৱ হৃদয়ত থকা সুখ আৰু স্নেহৰ সন্ধান দিছে: এয়ে সাধুটোৰ কলাবিদ্যাৰ বিশ্বজনীনতা। বেজবৰুৱাৰ ডালিমী টলষ্টয়ৰ দীনাতকৈ স্পষ্টতৰ মূৰ্ত্তিভাৱে ভাষাই গীতে মাতে। এদিন দুপৰীয়া গছ এজোপাৰ তলত মূৰ দুমাই বহি থাকোঁতে হাবিৰ পৰা ওলাই আহি দহোটা মানুহে গদাপাণিক আক্ৰমণ কৰাত ডালিমীয়ে তিনিপাত কাড়েৰে তিনিটা মানুহ সগৰাই পেলাই গদাপাণিক ৰক্ষা কৰে।

বাহিৰৰ গাৰ্হ্ত ৰজনী বৰদলৈৰ "মিৰিজীয়ৰী" উপন্যাসৰ "ডালিমী"ৰ লগত বেজবৰুৱাৰ ডালিমীৰ বহুত মিল আছে; কিন্তু এইবোৰ সম্পূৰ্ণ বাহিৰ।



মিৰিৰ গাম-গামনীৰ জীয়েক বৰদলৈৰ ডালিমী; আৰু নগাৰ গাম-গামনীৰ জীয়েক বেজবৰুৱাৰ ডালিমী: মিৰি জীয়ৰী ডালিমীয়ে ভালপায় জঙ্কিক আৰু জঙ্কিয়ে পানেইক; নাগিনী ডালিমীয়ে ভালপায় গদাপাণিক আৰু গদাপাণিয়ে জয়মতীক: বৰদলৈৰ ডালিমীয়ে কেৱল প্ৰিয়জনৰ সুখৰ বাবে নিজৰ সুখৰ বিপৰীতেও তেওঁক সহায় কৰে; আৰু বেজবৰুৱাৰ ডালিমীয়ে তাইৰ স্নেহৰ বাবে আওকণীয়া জানিও গদাপাণিৰ ৰক্ষাৰ বাবেই প্ৰাণপনে যত্ন কৰে: ইত্যাদি, ইত্যাদি। কিন্তু ইমানেইহে, ইয়াৰ অধিক নহয়। দ্বিজেন্দ্ৰলালৰ মানসীৰ দৰেই বৰদলৈৰ ডালিমীৰ লক্ষ্য পাৰ্থিৱ; বেজবৰুৱাৰ ডালিমীৰ লক্ষ্য সম্পূৰ্ণ অপাৰ্থিৱ। টল-ষ্টয়ৰ দীনাৰ প্ৰেমো এনে অপাৰ্থিৱ বাবেই সি ইমান উচ্চ স্তৰলৈ উঠিব পাৰিছে।

'মইনা' মই বৰ বুঢ়ী হলো; চকু দুটা মুদাৰ আগতে তোক এবাৰ চাই লবৰ হেঁপাহ হৈছে। তই আহি মোৰ আশীৰ্ব্বাদ লৈ নাগিলে আকৌ কামলৈ যাবি; ন'হলে মই এটী ভাল ছোৱালী বিচাৰি পাইছোঁ, তই বিয়া-বাৰু কৰাই ইয়াতে সুখেৰে থাকিব পাৰিবি।' ঝিলিন নামৰ ককেছছৰ সৈনিক এটাই মাকৰ হাতৰ এই কলীয়া আখৰকেইটা পাই এবাৰ, দুবাৰ, তিনিবাৰ পঢ়িলে আৰু তুলাপাত খিলাকে সেৱা জনালে। মাকৰ কথা ভাবি তাৰ চকু দুটি পোনতে চলচলীয়া হ'লেও, বিয়াৰ কথা ভাবি সেই চকুপানীৰেই তাৰ চকুৰে-মুখে হাঁহি বিৰিঙি উঠিল। সি বিয়া কৰাবলৈ বুলি তিনিমাহৰ ছুটি লৈ ঘৰলৈ গ'ল।

সি আছিল কচ্ছ সৈনিক; বাটত সিহঁতৰ চিৰ শত্ৰু টাটাৰবোৰে অকলে পাই হাতে-ভৰিয়ে শিকলি লগাই প্ৰথম ৰাতিটো গোবৰৰ দ'ম এটাৰ ভৰালত ভৰাই থলে। ওৰে দিনটো আৰু ৰাতিৰে ৰাতিটো নখোৱে ভোকে থাকি পুৱা সি খাবলৈ পানী বিচৰাত তাৰ গৰাকী আব্দুল বোলা টাটাৰটোৱে "দীনা" বুলি কাৰোবাক চিঞৰিলে। ততালিকে তিৰবিৰ চকু আৰু নাহি দেহেৰে তেৰবছৰ মান বয়সীয়া ধুনীয়া ছোৱালী এটি নৰি আহিল, আৰু বাপেক সেই আব্দুলৰ আদেশ মতে এটা বাটিত অলপ পানী আনি ঝিলিনক দিলে। ঝিলিনে হেঁপাহেৰে পানী বাটি পিয়া দীনাই থৰ লাগি চাই আছিল আৰু বাপেকে যেতিয়া তাইক আকৌ কিবা আনিবলৈ আদেশ দিলে, তেতিয়া তাই লৰ মাৰি গৈ শুকান ৰুটি কেখনমান আনি ঝিলিনক দি আকৌ সি সেইবোৰ হেঁপাহেৰে খোৱা থৰ লাগি চাই ৰ'ল। ইয়াক নিশ্চয় পোনৰ দেখা দেখিত ওপজা প্ৰেম বুলি কোনেও ভুল কৰিব নোৱাৰে।

তাৰ পাছত ঝিলিনক আকৌ ভৰালত সুমাই তলা মাৰি টাটাৰবোৰ দিহাদিহি নিজ কামত গ'ল। এই দৰেই দিনবোৰ চুচৰি যাবলৈ ধৰিলে; ঝিলিনে দীনাক মাটিৰ পুতলা সাজি দিয়ে, তাই সেইবোৰ কাপোৰ কানি পিন্ধাই ধুনীয়াকৈ সজায় আৰু ডাঙৰ বোৰে দেখিলেই তাইক গালি পাৰি সেই পুতুলাবোৰ ভাঙি পেলায়। ছেগ চাই দিনাই গাখীৰ আৰু ছানা আনি ঝিলিনক খুৱায়। তাইৰ হেঁপাহ পলুৱায়। দুইৰো স্নেহ বিনিময় এইদৰেই হয়; কিয়নো কচ্ছে টাটাৰ আৰু টাটাৰে কচ্ছ ভাষা নুবুজে।

এইদৰে দুমাহমান কটাই ঝিলিনে পলাবৰ চেষ্টা কৰিলে; তাৰ ফলত সি ধৰা পৰিল, আৰু তাক আঠহাত দীঘল-বহল এটা দ গাতত ভৰাই থোৱা হ'ল। ভৰিৰ শিকলি নুগুচে আৰু কুকুৰক দিয়া দৰে তাক খাধা কেঁচা আহাৰ আদি দলিয়াই দিয়া হয়। এই অৱস্থাত তললৈ মূৰ গুজি বহি থাকোতে হঠাৎ এদিন ঝলিনিৰ কোচত পৰিল এটা সুন্দৰ পিঠা, তাৰ পাছত আৰু এটা; আৰু তাৰ লগত ভালেখিনি পনিয়ল। ঝিলিনে ওপৰলৈ মূ-কৈ দেখে নিচিকি হাঁহিৰে সেই ধুনীয়া দেৱদূতী দীনা। ঝিলিনে চোৱা মাত্ৰকতে তাই হাঁহি হাঁহি লৰ মাৰিলে। নৰ্ক-কুণ্ডত এই স্বৰ্গৰ জিলিঙণি !! ঝিলিনে দীনাৰ কথাকে ভাবি ভাবি সেই মাটিৰেই আকৌ কিছুমান পুতলা সাজিলে—মানুহ, ঘোৰা, আৰু কত কি!

পিছদিনাও নাহিল, আৰু তাৰ সলনি ঝিলিনে শুনিবলৈ পালে দনাই যৌৱাৰ খোজ আৰু চিঞৰ বাখৰ! ঝিলিনৰ বুজিবলৈ বাকী নাথাকিল তাৰ জীৱনৰ বিৰুদ্ধেই বিচাৰ চলিছে। মেল ভঙাৰ পাছত ঝিলিনে ওপৰলৈ চাই দেখে তৰাৰ দৰে তিৰবিৰ চকু দুটিৰে সেই দেৱ-দূতী দীনা! তাৰ লগে লগেই ঝিলিনৰ কোঁচত পৰিল দুটি পণিৰ। ঝিলিনে পুতলাবোৰ দেখুৱাই অঙ্গি-ভঙ্গি

কৰি বুজালে তাইলৈকে সি সেইবোৰ সাজি থৈছে। কিন্তু আজি তাই সেইবোৰলৈ চকুকে নুমুৰালে। ঝিলিনে ভালকৈ মন কৰি দেখিলে তাইৰ সৰু চকু দুটি চুল-চুলীয়া। অলপ পাছত তাই নিজৰ ডিঙিটোত হাতৰ ঠাৰি লগাই বুজালে টাটাৰহঁতে তাৰ ডিঙি কাটি পেলাব খুজিছে। এখোজ দুখোজকৈ তাই আঁতৰি গ'ল।

ঝিলিন হতাশ হল। সন্ধিয়াৰ লগে লগে আকাশত দুই এটি তৰাই দেখা দিলে, কিন্তু জোনবাই তেতিয়াও ওলোৱা নাই; এনেতে বাঁহ এডালৰ এটা মূৰ, তাৰ পাছত গোটেইডাল বাঁহ গাতটোৰ ভিতৰলৈ সোমোৱা ঝিলিনে দেখা পালে। গাতটোৰ ওপৰলৈ চাই সি দেখিলে—শুকতৰা যেন দীনাৰ বিতোপন চকুযুৰি। লগে লগে তাই আকাৰে ইঙ্গিতে বুজালে এতিয়া টাটাৰবোৰ বাহিৰত নাই; পলাবৰ বাবে এয়ে সোণালী সুযোগ। ঝিলিনে বাঁহডাল বগাই ওপৰ পাওঁ পাওঁ হওঁ-তেই দীনাই তাইৰ পদুমৰ ঠাৰি যেন হাত দুখনিৰে ঝিলিনক হাঁহি হাঁহি টানি আনিলে।

কোমল হাত দুখনিৰে দীনাই ঝিলিনৰ ভৰিৰ শিকলি সোলকাবলৈ যত্ন কৰিলে, নোৱাৰিলে। ঝিলিনে নিজে এটা শিল আনি শিকলিডাল ভাঙিবলৈ চেষ্টা কৰিলে, বিফল হ'ল। উপায় নাপাই শিকলি ডাল হাতেৰে ধৰিয়ে পলাবলৈ সি থিৰ কৰিলে। দীনাই তাইৰ চোলাৰ কোঁচত ভৰাই লুকুৱাই অনা পণিৰখিনি বাটত খাবলৈ বুলি ঝিলিনৰ চোলাৰ মোনাত ভৰাই দিলে। দীনাৰ সৰু মূৰটি গুজি গুজি ঠোকাঠুকি খাতেৰে ঝিলিনে তাইক বুজাবৰ যত্ন কৰিলে—— 'যাওঁ, দীনা! জনমত তোমাৰ ধাৰ শুজিব নোৱাৰোঁ।। মই গ'লে বাৰু কোনে তোমাক পুতলা সাজি দিব? তুমি কাক গাগীৰ-পনীৰ আৰু ছানা যাচিবাঁহি? দীনাই লাহৰী হাত দুখনিৰে মুখখন ঢাকি ঝিলিনৰ বুকুত মূৰ গুজি হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। সেই কান্দোনেই যেন তাইৰ মুখত নুফুটা সকলো কথা কৈ দিলে!!

"প্ৰেমের ফাঁদ পাতা ভুবনে। কে ধরা পরে কোথা কে জানে।" বিশ্বজনীন আধ্যাত্মিক মাধ্যা-কৰ্ষণে জীৱক পৰস্পৰ আকৰ্ষণ চিৰকাল কৰিব লাগিছে; তৰাই তৰাই, গ্ৰহে গ্ৰহে যি চিৰন্তন আকৰ্ষণ তাৰ ওপৰতে বিশ্বব্ৰহ্মাণ্ডৰ স্থিতি যে সন্দেহ নাই। দীনা সেই নিচিনা এটি আকৰ্ষণ শক্তি-কেন্দ্ৰ; ডালিমী তেনে এটি আকৰ্ষণ শক্তি-কেন্দ্ৰ। ইয়াত যৌন-আবেদন বাস্তৱতে বিচাৰিবলৈ যোৱা কিমান দূৰ ন্যায়সঙ্গত তাক কোৱা টান যদিও অৱশ্যে ফ্ৰয়ডীয় বিচাৰ পন্থা মতে তেনে চেষ্টা ফলৱতী নহৈ নাথাকিব পাৰে। আন সকলো বিজনিতকৈ বেজবৰুৱাৰ ডালিমী আৰু টলষ্টয়ৰ দীনাৰ ঐক্য একক । ই নাট্যকাৰ বেজবৰুৱাৰ প্ৰতিভাৰ এক চৰম পৰিচয় বুলিবই লাগিব।

টলষ্টয়ৰ আনা কাৰানিনা নায়িকাৰ এক ব্যভি-চাৰৰ উদাহৰণ বুলিব পাৰি। শেক্সপীয়েৰৰ আলো-চিত ডেছডিমনা চৰিত্ৰ' দৃষ্টান্তৰূপে, আনা কাৰানিনাৰ বিপৰীত বিন্দু। তেওঁৰ জুলিয়েট্ আৰু অফেলিয়া তেনেদৰে এটি ত্ৰিভুজৰ দুই বিপৰীত বিন্দু হব পাৰে। তেওঁৰে অলিভিয়া আৰু ভায়লা চৰিত্ৰ তেনেদৰে দুই বিপৰীত অৱস্থাৰ নিদৰ্শন বিন্দু। শেক্সপীয়েৰৰ অফেৰলিয়া আৰু "গথেৰ মাৰ্গেৰেট কেৱল শেষ পৰিণ-তিত দুয়ো বলিয়া হোৱা বিষয়তহে মিল; আন আকৃতি-প্ৰকৃতিত স্বকীয়া। দ্বিজেন্দ্ৰলালৰ মানসী এটি স্বয়ম্ভূ সৃষ্টি, যদিও বেজবৰুৱাৰ ডালিমীতকৈ সি অলপ কৃত্ৰিম আৰু কৌশলপূৰ্ণ। গতিকে ডালিমীৰ একমাত্ৰ লগৰীয়া দীনা; কিন্তু ডালিমী যেনে গীতে-মাতে জীৱন্ত দীনা তেনে নহয়; মুঠতে সকলো ফালৰ পৰাই বেজবৰুৱাৰ ডালিমী উৎকৃষ্ট আৰু একক বুলি বোধ হয়।

ডালিমী নাটকীয় সৃষ্টি হ'লেও ই বিশেষৰূপে কাব্যধৰ্ম্মী। কবি-নাট্যকাৰে তেওঁৰ হৃদয়ৰ সকলো কাব্যিক ৰহণ দি ডালিমীক সজাইছে, আৰু কবিৰ সমগ্ৰ প্ৰতিভাৰে তাইক জীৱন্ত, প্ৰাণৱন্ত আৰু সঙ্গীতময় কৰি তুলিছে। তথাকথিত হাস্যৰসিক বেজবৰুৱাই ইফালেও এই চৰিত্ৰত কৰুণ ৰস যিমান ঢালিব পাৰি অতি সংযতভাৱে ঢালিছে; বা ডালিমীৰ অভাৱনীয় মৃত্যু স্বয়ং এটি কৰুণ ৰসৰ উহ পাতিছে।

মানুহ জীৱনৰ দৰেই ডালিমী চৰিত্ৰ এটি ৰহস্য-প্ৰহেলিকা, আৰু তাৰ ক্ৰমবিকাশো যেনে ক্ষিপ্ৰ তেনে স্বাভাৱিক। "হোৰাত ফুল, মূৰত ফুল আৰু হাতত ফুল আৰু ধনুকাঁড়" সৈতে গদাপাণিৰ কাষত উঠি "গোপা-গোপে" ফুল পৰা আৰু "খোপাত পিন্ধিম



বিজুলীৰ ফুল, কাণত পদুমৰ কেৰু" বা "ন'বা-বুঢ়া কাক কয় ডালিমী নুবুজে তাক" গীত--সুৰৰ ডালিমী, "কেচাসোণ তোমাৰ বুকুতো সেইদৰে মোৰ হাঁহি লাগি ঠেকা খায়নে" বোলা ডালিমী বাহিৰে দেখাত একে হ'লেও ভিতৰত বহুত বেলেগ, বহুত বয়সস্থা অন্ততঃ মানসিক পৰিণতিত। আকৌ, এই দুই ডালিমীতকৈ "হায়, কেচাসোণ! তুমি আৰু আমাক এৰি কলৈকো নাযাবা দেই!.......... (গদাপাণিৰ হাতত ধৰি) তুমি মোক কোৱা তুমি আমাক এৰি নোযোৱা বুলি। মোৰ কেতি-য়াবা কেতিয়াবা বৰ ভয় লাগে কোনবাকৈ তুমি আমাক এৰি গুচি যোৱা বুলি। কিন্তু কেঁচাসোণ, নিশ্চয় জানিবা, তুমি গুচি গ'লে ডালিমী আৰু ইয়াত নাথাকে; এই জুৰিৰ পানীৰ সৈতে ডালিমী কলবলৈ গুচি যাব।

দেৱ-ছোৱালী ডালিমীৰ এই দেৱ-কথাই দুৰ্ভাগ্যক্ৰমে ভৱিষ্যতত ফলিয়ালে বা এই আশঙ্কাই ডালিমীৰ মৰণ জানিনী বুলিব পাৰি। তাৰ পাচৰ পৰাই মাজত হঠাৎ গদাপাণিক বাৰটা আক্ৰমণকাৰীৰ হাতৰ পৰা ৰক্ষা কৰা ঘটনাৰ বাহিৰে ডালিমীক আৰু আমি দেখা নাপাওঁ; আৰু এই ঘটনাও চিৰকাললৈ নুমাব লগা বন্তিৰ শেষবাৰ ৰৰকৈ জ্বলা সোহৰ মাত্ৰ। শেক্সপীয়েৰে অফেলিয়াৰ মৃত্যুৰ দৃশ্য দেখুৱাই দৰ্শকৰ অন্তৰত আঘাত দিয়াৰ পৰা বিৰত হোৱাৰ দৰে বেজবৰুৱায়ো ডালিমীৰ মৃত্যু দেখুৱাই দৰ্শকৰ অন্তৰত আঘাত দিয়াৰ পৰা বিৰত হৈছে। অকল ইয়াতেই নহয়, ডালিমীৰ মৃত্যু হোৱা বুলিও তেওঁ কোৱা নাই; কেৱল এটা নগাই গাম-গামনীৰ আগত ডালিমীয়ে এটা পৰ্ব্বতৰ টিঙৰপৰা গীত গোৱা, পৰ্ব্বত জনজনাই যোৱাকৈ এটা হাঁহি মৰা আৰু তাইক সেই পৰ্ব্বতৰ টিঙৰ পৰা জাপ মৰা বুলি কয়হি; কিন্তু সি হেনো সেই ঠাইত বৰ যত্ন কৰি বিচাৰিও তাইক উলিয়াব নোৱাৰিলে।



# কাকতৰ টোপোলা

শ্ৰীউপেনচন্দ্ৰ লেখাৰু

**কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা আধুনিক অসমীয়া সাহিত্যৰ এক অপূৰ্ব্ব সম্পদ আৰু বেজবৰুৱা ডাঙৰীয়াৰ** ই এক অভিনৱ সৃষ্টি । কৃপাবৰৰ মুখেৰে অসমীয়া সমাজৰ বহুমুখী সংস্কাৰ সাধনাৰ ইঙ্গিত দিয়াই এই গ্ৰন্থৰ উদ্দেশ্য যেন লাগে । সৃষ্ট চৰিত্ৰৰ যোগেদি স্ৰষ্টা বা সাহিত্যিকৰ মনৰ ভাব প্ৰচাৰ কৰা পদ্ধতিটো পশ্চিমীয় সাহিত্যৰ পৰা আহিছে । এনে পশ্চিমীয়া প্ৰভাৱৰ পৰা বেজবৰুৱাৰ কালৰ অন্যান্য সাহিত্যিকেও এই শ্ৰেণীৰ গ্ৰন্থ ৰচনা কৰিবলৈ চেষ্টা কৰিছিল । বিশেষকৈ সত্যনাথবৰাৰ "কেন্দ্ৰসভা" ৰজনীকান্ত বৰদলৈৰ "ভোলাই শৰ্ম্মা" কমলাকান্ত ভট্টাচাৰ্য্যৰ" কঃ পন্থা" আদি উল্লেখ যোগ্য ।

ইংৰাজী সাহিত্যত এই শ্ৰেণীৰ অনেক গ্ৰন্থ পোৱা যায় । কাৰ্লাইলে Sartur and Resurtur বোলা কিতাপত টুফেলচদ্ৰক নামৰ দাৰ্শনিক পণ্ডিত, চুইফ্টৰ "গালিভাৰ", ডিকেন্সৰ "পি কুইক পেপাৰ" আদি নানা গ্ৰন্থ ৰচনা কৰা দেখা যায় । এই গ্ৰন্থবোৰ ইংৰাজী সাহিত্যত বৰ বিখ্যাত আৰু সমাজৰ ওপৰত এইবোৰৰ বিশেষ প্ৰভাৱ পৰিছিল । বেজবৰুৱাৰ আত্ম-জীৱন চৰিতত ইংৰাজী সাহিত্যৰ বিশদ অধ্যয়নৰ পৰিচয় পোৱা যায় । সেইকাৰণে ইংৰাজী সাহিত্য অধ্যয়নৰ লগে লগে অসমীয়া সমাজ আৰু সাহিত্যৰ উপযোগী কৰি এটি কাল্পনিক চৰিত্ৰ সৃষ্টি কৰাৰ ভাৱ বেজবৰুৱাৰ মনত উদয় হৈছিল । কিন্তু কৃপাবৰৰ সৃষ্টিত বেজবৰুৱাই বিশেষ ৰকমৰ অনুপ্ৰেৰণা বঙ্কিম-চন্দ্ৰ চট্টোপধ্যায়ৰ "কমলা কান্তৰ দপ্তৰ" নামৰ গ্ৰন্থৰ পৰা পাইছিল বুলি অনুমান হয় । কিয়নো বঙ্কিমচন্দ্ৰ বঙ্গ সাহিত্যৰ এজন বিখ্যাত লেখক আৰু কৃপাবৰৰ সৈতে কমলা কান্তৰ ঠায়ে ঠায়ে বহুত মিল দেখা যায় ।

অসমীয়া সমাজৰ বহুমুখী সংস্কাৰ উদ্দেশ্য কৰি কাকতৰ টোপোলা ৰচনা কৰা যেন অনুমান হয় । অসমীয়া সমাজ, সাহিত্য, ধৰ্ম্মক্ষেত্ৰ আদি সকলো বিষয়তে বিশেষ সংস্কাৰৰ আৱশ্যকতা বেজবৰুৱাই উপলব্ধি কৰি এই গ্ৰন্থ খনি লিখিছিল । প্ৰকৃতপক্ষে দেশৰ দুৰৱস্থাত তেওঁ কাতৰ হৈছিল কিন্তু সংস্কাৰৰ কামনা নাইবা উপদেষ্টাৰ ভাৱ তেওঁৰ লেখনিত পৰিস্ফুট হৈ উঠা নাই । বৰং আদিৰ পৰা অন্তলৈকে গোটেইখন কাকতৰ টোপোলাত হাঁহিৰ খলকনিহে পোৱা যায় । বিচিত্ৰ কলা কুশল লোকৰ ৰচনাত নিজৰ মনৰ ভাৱ আৰু উদ্দেশ্য অন্তৰালত ৰাখি উপভোগ্য মৌচাক সৃষ্টি কৰাই যাই উদ্দেশ্য । বেজবৰুৱাই অসমীয়া সমাজৰ নানা ভ্ৰম, প্ৰমাদ, অন্ধবিশ্বাস আৰু অপৈণত অৱস্থা আদি বৰ্ণাই সেইবিলাক দূৰ কৰাৰ পোনপটীয়া উপদেশ দিয়া নাছিল । কিয়নো তেনে উপদেশৰ দ্বাৰা উদ্দেশ্য সিদ্ধি নহয় । সেই দেখিয়েই বেজবৰুৱাই হাস্যৰসৰ আলম লৈ অসমীয়া সমাজৰ নানা ক্ষেত্ৰৰ অতিৰঞ্জিত ছবি আঁকি চিত্তাকৰ্ষণ কৰাৰ লগে লগে নিজৰ দোষ বিলাক চকুত পেলাই দিবলৈ চেষ্টা কৰিছিল । আচলতে নিজৰ দোষক দোষ বুলি বুজিবলৈ পাৰিলেই সংস্কাৰ সাধন সহজ হয় । হাস্যৰসে সকলো মানুহকে সমানে আকৃষ্ট কৰিব পাৰে । সেইকাৰণে বেজবৰুৱাই এই ৰসৰ আশ্ৰয় লৈছিল । ইফালে আকৌ বেজবৰুৱাৰ সময়ত পশ্চিমীয়া শিক্ষা আৰু আমাৰ দেশৰ পুৰণি শিক্ষা দুয়োটাৰে এটা সংঘৰ্ষ হৈছিল । পশ্চিমীয়া শিক্ষা পোৱা সকলে নিজৰ দেশৰ প্ৰাচীন শিক্ষাক কিছু ইতিকিং কৰিছিল আৰু পুৰণি ৰক্ষণশীল দলে ন শিক্ষা পোৱা সকলক একে ৰূপেই ইতিকিং আৰু তাচ্ছিল্য কৰিছিল । এনে এখন সমাজৰ পৰা সম্বল গোটাই লৈ বেজবৰুৱাই হাঁহিৰ ভঁৰাল সৃষ্টি কৰিছিল ।

অসামঞ্জস্যতাই হাঁহিৰ এটা বিশেষ কাৰণ । বেজবৰুৱাই হাঁহিৰ ভৰাল সৃষ্টি কৰোতে এই অসামঞ্জস্যতাকে আশ্ৰয় কৰিছিল । অতি সাধাৰণ কথা বৰ্ণাওতে পৌৰাণিক গাম্ভীৰ্য্য বা আৰম্বৰ আকৌ গধুৰ বা গভীৰ কথা বৰ্ণাওতে অতিপাতল ভাষা ব্যৱহাৰ কৰি, মিশ্ৰভাষা ব্যৱহাৰ কৰি, বঙলা, হিন্দী, সংস্কৃত আদি ভাষা মিহলি কৰি, বিকৃত শব্দ আৰু শব্দাৰ্থ ব্যৱহাৰ কৰি, নিজে সৃষ্টি কৰা কেতবোৰ হাঁহি উঠা শব্দাদি ব্যৱহাৰ কৰি, বেয়াক ভাল আৰু ভালক বেয়া কৰি ব্যাখ্যা কৰি বেজবৰুৱাই হাস্য ৰসৰ সৃষ্টি কৰিছিল। বেজবৰুৱাৰ আটাইবোৰ প্ৰৱন্ধতে যে একোটা অভিসন্ধি বা উদ্দেশ্য আছে এই বুলি কব নোৱাৰি । কেতবোৰ প্ৰৱন্ধত বিশেষ উদ্দেশ্য থকা যেন লাগে । অসমীয়া সমাজৰ নানা প্ৰকাৰৰ সংস্কাৰ সাধন এই প্ৰৱন্ধ বোৰৰ উদ্দেশ্য । আনকেতবোৰৰ কোনো উদ্দেশ্য দেখা নাযায় । সেইবোৰ কেৱল নিজে আমোদ পোৱা আৰু লোকক আমোদ দিয়া উদ্দেশ্যেই লিখা হৈছিল । কৃপাবৰৰ চলোত নিজৰ পৰিচয় দিওঁতে কৈছে,—

"সুদৰ্শণ হাতে বিষ্ণু, শূল হাতে ভোলা,
মহেন্দ্ৰৰ বজ্ৰ কৃপা কাকতৰ টোপোলা ।"

ইয়াৰ দ্বাৰাই কাকতৰ টোপোলাই তেওঁৰ একমাত্ৰ অস্ত্ৰ যেন দেখুৱাইছে । আকৌ,—

"এডনীয়া কচুৰ জাল মাকে খাইছিল,
দুষ্টৰ পিঠিত কৃপা নিত্যে খিয় কিল ।"

ইয়াৰ দ্বাৰাই বেজবৰুৱাই নিজৰ স্পষ্টবাদীতাৰ পৰিচয় দিছিল । লগতে "অন্যায়লৈ সগা যাঠি আৰু ন্যায়লৈ কলচি"—এই কবিতা শাৰীৰে নিজকে নিষ্ঠুৰ বুলি পৰিচয় দিব খুজিলেও প্ৰকৃততে তেওঁৰ লিখনিত সহানুভূতিৰ বাহিৰে নিষ্ঠুৰতা দেখা নেযায় ।

স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা দেৱ অসমীয়া সাহিত্য, সমাজ, সংস্কৃতিৰ বহুমুখী সংস্কাৰক । আধুনিক সাহিত্যত বেজবৰুৱাৰ প্ৰতিভা বহু বেছি । এওঁ "জোনাকী" যুগৰ কবি । বহুৰকমৰ প্ৰৱন্ধ আৰু ব্যঙ্গাত্মক লিখনিৰ মাজেৰেই অসমৰ সমাজ আৰু সাহিত্যৰ এওঁ উন্নতি সাধিছিল ।

অৱশ্যে সেইবিলাক স্পষ্ট ভাবে মানুহক কোৱা নাছিল কাৰণ খোলা খুলি হিচাপে মানুহৰ উপদেশ যিমান কাৰ্য্যকৰি হব পাৰে, ৰসিকতাপূৰ্ণ ভাষাৰ যোগেদি সেই কাৰ্য্য বেছি কৃতকাৰ্য্য কৰি তুলিব পাৰি । কাকতৰ টোপোলাত আমি এনেকুৱা ধৰণৰ বহুত প্ৰৱন্ধ পাওঁ । এই প্ৰৱন্ধ বিলাক বেজবৰুৱা দেৱে নিজেই কৈছে । কিন্তু লিখাত লিখিছে কৃপাবৰে লিখাৰ দৰেহে । বেজবৰুৱাই তেতিয়াৰ অসমৰ দুৰাৱস্থা দেখি কাতৰ হৈছিল, কিন্তু সংস্কাৰৰ কামনা বা উপদেশৰ ভাৱ এওঁৰ লিখনিত পৰিস্ফুট হৈ উঠা নাই—বৰং আদিৰ পৰা অন্তলৈকে গোটেইখন কাকতৰ টোপোলাতে হাঁহিৰ খলকনিহে পোৱা যায় । অসমীয়া সমাজৰ নানা ধৰণৰ প্ৰমাদ, অন্ধ বিশ্বাস, অপৈণত অৱস্থা আদি বৰ্ণাই সেইবিলাক দূৰ কৰাৰ পোনপটীয়া উপদেশ নিদি হাস্য ৰসৰ আলম লৈ অসমীয়া সমাজৰ নানান ক্ষেত্ৰৰ অতিৰঞ্জিত ছবি আঁকি চিত্তাকৰ্ষণ কৰাৰ লগে লগে নিজৰ দোষ বিলাক চকুত পেলাই দিবলৈ চেষ্টা কৰিছিল ।

বেজবৰুৱাৰ সময়ত পশ্চিমীয়া শিক্ষা আমাৰ দেশৰ পুৰণি শিক্ষাৰ মাজত সংঘৰ্ষ হৈছিল । পশ্চিমীয়া শিক্ষা পোৱা সকলে প্ৰাচীন শিক্ষাক ইতিকিং কৰিছিল আৰু পুৰণি ৰক্ষণশীল দলে তাহাতকো একে চকুৰেই চাইছিল । এয়ে আছিল বেজবৰুৱাৰ ব্যঙ্গাত্মক ভাষাৰ প্ৰথম নমুনা । অসামঞ্জস্যতাই হাঁহিৰ এটা বিশেষ কাৰণ । বেজবৰুৱাই ইয়াৰে আলম লৈছিল । অতি সাধাৰণ কথা বৰ্ণাওতে পৌৰাণিক গাম্ভীৰ্য্য আৰু গভীৰ কথা বৰ্ণাওতে পাতল ভাষা ব্যৱহাৰ কৰিছিল । অসমীয়া, হিন্দী সংস্কৃত, বঙলা ভাষাক মিহলি কৰি শব্দ আৰু শব্দাৰ্থ কিছুমান সাজি কেতবোৰ হাঁহি উঠা শব্দ ব্যৱহাৰ কৰি বেয়াক ভাল আৰু ভালক বেয়াকৈ ব্যৱহাৰ কৰি, বেজবৰুৱাই হাস্যৰসৰ সৃষ্টি কৰিছিল ।

সেই সময়ৰ অসমীয়া ৰাইজে নিজৰ অস্তিত্ব পাহৰি কাণি আদি ৰবৰিহ খোৱাত লাগিছিল । ইয়াৰ প্ৰমাণ পাওঁ কাকতৰ টোপোলাৰ "সামাজিক" নামৰ প্ৰৱন্ধত । ইংৰাজীভাষা শিকিলে বা ইংৰাজী স্কুলত পঢ়িলে মানুহে বিজাতি হোৱা বুলি ভাবিছিল । নিজেই নিজৰ মহত্বতাৰ পৰিচয় দিছিল--কিন্তু সেইটো মহত্বতা কিবা আনহে

আছিল। বেজবৰুৱাৰ নিজৰ ভাষাৰে কবলৈ হলে— তেওঁ নিজকে "সনজুৰা বাপুসকলৰ শিৰৰ মুকুট, সভা গুৱনী সভ্য আৰু বৰ্ব্বৰ" বুলি কয়। নিজৰ জয়ধ্বনি নিজে দিয়ে। চাকৰি বিচাৰি গৈ মুখে মুখে দৰ্খাস্ত গায়। শিকক হৈ "কেলি গ্ৰাফি' বঠাইত "টেলিগ্ৰাফি" শিকায় আৰু বাতৰি কাকতত জাননী দিবলৈ গৈ ঢলস্থলকৈ আত্তাহ পাবে। নিজৰ এইবিলাক ভাষাৰে অসমীয়া সমাজৰ দাম্ভিকতাহে দেখুৱায়। সেই সময়ত কিছুমান লিখাৰ ওলাইছিল আৰু যিহকে পায় তাকে লিখিছিল। ইয়াকে বেজবৰুৱাই সমালোচনা কৰিছে নিজৰ ভাষাৰে বা ব্যঙ্গাত্মক ভাষাৰে তিৰস্কাৰ কৰিছে। যেনেকুৱাকৈ কবিতা প্ৰবন্ধ আদিত কাব্য ৰসৰ পৰা আৰম্ভ কৰি পানৰ ৰস, লেমুটেঙাৰ ৰসৰ কথা উল্লেখ কৰিছে তাক শুনিলে হাঁহি সামৰিব নোৱাৰি। নীতি নিয়মক তিৰস্কাৰ কৰি নিজে মিহলি ভাষা প্ৰয়োগ কৰি "ফটোগ্ৰাফ" নামে প্ৰবন্ধটিত কৈছে—আনকি জাহাজত পাৰ হওঁতেও চকুৰ আগত দেখিছিল,—তাতো উক্ত মহাম্লেশ গো খাদকনস্থি সন্ত্য গহ উঠিনাত বহন্যাত ভোজনাত" হানি যমদূত বুলি বুজ পাওঁ তোমাকু ৰাজা নৈ যানেকু পঠিয়াই দিছে—তুম ওনাও এতিয়া'। ভাষাৰ বিষয়ে কৈছে যে সেই সময়ত অসমীয়া প্ৰবন্ধত পতিত অৰ্থহীন ভাষাহে প্ৰয়োগ কৰিছিল। তাৰ প্ৰমাণ তেওঁৰ ভাষাৰে "খোল", "কাঁহ", "ঘণ্টা", "মৃদঙ্গ", "সংস্কৃত্য" ইত্যাদি। অসমীয়াৰ ভুল বিলাক আঙুলিয়াই নিজে কৈছে— চেপেন মাষ্টৰে সন্দেহ কৰিছে—প্ৰভু ঈশ্বৰ—গিলিপ-দাৰি—ইত্যাদি। অসমীয়া লোকে এনেকুৱাহে উচ্চাৰণ কৰিছিল। শব্দৰ অৰ্থ নেজানি বা উচ্চাৰণ কৰিব নোৱাৰি যেনেকুৱা ভাষাই অসমত আধিপত্য বিস্তাৰ কৰিছিল সেই ভাষা বেজবৰুৱা দেৰে নিজে নিজে গাত লৈতিয়াই কাকতৰ টোপোলাত প্ৰকাশ কৰিছে। যেনে—"শুনিবলৈ পালো হেনো মোক মিচ্ মিচ্ কৰিবলৈ চাহাব নেলাগে মহাম্লেচ আজু ককায়েও বিচাৰি পাব ক'ত?" এইৰকম ভাষা আৰু ভঙ্গীৰেই সেই সময়ৰ অসমীয়া জাতিৰ ভাষা, সংস্কৃতি, জাতি-ধৰ্ম্ম সমালোচনা কৰিছিল। ব্যঙ্গাত্মক ভাষাৰে যদি এই বিলাকৰ সমালোচনা নকৰি দেখা দেখিকৈ আন লিখনিৰ দৰে সমালোচনা কৰিলেহেঁতেন, বেজ বৰুৱা দেৰে কিজানি নানা ৰকমৰ বাক্য মানুহৰ পৰা শুনিবলৈ পালে হেঁতেন। গতিকেই বেজবৰুৱাই ব্যঙ্গাত্মক ভাষাৰ আশ্ৰয় লৈছিল।

তেওঁৰ নিজৰ (কৃপাবৰৰ) অদ্ভুত আত্ম পৰিচয় দিছে। তেওঁ নিজকে সনজুৰা বাপুসকলৰ শিৰৰ মুকুট সভা গুৱনী সভ্য অবৰ্ব্বৰ বুলি কয়। কিন্তু তেওঁৰ কথা বতৰা আৰু কাৰ্য্যকলাপ তাৰ ওলোটাহে। তেওঁ নিজৰ জয়ধ্বনি নিজে দিয়ে। গোপনে এটা কাম কৰিবলৈ গৈ সংসাৰৰ মানুহক সেই কথা কাকো নকবলৈ চিঞৰি চিঞৰি ভয় দেখুৱাই ফুৰে। বাতৰি কাকত উলিয়াবলৈ গৈ বহুবাৰ দলে সূত্ৰধাৰৰ ভাওঁ দিয়ে। কাম বিচাৰিবলৈ গৈ মুখে মুখে দৰখাস্ত গায়। শিক্ষকহৈ কেলিগ্ৰাফিৰ ঠাইত টেলিগ্ৰাফি শিকায়। বাতৰি কাকতত জাননী দিবলৈ গৈ ঢলস্থুলকৈ চিঞৰ বাখৰ কৰে—ইত্যাদি। সাধাৰণ কথা বৰ আড়ম্বৰেৰে প্ৰকাশ কৰে। "মোৰ জন্ম ৰহস্য," "প্ৰভু তত্ত্ব" আদি সাধাৰণ বিষয় বোৰত বিশেষ পৌৰাণিক আড়ম্বৰ আছে। উচ্চ ধৰণৰ কথা অতি সাধাৰণ ভাবে প্ৰকাশ কৰি—কবিতা, প্ৰবন্ধত কাব্য ৰসৰ পৰা আৰম্ভ কৰি পানৰ ৰস, লেমুটেঙাৰ ৰস আদিৰ কথাও উল্লেখ কৰিছে। নিজে সজা অদ্ভুত শব্দ আৰু শব্দাৱলী আদি ব্যৱহাৰ কৰি—যেনে যশস্যাৰ কাকতি ফৰিং, সদনাসৰ কুম্ভকৰ্ণ, বদন গৃহৰ ভাপ দুৱাৰ, চকু জাঠি, টিকনী কপী বাৰং, ইংৰাজ কপী বাম, টিকনী অসুৰ, কাম এটা খালি হৈ ওপজিছে, দাবৰ গামচা মেলাদি মুৰত চুলি মেলি থোৱা, শ্ৰীযুতা দুইকো দুয়ো-নাহিঃ তুস্তি ইত্যাদি কথাৰে হাহিঁৰ উদ্ৰেক কৰিছে। মিহলি ভাষা প্ৰয়োগ কৰি যেনে—ৰবৰুৱাৰ ফটোগ্ৰাফ, আৰু কিন্তু তাতোতো উক্ত মহা ম্লেশ গোখাদকম্ অস্তি, যথা নিম্বাসাৎ সহ ভোজনাৎ উঠিনাৎ বহনাৎ যথা পাতকো বৰ্ত্ততে, হানি যমদূত বুলিকে তুম বুজ পাওঁ, তোমাকো মৰ ৰাজা লৈ যানেকো হামকো পঠিয়াই দিছে; তেম ওনাও এতিয়া। ভসানধাঃ কৃপাবৰঃ তলঃ ভটঃ তল ভটং, ৰবৰুৱাই প্ৰমাণ কৰিব পাৰেঃ যে কাহ, ঘণ্টা, খোল আৰু মৃদংদঃ মাতুঃ সংস্কৃতঃ ইত্যাদি। ভুল ভাষা আৰু পদ ব্যৱহাৰ কৰি যেনে—কটিনৰ ঠাইত কটিং, চেকেণ্ডমাষ্টৰৰ ঠাইত চেপেণ্ডমাষ্টৰ, সন্দেহ কৰিছে ইয়াৰ



ঠাইত সন্দেহিছে, সেইদৰে প্ৰভু ইসপৰ গিৰিপদাৰ ইত্যাদি। ভাবৰ বিসঙ্গতি দেখুৱাই যেনে—খণ্ডত ৰবৰুৱাৰ হাত ভৰিবোৰ বেঙেমুটা সৰুৱে কঁপাদি কঁপিছিল। পাচত আৰু তাৰ মুখে শুনিবলৈ পালো বোলে চাহাবে বোলে মোক মিচমিচ কৰিলে। কিন্তু ই বিশ্বাসৰ সম্পূৰ্ণ অযোগ্য। কাৰণ মোক মিচমিচ কৰিবলৈ চাহাব নেলাগে মহাম্লেশ গো খাদক চাহাবৰ আজো ককাকেও বিচাৰি পাব ক'ত। অদ্ভুত ভাৱ সঙ্কেত ব্যৱহাৰ কৰি যেনে—ভোজ$^{১}$—মদ$^{১}$—কুকুৰা$^{১}$=০ শৰাধ দক্ষিণা=০, মিছা$^{২}$+ ভণ্ডামি$^{৩}$= অসমীয়া সমাজ। এনেভাৱে বেজবৰুৱাই কাকতৰ টোপোলাত অভিনৱ হাস্যৰসৰ সৃষ্টি কৰিছে আৰু কাকতৰ টোপোলাক অসমীয়া সাহিত্যৰ এখনি বিশিষ্ট গ্ৰন্থৰ শাৰীলৈ তুলিছে।



# লক্ষ্মীনাথ বেজবৰুৱাৰ সাংবাদিকতা

**শ্ৰীবেণুধৰ শৰ্ম্মা**

আজি-কালি সাংবাদিক আৰু সাংবাদিকতা বুলিলে আমি সংজ্ঞা দুটাৰ যি অৰ্থ-ভাৱাৰ্থ কৰোঁহক, স্বৰ্গীয় ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ দিনত সেই ভাৱাৰ্থবোধক কাকত নাছিল। "অৰুণোদই"কে ধৰি "আসাম নিউচ", "আসাম বিলাসিনী" "আসাম" আৰু প্ৰথম কেইবছৰমানৰ "আসাম বন্তি"য়ে দেশী-বিদেশী বাতৰিৰ যোগান ধৰাৰ উপৰিও আলোচনী কাকতৰ কাম হে বিশেষকৈ কৰিছিল। আগেয়ে "নিউজ পেপাৰ" শব্দটো অসমীয়াৰে "সম্বাদপত্ৰ" বুলি কোৱা হৈছিল- অৰুণোদয়ে এইদৰে নাম দিয়াটোৱেই ইয়াৰ কাৰণ। হেমচন্দ্ৰ বৰুৱাই 'সম্বাদপত্ৰ' গুচাই সংবাদ সৰবৰাহ কৰা আৰু সমসাময়িক ৰাজনীতিক-অৰ্থনীতিক বিষয়ে আলোচনা কৰা খিলীয়া তুলাপাত বা কাকতৰ নাম দিলে 'বাতৰি কাকত। তেতিয়াৰ পৰা 'বাতৰি' আৰু "আলোচনী" কাকত বুলিলে দুবিধক বুজোৱা হল। বেজবৰুৱাক "সাংবাদিক" বুলি কলে, নাইবা "বেজবৰুৱাৰ সাংবাদিকতা" বুলি কিবা এটা আলোচনা কৰিলে 'সাংবাদিক আৰু "সাংবাদিকতা' বিশেষণ দুটা সেই পৰ্য্যায়ত নপৰে। "পৰাধীন জাতিৰ ৰাজনীতি নাই। এই নীতিকেই সমকালিক নেতাসকলে খাসোচ মাৰি ধৰি থকাত সেই নীতিৰ ছাঁত ডাঙৰ-দীঘল হোৱা বেজবৰুৱাইও সেই নীতিকেই মানি চলিছিল। সেইবুলি সাহিত্য ক্ষেত্ৰত যেনেকৈ তেওঁ ভাষণ স্বতন্ত্ৰতাৰ হকে যুদ্ধ কৰিছিল, অসমকো তেনেকৈ পৰাধীনতা মেঘৰ পৰা মুক্ত কৰি পূৰ্ণ শশধৰ কৰিবলৈ অহোপুৰুষাৰ্থ নকৰাকৈ নাছিল —অৱশ্য, সেয়ে সম্পাদকীয় বা চিঠি-পত্ৰ লেখি নহয়, কৃপাবৰী ৰূপ ধৰি ধাৰেৰে নেমাৰি সাদিয়ে মাৰিহে। মুঠ কথা, আধুনিক সাংবাদিকতাৰ তুলাচালনীত বেজবৰুৱাক জুখিব নোৱাৰি। জুখিব লাগিব, সেই সময়ত যি কাকতে বাতৰি কাকত আৰু আলোচনী কাকতৰ কৃত্যখিনি উমৈহতীয়াকৈ সম্পাদন কৰাত কৃতিত্ব দেখুৱাইছিল, সেই কাকতৰ প্ৰবন্ধ—সম্ভাৱেৰে সৈতে।

সমাজ, সাহিত্য, বিজ্ঞান, দৰ্শন আৰু সাময়িক বাতৰিৰ "জোনাকী" খনেই আছিল বেজবৰুৱাৰ দিনৰ প্ৰথম আৰু একেখন আলোচনী কাকত। তাতেই লক্ষ্মীনাথৰ সংবাদ সম্পাদনাৰ প্ৰতিভা ফুটি-ফাটি ওলায়। তাৰ আগেয়ে তেওঁ চুৰ্চুৰীয়াভাৱে "আসাম নিউচ" আৰু "আসাম বন্ধুত" সাংবাদিকতাৰ অভ্যাস কৰিছিল। বলিনাৰায়ণ সম্পাদিত "মৌ" কাকততো সাংবাদিক হিচাপে বেজবৰুৱাই থৈয়ানথৈয়া যুদ্ধ কৰিছিল—যাৰ ফলত 'মৌ" কাকতৰ মৃত্যুৱেই ঘটিল। সেই তিনিখন কাকতৰ জুইশালত কাকতত লেখা বিদ্যাটি গঢ়ি আহি "জোনাকীৰ" চতুৰ্থ বছৰত নিজে সম্পাদক হৈ সাংবাদিকতাৰ কমাৰশাল পাতিলে। "জোনাকী" অন্তৰ্দ্ধান হলত মথুৰা মোহন বৰুৱাৰ দ্বাৰাই সম্পাদিত "আসাম বন্তি" আৰু "এডভকেট' অব আসাম"ত আৰু পদ্মনাথ বৰুৱা সম্পাদিত "উষাত" ভাষা সাহিত্য প্ৰতিষ্ঠাৰ যুদ্ধত প্ৰবৃত্ত হয়। বহুদিনৰ পিচত "দৈনিক বাতৰি "অসমীয়া আৰু "আসাম হিতৈষী"তো নানান সাময়িক বিষয়ে আলোচনা কৰে। "মৃন্ময়ী", "মানসী ও মৰ্মবাণী", পুণ্য" আদি বঙলা কাকততো বেজবৰুৱাৰ সাহিত্য সাংবাদিক প্ৰতিভা বঙালী সকলে দেখিবলৈ পাইছিল। "উষাৰ" পোহৰ যেতিয়া টিমিক' চানাক হৈ আহিল আৰু কৃপাবৰী বেজবৰুৱাৰ উষা-সম্পাদকৰ লগত খৰিয়াল লাগিল তেতিয়াই বেজবৰুৱাৰ লালীনিছিগা সাংবাদিকতাত বিৰাম চিন পৰিল। পৰিল যদিও, সেই চিন অলপতে মোহাৰ খালে। কলিকতীয়া ছাত্ৰ-বৃন্দৰ দ্বাৰা অনুৰুদ্ধ হৈ তেওঁ নিজে ৰুৰুলাত



কমৰ বান্ধি বাঁহী কাকত উলিয়াবলৈ ললে। "বাঁহীয়েই" বেজবৰুৱা ডাঙৰীয়াৰ সাংবাদিক জীৱনৰ কীৰ্তিস্তম্ভ। বাঁহী", উলিয়ায়েই তেওঁ দ্বিতীয় কি তৃতীয় সংখ্যাৰ সম্পাদকৰ চ'ৰাত অসমীয়া বাতৰি বা আলোচনী কাকত স্বল্পায়ু হোৱাৰ কাৰণটো বাতৰিকাকত চলাবলৈ যি লাগে, তাৰ বিষয়ে লেখা কথাখিনি আজিও পুৰণি হোৱা নাই। সেই কথা কেইফাঁকিত এতিয়াও বহুত জানিবলগীয়া কথা সোমাই আছে। তেতিয়াই তেওঁ লেখিছিল:—

";অকল ভাল লেখা হলেই যে কাকত টিকিবৰ যোগ্য হল, এনে নহয়। নতুবা, "আসাম নিউচ" নমৰিলহেঁতেন। অকল ধনেৰে গুৰি শকত হোৱা হলেই "আসাম বিলাসিনীয়ে আউনীআটী সত্ৰৰ পৰা ওলোৱা বাৰে) এতিয়াও-আসামত বিলাস কৰি থাকিল হেঁতেন। আগেয়ে কৈ অহা দুইটাৰ অভাৱত নপৰিও "মৌ নাইকিয়া হল। ওপৰত কৈ অহা দুটা লাগতিয়াল বস্তু কাকতৰ থাকিলেই নহয়, তাৰ লগতে আৰু এটা ঘাই বস্তুৰ আৱশ্যক। সেইটো ব্যৱসায় বুদ্ধি।

বেজবৰুৱাৰ মৌলিক সৃষ্টি "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা" যোকাযোক অসমীয়া ভাষাৰ বক্তৃতা, ব্যঙ্গ চিত্ৰ, চুটিগল্প, ৰহৰ ঘৰা আৰু কত-নো-কি নোলাইছিল বেজবৰুৱাৰ কাপৰ পৰা। সেই আটাইবিলাকেই আছিল অসমীয়া জাতীয় সাহিত্যৰ সম্পদ। বেজবৰুৱা মতবাদৰ সপক্ষেই যাওক বা বিপক্ষেই যাওক, 'জোনাকী' বাঁহীৰ পাত সেইস কলোলৈকে মুকলি আছিল। আনকি, তেওঁক আক্ৰমণ কৰা প্ৰবন্ধয়ো তেওঁৰ কাকতত ঠাই পাইছিল। এনেকুৱা উদাৰ মন বিচাৰী পক্ষপাত শূন্যতা সেই কালত বৰ কম সম্পাদকৰহে আছিল। (তেতিয়া বাতৰিকাকতৰ সম্পাদক কেনেকুৱা আছিল, তাৰ ওলোটা পকীয়া ধেমেলীয়া চিত্ৰ এটি এই প্ৰবন্ধৰ তলত ওলোমাই দিয়া হৈছে)। তাৰ প্ৰমাণ "পদুমকুঁৱৰী সমালোচনা" প্ৰবন্ধটোৱেই। বেজবৰুৱাৰ উপন্যাসবুলিবলৈ 'পদুমকুঁৱৰী খনেইহে একমাত্ৰ উপন্যাস। 'উপন্যাস আৰু আত্মহত্যা" নাম দি লম্বোদৰ বৰাই পাকে-প্ৰকাৰে সেইখন উপন্যাসকে পুৰি পেলাব লাগে বুলি সমালোচনাৰ নিয়াৰিত দি থুকুচি পেলালে আৰু সমালোচনাটো "জোনাকী"লৈ পঠিয়াই দিলে। বেজবৰুৱা তেতিয়া জোনাকীৰ সম্পাদক। প্ৰবন্ধটো জোনাকীত নুলিয়াইও পাৰিলেহেঁতেন, কিন্তু আলোচনী বা বাতৰি কাকতত সকলোৰে কবলৈ অধিকাৰ আছে যেতিয়া বেজবৰুৱাই সেই অধিকাৰৰ পৰা বৰা ডাঙৰীয়াক বঞ্চিত নকৰিলে। তেওঁকে আক্ৰমণ কৰা প্ৰবন্ধ যদিও, প্ৰবন্ধটো কাকতত ঠাই দি সাংবাদিক মৰ্য্যাদা অটুট ৰাখিলে।

ৰেল। ইঞ্জিনটোকে যেতিয়া আমাৰ মানুহে বিশ্বকৰ্মাই গঢ়ি পঠিয়াইছে বুলি সেৱা কৰিছিল, তেতিয়া আকাশত জাননী দিয়াটো কি অসম্ভৱ বাতৰি। সেই বৈজ্ঞানিক অসম্ভৱ আৰু শুনি আচৰিত হোৱা খবৰটোকে 'জোনাকী' সম্পাদক বেজবৰুৱাই চুঁচি-মাজি, হাঁহিৰ ৰসেৰে বুৰাই কেনেকৈ ভাতৰ লগৰ পানী যেনকৈ লেখিছিল, চাওক—

"আকাশী জাননী"

"বিজ্ঞানৰ বাহাদুৰি দিনে দিনে বাঢ়িব লাগিছে। স্বৰ্গৰ বিজুলী আছিল স্বৰ্গত, আনিলে ধৰি তাক, পাতিলেহি যাতৰি বিলোৱা হৰকৰা। জুই আছিল হোমৰ ঘিউ খাই, পানী আছিল বামুণৰ কমণ্ডলুত, আনিলে 'পাকৰাও" কৰি, বিজ্ঞানে পাতিলে দুইকো ৰঙা ঘোৰা বগা ঘোৰা সাঙুৰি দিলে ৰেলগাড়ী টানিবলৈ লগাই। বিজ্ঞান কলিৰ ৰাৱণ। ইন্দ্ৰচন্দ্ৰ বায়ু বৰুণক তাহানি ত্ৰেতা যুগত দহমূৰীয়া ৰাৱণে ধৰি আনি চকিদাৰ, টেকেলা, চাপৰাচী, বেহেৰা পাতিছিল। এতিয়া কলিত হেজাৰমূৰীয়া বিজ্ঞানে আকৌ তেওঁবিলাকক এটি এটিকৈ ধৰি আনি ভালকৈ দিছে কচ্পানী। তেওঁবিলাক এতিয়া মনে মনে আছে কিয়? আগৰ দৰে দেখোন ব্ৰহ্মাক তপস্যা কৰি "সৃষ্টি নষ্ট হোৱে কেনে নাৰাখা" আমাক এই বুলি গোচৰ দিবলৈ পাৰে। সম্প্ৰতি কাপ্টান আৰ স্কট নামেৰে ইংৰাজ এজনে আকাশত মেঘৰ বুকুত জাননী দিবৰ উপায় এটা উলিয়াইছে। অৱশ্যে, এটা যন্ত্ৰৰ সাহায্যেৰে। মেঘৰ ওপৰত ডাঙৰ ডাঙৰ আখৰেৰে যি বিজ্ঞাপন দিব লাগে, সেই বিজ্ঞাপন ফট্ ফট্ কৰে জ্বলি-পকি থাকিব। সেই বিজ্ঞাপন আকাশলৈ চালেই সকলো লোকেই দেখিব।"

আকাশত মেঘ নাথাকিলে ধোৱাৰ মেঘ কৰি তাতে জাননী দিব পৰা কৰিছে। এতিয়াহে মেঘে যাচল "মেঘদূত" হল!

আৰু এটা বাতৰিৰ নমুনা চাওক—

"পৃথিৱীৰ অতি উত্তৰ অংশত বাতৰি কাকত— পৃথিৱীৰ অতি উত্তৰ অংশত হেমাৰষ্টন নগৰতো "নৰ্ড কান" নামে এখন সাতদিনীয়া বাতৰি কাকত আছে। ইয়ালৈ টেলিগ্ৰাফৰ বাতৰি নাহে—একোখন ডাকনাৱেহে আহে। ইয়াত খবৰ সোনকালে নোলায়, বহুত দিনৰ মূৰতহে ইয়াত খবৰ পোৱা যায়। কোনো কোনো গ্ৰাহকে এই কাগজ লৈ তাৰ বেচ স্বৰূপে হেৰিংচ মাছ আৰু আন মাছ দিয়ে। এখন পৃথিৱীৰ এই এচুকতো সাতদিনীয়া কাকত চলে; কিন্তু আসাম এখন ইমান ডাঙৰ দেশ ইয়াত ইমানদিনে এখনো কাকত তিষ্ঠিব পৰা নাই।"

পুথি সমালোচনাও বেজবৰুৱাই এইদৰে কৰিছিল—
"কাকতৰ গুণাগুণ বিচাৰি—

"বিজুলী"—আসোণৰ কাকত। মাঘৰ শেহ পৰত আসোণৰ কাকত, বেজাইৰ কথা। সম্পাদকৰ দোষত নহয়, বোধকৰো গ্ৰাহকসকলৰ দোষতহে। গ্ৰাহকে পইচা নিদিলে সম্পাদক হৈ মহাপাপ আচৰিলে বুলিতো তেওঁ ডিঙিত কলহ বান্ধি মৰিবলৈ নোৱাৰে। ছপাখানাত পইচা দিব নোৱাৰিলে তোমাক মুখখন চাই কোনে নিয়মমতে কাকত ছাপি দিব? এতিয়া বিজুলীৰ ভিতৰৰা কথাৰ সম্পৰ্কে একেষাৰ । বৰ্ণ বিন্যাসৰ পক্ষে উন্নতিকে বুলিম নে অৱনতিকে বুলিম ঠিক কৰিব নোৱাৰিলো। আগেয়ে যিবিলাক শব্দ শুদ্ধৰূপে লিখা হৈছিল, এতিয়া সেইবিলাকৰ কিছুমান অশুদ্ধকৈ লেখিবলৈ আৰম্ভ কৰা হৈছে, আৰু আগৰ কিছুমান অশুদ্ধ হৈছে। (আজি কালি আমাৰ যেনেকুৱা হৈছে লিখক)। শাসন শব্দটো কত ঠাইত নো "শাশন" লিখা হৈছে, তাক আৰু কি ক'ম। আগেয়ে কিন্তু বিজুলীয়ে শাসন শব্দৰ ন্যায় শাসন কৰিছিল। বৰ্ণবিন্যাসৰ সম্বন্ধে আমি আৰু একো নকওঁ, যেনে ইচ্ছা তেনে বিন্যাস কৰক। "কোৰা-ভাতুৰী (পদ্য)"—'কোৰাভাতুৰী' সচাসচিকৈয়ে কোৰাভাতুৰী। "আসাম যাত্ৰাত" বঙ্গাল-বঙ্গাল পদটি নিদিয়াহেতেন যাত্ৰাৰ একো বিঘিনি নাছিল। সচা কথা কবলৈ কি, সেই পদটি তাত থকাত আমি বৰ কেনেৱা কেনেৱা পাইছো। বিজুলীয়ে যেতিয়া ৰাজনীতিত হাত দিয়ে, ৰাজনীতি সম্বন্ধে প্ৰবন্ধ তাত উবাই-ধুবাই থকা উচিত তেতিয়া হলে দেশৰ এটা ডাঙৰ অভাৱ গুচে। বিশেষকৈ, ৰাজনীতিৰ বিষয়ে লেখিব লগা কথা অসমীয়াৰ ইমান বেছি যে তাক কৈ অন্ত কৰিব নোৱাৰি। কঠিত শব্দৰ ৰহস্য ব্যাখ্যা'ৰ (গুণাভিৰাম বৰুৱাৰ-লিখক) সম্পৰ্কে ইমানকে কওঁ যে আগেয়ে ওলোৱা "চাহাবৰ" নিচিনা গোটাচেৰেক কথাৰ ব্যাখ্যাৰ বাহিৰে বাকীবিলাক কেৱল শুকান জেওৰাখৰি চেপি ৰস উলিয়াবৰ চেষ্টা কৰাৰ নিচিনা হৈছে। ইও এক ৰহস্যব্যাখ্যাইহে।

'জোনাকী' কাকতত বেজবৰুৱাৰ সাংবাদিক যশস্যা টিঙত উঠিয়েই আছিল, 'বাঁহী' কাকত সম্পাদনাত সেই যশস্যা প্ৰতিষ্ঠিত হৈ কেউফালে জ্বলমলাবলৈ ধৰিলে। ইংৰাজী শিক্ষা-সভ্যতাত মোহাচ্ছন্ন হৈ তথাকথিত শিক্ষিতসকলে মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মক অনন্ত শয়নত শুৱাই থবলৈ কুকুং-কাবাং কৰোতে বেজবৰুৱাই "বাঁহী" বজাই বজাই সেই শয়নৰ পৰা তুলি আনি জাগ্ৰত কৰিলে। বাঁহীৰ সম্পাদক বেজবৰুৱা ডাঙৰীয়া নোহোৱা হলে শ্ৰীমন্ত শঙ্কৰো অনন্তশায়ী হৈয়ে থাকিলহেতেন। "জোনাকীয়ে" যি কাম কৰিবলৈ সঙ্কল্প লৈছিল, সেই কাম "বাঁহীয়ে"—লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহীয়ে" ষোল্পৰ অনা (নিৰানব্বই পইচা) পূৰ কৰিলে।

"বাঁহীত প্ৰকাশ হোৱা "বাটচ'ৰা" 'সম্পাদকৰ চ'ৰা," "সম্পাদকৰ চ'ৰাৰ বাটচ'ৰা," "সম্পাদকৰ চ'ৰাৰ বুলনি" —প্ৰভৃতি সম্পাদকৰূপে লেখা প্ৰবন্ধত বেজবৰুৱা সাংবাদিকতাৰ ইমানবোৰ ৰহস্য আছে যে তাক একেদিনাই একে কাকতে তুলি দিয়া অসম্ভৱ। আনকি আমাৰ ভাষাত সেইবিলাকৰ আভাষ একোটা দিবলৈ গলেও বেজবৰুৱাৰক হত্যা কৰাহে হব— জীয়াই জ্যোতিৰ্ম্মান কৰিব পৰা নহব।

নুঠতে বেজবৰুৱাই যি বাতৰি বা ৰচনাকেই নিলিখক, তাতে তেওঁৰ "ৰসাত্মকং বাক্যং"—একেষাৰ নহয় একেষাৰ থাকিবই। বিৰূপ সমালোচনা পঢ়ি, সমালোচনাৰ কটাক্ষত পৰা জনৰ গা বিছাই ডকাদি ডাকিলেও, সেই ডাকৰ ভাষাত বেজবৰুৱাই এনেকুৱা একোটা হাঁহি তোলা প্ৰলেপৰ উপমা দিয়ে যে, পঢ়ি এটোৱাৰ পাছত সমালোচনাক্ৰান্তজনৰ খজুৰতি, বিষ-বিজনি, পোৰণি, সকলোটি নাইকিয়া হয়। জুইৰ মকলি



যেন বক্তৃতাৰ ভাষাতো হাঁহিৰ খুলপাক। গভীৰ তত্ত্বালোচনাতো একোটা একোটা হাঁহিৰ খুহটীয়া সাধু বা চৰিত্ৰই ভুমুকি নমৰাকৈ নেথাকে। হাঁহি তোলা ছলেৰেই বেজবৰুৱাই যিবোৰ বক্ৰোক্তি, কটুক্তি, পেংলাই পেংচানী, খেনি-ইতিকিং কৰে, সেইবোৰ কোনো কোনোৱে সময়ত অতিৰঞ্জিত দোষত দূষিত হোৱা বাবে, চোঁপাকাঁড়ৰেন লেখনী প্ৰসূত হলেও কেতিয়াবা কেতিয়াবা সিমসিমীয়া বক্ষণত পৰিণত হয়। তথাপি লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ সাংবাদিকতাই সদায় একে আমাৰ কথা সোঁৱৰাই থাকিব, "ভাই, অসমীয়া হাঁহিবলৈ শিকা। পুৰণি পৃথিৱী নকৈ চোৱা, কিন্তু, সোঁত-সোঁতাই কান্দি নেথাকিবা।"

৫০ বছৰ আগৰ অসমীয়া সমাজৰ বাহিৰ-ভিতৰ যি দেখা নাই, তেওঁৰ নিমিত্তে বেজবৰুৱাৰ গ্ৰন্থ-প্ৰবন্ধ-ৰচনা-কবিতা সকলো কল্পগ্ৰহ বা গল্পগ্ৰহ, নাইবা বহুৰাৰ ৰজন মাথোন; আৰু যি দেখি-শুনি সেই সমাজৰ কথাত মজি আছে তেওঁৰ নিমিত্তে সেইবিলাক ভাত-মাছ সিদ্ধ মকৰধ্বজ।

লেখিনীৰ কোব শাণিত অস্ত্ৰৰ ধাৰাল কোবতকৈও বোলে চোৰ। কথা সঁচা । সাংবাদিক লক্ষ্মীনাথ বেজবৰুৱায়েই তাৰ দেখি থকা সাক্ষী। তেওঁৰ 'জোনাকী' যুগীয়া সাংবাদিকতাই অসমীয়াভাষাৰ শত্ৰুৰ কটা মুখত থাৰ মাৰিলে, "বাঁহীৰ দিনত কি কৰিলে, আগতে কোৱাই হৈছে। উসাৰ পাতত কৃপাবৰী সিকিয়াত উঠি থকা প্ৰবন্ধ জোকাই পৰাধীন মনোভাবত 'জয়মণ্টা' নাবিলে। এইবিলাকৰ উপৰিও "বাঁহী" কাকতৰ সম্পাদকে পদ্য-শুনা এৰি কুকুৰীয়া নৰাই কবিতা লেখা কভ্যাসটোত সাধমাৰ দিলে। উঁঠ চেপিলে পিয়াহ ওলোৱা লৰাৰ "কবিতা পাই "বাঁহীয়ে" 'কবিতাৰ কাঠসংস্কাৰ' (খৰি দি) নাম দি চিত্ৰ এটি আঁকিলে। চিত্ৰটিৰ মাজতে জুই একুৰা ধৰি সম্পাদকে সেই লৰাৰ কবিতাবোৰ এটা এটাকৈ দাহ কৰিছে আৰু তাৰ চাৰিওপিনে 'কবিকুলবৃন্দই' উচুপি উচুপি কান্দিছে তাৰে এটাই এইদৰে বিলাপ কৰিছে।

হা হৰি হৰি বিধি।
কিনো লেখিলি ললাটে
কত আশা কৰি পাখি কলম ধৰি
বিৰচিলো আশা পদ্য।
তাকো হৰি নিলে কৃপাবৰ কালে
জুইত পুৰিলে অদ্য
উজাগৰে থাকি তেল তিনি চাকি
পুৰি লেখিলো আশা
একোটা ভাব মোৰ এনোণ মধুৰ
তাৰ এনে কৰিলে দশা।
আৰু এটাই হুক্ হুক্ কৰে কান্দিছে
হুউক হুউক হুউক হুউউ
ভৈৰাই ভাল পোৱা
কলৈ গলি এৰি শাল ডাল মাৰি
শতুৰু শালিলি মোৰ।
× × ×
কোন জনমৰ শতুৰু আছিলি
কৃপাবৰ পোটা বেটা-
উস্ আস কৰি বিছনাতে পৰি
ৰচা কাব্য দিলি চিতা।"

এইৰূপে বেজবৰুৱাৰ কথাত অসমীয়া হাঁহি-বিদ্ৰূপ, ৰংধেমালি, বিলাপ, বিননি, গীত মাত, সত্ৰ-সভা, যোজনা ফকৰা সকলো পোত খাই আছে। লুইতৰ বালি, শিৱসলৰ কলচী, কাহুদি-খাৰলি, এঠা-দৈ হাখিয়ে ৰননীয়ে পৰি থকা সোণৰ সৰা বৰতোপ-ৰৰহিলৈ— এইবোৰৰ নাম কাঢ়িলেই যাৰ বুকুখন হমহমাই এহাতমান ডাঠ হৈ আহে সেয়ে লক্ষ্মীনাথ বেজবৰুৱাৰ কাষৰ আগত নতশিৰ নহৈ নোৱাৰে।

বেজবৰুৱা সম্পাদিত "বাঁহীত" "কথাচক্ৰী সাজ তোলা"ই শাৰী শিক্ষা সম্পৰ্কে "আগচ'ৰাত," দুটিমান কথা তিৰোতাসকলৈ টোৰাই লেখিছিল। আজি কালি মেখেলাৰ ঠাইত শাৰীয়ে "অধিপতিনী" স্বত্ব "বাহাল" ৰাখিবলৈ যোৱা দিনত সেই কথা কেইফাকিয়ে পুৰণি খেকেৰাৰ গুণ দিব বুলি তুলি দিয়া হ'ল:—

আজি কালিৰ অসমীয়ানীবোৰে বাঙ্গালী তিৰুতা আৰু মেমৰ আহিলৈ উলৰ মোজা আৰু "গলাবান্ধ" আদি গুথি নিজক Accomplished শিপিনী আৰু শিক্ষিতা বোলাবলৈ যায়। নিজৰ তাঁতসূত এৰি এই

অসাৰ্থক কাম কৰি তেওঁবিলাক যে অসাৰ্থক হৈ পৰিছে, তেওঁলোকে নাভাবে কেলৈ ? বিয়া, মেখেলা, গামোচা, চুৰিয়া, চেলেং, বৰ কাপোৰ তেওঁবিলাকক যি উপকাৰ কৰিব উলৰ এই দপহটাবোৰে তেনে কৰিব নে ? চকু মুদি লোকৰ দেশৰ আহি লৈ অপদাৰ্থ হবৰ সকাম কি ?

কি বিপৰীত কাল। মুকুটা দলিয়াই পেলাই শোকোতা সানৰা আৰু কাক বোলে ? আমাৰ ওপৰত "খোদাৰ গজপ পৰিছে।"

আমাৰ দেশত এটা সময় আছিল, যেতিয়া বাতৰি কাকতৰ সম্পাদক জনে বা কাকতৰ মালিকে নিজৰ ঢোল নিজেই কোবাইছিল আৰু আচল আলোচনা কৰিবলগীয়া জাতীয় স্বাৰ্থজড়িত সমস্যা বাদ দি অপহতা অসুৰা কথাৰ আলচ কৰিছিল। বেজবৰুৱাই সেই কাকতৰ ডাঙোপ মৰ সম্পাদক স্বত্বাধিকাৰীসকলক এইদৰে আওপকীয়া কাঁড় মাৰি থকাসৰকা কৰিছিল:—

"ববৰকৰাৰ বাতৰি কাকত।"

কৃপাবৰ নিগদতি শুনা বোপা কাণ পাতি
কোনে কয় কাকত নচলে।
চলাব জানিলে চলে
ঠেলি হেঁচি লৈ গলে
কাকততো বজাকপ কালে ॥
জ্ঞানীৰ টোপাখহ
কাকতৰ টিকাত বহ
"খহৰাম" লগোৱা "মলম"
'খহৰাম' অৱতৰি
মলমৰ কুঠাৰ ধৰি
নিখহৰা কৰিলে অগম ॥
পৰ্ব্বৰাম শ্ৰীৰাম
হলিৰাম সিদ্ধিৰাম
ৰাম যত্ত ৰামকান্ত হই।
বেকা বাটে গতি কৰি
বক্ৰ গতি হ'ল পৰি
খহৰা চলিব চলালেই।"

এতেকে বোপা, সুদৰ্শন চক্ৰ, কাকত চলিব তোমাৰ নিচিনাকৈ অলপ চক্ৰাকাৰ কৈ ফুৰিলেই—আৰু একো নালাগে। তুমি মোক এজোকা বা দুজোকা বিজ্ঞাপনৰ বেঙেনা সংগ্ৰহ কৰি দিয়াচোন। মই একে টিনিকিতে কাকত-মাকত যি লাগে হোনাহোৰে চলাই দিও— পানীয়েও বামেও। এবং যদি দৰকাৰ পৰে—দবৰ চালেও। কাকত চলিব কিয় আৰু কওঁ শ্ৰৱণ কৰিবলৈ হুকুম হয়—

প্ৰথম কথা মই চলাব জানো, তোমালোকে চলাব নাজানা, এই বাবে, মোৰ অনেক 'ত্ৰিক' Trick বুদ্ধি আছে। যাৰ ত্ৰিকঃ অৰ্থাৎ তিনটা বাৰ কৰিলেই কাকত চলি টাকুৰি ঘূৰাদি ঘূৰি থাকিব। 'ত্ৰিক' মানে তুমি ফাঁকি বুজিলা নেকি ? ইস্ ৰাম ৰাম। সেইটো নুবুজিবা দেওহে। মোৰ পূৰ্ব্বপুৰুষ দাৰ্শনিক দাৰুইনে কোৱা মতে বান্দৰ হলেও শিয়াল নহয়, বুকপ জানিবা। মই, মই অসমৰ নিমিত্তে যি কাকত লেখিম তাত এনেবোৰ বিষয় 'ভেনিউপেয়েবোল' শ্ৰীবিষ্ণু। "ভেলুৱেবোল অৰ্থাৎ মূল্যবান বা বহুমূলীয়া Editorial অৰ্থাৎ সম্পাদকৰ চঁ'যা (চোৰাই মাল নহয়) প্ৰবন্ধ থাকিব, চিকাকপ বা বজা কপেৰেহে যাৰ মূল্য হিচাপ কৰিব পৰা যাব। (১) যেনে হনলুলুতা স্বায়ত্ত শাসন স্বৰাজ। (২) মেক্সিকোত ক্ৰেঞ্চাৰে সৈতে আমেৰিকাৰ যুদ্ধ। (৩) ফিলিপাইনত স্পেইনৰ অত্যাচাৰ। চতুৰ্থতো ত্ৰিবাঙ্কুৰত খেতি-বাতিৰ সুবিধা। পঞ্চম গুজৰাটৰ প্ৰজাৰ আৰ্থিক অৱস্থা। ষষ্ঠ—সিন্ধু প্ৰদেশত স্ত্ৰীশিক্ষা। সপ্তম-চীনত যুৱান-চি কাইৰ শাসনৰ ফলাফল।

এনেবোৰ ডাঙৰ কথা মোৰ কাপৰ পৰা উলিয়াই মোৰ কাকত ফুলাই দি তাক গুণাৰ বনৰুৱা পাৰি দিয়া কাপোৰ যেন কৰি দিলে কোন অসমীয়াই হেঁপাহেৰে সেই পাৰি দিয়া কাপোৰ অৰ্থাৎ কাকত নলয় মই চাম! আন একো নহলেও, প্ৰথমতে মোৰ বিশ্বব্যাপী বিদ্যাৰ দীপবাণি দেখি ভোলা অসমীয়াতো ব' লাগিবইনে। তাৰ পিছত, তেতিয়াই মোক সিহঁতে মহাত্মা মহাপুৰুষ, ভীমটোকা, বাহুটোকা, টোকাপকৰা, ববৰুৱা, সিদ্ধ বৃদ্ধ, বুদ্ধ, যোগী, ভোগী, পেটাৰাগী, বিদ্যাৰ্দ্ধ (প্ৰিয়দৰ্শন লাহেকৈ' টেঁথৰ) ডাঙৰৰো আওডাঙৰ, ডাঙৰীয়াৰো আও ডাঙৰীয়া (প্ৰিয়দৰ্শন—বৰচৰিয়া) বৰৰো আওবৰ (প্ৰিয়দৰ্শন লাহেকৈ গোবৰ) কিবা বোলে যে মোক বুলি মোৰ আগত আঠু লব। সভা পাতি মোৰ গুণ যশ গাব আৰু মোৰ নাম গাই এধাখুন্দা পিঠাগুৰি থাই



মোৰ পেট কামুৰিলে মোক কাণ ডোল বা কৰ্ণ ডোল (Condole) অৰ্থাৎ মোৰ প্ৰতি শোকানুভূতি বা সহানুভূতি প্ৰকাশ কৰি কান্দি কাটি, মতাবোৰ বাউল হব আৰু তিৰুতাবোৰ বাউলী হব। আৰু উপৰে নকৰক, যদি মই মোৰ চৰণ দেখা ছাপাখানাঘৰলৈ ককাল ভগা আৰু কাণফুটা আখৰ জোটাই মোৰ কাকত ছপাবলৈ যাওঁতে, মোক বাটতে যমে লগ পাই টিঙিটোত আলফুলৰ বিপৰীতভাৱে ধৰি তাৰ ঘৰলৈ লৈ যায়, তেতিয়া মোৰ ভকতসকলে মোৰ গাটো কাউৰী শগুণ কুকুৰ শিয়ালক নিদি আৰু কদাপিও বাঁহীৰ সম্পাদকে বাঁহীক বাহী হবলৈ দিয়াদি, তাক বাহী হবলৈ নিদি, তেতিয়াই কাকত বৈ নৈৰ পাৰত থৰি দি, ধপাত চেলেউ নাইবা লাওপানী থাই গা-পা ধুই তিতা তিয়নিৰেই তেওঁবিলাক ঘৰলৈ উলতি আহি তিন দিনলৈ মোৰ "চৰিত্ৰ তুলি" শোক কৰি তেওঁলোকৰ ভোক খেদাব। আসামত কাকত চলালে এনে Change সুবিধা পাম মই বৰুৱাই। এতেকে নচলোৱাটো যুক্তি বিৰুদ্ধ, সেই বাবে চলামেই, চলাম, দকচি চলাম।

প্ৰিয় দৰ্শনঃ—হংকঙৰ স্বাস্থ্যৰ কথা বা ব্ৰেজিলৰ খেতি বাতিৰ কথা লেখিবলৈকো বিদ্যা লাগিব ?

কৃপাবৰঃ—তুমি বালক। সেইবোৰ লেখিবলৈ যে বিদ্যা নেলাগে সেইটোও তুমি নাজানা। বিদ্যা নালাগে, লাগে 'ত্ৰিক'। পৃথিবীত ইমানবোৰ লেখকে ইমানবোৰ সম্পাদকে সেইবোৰ তেওঁবিলাকৰ কাকতত লেখিছে, মাথোন মই সেইবোৰ তাৰ পৰা তুলি মোৰ কাকতৰ চ'ৰাত বহৱাই দিলেই হ'ল, কাৰ আপুটিয়েকৰ সাধ্য যে মোক ধৰে ? ৰাজপতি ডোবোলা ছাগলী এটা লৰি গলেও আমাৰ অসমীয়াই খেদি গৈ ধৰিব নোৱাৰে। সেইখনে আকৌ মোক ধৰিব ? তোমাৰ বুদ্ধিঃ ধৰাতো দূৰৰ কথা, সেইবোৰ আপুৰুগীয়া প্ৰবন্ধ মোৰে কাপৰ পৰা ওলাইছে বুলি ভাবি গোটেইখন স্তব্ধ হব। আৰু এটা কথা প্ৰিয় শৰ্ম্মা, হাতত কাকত এখন থাকিলে বৰ সুবিধা। দিনো নিজৰ জয়ঢোল স্বনামী-বেনামী কৰি বলকৈ বজাই থাকিব পাৰি। কাকো গালি পাৰিবৰ মন গ'ল, বা কুকুৰ বান্দৰ বুলিবৰ মন গ'ল তেতিয়াই নিজেই গালিৰ প্ৰবন্ধমালা গুথি তাক "প্ৰাপ্ত" বুলি মোৰ কাকতত ছাপি কাকতৰ শ্ৰীবৃদ্ধি দিব পাৰি।

প্ৰিয় দৰ্শনঃ— ববৰুৱা ডাঙৰীয়া, আপোনাৰ জাত কি ?

কৃপাবৰঃ—অ' তুমি দেখোন শুৰিতে ধৰিলা। তুমি ইমানৈ অহাৰ আগেয়ে ভাং খাই আহিছিলা নেকি ? জাতেৰে সৈতে ডাঙৰ সম্পৰ্ক যে আছে সেইটো বয়স হলে তুমি বুজিবা। তুমি এতিয়া উঠা, মই চকু মুদোঁগে। অলপ চিনমিলকৈ টোপনিটো আহে যদি আহক। মোৰ কাকতৰ সম্পৰ্কে আৰু অনেক কবলৈ থাকিল। সেইবোৰ আৰু এদিন কম।"



# বেজবৰুৱাৰ কবিতা

শ্ৰীবীৰেণ বৰকটকী

অসমীয়া কাব্য সাহিত্যলৈ পাশ্চাত্যৰ ৰোমাণ্টিক ভাৱধাৰাক হাতত ধৰা ধৰিকৈ আদৰি আনিছিল চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱা দুয়োৱে। কাৰণ দুয়োৰে উদ্দেশ্য আছিল আন্ধাৰৰ বিপক্ষে যুঁজা। চন্দ্ৰ কুমাৰৰ ভাষাত কব লাগিলে, "আমি যুঁজিবলৈ ওলাইছোঁ.... আন্ধাৰৰ বিপক্ষে উদ্দেশ্য দেশৰ উন্নতি জোনাক।"

ভাষা, সাহিত্যৰ উন্নতিয়ে দেশ জোনাক কৰাৰ আদৰ্শ বেজবৰুৱাই ৰোমাণ্টিক যুগৰ সকলোকিজন কবি সাহিত্যিকতকৈ পূৰ্ণভাৱে গ্ৰহণ কৰিলে। বেজ-বৰুৱাই ৰোমাণ্টিক ভাৱধাৰাৰ প্ৰায় সকলো ধৰণৰ কবিতাকে লিখিছিল। এই সকলো বিলাক কবিতাৰ মাজেদি বেজবৰুৱাৰ আশাবাদী মন এটাৰ স্পষ্ট আভাস পোৱা যায়। নতুন পৃথিৱীক নকৈ চাই লোৱাৰ মানসে কবি বেজবৰুৱাই 'বীণ বৰাগী'ক আহ্বান কৰিছে অতীতৰ কীৰ্ত্তি কলাপৰ গুণ বখানিবলৈ। তেওঁ কোনো ক্ষেত্ৰতেই পুৰণিৰ কাৰুণ্য ভৰা কথাবিলাক শুনি নিৰাশাবাদত মনক ভুলাই ৰাখিবলৈ অকণো ইচ্ছা কৰা নাই। 'বৰাগী আৰু বীণ' কবিতা আশাবাদৰ এটি অনুপম চানেকি। জাতীয় প্ৰেমৰ কবিতা হিচাপে বেজ-বৰুৱাই 'বৰাগী আৰু বীণ'ৰ বাহিৰেও 'অ মোৰ আপোনাৰ দেশ' 'অসম সঙ্গীত', 'আমাৰ জন্মভূমি' আদি কেইবাটাও কবিতা লেখিছিল। অসমক ভাল পোৱা আৰু অসমৰ উন্নতিৰ কাৰণে অসমবাসীক জাগ্ৰত কৰাৰ উদ্দেশ্যে বেজবৰুৱাৰ লেখনীৰ পৰা এই কবিতা ওলাইছিল। সেয়েহে, 'অ' মোৰ আপোনাৰ দেশ' অসমীয়া অনুষ্ঠানৰ কাৰণে জাতীয় সঙ্গীত।

বেজবৰুৱাৰ জাতীয় ভাবটো প্ৰবল হৈ উঠাৰ কাৰণৰ ভিতৰত তেওঁ অসমৰ পৰা আতৰি থাকিব লগীয়া হোৱাটোও। নিজ ওপজা ঠাইৰ পৰা আঁতৰত থাকোঁতে অন্তৰত পুহি থকা প্ৰবল অসম প্ৰেমৰ ভাবটো তীব্ৰবেগে কবিতাত প্ৰবাহিত হৈছিল। সেই কাৰণেই বেজবৰুৱাৰ জাতীয় প্ৰেমৰ কবিতা কেইটি অন্তৰৰ নিভাজ দেশ প্ৰেমৰ ভাব উবুৰিয়াই দি লিখা যেন লাগে। অসমৰ পৰা আঁতৰত থাকি তেওঁ অসমীয়া সমাজৰ দোষ ত্ৰুটীবোৰ ভালকৈ উপলব্ধি কৰিব পাৰিছিল। সেই কাৰণে, দেশ প্ৰেমৰ উদ্বুদ্ধ বাণীৰে হওক, হাস্যৰসৰ ভাব ধাৰাৰেই হওক, যি কোনো প্ৰকাৰে পতনমুখী জাতি এটাক ৰক্ষা কৰিবলৈ তেওঁ চেষ্টা কৰিছিল। কবি বাৰ্ণছে তেওঁৰ কবিতাত কৈছিল— 'My heart is in High lands. এই বাণী অন্তৰে উপলব্ধি কৰি বেজবৰুৱাই তেওঁৰ অন্তৰ পাহাৰেৰে আবৰা অসমৰ মাজলৈ গুচি গৈছিল নিজৰ সেউজীয়া মনৰ ভাব ধাৰাৰে অকাল পক্ক অসমীয়া সমাজৰ মনক সেউজীয়া কৰিবলৈ।

বেজবৰুৱাৰ লিখনীৰ পৰা জাতীয়তাবাদ বাদ পৰি গলে তেওঁৰ লিখনী বহু পৰিমাণে নিস্প্ৰভ হৈ যাব। 'বৰাগী আৰু বীণ' কবিতাত মৰহি যোৱা অতীতৰ ওপৰত বৰাগীয়ে গীত গাইছে। জাতীয় ভাবেৰে অনুপ্ৰাণিত হোৱা বেজবৰুৱাৰ অন্তৰ সেই শোকৰ বিননিত কান্দি উঠিছে। আশাবাদী বেজবৰুৱাৰ অন্তৰ সেই শোকৰ বিননিত কান্দি উঠিলেও বাহিৰত তেওঁ তাক প্ৰকাশ কৰিব খোজা নাই। গৌৰৱময় বুৰঞ্জীৰে ভৰপূৰ এটা জাতিৰ কৰুণ কাহিনী তেওঁ সহ্য কৰিব নোৱাৰে। সেই কাৰণে তেওঁ বৰাগীক অনুৰোধ কৰিছে বিৰহ বেদনাৰ গীত নাগাবলৈ—তেওঁক লাগে অসমীয়াৰ যশ কীৰ্ত্তিৰ কথা অসমীয়াৰ বীৰত্বৰ কথা।

শুনা ঐ বৰাগী, আনন্দৰ কাহিনী অসমৰ যশ ৰাশি
হিয়া মোৰ হেৰ বসন্ত হওক, পৰাণ উঠক উলাসি।

এইয়া তেওঁৰ প্ৰাণৰ কথা 'ই জাতিৰ প্ৰাণৰ কথা' অসমৰ দুৰ্দ্দিনৰ কথা সুৰঁৰি দুখৰ কাহিনী গালে হয়তো গোটেই জাতিটো নিৰাশাবাদত ডুব যাব। সেই কাৰণে



বৰাগীৰ বীণত সতী জয়মতীৰ কৰুণ কাহিনী, মণিৰাম-পিয়লীৰ ফাচী কাঠৰ কাহিনী, বেজবৰুৱাই শুনিব খোজা নাই। তেওঁক লাগে বাণ, ভগদত্ত, ভাস্কৰ বৰ্ম্মা, ৰুদ্ৰ সিংহৰ কাহিনী, ধৰ্ম্ম সংস্কৃতিৰ গৌৰৱময় যুগ, শঙ্কৰ দেৱ, মাধৱ দেৱ আদি মহাপুৰুষসকলৰ অৱদান। এইবিলাক কীৰ্ত্তি কলাপে তেওঁক আনন্দিত কৰি তোলে। বীণৰ আশাবাদী সুৰত কবিয়ে বিচাৰিছে পৃথিৱীখনক নতুন ৰূপত চাবলৈ —

নতুন প্ৰাণৰ ন চকুজুৰি দীপিতি ঢালিদে তাত
পুৰণি পৃথিৱী নকৈ চাই লওঁ হে বীণ এযাৰি মাত।"

অসমলৈ ইংৰাজ শাসন আহিল। ইংৰাজ শাসনৰ লগে লগে ইংৰাজী চাল চলন আমদানি হ'ল। মানুহে নিজস্ব জাতীয় বৈশিষ্ট্য পাহৰি গল। কোনো জাতিয়েই জাতীয় বৈশিষ্ট্য নহলে জাতি হিচাপে জীয়াই থাকিব নোৱাৰে। সেয়েহে বেজবৰুৱাই ব্যঙ্গ হিচাপে হলেও আমাৰ জন্মভূমি কবিতাত অসমীয়াৰ স্বকীয় বৈশিষ্টৰ কথা আঙুলিয়াই দিছে —

ক'ত আছে এনে ধানৰ পথাৰ, তামোল-পাণৰ বাৰী,
ভলুকা মকাল আদি আছে বাঁহৰ ধাৰী,
ক'ত আছে এনে মিৰি নাচ, ক'ত এনে বিহু
ক'ত পাবা জগা গাই এনেকুৱা যেঁহু ?
এনেখন দেশ ক'তো নোপোৱা বিচাৰি
নিশ্চয় শিচয় মই কওঁ এটাই পাৰি হেৰা আমাৰ জন্মভূমি।

সেই কাৰণেই বোধকৰোঁ ডঃ বাণীকান্ত কাকতিয়ে কৈছে "বেজ বৰুৱা য'তে থাকক তেওঁৰ হিয়া পৰি আছে অসমৰ হাবি বননিৰ মাজত, তেওঁৰ জিভাৰ পানী পৰে এতিয়াও অসমীয়া কাঁচদী খাৱলিৰ সোঁৱৰণীত। পোৱা খোৱাৰ আৰম্ভ কৰি বাহিৰৰ চলন ফুৰণলৈকে চকুৰ আগত যিমানেই বিদেশী ভাৱ দেখিছে, তিমানেই তেওঁৰ অন্তৰ আত্মাই নিজৰ দেশ নিজৰ সমাজৰ প্ৰতি প্ৰবল থাউতি দেখুৱাইছে।"

প্ৰেমৰ কবিতা লিখাতো বেজবৰুৱাই কৃতকাৰ্য্যতা লাভ কৰিছিল। প্ৰেমৰ কবিতাতো বেজবৰুৱাই নিৰাশাৰ আশ্ৰয় লোৱা নাই। এই ক্ষেত্ৰত তেওঁ মালতী, প্ৰিয়তমা, প্ৰিয়তমাৰ সৌন্দৰ্য্য, প্ৰেম আদি কবিতাৰ মাজেদি প্ৰকৃত প্ৰেমৰ জয়গান গাইছে। প্ৰিয়তমাৰ আঙ্গিক সৌন্দৰ্য্যৰ মাজতেই প্ৰকৃতিৰ সুন্দৰ নেদেখা বস্তুৰ সমাৱেশ হোৱা কবিয়ে দেখিছে। সেয়েহে তেওঁ প্ৰিয়তমাৰ ওঠকে 'বঙা পোৱালৰ মনি' দাঁতক 'মুকুতাৰ মালা', প্ৰিয়াৰ দুগালক 'ৰূপহ গোলাপ'ৰ সৌন্দৰ্য্য বুলিছে। সেইদৰে তেওঁৰ মানস 'মালতী'ৰ সৌন্দৰ্য্য বৃদ্ধি পায় তেওঁৰ অন্তৰৰ মৰমৰ পৰশত—

ভাবৰে প্ৰতিমা ভাবতে বাঢ়িছে
ভাবৰে বেহানি কৰে
বুকুৰে ভিতৰত চেনেহৰ সৰুঁৰাত
মালতীৰ চেনেহকণ চৰে।

ৰোমাণ্টিক যুগে অস্থায়ী মানৱ জীৱনৰ উপলব্ধিৰ মাজত কন্তেকীয়া প্ৰেমৰ জয় চিৰন্তন হিচাপে ঘোষণা কৰিছে। বেজবৰুৱাইও প্ৰেমক চিৰন্তন হিচাপেই চাইছে। প্ৰেমক কোনো দিনেই তেওঁ বয়সৰ মাপ কাঠিৰে জুখি চোৱা নাই। সেয়েহে তেওঁৰ কাৰণে প্ৰেমৰহে জয় হয় বয়স বন্ধুৱা হয় —'জয়ী প্ৰেম বয়স বন্ধুৱা।'

'চুমা' কবিতা শোলীৰ 'লাভ ফিলচফী'ৰ প্ৰভাৱত লিখা কবিতা। শোলীয়ে যেনেকৈ প্ৰকৃতিৰ বিভিন্ন বস্তুৰ মাজত মিলনৰ আদান প্ৰদান দেখিছে, চুমাৰ আদান প্ৰদান দেখিছে বেজবৰুৱাইও তেনেকৈ প্ৰকৃতিৰ বিভিন্ন বস্তুৰ মাজত চুমাৰ আদান প্ৰদান দেখিছে —

বতাহে বতাহে চুমাৰ বাতৰি
পানীয়ে পানীয়ে চুমা
আকাশ পাতাল চুমাৰ ভৰাল
সেউতি চুমাত ঘমা।

কবি শোলীয়ে পৰ্ব্বত, নদী, সাগৰ সকলোতে মিলনৰ পৰিৱেশ দেখি ভাবিছে, প্ৰকৃতিৰ বুকুত কোনো অকলশৰীয়া হৈ থকা নাই। গতিকে তেওঁ প্ৰেমৰ পৰশৰ পৰা বঞ্চিত হৈ থাকিব কিয় ? কবি বেজবৰুৱাই প্ৰকৃতিৰ চাৰিও পিনে চাই শোলীৰ দৰে একে যুক্তিকে পাইছে—

সবে চুমা লয় হেৰা তেন্তে মই
কিয়নো নাখাম চুমা।

প্ৰেমৰ সত্তা বেজবৰুৱাই দুয়ো ধৰণে উপলব্ধি কৰিছে। বাহ্যিক আৰু চিৰন্তন। বাহ্যিক সৌন্দৰ্য্যৰ উপলব্ধিৰ মাজেদি তেওঁ প্ৰেমৰ চিৰন্তন সৌন্দৰ্য্য উপলব্ধি কৰিবলৈ বিচাৰিছে। সুন্দৰ প্ৰতিমাৰ নৱণু কোমল ওঁঠ বুকু, দীঘল নেষ বৰণীয়া চুলি, সেন্দুৰীয়া গাল, সৰগৰ

ভুৱাৰ দৰে তিৰবিৰ চকুত বাহ্যিক সৌন্দৰ্য্য আছে সঁচা ; কিন্তু এই সৌন্দৰ্য্যৰ স্থায়িত্ব কিমান দিন ? প্ৰেমৰ পুতলা চেনেহ প্ৰতিমা যিজন থনিকৰেহঁ নগঢ়ক তাৰ জানো স্থান সুন্দৰ শ্মশান নহয় ? গতিকে বাহ্যিক সৌন্দৰ্য্যৰ উপলব্ধিৰ মাজত বেজবৰুৱাই প্ৰেমৰ চিৰকাল থকা সৌন্দৰ্য্যৰ কথাহে ভাবিছে। এই সৌন্দৰ্য্যৰ উপলব্ধি অন্তৰৰ কথাহে। গতিকে তেওঁ প্ৰিয়তমাৰ সৌন্দৰ্য্য কবিতাত লিখিছে—

নিদিবা নিদিবা সুন্দৰ প্ৰতিমা
মাত সৌন্দৰ্য্যৰ থনি
সোলপীয়া হাঁহি মুখত নধৰা
অন্তৰত কাল ফণী ।

যি প্ৰকৃত সৌন্দৰ্য্য তাৰ বাহ্যিক ৰূপ যিটো আন্তৰিক ৰূপো সেই টোৱেই । প্ৰকৃত সৌন্দৰ্য্য, প্ৰকৃত প্ৰেমৰ বিনাশ নাই। জীৱনৰ সমাধিৰ লগে লগে ইয়াৰ সমাধি নঘটে । গতিকে এনে স্থায়ী প্ৰেম বেজবৰুৱাই বিচাৰিছে—

প্ৰণয় নদিবা দিয়া এনে মোক
চিৰকাল নাগি নেৰে ।

দৈহিক সৌন্দৰ্য্যত উৎপত্তি হোৱা প্ৰেমৰ সৌন্দৰ্য্যক তেওঁ চিৰস্থায়ী হিচাপে পোৱাৰ কাৰণে তাক প্ৰকৃতিৰ মাজত প্ৰতিফলিত কৰিছে। 'ভ্ৰম' কবিতাত প্ৰকৃতিৰ বিভিন্ন বস্তুৰ মাজত প্ৰিয়াৰ বিভিন্ন আঙ্গিক সৌন্দৰ্য্য কৰিয়ে উপলব্ধি কৰিছে। প্ৰিয়াৰ দৈহিক সৌন্দৰ্য্য ৰূপান্তৰিত হৈছে প্ৰকৃতিৰ বিভিন্ন সৌন্দৰ্য্যলৈ যি সৌন্দৰ্য্যৰ মাজত কৰি.য় প্ৰিয়াৰ অবিহনেও প্ৰেমৰ প্ৰৱাহ অনুভৱ কৰিব পাৰে। বেজবৰুৱাৰ মতে প্ৰেম হ'ল জগতক প্ৰকাশ কৰা মহাশক্তি । গতিকে প্ৰেমক কেন্দ্ৰ কৰি ভূমণ্ডল ঘূৰে আৰু প্ৰেমতেই শতদল ফুলে—

প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলিছে শতদল ।

ৰূপকথাৰ ওপৰত ভিত্তি কৰি চন্দ্ৰকুমাৰৰ দৰে বেজবৰুৱাইও ধনবৰ ৰতনী, ৰতনীৰ বেজাৰ, নিমাতী কন্যা আদি কেইবাটাও লোকগীতৰ আহিত কবিতা লিখিছে। এই কবিতা কেইটাৰো কেন্দ্ৰ ভাব হল— অকৃত্ৰিম প্ৰেম । ৰতনীৰ বিৰহ-বেদনাই ধনবৰৰ অন্তৰ জ্বলাই তোলে। ধনবৰে শান্তি বিচাৰি লুইতৰ বুকুত জীৱনৰ সমাধি ঘটায় ।

বোপাই মোৰ লুইত সামৰি লোৱা মোক
কোলাত স্থান এফেৰি দিয়া
ৰতনী হেৰোৱালে মোৰ সকলো পৰিল ওৰ
হাতে মোৰ একো নাইকিয়া ।

ৰতনীৰ ক্ষন্তেকীয়া বিৰহ বেদনাত ধনবৰে জীৱনৰ সমাধি ঘটোৱাৰ পিচত ৰতনীয়ে যেতিয়া খবৰ পায় তেতিয়া তাই বেজাৰ কৰে—ধনবৰৰ কাৰণে। তাইৰ ভাব ধনবৰ আকাশৰ তৰা হৈ গ'ল। ধনবৰক আকাশত ৰাখি তাই পৃথিৱীত জীয়াই থাকিব নোৱাৰে। গতিকে তাইৰ অনুৰোধ নিয়তিয়ে যেন দুটি প্ৰাণ এটি কৰি দিয়ে—

সৰগত ধনবৰ
পৃথিৱীত মই
হে পৃথিৱীত মই
দুটি প্ৰাণ এটি কৰা
পুইন কাম হয়
হে পুইন কাম হয় ।

ধনবৰ ৰতনীক কৈ ৰতনীৰ বেজাৰত লোকগীতৰ আহিৰ প্ৰভাৱ বেছি । 'নিমাতী কন্যা' কবিতাটো আমাৰ সমাজত প্ৰচলিত নিমাতী কন্যা সাধুৰ পদ্যৰূপ। সঙ্গীতে নিমাতী কন্যাৰো যে মাত উলিয়াব পাৰে তাকে কবিতাটোত দেখুৱাইছে। বীণ কোঁৱৰে সাৰেঙ্গ, গান্ধাৰ, কামদ ৰাগিনী বজাই চিৰ দিন কথা এটিও নোকোৱা ৰজাৰ কন্যাৰ মুখত 'প্ৰাণপ্ৰিয়' শব্দ উচ্চাৰণকৰালে। গতিকে ৰজাৰ প্ৰতিজ্ঞা মতে যিজনেমাত উলিয়ালে (অৰ্থাৎ বীণ কোঁৱৰক) তেওঁকেই নিমাতী কন্যা অৰ্পণ কৰা হল ; অসম্ভৱ সম্ভৱ কৰা জনপ্ৰিয় সাধু এটি বাছি লৈ বেজবৰুৱাই কবিতাটিত এটি সাধুৰ পৰিৱেশ সৃষ্টি কৰিছে। নিমাতী কন্যা সাধুৰ ওপৰত ভিত্তি কৰি জ্যোতিপ্ৰসাদ আগৰৱালাইও ৰূপকোঁৱৰ বা নিমাতী কন্যা বুলি এখনি গীতি নাট্য ৰচনা কৰিছে। সঙ্গীত মধুৰতাই জ্যোতি



প্ৰসাদৰ নিমাতী কন্যাই অন্তৰৰ শিল্পী মনক জগাই তোলে — অকল নিমাতী কন্যাৰ মাত ফুটাবলৈকে নহয় জগতক সুন্দৰ সৃষ্টিৰ আনন্দৰ বাণী দিবলৈকো

কোনে মতা নাই কোনে মতা নাই
সোণৰ কণ্ঠৰ কণ্ঠস্বতী
কোনে মতা নাই কোনে মতা নাই
অ' কোনে মতা নাই
কলৰ ৰথ
জগতৰ পৰা জগতলৈ
গতি কৰোঁ গ্ৰহান্তৰলৈ
আনন্দৰ গানে গানে
মোৰে জয়গান

বেজবৰুৱাই প্ৰেম, জাতীয়তা ভাব আদিৰ উপৰিও নীতিমূলক কবিতাও ভালেখিনি লিখিছিল । এই কবিতাবিলাকৰ উদ্দেশ্য হল উপদেশ দিয়া । এনে কবিতাবিলাকৰ বেছি ভাগৰ ওপৰতে ইংৰাজী—সংস্কৃত আদিৰ উপদেশমূলক কথাৰ প্ৰভাৱ পৰিছে। বহুখিনি নীতি কবিতাৰ সাৰ গীতাৰ কৰ্ম্মযোগৰ পৰাও লোৱা হৈছে। কৰ্ম্মই যে মানুহৰ ধৰ্ম্ম সেই কথা বেজবৰুৱাই বেছি বিশ্বাস কৰিছিল--

ঈশ্বৰৰ দান এই মানৱী জীৱন
আজ্ঞা তুমি দিনে ৰাতি কৰি থাকা কাম।

অসমৰ প্ৰতি বেজবৰুৱাৰ মনৰ হেঁপাহে তেওঁৰ মানসিক স্তৰত হাড়ে হিমজুৰে অসমীয়া কৰি তুলিছিল। অসমৰ সকলো কথাকে ফুটাই তুলিবলৈ তেওঁ নিভাজ অসমীয়া ভাষাৰ আশ্ৰয় লৈছিল । হাস্যৰসৰ অৱতাৰণাৰ ক্ষেত্ৰত ক'বৰাত তেওঁ ইংৰাজী বা আন ভাষাৰ শব্দ মিহলি কৰিলেও সেইয়া ব্যঙ্গ বিদ্ৰূপৰ কাৰণেহে । বেজবৰুৱাই ভালকৈ উপলব্ধি কৰিছিল যে জাতীয় ভাষা নহলে জাতীয় সাহিত্য গঢ় লৈ উঠিব নোৱাৰে। সেয়েহে তেওঁৰ কবিতাৰ পৰা আৰম্ভ কৰি সকলো ৰচনাতে ঘৰুৱা শব্দ, ঘৰুৱা মানস চিত্ৰ আদিৰ প্ৰচুৰ সমাবেশ হোৱা দেখা যায়।



# বীণ-বৰাগী

**শ্ৰীমহিম বৰা**

বেজবৰুৱাৰ বীণ বৰাগী কবিতাত কবি জনৰ ব্যক্তি সত্বাক—তেওঁৰ দেশ-প্ৰেম, তেওঁৰ ঐতিহ্য সচেতনতা আৰু তেওঁৰ আশাবাদৰ বিষয়ে যি গভীৰ আৰু অন্তৰঙ্গ ভাবে জানিব পাৰো, তেওঁৰ আন কোনো একক ৰচনাৰ যোগেদি তেনেকৈ জনা সম্ভৱ নহয়। তেওঁৰ সমগ্ৰ গদ্য পদ্যৰ সৃষ্টিত এই একেটা মাত্ৰ কবিতাতেই আমি তেওঁক কন্দা দেখিবলৈ পাওঁ যি জন ৰসৰাজে সদায় আনক হঁহুৱাবলৈ চেষ্টা কৰে বুলি আমি জানো।

বেদনাৰ কৰুণ সুৰত কবিতাটো আৰম্ভ হৈ চাপে চাপে আগবাঢ়ি দেশৰ আৰু বিশ্বৰ মুক্তি আৰু মঙ্গলৰ 'শুকানে কুঁহি মেলা' আশাৰ আনন্দময় লহৰত পৰিসমাপ্তি ঘটিছে।

কবিতাটো আৰম্ভ হৈছে আঘোণৰ এক দুপৰীয়াত; যি সময়টো সকলোৱে জিৰণিবহে সময়। সেই জিৰণিৰ মুহূৰ্ত্ততো কবিৰ অন্তৰ দেশৰ, জাতিৰ দুখ দুৰ্দ্দশা, অতীতৰ দোষ গুণ আৰু বৰ্ত্তমানৰ পৰাধীনতাৰ চিন্তাত তোলপাৰ 'মনৰ তৰণি নাই'। অন্তৰৰ এই তোলপাৰ লগাই থকা ভাৱৰাশিয়ে মনৰ দুৱাৰ মুখত থিয় কৰালেহি বৰাগী ককাইক, যি সৰ্ব্বত্যাগী, সংসাৰ বিৰাগী, বীণ খনেই যাৰ একমাত্ৰ সম্বল।

বীণৰ তাঁৰত বাজি উঠিল এক মৰ্ম্মস্পৰ্শী কৰুণ সুৰ আৰু বৰাগীয়ে গাবলৈ ধৰিলে অবুজ ভাষাৰ গীত এটি —:

'বুজো বুজো কৰো,
বুজিব নোৱাৰো,
কৰে ঐ বৰাগী তই ?
কি দুখৰ কথা
কি শোক বাৰতা,
কি কৈছ নুবুজো মই।"

অসমীয়া মানুহৰ দুৱাৰ চুকৰ কেতুমলালেকে চিনি পোৱা বেজবৰুৱাই অসমীয়া বৰাগী ককাইজনৰ 'কথাটি নুবুজো সুৰটি বুজিছো' বুলি কোৱাৰ সমৰ্থনত ৱৰ্ডচৰ্থৰ "নীৰলা দাৱনী" ( Solitary Reaper ) জনীৰ তুলনাটো এইক্ষেত্ৰত অৰ্থহীন। কাৰণ ৱৰ্ডচৱৰ্থৰ পাহাৰী গাভৰুৰ ভাষা নুবুজাতো আছিল স্বাভাৱিক, তেনেহলে কিয় বুজা নাছিল ? কবিয়ে নিজেই কৈছে ; "বুজিম সকলো তেতিয়া সিপুৰী পাম।" এই আলোচনা পিচলৈ আহিব।

সদাহতে সেই নুবুজা ভাষায়ে কবিক নানা সম্ভাৱনাৰ কল্পনা কৰিবলৈ সুবিধা দিছে। বৰাগীৰ বীণৰ কৰুণ সুৰে, কৰুণ কাহিনী বিলাকৰ সোঁৱৰণী কবিৰ মনলৈ প্ৰথমে আনি দিছে। প্ৰসঙ্গক্ৰমে এইটোও মন কৰিবলগীয়া যে হাস্য ৰসিক বেজবৰুৱাই জীৱনৰ মূল সুৰটো কৰুণ সুৰ বুলিয়ে ধাৰণা কৰা যেন অনুমান হয়। তেখেতৰ "কবিতা" নামৰ কবিতাটো "শোকৰ সঙ্গীত সিটি বিষাদৰ সুৰ" বুলি আৰম্ভ হৈছে আৰু প্ৰথম চাৰিশাৰী শোক দুখ বেদনা বাচক শব্দৰে ভৰা। সুখৰ কথা কওঁতে "ছায়াময় সুখৰ সি ক্ষন্তেকীয়া হাঁহি" বুলিহে কৈছে।

যি নহওক কৰুণ কাহিনী বিলাকৰ সোঁৱৰণত জয়ন্তয়তে সীতা আহিল কাহিনীৰ উল্লেখ বিশেষ তাৎপৰ্য্যপূৰ্ণ। দুশবছৰীয়া পৰাধীনতাৰ কবলত আত্মবিস্মৃত দেশবাসীক, ভাৰতৰ আদি কাব্য ৰামায়ণৰ উল্লেখৰ যোগেদি বিচিত্ৰ ভাৰতীয় জীৱনৰ অন্তৰ্নিহিত আৱেগিক, সাংস্কৃতিক ঐক্যৰ কথা সোঁৱৰাই দিছে আৰু সেই অখণ্ড সত্বাৰ ভেটিত যে ভাৰতীয় জীৱনৰ ভৱিষ্যত মুক্তি আৰু উন্নতি নিৰ্ভৰশীল তাৰ ইঙ্গিত দিব পাৰিছে। সীতাৰ কাহিনীৰ উল্লেখে প্ৰথমেই প্ৰতিজন পাঠকৰ (পাঠিকাৰ) অন্তৰৰ তাঁৰ এডালত বেদনাৰ মোচৰ এটা দি গৈছে। ইয়াৰ পাচতে মহাভাৰতৰ প্ৰখ্যাত নাৰী চৰিত্ৰ দ্ৰৌপদী আৰু আন দুটি কাহিনীৰ উল্লেখৰে মহাকাব্য মহাভাৰত ৰামায়ণৰ ঐতিহ্য সমৃদ্ধ বায়ুমণ্ডলত পৰিপুষ্ট হোৱা সুবৃহৎ ভাৰতীয় জাতীয় জীৱনৰ ভেটিত অসমৰ জাতীয় জীৱনক থিয় কৰাই দিছে। সেই মুহূৰ্ত্ততে "জয়মতীৰ' কাহিনীৰ উল্লেখেৰে আমাক যেন মুহূৰ্ত্ততে আৱেগ অনুভূতিৰ জগত খনৰ পৰা নিমিষতে বুৰঞ্জীৰ বাস্তৱ জগত খনত থিয় কৰালেহি। এয়া যেন স্বৰ্গৰ পৰা পতন ; প্ৰকৃততে এয়া 'পতন' নহয়, কবিয়ে অপূৰ্ব্ব কৌশলেৰে বুৰঞ্জীৰ বাস্তৱতাক পুৰাণ ভাৰতৰ জগত খনৰ 'জীৱন্ততাৰ' লগত অখণ্ড কৰি পেলালে। ভূত ভৱিষ্যত, বৰ্ত্তমানে এক অখণ্ড জীৱন্ত ৰূপ লৈ কবিৰ মানস জগতত সুস্পষ্ট ৰূপে দেখা দিলে। জয়মতী পুৰাণৰ মহীয়সী নাৰী বৃন্দৰ লগৰ এটি বত্ন হৈ পৰিল। ইয়াৰ যোগেদি অসমৰ সাত শ বছৰীয়া আহোম ৰাজত্বৰ ঐশ্বৰ্য্যপূৰ্ণ ঐতিহ্য বৃহত্তৰ সৰ্ব্বভাৰতীয় ঐতিহ্যৰ অন্তৰঙ্গ হৈ গ'ল।

জয়মতীৰ কাহিনীয়ে যেন সেই দুখন জগতৰ যোগ সূত্ৰ সেই এডাল সাকোঁৰ ওপৰেদি তেওঁৰ মন দ্ৰুত ভাৱে অহা যোৱা কৰিবলৈ ধৰিলে।

বদন বৰফুকনৰ দুষ্কৃতি, মোৱামৰীয়া বিদ্ৰোহ, মণিৰাম দিৱানৰ অপূৰ্ব্ব আত্ম ত্যাগ আৰু দেশ প্ৰেমৰ সোঁৱৰণী, জয়মতীৰ কাহিনীয়ে কবিক মনত পেলাই দি গ'ল লগে লগে কবিৰ অন্তৰ বেদনাৰ আঘাতত চূৰ্ণ বিচূৰ্ণ হৈ পৰিল :—

"একণি হৃদয়,
একেৰি সমল,
কতনো সহিব দুন্দা।
ভাগি ছিগি যায়,
অলপ আঘাতে,
কিয় তই মোক কন্দা ?"

দেশ প্ৰেমিক কবিৰ অন্তৰৰ কি গভীৰ কান্দোন হেঁচি ৰাখিবলৈ বেজবৰুৱাই কৃপাবৰী হাঁহিৰ টোপোলা মেলিছিল, এই দুফাকি কবিতাৰ মাজেৰেই তাক আমি উপলব্ধি কৰিব পাৰোঁ। এই কাৰণেই বেজবৰুৱাৰ ব্যঙ্গ ৰচনাবিলাক তীব্ৰ শ্লেষাত্মক (Satirical) নহৈ সহানুভূতি সিক্ত হৈ 'হিউমাৰ' বা হাস্যৰসত পৰিণত হৈছিল। এই কাৰণেই আমাক সকলো সময়তে কঠোৰ ভাৱে ককৰ্থনা কৰি যোৱা বেজবৰুৱা জন আমাৰ সদায়ে আপোন জন হৈ থাকিব পাৰিলে।

এই দুখ বেদনাৰ কাহিনীৰ লগত বেউলাৰ কাহিনীৰ উল্লেখো মন কৰিবলগীয়া। অসমৰ সমাজত এই লৌকিক কাহিনীৰ আবেদন চিন্তা-দময়ন্তী, জয়মতীৰ কাহিনীৰ দৰেই প্ৰবল। বেউলাৰ উল্লেখেৰে পুৰাণ ইতিহাস আৰু না না লৌকিক কাহিনীৰ জোনাক প্লাৱিত আমাৰ জাতীয় জীৱনটো সামগ্ৰিক ভাৱে আমাৰ সন্মুখত কবিয়ে জীৱন্ত কৰি তুলিলে। আনহাতে কবিৰ অন্তৰৰ বেদনাৰ বৰ টৌটো চপচপিয়া হৈ ভৰিযেন পাৰ বাগৰি যাবলৈ ধৰিলে :—

"বিষাদ বাতৰি
কতনো শুনাবি,
মনৰ তৰণি নাই
কাৰোকৈ মাতিছো
ব'ৰাগী ককাই ঐ
বীণে যেন নিবিনায়।"

এতিয়াও কিন্তু কবিয়ে বৰাগীৰ ভাষা বুজিব পৰা নাই, মাত্ৰ শোকৰ সুৰটো উচ্চতৰ পৰ্দ্দাত কৰুণৰ পৰা কৰুণতৰ হৈ কবিক বিহ্বল কৰি তোলে। জাতীয় জীৱনৰ এই বেদনাৰ পৰা কোনো দেশপ্ৰেমিকে অব্যাহতি পাব নোৱাৰে, কবি আতৰি পলাবলৈ অপৰাগ :

"শোকৰ সুৰটি
নুশুনি নোৱাৰো
বাধযোৰে ধৰে মোক
আতৰি যাবৰ
শকতি নাপাও
বেজাৰে পীড়িছে বুক।"

দেশৰ দুৰ্দ্দশা বা অতীতৰ ক্ৰটি বিচ্যুতিৰ আলোচনাৰে আমি যদি সদায়ে চকু পানীকে টুকি থাকো তেনেহলে ইতিহাসে জানো আমাক ক্ষমা কৰিব ? সেয়ে হ'লে আমি "এলিইচ ইন দি ৱণ্ডাৰ লেণ্ডৰ" কৃত্ৰিম কাছটোৰ (মক টাৰ্টল) দৰেই মাত্ৰ হৈ পৰিম। সেয়ে কবিয়ে বৰাগীক অনুৰোধ কৰিছে অতীতৰ গৌৰৱ আনন্দৰ কাহিনীবিলাক তেওঁৰ বীণৰ সুৰত ফুটাই তুলিবলৈ যিবিলাক সোঁৱৰণীয়ে কবিৰ হিয়া বলৱন্ত কৰিব, পৰাণ উঠিব উমাগি।

সেয়ে আমি কবিতাটোৰ তৃতীয় স্তবকত বাণ, ভগদত্তৰ পৰা আৰম্ভ কৰি শঙ্কৰ, মাধৱ-স্বৰ্গদেৱ ৰুদ্ৰসিংহ-নৰনাৰায়ণ, চিলাৰায়লৈকে জাতীয় বীৰ পুৰুষ মহাপুৰুষ সকলৰ কীৰ্ত্তিকলাপৰ গৌৰৱণ দেখিবলৈ পাওঁ। বৰাগীক এই গৌৰৱময় ঐতিহ্য সোঁৱৰণ কৰিবলৈ অনুৰোধ কৰিছে কবিয়ে সংসাৰ বিৰাগী বৰাগীৰ যাতে সংসাৰৰ প্ৰতি আকৰ্ষণ বাঢ়ে, অৰ্থাৎ বৰ্ত্তমানৰ সৰ্ব্বহাৰা বাস্তৱবিমুখ জাতিটোৱে যাতে নিজক চিনি লৈ বাস্তৱমুখী হয়। অধঃপতিত জাতিৰ উত্থানৰ এয়ে একমাত্ৰ প্ৰেৰণা, জাতীয় ৰোগৰ একমাত্ৰ মহৌষধ, জাতীয় চৈতন্যৰ "সঞ্জীৱনী ব্যৱস্থা" স্বৰূপ মৃত সঞ্জীৱনী।

ইয়াৰ পিচতে কবিতাটোৰ চতুৰ্থ স্তবকত এটা নতুন সুৰ বাজি উঠিল। ইয়াত হঠাতে আহি পৰা 'জন্ম জন্মান্তৰ' 'সিজন্মৰ সোঁৱৰণী', ইপুৰী-সিপুৰী আদি কেইটামান শব্দৰ ব্যৱহাৰে বহুত পাঠক আৰু সমালোচকক ব্যতিব্যস্ত কৰি পেলালে। বস্তুতেই ইয়াৰ পোন পটীয়া অৰ্থ কৰিলে যে কবিয়ে মৃত্যুৰ পিচত যেতিয়া এই পৃথিৱী এৰি সৰগ পাবগৈ তেতিয়া বৰাগীৰ বীণৰ ভাষা বুজিব পাৰিব। এনে ব্যাখ্যাই কবিতাটোৰ সৌন্দৰ্য্য আৰু উদ্দেশ্যকেই মাত্ৰ ধ্বংস নকৰে, কবিৰ ওপৰতো ঘোৰ অবিচাৰ কৰে।

"সৰগ বাতৰি
সৰগৰ বীণে
অবুজ ভাষাৰে গায়,
বুজিও নুবুজো
বুজিম সকলো
তেতিয়া সিপুৰী পায়।"

কবিৰ এই স্বৰ্গ ক'ত? এই সিপুৰীয়ে বা ক'ত? যি জন কবিয়ে বৰাগীৰ শোকৰ কাহিনী "নুশুনিও নোৱাৰে" "আতৰি যাবৰ শকতিও" নেপায়, সেই জনে দেশৰ গৌৰৱ কাহিনীৰ সোঁৱৰণত মুহূৰ্ত্ততে স্বদেশৰ বৰ্ত্তমান দুখ দুৰ্দ্দশাৰ পৰা আতৰি কোনোবা এখন জগতত ৰহি অমৃত পান কৰি থাকিব, এনে ধৰণৰ ভকতীয়া ব্যাখ্যাৰে বীণ বৰাগীৰ কবিক বুজিব নোৱাৰি। তেতিয়া বেজবৰুৱা পলায়নবাদী কবি এজন মাত্ৰ হ'ব। তেনেহেল এই স্বৰ্গ ক'ত?

তৃতীয় স্তবকত প্ৰকাশ পোৱা অতীতৰ সোণ বীৰ্য্য গৰিমা ধন্য জনমভূমিয়ে কবিৰ সেই হেৰোৱা স্বৰ্গ। সেই স্বাধীনতা হেৰুৱাই আজি সমগ্ৰ জাতিটো স্বৰ্গচ্যুত।

পুৰাণ ইতিহাস লৌকিক বিশ্বাসৰ বিভিন্ন জগত যেন কবিৰ দৃষ্টি এক অখণ্ড ৰূপত দেখা দিয়াৰ দৰে ভূত, ভৱিষ্যত বৰ্ত্তমান কাল বিলাকো মিলি এক অখণ্ড জীৱন্ত ৰূপ লৈ কবিৰ মানসত ধৰা দিছে। ই যেন লুইতৰ প্ৰৱাহ। জন্মান্তৰ বিশ্বাসী কবিৰ মনলৈ। ("কথাটি নুবুজো সুৰটি বুজিছো, জন্ম জন্মান্তৰে শুনা) পূৰ্ব্বৰ বিভিন্ন জন্মৰ সোঁৱৰণ বিলাক বৰাগীৰ গীতৰ সুৰে জীৱন্ত কৰি আনি দি গ'ল বিভিন্ন জন্মত দেশৰ সেই গৌৰৱময় কাৰ্য্য কলাপত তেওঁ যেন উপস্থিত আছিল, সেই বিলাকত তেওঁ যে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বীণ যেন সেই হেৰোৱা স্বৰ্গৰ প্ৰতিনিধি। কবিৰ কাৰণে ইজন্ম সিজন্ম যেন কাল লুইতৰ এটা ঘাটত বুৰ মাৰি আনটো ঘাটত ওলোৱা-তেনেহলে দেশৰ আজি যি সাময়িক পৰাধীনতা, সি খণ্ড প্ৰৱাসৰ দৰেই অতি ক্ষন্তেকীয়া।

"সদায় নেথাকে
প্ৰৱাসৰ দুখ
বীণৰ সুৰে বিনায়,
আনন্দৰ কণা
সৰগৰ আনি
মৰ্ত্তত মোক যোগায়।

সেই বাবেই কবিয়ে বীণৰ ভাষা বুজিব পৰা নাছিল। আত্ম চেতনা হীন, নিষ্ক্ৰিয় পৰাধীন জাতিয়ে স্বাধীন জাতিৰ কৰ্ম্মচঞ্চল প্ৰাণপূৰ্ণ জীৱনৰ ভাষা বুজিব নোৱাৰে।

কবিৰ এতিয়া দৃঢ় বিশ্বাস, অতীতৰ প্ৰেৰণাই জাতিক অনুপ্ৰাণিত কৰি তুলিব দেশৰ তৰুণ তৰুণীৰ চকুত নতুন দীপ্তি চানি দিব, নতুন দৃষ্টিৰে পুৰণিক বিশ্লেষণ কৰি সেই সম্পদ শক্তিৰে সমৃদ্ধ হৈ হেৰোৱা স্বাধীনতা উদ্ধাৰ কৰিব। কবিৰ এই জীৱনতে যদি সম্ভৱ হ'ব, নহলেও ক্ষতি নাই, কবিয়ে আকৌ নতুন জন্ম লৈ এই দেশৰ এই মাটি লৈকে উভতি আহিব। ভৱিষ্যতৰ এই মহান সম্ভাৱনাৰ স্বপ্নই কবিৰ মনক উদ্বেলিত



পুলকিত কৰি গ'ল। কবিৰ এই পুলক বিহ্বল মুহূৰ্ত্তত (in a moment of ecstasy) যি বাণী উচ্চাৰিত হ'ল সিয়ে কবিৰ বাণী "কবিৰ পুলক বাণী দেৱতাৰ বৰ"। এই বাণীয়ে দেশ কাল জাতিয়তাৰ সীমা পাৰ হৈ বিশ্বৰ অন্তৰ স্পৰ্শ কৰেগৈ। বীণ বৰাগীৰ শেষৰ স্তবকটো সেইকাৰণে আমি 'ফাইন পিচ অৱ পয়েট্ৰি', সৌৰভ আমোদিত কবিতা-অংশ হিচাবে উথলি উঠা দেখিবলৈ পাওঁ। ই এখন দেশৰ, এটা জাতিৰ শৃঙ্খল মুক্তিৰ স্বপ্ন মাত্ৰ নহয়, ইয়াত পুৰণি পৃথিবী নকৈ চাই লোৱা" যেপোহৰ আকুলতা জড়িত হৈ বিশ্বমানৱতাৰ মুক্তি আৰু মঙ্গলৰ মহান স্বপ্ন ব্যঞ্জিত হৈ উঠিছে।

"নতুন প্ৰাণৰ
ন চকু জুৰি
দীপিতি লালি দে তাত;
পুৰণি পৃথিবী
নকৈ চাই লওঁ
হে বীণ এযাৰি মাত।"

বৰাগীৰ গীতে নমাই অনা সৰগী অমৃত এই মাটিতেই তেওঁ আঁজলিয়ে আঁজলিয়ে পান কৰিব:—

"দে মোক, দে মোক বৰাগী ককাই ঐ
পিওঁ মই নিজিগা ধাৰে।"

"কাবৌকৈ মাতিছো বৰাগী ককাই ঐ" উক্তিত যি এক গভীৰ নৈৰাশ্য আৰু পৰাজয়ৰ ভাব ফুটি উঠিছিল কবিৰ অন্তৰ এতিয়া সেই অৱসাদৰ পৰা মুক্ত; উজ্বল স্বপ্নৰ মহান সম্ভাৱনা লৈ তেওঁ এতিয়া পুলকানন্দৰ তৰঙ্গে তৰঙ্গে প্ৰাণ চঞ্চল গতিৰে দেও দি ফুৰিছে। এই মহান স্বপ্নৰ তৰঙ্গৰ ঝংকনিয়েৰে যেন আমি শুনিবলৈ পাওঁ কবি নেওগ দেৱৰ "শাপমুক্ত" কবিতাটোৰ এই স্তবকটিত:

"সদেশ বিদেশ মুকলি মুকলি,
ছিগিল লোহাৰ বন্ধন শিকলি
মুক্ত ঈশ্বৰৰ মুক্ত জগত,
জ্বলিছে মুক্ত হোমৰ শিখা,
উঠাহে উৰ্ব্বশী, উঠাহে প্ৰেয়সী,
উঠা যৌবনৰ সাদৰী সখা।"

শাপমুক্ত : নেওগ



# গজপুৰীয়া

শ্ৰীশশী শৰ্ম্মা

গজপুৰীয়া লক্ষ্মীনাথ বেজবৰুৱাৰ চক্ৰধ্বজ সিংহ নাটকৰ এটি কাল্পনিক চৰিত্ৰ। এওঁৰ পত্নী গজপুৰীয়ানী, লগৰীয়াসকল হ'ল,—সিদ্ধিৰাম, জপৰা, টকৌ, টকোৰা আৰু প্ৰাণৰ বান্ধৱ বৰফুকন নাচিতৰ পুতেক প্ৰিয়ৰাম আটাই কেইজন মদাহী, কথা চহকী আৰু কুকাৰ্য্য প্ৰিয়। গজপুৰীয়াৰ ঘৰেই এওঁলোকৰ মদৰ প্ৰধান আড্ডা। আটাইকেইজন মিলি তাত মদ খাই, কথাৰ মৰণা মাৰে আৰু হাঁহি ধেমালিৰে কাল কটায়। নাচিত বৰফুকনে তেওঁৰ ভাৰ্য্যাৰ আগত কোৱামতে (১ম অঙ্ক ; ৩য় দৰ্শন) ইহঁত চোৰ, ডকাইত, ভঙুৱা আৰু মদপী।

নাটকখনৰ প্ৰতিটো অঙ্কতেই গজপুৰীয়া প্ৰসঙ্গ সন্নিবিষ্ট কৰা হৈছে। প্ৰথম অঙ্কৰ দ্বিতীয় দৃশ্যত ইহঁত আটাইকেইটি গজপুৰীয়াৰ ঘৰত মদৰ খোলাত বহি কথাৰ মৰণা মাৰিছে। দ্বিতীয় অঙ্কৰ প্ৰথম দৃশ্যত প্ৰিয়ৰামে গজপুৰীয়াক হাজৰিকা পদত অধিষ্ঠিত কৰি শৰাইঘাটৰ যুদ্ধলৈ যাবলৈ উলিওৱা দেখুৱাইছে। যুদ্ধলৈ লগৰীয়া হওঁৰ উপৰিও যায় গজপুৰীয়ানী। দ্বিতীয় অঙ্কৰ চতুৰ্থ দৃশ্যত গুৱাহাটীৰ যুদ্ধ ক্ষেত্ৰত মৰা সৈনিকৰ মাজত মৰাৰ ভাও জুৰি থকা অৱস্থাত গজপুৰীয়াক পোৱা হৈছে। লক্ষ্য প্ৰিয়ৰামক আনন্দিত কৰা। তৃতীয় অঙ্কৰ চতুৰ্থ দৃশ্যত মৃত মোগল সৈনিকৰ বস্ত্ৰ চুৰ কৰা অপৰাধত গজপুৰীয়ানীক ধৰি নি নাচিতৰ আগত উপস্থিত কৰায়। গজপুৰীয়াৰ চালাকিৰে মুক্তি লাভ কৰাৰ উপৰিও বঁটা বকচিচৰ আশ্বাসো লাভ কৰে। চতুৰ্থ অঙ্কৰ চতুৰ্থ দৃশ্যত গজপুৰীয়াই গুৱাহাটীৰ বাঁহৰত প্ৰিয়ৰামহঁতৰ সৈতে মদ খাই নিজে যুদ্ধ জয়ৰ ইচ্ছা প্ৰকাশ কৰে। আৰু পঞ্চম অঙ্কৰ নৱম দৃশ্যত যুদ্ধ শেষ হৈ যোৱাৰ পিছত বৰফুকন নাচিতৰ ওচৰত বঁটা বক্‌চিচ প্ৰাৰ্থনা কৰিছে, যেনিবা গজপুৰীয়াইহে যুদ্ধ জয় কৰালে, অথচ যুদ্ধত সি সকলোতকৈ আগেয়ে পলাই ফাট মাৰিছিল।

নাটকখনত আদিৰ পৰা অন্তলৈ গজপুৰীয়া প্ৰসঙ্গ যদিও এই আটাইকেইটা প্ৰসঙ্গই উপকথা, নাটকৰ মূলকাহিনীক আগবঢ়াই নিয়াত এই প্ৰসঙ্গ কেইটাই সহায় কৰা নাই। এই প্ৰসঙ্গ কেইটা বাদ দিলেও নাটকীয় কাহিনীৰ সৌন্দৰ্য্য খৰ্ব নহয়। কিন্তু উপকথা হলেও গজপুৰীয়া প্ৰসঙ্গ কেইটা বৰ গভীৰ, নাটকৰ দৰ্শক বা পাঠক পাঠিকা মাত্ৰকে অন্তত: মুকলি মনেৰে হাঁহিবলৈ খোৰাক যোগাব পাৰে।

গজপুৰীয়া, প্ৰিয়ৰাম প্ৰমুখ্যে চৰিত্ৰ কেইটা কিন্তু মৌলিক সৃষ্টি নহয়। নাট্যকাৰ বেজবৰুৱাই চক্ৰধ্বজ সিংহৰ পাতনিত নিজে স্বীকাৰ কৰিছে- মহাকবি চেক্সপীয়েৰৰ প্ৰিন্সহেনৰি, ফলষ্টাফ, আৰু তেওঁলোকৰ লগৰীয়াসকলৰ চৰিত্ৰৰ চানেকিৰ কিছুদূৰ অনুসৰণ কৰি, এই নাটৰ প্ৰিয়ৰাম আৰু গজপুৰীয়া প্ৰভৃতিৰ চৰিত্ৰ গঠন কৰা হৈছে।'' নাট্যকাৰ বেজবৰুৱাৰ এই স্বীকাৰোক্তি সম্পূৰ্ণ সচাঁ। যথাৰ্থতে প্ৰিয়ৰাম আৰু গজপুৰীয়া প্ৰিন্সহল আৰু ফলষ্টাফৰ ''কিছু কিছু অনুসৰণ'' আৰু এওঁলোকৰ লগৰীয়া সিদ্ধিৰাম, জপৰা, টকৌ, টোকোৰাও প্ৰিন্স হল আৰু ফলষ্টাফৰ লগৰীয়া পইন্‌চ বৰডল্‌ফ, পেটো, গেডশ্বিল প্ৰভৃতিৰ অনুকৰণত সৃষ্ট। গজপুৰীয়ানীও মিচেচ কুইকলিৰ সদৃশ। বেজবৰুৱাৰ এই চৰিত্ৰ কেইটা কিন্তু শ্বেক্সপিয়েৰৰ সম্পূৰ্ণ অনুকৰণ নহয়।

শ্বেক্সপিয়েৰৰ (১) চতুৰ্থ হেন্‌ৰি—প্ৰথমখণ্ড, (২) চতুৰ্থ হেন্‌ৰি দ্বিতীয় খণ্ড আৰু (৩) পঞ্চম হেন্‌ৰিত প্ৰিন্সহল এজন ৰুবষ্ঠী প্ৰসিদ্ধ চৰিত্ৰ। ফলষ্টাফকো ৰুবষ্ঠীৰ চৰিত্ৰ বুলি কোৱা হৈছে। শ্বেক্সপিয়েৰৰ ফলষ্টাফ ইমান আকৰ্ষণীয় চৰিত্ৰ যে আজি চাৰিশ বছৰেও নাট্যমোদী আৰু সাহিত্য প্ৰেমীসকলে ফলষ্টাফক পাহৰিব পৰা নাই, শ্বেক্সপিয়েৰৰ ফলষ্টাফ কালজয়ীৰূপে সমাদৃত।



অতিশয় বিৰাট কলেৱৰৰ ফলষ্টাফক মিচলীয়া, চোৰ, প্ৰৱঞ্চক, মদাহী, আদি বিশেষণেৰে বাৰে বাৰে আখ্যায়িত কৰা হৈছে। ফলষ্টাফৰ কাৰ্য্য আৰু কথায়ো ইয়াক সমৰ্থন কৰে। এইজন ফলষ্টাফ ৰজা চতুৰ্থ হেন্‌ৰিৰ পুত্ৰ যুৱৰাজ হেন্‌ৰিৰ (প্ৰিন্সহল আৰু পিছলৈ পঞ্চম হেন্‌ৰি) প্ৰাণৰ বান্ধৱ। প্ৰিন্সহলৰ তৃপ্তি আৰু মনোৰঞ্জন সাধনেই যেন ফলষ্টাফৰ জীৱনৰ লক্ষ্য। প্ৰিন্সহলৰ কাৰণে ফলষ্টাফে কৰিব নোৱাৰে, এনে কাৰ্য্য যেন একোৱেই নাই আনকি নিন্দনীয় আৰু গৰ্হিত কাম কৰিবলৈও যেন সততে প্ৰস্তুত।

উল্লেখিত নাট তিনিখনৰ ভিতৰত প্ৰথম খনত ফলষ্টাফ আৰু প্ৰিন্সহল অভিন্ন, প্ৰিন্সহল য'ত ফলষ্টাফো ত'ত। শয়নে ভোজনে, চুৰী ডকাইতিয়ে, সকলোতে দুয়ো অবিচ্ছেদ্য। ফলষ্টাফৰ মনত প্ৰিন্সহল প্ৰাণৰ তেওঁৰ আমঠু। দ্বিতীয় খন নাটত এই পটৰ পৰিৱৰ্তন ঘটিল। প্ৰিন্সহল পঞ্চম হেনৰি নামলৈ সিংহাসনত অভিষিক্ত হোৱাৰ লগে লগে এটা দুঃস্বপ্নৰ দৰে ফলষ্টাফ আৰু তেওঁৰ লগৰীয়া পইন্‌চ, বৰডল্‌ফ, পেটো, গেড্‌শ্বিল ইহঁতক পাহৰিবলৈ যত্ন কৰিলে।

প্ৰিন্সহল অভিষিক্ত হোৱা বাতৰি শুনি লণ্ডন নগৰৰ পৰা বহুদূৰত কাৰ্য্যবশত: আঁতৰি থকা ফলষ্টাফে আনন্দৰ আতিশয্যত উৎফুল্ল হৈ তেওঁৰ অতি চেনেহৰ প্ৰিন্সহলক নিজ চকুৰে চাই অভিনন্দিত কৰাৰ মানসেৰে শাৰীৰিক অসমৰ্থতা, দুৰৱস্থা আৰু অন্যান্য সকলোবোৰ প্ৰতিকূলতাকে নেওচি এজন মানুহৰ পৰা যোৱা এটা ধাৱলৈ লৈ ভাগৰি জুগৰি আহি উপস্থিত হ'ল লণ্ডন নগৰৰ ৱেষ্টমিনিষ্টাৰ এব্বিৰ দুৱাৰত, য'ত তেওঁৰ প্ৰিয়বন্ধু প্ৰিন্সহল অভিষিক্ত হৈছিল আৰু য'ৰপৰা তেওঁ ৰাজোচিত পৰোভৰেৰে সমদল পৰিবেষ্টিত হৈ প্ৰজাসমূহৰ মাজলৈ ওলাই আহিবলৈ যাত্ৰা কৰিছিল। ইয়াত ফলষ্টাফৰ কোনো ব্যক্তিগত লাভালাভ বা স্বাৰ্থৰ প্ৰশ্ন বিজৰিত নাছিল, আছিল কেৱল আন্তৰিকতাপূৰ্ণ পবিত্ৰ প্ৰীতি। ইয়াৰ বহু পূৰ্বে সেতিয়া প্ৰিন্সহলে ফলষ্টাফক সুধিছিল— ''তোমাৰ ওচৰত মই এহেজাৰ পাউণ্ডৰ ঋণী নহওনে ?'' তেতিয়া ফলষ্টাফে উত্তৰ দিছিল—''এহেজাৰ পাউণ্ডৰ কথা কৈছা—হল ? তুমি এক নিযুত পাউণ্ডৰ ঋণী, আৰু তোমাৰ প্ৰীতিয়েই একনিযুত পাউণ্ড মূল্যৰ, তুমি মোৰ ওচৰত প্ৰেম প্ৰীতিৰেহে ঋণী।'' এনে পবিত্ৰ প্ৰীতিয়ে যেন ফলষ্টাফক উপস্থিত কৰাইছিল লণ্ডনৰ ৱেষ্টমিনিষ্টাৰ এব্বিৰ দুৱাৰ দলিত।

কিন্তু যুৱৰাজ হেন্‌ৰিয়ে ফলষ্টাফ আৰু তেওঁৰ লগৰীয়া সকলৰ হৰ্ষোল্লাসৰ ওপৰত ঢালিলে সাতচৰু চেঁচা পানী। সিহঁতক তেওঁ দু: স্বপ্নৰ দৰে অবজ্ঞা আৰু অৱমাননা কৰিলে। লণ্ডনৰ পৰা নিৰ্বাসিত কৰাই মুখ্য ন্যায়াধীশৰ দ্বাৰা বিচাৰো কৰালে। ফলষ্টাফে নিৰ্বিকাৰ ভাৱে ৰাজ আজ্ঞা মানি ললে। কিন্তু অপমান আৰু অৱমাননা সহিব নোৱাৰি, তেওঁ জীয়াই থকাৰ আৱশ্যকতা অনুভৱ কৰিবলৈ টান পালে। পঞ্চম হেনৰি নাটত আমি ফলষ্টাফৰ মৃত্যুৰ বাতৰি পাওঁ। মিচেচ কুইক্‌লিৰ ভাষাত ''ৰজাই তেওঁক বধ কৰিলে' The king has killed his heart

শ্বেক্সপিয়েৰৰ ফলষ্টাফ হাঁহি আৰু কাৰুণ্যৰ অপূৰ্ব মিলন। ফলষ্টাফ অবিস্মৰণীয়। দৰ্শক আৰু পাঠক পাঠিকাৰ মনত ফলষ্টাফ নিয়ত আনন্দ আকৰ হৈ উজলি থাকিব। শ্বেক্সপিয়েৰৰ ফলষ্টাফ অসামান্য আৰু অননুকৰণীয়ও।

বেজবৰুৱাৰ গজপুৰীয়া আহাৰ বিহাৰ আৰু আকৃতিত অসমীয়া— ফলষ্টাফ, কিন্তু প্ৰকৃতিত সম্পূৰ্ণ ৰূপে নহয়। ফলষ্টাফৰ দৰে গজপুৰীয়া নাটকৰ অবিচ্ছেদ্য অঙ্গও নহয় আৰু ৰুবষ্ঠীমূলক চৰিত্ৰও নহয়। গজপুৰীয়া এটা উপকথা ধেমেলীয়া চৰিত্ৰহে। ফলষ্টাফৰ অন্তৰৰ উষ্মা উপলব্ধি কৰিবলৈ যি সাধ্য সাধনাৰ প্ৰয়োজন, গজপুৰীয়াক উপলব্ধি কৰিবলৈ তাৰো প্ৰয়োজন কম। অৱশ্যে দুয়োৰো মাজত সাদৃশ্যও নথকা নহয়।

ফলষ্টাফৰ লগত গজপুৰীয়াৰ প্ৰকৃতি গত সাদৃশ্যও আছে। গজপুৰীয়াত হাঁহি ধেমালিৰ আকৰ, লাওপানী, ফটিকা, তামোল খপাত আদিৰে প্ৰিয়ৰাম, সিদ্ধিৰাম, জপৰা, টকৌ, টকোৰা আদিক সৎকাৰ কৰি মনোৰঞ্জন সাধনত গজপুৰীয়া তৎপৰ । কিন্তু ফলষ্টাফৰ দৰে গজপুৰীয়াৰ আতিথ্য নিস্বাৰ্থ নাছিল যেন লাগে। নাচিত হেন বৰফুকনৰ পুত্ৰ প্ৰিয়ৰামক সন্তুষ্ট কৰি ৰাখিব পাৰিলে যে সি ৰাজকীয় বৰ খিতাপ, উচ্চপদপী, সন্মান আৰু ধন দৌলত লাভ কৰিব পাৰিব এই চিন্ত

যেন গজপুৰীয়াৰ চিত্তত নিৰত প্ৰৱাহমান। জালালীৰ যুদ্ধ ক্ষেত্ৰতো মদন টেকেলিটো লৈ ফুৰাবলৈ সি পাহৰা নাই আৰু তাৰ নিজৰ কথাৰেই মদন টেকেলিটো লৈ ফুৰাবলৈয়ে যেন লগত লৈ আহিছিল সৈণীয়েক গজপুৰীয়ানীকো। অৱশ্যে প্ৰিয়ৰামৰ মতে চুৰকৰা বস্তুৰ টোপোলা কঢ়িয়াবলৈহে যেন তাইক লগত লৈ আহিছিল আৰু নিজেও যেন আহিছিল "মৰা সৈনিকৰ গাৰ কাপোৰ কানি, ৰূপবান চুৰ কৰি গোটাই আনিব পাৰে দেখিহে।" ৰসিকতাৰ কাৰণে কোৱা হলেও প্ৰিয়ৰামৰ এনে উক্তিৰ মাজেদিয়ে পৰিস্ফুট হৈ উঠিছে গজপুৰীয়াৰ চৰিত্ৰ।

প্ৰিয়ৰামৰ অনুগ্ৰহতেই সি হাজৰিকা পদত অধিষ্ঠিত হৈ আহিল শৰাইঘাটৰ যুদ্ধ ক্ষেত্ৰলৈ। যুদ্ধত সি সৈন্য সামন্ততকৈ সাতো আগে পলাই ফাট মাৰে। অথচ যুদ্ধৰ শেষত সি গৌৰৱ কৰে যে ফিৰোজখাঁ, চৈয়দ চানা প্ৰভৃতি মোগল সেনাপতিক বন্দী কৰিলে সি নিজহাতেৰে। কিন্তু যেতিয়া প্ৰমাণিত হ'ল যে লাচিত বৰফুকন আৰু প্ৰিয়ৰামেহে সিহঁতক বন্দী কৰিলে, তেতিয়া সি ৰসিকতাৰ কাৰণেই বাগী মাৰে—"তাৰ আগতে, তাৰ আগতে" বুলি। যেনিবা গজপুৰীয়াই সিহঁতক আগতে বন্দী কৰিছিল আৰু সিহঁতে পলাই গৈছিল। শলঠেকত পৰিও সি ৰসিকতাৰ মাজেদিহে প্ৰিয়ৰামৰ কৃপা ভিক্ষা কৰে। ফলষ্টাফৰ দৰে গজপুৰীয়াইও মৃতসৈনিকৰ মাজত মৰাৰ ভাও জুৰি পৰি থাকিও ৰসিকতা কৰিব নেৰে।

ফলষ্টাফৰ ভীৰুতা, চোৰ, প্ৰৱঞ্চনা, ভণ্ডামি প্ৰভৃতি সকলোবিলাক বদস্বভাৱৰ মূলতে আছিল ৰসিকতা আৰু প্ৰিন্সহলৰ মনোৰঞ্জন সাধন। ফলষ্টাফৰ স্বকীয়া সত্তা যেন প্ৰিন্সহলত বিলীন হৈ গৈছিল। সেই কাৰণে গজপুৰীয়াক সৰ্বাংশে ফলষ্টাফ বুলি কোৱা টান।

গজপুৰীয়া কেৱল চতুৰ্থ হেনৰি প্ৰথম খণ্ড নাটৰ ফলষ্টাফৰ অনুকৰণ মাত্ৰ। এইক্ষেত্ৰতো ফলষ্টাফ আৰু প্ৰিন্সহলৰ মাজত গঢ়ি উঠা অকৃত্ৰিম আন্তৰিকতাৰ অভাৱ স্পষ্ট। অৱশ্যে প্ৰিয়ৰামো প্ৰিন্সহলৰ সম্পূৰ্ণ অনুকৰণ নহয়, প্ৰিন্সহলৰ ব্যক্তিত্ব প্ৰিয়ৰামত বিচাৰি পোৱা নাযায়। প্ৰিন্সহল যথেষ্ট জটিল, কিন্তু প্ৰিয়ৰাম তেনেই সৰল। সুৰাসক্ত আৰু কুসঙ্গ প্ৰিয় প্ৰিয়ৰামক বাপেক লাচিত বৰফুকনে উৎসনাৰ মাজেদি বংশ মৰ্য্যাদাৰ কথা সোঁৱৰাই দি আত্মসচেতন কৰি তুলিবলৈ সমৰ্থ হোৱা বুলি ভাবিলেও সুৰাসক্ততা আৰু কুসঙ্গ প্ৰিয়তা প্ৰিয়ৰামৰ চৰিত্ৰৰ পৰা গুচাব পৰা নগ'ল। প্ৰিয়ৰামৰ আকৰ্ষণো যেন গজপুৰীয়া নহয়, সুৰা আৰু গজপুৰীয়ানীহে যেন প্ৰিয়ৰামৰ আকৰ্ষণ।

গজপুৰীয়া টেঙৰ। সি এই কথাৰ উমান পায়। সেয়ে মদন টেকেলিৰে প্ৰিয়ৰামক প্ৰলুব্ধ কৰি ৰাখি পদপী আৰু ধন দৌলত লাভৰ পথ সি সদায় সুগম কৰি ৰাখে। ফলষ্টাফো আত্ম সচেতন আছিল, মান মৰ্য্যাদাৰ কথাও উপলব্ধি কৰিছিল। কিন্তু প্ৰিন্সহলৰ ওচৰত অকাতৰে সকলোবিলাক জলাঞ্জলি দিছিল। স্বাৰ্থ পূৰণতকৈ ফলষ্টাফৰ মাজেদি ত্যাগ আৰু বন্ধুত্বৰ আদৰ্শহে অধিক স্পষ্ট হৈ উঠে।

কিন্তু গজপুৰীয়াৰ মূৰ্খামি বা অকৰ্মণ্যতা যেন কেৱল স্বাৰ্থ পূৰণৰ এটা ভাওহে,—ইয়াৰ আঁৰত থাকি যেন সি স্বাৰ্থ সিদ্ধিত ব্যস্ত। গজপুৰীয়াও ভীৰু নহয়, সি নোম টেঙৰ। প্ৰিয়ৰামে তাক ধেমালিৰ ছলত "গজমূৰ্খ, গাধ, মাহৰ ডুলি, সৰিয়হৰ ভগা ডুলি" প্ৰভৃতি বিভিন্ন নামেৰে একে উশাহতে তাক নামাংকিত কৰিলত সি ধেমালিৰ ছলেৰে ইয়াৰ প্ৰতিবাদ নকৰাকৈ নেৰিলে। "বোলোঁ ডেকাফুকন মই মূৰ্খ নে কোন মূৰ্খ? মই যে একেবাৰেই ইমানবোৰ বস্তু হব নোৱাৰোঁ সেইটো বুজিব নোৱাৰাবোৰ নহয় নে?" সি আকৌ এখোপ আগবাঢ়ি গৈ কৈছে—"মই যদি গজমূৰ্খৰ ভাও লব লাগিল, তেন্তে বোজাবোৰা দীঘলকাণেৰে সেই চাৰিঠেঙীয়া জন্তুটোৰ ভাও তুমি লব লাগিব।" লাচিতহেন বৰফুকনৰ পুত্ৰ প্ৰিয়ৰামক বোজা কঢ়িওৱা গাধ বুলি মুখৰ আগতে অভিহিত কৰাৰ সাহস যি জন গজপুৰীয়াৰ আছে, সেইজনক মূৰ্খ, অকৰ্মা, বা ভীৰু বুলি ধাৰণা কৰা টান।


গজপুৰীয়া নিজৰ দোষ ত্ৰুটী বা বয়া টুটাৰ প্ৰতিও সচেতন। প্ৰিয়ৰামক সি বোজা কঢ়িওৱা গাধ বুলিলে হয়, কিন্তু পিছ মুহূৰ্ত্তত সি তাৰ ক্ষমতা, শক্তি আৰু সামৰ্থ্যৰ কথা উপলব্ধি নকৰাকৈ নাথাকিল। পৰিবেশৰ



অৱস্থা বাতে তাৰ প্ৰতিকূলে চলা নাথাকে তাৰ প্ৰতি লক্ষ্য কৰিয়েই সি লাওপানীৰ কথা উলিয়াই পৰিবেশ পাতল আৰু আমোদজনক কৰি তুলিলে।

গজপুৰীয়ানী প্ৰিয়ৰামৰ ৰূপ যৌৱনৰ প্ৰতি আকৰ্ষিত হোৱা। উমানো সি পায় আৰু সি ইয়াকো উপলব্ধি নকৰা নহয় যে প্ৰিয়ৰামো গজপুৰীয়ানীৰ প্ৰতি কিছু আগ বাঢ়িছে। সি ৰসিক, বাকচতুৰ আৰু ৰংৰসীয়া। ৰসিকতাৰ ছলেৰে সি গজপুৰীয়ানী আৰু প্ৰিয়ৰামৰ মাজত উদ্ভৱ হব পৰা পৰিস্থিতিটো "কোমল তামোল দেখি বুঢ়া তামোল দলিয়াই পেলালি" বুলি বক্ৰোক্তিৰ সহায়ত সৰুৱী দি দুয়োকে প্ৰিয়ৰামকো আৰু আগ নাবাঢ়িবলৈ সাৱধান কৰি দিলে।

গজপুৰীয়া ভীৰু বা মূৰ্খ নহয়, এইবিলাক তাৰ ভাওহে। ফলষ্টাফৰ লগত গজপুৰীয়াৰ ভালেমান কথাত সাদৃশ্যও আছে। কিন্তু গজপুৰীয়া সম্পূৰ্ণ ফলষ্টাফ নহয়। ফলষ্টাফৰদৰে গজপুৰীয়া সম্পূৰ্ণ স্বাৰ্থশূন্যও নহয়। ফলষ্টাফ হাঁহি আৰু কৰুণাৰ সঙ্গম ভূমি, ফলষ্টাফৰ পৰিণতি গভীৰ শোকাৱহ। কিন্তু গজপুৰীয়া থাকে কেৱল হাঁহিৰ কাৰণেহে, কৰুণতাৰ লেশ মাত্ৰও গজপুৰীয়াৰ জীৱনত অনুভৱ কৰা নাযায়। আহাৰ, বিহাৰ, চলন ফুৰণ, আহাৰ আকৃতিত গজপুৰীয়া সম্পূৰ্ণ ফলষ্টাফ, কিন্তু প্ৰকৃতিত—বিশেষকৈ মানৱতাবোধত গজপুৰীয়া ফলষ্টাফ নহয়। গজপুৰীয়া ফলষ্টাফৰ আংশিক অনুকৃতিহে চতুৰ্থ হেনৰি, প্ৰথম খণ্ড নাটৰ ফলষ্টাফক হে গজপুৰীয়াত অনুভৱ কৰা যায়। সিও পূৰ্ণৰূপত নহয়। কিন্তু গজপুৰীয়া সম্পূৰ্ণৰূপে অসমীয়া যেনেকৈ ফলষ্টাফ এজন পূৰ্ণ ইংৰাজ। ফলষ্টাফৰ অনুকৰণত হলেও নিৰ্ভীক অসমীয়াৰ ৰূপত গজপুৰীয়াক চিত্ৰিত কৰি তুলিব পৰাতোই নাট্যকাৰ বেজবৰুৱাৰ কৃতিত্বৰ কাৰণ।



# চিকৰপতি-নিকৰপতি

শ্ৰীহৰেন্দ্ৰদেৱ গোস্বামী

বৈষ্ণৱ যুগৰ ধৰ্মমূলক নাট বোৰৰ পাছতে বৃটিচ ৰাজত্বৰ আগচোৱা কালত পাশ্চাত্য প্ৰভাৱত আধুনিক নাটকৰ জন্ম হয় যদিও ধেমেলীয়া বা প্ৰহসন শ্ৰেণীৰ নাটকহে সেই যুগত ৰচিত আৰু সমাদৃত হৈছিল। পৌৰাণিক, ঐতিহাসিক বা গহীন সামাজিক নাট তেতিয়ালৈকে ৰচিত হোৱা নাছিল। অসমীয়া প্ৰহসন শ্ৰেণীৰ ধেমেলীয়া নাটকৰ প্ৰথম বাট দেখুৱায় হেমচন্দ্ৰ বৰুৱাই কাণীয়া কীৰ্ত্তনেৰে (১৮৬৬ খৃঃ)। হেমচন্দ্ৰ বৰুৱাৰ পাছত অসমীয়া প্ৰহসন শ্ৰেণীৰ ধেমেলীয়া নাট হ'ল কদ্ৰৰাম বৰদলৈৰ বঙাল বঙালনী (১৮৭১ খৃঃ) সামাজিক দুনীতি ভণ্ডামি, শঠতা আদি আছিল এই চাম নাটকৰ প্ৰধান উপজীব্য আৰু দুয়োখন নাটকতে তীব্ৰ ব্যঙ্গ আৰু বিদ্ৰূপৰ ভাব স্পষ্ট।

ইয়াৰ পাছতে বেজবৰুৱাদেৱে প্ৰহসন শ্ৰেণীৰ নাট ৰচনাত মনোনিবেশ কৰে। তেখেতৰ লিতিকাই (১৮৯০) নোমল, পাচনি আৰু চিকৰপতি নিকৰপতি (১৯১৩) এই চাৰিখন প্ৰহসন শ্ৰেণীৰ ধেমেলীয়া নাট। আন আন ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ প্ৰভাৱ বেজবৰুৱাৰ ওপৰত অলপ পৰিমাণে চিকৰপতি নিকৰপতি নাটকতো হেমচন্দ্ৰ বৰুৱাৰ কাণীয়া কীৰ্ত্তনৰ ক্ষীণ প্ৰভাৱ এটা নিৰ্দ্দেশ কৰিব পাৰি যদিও কাণীয়াৰ কীৰ্ত্তনৰ দৰে তীব্ৰ বিদ্ৰূপ আৰু সমাজ সংস্কাৰৰ মনোভাৱ চিকৰ পতি নিকৰ পতিত আমি দেখিবলৈ নাপাওঁ।


যিখন সমাজক অৱলম্বন কৰি 'চিকৰ পতি নিকৰ পতি' নাটৰ আখ্যান ভাগ তৈয়াৰ হৈছে তাত ৰজা যুৱৰাজ, দুত, মন্ত্ৰী, পাটমাদৈ, দুৱৰী আদি চৰিত্ৰ আৰু চিকণপুৰ ডিঙা নগৰ আদি ৰাজ্যৰ অৱতাৰণা কৰি মধ্যযুগীয় পৰিবেশ এটা যেনেকৈ সৃষ্টি কৰা হৈছে, সেইদৰে বৃটিচ যুগৰ আৰম্ভণীতে বৃটিচ ৰাজত্বৰ পত্তনৰ সময়ত বিচাৰৰ নামত হোৱা ভেকো ভাওনা আৰু অনবেৰী হাকিমে ভেটি খোৱা দুনীতিৰ বাস্তৱ চিত্ৰ আঁকি ব্যঙ্গ বিদ্ৰূপৰো অৱতাৰণা কৰা হৈছে যদিও ব্যঙ্গ তীব্ৰ হোৱাগৈ নাই।

চৈধ্যটা বেলেগ বেলেগ দৃশ্যত নাটকখন শেষ কৰা হৈছে যদিও কেইটামান দৃশ্যৰ কাহিনী বা ঘটনা তেনেই চুটি আৰু ৰঙ্গমঞ্চত তাৰ ৰূপ দানো অসম্ভৱ। সেই কালৰ পৰা এই দৃশ্য কেইটাৰ আৱশ্যকতা নথকা যেন লাগিলেও কাহিনীভাগ আগবঢ়াই নৈ যোৱাত ইহঁতে সহায় কৰিছে। প্ৰথম দৃশ্যৰ বিচাৰালয়ত দিনাৰাম আৰু মিনাৰাম হাকিমৰ আগত বেখাই হাজৰিকাৰ লোটা চুৰিৰ মোকৰ্দ্দমাৰ বাৰ বৰ্ণনা কৰিবলৈ যাওঁতে চিৰস্তাদাৰ, টেকেলা পেচকাৰ আদিৰ চৰিত্ৰ অঙ্কন কৰি বাস্তৱ ৰূপ এটা দিবলৈ যত্ন কৰা হৈছে, হনকক হালোপ কৰি, কচুবক কচু কৰি হাজোতক হাজো বুলি আৰু বেখাইৰ ঘৈণীয়েকৰ চৰিত্ৰৰ যোগেদি ৰগৰ তুলিবলৈ চেষ্টা কৰা হৈছে। দ্বিতীয় দৰ্শনৰ কেছাৰীৰ ওচৰত উকিল সকলৰ বহা ঘৰৰ বৰ্ণনা দি গঙ্গাৰাম হেমোৰাম সৰুৰাম বিশ্বেশ্বৰ আদিৰ যোগেদি আৰু স্তুতি গোহাঁই দেওৰ চৰিত্ৰৰ দ্বাৰাই একো একোটা Type চৰিত্ৰ আমাৰ আগত ডাঙি ধৰা হৈছে। এই দুয়োটা দৃশ্যই সমসাময়িক সমাজ এখনৰ ছবি আমাৰ মনৰ আগত ডাঙি ধৰে। তৃতীয় দৰ্শনত চিকণ পুৰৰ ৰজাৰ ৰাজসভাত সভাৰ বৰ্ণনা দিবলৈ গৈ ৰজা যুৱৰাজ, বৰবৰুৱা চিৰদ্দাৰ, বেটেউ টেকেলা, কালীমনি, খুদমন, বড়াই আৰু হেমোৰাম - গঙ্গাৰামৰ চৰিত্ৰৰ যোগেদি এহাতে যেনেকৈ মধ্যযুগীয়া পৰিবেশ এটা দিবৰ চেষ্টা কৰিছে আনহাতে তেনেকৈ চিৰদ্দাৰ, উকীল আৰু টেকেলাৰ যোগেদি বৃটিচ ৰাজত্বৰ আগছোৱাৰ ছবি আঁকিছে আৰু সেইকাৰণেই অসামঞ্জস্য এটা আহি পৰিছে। অৱশ্যে প্ৰহসন শ্ৰেণীৰ নাটকত অসামঞ্জস্য, বাস্তৱ ঘটনা বৰ্জিত ঘটনা বা চৰিত্ৰ আদি সৃষ্টি কৰাতো একো



দোষাবহ নহয়। চতুৰ্থ দৰ্শনৰ ছবিখন দেখদেখকৈ মধ্যযুগীয় ছবি—ৰজাৰ তামুলী চৰাত ৰজা আৰু চিকৰ পতিৰ কথোপকথন । পঞ্চম দৰ্শনৰ বড়দৈৰ চৰিত্ৰৰ যোগেদি সেই সময়ৰ সামাজিক দিশ এটা দেখুউৱা হৈছে আৰু চিকৰপতিয়ে ৰজাৰ হাউলীত চুৰ কৰাৰ উপায় এই বড়দৈৰ পৰাই জানিব পাৰিছে। ষষ্ঠ দৰ্শনত চিকৰপতিয়ে ৰজাৰ হাউলীৰ সিংহ দুৱাৰেদি দুৱৰীৰ চকুত ধুলি মাৰি গৈ ৰজাৰ ঘৰত চুৰ কৰি অনাৰ কাহিনী আৰু সপ্তম দৰ্শনত চিকৰপতিৰ চৌৰ্য্যৰ প্ৰশংসা কৰি ৰজাই তেওঁৰ জীয়েকৰ বাবে নৰা এটি আনি দিবলৈ চিকৰ পতিক ভৰধা কৰাৰ কথা বৰ্ণনা কৰা হৈছে। এই দৃশ্য দুটা অতিৰঞ্জিত আৰু বাস্তৱ বৰ্জিত যেন লাগে যদিও প্ৰহসনত এনে দৃশ্য বা ঘটনা দোষাবহ নহয়। অষ্টম দৰ্শনত ডিঙা নগৰৰ নৰচোৰ নিকৰ পতিৰ লগত চিকৰ পতিৰ পৰিচয় আৰু নিকৰ পতিৰ কথা মতে চিকৰ পতিয়ে নাও ভটিয়াই নি নিকৰ পতিৰ ঘাটত লগোৱা, নৱম দৰ্শনত দুপৰপতি নিকৰ পতিয়ে চিকৰ পতিৰ সৰু কলি নাৱৰ বয়বস্তু বোৰ নুটি পুতি নিয়া আদি কাৰ্য্য বাস্তৱৰ কম ওচৰচপা আৰু ৰঙ্গমঞ্চত দেখুৱাবলৈকো অলপ জটিল। নৱম দৰ্শনক এক হিচাবে দৃশ্য বা দৰ্শন বুলি কৰলৈ তাৰ কথা ভাগ নিচেই চমু। দশম দৃশ্যত চোৰক মোৰে পোৱাৰ কাহিনী বৰ্ণনা কৰা হৈছে। একাদশ দৃশ্যত দুই চোৰৰ মিলন আৰু ডিঙা নগৰৰ ৰাজকোঁৱৰক পলুৱাই নিয়াৰ দিহা, দ্বাদশ দৰ্শনত ৰাজকোঁৱৰক ডিঙৰাত ভৰাই চিকৰপতিৰ নাওলৈ প্ৰস্থানৰ দৃশ্য অঙ্কন কৰিছে। ত্ৰয়োদশ দৰ্শনত চিকৰপতিৰ আগমনৰ বাৰ্ত্তা ৰজাক জনোৱা হৈছে যদিও ইয়াক দৃশ্য বুলি কব নোৱাৰি আৰু এই দৃশ্যটোৰ আৱশ্যকতা নাছিল বুলিও ক'ব পাৰি। চতুৰ্দ্দশ দৰ্শন বা শেষ দৃশ্যত ৰাজকন্যা আৰু ৰাজকুমাৰৰ মিলন দেখুউৱা হৈছে আৰু ইয়াতো ৰঙৰ ভাগ লৈছে বড়দৈয়ে।

কাণীয়া কীৰ্ত্তনক যেনেকৈ সামাজিক প্ৰহসন বুলি ক'ব পাৰি, চিকৰ পতি নিকৰ পতিক তেনেকৈ সামাজিক প্ৰহসন বুলি কোৱা টান। ইয়াত দুটা যুগৰ দুখন বেলেগ বেলেগ ছবি আঁকি দুয়োখন সমাজৰে ক্ষীণ যোগসূত্ৰ এটা স্থাপন কৰিবৰ চেষ্টা কৰা হৈছে। প্ৰহসন হিচাবে 'চিকৰপতি নিকৰ পতিৰ' কৃতিত্ব ইয়াতেই আৰু সেই কালৰ পৰা বিচাৰ কৰিলে এইখন বেজবৰুৱাৰ সাৰ্থক প্ৰহসন বুলি ক'ব পাৰি।



# পাঁচনি

**শ্ৰীভূপেন্দ্ৰকুমাৰ বৰ্ম্মা**

সংস্কৃত আলঙ্কাৰিক সকলৰ মতে ৰূপক হ'ল দহ প্ৰকাৰৰ। প্ৰহসন ( Farce ) এই দহ প্ৰকাৰ ৰূপকৰ ভিতৰত অন্যতম। প্ৰহসনৰ সংজ্ঞা আলঙ্কাৰিক বিশ্বনাথে এইদৰে দিছে—

ভাণৱৎ সন্ধিসন্ধ্যঙ্গ লাস্যাঙ্গাঙ্কৈ ৰ্বিনিৰ্মিতম্।
ভৱেৎ প্ৰহসনং বৃত্তং নিন্দ্যানাং কৱিকল্পিতম্ ॥
অত্ৰ নাৰভটী, নাপি বিষ্কম্ভক প্ৰৱেশকৌ।
অঙ্গী হাস্য ৰসস্তত্ৰ ৱীথ্যঙ্গানাং স্থিতিৰ্নৱা ॥

অৰ্থাৎ ভাণৰ দৰেই প্ৰহসনত সন্ধি বৃত্তি আৰু লাস্যাঙ্গ থাকিব লাগিব। ইয়াৰ কাহিনী কৱিৰ কল্পিত হব লাগিব। ইয়াত আৰভটী বৃত্তি অৰ্থাৎ ভোজবাজী, মায়াজাল, সংঘৰ্ষ আদি নাথাকে। বিষ্কম্ভক প্ৰৱেশকো নাথাকে। হাস্যৰস ইয়াৰ প্ৰধান ৰস। ৱীথীৰ অঙ্গসমূহ থাকিবও পাৰে, নাথাকিবও পাৰে।

সমাজৰ কুসংস্কাৰ অন্ধবিশ্বাস আদি সংশোধনৰ বাবে হাস্যজনক ঘটনাযুক্ত, হাস্যৰস প্ৰধান একাঙ্কিকা নাটককেই আলঙ্কাৰিকসকলে প্ৰহসন বুলি অভিহিত কৰিছে। অধিক ক্ষেত্ৰতেই প্ৰহসনত ঘটনা বা কাহিনী বিন্যাসৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। চৰিত্ৰ সৃষ্টিত গুৰুত্ব দিয়া নহয়। চৰিত্ৰবোৰত অস্বাভাৱিক কাৰ্য্যকলাপ অতিৰঞ্জন আৰু মাত্ৰাধিক্যৰ দোষ দেখা যায়। জীৱনৰ কোনো আদৰ্শ বা গভীৰতা তাত দেখা নাযায়। পাঠকেও সেইবোৰক কেতিয়াও তাৎপৰ্য্যপূৰ্ণ বুলি নাভাবে। সাধাৰণ মানুহৰ জীৱনৰ অসঙ্গতি, বিসঙ্গতি আদি অতিৰঞ্জনৰ মাজেদি চিত্ৰিত কৰি হাস্য সৃষ্টি কৰাই যেন এইবোৰৰ উদ্দেশ্য। সেইবাবে কোনো কোনো সমালোচকে প্ৰহসনক—'The type of drama stuffed with low humour and extravagant wit'—বুলি অভিহিত কৰিছে। কোনো কোনো সংস্কৃত সমালোচকে প্ৰহসনৰ বিষয়ে আকৌ কৈছে—

'হাস্যোদ্দীপন কাব্যন্তু প্ৰহসনমিতি স্মৃতম্'।

বিষয় বস্তুৰ ফালৰ পৰা প্ৰহসন আৰু কমেডীৰ সম্বন্ধ বৰ ওচৰ। একেটা বিষয়বস্তুৱেই বিভিন্ন নাট্যকাৰৰ হাতত প্ৰহসন আৰু কমেডীত পৰিণত হোৱা দেখা যায়। সেইফালৰ পৰা দুয়োবিধৰ মাজত এটা নিৰ্দ্দিষ্ট সীমাৰেখা টনা টান। প্ৰহসনৰ কেইটামান নিৰ্দিষ্ট লক্ষণ আছে। ট্ৰেজেডী আৰু কমেডীৰ দৰে প্ৰহসনতো দ্বন্দ আছে কিন্তু প্ৰহসনৰ দ্বন্দ গভীৰ আৰু ব্যাপক নহয়। এই শ্ৰেণীৰ নাটকৰ গাঁথনিও বৰ শিথিল। বিষয়বস্তু তৰাং আৰু বিশৃঙ্খল। কাহিনীৰ উপস্থাপন ৰীতিও সংগতিবিহীন। আটাইতকৈ উল্লেখযোগ্য কথা হ'ল যে প্ৰহসনৰ কোনো গভীৰ বা মহৎ উদ্দেশ্য নাই।

প্ৰাচ্য আৰু পাশ্চাত্য সমালোচকসকলৰ দৃষ্টিত প্ৰহসন আৰু Farceৰ সাদৃশ্য মনকৰিবলগীয়া। লঘু কল্পনাযুক্ত, হাস্যৰসোজ্জ্বল ব্যঙ্গাত্মক নাটককেই উভয়বিধ সমালোচকে প্ৰহসন ( Farce ) বুলি কৈছে। উদাহৰণস্বৰূপে এৰিষ্টোফেনিসৰ The Frogs, The cloud অস্কাৰ ৱাইল্ডৰ The Importance of being Earnest ছেৰিদনৰ The scheming Lieutenant সংস্কৃত সাহিত্যৰ 'কন্দৰ্পকেলি,' 'ধূৰ্ত্তচৰিত ; মধুসূদনৰ একেই কি বলে সভ্যতা, দ্বিজেন্দ্ৰলালৰ কল্কি অৱতাৰ, পুনৰ্জন্ম ; ৰবীন্দ্ৰনাথৰ চিৰকুমাৰ সভা, বৈকুণ্ঠেৰ খাতা আদি উল্লেখযোগ্য। অসমীয়া ধেমেলীয়া নাট বা প্ৰহসনৰ জন্মদাতা হ'ল হেমচন্দ্ৰ বৰুৱা। হেমচন্দ্ৰ বৰুৱাৰ কানীয়া কীৰ্ত্তনৰ পিছতেই ৰুদ্ৰৰাম বৰদলৈৰ বঙাল-বঙালনী, গোহাঞিবৰুৱাৰ ভূত নে ভ্ৰম, গাওঁবুঢ়া, টেটোন তামুলী, বেজবৰুৱাৰ ধেমেলীয়া নাট্যাৱলী, মিত্ৰদেৱ মহন্তৰ কুকুৰীকণাৰ আঠমঙ্গলা, বেণুধৰ ৰাজখোৱাৰ তিনিঘৈণী, পদ্মধৰ চলিহাৰ নিমন্ত্ৰণ আদি উল্লেখযোগ্য।

পাশ্চাত্য সাহিত্য অধ্যয়নৰ প্ৰভাৱ বেজবৰুৱাৰ প্ৰহসন কেইখনিত স্পষ্টভাৱে লক্ষ্য কৰা যায়। 'পাচনি' বেজবৰুৱাৰ নাট্যাৱলীৰ অন্তৰ্ভুক্ত এখন প্ৰহসন।



এটা অঙ্কৰ ছয়টা দৃশ্যত সমাপ্ত হোৱা পাচনিক লঘু বিশুদ্ধ বা ব্যক্তিগত প্ৰহসনৰ পৰ্য্যায়ত পেলাব পাৰি। কাৰণ ইয়াৰ কোনো গভীৰ উদ্দেশ্য নাই। কেৱল হাস্যৰস সৃষ্টি কৰাই ইয়াৰ একমাত্ৰ উদ্দেশ্য। হাস্যৰস উৎপত্তিৰ বাবে যিবোৰ উপাদান অপৰিহাৰ্য্য অৰ্থাৎ চৰিত্ৰৰ অসঙ্গতিপূৰ্ণ ব্যৱহাৰ, নীচ কাৰ্য্যকলাপ আৰু লঘুৰ উচ্চাস্থিকা মনোভাৱ আদি লক্ষণবোৰ পাচনিত সম্পূৰ্ণভাৱে পোৱা যায়। নোমল নাটত নাহৰফুটুকা বুঢ়া আৰু লিতিকাই নাটত সাতভাই ককাইৰ চৰিত্ৰৰ যোগেদি হাস্যৰস সৃষ্টি কৰাৰ দৰে পাচনিৰ চৰিত্ৰৰ অসঙ্গতিপূৰ্ণ ব্যৱহাৰ কাৰ্য্যকলাপে 'পাচনি'ত হাস্যৰসৰ খোৰাক যোগাইছে। পাচনিৰ নিৰ্বুদ্ধিতা আৰু অতিমাত্ৰা অতিথি পৰায়ণতা আৰু আনহাতে ঘৈণীয়েকৰ অতিথি বিমুখিতা আৰু চৰিত্ৰৰ সংকীৰ্ণতাৰ ফলত সৃষ্টি হোৱা সংঘাতেই নাটখনৰ বিষয়বস্তু। খোৱাৰ পৰত অতিথি নাথাকিলে পাচনিৰ পেটলৈ ভাত নাযায় আৰু আনহাতে পাচনিৰ ঘৈণীয়েকে অতিথি থকাতো কোনোমতেই সহ্য কৰিব নোৱাৰে। পাচনিয়ে কোনোমতে দুই এজন মানুহ যোগাৰ কৰি আনিলেও ঘৈণীয়েকে ছল-চক্ৰান্ত কৰি খেদি পঠিয়ায়। নাটত প্ৰথম দুজন অতিথিক ৰাতি হলে ঢেকীখোৱাৰে কোবাই মাৰিব আৰু দ্বিতীয় অতিথিজনক মেকুৰী বান্ধি খুৱাব বুলি পাচনিৰ অনুপস্থিতিত ভয় খুওৱাত আটাইকেইজনে পলাই পত্ৰং দিলে। এইদৰে পাচনিৰ অবাস্তৱ আৰু ঘৈণীয়েকৰ বাস্তৱবাদী চৰিত্ৰই নাটখনিৰ কাহিনীক গতানুগতিক আৰু বৈচিত্ৰহীন ভাৱে আগবঢ়াই লৈ গৈছে।

নাটখনিত গ্ৰাম্যভাষা, বচনৰীতি, শব্দৰ ভুল ব্যৱহাৰ আৰু শ্লোকৰ অশুদ্ধ উদ্ধৃতি আদিৰ জৰীয়তে হাস্যৰসৰ সৃষ্টি কৰা হৈছে। পাচনিৰ মুখত ব্যৱহাৰ হোৱা ভূৰ, ধইগো, কিব্ মি কীট গিয়ান, তিৰুতা নে বিৰুতা, ভাব্ যা নে ভাব জোবোৱা আদিয়েই তাৰ প্ৰমাণ। পাচনিৰ মুখত কথাই কথাই পদ ঘোষাৰ শাৰী। শাস্ত্ৰৰ বচন মাতি অতিথিসেৱাৰ যথাৰ্থতা প্ৰমাণ কৰাই পাচনিৰ উদ্দেশ্য। আনহাতে নিভাজ অসমীয়া গাৱঁলীয়া লোক হিচাবে পাচনিৰ মুখত যোজনা পটন্তৰ আখৈ ফুটাদি ফুটে। যেনে—গধূলিৰ অতিথি সাক্ষাৎ দামোদৰ, বোকাত কোৰ মাৰে, গাত চিটিকনি পৰে ; ফুটা কপাল ফুটা লোটা ; তিৰীয়ে পুৰুষে হৰা একমতি, তেহে সিজিব হৰিত ভকতি ; ইত্যাদি। জাতীয় সাহিত্যিক হিচাবে বেজবৰুৱাৰ সকলো ৰচনাতে জাতীয় ৰীতি-নীতি, ফকৰা-যোজনা, প্ৰবচন আদি পোৱা যায়। পাচনিতো সেইবোৰ লক্ষণ অটুত ৰাখিছে। একাঙ্কিকাৰ সকলো কলা কৌশলেৰে সমৃদ্ধ নহলেও 'পাচনি'ক নিসন্দেহে একাঙ্কিকা বুলিব পাৰি।

বেজবৰুৱাৰ পাচনি আৰু আন আন প্ৰহসন কেইখনিক উচ্চ পৰ্য্যায়ৰ প্ৰহসন বুলি কব নোৱাৰি। বেজবৰুৱাৰ দিনৰ পাঠকক এইবোৰে হাঁহিৰ খোৰাক যোগাব পাৰিলেও আধুনিক শিক্ষিত, মাৰ্জ্জিত পাঠকক সেইবোৰ কাৰ্য্যকলাপে হাঁহিৰ সমল যোগাব নোৱাৰে। কাৰণ তাত বুদ্ধিদীপ্ত হাস্যৰস অলপো নাই। বিষয়বস্তু অতি তৰাং আৰু কাহিনীৰ গাঠনিও শিথিল। অন্যান্য ক্ষেত্ৰত বেজবৰুৱাৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰিলেও প্ৰহসন নাট্যকাৰ হিচাবে বেজবৰুৱাক শ্ৰেষ্ঠ আসন দিব নোৱাৰি।

অৱশ্যে এই কথা স্বীকাৰ কৰিব লাগিব যে যি সময়ত অসমীয়া নাট্য সাহিত্যৰ গণ্ডী বৰ সীমাবদ্ধ আছিল তেতিয়া যি কেইজন নাট লিখকে অসমীয়া সমাজৰ গুণ-দোষ আদি আঙুলিয়াই থুকচি থুকচি সমালোচনা কৰি সমাজ সংশোধন কৰিবৰ প্ৰয়াসেৰে কুসংস্কাৰাচ্ছন্ন আৰু অন্ধবিশ্বাসী অসমীয়া সমাজৰ পটভূমিত নাট ৰচনা কৰি উলিয়াইছিল বেজবৰুৱা আছিল নিসন্দেহে তেওঁলোকৰ অন্যতম প্ৰধান। সেয়ে সংশোধন প্ৰয়াসী বেজবৰুৱাৰ নাটত অসমীয়া সমাজৰ উৰলি যোৱা ফালটোৰ প্ৰতিচ্ছবি। প্ৰাচীন উৰলি যোৱা সমাজখনত নীতি বচন প্ৰচাৰ কৰি সংশোধন কৰিব খোজাতকৈ সমাজৰ গেলা পঁচা আবৰ্জনাবোৰ আঙুলিয়াই দিয়াটোৱেই বেজবৰুৱাই হয়তো অধিক প্ৰয়োজনীয় বুলি ভাবিছিল।

# বেজবৰুৱাৰ চুটি গল্প

শ্ৰীগোবিন্দপ্ৰসাদ শৰ্মা

অসমীয়া চুটি গল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাৰ চুটি গল্পৰ আলোচনা কৰা মানে প্ৰধানতঃ তৎকালীন অসমীয়া সমাজৰ ঘূণে ধৰা দিশ কেইটাত দৃষ্টিপাত কৰা। কিন্তু এই দৃষ্টিপাত ৰোগাক্ৰান্ত কেইটামান অঙ্গত কৰা দৃষ্টিপাত হ'লেও ই আমাৰ দেহ-মনত কোনো অশুচি ভাৱৰ উদ্ৰেক কৰি আমাক অসুখী কৰি নোতোলে। আনহাতে, ৰোগাক্ৰান্ত অঙ্গৰ এই দৰ্শনে সেই ৰোগৰ প্ৰতি আমাৰ ঘৃণাভাৱ জন্মাই সেই অঙ্গৰ আৰোগ্যৰ বাবে পৰোক্ষভাৱে আমাক আবেদন কৰি আমাৰ মনক দিয়ে এক উচ্ছল আনন্দ। চুটি গল্পকাৰ হিচাপে বেজবৰুৱাৰ কৃতিত্বও সেই খিনিতেই। বেজবৰুৱাৰ চুটি গল্পৰ পাঠকে হাঁহে আৰু হাঁহে; আৰু সেই দুৰ্দ্দমনীয় নিৰন্তৰ হাঁহিৰ লগে লগে তেওঁ অনুভৱ কৰে যে তেওঁৰ সেই হাঁহিৰ, সেই অবাধ আনন্দৰ যি উৎস সি ঘৃণনীয়, বিবৰ্জ্জনীয়; অথচ তাৰ দ্বাৰাই তেওঁৰ চৌদিশ আবৃত আৰু ব্যাপ্ত। তেওঁৰ সমগ্ৰ চুটি গল্পৰ আঁৰত যেন লুকাই আছে সমাজৰ প্ৰতি তেওঁৰ এক অপ্ৰকাশিত আবেদন: পাপক ঘিণ কৰিবা, কিন্তু পাপীক নিঘিণাবা।

ওপৰত উনুকিওৱাহে হ'ল, বেজবৰুৱাৰ চুটি গল্প সমূহত ফুটি উঠিছে তেওঁৰ সমসাময়িক অসমীয়া সমাজ-খনৰ বিভিন্ন দিশৰ দোষ ত্ৰুটিবোৰ। অৱশ্যে বেজবৰুৱাৰ চুটি গল্পৰাজিত আধুনিক গল্পসাহিত্যত সাধাৰণতে প্ৰকাশ পোৱা ধনী-দুখীয়াৰ প্ৰভেদে সৃষ্টি কৰা সামাজিক অশান্তি, নতুনৰ চাঁ পৰা সমাজত পুৰণি কলীয়া বৰ্ণ-প্ৰথাই সৃষ্টি কৰা বাধা বা সংঘাত আৰু আধুনিক মনো-বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰা নৰ-নাৰীৰ মনৰ জটিলতা পাবলৈ নাই। এই সমস্যা সমূহো বেজবৰুৱাৰ যুগত আছিল আৰু বেজবৰুৱাৰ পৰৱৰ্ত্তী অনেক অসমীয়া গল্পকাৰে এইবোৰ সমস্যাত সুদৃষ্টিপাতো কৰিছিল।

বেজবৰুৱাৰ সমসাময়িক সমাজৰ (বিংশ শতাব্দীৰ আৰম্ভণী) যি কেইটা দিশত বেজবৰুৱাই আলোকপাত কৰিছিল সেই কেইটা দিশ হ'ল এই: বেজবৰুৱাৰ প্ৰায় অৰ্দ্ধ শতাব্দী আগৰ মানৰ দৌৰাত্মাই অসমীয়া মনত এৰি যোৱা দুঃস্বপ্নময় স্মৃতি আৰু অসমীয়া সমাজত এৰি যোৱা কুফল। অসমীয়া মানসত ৰৈ যোৱা মানৰ উৎপীড়নৰ দুঃস্বপ্নময় স্মৃতিৰ সুন্দৰ প্ৰকাশ হ'ল "জয়ন্তী" গল্পটি; সেই কুফলৰ খণ্ড প্ৰকাশ দেখিবলৈ পোৱা যায় "কাশীবাসী" গল্পৰ দুখুনী বুঢ়ীজনীৰ দুখৰ কাহিনীৰ মাজেদি। নাতিদূৰ অতীতৰ আহোম ৰাজত্বৰ কালছোৱাত সময়বিশেষে ঘটা আহোম ৰজাৰ অমানুষিক কাৰ্য্যাৱলীৰ স্মৃতি প্ৰকাশিত হৈছে "মালতী" "মৈদাম" আদি গল্পত। অসমীয়া মানুহৰ কাণি খোৱা বদ অভ্যাস বৃটিছ চৰকাৰে নিবাৰণ কৰিবলৈ ওলোৱাত এক শ্ৰেণীৰ অসমীয়া মানুহৰ অসন্তুষ্টি আৰু বৃটিছ চৰকাৰৰ বিৰুদ্ধে নিষ্ফল আস্ফালন বেজবৰুৱাৰ "আপ্তি" আৰু "আমাৰ কাণীয়া সভাৰ এক অধি-বেশন" গল্পত ফুটি উঠিছে। সনাতন হিন্দু ধৰ্ম্মৰ অন্ধ গোড়ামিয়ে হিন্দু সমাজত সৃষ্টি কৰা অশান্তি বা মানুহৰ প্ৰতি কৰা অবিচাৰৰ কাহিনী পোৱা যায় "নিস্তাৰিণী দেৱী বা ফাতেমা বিবী" নামৰ করুণ কাহিনীত আৰু "ধৰ্ম্মধ্বজ ফয়চলা-নবিচ" নামৰ ব্যঙ্গাত্মক গল্পটিত। বৃটিছৰ প্ৰভাৱত উদ্ভৱ হোৱা আধুনিকতাৰ বতাহত গা এৰি দিয়া এক শ্ৰেণীৰ লোকৰ বান্দৰৰ দৰে আচাৰ ব্যৱহাৰৰ কেতবোৰ অতিশয় আমোদজনক তীক্ষ্ণ ব্যঙ্গাত্মক প্ৰকাশ হ'ল "মলক্ গুইন্ গুইন্", 'ভোকেন্দ্ৰ বৰুৱা", "জগৰামগুলৰ প্ৰেমাভিনয়", "আমাৰ সংসাৰ" ('সাধু কথাৰ কুঁকি'ৰ অন্তৰ্ভুক্ত) আদি গল্প। প্ৰায় একে শ্ৰেণীৰেই কিছু নিম্নস্তৰৰ গল্প হ'ল "নাওল চন্দ্ৰ দাস" আৰু "ভেমপুৰীয়া মৌজাদাৰ"।

এইবোৰ গল্পৰ বিষয় বস্তুলৈ চালে এনে ভাব হয়, বেজবৰুৱা এটি যুগবিশেষৰ এজন অতি সমাজ সচেতন লেখকত বাহিৰে আৰু যেন একোৱেই নহয়। কিন্তু বেজবৰুৱাৰ অন্য কিছুমান গল্প আছে, যিবোৰে এনে ধাৰণাৰ পৰা পাঠকক বিৰত ৰাখিব পাৰে। মানৱ মনৰ চিৰন্তন হা-হুতাহ, স্নেহ-অনুভূতি আদিক লৈ ৰচিত এই শ্ৰেণীৰ গল্পৰ ভিতৰত "ভদৰী"ত আমি পাওঁ স্ত্ৰীৰ স্বামীৰ প্ৰতি থকা নিঃস্বাৰ্থ, দুৰ্জ্জয় প্ৰেমৰ কাহিনী। "পুত্ৰৱান পিতা"ত পাওঁ পিতৃ হৃদয়ে আপোন পুত্ৰৰ পৰা কৃতজ্ঞতা স্বৰূপে বিচৰা মৰম-স্নেহ আৰু এই আশাৰ অপূৰ্ণতাই সৃষ্টি কৰা পিতৃৰ জীৱন কাৰুণ্য। "মিষ্টৰ ফিপ্সন্" গল্পত প্ৰকাশ পাইছে মাতৃহাৰা পুত্ৰৰ হৃদয়ে মাতৃক বিচাৰি কৰা হাহাকাৰ। "ৰতনমুণ্ডা" ডেকা-গাভৰুৰ নিৰ্দ্দোষ প্ৰণয়-প্ৰীতিৰ কাহিনী, যি কোনো নিৰ্দ্দিষ্ট কালৰ সীমা-ৰেখাৰে সীমাবদ্ধ নহয়। "বাপিৰাম" গল্প আকৌ সৰু মানুহৰ অন্তৰৰ মহৎ মানৱতা বোধৰ প্ৰকাশ। "মুক্তি" গল্পটিত দেখুৱা হৈছে ল'ৰা-ছোৱালীৰ মন কেনেদৰে স্বাধীনতা প্ৰিয় আৰু সেই স্বাধীনতাপ্ৰিয় মনৰ দুৰ্ব্বাৰ সোঁতক বাধা দি তাক আবদ্ধ কৰিব খোজাটো কেনে বিষম।

কোনো মহান সাহিত্যিক তেওঁৰ যুগৰ চিন্তা-নায়ক বুলি পৰিগণিত হলেও হ'ব পাৰে; কিন্তু তেওঁক সামাজিক নায়ক বা নেতা স্বৰূপে পৰিগণিত হোৱা কাচিৎহে দেখা যায়। লক্ষ্মীনাথ বেজবৰুৱা বৰ্ত্তমান শতাব্দীৰ আদি ছোৱাৰ এটি সীমিত অৰ্থত হ'লেও যে চিন্তা নায়ক আছিল, সেই বিষয়ে সন্দেহ নাই। কিন্তু অসমীয়া সমাজৰ নেতৃত্ব দিবলৈ লেখক বেজবৰুৱা আগবাঢ়ি অহা নাছিল। তথাপি বেজবৰুৱাৰ লেখনিয়ে সমকালীন অসমীয়া সমাজক যে পথ প্ৰদৰ্শন কৰিছিল তাত সন্দেহ নাই। বেজবৰুৱাৰ যুগ ট্ৰেনজিচন্ ৰ যুগ। অৱস্থান্তৰৰ যুগ। বৃটিছ ৰাজত্বই তেতিয়া অসমীয়া সমাজত পাশ্চাত্য প্ৰভাৱ পেলাইছে; আৰু সেই প্ৰভাৱত অসমীয়া সমাজৰ লোকে নতুনক গ্ৰহণ কৰি পুৰণিক ত্যাগ কৰিব নে পুৰণিকে খামুচি থাকি নতুনক দূৰতে নিদুৰ কৰিব। এই প্ৰশ্নৰ সন্মুখীন হৈছিল। এনে এটি যুগত সাহিত্যৰ ক্ষেত্ৰত পাশ্চাত্য প্ৰভাৱক উদাৰ চিত্তে আকোৱালি লনাই অসমীয়া সাহিত্যক এটি নতুন ৰূপ দিয়া লক্ষ্মীনাথ বেজবৰুৱাই সামাজিক বিষয়ত পুৰণি আৰু নতুন উভয়ৰেই ভালখিনি গ্ৰহণ কৰি বেয়াখিনি বৰ্জ্জন কৰাৰ পক্ষপাতী আছিল। আৰু এই কথাত, তেওঁৰ হাস্য আৰু ব্যঙ্গৰসিক ৰচনাৱলীৰে তেওঁৰ চিন্তাশপূৰ্ণ প্ৰবন্ধ সমূহেৰে আৰু তেওঁৰ চুটি গল্প-ৰাজিৰে বেজবৰুৱাই সেই কালৰ সমাজৰ নেতৃত্ব দিছিল। যিসকল অসমীয়াই পুৰণিক পাহৰি নতুনৰ অন্ধ অনু-কৰণ কৰিলে, সেই সকললৈ বেজবৰুৱাই নিক্ষেপ কৰিছিল তেওঁৰ তীক্ষ্ণ ব্যঙ্গাস্ত্ৰ।

কলিকতালৈ উচ্চ ইংৰাজী শিক্ষা লবলৈ গৈ চেটিয়া সাৰঁৰ হোজা লোক তোলন সাজতোলাৰ পো মলথু হ'ল শ্ৰীমান মলথু সৈগে। তাৰ পৰা আৰু এখোপ উঠাই হ'ল গৈ তেওঁ মিষ্টৰ্ এম্ সৈগে। ক্ৰমশঃ এই মিষ্টৰ্ এম্ সৈগেয়ে "দেশী চুৰিয়া চেলেঙক কুটা চিঙি এৰি হেট কোট পেণ্টলুন পিন্ধি চাহাব হ'ল।" আৰু তাৰ পিছত মিষ্টৰ এম সৈগেৰ নামেও "সাজৰ পিচ ধৰি পুৰণি লেটাটো ফুটাই তাৰ ভিতৰৰ পৰা পোক গুচি পখিলা হৈ ওলাল। অৰ্থাৎ মিষ্টৰ্ এম্ সৈগে মলক্ গুইন্ গুইন্ ( Mullock Gwyn-Gwyn ) হ'ল।" এই মলক্ গুইন্ গুইন্ চাহাবেই পিছত অসমলৈ আহি স্কুল চাব্ ইন্‌চ্‌পেক্টৰ হৈ নিজৰ হোজা দেউতাকক নিচিনা হ'ল, আৰু মফস্বললৈ যাওঁতে আলিৰ কাষত ম'হৰ পিঠিত উঠি ম'হ চৰাই থকা ভায়েকে তেওঁক মতা হেতুকে অপমান বোধ কৰি ভায়েকক গোটাচেৰেক মৰিয়াই সত্তিয়াই দিয়ালে। মাজুলীৰ গোস্বাই গুৱালৰ ল'ৰা ভোকোন্দাই আকৌ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ গৈ তাত এবছৰৰ ভিতৰতে অনুভৱ কৰিলে যে তেওঁৰ ভেকোন্দি বা ভোকোন্দাই নামটো এটি লজ্জাজনক নাম। কলিকতাৰ পৰা তেওঁ সেই অৱস্থাত তেওঁৰ নিৰক্ষৰ দেউতাকলৈ চিঠি লিখিলে "মাই ডিয়েৰ ফাদৰ" বুলি দেউতাকলৈ সম্বোধন কৰি। চিঠিত তেওঁ তেওঁৰ নামটো সম্পৰ্কে লিখিলে, really really বাস্তৱিকতে এইটো এইটো বৰ Shameful" ভেকোন্দি নামটো "বৰ অসভ্য"— "monstrous." ভেকোন্দিৰ সলনি ভোকেন্দ্ৰ নাম লৈ নামৰ শেষত এটি উপাধিৰ প্ৰয়োজন বোধ কৰি তেওঁ

উপাধি বাচি ললে বৰুৱা। আৰু এই ভোকেন্দ্ৰ বৰুৱা নামেৰে "address কৰিবলৈ" তেওঁ দেউতাকক জনালে। এই ভোকেন্দ্ৰ বৰুৱায়েই এই একেখন চিঠিতেই দেউতাকলৈ লিখিলে যে তেওঁ তেওঁৰ "Shameful ওৱালৰ ব্যৱসায়"টো এৰিব লাগিব। তুমি আগেয়ে যি আছিলা, এতিয়া you are my father. তুমি মোৰ পিতাই। Therfore you must behave like a gentleman, অৰ্থাৎ ভদ্ৰলোকৰ দৰে তুমি চলিব লাগিব। আইক কবা, তেওঁ যেন ঘৰে ঘৰে ঢেং ঢেং কৈ নুফুৰে। She must keep her respect" এই একেখন চিঠিতেই আকৌ ওপৰঞ্চি হিচাপে লিখি ভোকেন্দ্ৰ বৰুৱাই দেউতাকক জনালে যে তেওঁৰ ভনীয়েকৰ ভুৰ্ভুৰী নামটো সলাই তেওঁ ভ্ৰমৰিণী নাম ৰাখিছে। আৰু এই নতুন নামটো তেওঁৰ কলিকতীয়া ককায়েকে তেওঁক birthday present হিচাপে দিছে। দেউতাকৰ সেমেগেদি এই ভোকেন্দ্ৰ বৰুৱাই ভনীয়েকলৈ এটি কিচ্ (kiss) যাচিছে। "সাধু কথাৰ কুকি"ৰ অন্তৰ্ভুক্ত" আমাৰ সংসাৰ" গল্পত ডম্বৰুধৰ নামৰ এজন এনেধৰণৰ অৰ্দ্ধ শিক্ষিত ডেকাই আকৌ শান্তি বিয়াৰ পিছত প্ৰথম ৰাতি তেওঁৰ বাৰ বছৰীয়া ছোৱালী-বৈণীয়েকৰ আগত এনেকৈ নিজৰ পাশ্চাত্য সাহিত্যৰ ৰসজ্ঞতা জাহিৰ কৰি কৰিব কৰিলে যে এই অবোধ বাৰ বছৰীয়া ছোৱালী জনীয়ে ভয় পাই শাহুৱেকক মাতিলে।

পাশ্চাত্য সভ্যতাৰ অন্ধ, অনুকৰণে বান্দৰ সজোৱা এই শ্ৰেণীৰ ঘৃণনীয় মানুহৰ কাৰ্য্য-কলাপে বেজবৰুৱাক যেনেদৰে আমোদ দিয়ে, ঠিক তেনেদৰে প্ৰাচীন হিন্দু তথা অসমীয়া প্ৰথাত সোমোৱা যিবোৰ কেৰোণে অসমীয়া হিন্দু সমাজৰ প্ৰগতিৰ পথত বাধাৰ সৃষ্টি কৰিছে সেই কেৰোণ যিসকল মগজুহীন, চিত্তহীন, গোড়া হিন্দুৰ বাবে সৃষ্টি হ'ল সেইসকলৰ কাৰ্য্যকলাপেও বেজবৰুৱাৰ মনত একে প্ৰতিক্ৰিয়াৰেই সৃষ্টি কৰে। সেয়েহে "আঙ্কি" অথবা "আমাৰ কানীয়া সভাৰ এক অধিবেশন" ইমানেই হাস্যকৰ আৰু সেই দুটি গল্পৰ লোকসকলৰ নতুন প্ৰগতিবাদী ডেকা বা বুঢ়িচ চৰকাৰৰ বিৰুদ্ধে কৰা বৃথা আস্ফালন ইমানেই আমোদ জনক। "ধোঁৱা খোৱা" গল্পত অসমীয়া মানুহৰ চৰিত্ৰ-চৰিত অৰ্থাৎ খোৱা স্বভাৱটোকেই উপলুঙা কৰি হাস্য-ৰসৰ সৃষ্টি কৰা হৈছে। কানি খোৱা, ধপাত খোৱা আদি অসমীয়াসকলৰ কুস্বভাৱৰ বিপক্ষে বেজবৰুৱাৰ এনেবোৰ বিদ্ৰূপাত্মক গল্পৰ লগতেই আমি পাওঁ হিন্দু সমাজৰ অন্ধ গোড়ামিৰ বিৰুদ্ধে লিখা তেওঁৰ ব্যঙ্গাত্মক গল্পবোৰ। "ধৰ্ম্মধ্বজ ফয়চলা-নবিচ" গল্পত ফয়চলা নবিচৰ ঘৰৰ আগৰ পুখুৰীত নামি জয়চন্দ্ৰ ভূঞাৰ দহ বছৰীয়া পুতেক সোমলচন্দ্ৰই পানী খালে। জয়চন্দ্ৰৰ বাপেক কৃষ্ণচন্দ্ৰক মানৰ উপদ্ৰৱৰ দিনত মানে ধৰি লৈ গৈছিল। মানে তেওঁক ধৰি লৈ যাওঁতে বাটত তেওঁ মানৰ ভাত খাবলৈ বাধ্য হৈছিল। কৃষ্ণচন্দ্ৰ কোনোমতে মানৰ হাতৰ পৰা এৰা দি আহিছিল যদিও মানৰ ভাত খাই অহা বাবে তেওঁ তেতিয়াৰ পৰা জাত যোৱা লোক বুলি সমাজত সকলোৰে বৰ্জ্জিত। সেই কৃষ্ণচন্দ্ৰৰেই পুতেকৰ পুতেকে ধৰ্ম্মধ্বজ ফয়চলা-নবিচৰ পুখুৰীৰ পানী খালত পুখুৰী ছুৱা গ'ল। ধৰ্ম্মধ্বজ ফয়চলা-নবিচে দহ বছৰীয়া ল'ৰাটিক গালি পাৰিলে, "অজাতিৰ সন্তান। আহি মোৰ পুখুৰী ছুৱা কৰি গলিহি। কাইলৈ গোসাইৰ মূৰত পানী এচলু দিয়াৰ মূৰ মাৰি থলিহি।" হিন্দু ধৰ্ম্মৰ এনেবোৰ অসহনীয় অবিচাৰৰ বাবেই জয়চন্দ্ৰ শেষত মুচলমান হ'ল। "নিস্তাৰিণী দেৱী বা ফাতেমা বিবী" নামৰ গল্পটিতো এগৰাকী হিন্দু ছোৱালীয়ে শিশু অৱস্থাত নাজানি মুচলমানৰ ঘৰত চিমাই পায়স খালত হিন্দু সমাজে তাইক সেই সমাজত কেনেকৈ ঠাই নিদিয়া হ'ল আৰু কেনেকৈ অৱশেষত তাই মুচলমান হ'বলৈ বাধ্য হ'ল তাৰ বিৱৰণ আছে।

এনেবোৰ গল্পৰ পৰা বেজবৰুৱাৰ উদাৰ চিত্ত আৰু সংস্কাৰ কামী মনৰ পৰিচয় আমি পাওঁহক। কিন্তু ইয়াৰ বাহিৰেও অনেক ঠাইত বেজবৰুৱাই গল্পৰ আঙ্গিক বা পৰিসৰৰ কথা পাহৰি গৈ, প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক, গল্পৰ ভিতৰতেই গোড়ামি, কুসংস্কাৰ আদিৰ বিপক্ষে বহল বক্তৃতাৰ অৱতাৰণা কৰিছে। "জাতিনাশৰ জাত" এই শ্ৰেণীৰেই গল্প। বেজবৰুৱাই "ভোকেন্দ্ৰ বৰুৱা" গল্পত ভোকেন্দ্ৰ বৰুৱাৰ চাহাবী সাজপাৰ পিন্ধা স্বভাৱটোক উপলুঙা কৰিছে। তাৰ অৰ্থ এই নহয় যে চাহাবী পোচাক পৰিধান কৰা স্বভাৱটোকেই বেজবৰুৱাই বান্দৰামি বুলি ভাবিছিল। অন্তৰত যাৰ মানৱীয়তা আছে, যাৰ



ব্যক্তিত্বৰ গাম্ভীৰ্য্য আছে, যি প্ৰকৃততে সুচিন্তা কৰিব পৰা এটি মনৰ অধিকাৰী, তেনেবোৰ মানুহ বেজবৰুৱাৰ মনত চাহাবী সাজপাৰ পিন্ধিলেও শ্ৰদ্ধাৰ্হ। "মিষ্টৰ্, ফিপ্সন্" গল্পত সেয়েহে এংলো-ইণ্ডিয়ান মিষ্টাৰ ফিপ্ চনে তেওঁৰ ইউৰোপীয় পিতৃৰ বিৰুদ্ধে বিষোদগাৰ কৰিছে আৰু নিম্নস্তৰৰ হ'লেও তেওঁৰ ভাৰতীয় মাতৃক বিচাৰি হাঁহাকাৰ কৰি উঠিছে চাহাবী সাজ পাৰ পিন্ধা এজন ভাৰতীয়ৰ আগত। এইজন চাহাব সাজ-পাৰ পিন্ধা সহানুভূতিশীল ভাৰতীয় লোকৰ ভাও বেজবৰুৱাই নিজেই লৈ প্ৰথম পুৰুষত গল্পটো বৰ্ণাই গৈছে।" পুত্ৰৱান পিতা" গল্পতো ব্যথাহত, নিঃস্ব বৃদ্ধ পিতৃ সৰাকীয়ে নিজৰ পুত্ৰৰ অকৃতজ্ঞতাৰ কাহিনী কৈ শুনাইছে "বিলাতী খুৰেৰে চিকুনুৱা নিকা মুখৰ"চাহাবী ধৰণৰ সদাশয়, সহানুভূতিশীল লোক এজনৰ আগত। এইজন মাৰ্জ্জিত ৰুচিৰ হিতৈষী চাহাবী ধৰণৰ লোকৰ ভাওটিও বেজবৰুৱাই গল্পটোত নিজেই লৈ গল্পটো প্ৰথম পুৰুষত বৰ্ণাই গৈছে। এইবোৰৰ পৰা দেখা যায় যে বেজবৰুৱাৰ উদাৰ চিন্তা যিদৰে স্থূল প্ৰকৃতিৰ নাছিল, সেইদৰে তেওঁৰ সংৰক্ষণশীলতাও ঠেক গণ্ডীৰ ভিতৰৰ অন্ধ ৰক্ষণশীলতা নাছিল। তেওঁৰ উদাৰতা যিদৰে সূক্ষ্ম বিচাৰ ৰেখাৰে সীমিত, ঠিক সেইদৰে তেওঁৰ সংৰক্ষণশীলতাও চিন্তাৰ ঔদাৰ্য্যৰে বিস্তাৰিত।

আজীৱন অসমীয়া সমাজৰ প্ৰগতি আৰু সংস্কাৰৰ, আজীৱন অসমীয়া সাহিত্য—সংস্কৃতিৰ উন্নতি আৰু প্ৰসাৰৰ কামনা আৰু তাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি যোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীত কোনো কোনোৱে ঠেক প্ৰাদেশিকতাবাদৰ গন্ধ পায়। কিন্তু অসমৰ বাহিৰতো, গধূলি তুলসী তলত চাকি জ্বলোৱা সময়ত নিয়মিত অসমীয়া ভোৰ তাল বজাই সান্ধ্য প্ৰাৰ্থনা কৰি অসমীয়া হৈ থাকিব বিচৰা বেজবৰুৱাই তেওঁৰ গল্পত ফুটাই তুলিছিল অসমীয়াৰ কথন-ভঙ্গী, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, দোষ-ত্ৰুটীৰ লগতেই কোল জনজাতীয় লোকৰ প্ৰকৃতিৰ কোলাত কটোৱা জীৱনৰ সুখ-দুখৰো ছবি অথবা কলিকতা মহানগৰীৰ কোনোবা বঙালী ভদ্ৰলোকৰো সহৃদয়তাৰ ছবি। "ৰতন মুণ্ডা" গল্পত ডেকা প্ৰেমিক ৰতনমুণ্ডা আৰু গাভৰু প্ৰেমিকা জুমুৰী, কোলজাতীয় ডেকা-গাভৰু। সিহঁতৰ প্ৰেমৰ কাহিনীৰ মাজেদি কোল সমাজখনৰ এটি ছবি বেজবৰুৱাই দাঙি ধৰিবলৈ চেষ্টা কৰিছে। "কন্যা" গল্পতো কোৱা হৈছে ছোটনাগপুৰ অঞ্চলৰ এজন কোল জাতীয় ল'ৰাৰ অপমৃত্যুৰ কাহিনী। "ভুৰুকীৰো" গল্পত আকৌ কলিকতাৰ শশীবাবু নামৰ সেই বঙালী লোকজন "বৰ সদৰী, সৰল আৰু পৰোপকাৰী মানুহ।" এইবোৰ গল্প পঢ়াৰ পিছত আমি নিশ্চয় নকৈ নোৱাৰোঁ। যে বেজবৰুৱাই অসমখন আৰু অসমীয়া লোক আৰু অসমীয়া ভাষা সাহিত্য-সংস্কৃতিকেই প্ৰাণৰ আপোন বুলি ভাবিছিল সচাঁ, তথাপি তেওঁ অন্য লোক, অন্য দেশ আৰু অন্য সংস্কৃতিৰ প্ৰতিও আছিল শ্ৰদ্ধাবান আৰু সহানুভূতিশীল।

বেজবৰুৱাৰ গল্প সাহিত্য কোন ধাৰাৰ (trend) সাহিত্যৰ অন্তৰ্ভুক্ত, সেই বিষয়ে আলোচনা কৰিবলৈ গ'লে আমাৰ এটি আমোদজনক অভিজ্ঞতা হয়। বেজবৰুৱা অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ লেখক। কবি হিচাপেও বেজবৰুৱা ৰোমাণ্টিক কবি। কিন্তু অসমীয়া ৰোমাণ্টিক যুগৰ এই ৰোমাণ্টিক কবি গৰাকী আকৌ প্ৰবন্ধকাৰ আৰু গল্পকাৰ হিচাপে এজন বাস্তৱ বাদী সাহিত্যিক। ৰোমাণ্টিক সাহিত্যৰ যি অতিশয় কল্পনা-বিলাসিতা, অতিশয় ভাব-প্ৰৱণতা আৰু অতীতৰ প্ৰতি মোহ, সেইবোৰ বেজবৰুৱাৰ কবিতাত পালেও তেওঁৰ গল্পৰাজিত আৰু ৰচনাৱলীত পাবলৈ নাই। বেজবৰুৱাৰ ৰচনা আৰু গল্পত আনহাতে ব্যঙ্গ আৰু হাস্যৰসৰ মাজেদি যি সামাজিক সমালোচনা পোৱা যায় সি প্ৰাচীন গ্ৰীক আৰু ৰোমান ক্লাচিকেল সাহিত্যৰ নাইবা ইউৰোপীয় নিয়'ক্লাচিকেল (Neoclassical) সাহিত্যতহে পোৱা যায়। ইংৰাজী সাহিত্যত অষ্টাদশ শতাব্দীৰ যিটো ক্লাচিকেল যুগ, সেই যুগৰ ক্লাচিকেল সাহিত্যৰ ব্যঙ্গ আৰু হাস্যৰসৰ মাজেদি সমাজ খনক বা মানুহক সমালোচনা কৰাৰ যি উদ্দেশ্য, আমাৰ গল্পকাৰ আৰু ৰচনাকাৰ বেজবৰুৱাৰো সেই একেই উদ্দেশ্য। এই ফালৰ পৰা ৰোমাণ্টিক যুগৰ গল্পকাৰ বেজবৰুৱা ক্লাচিকেল বাস্তৱবাদী। অৱশ্যে বেজবৰুৱাৰ চুটি গল্পৰ আহি বা আদৰ্শ এই যুগৰ ইংৰাজী বা ইউৰোপীয়

সাহিত্যত পাবলৈ নাই। চুটি গল্প আধুনিক সাহিত্যৰহে উৎপাদন ।

বেজবৰুৱাৰ ৰচনা অসমীয়া পাঠকৰ অতীব প্ৰিয় হোৱাৰ অন্যতম কাৰণ হ'ল তেওঁৰ হাস্যৰস। কিন্তু বেজবৰুৱাৰ হাস্যৰস স্থূল হাস্যৰস। সূক্ষ্ম পৰ্যবেক্ষণ বা চিন্তাৰ সহায়ত পৰিৱেশ বা চৰিত্ৰৰ সৃষ্টি কৰি সূক্ষ্ম বুদ্ধিদীপ্ত ( witty ) ভাষাৰে বেজবৰুৱাই উচ্চ পৰ্য্যায়ৰ হাস্যৰস সৃষ্টি কৰিব নোৱাৰিছিল। এই দিশৰ পৰা লক্ষ্মীনাথ বেজবৰুৱা ভিক্টোৰীয় যুগৰ ইংৰাজ ঔপন্যাসিক চাৰ্লচ্ ডিকেন্‌চৰ শ্ৰেণীৰ। প্ৰকৃতপক্ষে, কি হাস্যৰসাত্মক প্ৰকাশভঙ্গীত, কি অতিৰঞ্জনৰ যোগেদি হাস্যকৰ কৰি তোলা চৰিত্ৰৰ সৃষ্টিত, কি হাস্যৰসঘন পৰিৱেশ ৰচনাত, লক্ষ্মীনাথ বেজবৰুৱা চাৰ্লচ ডিকেন্‌চৰেই অনুগামী। ডিকেন্‌চৰ উপন্যাস সাহিত্য যি অৰ্থত বাস্তৱ সাহিত্য, বেজবৰুৱাৰ চুটি গল্প সাহিত্যও সেই একে অৰ্থতেই বাস্তৱ সাহিত্য। বাস্তৱ বাদী ডিকেনচৰ ৰচনাত বাস্তৱবাদ বিৰোধী দুঃখানুভূতি ( Pathos ) আৰু আবেগ (Sentiment) আদিৰ সংমিশ্ৰণ আছে। আমাৰ বেজবৰুৱাৰ ''ৰতনমুণ্ডা'', ''কন্যা'', ''পুত্ৰৱান পিতা'' ''কাশীবাসী'', ''মালতী'' আদি গল্পতো দুখানুভূতি আৰু আবেগ আছে। দৰাচলতে বেজবৰুৱাৰ পুত্ৰৱান পিতা'', ''কাশীবাসী'', ''ৰতন মুণ্ডা'', ''কন্যা'', ''মালতী'', ''মৈদাম'' আদি গল্পবোৰক ৰোমাণ্টিক আখ্যা দিব পাৰি। ''পুত্ৰৱান পিতা'' আৰু ''কাশীবাসী''ৰ দুঃখানুভূতি (Pathos ) যেনেদৰে ৰোমাণ্টিক সাহিত্যৰ লক্ষণ, ঠিক তেনেদৰে ''ৰতন মুণ্ডা''আৰু ''কন্যা''গল্পৰ সুদূৰৰ জগতখন আৰু সেই কাহিনীৰ উপজীব্য যি প্ৰেম আৰু প্ৰকৃতিৰ সৈতে সম্পৰ্ক সি ৰোমাণ্টিক । একেদৰে ''মৈদাম'' গল্পৰ স্বপ্নময় অতীত আৰু '.মালতী''ৰ শেষৰ অতিপ্ৰাকৃতিক ( Supernatural ) বা অলৌকিক (weird) পৰিৱেশ ৰোমাণ্টিক পৰিৱেশ । অৱশ্যে বেজবৰুৱাৰ প্ৰায় দুকুৰি পোন্ধৰটা গল্পৰ এই পাচঁটা বা ছটা গল্পই মাথোন তেওঁক ৰোমাণ্টিক গল্পকাৰ বুলি নিশ্চয় পৰিচিত নকৰে ।

বিষয় বস্তুৰ নিৰ্ব্বাচন, সাহিত্যিক ৰস-সৃষ্টি, অনবদ্য ৰচনা-ৰীতি আৰু তেওঁৰ গল্পৰ 'চিৰিয়াচ' উদ্দেশ্যলৈ লক্ষ্য কৰিলে বেজবৰুৱা যে এজন বিশিষ্ট গল্পকাৰ আছিল, তাত দ্বিমত হোৱাৰ নিশ্চয় উপায় নাই ; যদিওবা চুটি গল্পকাৰ হিচাপে বেজবৰুৱাক মহৎ সাহিত্যিক আখ্যা দিবলৈ অনেকেই টান পাব। এজন মহৎ গল্পকাৰ বুলি বেজবৰুৱাক স্বীকৃতি দিবলৈ টান পোৱাৰ এটি প্ৰধান কাৰণ হ'ল তেওঁৰ আঙ্গিক বা টেক্‌নিকৰ দুৰ্ব্বলতা । চুটি গল্পৰ আঙ্গিকত সি বিশেষ তৎপৰতাৰ দৰ্কাৰ, সেই তৎপৰতা বেজবৰুৱাৰ নাছিল। চুটি গল্পত বিষয় বস্তুৰ ঐক্যৰ যিদৰে প্ৰয়োজন, কাহিনীৰ ঐক্যৰো একেদৰেই প্ৰয়োজন। কিন্তু বিষয় বস্তুৰ ঐক্য বেজবৰুৱাৰ বেছি ভাগ গল্পতে থাকিলেও কাহিনীৰ ঐক্য প্ৰায়বোৰ গল্পতেই নাই। একেটা গল্পত একেটা কাহিনীকে কেনেকৈ বেজবৰুৱাই পৰিপাতিকৈ কৰ নোৱাৰে, তাৰে এটি উদাহৰণ হ'ল ''চোৰ'' গল্পটি। চোৰ এজনৰ অন্তৰতো কেনেদৰে মানৱতাবোধ থাকিব পাৰে তাকে দেখুৱাবলৈ ৰচনা কৰা ''চোৰ'' নামৰ এই গল্পটিৰ কাহিনীত দেখুৱা হৈছে—কেনেদৰে চোৰ জনে উপযুক্ত সময়ত চুৰ কৰিম বুলি ৰাতি মানুহ এঘৰৰ ঘৰৰ বিছনাৰ তলত সোমাই বহি থাকোঁতে, গিৰিহঁতৰ ঘৈণীয়েকে গিৰিহঁতক তেওঁৰ টোপনিতে বিশ্বাসঘাতকতা কৰিবলৈ ওলোৱা দেখি চুৰ কৰাৰ আশা এৰি চিঞৰ মাৰি দি গিৰিহঁতক ৰক্ষা কৰিলে। কিন্তু এই কাহিনীটো কবলৈ গল্পৰ প্ৰথম অধ্যায়ৰ উপকাহিনীটিৰ কি প্ৰয়োজন আছিল? যদি এজন মানুহে একাধিকবাৰ বিয়া কৰালে প্ৰথম বিবাহৰ পৰৱৰ্ত্তী বিবাহিত জীৱন হাস্যকৰ অভিনয়স্বৰূপ হয় বুলিয়েই বেজবৰুৱাই ''চোৰ'' গল্পটো লিখিছিল, তেন্তে কব লাগিব যে এই গল্পটিত বিষয় বস্তুৰ কোনো ঐক্য নাই। ''ডাক্তৰ বাবু'' বা ''ভেমপুৰীয়া মৌজাদাৰ'' গল্পত বেজবৰুৱাই চুটি গল্প ৰচনাৰ বাবে কাহিনী-বৰ্ণনাৰ যি কলাকুশলতা লাগে, সেই কলাকুশলতা যে তেওঁৰ নাছিল তাৰে প্ৰমাণ দিছে। এনেবোৰ গল্পত বেজবৰুৱা হয় নীৰস সাধুকথা কওঁতা নহয় নীৰস সমালোচক বক্তা। ''জাতি ৰাখৰ জাত''টিও এনে ধৰণৰেই এটি বক্তৃতাধৰ্মী গল্প। ''পণ্ডিত মহাশয় '' গল্পটিও গল্প হিচাপে অতি নীৰস। কেতিয়াবা বেজবৰুৱাই আকৌ কেৱল হাস্যৰস সৃষ্টিৰ



বাবেই বা অতি-কথকী-স্বভাৱৰ বশৱৰ্ত্তী হৈ এটি চুটি গল্প লিখিবলৈ গৈ অনেক অনাৱশ্যকীয় কথা লিখি পেলায় । সেইবোৰ যিমানেই সুখপাঠ্য নহওক কিয়, চুটি গল্পৰ সৌন্দৰ্য্য সেইবোৰে ম্লান কৰি পেলায় । এনে স্বভাৱৰ বাবেই বেজবৰুৱাৰ কেবাটাও কৰুণৰসিক বা বিয়োগান্ত চুটি গল্পতো ৰসবিচ্যুতি ঘটিছে। এইবোৰৰ উদাহৰণ ''কণকলতা'', ''নাঙলুচন্দ্ৰ দাস'', ''লাওখোলা'' আদি গল্পত বিদ্যমান। কেতিয়াবা আকৌ গল্প বুলি বেজবৰুৱাই লিখে সাধুকথা ; আৰু অন্য কোনো সময়ত চুটি গল্পৰ নামত তেওঁক লিখা দেখা যায় ৰম্য ৰচনা। ''ঘৰ পতা ককা'', ''মূলা খোৱা বুঢ়া'', ''দাদায়েক পদো আৰু ভতিজাক ভদো'' আদি সাধুকথাহে, ''ভদৰী'' যেনে এটি চুটি গল্প তেনে চুটি গল্প নহয়। কিন্তু এই সাধুবোৰ ''ভদৰী''ৰ লগত একেখন সঙ্কলনতে সঙ্কলিত হৈছে । ''মিলাৰামৰ আত্মজীৱনী'' টোৰ গাঁঠনি ইমান ঢিলা যে তাৰ হাস্যৰসৰ বাবে যদিও সি বেজবৰুৱাৰ এটি লেখত লবলগীয়া অৱদান, তথাপি তাক চুটি গল্প বুলি অভিহিত কৰিব নোৱাৰি। ''মিলাৰামৰ আত্মজীৱনী'' এখন অতি মনোগ্ৰাহী ৰম্য ৰচনাহে ।

সি যি কি নহওক, বেজবৰুৱাৰ চুটি গল্পৰ দোষ যুক্ত আঙ্গিক আৰু সীমিত পৰিসৰৰ বিষয় বস্তুৰ স্বত্বেও বেজবৰুৱা যে অসমীয়া সাহিত্যৰ এজন যুগপ্ৰৱৰ্ত্তক আৰু কালজয়ী সাহিত্যিক , সি অনস্বীকাৰ্য্য । অন্য নহ'লেও বেজবৰুৱাৰ চুটি গল্পসমূহৰ উজ্জ্বল হাস্যৰসৰ সাৰ্ব্বজনীন আবেদন আৰু তেওঁৰ নিভাঁজ, স্বতঃস্ফূৰ্ত্ত, সৰল, ৰসাল, ৰচনাৰীতিৰ আকৰ্ষণৰ বাবেই সেইবোৰ প্ৰথম প্ৰকাশৰ প্ৰায় অৰ্দ্ধ শতাব্দীৰ পিচতো আমাৰ সমাদৰৰ বস্তু হৈ আছে। নিজৰ যুগৰ সমাজখনৰ সমালোচনাই যদিও বেজবৰুৱাৰ চুটি গল্পৰ মূল আধাৰ, তথাপি বেজবৰুৱা তেওঁৰ জন্মৰ আজি এশ বছৰৰ পিছতো আমাৰ মনত কেৱল এজন সেই কালৰ সময়ৰ চাহিদা পূৰোৱা লেখক ( Time Server ) নহয়। বেজবৰুৱা আজিও আমাৰ বাবে এজন যুগান্তকাৰী, যুগবিজেতা সাহিত্যিক। তেওঁৰ গল্পৰ অফুৰন্ত হাস্যৰস আৰু হাস্যোজ্জ্বল ব্যঙ্গাত্মকতা আৰু তেওঁৰ অননুকৰণীয় ৰচনা-ৰীতিয়ে পাঠকক দিয়া আনন্দ পাঠকৰ বাবে ইমানেই মূল্যবান যে তেওঁৰ সকলো দোষ-ত্ৰুটী পাহৰি গৈ অসমীয়া পাঠকে তেওঁৰ গল্পতো দেখা পায় এজন অমৰ সাহিত্যিকৰ কীৰ্ত্তি। সেয়েহে বেজবৰুৱা অসমীয়া পাঠকৰ মনত আধুনিক অসমীয়া সাহিত্যৰ সাহিত্য-সম্ৰাট ।

# সাধু-কথাৰ কুঁকি

আব্দুছ ছাত্তাৰ

বেজবৰুৱাক আধুনিক অসমীয়া চুটি গল্পৰ পথ প্ৰদৰ্শক বুলি গণ্য কৰা হয়। তেওঁৰ চুটি গল্পৰ সম্ভাৰ আছে–সাধু-কথাৰ কুঁকি, জোন-বিৰি আৰু সুৰভিত। আমি কিন্তু এই প্ৰবন্ধত কেৱল 'কুঁকি'ত থকা গল্প-কেইটা লৈহে আলোচনাত প্ৰবৃত্ত হ'ম। বেজবৰুৱাই কিন্তু ইয়াৰ গল্পকেইটাক গল্প নকৈ 'সাধুকথা' বুলিহে অভিহিত কৰিছে। অৱশ্যে চুটি গল্প আৰু সাধুকথাৰ বিচাৰ কৰিলে দুয়ো বিধেই ইয়াত থকা পোৱা যাব। "ধৰ-পতা ককা" আৰু "মূলা-খোৱা বুঢ়াক" চুটি গল্প নকৈ সাধুকথা কোৱাহে যুগুত। ইয়াৰে দুটামান গল্পক সম্পূৰ্ণ আধুনিক চুটি গল্পৰ শাৰীত থ'ব পৰা গুণ আছে। জলকুঁৱৰী, ভদৰী, কন্যা, নকওঁ, চোৰ চুটি গল্পৰ শাৰীত পৰে। এই কেইটাৰ সম্বন্ধে পিচত আলোচনা কৰা হ'ব।

সাধু কথাৰ কুঁকিৰ প্ৰথম সাধুটো অসমীয়া পুৰণি সাধু "চিলনীৰ জীয়েকৰ সাধু"কে আধুনিক ৰূপত সজাই "আমালৈ নেপাহৰিব" বুলি বেজবৰুৱাই ৰহস্যাবৃত এটা ঘটনা বৰ্ণনা কৰিছে। "আগলি কলপাত লৰে কি চৰে" বুলি বিনাই গোৱা আমাৰ পুৰণি সাধুৰ চিলনীৰ জীয়েকৰ গীতটিকে গল্পৰ অন্তৰ্গত অসমীয়া ছোৱালীৰ মুখত গঙ্গাৰ পাৰত বেজবৰুৱাই শুনিবলৈ পালে। বঙ্গভূমিত বেজবৰুৱাৰ নিচিনা অসমীয়া মানুহে অসমীয়া গীত শুনি চমকি উঠিল। এয়েই বেজবৰুৱাই লেখা এই গল্পটোৰ আৰম্ভণি। 'ৰহস্য' উদ্ধাৰৰ বাবে অসমীয়া গল্প লেখক ব্যস্ত হৈ পৰিল। মাকে শিকাই দিয়া কাৰণে দুখৰ দিনত চিলনীৰ জীয়েকৰ গীত গাবলৈ কোৱা কাৰনেই এই বিপদত পৰা অসমীয়া ছোৱালী জনীয়ে ইনাই বিনাই গাইছিল। ন-পুৰণিৰ সমাবেশ ঘটাই বেজবৰুৱাই এই গল্পটোৰ সৃষ্টি কৰিছে। গল্পটোৰ প্ৰথম অৱস্থাত ৰহস্য উদ্‌ঘাটনৰ প্ৰতি পাঠকে যিমান ব্যগ্ৰতাৰে আগবাঢ়ে শেষৰ ফালে সেই ব্যগ্ৰতা বা উৎকণ্ঠা ক্ৰমে কমি আহে। চুটি গল্পৰ 'নাটকীয় সমাপ্তি' এটা বিশেষ লক্ষণ। সেইকাৰণে, নাটকীয় ভাৱে গল্প লেখকে বাট ভুল কৰি কলিকতাৰ পৰা শিৱসাগৰৰ কোঁৱৰপুৰৰ বাঁৰীৰ ঘৰত উপস্থিত হৈ সেই অখন্তৰত পৰা অসমীয়া ছোৱালীজনী লগ পায়। তেৱেঁই বিদায় কালত কয়—আমালৈ নেপাহৰিব।

'স্বৰ্গাৰোহণ' গল্পটো আধুনিক পৰ্যায়ৰ চুটি গল্প। গল্পটো বাস্তৱতাৰ সহায়েৰে আৰম্ভ কৰি সপোনৰ আশ্ৰয় লৈ অসম্ভৱ স্বৰ্গাৰোহণ সম্ভৱপৰ কৰি তুলিছে। ইয়াত অস্বাভাৱিকতা একো নাই। কাৰণ, ওপৰত কোৱা হৈছে যে—সপোনৰ আশ্ৰয় লোৱা হৈছে; সপোনত অসম্ভৱো সম্ভৱ হয়। সপোনত অবাস্তৱ পৰিবেশৰ সৃষ্টি হলেও লগুৱাৰ টোকৰত গল্পৰ নাটকীয় সমাপ্তি ঘটিছে—পাঠকৰ উদ্বিগ্নতা বাঢ়ি গৈ উৎকণ্ঠাৰে আগবঢ়া অৱস্থাত 'সোঁ কাণখনৰ বিন্ধাত সোঁ হাতৰ কেঁৰা আঙ্গুলিটো সোমাই আছে' বুলি কোৱাৰ লগে লগে পাঠক আকৌ কঠোৰ বাস্তৱৰ পৰিবেশলৈ ঘুচি আহে। ই এটা শুধ হাঁহিৰ গল্প। টোপনি নহা সৰু, অকণমান ঘটনাক বহলাই সাধাৰণ পৰিবেশতে অস্বাভাৱিক পৰিবেশৰ সৃষ্টি কৰি বেজবৰুৱাই কৃতিত্ব অৰ্জন কৰিছে। 'মালতী' গল্পত এনে অতি-প্ৰাকৃতিক পৰিবেশৰ সৃষ্টি কৰিছে—মালতীৰ প্ৰেতাত্মাৰ দ্বাৰা। ৰজাৰ পিচে পিচে 'মালতী'ৰ প্ৰেতাত্মা ঘূৰি ফুৰিছে। স্বৰ্গদেৱে শুনিবলৈ পায়—"কেনে পালি, লোভ, অত্যাচাৰ আৰু পাপৰ এই প্ৰতিফল।"

'চোৰ' গল্পটোক আধুনিক পৰ্যায়ৰ এটা গল্প বুলিব পাৰি। বিষয় বস্তু সাধাৰণ। এজন দ্বিতীয় বিবাহ কৰা লোকৰ দুশ্চৰিত্ৰা অসতী পত্নীয়ে নিজ স্বামীক বিহ দি মাৰিবলৈ লোৱা এটা ঘটনা। ইয়াত বিষয় বস্তুৰ ওপৰত বেজবৰুৱাই প্ৰাধান্য দিয়া নাই—প্ৰাধান্য দিছে চৰিত্ৰ চিত্ৰণত। পশুপতি দগধা অদাইটং চোৰ হ'ব পাৰে, সি লোকৰ ঘৰত সিন্ধি দি বয়-বস্তু সোপাকে নি সৰ্ব্বস্বান্ত কৰিব পাৰে—কিন্তু নৰহত্যাৰ নিচিনা এটা মহাপাপ চকুৰ আগতে কৰিবলৈ লোৱা সহ্য কৰিব নোৱাৰে। সি চুৰ কৰিবলৈ গৈ অসতী তিৰোতাই নিজ স্বামীক নিজ হাতেৰে বধ কৰা কথা তাৰ কাৰণে ভাবিব নোৱাৰা কথা। সতিকে পশুপতিৰ মুখত লিখকে এইদৰে কোৱাইছে—"মই দেখিলো যে এই অসতী মহাপাপী তিৰোতাজনীয়ে এতিয়া নিজৰ গিৰিয়েকক বধ কৰে। তেহেলৈ মোৰ যি হয় হওক মই কেতিয়াও এনে কাৰ্য্য হ'বলৈ নিদিওঁ", চোৰ পশুপতিৰ ভিতৰৰ মানুহটো এই ঘটনাতে জাগি উঠিল। "তেহেলৈ মোৰ যি হয় হওক" বুলি সঙ্কল্প কৰি চাংপিৰাৰ তলতে সোমাই থাকিল। আৰম্ভণিতে পৰা পশুপতিক চাৰিত্ৰিক অৱনতি দেখি অহা পাঠকে পশুপতিৰ হঠাৎ এই চাৰিত্ৰিক উন্নতি দেখি বিস্ময়েৰে আনন্দ উপভোগ কৰে। তাৰ প্ৰতি জন্ম হোৱা ঘৃণা ভাৱ ক্ৰমেকতে নোহোৱা হয়। উৎকণ্ঠাৰে পঢ়ি অহা গল্পটো ইয়াতে শেষ হয়। উদ্বিগ্নতা ইয়াৰ পিচত নেথাকে। কিন্তু ইয়াৰ পিচতো "সামৰণি" দি বেজবৰুৱাই পশুপতিক স্বভাৱৰ পৰিৱৰ্তনৰ লগত বিজাই কেনেকৈ জ্ঞানী গুণী ব্যক্তি হ'ল তাৰ কথা উল্লেখ কৰিছে। এই অংশটো অনাৱশ্যক যেন লাগে। চুটি গল্প হিচাবে "সামৰণি"ৰ আগতে গল্পৰ সমাপ্তি ঘটাব লাগিছিল। চোৰ গল্পটোৰ মাজেদি হাস্য ৰসিক বেজবৰুৱাই ভুমুকি মাৰি হাস্য ৰসৰ অৱতাৰণা কৰিছে। ন বৈণীৰ আগত বয়সীয়া লোকেশ্বৰ তিৰোতা-সেকুৱা বা ভকুৱা হ'ল। তাকে উপমা দি বেজবৰুৱাই কেনেকৈ বুজাইছে চাওক—

—এই সৰু কথাটো বুজুৱান কি সুন্দৰ ব্যৱস্থা। "অৰিগছৰ পুলিয়ে পুৰণি পকি ঘৰ শিপাই পেলোৱাদি অলপ বয়সীয়া নতুন বৈণীয়েকে বয়সীয়াল লোকেশ্বৰ বৰুৱাক অসংখ্য শিপাৰে অতি শীঘ্ৰে শিপাই পেলালে। তেওঁ এতিয়া "উঠ" কথাত জপিয়ায় আৰু 'বহ' কথাত শোৱে।"

"চন্দ্ৰধৰ ফুকন শিৱসাগৰৰ এজন ডাঙৰ লোক।" এনেজন লোকৰ সা-সম্পত্তিৰ লেখ দিবলৈ গৈ "এপুখুৰী পানী" বুলি গম্ভীৰ কথাৰ মাজত টুলুঙা ভাৱৰ প্ৰয়োগে পাঠকক হঁহুৱাতকৈ ভাষাৰ অসঙ্গতিলৈহে বেছি লক্ষ্য কৰায়। নকওঁ নকওঁ বুলি সকলো কথা কৈ দি পাঠকৰ কৌতুহল তেওঁ দূৰ কৰিছে সা-সম্পত্তি, লৰা-তিৰোতাৰ কথাও কৈ দিছে।

এই গল্পটোত বেজবৰুৱাৰ ভাষা প্ৰয়োগৰ দুটামান উদাহৰণ অতিকৈ মন কৰিবলগা–"বাৰিষা সেই চাপৰি পানীত লোণ নাইকিয়া হোৱাদি চকুৰ পচাৰতে নাইকিয়া হ'ব?" ইয়াত 'পানীত লোণ নাইকিয়া' হোৱা কথাষাৰ অতি অভিব্যঞ্জনামূলক। "ডেকাৰিকৈ ফুৰা," "গাৰ পৰা খংৰূপী 'ষ্টীম' ওলোৱা "আদি কথা বেজবৰুৱাৰ নিজা।

'পুত্ৰবান পিতা' গল্পটো বৰ্ণনা প্ৰধান। বিষয়-বস্তুত অভিনৱত্ব একো নাই। কাহিনী প্ৰধান আৰু বৰ্ণনামূলক। দ্বিতীয় অধ্যায় শেষ কৰাৰ পিচতে তৃতীয় অধ্যায়লৈ অহাৰ লগে লগে এই গল্পটো পঢ়াৰ উদ্বিগ্নতা পাঠকৰ কমি আহে। শেষ পৰিণতি কি হ'ব আগতীয়াকৈ ক'ব পৰা হোৱাত গল্পৰ টেক্‌নিকৰ ফালৰ পৰা ই ত্ৰুটীপূৰ্ণ। অপত্য-স্নেহত বুৰ গৈ থাকিলে বুঢ়া বয়সত কি দুৰ্গতি হয় তাকে বেজবৰুৱাই এই গল্পটোৰ যোগেদি ফুটাই তুলিছে। এই গল্পটো দুঃখপূৰ্ণ। কিন্তু এনে ঘটনা বৰ্ণনা কৰাতো আৰম্ভণিৰে পৰা কৃপাবৰী বেজবৰুৱাই কেইবাৰাৰো দেখা দি পাঠকক হঁহুৱাবলৈ সক্ষম হৈছে—"কাণ্ডটো কি, চাই চকু-কাণৰ খৰিয়ালকে ভাঙ্গো বুলি নাহেকৈ উঠি "বাৰাণ্ডাৰ" আৰকাপোৰখন একতীয়াকৈ থৈ, বিলাতী খুৰেৰে চিকুনোৱা নিকা মুখখন দীঘল নাকটোৰে সৈতে উলিয়াই দিলে।"

আকৌ আশীবছৰীয়া বুঢ়াৰ তপা মূৰৰ বৰ্ণনালৈ মন কৰক। "মূৰত এডালিও চুলি নাই; তানপুৰাৰ খোলাটো 'পালিচ' কৰাদি কোনোবাই যেন মূৰটো চিক্ মিকীয়াকৈ পালিচ কৰিহে থৈছে।" সৰাকীৰ খং দেখি দুৱৰী মহাবীৰ প্ৰসাদৰ মুখখন কেনেকৈ জয়া পৰি গ'ল–তাৰ বৰ্ণনা বেজবৰুৱাৰ মুখত শুনক—"দাৰোৱান-জীৰ ইমানটো গৰুৰ কথাৰ সমিধান মই খংমূৰাকৈ পাতলাই দিয়াত, তাক জুইৰ ভাপত বেটুৰে সৈতে ৰবৰেঙেনা টোটোৰা পৰাদি পাণ্ডুৰিৰে সৈতে তাৰ বৰ মুখখন টোটোৰা পৰি গ'ল।"

'জয়ন্তী' গল্পটো চৰিত্ৰ প্ৰধান। সতী তিৰোতাই স্বামীৰ কাৰণে কি কৰিব নোৱাৰে তাৰে নিদৰ্শন এই জয়ন্তী। অসমীয়া ছোৱালীৰ উপস্থিত বুদ্ধি সুন্দৰৰূপে

ইয়াত ওলাইছে আৰু স্বামী মুক্তিৰ কাৰণে জয়ন্তীয়ে তিনিটাকৈ মান কাটিবলৈ সক্ষম হ'ল। উন্মাদিনী হলেও জয়ন্তীৰ মুখত ইয়াকেহে ওলাইছিল। "মোৰ স্বামীৰ হাতৰ বান্ধ মোকোলালো"—ইয়াৰ দ্বাৰাই লেখকে জয়ন্তীৰ সতীত্ব আৰু পতিভক্তি দেখুৱাবলৈ চেষ্টা কৰিছে।

"ডাক্তৰ বাবুৰ সাধু'টো হাস্য ৰসৰ অৱতাৰণা কৰা এটা গল্প। বৰ্ণনাৰ বিচিত্ৰতা আৰু ভঙ্গিমাতে হাঁহিৰ উদ্ৰেক হয়। কলিকতাৰ পূজাৰ বজাৰৰ বৰ্ণনাত কৈছে, বজাৰত বস্তু কিনিবলৈ গ'লে দোকানী পোহাৰীয়ে মানুহৰ তেজৰ সোৱাদ পোৱাবাঘৰ নিচিনাকৈ কিনোতাক গিলি খ'ব খোজে।" ৰেলত যাত্ৰীৰে খুন্দখাই পৰা ডবাটোৰ বৰ্ণনা একেবাৰে বাস্তৱ "টেটুলৈকে খাজ পোৱা ভাজ খোৱাসকলৰ দৰে, সেইদৰে গাড়ীখন যাত্ৰীৰে খুন্দখাই পৰিল।" যাত্ৰী বেজবৰুৱাৰ অৱস্থাৰ বৰ্ণনা পুতৌ লগা হ'ল-"গাড়ীত উঠিলো হয়, কিন্তু মানুহৰ গাপ লাগি জাক দিয়া থকা মালভোগ কলটো যেন হ'লো।" তিনিজন যাত্ৰীৰ তিনিওটা পৰামৰ্শ কেনেকৈ কাৰ্যাত: নেখাটিল তাৰ কাৰণে চাহাবৰূপী বেজবৰুৱাই কি কৈছে শুনক-"ইমান কষ্টেৰে সজা তিনি মহলীয়া পৰামৰ্শ ঘৰটো ভৰ্ ভৰকৈ ভাগি পৰিল।" এই গল্পটোত অতি—প্ৰাকৃতিক ঘটনাৰ বৈচিত্ৰ্য দেখুৱাই পৰিসমাপ্তি ঘটাইছে। আত্মহত্যা কৰি মৰা চাকৰটো ৰাতি ডাক্তৰ বাবুৰ চোতালত আবিৰ্ভাৱ হোৱা কথাটোৱে তাৰে ইঙ্গিত দিয়ে। এই শ্ৰেণীৰ ইয়াৰ আন এটা গল্প হ'ল—পণ্ডিত মহাশয়। হত্যাকাৰীৰ নিজৰ মনত সদায় এটা ভয় থাকেই। পাপ কাম পাপীৰ আচৰণতে ধৰা পৰে।

'খোৰাখোৰা' গল্পটো বেজবৰুৱাৰ সাৰ্থক সৃষ্টি। ইয়াৰ যোগেদি এক শ্ৰেণীৰ ওফাইডাং মৰা ডাঙৰীয়া শ্ৰেণীৰ ফোপোলা ৰূপটো বেজবৰুৱাই দেখুৱাবলৈ চেষ্টা কৰিছে। ধপাত খোৱাৰ পৰিণতি দেখুৱাবলৈ চেষ্টা কৰাৰ লগে লগে বৰ লোকৰ ভণ্ডামি আপোনা আপুনি প্ৰকাশ পাইছে। "টকাই টকা আনে বুলি বুঢ়ালোকে কয়। বিয়োগ চিনৰ "—" কানসাৰি কাক্কত লৈ ১৮৪২৮০৯ টকাই নিজৰ লগলৈ অতি অলপ দিনৰ ভিতৰতে ২৩১৩।০ টকা ভাৰ বান্ধি আনিলে।"—"দেখোঁতে দেখোঁতেই বাপতি সাহোন মাটি-বাৰী অলঙ্কাৰ পাতি যি আছিল সকলোবোৰ, ফটা পাচিৰ পৰা জুৰ-জুৰ কৰে বালি সৰি পৰাদি সৰি পৰি নাইকিয়া হ'ল।" আমাৰ দেশৰ ডাঙৰীয়াসকল এইদৰেই মহাজনক মূলে-মূলে দিওঁতে সৰ্ব্বস্বান্ত হয়। এইজন ডাঙৰীয়াৰ এটা দিনত মবমৰ ৰূপৰ খোৰাখোৰাটো হাতৰ পৰা গ'ল কিন্তু ধপাত খোৱা অভ্যাস ডাঙৰীয়াৰ নগ'ল। তাকে বেজবৰুৱাই বৰ্ণাইছে -"ৰূপাই গ'ল ভৰাই আছিল; ৰূপ খটোৱা খোৰা খোৰা গ'ল, তাৰ পিচ্ছ দিনাই নাৰিকলৰ উকা খোৰাখোৰা আহিল।"

ব্ৰহ্মপুত্ৰত মবমৰ ৰূপৰ খোৰাখোৰাটো পৰি যাওঁতে নিজ জীৱনক তুচ্ছ জ্ঞান কৰি ডাঙৰীয়াই নাৰ'ৰ পৰাই জাপ মাৰি বহুমূলীয়া জীৱনটো হেৰুৱালে। ডাঙৰীয়াক আৰু দেখা নগল, কিন্তু তেওঁৰ "সাংঘাটিক খোৰাখোৰাটো" জাঁজী এগোপাত লাগি থকা দেখা গ'ল। এই গল্পটোত বেজবৰুৱাই সাধাৰণ নাৰৰীয়াৰ মানৱতাবোধ দেখুৱাইছে পণ্ডিতক দিয়া সমিধানৰ দ্বাৰা —"আপুনি যাওক, একো দিব নেলাগে। আজি আমি এজন মানুহকে হেৰুৱালো ধন লৈ আমি চহকী নহওঁ।" এই কথাষাৰ অন্তস্পৰ্শী। মুঠতে গল্পটো পঢ়ি বিষাদৰ ছাঁই অন্তৰ ছুই যায়। ৰামেশ্বৰৰ জীৱনৰ নাটকীয়ভাৱে অৱসান ঘটাত চুটি-গল্পৰ বৈশিষ্ট্য ৰক্ষা পৰিছে।

'কুকি'ৰ গোটেইবোৰ গল্পৰ ভিতৰত 'ভদৰী' গল্পটো হ'ল একেবাৰে আধুনিক চুটি-গল্পৰ ঠাঁচত গঢ় লোৱা এটা সাৰ্থক চুটি-গল্প। শিওৰাম আৰু ভদৰীৰ সাংসাৰিক খুতি-নাতি ঘটনাৰ যোগেদি হেজাৰ বিজাৰ অসমীয়া তিৰোতাৰ ভদৰীৰ দৰে জীৱন অতিবাহিত কৰাৰ ই এটা প্ৰতিনিধিত্বমূলক গল্প। সাৰ্বলীয়া সমাজৰ কতজনী ভদৰী কতজন শিওৰামৰ হাতত দিনো নিৰ্যাতিত হৈছে—বেজবৰুৱাৰ চিন্তাশীল মনে এনেজনী 'ভদৰী' আবিষ্কাৰ কৰি হেজাৰজনী ভদৰীৰ জীৱনৰ প্ৰতিচ্ছবি আমাৰ আগত প্ৰকট কৰি দেখুৱালে। তথাপি সৰল দাম্পত্য প্ৰেমৰ চিনাকি দিয়াত ভদৰী পিচ পৰা নহয়। গিৰিয়েক শিওৰামৰ দোষ একৰাৰৰ কাৰণে ভদৰীয়ে কি দৰে কৈছে এবাৰ ভাবিবলগা—"মোৰ গিৰিহঁতক এৰি দিয়ক। মাছ বাছিবলৈ যাওঁতে উজুতি খাই পাতি খোৱা মৈদাত পৰি বেটী গোলামীৰ গা কাটিছে।" "সতী তিৰোতা হিচাবে ভদৰী নিজে নিৰ্যাতিত হ'বলৈ মান্তি আছে কিন্তু তেওঁৰ স্বামীগুৰুৰ যেন কোনো শাস্তি নহয়—এয়ে আছিল তাইৰ আন্তৰিক কামনা।



'শিৱপ্ৰসাদ' গল্পটো 'কোল' সমাজক লৈ লেখা এটা গল্প। 'কোল' সমাজৰ সম্বন্ধে বেজবৰুৱাই নিজে বহুত কথা জানিছিল কাৰণে এই সমাজক লৈ লেখা কেবাটাও গল্প ইয়াত পোৱা যায়। কুলি ডিপোত কেনেকৈ ফুচুলাই প্ৰৱঞ্চনা কৰি তিৰোতা বিক্ৰি টকা খাওঁতাই টকা আৰ্জে তাৰে ই উদাহৰণ। শিৱপ্ৰসাদে প্ৰতিশ্ৰুত টকা কুৰিটাও নেপালে মাজতে ভিখাৰীজেহে নিজৰ সুবিধা কৰি ললে। এই গল্পটোৰ শেষত দিয়া নীতি বাক্যষাৰে গল্পটোক সাধুৰ শাৰীলৈ নিলে।

ৰতন মুণ্ডা'ও 'কোল' সমাজক লৈ লেখা এটা গল্প। নিজ অভিজ্ঞতাৰ পৰা বেজবৰুৱা ডাঙৰীয়াই সাৰ পৰবে কোল সমাজত আনন্দৰ কি এটা লহৰ তোলে তাকে প্ৰতিবিম্বিত কৰিছে। তেওঁৰ পৰ্যবেক্ষণশালী মনটোৱে পৰ্যবেক্ষণ কৰি পাইছিল—"কিন্তু এই খুমুহা চাটিটোৱে এই ক্ষন্তেকৰ ভিতৰতে কেইখন প্ৰেমৰ সাৰনাও ভাত্তি গুড়ীয়া কৰিলে, কেইখন গুড়ীয়া নাও লগ লগাই সাৰ বান্ধিলে, কিমান বুৰালে, কিমান কান্দিলে, কত আঁতৰি থকা আৰু ভঙ্গা বুকু জোৰা লগালে, কত জোৰা লগা বুকু ভাঙ্গিলে আৰু আঁতৰালে কোনে ক'ব পাৰে।" কোল সমাজত টকা নহলে ছোৱালী বিয়া কৰা বৰ টান। সতিকে ৰতন আৰু জুমুৰীয়ে পলাই হাবিত আশ্ৰয় ললে। ৰতন গা ধুবলৈ গৈ পানীত বুৰ মাৰি আৰু নোলাল। কিন্তু আজলী কোল ছোৱালী-জনীয়ে 'এভাগ খাই এভাগ ৰতনলৈ' বুলি সাঁচি থয়। মৃগয়া কৰিবলৈ গৈ ডেপুটি কমিচনাৰে জুমুৰীক পাই মাক-বাপেকক চমজাই দিলে। কিন্তু কুসংস্কাৰপূৰ্ণ সৰল কোল সমাজৰ মাক-দেউতাকে তাইক যখিনী বুলি জ্ঞান কৰি বুকুত চপাই নললে। এনেবোৰ কুসংস্কাৰৰ কাৰণেই যে খৃষ্টান মিচনে বহুত অন্য ধৰ্ম্মৰ ছোৱালী খৃষ্ট ধৰ্মলৈ ৰূপান্তৰিত কৰিব পাৰিছিল তাৰে ই এটা উদাহৰণহে। 'ৰতনমুণ্ডাত' 'পৰিশিষ্ট' অনাৱশ্যক। ইয়াক সন্নিবিষ্ট কৰাত গল্পৰ ৰস পৰিগ্ৰহণত বাধাহে জন্মিছে। এখন সমাজৰ আচাৰ-ব্যৱহাৰ গল্পৰ মাজেদিহে পৰিস্ফুট হৈ উঠিব লাগে।

'কন্যাও' কোল-সমাজৰ সৰল প্ৰেমিক-প্ৰেমিকা এহালৰ আন্তৰিকতাপূৰ্ণ প্ৰেমৰ নিদৰ্শন দেখুওৱা এটা গল্প। এই গল্পটোত লেখকে প্ৰকৃতিৰ বৰ্ণনা বৰ সুন্দৰকৈ দিছে। প্ৰেমৰ আন্তৰিকতাত ছোৱালীজনীয়ে নিজ জীৱন শেষ কৰি প্ৰকৃততে এটা বেদনাদায়ক পৰিবেশৰ সৃষ্টি কৰিছে।

"ভেমপুৰীয়া মৌজাদাৰ" বেজবৰুৱাৰ চুটি-গল্প হিচাবে অপূৰ্ব্ব সৃষ্টি। চাহাবক সন্তুষ্ট কৰিবলৈ আমাৰ আমোলা-মহৰীয়ে কি নকৰিছিল! তাৰে ই এটা নিদৰ্শন। ডাঙৰীয়া মৌজাদাৰে চাহেবৰ বুত জোতাও হাঁহি হাঁহি খোলে-চাহেবৰ চাপ্ৰাচিকো চালাম দিয়ে। অথচ, সাধাৰণ শ্ৰেণী মানুহৰ ওপৰত ভেমপুৰীয়া মৌজাদাৰৰ অত্যাচাৰ চাব কি! চাহাবৰ নামত "ৰচত" গোটাই ১ গুণ চাহাবক দি ন গুণ ঘৰত থায়। কোমল চাউল আৰু দৈৰ ঘাট হিচাবমতে কাওতে নেপালে ডাঙৰীয়াৰ প্ৰতিশোধৰ বহ্নি জ্বলি উঠে। ভণ্ডামিৰ অন্ত নাই—অথচ "তিনি সন্ধ্যা পূজা-আহ্নিক নিয়মমতে কৰে।" আনফালে চাকৰ-নাকৰক দৰমহা দিয়া ভেমপুৰীয়া মৌজাদাৰৰ নিয়ম নাই। ভেমপুৰীয়া মৌজাদাৰৰ দুটা ৰূপ—ওপৰৰ সাত্ত্বিক মানুহজনৰ ভিতৰত ভণ্ডৰূপী মৌজাদাৰে কি কৰে তাৰ ইঙ্গিত গল্পৰ শেষত বেজবৰুৱাই আমাক দি গৈছে। বান্দী-বেটীৰ লগত নৈষ্ঠিক বৰুৱাই হাত-বাট কৰাত ৰাতি দুপৰত বৰুৱানী নৈত পৰিবলৈ ওলোৱা কথাটোৰ ইঙ্গিতেই ভেমপুৰীয়াৰ চৰিত্ৰৰ সম্পূৰ্ণ আভাস দিয়ে। এই গল্পটোৰ সামৰণি অতি চমৎকাৰ।

"নকণ্ড" গল্পটোত প্ৰাকৃতিক সৌন্দৰ্য্য লেখকে বৰ জীৱন্তভাৱে ফুটাই তোলাত কৃতকাৰ্য্য হৈছে। ভৰ দুপৰীয়া গুণগুননি শুনি তিনিবাৰকৈ গছৰ ডালত ঝাপ মাৰিবলৈ লৈ বৈ যোৱাত পাঠকৰ উদ্বিগ্নতা বাঢ়ি যায়। ডেকা-ডেকেৰীৰ প্ৰকৃত নাম নকৈ 'য' আৰু 'জ' বুলি কৈ থোৱাত পাঠকৰ কৌতুহল কোনো ৰকমে নুগুচিল। প্ৰেমত পৰি লগুৱা-লিগিৰী পলাই বিনৰ পাৰত আছিল। হাকিমে বস্তু চুৰ কৰা মিছা অভিযোগ পুলিচত দিয়া দেখুৱাই বৰ মানুহে কেনেকৈ মিছাৰ আশ্ৰয় লয় আৰু সাধাৰণ ইতৰ শ্ৰেণীৰ লোকৰ প্ৰেম আদিত মূল্য নিদিয়ে তাৰে ইঙ্গিত বেজবৰুৱাই ইয়াত চিত্ৰিত কৰিছে। 'সেউতী' গল্পটোত চকুচৰহ: স্বাৰ্থপৰ মানুহৰ চৰিত্ৰকে বেজবৰুৱাই দেখুৱাবলৈ চেষ্টা কৰিছে। বিয়াৰ এমাহ মানৰ পিচতে কোনোবা চকু চৰহাই প্ৰচাৰ কৰিলে যে ছোৱালী হেনো দৰাৰ সম্বন্ধ লগা। ইয়াতে ছোৱালী এৰা পৰিল। দৰাই নতুন এগৰাকী ছোৱালী

আনিলে সেউতী থাকিবলৈ নলে মাকৰ মনত। বাপেকে মোকৰ্দ্দমা তৰিলে—জীয়েকৰ খোৰাকী বিচাৰি। টকা-পইচা দিয়াৰ ভয়ত দৰা পক্ষই ছোৱালী এৰা নাই বুলি ক'লে। ছোৱালীৰ ঠাই হ'ল আকৌ স্বামী গৃহত। গৃহত মানে ঢেকীশালত। পিচে তাতে স্বামীয়ে লুকাই চুৰকৈ সেউতীক লগ পাই। যি হ'বৰ হলেই। চাৰিও-ফালে নজনুজনাই যোৱাৰ ভয়ত "গোৰে পোৰে তল যোৱাৰ" ভয়ত বাই শাহুৰেকে সেউতীক বিহ দি মাৰিলে। পিচত হেনো জনা গ'ল যে ছোৱালী সম্বন্ধ লগা নাছিল। এইখনেই আমাৰ চকুচৰহা স্বাৰ্থপৰ সমাজ।

'জলকুঁৱৰী' গল্পটো স্বাধীন চিতীয়া মুকলি মূৰীয়া যৌৱনসুলভ নাৰী জীৱন বিয়াৰ দেৰ পাকত কেনেকৈ চৰাইৰ দৰে সজাত সোমাই বন্দী হয় তাৰে আভাস ইয়াত দিছে। বিয়াৰ পিচত আগৰ মুকলি-মূৰীয়া জীৱনৰ অন্ত পৰি একোজনী নতুন ছোৱালীৰ জন্ম হয়। নাৰী জীৱনৰ বিয়াৰ আগৰ আৰু পিচৰ এই দুটা ৰূপ বেজবৰুৱাই ইয়াত ফুটাই তুলিছে। শেষৰ শাৰীটো অতিকৈ ইঙ্গিতসূচক—"মই মইনা চৰাই; মোক সজাত সুমাই থোৱা গৈ—লৈ বলা।"

"আমাৰ সংসাৰ" (সাঃ কথাৰ কুকিৰ) এটা হাস্য-ৰস সৃষ্টি কৰা গল্প। ইয়াত অৱশ্যে ভালেখিনি অবান্তৰ কথা পালেও আধাডুখৰীয়াকৈ ইংৰাজী শিকি য'তে-ততে ইংৰাজী ব্যৱহাৰ কৰি নিজৰ জ্ঞান-গৰিমাৰ পৰিচয় দিয়া ডেকাৰ কথাকে লেখকে ক'ব খুজিছে। ইংৰাজীত কৈছে যেন প্ৰেমৰ আখৰা পাতি অন্তৰ জুৰায়।

"মিলাৰামৰ আত্মজীৱনী" খনত কেলেহুৱা জীৱনৰ মাজেদি হাস্যৰসৰ সৃষ্টি কৰিবলৈ লৈছে। কথা একোৱেই নাই। বিসঙ্গতিৰ মাজেদি হাঁহিৰ সৃষ্টি কৰিবলৈ গৈছে। এটাইবিলাকৰ জীৱনৰ ঘটনাবোৰ লেখিবলৈ গলে এখন মহাভাৰত হয় আৰুময়ো দ্বিতীয় ব্যাস হওঁ।" এনেবোৰ কথা শুদ্ধ হাঁহিৰ বাবেই লিপিবদ্ধ কৰিছে। আমাৰ মানুহে মিছা মোকৰ্দ্দমা সাজি কেনেকৈ আখেজ পূৰাই তাৰো নমুনা ইয়াতে তেওঁ দৰ্শাইছে।

মিলাৰামৰ আত্মজীৱনীমূলক আন এটা গল্প হ'ল—চেনিচম্পা। বাপেক মৰি চিলিম হোৱা মদায়েক মৰি খোঁৱাখোৱা হোৱা আৰু মিলাই মৰি টিঁকিৰা হোৱাৰ সি উদ্ভট ধাৰণা সি কেৱল হাস্যৰস সৃষ্টিৰ কাৰণেই। 'চেনিচম্পাৰ' যোগেদি দন্দুৰী অলঙ্কাৰ-লুভীয়া তিৰোতাৰ সংসাৰ কৰিলে সংসাৰতে যে নৰকৰ সৃষ্টি হয় তাৰে ই উদাহৰণ।

'কেকো কৰা' আৰু 'আজি' দুয়োখন, চেনিচম্পাকে লৈ তিনিওখন, মিলাৰামৰ আত্ম-জীৱনী সম্পৰ্কীয় গল্প। হাস্য ৰসেৰে ব্যঙ্গ কৰা ভালেখিনি চিত্ৰ সুন্দৰকৈ এইটো গল্পত বেজবৰুৱাই ফুটাই তুলিছে। কানীয়া অসমীয়াৰ অহলৰ গুৰিৰ ৰৱ কথা—ই নতুন কথা নহয়। গোটেই—মুখেন মাৰিতং জগত। অসমীয়া সমাজটোক কানীয়ে কেনেকৈ খুলি খুলি খাইছে—তাৰে নিদৰ্শন ইয়াত বেজবৰুৱাই আমাক দেখুৱাইছে। ইয়াৰ কিছুমান চিত্ৰ একেবাৰে হাঁহিৰৰ কাৰণে তেওঁ সৃষ্টি কৰিছে। কিন্তু তাৰ মাজেদিয়েই বেজবৰুৱাই নিজৰ বক্তব্য কৈ লৈছে। হাস্যৰসৰ ইয়াত চূড়ান্ত নমুনা পোৱা যায়। "দ্বীপো সাতোটা। জম্বুদ্বীপ, শাকদ্বীপ, নৱদ্বীপ, উপদ্বীপ, মানদ্বীপ, লঙ্কা দ্বীপ আৰু প্ৰদীপ"—ই কেৱল শুধ হাঁহিৰ কাৰণেই। "এই পৃথিৱীত লৰা-তিৰোতাৰ বিচ্ছেদ, আই-বোপাইৰ হানি সলায়ে সহিব পাৰি, কিন্তু কানিৰ বিচ্ছেদ এদিনলৈ সহিব নোৱাৰি।" ই হ'ল এফালে হাঁহি আৰু আনফালে কানীয়াৰ অন্তৰৰ কথা। কানিয়ে কি সৰ্ব্বনাশ আমাৰ জাতিটোক কৰিছে তাৰ বাবে বেজবৰুৱা সজাগ আছিল।

'ঘৰ-পতা কৰা' আৰু "মূলাখোৱা বুঢ়া" এই দুটা সাধুকথা। বাঘৰ দৰে হিংস্ৰ জন্তুৱে মিতিৰালি পতা, ইন্দ্ৰই ৰূপ সলাই বুঢ়াৰ বাৰীত মূলাখোৱা' কথা বুঢ়ীয়ে বৰ খুজি—"বুঢ়াক মোৰ মূৰটো লাগে, তাকে দিয়া" বুলি কৈ দিয়াৰ লগে লগে ইন্দ্ৰই বজুৰে কাটি বুঢ়ীৰ মূৰটো বুঢ়াৰ আগত দিয়া চিত্ৰ সাধু কথাতহে সম্ভৱপৰ হয়। এই দুটা গল্প বাদ দি 'কুকিৰ' গল্প কেইটাক সাধুৰ শাৰীত পেলাব নোৱাৰি।


ইয়াৰ গল্পবোৰ বিচাৰ কৰাৰ লগে লগে এই কথাটো সদায় মনত ৰাখিব লাগিব যে এই গল্পবোৰ হ'ল অসমীয়া গল্প-সাহিত্যৰ আৰম্ভণি। চুটি গল্পত একোটাকৈ অধ্যায় অধ্যায় কৰি এতিয়া কোনেও নিলিখে—এতিয়াৰ দিনত দুই-তিনিটা "ডট" বা বিন্দু দিয়েই একোটা অধ্যায়ৰ ইঙ্গিত সূচায়। আমি পুৰণি নিদৰ্শন ইয়াতেহে দেখিছোঁ। ভাষাৰ সৌষ্ঠৱতা ৰক্ষা কৰি বেজবৰুৱাই জোনাকী যুগৰ আৰম্ভণিতে বিশেষকৈ চৰিত্ৰৰ চিত্ৰকাৰ যোগেদি যিকেইটা গল্প ৰচনা কৰি



গ'ল সি এতিয়াও অদ্বিতীয় হৈ আছে। সমসাময়িক ভাষাৰ ঠাঁচ আৰু সমাজৰ প্ৰতিৰূপৰ ছাপ তেওঁৰ গল্প সমূহত ফুটি ওলোৱাত জাতিগত বৈশিষ্ট্য গল্পসমূহে ৰক্ষা কৰিছে।

"আমাৰ কানীয়া সভাৰ এক অধিবেশনত" অসমীয়া তিৰোতাৰ মুখখনৰ বিজনি মন কৰিবলগীয়া আৰু "ভদৰী"ত শিশুৰামৰ নিচিনা পুৰুষৰ অত্যাচাৰো "দৈৰী। ওপৰত ৰজা" শ্ৰেণী পুৰুষৰ স্বভাৱটো দেখুওৱাৰ উত্তম নিদৰ্শন। "অসমীয়া মৈণীবিলাকৰ জিভা শালোৱা খুৰ" বুলি কৈ বেজবৰুৱাই অসমীয়া তিৰোতাৰ দন্দুৰী স্বভাৱটো দেখুৱাইছে। তেওঁৰ পৰ্য্যবেক্ষণশীল মনে এইবোৰ পৰ্য্যবেক্ষণ কৰি পাইছিল। সমাজৰ প্ৰতিচ্ছবিখন বেজবৰুৱাৰ গল্পত প্ৰতিফলিত হৈছিল।

এইদৰে আলোচনা কৰি চালে দেখা যায় যে অস-মীয়া গল্প সাহিত্যৰ সকলো ধৰণৰ টেক্‌নিক আৰম্ভণিতে বেজবৰুৱাই দি গৈছে, সতিকে অসমীয়া গল্প-সাহিত্যৰ পথ-প্ৰদৰ্শক বুলি বেজবৰুৱাক অভিহিত কৰা সাৰ্থক হৈছে।



# বুঢ়ী আইৰ সাধু

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

বেজবৰুৱা এজন শিশু সাহিত্যিকো । 'জুনুকা,' 'বুঢ়ী আইৰ সাধু' আৰু 'ককাদেউতা আৰু নাতিলৰা'ই শিশু সাহিত্যিক বেজবৰুৱাৰ পৰিচয় দাঙি ধৰিছে । অসমীয়া মানুহৰ মুখ-পৰম্পৰাত চলি অহা সাধুকথাবোৰ জুকিয়াই উল্লেখিত গ্ৰন্থ কেইখনত সন্নিবিষ্ট কৰি শিশুৰ মানসিক খোৰাক যোগোৱাৰ উপৰি অসমীয়া সাহিত্যৰ খালি ঠাই এডোখৰ তেখেতে পূৰ কৰি থৈ গৈছে । শিশুসাহিত্যৰ এই গ্ৰন্থকেইখনৰ ভিতৰত 'বুঢ়ী আইৰ সাধু' তেখেতৰ দ্বিতীয় গ্ৰন্থ ।

আলোচ্য গ্ৰন্থখনিৰ পাতনিতে বেজবৰুৱাই কৈছে, "কোনো এটা জাতিৰ ভিতৰুৱা শিক্ষিত-অশিক্ষিত, সভ্য-অসভ্য, জ্ঞানী-অজ্ঞানী সকলো মানুহৰে চৰণৰ চাপ যেনেকৈ সেই জাতিৰ নিজা ভাষাত মচ নোখোৱাকৈ থাকি যায়, জাতীয় পুৰণিকলীয়া সাধুকথা বিলাকতো সেইদৰে সেই জাতিৰ ভিতৰুৱা সকলো শ্ৰেণীৰ মানুহৰ পুৰণি আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-কল্পনা আদিৰ সাঁচ মচ নোখোৱাকৈ থাকি যায় । সেইদেখি মানুহৰ জাতীয় জীৱনৰ অলিখিত পুৰণি বুৰঞ্জী জানিবৰ নিমিত্তে ফাইল'লজি ( Philology ) অৰ্থাৎ ভাষাতত্ত্ব আৰু মাইথ'লজি ( Mythology ) অৰ্থাৎ পুৰাণতত্ত্ব যেনেকুৱা লাগতিয়াল, ফকল'ৰ ( Folklore ) অৰ্থাৎ সাধুকথাতত্ত্বও তেনেকুৱা লাগতিয়াল ।" বেজবৰুৱাৰ নিজৰ এই কথাখিনিৰপৰা এটা কথা স্পষ্টভাৱে প্ৰতীয়মান হয় যে 'বুঢ়ী আইৰ সাধু' গ্ৰন্থখনত সন্নিবিষ্ট সাধুবোৰ কেৱল শিশুৰ মনৰ খোৰাক যোগাবলৈকে সজোৱা হোৱা নাছিল, এইবোৰ সজোৱা হৈছিল অসমীয়াৰ 'জাতীয় জীৱনৰ অলিখিত পুৰণি বুৰঞ্জী'ৰ অভাৱ পূৰণ কৰিবলৈও । অসমীয়া জাতিৰ পুৰণি ৰীতি-নীতি আচাৰ-ব্যৱহাৰ, চিন্তা-কল্পনা, সইবা একে আষাৰতে কবলৈ গলে সভ্যতা সংস্কৃতিৰ সাঁচটো মচ নোখোৱাকৈ এই সাধুবোৰৰ মাজত সোমাই আছে । 'বুঢ়ী আইৰ সাধু'ৰ পূৰ্ব্বে ৰচিত আৰু প্ৰকাশিত 'জুনুকা' গ্ৰন্থৰ উদ্দেশ্য কেৱল শিশুৰ মন যোগোৱা । শ্ৰদ্ধেয় শ্ৰীযুত বেণুধৰ শৰ্ম্মা ডাঙৰীয়াই লিখা মতে ডাঙৰ ডাঙৰ আখৰেৰে বেঙেনা বুলীয়া চিত্ৰাহীৰে জুনুকাৰ সাধুকথা-কেইটা ছপোৱা কথায়ো তাকে প্ৰমাণ কৰে । কিন্তু জুনুকাৰ পৰবৰ্ত্তী এই গ্ৰন্থখন সংগ্ৰহ কৰাৰ সময়ত জাতীয় জীৱনৰ প্ৰতি থকা বেজবৰুৱাৰ চেতনাই যথেষ্ট ক্ৰিয়া কৰিছিল । গ্ৰন্থখনৰ লগত সংযোজিত তেখেতৰ সুচিন্তিত পাতনিখনে তাৰেই সাক্ষ্য বহন কৰিছে । ৰচনা ৰীতিৰ ফালৰ পৰা লক্ষ্য কৰিলেও দেখা যায় যে জুনুকাৰ সাধুকথাকেইটাৰ অন্তত শিশুৰ উপযোগী একোএকোফাঁকি উপদেশ বচন সংযোগ কৰি দিয়া হৈছে । সাধুকথা একোটাৰ নীতি শিক্ষাটো শিশুৱে সহজে মনত ৰাখিব পৰাকৈ পদ্যৰ গঢ়ত ( যেনে,— দুৰ্জ্জনৰ বুদ্ধি যি নিৰিচাৰি লয় । কচু খোৱা বুঢ়াৰ দৰে তাৰ গতি হয় ।।" 'বুঢ়া আৰু শিয়াল) প্ৰায় প্ৰতিটো সাধুকথাৰ অন্তত যুৰি দিয়া হৈছে । এই ক্ষেত্ৰত বেজ-বৰুৱাক 'পঞ্চতন্ত্ৰ'ৰ সাধুকথাবোৰে প্ৰেৰণা যোগাইছিল বুলি নিশ্চয় ভাবিব পাৰি । কিন্তু 'বুঢ়ী আইৰ সাধু'ৰ বেলিকা ই এটা নিয়ম হৈ নাথাকিল । এই গ্ৰন্থ যুগুতোৱাৰ সময়ত শিশুৰ মনতকৈ জাতিৰ মনটোৰ প্ৰতিহে বেজবৰুৱা অধিক সচেতন হৈ পৰিছিল বুলি ভবাৰ অৱকাশ আছে । বঙলা শিশু সাহিত্যৰ 'টুনটুনিৰ বই' আৰু 'ঠাকুৰমাৰ ঝুলি,—এই গ্ৰন্থ দুখনো 'বুঢ়ী আইৰ সাধু' সৃষ্টিৰ অনুপ্ৰেৰণা হব পাৰে । কাৰণ, বেজবৰুৱাই পাতনিতে উক্ত বঙলা গ্ৰন্থ দুখনৰ কথা উল্লেখ কৰিছে ।



যিনহওক, নিঃসন্দেহে বুঢ়ী আইৰ সাধু অসমীয়া সাহিত্যৰ এটি আপুৰুগীয়া সম্পদ । কোনো এটা ভাষাৰ সাধুকথা কিছুমান কোনো এজন বিশেষ লিখকৰ নামত দেখা পালেও সাধুকথা কোনো বিশেষ লিখকৰ নামত কথিত বা প্ৰচলিত নহয় । লোকগীতৰ দৰেই সাধুকথাও এবিধ নৈৰ্ব্যক্তিক সৃষ্টি । বুঢ়ীআইৰ সাধুও বেজবৰুৱাৰ নামত পোৱা এবিধ নৈৰ্ব্যক্তিক সৃষ্টি বুলিয়েই ক'ব লাগিব । "বুঢ়ী আইৰ সাধু'— এই নামটোৱেও গ্ৰন্থকাৰজনক এজন কথকৰূপেহে পাঠকৰ সন্মুখত দাঙি ধৰিছে । গ্ৰন্থখনত সংযোজিত সাধুবোৰ নানাজনৰ পৰা পোৱা বুলি বেজবৰুৱাই উল্লেখ কৰিছে । সেয়ে হলেও, তেখেতে এইবুলিও কৈছে যে আটাইবোৰ পঢ়ি মিলাই বাছি যোগ-বিয়োগ কৰি নিজৰ ভাষাত সাধুবোৰ সম্পূৰ্ণ নতুনকৈ লিখিছে । "স্বৰূপাৰ্থত তেওঁলোকে যি ভাষাত সাধুবোৰ লেখি পঠিয়াইছিল, সেই ভাষা এই সাধুবোৰত নাই বুলিলেই হয়, দৈবাৎহে কোনো-টোত এশাৰী আদশাৰী আছে ।" গ্ৰন্থাকাৰৰ এই কথা সঁচা বুলি মানি লৈ কব লাগিব, বুঢ়ী আইৰ সাধুৱে নিঃসন্দেহে বেজবৰুৱা প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিব পৰিছে সাধুবোৰৰ প্ৰকাশ-ভঙ্গী, ভাষাৰ প্ৰাঞ্জলতা আৰু শিশুৰ মনত স্বাভাৱিক স্বাভাৱিক লগা চিত্ৰ অঙ্কণৰ মাজেৰে ।

বেজবৰুৱাই কোৱা বুঢ়ী আইৰ সাধুৰ প্ৰত্যেকটোৰে প্ৰকাশভঙ্গী মনোৰম । প্ৰতিটো সাধুৱে আৰম্ভণিয়ে শিশুমন সহজে আকৰ্ষণ কৰিব পৰা আৰু সাধু একোটাৰ আদিৰ পৰা অন্তলৈকে শিশুমনক বান্ধি ৰাখিব পৰা গুণটো মনকৰিবলগীয়া । 'এঘৰ মানুহৰ এজনী ৰৰ চেনেহৰ মেকুৰী আছিল' (মেকুৰীৰ জীয়েকৰ সাধু ), 'এটা শিয়াল আৰু এটা বান্দৰ আছিল' (বান্দৰ আৰু শিয়াল), 'এক ৰজাৰ দুজনী ৰাণী আছিল' (ঔ-কুঁৱৰী), 'এদিন এটা মানুহে তাৰ জোঁৱায়েকক বিহু খাবলৈ মাতিছিল' (জোঁৱাইৰ সাধু), 'এখন গাৱঁত এটা মানুহৰ দুজনী ৰূপহী জীয়েক আছিল' (কুকুৰীকণা)—প্ৰতিটো সাধুৰ আৰম্ভণিত এনেধৰণৰ বাক্য দি শিশুমনক কথকে অতীতমুখী কৰি লোৱাৰ উদ্দেশ্যত নিশ্চয় মনোবৈজ্ঞানিক সত্য নিহিত আছে । যিখন অলৌকিক স্বপ্নৰাজ্য সাধুৰ মাজত সৃষ্টি কৰা হয়, সেই ৰাজ্যখনৰ সন্ধান কৰি শিশু যাতে ভবিষ্যতে বা বৰ্ত্তমানত হতাশ হবলগীয়া নহয়, তাৰ বাবেও সাধুকথাৰ কথক সাৱধান হোৱা উচিত । শিশুৰ আগত প্ৰকাশ কৰা কথাবোৰ যেন কেৱল অতীত কালতহে উদ্ভৱ হৈছিল, বৰ্ত্তমান বা ভবিষ্যত কালত নহয় আৰু হব নোৱাৰে, এনে এটা ধাৰণা যাতে ক্ৰমবৰ্দ্ধমান শিশুৰ মনত উদয় হয়, তাৰ প্ৰতি কথকজন সদায় সচেষ্ট হোৱা প্ৰয়োজন । অন্যথা, শিশুমন বিপথে চালিত হব পাৰে, অলৌকিক স্বপ্নৰাজ্যক বৰ্ত্তমান বা ভবিষ্যত বাস্তৱ জীৱনত বিচাৰি নাপাই শিশু হতাশ হোৱাৰ মনোবৈজ্ঞানিক সম্ভাৱনা নিশ্চয় নোহোৱা নহয় । সেইবাবেই যেন বেজবৰুৱাই প্ৰতিটো সাধুৰ আৰম্ভণি বাক্যৰ ক্ৰিয়াটো অতীত কালৰ ৰূপত দেখুৱাবলৈ যত্ন কৰিছে । বেজবৰুৱাৰ এই কাৰ্য্যৰ বিপৰীতে বঙলা শিশুগ্ৰন্থ 'টুনটুনিৰ বই'ৰ (উপেন্দ্ৰকিশোৰ ৰায়-চৌধুৰী প্ৰণীত) 'গৃহস্থের ঘরের পিছনে বেগুণ গাছ আছে' (টুনটুনি আর বিড়ালের কথা), 'এক রাজার বাবীর কাছে এক শিয়াল থাকত' (বোকা বাঘ), "শিয়াল পণ্ডিত আখ খেতে বড় ভালবাসে, তাই সে রোজ আখ-খেতে যায়' (আখের ফল), 'রাজার যে হাতিটা তার আর সকল হাতির চেয়ে ভালো আর বড়, আর দেখতে সুন্দর, সেইটে তার পাটহস্তি' (হাতির ভিতরে শিয়াল) —এই আৰম্ভণি বাক্যকেইটা মনকৰিবলগীয়া । কোৱা বাহুল্য যে বেজবৰুৱাৰ বাক্য কেইটাৰ দৰে এই বাক্য কেইটাই বঙালী শিশুৰ মন নিচেই কম আয়াসতে আকৰ্ষণ কৰে বুলি ভাবিব নোৱাৰি । আকৌ বিখ্যাত বঙলা-শিশু গ্ৰন্থ 'ঠাকুৰমাৰ ঝুলি'ৰ (পশুপতি চট্টোপাধ্যায় আৰু অতনু দত্ত লিখিত) 'কোন এক ব্রাহ্মণের চারটি পুত্র সন্তান' (পণ্ডিত মূর্খ), 'গ্রামের বুকে ছোট্ট কুঁড়েঘর। সেই কুঁড়েঘরে বাপ-মায়ের সঙ্গে থাকে একটি ছেলে, নাম তার চঞ্চল' (সাগর রাজকন্যা), বাপ-পিতামহের কিছু যে ছিল না সে কথা নয়, কিন্তু সেই ভাঙিয়ে সংসার আর কতদিন চলতে পারে' (অতি বুদ্ধির গলায় দড়ি), 'রাজা বটুকচন্দ্রের নিত্য নূতন খেয়াল'(স্মরণ শক্তি)-আদি বাক্য কেইটাও এই ক্ষেত্ৰত প্ৰণিধানযোগ্য । বাক্য কেইটা যে শিশুৰ উপযোগী হোৱা নাই, তাত সন্দেহ নাই ।

কোনো শিশুৱেই নিশ্চয় এনে ভঙ্গীত কথা আনন্ত নকৰে বা কথা নকয় । বঙলা গ্ৰন্থ দুখনৰ দোষ ত্ৰুটী বিচাৰ কৰা আমাৰ উদ্দেশ্য নহয়; বেজবৰুৱাৰ কথন-ভঙ্গীৰ সৌন্দৰ্য্য নিৰূপণ কৰিবলৈ গৈহে আমি এই বাক্য কেইটি উদ্ধৃত কৰিছোঁ । বঙলা গ্ৰন্থ দুখনৰো কোনো কোনোটো সাধুত বেজবৰুৱাৰ দৰেই আৰম্ভণি বাক্য অতীত কালৰ ৰূপত সজাইছে । সেয়ে হলেও শিশুমনৰ সৰলতাৰ প্ৰতি বুঢ়ী আইৰ সাধুৰ দৰে উক্ত গ্ৰন্থ দুখন সচেতন নহয় । একোটা জাতিৰ ৰীতি-নীতি, আচাৰ-বিচাৰৰ অতীত-পঞ্জী বুলি ভাবিলেও সাধুবোৰ যে শিশুমনক উদ্দেশ্য কৰিহে কোৱা হয়, এই কথা পাহৰিলে নহব । জাতীয় চিন্তা কল্পনাৰ বিচাৰটো এই ক্ষেত্ৰত গৌণ, মুখ্য হ'ল শিশু-মনৰ দিগন্তহে ।

এইখিনি কথা অৱতাৰনা কৰাৰ আমাৰ আন এটা উদ্দেশ্য হ'ল এই যে বুঢ়ী আইৰ সাধু বোৰৰ লগত বঙলা ভাষাত প্ৰচলিত বহুতো সাধুৰ বিষয় বস্তুৰ সাদৃশ্য আছে । ভাষা আৰু কথন ভঙ্গীয়েহে সাধুবোৰক একোটা ভৌগোলিক সীমাৰ মাজত আৱদ্ধ কৰি ৰাখিছে । উদাহৰণ স্বৰূপে 'টুনটুনিৰ বই'ত সন্নিবিষ্ট 'কুঁজো বুড়িৰ কথা'ই 'বুঢ়ীআইৰ সাধু'ৰ 'বুঢ়া-বুঢ়ী আৰু শিয়াল'ৰ কথা । অসমীয়া সাধুটোত শিয়ালৰ পৰামৰ্শমতে বুঢ়াই সিজাই ৰোৱা কচুবোৰ শিয়ালে খাই পেলোৱাত বুঢ়া বুঢ়ীয়ে বুদ্ধি কৰি শিয়ালবোৰক মৰিয়াই মাৰিলে, মাত্ৰ সিহঁতৰ ভিতৰৰ চাৰিটা শিয়াল কেনেবাকৈ পলাই সাৰিল । কিছুমান দিনৰ মূৰত বুঢ়ী জীয়েকৰ ঘৰলৈ যাওঁতে শিয়ালবোৰে বুঢ়ীক বেঢ়ি ধৰি খাব খুজিলে......... । সাধুটোৰ শেষলৈকে কেৱল শিয়ালৰ লগতেইহে বুঢ়ীৰ সংঘৰ্ষ চলি আছে । কিন্তু বঙলা সাধুটোত কুঁজী বুঢ়ী নাতিনীয়েকৰ ঘৰলৈ যাওঁতে বাটতে প্ৰথমে এটা শিয়ালে, দ্বিতীয়তে এটা বাঘে আৰু তৃতীয়তে এটা ভালুকে খাব খুজিছে । অসমীয়া সাধুটোত শিয়ালে বুঢ়ীক খাব খোজাৰ যথোচিত কাৰণ দেখুৱা হৈছে । বঙলা সাধুটোত তাৰ অভাৱ । এই ক্ষেত্ৰত শিশু মনত প্ৰশ্ন বা সন্দেহ জাগি উঠাৰ সম্ভাৱনা নোহোৱা নহয় । বঙলা সাধু 'চড়াই আৰ কাকেৰ কথা' ই অসমীয়া 'ঢোৰা কাউৰী আৰু টিপচী চৰাই' । কাহিনীৰ গতি দুইটা সাধুকথাৰে একে হলেও শিশুৰ উপযোগী বৰ্ণনাভঙ্গী বেজবৰুৱাৰ হাতততহে প্ৰকাশ পাইছে । ......"কাউৰীয়ে কমাৰক মাত লগালে 'কমাৰ কাই, কমাৰ কাই, ঘৰত আছে নে ?' কমাৰে উত্তৰ দিলে—'আছো কাউৰী ভাই, কি সকামত বা আহিলা ?' কাউৰীয়ে উত্তৰ দিলে,—

দে খন্তি, কাটো ঘাঁহ, খুৱাওঁ গৰুক,
ওলাওক গাখীৰ, খুৱাওঁ কুকুৰক, বান্ধক বল,
মাৰক ম'হ,
নিওঁ শিং খান্দো মাটি ।
দিওঁ কুমাৰক, গঢ়ক ঘটি ॥
তোলো পানী, পখালো ঠোট ।
ভোজন কৰো টিপচী গোট ॥"

ইয়াৰ লগত বঙলা সাধুটোৰ প্ৰাসঙ্গিক কথাখিনি মিলাই চাব পাৰি । "তখন কাক কামাৰেৰ বাড়ি গিয়ে বললে,

'কামাৰ, কামাৰ । দে তো কাস্তে,
কাটব ঘাস, খাবে গাই,
দেবে দুধ, খাবে কুত্তা,
হবে তাজা, মাৰবে মোষ, লব শিং,
খুঁড়ব মাটি, গড়বে ঘটি,
তুলব জল, ধোব ঠোঁট,
তবে খাব চৰাইৰ বুক ।"

কোৱা বাহুল্য যে অসমীয়া সাধুটোত ঢোৰাকাউৰী আৰু কমাৰৰ মাজৰ কথোপকথনখিনিয়ে শিশু মনক সহজে পতিয়ন নিয়াব পাৰে ।

সাধুবোৰৰ কোনো কোনোটোৰ চৰিত্ৰ একোটাৰ মুখত ওলোৱা বিশেষ শব্দ একোটাই কেতিয়াবা একোটা সাধুক আগবঢ়াই লৈ গৈছে । 'দীঘলঠেঙীয়া'ৰ 'দীঘল-ঠেঙীয়া', 'সৰবজান'ৰ 'হাদৈ,' আৰু 'ফদিং', 'লটকণ'ৰ 'মাখি' আদি শব্দৰ কথা এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি । এনেধৰণৰ শব্দই শিশুক হাঁহিৰ খোৰাক যোগোৱাতো সহায় কৰিছে । বঙলা সাধুতো (টুনটুনিৰ বই) 'টাগ' (বাঘেৰ উপৰ টাগ,) 'ই ড়ি-মিড়ি-কিঁড়ি-বাঁধন' (বুদ্ধুৰ বাপ) আদি অচিনাকি শব্দ একোটাই সাধু একোটাক আনিৰ্দ্দিষ্ট পৰিনতিৰ ফালে আগবঢ়াই নিছে ।



বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ আন এটি বিশেষত্ব হ'ল তেখেতৰ ভাষাৰ প্ৰাঞ্জলতা । "এঘৰ মানুহৰ এজনী ৰৰ চেনেহৰ মেকুৰী আছিল । তাই গাভিনী হৈছিল । ঘৰৰ গিৰিহঁতনী ঠিক সেই সময়.ত গা-ভাৰী আছিল । মেকুৰীজনীৰ বৰকৈ মাছ খাবৰ মন যোৱাত তাই 'মোৰ মাছ খাবৰ মন গৈছে' বুলি গিৰিহঁতনীক ক'লে । গিৰিহঁতনীয়ে উত্তৰ দিলে, 'আই হে' তই চপাই কোচাই আনি দিলেহে মই খাবলৈ দিব পাৰোঁ, নহলেনো মই ক'ৰপৰা দিম ?" (মেকুৰীৰ জীয়েকৰ সাধু) । যথেচ্ছা উদ্ধৃত এই কথাখিনিত দেখা যায় যে ইয়াত শিশু অনুপযোগী এটাও তৎসম শব্দ ব্যৱহৃত হোৱা নাই । পৰোক্ষ উক্তিত শিশুৱে কথা কব নাজানে । সেই বাবেই মেকুৰীজনী আৰু গিৰিহঁতনীৰ কথোপকথন খিনি প্ৰত্যক্ষ উক্তিতে প্ৰকাশ কৰা হৈছে । ইয়াৰ লগত বঙলা 'ঠাকুৰ মাৰ ঝুলি'ৰ যথেচ্ছা উদ্ধৃত কেইটামান বাক্য তুলনা কৰি চাব পাৰি । "এমন সময় ভগবানেৰ আৰ এক পৰীক্ষা এসে পড়ল অভিশপ্ত দত্ত পৰিবাৰেৰ উপৰ । বড়বৌ অসুখে পড়ল-দেৱৰ বিমল বড় বড় ডাক্তাৰ কবিৰাজ এনে বৌদিৰ চিকিৎসা কৰাল-কিন্তু কেউ আৰ বড়বৌকে আৰোগ্যেৰ পথে আনতে পাৰল না । দীৰ্ঘদিন ভুগে একদিন সন্ধ্যাৰ সময় বড়বৌ দত্ত পৰিবাৰেৰ দেনা পাওনা শোধ কৰে চিৰদিনেৰ মত বিদায় নিলে ।" (জ্যান্ত ভূত) । নাইবা "তিনি দেহ ধাৰন কৰেছেন বটে, কিন্তু দেহেৰ মাধ্যমে ভোগ কৰেন নি । শৈশৱ থেকে ব্ৰহ্মচৰ্য্য পালন কৰে-ছেন ৰূপ-ৰস-শব্দ-গন্ধ-স্পৰ্শময় পৃথিবীৰ ভোগ্য বস্তুকে তিনিতো সম্ভোগ কৰেন নি । নাৰীৰ ৰূপ বা দেহেৰ সুধা পান কৰেন নি" (দেহত্যাগ) । তৎসম শব্দৰে ভাৰাক্ৰান্ত এই বাক্য কেইটাৰ পৰা শিশুমনে কিমান খিনি গ্ৰহণ কৰিব পাৰে, সি সন্দেহমুক্ত নহয় ।

বেজবৰুৱাৰ প্ৰায় প্ৰতিটো সাধুৱে কিছুমান কথা গীতি-সুৰীয়াকৈ প্ৰকাশ কৰিবলৈ কৰা চেষ্টাটো প্ৰশংসনীয় । সুৰীয়া কথাখিনিয়ে শিশুমনক অলৌকিক আনন্দৰ আস্বাদ যোগায় । লগে লগে একেৰাহে সাধু শুনাৰ পৰা উপজিব পৰা বিৰক্তিবো উপশম ঘটায় । সাধু এটাৰ সামগ্ৰিক ৰূপটোৱে শিশুক যিমান তন্ময় কৰিব পাৰে, সুৰীয়া কথাখিনিয়ে তাতোকৈ অধিক তন্ময় কৰি ৰখাত সহায় কৰে । এই সুৰীয়া কথাখিনিৰ প্ৰাঞ্জলতাই শিশুমনক প্ৰথম বাৰতেই যে আকৰ্ষণ কৰিব পাৰে, তাত সন্দেহ নাই । সাধু এটা শেষ হৈ যোৱাৰ পাছতো এই সুৰীয়া কথাখিনিৰ অনুৰণনে শিশুমনক আবিষ্ট কৰি ৰাখে বহুসময়লৈ । ইয়াৰ মূলতে হ'ল সুৰীয়া কথাখিনিত সহজ-সৰল শব্দৰ প্ৰয়োগ আৰু উজুটি নোখোৱা লয়ৰ অৱস্থিতি । 'আগলি কলাপত লৰে কি চৰে । চিলনী আই মোৰ আগতে পৰে ।' এই শাৰী দুটা অকল চিলনীৰ জীয়েকৰে নহয়, শিশুৰ কাৰণেও গোটেই সাধুটোৰেই সঁচাৰ কাঠি স্বৰূপ । তেনেকৈ 'ক'ৰ পৰা আহিলি শাঁখিনী তেজা....' আদি শাৰী দুটাহে 'তুলা আৰু তেজা' সাধুৰ আকৰ্ষনী শক্তি । এই শাৰী দুটাই সাধুটোৰ কাৰুণ্যখিনি যিমান ফুটাই তুলিছে, আৰু শিশু মনৰ প্ৰতি এই শাৰী দুটাৰ যি আবেদন, সমগ্ৰ সাধুটোৱেও সিমান খিনি কাৰুণ্য বা আবেদন প্ৰকাশ কৰিব পৰা নাই ।

বেজবৰুৱাৰ ভাষা প্ৰাঞ্জল হোৱাৰ আন এটি কাৰণ হ'ল সাধুবোৰত ব্যৱহৃত নাতি হ্ৰস্ব-দীৰ্ঘ বাক্যবোৰ । নিচেই চুটি বা অতি দীঘলীয়া বাক্যই শিশুৰ মনত দুৰ্বোধ্যতাৰ সৃষ্টি কৰে । "এই কথাৰ কেইমাহ মানৰ পিছত ঈশ্বৰৰ ইচ্ছাত মানুহজনীৰ ছোৱালী এজনী উপজিল । বাপেকে মৰম কৰি জীয়েকৰ নাম কাঞ্চনী ৰাখিলে । দিনক দিনে ছোৱালীজনী ডাঙৰ হৈ আহিবলৈ ধৰিলে । তাই ৰূপে-গুণে তমস্কাৰ হ'ল । কুকুৰটোও নিজৰ গুণত দিনক দিনে গিৰিহঁত-গিৰিহঁতনীৰ বুকুত সোমাই আহিবলৈ ধৰিলে ।" (কাঞ্চনী) । বুঢ়ী আইৰ সাধুৰ বাক্য গঠন প্ৰণালী এনেকুৱাই । এনে বাক্য শিশু মনে সহজে আয়ত্ত কৰি লব পাৰে ।

অপ্ৰাকৃত বা অতিপ্ৰাকৃত উপাদান সাধুকথাৰ উপজীব্য । শিশুমনেও পৰিদৃশ্যমান বাস্তৱ জগতৰ কথাতকৈ অদৃশ্য অবাস্তৱ জগত এখনৰ কথাতহে আমোদ পায় বেছি । কিন্তু অবাস্তৱ জগত খনৰ কথা যদি বাস্তৱ যেন কৰি কব পৰা নহয়, অদৃশ্য জগতখনৰ ছবি যদি দৃশ্যমান কৰি আঁকিব পৰা নহয়, তেনেহলে সাধুকথাৰ উদ্দেশ্য ব্যৰ্থ হয় । সাধুকথাৰ জগতত পশু-পক্ষীয়েও কথা

কৰ পাৰে। কিন্তু সেই কথা আৰু কাৰ্য্য বাস্তৱ যেন কৰি শিশুৰ আগত দাঙি ধৰিব পাৰিব লাগিব। সাধুকথাৰ কথক হিচাপে এইখিনি প্ৰয়োজনীয় গুণ বেজবৰুৱাৰ আছিল। তেখেতৰ বৰ্ণনা গুণত অবাস্তৱ অৱস্থাই বাস্তৱ ৰূপ পৰিগ্ৰহ কৰিছে। পশু-পক্ষীয়ে মানুহৰ দৰে কথা কৈছে বা কাৰ্য্য কৰিছে। কোনো ঠাইতে শিশুৰ মনত অসম্ভাব্যতাৰ প্ৰশ্ন জাগি উঠিব পৰা নাই। "গিৰিহঁতনীয়ে দিনৌ তাঁত বয় আৰু কুকুৰটো ওচৰতে পৰি থাকে। এদিন তাইৰ হাতৰ পৰা এবাৰ মাকোটো সৰি পৰিলত কুকুৰটোৰ ফালে চাই খেমালিতে ক'লে, 'তই মোৰ মাকোটো তুলি দিব নোৱাৰনে ? অজাতৰীয়া মাকোডাল ঘনে ঘনে মোৰ হাতৰ পৰা পৰি যায়, মইনো কিমান চাপৰি আনি থাকিম ? দে মোৰ মাকোটো তুলি মোৰ বোপাই; লাগে যদি মোৰ ছোৱালী হ'লে, মই তোনৈকে তাইক বিয়া দিম। মানুহজনীৰ কথা শুনি কুকুৰটোৱে খপ্‌কৰে মাকোটো তুলি দিলে। মানুহজনীয়ে বিচুৰ্ত্তি হৈ ভাবিলে, 'আও। ই কম কুকুৰ নহয়। ই মানুহতকৈও গুণী। মোৰ কথাটো ই কেনেকৈ বুজিলে !" (কাঞ্চনী)। উদ্ধৃত অংশটোত এটা স্বাভাবিক চিত্ৰ অঙ্কণ কৰিবলৈ যত্ন কৰা হৈছে। কুকুৰটোৰ কাৰ্য্যত গিৰিহঁতনী আচৰিত নোহোৱা হলে পৰিস্থিতিটো অস্বাভাবিক যেন লাগিলহেঁতেন। 'চম্পাৱতী সাধুতো চম্পাৱতী অজগৰ আৰু নাগীৰ জীয়েক-অজগৰ চিত্ৰ দুটা সম্পূৰ্ণ স্বাভাবিক স্বাভাবিক যেন কৰি অঙ্কণ কৰা হৈছে। চম্পাৱতীক অজগৰে গ্ৰাস নকৰা কথাত শিশুমনত যি প্ৰশ্ন জাগিব পাৰে বা যি উৎকণ্ঠাৰ সৃষ্টি হব পাৰে, সেই প্ৰশ্নৰ সমাধান কৰিছে আৰু সেই উৎকণ্ঠাৰ উপশম ঘটাইছে পাচলৈ এজনী বুঢ়ীয়ে চম্পাক কোৱা কথাখিনিৰে। এনেকৈ আটাইবোৰ সাধুৱেই শিশুৰ মনত সঁচা সঁচা লগা ছবি একোখন দাঙি ধৰিছে।

মন কৰিবলগীয়া কথা যে বেজবৰুৱাৰ সাধুবোৱে শিশুৰ মনত খন্তেকলৈ হলেও ভয় বা ত্ৰাসৰ সৃষ্টি কৰাৰ থল নাই।

পৰিশেষত 'বুঢ়ী আইৰ সাধু'ৰ আন এটি বিশেষত্বৰ কথা উল্লেখ কৰিব পাৰি। গ্ৰন্থখনত সন্নিৱিষ্ট সৰহভাগ সাধুৰ মাজেদি মানুহৰ ঈৰ্ষা অসূয়া আৰু সপত্নী বিদ্বেষৰ চিত্ৰকেই ফুটাই তোলা হৈছে। এই মানুহ কোনো এক বিশিষ্ট ভৌগোলিক পৰিবেশৰ মানুহ হৈ থকা নাই। সাধুবোৰৰ উপস্থাপন প্ৰণালীয়ে এনে হোৱাত সহায় কৰিছে। অসমীয়া তেজীমলাক যেনেকৈ ইংৰাজী ভাষাৰ চিণ্ডাৰেলা বোলাত কোনো বাধা নাই, সেইদৰে অসমীয়া 'তুলা আৰু তেজা'-মৈথিলী ভাষাৰ 'তিলমাজনি কুমাৰী' হোৱাতো কোনো বাধা নাই। অসমীয়া তেজা আৰু তুলাই মৈথিলী ভাষাত যথাক্ৰমে তিলমাজনি আৰু চৰভুসকৰ ৰূপ লৈছে। শালিকাৰূপী তেজাই কোৱা 'জেশাহুৰে সৈতে পাশা খেলিলা' কথাখিনি মৈথিলী ভাষাতো চৰাইটোৱে 'জেঠসাৰি সঙ্গ কৰথি বিলাস' বুলি কৈছে। (দ্ৰষ্টব্য:—ডঃ জয়কান্ত মিশ্ৰৰ 'দি ফোক লিটৰেচাৰ অৱ্‌ মিথিলা' গ্ৰন্থৰ দ্বিতীয় খণ্ডৰ ২৭ পৃষ্ঠা)। জীৱজন্তু বা পশু-পক্ষীৰ আচৰণ বা কাৰ্য্যৰ মাজেদিও মানবীয় আচৰণ বা কাৰ্য্যৰেই পৰিণতি দেখুৱা হৈছে মাত্ৰ। 'কোনো এটা উপদেশ দিবৰ কাৰণে সজা কথা'ই হ'ল সাধুকথাৰ আভিধানিক অৰ্থ। বেজবৰুৱাই সাধুকথাৰ এই অৰ্থকেই গ্ৰহণ কৰা যেন লাগে। 'ঠাকুৰ মাৰ ঝুলি'ৰ সাধুবোৰৰ দৰে এখন অতিপ্ৰাকৃত স্বপ্ন-ৰাজ্যলৈ শিশুক লৈ যোৱাটোও তেখেতৰ উদ্দেশ্য নহয়। 'টুনটুনিৰ বই'ৰ অধিকাংশ সাধুৰ উপজীব্য বাঘ আৰু শিয়াল হোৱাৰ কাৰণে সাধুবোৰ একসুৰীয়া হৈ পৰিছে। 'বুঢ়ী আইৰ সাধু' এই দোষৰ পৰা সম্পূৰ্ণ মুক্ত।

# জুনুকা

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

শিশুৰ কল্পনা শক্তিক আশ্ৰয় কৰি সহজে আয়ত্ত কৰিব পৰা সহজ-সৰল ভাষাৰে শিশুৰ বুদ্ধি-বৃত্তি, চৰিত্ৰ, নৈতিকতা, আচৰণ আদিৰ উৎকৰ্ষ সাধনৰ বাবে যি সাহিত্য সৃষ্টি কৰা হয়, সেয়ে শিশু-সাহিত্য। এই সাহিত্যত শিক্ষকৰ উপদেশৰ কঠোৰতা নাই, জাপি দিয়া নীতি-জ্ঞানৰ বহুলতা নাই। নানা অভিজ্ঞতাৰে পৰিপূৰ্ণ সংসাৰৰ মাজলৈ শিশু-সাহিত্যিকে শিশুক লৈ যায়, আৰু একে-লগে এই অভিজ্ঞতাবোৰ লাভ কৰে। "এলিচ্‌ ইন্‌ দি ৱণ্ডাৰলেণ্ড," "হোৱাইট্‌ নাইট্‌" আদি এই শ্ৰেণীৰ সাহিত্য।

মানুহৰ মুখে মুখে পুৰুষানুক্ৰমে চলি অহা সাধু-কথাবোৰো এক প্ৰকাৰৰ শিশু-সাহিত্য। ইয়াত শিশু-মনৰ কল্পনা উধাই নিয়াৰ মনোবিজ্ঞানসন্মত প্ৰচেষ্টা নাই সঁচা; কিন্তু ইয়াত শিশু মনটোৰ তৃপ্তিকৰ আহাৰ আছে। সেইকাৰণেই যুগৰ পাছত যুগ ধৰি এই সাধু-বোৰে শিশুৰ মনোৰঞ্জন কৰি আহিছে। এই সাধুবোৰ সুসংহতভাৱে সঙ্কলন আৰু সম্পাদন কৰাটোও শিশু-সাহিত্যিকৰ কাম। লক্ষ্মীনাথ বেজবৰুৱাই এই আৱশ্য-কতাৰ স্বৰূপ উপলব্ধি কৰিছিল।

তেওঁৰ সাধুকথা সংগ্ৰহৰ প্ৰচেষ্টা আৰম্ভ হয় ১৯১০ চনত "সাধুকথাৰ কুঁকি"ৰ "মূলাখোৱা বুঢ়া" আৰু "ঘৰপতা ককা"ৰে। ইয়াৰ পাছত ১৯১১ চনত "বুঢ়ী আইৰ সাধু" আৰু ১৯১২ চনত "ককাদেউতা আৰু নাতিলৰা" প্ৰকাশ হয়। আলোচ্য পুথি "জুনুকা" ইয়াৰ এবছৰৰ পাছত ১৯১৩ চনত ওলায়। এই পুথিখনেই তেওঁৰ সাধুকথা সংগ্ৰহৰ শেহতীয়া প্ৰচেষ্টা।

পুথিখনত "ৰাজহাঁহ আৰু কাউৰী," "বুঢ়া আৰু শিয়াল," "গণ্ডাটোপ" আৰু "বান্দৰ আৰু শিয়াল" এই চাৰিটা পদ্যত লিখা সাধু আছে। বাকী "টোকোৰা আৰু চিতল," "তেলীয়াসাৰেং আৰু ফেচু," "বৰাগী নেকুৰী," "খুৰী ছাগলী," "সাপ আৰু খেতিয়কৰ জীয়েক" আৰু "হাতী আৰু সাপ" এই ছটা পদাত লিখা সাধু আছে।

পদ্যত সাধু লিখা কাৰ্য্যত বেজবৰুৱা বৰ পাৰ্গত নাছিল যেন লাগে। প্ৰসঙ্গান্তৰত তেওঁ নিজেই কৈছে যে পদ মিলাব নোৱাৰি তেওঁ "হেষ্টনেষ্ট" কৰে। "জুনুকা"ৰ পদ্য সাধুকেইটা এনে ধৰণৰ হেষ্টনেষ্ট কৰা পদহে। তেওঁৰ পদ্যৰ চৰণবোৰত লয় ( Rhythm ) নাই বুলিবই পাৰি। পয়াৰ ছন্দত ১৪টা অক্ষৰ বা মাত্ৰা থাকিব লাগে। ইয়াত ব্যৱহৃত শব্দবোৰক দুই মাত্ৰাত বিভক্ত কৰিব পৰা হব লাগে। প্ৰত্যেকটো প্ৰথম অক্ষৰ ৰুদ্ধ অক্ষৰ (Closed syllable) হব পাৰে; কিন্তু দ্বিতীয় অক্ষৰটোহঁত মুক্ত অক্ষৰ (Open syllable) হবই লাগিব। নহলে উচ্চাৰণ ব্যতিক্ৰম ঘটিব; কাৰণ ৰুদ্ধ অক্ষৰ এটা উচ্চাৰণ কৰোঁতে এক মাত্ৰা-তকৈ বেছি সময় লাগে। সেই কাৰণেই তলৰ উদা-হৰণটোত লয়-হানি হৈছে:

"বাটৰুৱা এটা এদিন বাটে বাটে গৈ।
জিৰাইছিল গছৰ তলত ধনু-কাঁড় থৈ।।"
—ৰাজহাঁহ আৰু কাউৰী, পৃ, ১।

উদ্ধৃতাংশৰ "এদিন," "জিৰাই," "গছৰ," "তলত" এইকেইটা শব্দত দুটাকৈ অক্ষৰ থাকিলেও দ্বিতীয় অক্ষৰটোহঁত ৰুদ্ধ অক্ষৰ হোৱা কাৰণে উচ্চাৰণ কৰোঁতে এক মাত্ৰাতকৈ বেছি সময় লগা হৈছে আৰু ফলত লয় হানি হৈছে।

অসমীয়া পদ্যত সাধাৰণতে এটা চৰণত এটা বাক্য বা ভাব সম্পূৰ্ণ হব লাগে; পৰবৰ্ত্তী চৰণলৈ

আগৰ বাক্যটো টানি নিলে পদ্যৰ সাবলীলতা নষ্ট হয়। তলৰ অংশটোত তেনেকুৱাই হৈছে :

"দিয়াঁ দিয়াঁ দহোকুৰি এচাপৰ বাওঁ।
বুলি বান্দৰে শিয়ালক কৰে কাওবাও॥"

—বান্দৰ আৰু শিয়াল, পৃঃ ২৮।

কবিতাত শব্দক আশ্রয় কৰিহে ছন্দ ৰচিত হব লাগে, ছন্দৰ কাৰণে শব্দৰ গাত্ৰ সলাই পেলালে ছন্দৰ সৌন্দৰ্য নষ্ট হয়। বেজবৰুৱাৰ "জুনুকা"ত এই দোষ পোৱা যায়। "মৰিলো"ৰ ঠাইত "মৈলোঁ" (পৃঃ ২৯), "থিতাতে"ৰ ঠাইত "থিতেকত" (পৃঃ ৩০) আদি নকৈ গঢ়া শব্দ প্রয়োগৰ ফলত পদ্যটোৰ স্বাভাৱিকতা নষ্ট হৈছে।

ছন্দমিলৰ (Rhyme) ফালৰ পৰাও বেজবৰুৱাৰ পদ্য-সাধুবোৰত অনেক দোষ দেখা যায়। শুদ্ধ ছন্দমিল হবলৈ হলে চৰণৰ অন্ত্য ব্যঞ্জনৰ মিল হলেই নহব, পূৰ্ব্ববৰ্ত্তী স্বৰবো মিল হব লাগিব। যদি সেয়ে নহয়, ছন্দমিলো নঘটে। বেজবৰুৱাৰ পদ্য-সাধুবোৰত এই নিয়ম উলংঘা কৰা দেখা গৈছে ; যেনে—

"সত্য কালত আছিল বুঢ়া খেতিয়ক এটা।
শিয়াল এটাই দেখিলে তাক কচুগুটি পোতা॥"

--বুঢ়া আৰু শিয়াল, পৃঃ ৭

চৰণৰ শেষত থকা ব্যঞ্জন দুটাৰ ধ্বনিমূল্য একে ; কিন্তু পূৰ্ব্ববৰ্ত্তী স্বৰ দুটাৰ ধ্বনিমূল্য বেলেগ। "এ" হল সন্মুখ স্বৰ আৰু "ও" পশ্চাৎ স্বৰ। গতিকে ছন্দমিল হোৱা নাই।

পদ্য-সাধু ৰচনাত বেজবৰুৱাৰ এনেবোৰ দোষ-ত্রুটী থাকিলেও কিছুমান স্তৱক ছন্দবিচাৰৰ ফালৰ পৰা উৎকৃষ্ট হৈছে ; যেনে—

"বৌ আহিল, ননদি আহিল সেন্দুৰীয়া পুঠী।
গল মেলি বৰগলা মিছা মুঠি মুঠি॥"

—গঙ্গাটোপ, পৃঃ ১৫।

এই স্তৱকটো ইমান জনপ্রিয় হৈ উঠিল যে চুলীয়াবোৰে মৎস্য-বুলনি "হাট" বজাওঁতে ব্যৱহাৰ কৰিব ধৰিলে। কিন্তু তেওঁৰ পদ্য-সাধুত এনে ছন্দোত্তীৰ্ণ স্তৱক কম।

বেজবৰুৱাৰ আচল কৃতিত্ব প্রকাশ পাইছে গদ্য-সাধুবোৰত। "জুনুকা"ত সঙ্কলিত ৬টা গদ্য সাধুত বুঢ়ীআই আৰু ককাদেউতা ৰূপত বেজবৰুৱাক দেখা পাওঁ। ভুইশালত বহি যেন তেওঁ সাধু কৈছে :

"সত্য কালৰ কথা। সেই কালত উৰণ আৰু বৰণ এই দুইবিধ জন্তুৱে ভালকৈ বাহ সাজি থাকিব নাজানিছিল।" টোকোৰা আৰু চিতল, পৃঃ ৩

"জুনুকা"ৰ সাধুবোৰত শতকৰা ৮৯টা তদ্ভৱ শব্দ ব্যৱহাৰ কৰা হৈছে। ব্যৱহৃত হোৱা বাকী ১১টা তৎসম শব্দও অতি পৰিচিত শব্দ। "বৈষ্ণৱ," "মন্ত্ৰ," "উত্তৰ" আদি শব্দ তৎসম হলেও সকলোৱে বুজি পোৱা শব্দ। আনহাতে, "তাপত," "গুণ", "গগণ," "মনোগত" আদি শব্দ জতুৱা ৰূপত ব্যৱহাৰ কৰা হৈছে।

"বুঢ়া-মেঠা," "বান্ধ", "কুটুম" আদি থলুৱা শব্দৰ ব্যৱহাৰে সাধুখিনি মধুৰ কৰি পেলাইছে। "লীলা কৰ", "আলাপ কৰ," "শয়ন কৰ" "ধান বান" আদি যৌগিক ক্রিয়াৰ প্রয়োগৰ ফলত ভাষাই স্বাভাৱিকতা লভিছে। "আচৰিত মান," "মই হেন পুৰুষ", "কি গুণ, কি বেৰস্থা" আদি জতুৱা বাক্যাংশ প্রয়োগৰ ফলত ভাষা শুৱলা হৈছে।

সৰু লৰাৰ কাৰণে লিখা কিতাপত দীঘলীয়া বাক্য, বিশেষকৈ জটিল বাক্য, প্রয়োগ কৰা উচিত নহয়। বেজবৰুৱাই কিন্তু সেই নিয়ম উলংঘা কৰিছে। গদ্য সাধুখিনিৰ ১৯৬টা বাক্যৰ ভিতৰত ২৭টা দীঘল বাক্য আছে। অৱশ্যে বাক্যকেইটাৰ অধিক সংখ্যকেই সৰল বাক্য ; কিন্তু কোনো কোনো বাক্যত অসমাপিকা ক্রিয়াৰ অধিক প্রয়োগ হোৱাত শ্রুতিকটু হৈছে ; যেনে—"গিৰিয়েকে লাগীৰ খটবান্ধ এৰাব নোৱাৰি ভালেমান মানুহ লগতলৈ গৈ হাবিত অনেক বিচাৰি বিচাৰি এটা অজগৰ সাপ পাই ধৰি লৈ আহি ৰাতি লাগীৰ জীয়েকৰ লগত এটা খোটালিত থাকিবলৈ দিলত, সাপটোৱে লাহে লাহে লাগীৰ জীয়েকক গিলিবলৈ ধৰিলে।" —সাপ আৰু খেতিয়কৰ জীয়েক, পৃঃ ৩৮-৩৯। এই বাক্যটোত থকা ৩৫টা শব্দৰ ভিতৰত ১১টা অসমাপিকা ক্রিয়া আছে।

প্রত্যেকটো সাধুৰ পাছত একোটাকৈ নীতিবাক্য জুৰি দিয়াৰ অনুপ্রেৰণা নিশ্চয় পঞ্চতন্ত্র আদিৰ পৰা পোৱা। "সাধুৰ ছলেৰে নীতিশিক্ষা" উদ্দেশ্য আগত



ৰাখি লিখা কাৰণে প্রতিটো সাধুৱেই উদ্দেশ্যধৰ্ম্মী হৈছে। লৰা-ছোৱালীৰ নৈতিকতাৰ বিকাশত এনে পুথিয়ে সহায় কৰিব নিশ্চয়।

এইখিনিতে মনত ৰখা উচিত যে পাঠ্যপুথি আৰু শিশু-পাঠ্য একে বস্তু নহয়। পাঠ্যপুথিত শিক্ষণীয় বস্তুটোক আধাৰ স্বৰূপে লৈ পাঠ্য সৃষ্টি কৰা হয় ; কিন্তু শিশু-পাঠ্যত পাঠ্যটোহে প্রধান, শিক্ষণীয় বস্তুটো গৌণ। বেজবৰুৱাৰ আগতে অনেকে পাঠ্যপুথি লিখিছে ; কিন্তু বেজবৰুৱায়েই প্রথমে নীতি-শিক্ষা দানত সাধুৰ গুৰুত্ব উপলব্ধি কৰে।

যি সময়ত বেজবৰুৱাই "জুনুকা" লিখিছিল সেই সময়ত শিশুপাঠ্য অসমীয়া ভাষাত নাছিলেই। গতিকে পুথিখনে বেছ জনপ্রিয়তা লাভ কৰিছিল। চাহিদা পূৰাবৰ কাৰণে লিখা সাহিত্য সাধাৰণতে উচ্চ দৰৰ নহব পাৰে ; "জুনুকা"ৰ ক্ষেত্রতো সেয়ে হৈছিল। এই সম্পৰ্কে "আগকথা"ত শ্রীবেণুধৰ শৰ্ম্মাই ঠিকেই কৈছে, "দুকুৰি বছৰৰ আগত 'জুনুকা'ৰ সাধুকেইটা (ই) লৰা-ছোৱালীৰ কাণত যেনেকৈ জুনুজুনাই উঠিছিল, আজি বাৰেকুৰি সাধুকথাৰ কিতাপ ওলোৱা দিনত সেইদৰে জুনুজুনাৰ বুলি আশা কৰিব নোৱাৰি।"

আধুনিক অসমীয়া সাহিত্যৰ চালুকীয়া অৱস্থাত শিশু-সাহিত্যৰ সৃষ্টি কৰি বেজবৰুৱাই নতুন সোঁত এটি বোৱাই গল। বয়সিয়ালৰ বাবেই কেৱল নহয়, শিশুৰ বাবেও সাহিত্য সৃষ্টি কৰিবলৈ তেওঁ অসমীয়া সাহিত্যিকক বাট দেখুৱাই গল। আন নহলেও অন্ততঃ এই কাৰণেই বেজবৰুৱাক শিশু-সাহিত্যৰ বুৰঞ্জী লিখকসকলে সুঁৱৰিব লাগিব।



# বাখৰ

**ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য**

'বাখৰ' লক্ষ্মীনাথ বেজবৰুৱাৰ নীতি-উপদেশ মূলক চুটি প্ৰবন্ধ। ৰচনাৰ বিষয়-বস্তু চৰিত্ৰ। মনুষ্য জীৱনত সজ চৰিত্ৰৰ আদৰ্শ গুঁৰবি তেওঁ জয়জয়তেই মন্তব্য কৰিছে, চৰিত্ৰ মন্দিৰত ঈশ্বৰৰ সন্তান মনুষ্যৰ মূৰ্ত্তি প্ৰতিষ্ঠিত থাকে। এতেকে সি টান, শকত, নফটা, নভগা আৰু নুকুখা হব লাগে। বাহিৰত শত্ৰুৰ আক্ৰমণ ব্যৰ্থ কৰি চিৰকাল আত্মৰক্ষা কৰি, মূৰৰ ওপৰত সোণৰ কলচীটি জগত কৰ্ত্তাৰ ফালে পোন কৰি থৈ আত্ম প্ৰসাদ লাভ কৰিব পৰা হব লাগে এই চৰিত্ৰ মন্দিৰটি। ইয়াৰ ভেটি হব লাগে প্ৰতিৰোধ শক্তি, যেনে নৰীয়াৰ প্ৰতিৰোধ, কুসঙ্গ জনিত কুভাবৰ প্ৰতিৰোধ; এইবোৰ জীৱন ৰক্ষাৰ বাবে আৱশ্যক।

প্ৰতিৰোধ শক্তি যিদৰে বাহিৰৰ আততায়ীৰ পৰা চৰিত্ৰ মন্দিৰ ৰক্ষাৰ বাবে প্ৰয়োজনীয়, ভিতৰৰ মন্দিৰতো সেইদৰে প্ৰাণ প্ৰতিষ্ঠা কৰি তাক সজীৱ সবল কৰি ৰাখিবলৈ নিৰ্মাণ বা গঠন শক্তিৰ আৱশ্যক। পৰ্য্যবেক্ষণ চৰিত্ৰ মন্দিৰৰ গাঁথনিৰ গুৰি ডোখৰৰ ইটা। চাৰিওফালে দিনে কি ঘটিছে সেইবোৰ পৰ্য্য-বেক্ষণৰ যোগেদি জানি লব পাৰিলেহে চৰিত্ৰ শক্তিশালী হয়। পৰিমিতব্যয় চৰিত্ৰ মন্দিৰৰ অইন এক লাগতিয়াল সজুলি। বিবেচনাৰ সৈতে সময়, শক্তি, পৰিশ্ৰম, বুদ্ধি আৰু অৰ্থৰ সদ্ব্যৱহাৰ কৰাৰ মানেই মিতব্যয় বা বিবেকব্যয়। বিবেকব্যয়ীক বহুতে কৃপণ বুলি ভাবে, কিন্তু বিবেকব্যয় কৃপণতা নহয়।

চৰিত্ৰ মন্দিৰৰ ভিতৰত উজ্জ্বল অথচ মিঠা বন্তি হৈছে আনন্দ। অন্তৰত বেজাৰ থাকিলেও মানুহে মুখেৰে আনন্দ কৰিব লাগে—

"আনন্দই মুখ উজ্জ্বল কৰে।
শোকে অন্তৰ ধ্বংশ কৰে॥"

মানুহৰ অন্তৰত আনন্দময় পৰমেশ্বৰ আছে। প্ৰেম অবিহনে তেওঁক পোৱা নাযায়। পৰোপকাৰ, জীৱৰ প্ৰতি দয়া-মমতা, কৰুণা আদি প্ৰেমময়ৰ প্ৰেমোপহাৰ। তাৰ সদ্ব্যৱহাৰ কৰিব পাৰিলে মানুহৰ মন ডাঙৰ হয়, কেউপিনে আনন্দৰ পোহাৰ মেল খায়। পৃথিৱীখনত ন্যায় আৰু প্ৰেম ডাঙৰ বস্তু। এই নেদেখা মন্দিৰটোৰ অইন এটা উপাদান ওখ আদৰ্শ। সম্পূৰ্ণক (অৰ্থাৎ ভগ-ৱানক) সমুখত ৰাখি চলিব পাৰিলে লাহে লাহে সম্পূৰ্ণ জনৰ অংশ সমূহ অসম্পূৰ্ণ মানুহৰ আয়ত্বাধীন হৈ পৰে। সুন্দৰক আৰাধনা কৰি মানুহ সুন্দৰ হব পাৰে।

গোটেই জীৱন মানুহ এহাতুধীয়া হব লাগে। মুখে এটা পেটে এটা হৈ চলিলে সৰ্বনাশ হব পাৰে। সৎ সাহ চৰিত্ৰ গঠনত বৰ দৰকাৰী বস্তু। মনুষ্য জীৱনত বিপদৰ আদি অন্ত নাই। কিন্তু সমুখৰ বিপদ সাহৰ আগত কোঁচ খাই যায়। চৰিত্ৰৰ অইন এটা উপাদান ক্ষমা। ইয়াত দেৱত্ব আছে, মহত্ব আছে। আমি বিশ্বাস কৰো যে ঈশ্বৰে নিজে সকলো কৰিছে, মানুহক বহুতো দিছে, কিন্তু এটা বিষয়ত মানুহক স্বৰাজ দিছে আৰু সেয়ে হল চৰিত্ৰ-গঠন। এই ফেৰা স্বৰাজৰ কাম মানুহে ভালদৰে সমাধা কৰিব পাৰিলে ভাল ফল পায় আৰু বেয়াকৈ কৰিলে বেয়া ফল পায়। চৰিত্ৰ কি বস্তু নেজানিলে মানুহ পশুৰ শাৰীত পৰে। বেজবৰুৱাৰ এই খুদমানি প্ৰবন্ধটিত তিনিবিধ ৰচনা-ৰীতি আমাৰ চকুত পৰে। প্ৰথম ছোৱাত সততে প্ৰচলিত পৰোক্ষ ৰীতি, যেনে,—"জীৱন এটা ধাৰাবাহিক প্ৰতি-ৰোধৰ ফল।....প্ৰতিঘাতৰ শক্তি বা বলে মানুহক সকলো অৱস্থাতে পোন হৈ থাকি কৰ্ত্তব্য পালন কৰিবলৈ বল দি যোগ্য কৰে।"

মাজ ছোৱাত প্ৰায়েই প্ৰত্যক্ষ ৰীতি, যেনে—"প্ৰত্যেক



দিনত ওলোৱা সুবিধাবোৰ তুমি আনন্দ মনেৰে গ্ৰহণ কৰি তাক কামত লগাই যাবা। তুমি ভাবা যে বিপদ জয় কৰি উঠিব পাৰিবা; কাৰণ, তোমাৰ ক্ষমতা আছে।"

শেষ ছোৱাত আত্মলঘিমা সূচক প্ৰত্যক্ষ ৰীতি, যেনে--

"ঈশ্বৰত একান্ত বিশ্বাস, একান্ত নিৰ্ভৰ কৰি, তোমাৰ জীৱনত এহাতুধীয়াকৈ নিষ্কপট ভাবে কৰা কাৰ্য্যৰ ফলাফল তেওঁৰ চৰণত সমৰ্পণ কৰা, হে বন্ধু-সকল, এয়েই তোমালোকৰ প্ৰতি এই দুখীয়াৰ উপদেশ।" অনুমান হয় প্ৰবন্ধটো কোনো সভা সমিতিত সভাপতি বা নিৰ্দ্দিষ্ট বক্তাৰ আসনৰ পৰা পাঠ কৰা হৈছিল। ইয়াৰ প্ৰকাশ কাল ১৯১৫ খৃষ্টাব্দ; ৰচনা ভালেদিন আগতো হব পাৰে। বহু ঠাইত ইংৰাজী শব্দৰ সঘন প্ৰয়োগ আছে, যেনে চৰিত্ৰ— Character প্ৰতিৰোধ শক্তি—Resistence, নিৰ্মাণ বা গঠন শক্তি—Constructiveness, পৰ্য্যবেক্ষণ Observation মিতব্যয় বা বিবেকব্যয়—Economy, এহাতুধীয়া—Sincere ইত্যাদি। কোনো কোনো ঠাইত অসমীয়া বাক্য কিছুমানৰ ইংৰাজী ভাওনিও দিয়া আছে, যেনে—প্ৰকৃতিত কোনো ঠাই খালি থকা নিয়ম নাই—Nature abhors avaccum এনেবোৰ উক্তিয়ে বাখৰ'ৰ ওপৰত পশ্চিমীয়া সোণাৰীৰ তপত পৰশকো সূচনা কৰে।

'বাখৰ'ৰ দৰে 'কদমকলি'ত সন্নিৱিষ্ট 'বেণুকা' সমূহো বেজবৰুৱাৰ উপদেশৰ মস্তক মণি। অৱশ্যে 'বেণুকা'ৰ উপদেশৰ বেণু সমূহে দুলড়ী, সেহাৰী, পদ-ৰলীৰ পাহিয়ে পাহিয়ে আশ্ৰয় লবলৈ যিমান সুবিধা পাইছে, 'বাখৰ'ত সেইখিনি সুবিধা নাই। নহলেও বা, সদাৰ উদং বুকুখনত থিতি লাভ কৰিয়েই 'বাখৰে'তাৰ জেউতিকণৰ শোভা বিস্তাৰ নকৰি থকা নাই।



# মোৰ জীৱন-সোঁৱৰণ

**শ্ৰীহৰিনাথ শৰ্ম্মা দলৈ**

সম্পূৰ্ণ আত্ম-জীৱনী নহলেও, অন্ততঃ আংশিকভাৱে আত্ম-জীৱনৰ কথা লিখি থোৱা দস্তুৰ আমাৰ দেশত, তথা অসমত একো নতুন কথা নহয়। সুদূৰ ত্ৰয়োদশ-চতুৰ্দ্দশ শতিকাৰ পৰা আমাৰ দেশৰ কবিসকলে তেওঁ-লোকৰ কাব্যৰাজিৰ মাজত নিজৰ বংশ-পৰিচয়, জন্ম-স্থান আৰু কৃতিত্ব আদিৰ কথা লিখি আহিছে। কবি-সকলৰ সেই স্বৰচিত আত্ম-কথাবোৰ, পুৰণি সাহিত্য আৰু কবিসকলৰ ৰূপ-ৰেখা অঙ্কণ কৰিবলৈ, আজিৰ সাহিত্য-আলোচকসকলৰ প্ৰধান সম্বল। এই কথা অৱশ্যে ঠিক—আমাৰ পুৰণি-সাহিত্য-সম্ভাৰৰ আত্ম-কথাৰ সুঁতি অকল প্ৰাচীনেই নহয়, নিৰৱচ্ছিন্নও।

আধুনিক সাহিত্যত যি আত্ম-জীৱনীৰ সৃষ্টি হৈছে, সি অৱশ্যে পুৰণি আত্ম-কথাৰ আদৰ্শত ৰচিত হোৱা নাই—সি ৰচিত হৈছে পাশ্চাত্য-সাহিত্যৰ আত্ম-জীৱনীৰ ( Autobiography ) আদৰ্শত। এতিয়ালৈকে প্ৰকাশ হৈ ওলোৱা আমাৰ সাহিত্যৰ আত্ম-জীৱনীৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ "মোৰ জীৱন-সোঁৱৰণ" প্ৰথম। কিন্তু সেই বুলি আধুনিক অসমীয়া সাহিত্যত বেজবৰুৱাক সৰ্ব্বপ্ৰথম আত্ম-জীৱনী লিখক হিচাপে সঠিকভাৱে প্ৰতি-পন্ন কৰাটো একেবাৰে নিৰাপদ নহয়। কাৰণ, বেজবৰুৱাৰ সমসাময়িক পদ্মনাথ গোহাঞি বৰুৱা, জ্ঞানদাভিৰাম বৰুৱা আদিয়েও আত্মজীৱনী লিখিছিল। সেইবোৰ ছপা হৈ ওলোৱালৈকে প্ৰথম আত্ম-জীৱনী লিখক কোন, সেই কথা নিশ্চয়কৈ কব নোৱাৰি।

উল্লেখযোগ্য কথা এই যে, "মোৰ জীৱন-সোঁৱৰণ" এখন স্বয়ংসম্পূৰ্ণ গ্ৰন্থ হিচাপে বেজবৰুৱাই ৰচনা কৰা নাছিল—"বাঁহী" আলোচনীত খণ্ড খণ্ড হিচাপে জন্মৰ পৰা আৰম্ভ কৰি তেওঁৰ আত্ম-জীৱনৰ আৰু তাৰ লগত সম্বন্ধ থকা কথা বোৰ লিখিছিল। পাছত "বাঁহী"ৰ পাতৰ পৰা সংগ্ৰহ কৰি গ্ৰন্থাকাৰে সম্পাদন কৰা হৈছে। "মোৰ জীৱন-সোঁৱৰণ" বেজবৰুৱাৰ আংশিক আত্ম-জীৱনী; ইয়াত তেওঁৰ তিনিকুৰি দহ বছৰীয়া জীৱনৰ প্ৰথম পয়ত্ৰিশ বছৰৰ জীৱনাভাসহে পোৱা যায়।

আত্ম-জীৱনী কি, বা কি উদ্দেশ্যে ইয়াক লিখা হয়, সেই বিষয়ে পোৱা যায়— "Autobiography, as the suggestive nomenclature of Southey implies, is the biography of a person written by himself. Its motivations are various—among others self serutiny for self-edification; self justification......, a nostalgic desire to linger over enchanting memories..; belief that one's experiences may be helpful to others....; an earnest attempt to orient self amid a world of confusion....; the urge for artistic expression, or the purely commercial desire to capitalize on fame or position" (Encyclopaedia Britannica)

আত্ম-জীৱনীত প্ৰধানভাৱে লিখকৰ নিজৰ জীৱনৰ কথা থাকিলেও তাৰ মাজৰ সুৰুঙাবোৰেদি সমসাময়িক যুগৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্ম্মীয় আদি চিত্ৰৰ জিলিঙনিবোৰ দেখিবলৈ পোৱা যায়। এই দৃষ্টিকোণৰ পৰা চাবলৈ গলে বেজবৰুৱাৰ "মোৰ জীৱন-সোঁৱৰণ" সাৰ্থক ৰচনা। যি কাৰণতেই নহওক, ইয়াত অৱশ্যে সেই সময়ৰ অসমৰ শোচনীয় ৰাজনৈতিক অৱস্থাৰ স্পষ্ট চিত্ৰৰ অভাৱ। উল্লেখ কৰা আন বাকী-বোৰ কথাৰ আভাস কিন্তু "মোৰ জীৱন-সোঁৱৰণে" দিব পাৰিছে। সেই সময়ত অসমীয়া হিন্দু সমাজখন বিশেষভাৱে সংৰক্ষণশীল ভাবাপন্ন আছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ পিতৃদেৱ দীননাথ বেজবৰুৱা ডাঙৰীয়া



নিজেই তেনে ভাবৰ পৃষ্ঠপোষক। ইংৰাজী পঢ়িলে জাতি যাব—এই ভাব লৈ সনাতন পুত্ৰ লক্ষ্মীনাথক ইংৰাজী স্কুলৰ পৰা নাম কাটাই আনি আয়ুৰ্ব্বেদ পঢ়িবলৈ দিয়ে। আনকি, বেজবৰুৱাৰ নিজৰ ভাষাত "কালীঘাটত হালদাৰ উপাধিধাৰী বঙালী বামুণ এঘৰত মোৰ নিবাসস্থান থিৰ কৰা হল। এনে বন্দবস্তৰ মানে—যাতে মই অসমীয়া ছাত্ৰৰ মেচত থাকি জাতকপে মোত অৰতাৰ হোৱা শিতুটিক বধ কৰিব নোৱাৰো। মই কলিকতালৈ যাত্ৰা কৰাৰ আগতে পিতৃ-দেৱতাই মোক মাতি আনি ওচৰতে বহুৱাই অনেক সাৰ উপদেশ দিলে। মই কেনেকৈ নিতৌ গঙ্গা-স্নান, সন্ধ্যা-আহ্নিক আদি কৰি আৰু বাইকৈ নাম-প্ৰসঙ্গ কৰি চলিম"। দীননাথ বেজবৰুৱা ডাঙৰীয়াৰ খোৱা-লোৱা, থকা-মিলাৰ যি নিয়মিত পদ্ধতি, সেইবোৰে সেই সময়ৰ অভিজাত সম্প্ৰদায়ৰ সেই কথাৰ আভাস দিয়ে। ইংৰাজী শাসনৰ লগে লগে সমাজত বন্দী-বেটীৰ প্ৰথা ক্ৰমে কমিলেও, তেতিয়াও নোহোৱা হোৱা নাছিল : "যি এক অনাই পুৰণি প্ৰভুৰ পুৰণি মায়া-মমতাৰ ডোল কাটি নগল বা যাব নোৱাৰিলে, সেই এক অনাৰ ভিতৰত আমাৰ ঘৰত এঘৰ আছিল—মিৰিয়েকৰ নাম মথন, ঘৈণীয়েকৰ নাম মিলনাগী"। (১৫) অকাল বয়সৰ হোৱা কাৰণে বিয়াৰ দিন পৰ্য্যন্ত পিচুৱাই দিয়া প্ৰথা সমাজত চলিছিল। (১৫)

উনবিংশ শতিকাৰ শেষ ভাগত অসমত শিক্ষা পদ্ধতিৰ যি পানীত হাঁহ নচৰা অৱস্থা হৈছিল, সেই কথাৰ আভাসো "মোৰ জীৱন-সোঁৱৰণে" দিয়ে। স্কুলবোৰত চলিছিল বঙালী ভাষা। নতুন অসমীয়া শিক্ষাৰ্থয়ে স্কুলত বঙালী ভাষা শিকিব লগা হোৱাত তেওঁলোকৰ অসুবিধা কুলাই পাচিয়ে নধৰা হৈছিল। শিক্ষাৰ মানদণ্ড বোলাও কোনো এটা কথা নোহোৱা হয়। বেজবৰুৱাৰ নিজৰ ভাষাত—"স্কুলত সোমায়েই দেখো, কৰবৃত ধুণিত শোভিত বেত্ৰং মাষ্টৰ মহা প্ৰভুসকলৰ বজ্ৰ-গম্ভীৰ নিনাদ ছাত্ৰসকলৰ সম্মিলিত সংযত কণ্ঠ-নিসৃত মৃদু-মন্দ গুৰু গুৰু ধ্বনিৰ কটাহ ভেদ কৰি কলৈ সৰৰ মুখচ পাইছেগৈ, মোৰ ধাতুটিও মুৰৰ মুখচত উঠিবলৈ নধৰে। মোৰ মুৰৰ বুদ্ধি-বৃত্তিৰ কাষতে ধাতুটিক এৰিথৈ মই বহি স্কুলত কিবা শিকা বুজাবতো কথাই নাই, বৰঞ্চ অলপ অচৰপ যি পঢ়ি শুনি শিকি বুজি আহো, সিও পাছৰদিন পঞ্চৱটীত সোমাই মায়া-মৃগ হৈ কৰবালৈ নাৰি পলাই গুচি যায়"। (১৩)

সেই যুগৰ অসমৰ ধৰ্ম্ম-জগতৰ চিত্ৰও "মোৰ জীৱন সোঁৱৰণ"ৰ মাজেদি কটকটীয়া ভাৱে জিলিকিছে। দীননাথ বেজবৰুৱা ডাঙৰীয়া নিজেই পৰম ধাৰ্ম্মিক পুৰুষ আছিল। চৰকাৰৰ গুৰুত্বপূৰ্ণ কামৰ মাজত থাকিও, হিন্দু শাস্ত্ৰানুমোদিত, তেওঁৰ নিচিনা ব্যক্তি বিশেষে আচৰণ কৰিবলগীয়া আৰু সম্পাদন কৰিবলগীয়া সকলো ধৰ্ম্মীয় কৰ্ম্মকে কৰিছিল। বৈষ্ণৱ সত্ৰবোৰ কেনেভাৱে চলিছিল, তাত কি কি ধৰ্ম্মানুষ্ঠান কেনেভাৱে হৈছিল, তাৰ আভাসো ইয়াত পোৱা যায়। কমলাবাৰী সত্ৰৰ বহুতো ভকতে দীননাথ বেজবৰুৱাৰ পৰা উপ-ঢৌকনো পায়। অসমত বৈষ্ণৱ-ধৰ্ম্মৰ প্ৰাদুৰ্ভাৱ কম নাছিল যদিও, সেই সময়ত হিন্দু-ধৰ্ম্মৰ বিপক্ষে ধৰ্ম্ম প্ৰচাৰকৰ দল অসমত আহি সোমাইছে। খ্ৰীষ্টান মিচনাৰী সকলে হিন্দু-ধৰ্ম্মৰ বিপক্ষে খ্ৰীষ্টান ধৰ্ম্ম প্ৰচাৰ কৰাৰ উপৰিও, ব্ৰাহ্ম-ধৰ্ম্মৰ প্ৰচাৰক অসমত সোমাই সেই ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যত্ন কৰিছে, "পণ্ডিত ৰামকুমাৰ বিদ্যাৰত্ন নামেৰে এজন ব্ৰাহ্ম-ধৰ্ম্ম প্ৰচাৰক বঙালীয়ে ব্ৰাহ্ম-ধৰ্ম্ম প্ৰচাৰ কৰিবৰ নিমিত্তে অসমৰ জিলাই জিলাই বক্তৃতা দি ফুৰিছিল"। (১৬) এই ধৰ্ম্ম প্ৰচাৰত কোনো কোনো হিন্দু বিদ্ৰোহী হৈ উঠাৰ প্ৰমাণো "জীৱন সোঁৱৰণে" দিয়ে : "বিদ্যাৰত্নৰ সুদীৰ্ঘ শ্মশ্ৰুকে লক্ষ্য কৰি, এজন অহোবলীয়া হিন্দুৱে, হিন্দু-ধৰ্ম্মৰ বিপক্ষে তেওঁৰ বক্তৃতা শুনি বক্তৃতাৰ সভাতে থিয় হৈ ভৰিৰে মাটিত গোবোহনি মাৰি, বিদ্যাৰত্নৰ বক্তৃতাৰ সুৰতে সুৰ মিলাই, হাত মুৰ জোকাৰি চিঞৰি কৈছিল—'লম্বা লম্বা দাড়ি লইয়া যাহাৰা বক্তৃতা কৰিতে আসেন, তাহাদেৰ বুকে পদাঘাত, মাথায় পদাঘাত।'" (১৬)

"মোৰ জীৱন-সোঁৱৰণ"ৰ পৰা বুজা যায়—উনবিংশ শতিকাৰ শেষ ভাগত অসমৰ অৰ্থ-নৈতিক অৱস্থা সন্তোষ জনক নহয়। মানুহৰ সেই সময়ৰ ব্যৱসায় বাণিজ্য, দেশত প্ৰচলিত যান-বাহন আদিবোৰেও অৰ্থনৈতিক—স্বচ্ছলতাৰ পৰিচয় নিদিয়ে। কিন্তু পুৰণি কলীয়া

ৰজা-মহাৰাজা শিতাপধাৰী কিছুমানৰ যে অৱস্থা স্বচ্ছল আছিল সেই কথাৰো প্ৰমাণ পোৱা যায়: "মনত আছে এই সোণাৰিৰ হতুৱায়ে দেউতাই (দীননাথ বেজবৰুৱা) আইলৈ ১২০০৲ টকা বেচৰ এযোৰ সুন্দৰ বাখৰ পতোৱা খাৰু গঢ়াই লৈছিল।" (১২) আকৌ, "সিধায়ে কেৰু-মণি আৰু খাৰুত কেনেকৈ বাখৰ পতাইছিল, কেনেকৈ মিনা কৰিছিল, ৰঙা, নীলা আৰু কলপতীয়া কাচৰ মণি ভাঙি তাৰ একো টুকুৰা সঁচা বাখৰৰ শাৰীত সৰিব নোৱাৰাকৈ কেনেকৈ বহুৱাইছিল।" (১২)—এই বৰ্ণনায়ো এক শ্ৰেণী লোকৰ আৰ্থিক স্বচ্ছলতা আৰু লগতে সোণাৰিৰ কলুষিত স্বভাৱৰ আভাস দিয়ে। সিদ্ধেশ্বৰ সোণাৰিৰ সোণাৰি-শাল আৰু তাত স্বৰ্ণালঙ্কাৰৰ নিৰ্মাণ কৌশলৰ সূক্ষ্ম-বৰ্ণনাই স্বৰ্ণ-শিল্প প্ৰচলনৰ প্ৰমাণ দিছে। দুৰ্গেশ্বৰ শৰ্মাৰ প্ৰতিমা-নিৰ্মাণ কৌশলৰ যি নিখুঁত বৰ্ণনা পোৱা যায়, সিও সেই সময়ত খনিকৰ বিদ্যা প্ৰচলনৰেই প্ৰমাণ।

জীৱন চৰিত সম্বন্ধে কোৱা হৈছে—"Biography is a branch of literature, that is to say, it is an art, not a science. The biographies that succeed are those that people are always ready to read for the Kind of pleasure given by literary art. The biographies that fail are those that do not give that pleasure." (Encyclopaedia Britannica)

এইদৰে আত্ম-জীৱনীও এবিধ সাহিত্য-কলা। "মোৰ জীৱন সোঁৱৰণ" উকা আৰু নীৰস জীৱন-চৰিত নহয়। বিষয়বস্তুৰ উপস্থাপন-কৌশল, ভাষা, ৰচনাৰীতি আৰু ৰস —এই সকলোবোৰ মিলি ইয়াক সুখ-পাঠ্য সাহিত্য কৰিছে। ইয়াৰ বিষয়বস্তু জীৱন—চৰিতৰ বৈষয়িক কথা হলেও, প্ৰায় বোৰ বৰ্ণনাৰ মাজতেই লিখকৰ অনুৰাগ ৰঞ্জিত হৈছে। সেয়েহে মনোধৰ্ম্মিতা ( Subjectivity ) গুণ লাভ কৰি প্ৰকৃত সাহিত্যৰ ই অন্তৰ্ভুক্ত হব পাৰিছে। বেজবৰুৱাই প্ৰায় সকলো-বোৰ কথা ইয়াত গতানুগতিক ভাবে নিলিখি কলাত্মক ৰূপত উপস্থাপন কৰিছে। উপস্থাপন ৰীতিত বাগাড়ম্বৰ কৌশল ( Circumlocution ) সততে দেখা যায়। এই কৌশল-ৰীতিয়ে বেজবৰুৱাৰ সাহিত্য জেউতি সকলো ঠাইতে চৰায়। উদাহৰণ স্বৰূপে, জন্ম চনৰ কথা কবলৈ গৈ বেজবৰুৱাই "জীৱন সোঁৱৰণ"ৰ আৰম্ভনিতে লিখিছে -"মই ডাঙৰ হলে যেতিয়া মনতে এটা শক ভাবি সাজিলৈ, মোৰ জন্মৰ শক-তাৰিখ নিদিলে নচলা কাৰ্য্যবোৰৰ নিমিত্তে সেই-টোকে ব্যৱহাৰ কৰিছিলো। কাৰবাফ লাগিলে, সেই শক তাৰিখটোকে এইখিনিতে দিব পাৰো। যথা ১৮৬৮ খ্ৰীষ্টাব্দ, নবেম্বৰ মাহ। কিন্তু ইয়াৰ দ্বাৰা কাৰ কি লাভ বা লোকচান হব কব নোৱাৰো। এই পৃথিবীত মোৰ প্ৰদত্ত এই শকটোৰ দুবছৰ নাইবা চাৰি বছৰ আগতে, নাইবা পিছতে, মই অনুষ্টুৰ ধ্বংস কৰিবলৈ জন্ম লোৱাৰ বাতৰি শুনি, ভাবি ভনি, তাৰদ্বাৰাই এই মনুষ্য লোকৰ কিবা হানি বিঘিনি বা উপকাৰ—অনুপকাৰ হব বুলি মোৰ মনে নধৰে।"

জনছনে ( Johnson ) এডিছনৰ ( Addison ) ষ্টাইল প্ৰশংসা কৰি কৈছিল—"Whoever wishes to attain an English style, familiar but not coarse, and elegant but not ostentations, must give his days and nights to the valumes of Addison." এই ধৰণৰ প্ৰশংসা বাৰিব কণিকা সিঞ্চন বেজবৰুৱাৰ ৰচনাৰ ওপৰতো নিসন্দেহে পেলাব পাৰি, আৰু তাৰ চিটিকনি "মোৰ জীৱন সোঁৱৰণ"তো স্বাভাৱিকতে পৰে। বেজবৰুৱাই কৃপাবৰী ৰূপ লৈ "ওভতনি", "বুৰবুৰনি" আদিত নানা কৌশল অবলম্বন কৰি হাস্য ৰসৰ সৃষ্টি কৰিছে, আৰু সৰস অথচ আড়ম্বৰপূৰ্ণ ষ্টাইলৰ সৃষ্টি কৰিছে। লগতে, ব্যঙ্গ-মন্ত্ৰ উচ্চাৰণ কৰি অসমীয়া জাতীয় জীৱনৰ দোষ-ব্যাধি দূৰ কৰিবলৈ যত্ন কৰিছে। সেই কৃপাবৰী ষ্টাইলে "মোৰ জীৱন-সোঁৱৰণ"কো ৰসাল কৰি তুলিছে, আৰু মাজে মাজে ইয়াৰ মাজত একে ব্যঙ্গ মন্ত্ৰই ধ্বনিত হৈছে। ইংৰাজী সাহিত্যৰ অন্যতম বিখ্যাত আত্ম-জীৱনী লিখক দি কুইন্সী ( De Quincey ) গদ্য ৰচনাৰ এগৰাকী ষ্টাইলিষ্ট। তেওঁৰ আত্ম জীৱনীত ( Confession of an English Opium-Eater ) তেওঁৰ যি নিজস্ব মনোবৃত্তি কেন্দ্ৰিক ষ্টাইল ( idiosyncratic style )



প্ৰকাশ হৈছে, তাত তেওঁ নিজৰ মনোবৃত্তিক এজন প্ৰকৃত শিল্পী হিচাপে ৰূপায়িত কৰিছে। "জীৱন-সোঁৱৰণ" তো বেজবৰুৱাৰ নিজস্ব মনোবৃত্তি কেন্দ্ৰিক ষ্টাইল প্ৰকাশ পাইছে। কিন্তু তাৰ মাজত নিজৰ মনোবৃত্তি প্ৰকাশ কৰোতে বেজবৰুৱা বাস্তৱ মানৱ শুচি ভাৱাবেগত অভিভূত শিল্পী হৈ পৰা নাই। সেয়েহে "জীৱন সোঁৱৰণ"ৰ বৰ্ণনা কলাত্মক হোৱাৰ উপৰিও বাস্তৱোজ্জ্বল। ৰচনাৰ মাজত বিষয়ান্তৰলৈ বাগৰি যোৱা কাৰ্য্যাই (digression) দি কুইন্সীৰ ষ্টাইল দূষণীয় কৰিছে, সি কিন্তু বেজবৰুৱাৰ ষ্টাইল বৈশিষ্ট্যপুষ্ট কৰিছে।

মুঠতে এই কথা কব পাৰি- -বিষয় বস্তুৰ ফালৰ পৰা অসম্পূৰ্ণ হলেও আৰু সাধাৰণ দুই এটা দোষ-ত্ৰুটি থাকিলেও "মোৰ জীৱন-সোঁৱৰণ" আমাৰ সাহিত্যৰ এখন উচচ পৰ্যায়ৰ গদ্য গ্ৰন্থ। ইয়াৰ মাজত অনুসন্ধিৎসুই ঊনবিংশ শতিকাৰ শেষ ভাগৰ দুৰ্দ্দশাগ্ৰস্ত অসমৰ সামাজিক, ধৰ্ম্মীয়, শিক্ষা-দীক্ষা সম্বন্ধীয় আদি পৰিস্থিতিৰ মাজত ভুমুকিয়াব পাৰে। সাহিত্যামোদীসকলেও ইয়াৰ ভাষা, বিষয় বস্তুৰ উপস্থাপন ৰীতি, ষ্টাইল, হাস্য-ৰস ভাষাৰ শ্লেষ-গুণ, ধ্বনি, উপমা আদিক লৈ বিশদ আলোচনা ইচ্ছা কৰিলে কৰিব পাৰে। তেনে আলোচনাই "মোৰ জীৱন-সোঁৱৰণ"ক উচচ পৰ্য্যায়ৰ সাহিত্য হিচাপে প্ৰতিষ্ঠিত কৰিব পাৰিব-সন্দেহ নাই। আকৌ, জীৱন-চৰিত সম্বন্ধে কোৱাৰ নিচিনা—"The true conception of biography, there fore, as the faithful portrait of a soul in its adventures through life, is very modern".

"মোৰ জীৱন-সোঁৱৰণ" সম্বন্ধেও কব পাৰি—ইয়াৰ মাজেদিও বেজবৰুৱাৰ অন্তৰখন সুন্দৰভাবে জিলিকি উঠিছে।



# বেজবৰুৱাৰ 'সভাপতিৰ ভাষণ'

**শ্ৰীভিবেশ্বৰ শৰ্মা**

১৯২৪ চনত অসম সাহিত্য সভাৰ গুৱাহাটীত বহা সপ্তম অধিৱেশনৰ সভাপতিত্ব কৰিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। বেজবৰুৱাৰ সভাপতিৰ ভাষণখনি আছিল অনন্য সাধাৰণ. এনে ভাষণ আগতেও পাঠ হোৱা নাছিল, আজিও পাঠ হোৱা নাই। তথ্যসমৃদ্ধ আলোচনা আৰু ৰসাল ৰচনা ভঙ্গীয়ে ভাষণখনি অত্যন্ত সুখপাঠ্য কৰি তুলিছে। সাধাৰণতে এনে ধৰণৰ ভাষণবোৰ পঢ়িবলৈ বা শুনিবলৈ আমনিলগা হয় কাৰণ তথ্যসমৃদ্ধ আলোচনাৰ প্ৰতি বিশেষ ভঙ্গীৰে নিলিখিলে মানুহৰ আগ্ৰহ জন্মোৱা টান। তথ্যসমৃদ্ধ আলোচনাও মনোগ্ৰাহী কৰি ৰসাল ভঙ্গীৰে লিখিব পৰা শক্তি অসমত বেজবৰুৱাৰ বাহিৰে আন কাৰবাৰ আছে বুলি মনে নধৰে। স্বাধীন জাতিৰ স্বাধীন মনোবৃত্তিৰ কথা বৰ্ণনা কৰোঁতে বেজবৰুৱাই কেনে আকৰ্ষণীয় অথচ ওজস্বী ভাষা ব্যৱহাৰ কৰিছে চাওক—

"মুকলি আকাশ মুকলি বতাহৰ তলত মুকলিমূৰীয়া তেওঁলোকৰ ভোজন ভীমসেনৰ ভোজন; শয়ন কুম্ভকৰ্ণৰ শয়ন; গমন গজেন্দ্ৰগমন; লম্ফ হনুমন্তৰ লম্ফন; গৰ্জন ব্যাঘ্ৰৰ গৰ্জ্জন; অথচ জাগৰণ সজাগ 'বুলডগ'ৰ জাগৰণ। তেওঁলোকৰ খেমালি-খিকিন্দালি ল'ৰাছোৱালীৰ খেমালি-খিকিন্দালি; ৰং-তামচা চ'তৰ বিহুৰ ওপৰৰ থাপৰ; খং ৰিং জানিবা গোনা ম'হৰহে জোঙা শিং।" এটা স্বাধীন জাতিৰ স্বভাৱ চৰিত্ৰ ইমান থুলমূলকৈ অথচ এনে আকৰ্ষণীয় আৰু ওজস্বীভাষাৰে বৰ্ণনা কৰিব পৰা লিখক অতি বিৰল। আকৌ পৰাধীন অসমীয়া জাতিৰ স্বভাৱ চৰিত্ৰ তেখেতে কেনেকৈ বৰ্ণনা কৰিছে চাওক :—

"কিন্তু পৰাধীন অগ্নিমান্দ্য ৰোগী আমি; আমাৰ ভোগৰ ঠাইত "ডিচ্‌পেপ্‌ছিয়া" টোপনিৰ ঠাইত "ইনচ্‌মনিয়া"; ভোজনৰ বাটিত মাটিকাঁদুৰি; পাতৰ দাঁতিত লাইজাবৰি; খেমালি-খিকিন্দালিৰ ঠাইত পোৱা কাযোৰা; ৰং-তামচাৰ ঠাইত নল-খৰিয়াল আৰু কন্দা-কটা, আৰু হাঁহি-কিনিকিনিৰ ঠাইত গোমোঠা মুখ।"

এইদৰে বেজবৰুৱাই আমাৰ দেশৰ দুৰ্ভাগ্যজনক পৰাধীনতাৰ কথা তেখেতৰ ভাষণৰ মাজেদি সৌৰবাই দি দেশবাসীক স্বদেশপ্ৰেমৰ মন্ত্ৰত উদ্বুদ্ধ কৰিছে আৰু লগতে কৈছে যে, পৰাধীন জাতিয়ে কেতিয়াও উদাৰ আৰু মুক্ত সাহিত্যৰ সৃষ্টি কৰিব নোৱাৰে। স্বাধীন দেশহে স্বাধীন মনোবৃত্তিৰ প্ৰাণৱন্ত সাহিত্য সৃষ্টি কৰিবৰ যোগ্য।

বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন দেশ স্বাধীন হোৱাৰ পাছত ১৯৪৮ চনতহে গৃহীত হৈছে। আৰু এতিয়াও অসমত এই আইন সম্পূৰ্ণ কাৰ্যকৰী হৈছে বুলি ক'ব নোৱাৰি। কিন্তু বেজবৰুৱাই তেওঁৰ ভাষণত ১৯২৪ চনতে কৈছিল যে প্ৰাথমিক শিক্ষা বাধ্যতামূলক নহলে ভাষা আৰু সাহিত্যৰ উন্নতিসাধন নহয়। পঢ়ুৱৈ সংখ্যা যথেষ্ট নহলে লিখকসকলে লিখিবলৈ উৎসাহ নাপায় আৰু কিতাপ, আলোচনী, বাতৰিকাকত আদি প্ৰকাশ কৰাও বৰ দুঃসাধ্য হৈ পৰে। অৱশ্যে বেজবৰুৱাই এই ভাষণ লিখাৰ পৰা যোৱা দুকুৰি চাৰি বছৰে অসমত লিখা-পঢ়া জনা মানুহৰ সংখ্যা বহুপৰিমাণে বাঢ়িছে আৰু সেই অনুৰূপে অসমীয়া কিতাপ, আলোচনী আৰু বাতৰিকাকতৰ সংখ্যাও যথেষ্ট বাঢ়িছে। বেজবৰুৱাৰ সময়ত অসমীয়া পঢ়ুৱৈৰ সংখ্যা বৰ কম থকাত তেখেতে নিজৰ জেপৰ পইচা ভাঙিও 'বাঁহী' উলিয়াব লগা হৈছিল আৰু সেইকাৰণেই এই আক্ষেপ।

অসমীয়া বৈষ্ণৱ সাহিত্যৰ প্ৰতি বেজবৰুৱাৰ প্ৰগাঢ় শ্ৰদ্ধা আছিল। আৰু তেখেতৰ ভাষণত এই শ্ৰদ্ধা সম্যক ভাৱে ফুটি উঠিছে। বেজবৰুৱাই ভবিষ্যৎবাণী কৰি কৈছে—

"ভবিষ্যৎ বাণীৰ ৰোগে যেতিয়া মোক ধৰিছে, আকৌ ভবিষ্যৎবাণী কৰোঁ, অসীম কালৰ অমন্ত সাহিত্য গগনত এই শঙ্কৰী যুগৰ সাহিত্যৰ নীল শতদল, শঙ্কৰ-মাধৱৰ বিমল কিৰণত মহিমামণ্ডিত হৈ সদায় ধলমল হৈ প্ৰফুল্লিত থাকিব।" বেজবৰুৱাৰ দৰে মনে প্ৰাণে বৈষ্ণৱ সাহিত্যৰ প্ৰতি অনুৰক্ত লোক অসমীয়া সাহিত্যিকসকলৰ ভিতৰত বৰ বিৰল। বেজবৰুৱাৰ আগমন প্ৰবন্ধত শ্ৰীশঙ্কৰ-মাধৱৰ পদৰ উদ্ধৃতি পোৱা যায়। অভিভাষণখনিত মাধৱদেৱৰ নামঘোষাৰ পৰা তলৰ পদফাকি উদ্ধৃত হৈছে—

শান্ত- চিদানন্দ শুদ্ধ অনন্ত মহিমান্বিত
নিৰ্ম্মল তৰঙ্গচয় হীন।
হেনয় পৰমানন্দ অমৃত সাগৰে মজি
আচন্ত নকৰে বুদ্ধি হীন ॥

তদুপৰি শ্ৰীশঙ্কৰদেৱৰ কীৰ্তন পুথিৰ পৰা সৰ্ব্বমুঠ ৭০ শাৰী আৰু দশমস্কন্ধ ভাগৱতৰ পৰা সৰ্ব্বমুঠ ৫৪ শাৰীৰ উদ্ধৃতি দিয়া হৈছে। এইবোৰ উদ্ধৃতি বেজবৰুৱাই দিছে বৈষ্ণৱ সাহিত্যৰ "বৰ্ণনাৰ প্ৰাঞ্জলতা, শক্তিমত্তা, ওজস্বিতা আৰু তাত গভীৰ আধ্যাত্মিক ভাৱৰ সংমিশ্ৰণৰ নমুনা হিচাবে।

বেজবৰুৱাৰ ভাষণখনিত সমসাময়িক বঙ্গালী সাহিত্য সম্পৰ্কেও যথেষ্ট কথাৰ আলোচনা আছে। বিশ্বকবি ৰবীন্দ্ৰনাথৰ ৰচনাৰ কথা কেবাঠাইতো উল্লেখ আছে। ফ্ৰেন্স সাহিত্য আৰু বঙ্গীয় সাহিত্যৰ তুলনামূলক সমালোচনা কৰি ভাষণখনিত বেজবৰুৱাই লিখিছে—

"ফ্ৰান্সৰ সুব্যক্ত, সুস্পষ্ট স্বচ্ছ আৰু প্ৰাঞ্জল ভাবেই ফ্ৰেন্স গদ্য সাহিত্যক জগতত অতুলনীয় কৰি তুলিছে। ৰবীন্দ্ৰনাথৰ কবিতা বাদ দি ধৰিলে বঙ্গীয় কাব্য-সাহিত্যতো প্ৰায় এনেকুৱা লক্ষণকে দেখা যায়। তুৰীয় বিৰাট আবেগ আৰু ভাবৰ ইন্দ্ৰজাল বঙ্গ সাহিত্যত নাই—আছে প্ৰাঞ্জলতা, নিৰ্ম্মলতা আৰু কোমলতা। অৱশ্যে, ৰবীন্দ্ৰনাথৰ কবিতা এই কথাৰ ব্যতিক্ৰম। ৰবীন্দ্ৰনাথৰ কবিতাত কঠোৰ বুলি বস্তু এটা নাই। তেওঁৰ কল্পনা স্থূল জগতৰ পৰা উৰি গৈ, নেদেখা, নজনা-নুশুনা দেশত বিহাৰ কৰে। তেওঁৰ exquisitely refined বীণাৰ তাঁৰ সুক্ষ্ম সুদূৰ "অবাঙ্মনসগোচৰ"ৰ আঙুলি বুলনিত বাজি উঠে। তেওঁৰ আকাংক্ষা আৰু বাক্য এনে :—

"আমি চঞ্চল হে সুদূৰেৰ পিয়াসী। দিন চলে যায়, আমি অন্যমনে, তাঁৰি পথ চেয়ে থাকি বাতায়নে। ওগো সুদূৰ! বিপুল সুদূৰ! তুমিযে বাজাও বিপুল বাঁশৰী; কক্ষ আমাৰ, ৰুদ্ধ দুৱাৰ সে কথা যে যাই পাসৰি।"

ৰবীন্দ্ৰনাথৰ বাহিৰেও যি কেইজন বঙ্গীয় লিখকৰ ৰচনাৰ মাহাত্ম্য বেজবৰুৱাই তেওঁৰ ভাষণত বখানিছে, তেওঁলোক হৈছে ৰাজা ৰামমোহন ৰায়ক বঙ্গীয় গদ্যৰ প্ৰাণ প্ৰতিষ্ঠাতা হিচাবে, বঙ্কিমচন্দ্ৰ চেটাৰ্জ্জীক বঙ্গীয় উপন্যাস সাহিত্যৰ পথপ্ৰদৰ্শক হিচাবে আৰু মাইকেল মধুসূদন দত্তক


"সমুখ সমৰে পৰি বীৰ চূড়ামণি
বীৰবাহু চলি যবে গেল যমপুৰে
সকালে কহ হে দেবী অমৃত ভাষিনী
কোন বীৰবৰে বৰি পঠাইল ৰক্ষেশ্বৰে"

আদি শাৰীৰে আৰম্ভ হোৱা অমিত্ৰাক্ষৰ ছন্দৰ অভিনৱ কাব্য "মেঘনাদ বধ"ৰ স্ৰষ্টা হিচাবে।

বেজবৰুৱাই ভাষণখনিত ইউৰোপীয়ান সাহিত্যৰ তিনিটি (১) গ্ৰীচীয় (২) ৰোমীয় (৩) কেলটিক ধাৰাৰ কথা বিতং ভাবে আলোচনা কৰি "কেলটিক প্ৰতিভাৰে সৈতে ভাৰতীয় প্ৰতিভাৰ সাদৃশ্য—" বিচাৰ কৰিছে। আৰু এই সাদৃশ্য থকা বস্তুটি হৈছে—"বিচাৰ বিবেকতাই সিটো ধৰিব এনে এটা ইন্দ্ৰিয়াতীত, মুক্ত, অসীম, শান্ত, শিৱম, ৰহস্যময় প্ৰহেলিকাময় বস্তু।" ভাষণখনিত বেজবৰুৱাই যি দক্ষতাৰে ইংৰাজী আৰু অন্যান্য ইউৰোপীয়ান সাহিত্য বিশ্লেষণ কৰিছে তাৰ পৰাই বেজবৰুৱাৰ বিদেশী সাহিত্যত গভীৰ আৰু বিস্তৃত অধ্যয়নৰ কথা দৃঢ়ভাৱে প্ৰমাণ কৰে। ভাষণখনিত পাৰ্চী আৰু উৰ্দ্দু সাহিত্যৰ পৰাও কিছুমান মনোমোহা উদ্ধৃতি বেজবৰুৱাই দিছে।

সংস্কৃত সাহিত্যৰ প্ৰতিও বেজবৰুৱাৰ গভীৰ শ্ৰদ্ধাৰ কথা এই ভাষণখনিয়ে সৌৰবাই দিয়ে। বেজবৰুৱাৰ

ভাষণ খনি বহুঠাইত সংস্কৃত খণ্ডবাক্য, শ্লোকৰ পাদ বা সম্পূৰ্ণ সংস্কৃত শ্লোকৰ উদ্ধৃতি আছে। তদুপৰি ব্যাস, বাল্মীকি, কালিদাস, ভৱভূতি আদি সংস্কৃত মহাকবি সকলৰ ৰচনাৰ মহত্বৰ কথা বেজবৰুৱাই গৌৰৱেৰে উল্লেখ কৰিছে। বস্তুতো ভাৰতীয় লোকে সংস্কৃত সাহিত্য আৰু অসমীয়া বৈষ্ণৱ সাহিত্যৰ দৰে মহৎ সাহিত্যৰ ওচৰ নাচাপি বা চাপিবলৈ নিজৰ জ্ঞানবুদ্ধিৰ সীমাবদ্ধতাৰ কাৰণে অকমহে পোনেই ইউৰোপীয়ান সাহিত্যৰ ওচৰ চাপি বিদেশী অৱনীপাতকী আদৰ্শৰ চাব আমাৰ সাহিত্যত পেলাই সাহিত্যক যি বিজতৰীয়া কৰিবলৈ প্ৰয়াস কৰাত বেজবৰুৱাই আক্ষেপ কৰিছে। বেজবৰুৱাৰ মতে বিদেশী সাহিত্যৰ ভাল বস্তুখিনি আমি গ্ৰহণ কৰি আমাৰ দেশৰ আৱাহাৱাৰ লগত মিলাই আমাৰ দেশৰ পটভূমিৰ লগত খাপ খোৱাকৈ হে তাক ৰূপ দিব লাগে। তদুপৰি আমাৰ নিজৰ প্ৰাচীন সাহিত্য আৰু সংস্কৃতিক আমি শ্ৰদ্ধা কৰা উচিত। আমাৰ যিখিনি আছে তাৰ কাৰণে আমি বিদেশীৰ ওচৰত হাত পাতিবলৈ যি কপহুতা হবৰ কোনো দৰকাৰ নাই। আমাৰ থকাখিনি আমি বিদেশীক গৌৰৱেৰে বুকুফিন্দাই উলিয়াই দেখুৱাম আৰু নথকাখিনিও আমি পোনপটীয়াকৈ ধাৰ নকৰি কৌশলেৰে আমাৰ জাতীয় প্ৰবৃত্তিৰ লগত মিলাইহে ধাৰ কৰিম। বেজবৰুৱাৰ মতে সাহিত্য আৰু ভাষাৰ ক্ষেত্ৰত ধাৰ কৰাটো বুদ্ধিমান আৰু সাহসিকতাৰ চিন। কিন্তু ধাৰৰ বোজাত পোত গৈ নিজৰ অস্তিত্ব বিসৰ্জ্জন দিয়াটো মূৰ্খামি আৰু কাপুৰুষালিৰ চিন।



# মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ

শ্ৰীৰাধানাথ শৰ্ম্মা

শঙ্কৰী যুগৰ অসমীয়া সাহিত্য নানা প্ৰকাৰ চৰিত সাহিত্যৰে সমৃদ্ধ। সেই সময়ত সন্ত-মহন্ত সকলে মহাপুৰুষ শঙ্কৰদেৱৰ জীৱন বৃত্ত শ্ৰদ্ধা সহকাৰে শ্ৰৱণ কৰিছিল। মহাপুৰুষ মাধৱদেৱকে প্ৰথম চৰিত বক্তা বুলি কোৱা হৈছে। বৰ্ত্তমান কালৰ চৰিত পুথিৰ স্থান জীৱনী সাহিত্যই অধিকাৰ কৰিছে। জীৱনী সাহিত্যত সাধাৰণতে এজন লোকে আন এজন মহৎ লোকৰ জীৱন বৃত্তান্ত শ্ৰদ্ধা সহকাৰে পাঠকৰ দৃষ্টি গোচৰলৈ আনিবলৈ যত্ন কৰে। ইংৰাজী সাহিত্যত ডাউডনে শেলীৰ জীৱনী লিখিছে। বচৱেলে ডাক্তৰ জনচনৰ এখনি প্ৰকৃত চিত্ৰ অঙ্কণ কৰিছে। এইবোৰ জীৱনীৰ মাজেৰে তেওঁলোকৰ জীৱন বৃত্তান্ত জানিবলৈ সুচল হৈ পৰিছে। জীৱনী সম্পৰ্কত ড: বিৰিঞ্চি কুমাৰ বৰুৱাই এঠাইত কৈছে,—"যুগৰ বুৰঞ্জী কেতবোৰ মাথোন ক্ৰমবদ্ধ ঘটনাৰ সমষ্টি অথবা ৰাষ্ট্ৰীয় বিৰাট পৰিকল্পনাৰ পৰ্যালোচনাত সমীবদ্ধ নহয়। সাহিত্যিকৰ সাহিত্য সৃষ্টি, দাৰ্শনিক আৰু অধ্যাপকৰ গভীৰ চিন্তাধাৰা, সমাজ সেৱীৰ মানৱ সেৱাৰ আদৰ্শৰ মাজেদিহে যুগৰ ইতিহাস পৰিস্ফুট হৈ উঠে। কোনো এখন দেশৰ যুগ বুৰঞ্জী উপলব্ধি কৰিবলৈ সেই কাৰণেই সমসাময়িক মনীষীসকলৰ চিন্তাধাৰা আৰু জীৱনাদৰ্শ বিচাৰ কৰাৰ প্ৰয়োজন।"

অসমীয়া সাহিত্য আৰু সাহিত্য সেৱী সকলৰ প্ৰতি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ বিশেষ ধৰণৰ শ্ৰদ্ধা আছিল। সেই কাৰণেই তেওঁ বৈষ্ণৱ যুগৰ অন্যতম গুৰিয়াল মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱক নতুন দৃষ্টিৰে চোৱাৰ প্ৰয়াস কৰিছিল। সেই প্ৰয়াসৰে ফল মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ। এই গ্ৰন্থখনিৰ পাতনিত বেজবৰুৱাই লিখিছে,-" মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সুদীৰ্ঘ জীৱনৰ ঘটনা আৰু কাৰ্য্যবোৰ সকলোৱে জানিবৰ সুবিধা যাতে হয়, সেই আশাকৰি আমি এই কিতাপখন ৰচনা কৰিলোঁ। আমি দেখিছোঁ যিসকলে এই মহাপুৰুষ দুজনৰ বিষয়ে অলপ জানে তেওঁলোকৰ সৰহ ভাগেও অনেক বিষয়ত প্ৰকৃত ঘটনা ভালকৈ নাজানি, কোনো কোনো চৰিত্ৰ লিখকে স্বাৰ্থসিদ্ধিৰ নিমিত্তে বিকৃত কৰি লিখা কথাবোৰ সত্য বুলি ধৰি লয়। যি যাৰ জীৱন চৰিত্ৰ লেখে, লেখকজন সেইজনৰ প্ৰতি শ্ৰদ্ধাৱান নহলে, তেওঁ লেখা কথাত প্ৰাণ নাথাকে; কাৰণ তেওঁৰ বিচাৰ বিবেচনা আৰু দৃষ্টি সেই জনৰ ওপৰত প্ৰায়ে বেঁকা হৈহে পৰে।" মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ গ্ৰন্থখনিয়ে পোণ প্ৰথম প্ৰকাশ পায় ২য় মহাযুদ্ধৰ সময়ত ১৯১৪ চনত। এই সময়ত গ্ৰন্থখনিৰ বিশেষ সমাদৰ নাছিল বুলি কলে একো অন্যায় কৰা নহব। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত জাতীয় জীৱনৰ বীৰ-বীৰাঙ্গনা সকলক শ্ৰদ্ধা কৰাৰ দৰে শিল্পী আৰু সাহিত্যিক সকলকো সন্মান কৰিবলৈ মানুহৰ অন্তৰত স্বাভাৱিকতে এটা নতুন অনুপ্ৰেৰণাৰ জন্ম হয়। তাৰ ফল স্বৰূপে বেজবৰুৱাৰ এই গ্ৰন্থখনিয়ে অসমীয়া সমাজত এক অপূৰ্ব্ব আলোড়নৰ সৃষ্টি কৰে।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ গ্ৰন্থ খনি বেজবৰুৱাৰ স্বৰচিত তেত্ৰিশটা অধ্যায়ৰ সমষ্টি। বাকী ওপৰঞ্চি অধ্যায়টো সেইসময়ৰ বৰপেটাৰ চাবডিভিজনেল অফিচাৰ একষ্ট্ৰা এচিষ্টেণ্ট কমিশ্যনাৰ কণকলাল বৰুৱাৰ দ্বাৰা ৰচিত আৰু তেখেতৰ অনুমতি লৈহে তাক এই গ্ৰন্থখনিৰ ভিতৰুৱা কৰি লৈছে বুলি কৈছে। এই অধ্যায় কেইটাত বিশেষকৈ শঙ্কৰদেৱৰ উপৰি পুৰুষৰ কথা, শঙ্কৰদেৱৰ জন্মৰ পৰা বাৰ বছৰলৈকে ঘটা

ঘটনা সমূহৰ কথা, বাৰবছৰৰ পৰা বত্ৰিশ বছৰৰ ভিতৰৰ বিবৰণ, শঙ্কৰদেৱৰ তীৰ্থভ্ৰমণ, বৰদোৱা পৰিত্যাগ, নামধৰ্ম্ম প্ৰচাৰ হৰিভোৱাইৰ মৃত্যু, ভূঞাৰাজ্য পৰিত্যাগ, পাটবাউসীত সত্ৰ স্থাপন, দেৱদামোদৰ লগত পৰিচয়, শঙ্কৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ, স্বধৰ্ম্ম আৰু গুৰুৰ অৰ্থে প্ৰাণ বিসৰ্জ্জন কৰোতা সকলৰ বিবৰণ, ৰাজসভাত শঙ্কৰদেৱৰ বিচাৰ আৰু জয় প্ৰতিষ্ঠা, ৰত্নাৱলী গ্ৰন্থ প্ৰাপ্তি, অনন্ত কন্দলিৰ 'উচ্ছিষ্ট ভোজন', শঙ্কৰদেৱৰ বেহাৰ যাত্ৰা, শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ, মাধৱদেৱৰ লগত সাক্ষাৎ, মাধৱদেৱৰ দীক্ষা লাভ, মাধৱদেৱৰ ভক্তসকল, মাধৱদেৱৰ সুন্দৰীদিয়া পৰিত্যাগ আৰু বৰপেটা গমন, মাধৱদেৱৰ কামৰূপ পৰিত্যাগ আৰু বেহাৰত বাস, মাধদেৱৰ বৈকুণ্ঠ প্ৰয়াণ, আৰু বদুলা আতাৰ চৰিত্ৰ— ইত্যাদি বিষয় সমূহৰ বিবৰণ দিছে। বেজবৰুৱাই মহাপুৰুষ দুজনাৰ কীৰ্ত্তি কলাপ আৰু চৰিত্ৰ অসমীয়া সমাজত প্ৰচাৰ কৰাৰ মানসেৰে নিস্বাৰ্থী হিচাবে ওপৰোক্ত কাহিনী সমূহ বৰ্ণনা কৰিছে।

বেজবৰুৱাৰ এই গ্ৰন্থ খনিৰ ৰচনা শৈলীত সাধাৰণতে কেইটিমান বৈশিষ্ট্য আমাৰ চকুত পৰে। গ্ৰন্থ খনিৰ অধিকাংশই বৰ্ণনা প্ৰধান। বৰ্ণনা সমূহে আমাক একোটিইত ঘটনাৰ লগত সুন্দৰকৈ পৰিচয় কৰি দিয়ে।" তেওঁলোকে ইয়াৰ পিছত নাভি-গয়া পাই ৰবাহ বিষ্ণুক দৰ্শন কৰি তাৰপৰা চাৰিদিনে মহানদী পালেগৈ। মহানদীত স্নান দান কৰি, আঠাৰনলা চাকি পাই তাতে তেওঁলোক খাই-লাই ৰাতি থাকিল; আৰু তাৰপৰা পাওঁহি শঙ্কৰদেৱক জগন্নাথ মহাপ্ৰভুৰ প্ৰসাদ দি ভকত সকলেৰে সৈতে আগবঢ়াই নিলে।"

কোনো কোনো ঠাইত সহজ সৰল ৰচনা ৰীতিকে অনুসৰণ কৰিছে। "শঙ্কৰদেৱে কলে ই আন একো মায়া নহয়; এওঁ ধৰ্ম্ম; তোমাৰ ঘৰত সদায় আছিল। তোমাৰ ভাৰ্য্যা প্ৰকৃতিৰ অংশ; তেওঁ সম্প্ৰতি হৰিত শৰণ লৈছে।" আকৌ—"এইদৰে শঙ্কৰদেৱৰ বেহাৰত থকা ডেৰ বছৰ হ'ল। মাধৱদেৱ সনক কুচিত।"

কোনো ক্ষেত্ৰত তেওঁৰ প্ৰকাশ ভঙ্গী কথোপকথন মূলক হৈছে। "এদিন শঙ্কৰে ভাতখাবলৈ বহোতে খেৰসূতী বুঢ়ীমাকে তেওঁক কলে,—"বাপু! তুমি পঢ়িব লাগে। আমাৰ বংশত উপৰিপুৰুষ সকলো পণ্ডিত......।" শঙ্কৰে বুঢ়ীমাকৰ এই কথা শুনি উত্তৰ দিলে,—"কোন পণ্ডিতৰ ওচৰত পঢ়িব লাগে, মোক পঠিয়াই দিয়া, মই অতি অলপ দিনৰ ভিতৰতে পঢ়ি তোমালোকৰ মনত সন্তোষ দিম।" "শঙ্কৰদেৱৰ দুৰ্গাৱৰীত থাকোঁতেই তেওঁৰ নুনৰীয়া কন্যা ৰুক্মিণী বিবাহযোগ্যা হোৱাত শঙ্কৰদেৱৰ পত্নীয়ে স্বামীক কলে যে, "ছোৱালীটি বিয়া দিবৰ হল। মোৰ বৰ ইচ্ছা যে মাধৱতে কন্যাটি দিওঁ। আপুনি এই কথা মাধৱৰ আগত প্ৰস্তাৱ কৰক; আপুনি আজ্ঞা কৰিলে তেওঁ নিশ্চয় সন্মত হ'ব।" ভাৰ্য্যাৰ এই কথা শুনি শঙ্কৰদেৱে উত্তৰ দিলে, যে "তুমি কবলৈ কৈছা, মাধৱ আহিলে তেওঁক বাৰু কম, কিন্তু তেওঁ সন্মত নহব।"

ক্ষেত্ৰ বিশেষে কোনো কোনো অধ্যায়ত প্ৰশ্ন আৰু উত্তৰৰ অৱতাৰণা কৰিছে। "এই কথা শুনি শঙ্কৰদেৱে উদাৰক সুধিলে, "তেন্তে তুমি প্ৰথমি আমাৰ আগত মিছা কৈছিলা কিয়?" উদাৰে উত্তৰ দিলে, "তাকৰীৰ কড়ি আছিল দেখি লাজতে নাই বুলি কৈছিলোঁ।" "শঙ্কৰদেৱে ব্ৰহ্মানন্দ আচাৰ্য্যক জিজ্ঞাসা কৰিলে,— "আটৈ পাতকীৰ কৰ্ম্মত অধিকাৰ আছেনে? অথবা পাতকীয়ে প্ৰায়শ্চিত্ত বা তিলকাঞ্চন দান কৰিলে উদ্ধাৰ হব পাৰেনে? আচাৰ্য্যই কলে,—" পাতকীৰ কৰ্ম্মত অধিকাৰ নাই।"

প্ৰয়োজন অনুসাৰে গ্ৰন্থ খনিত সংস্কৃত শ্লোক আৰু শাস্ত্ৰৰ উদ্ধৃতিও ব্যৱহাৰ কৰিছে।

"যথা তৰোৰ্মূল নিষেচনেন।
তৃপ্যন্তি তৎস্কন্ধ ভুজোপ শাখাঃ॥
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়াণাং।
তথাচ সৰ্ব্বাৰ্চ্চনমুচ্যতেজ্য॥"

"কদা বেত্ৰ প্ৰহাৰেণ কম্পিবং যায়তে মম।
শক্ৰাদয়ো দেৱগণাঃ নিত্যং বাঞ্চন্তি সৰ্ব্বদা॥"

"কৃপাৰ সাগৰ দৈৱকী নন্দন,
পূৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গ সদা নুওচোক
মুখে তুৱা গুণ নাম॥"—ইত্যাদি।



বেজবৰুৱাৰ ৰচনাৰ অন্যতম বৈশিষ্ট্য হাস্যৰসৰ চিটিকণিও গ্ৰন্থখনিত পৰিছে। ইয়াৰ আভাস গ্ৰন্থখনিত ব্যৱহাৰ কৰা ফকৰা, যোজনা আৰু পটন্তৰ সমূহত পোৱা যায়। এই বাবেহে কথাতে কয় "ভগা, হক ছিগা হক তুলাৰ পোৰালি। ফটা হক, চিটা হক, পাটৰ টঙালি।" আৰু কয় "গায়নৰ ঘৰৰ বোলাইও ৰাগ দিয়ে।" গ্ৰন্থখনিৰ অ'ত ত'ত ইংৰাজী শব্দও প্ৰয়োগ কৰিছে। "কেনে environment অৰ্থাৎ পৰিবেষ্টনত শঙ্কৰদেৱ উঠিছিল। সেই পৰিবাৰৰ দাসীজনীও কেনে intelligent অৰ্থাৎ বুদ্ধিমতী আৰু শিক্ষিতা ছোৱা।"

ভক্তিৰ মাহাত্ম্য প্ৰচাৰ কৰিবৰ বাবেই বোধহয় লেখকে গ্ৰন্থ খনিৰ বিভিন্ন অধ্যায়ত কিছুমান অলৌকিক কথাৰ বিবৰণ দিছে। "সাতজনী বুঢ়ী ভকতনীয়ে নিতো তাঁতীকুচিৰ পৰা শঙ্কৰদেৱৰ ওচৰলৈ নাম প্ৰসঙ্গ কৰিবলৈ আহে। এদিন হাথীয়া দলৈকে আদি কৰি জনচেৰেক শঙ্কৰ বিদ্বেষী জাতিয়ে তেওঁলোকক বাটত পাই আগুৰি ধৰি সুধিলে, "তোমালোক কলৈ যোৱা?" তেওঁলোকে উত্তৰ দিলে, "আমি শঙ্কৰদেৱৰ ওচৰলৈ নাম-প্ৰসঙ্গ কৰিবলৈ যাওঁহক।" এই কথা শুনি সেই দুৰ্দ্দান্ত কেইজনে বুঢ়ী সকলক কলে,—"তোমালোকে নামলৈ কি কৰিবা? যদি তোমালোকে এই মৰা গৰুটো নামৰ বলেৰে জীয়াই দিয়াব পাৰা, তোমালোকৰ ভকতিৰ চোট বুজিম আৰু তেহে তোমালোকক যাবলৈ দিম।" বুঢ়ীসকলে সাৰি যাবৰ উপায় নেদেখি নিৰুপায় হৈ মৰা গৰুটো বেঢ়ি বহি নাম গাবলৈ ধৰিলত, গৰুটো হঠাৎ উঠি লৰ ধৰি কিছু দূৰ গৈ আকৌ পৰি মৰি থাকিল।"

এইদৰে বেজবৰুৱাই অপূৰ্ব্ব ৰচনা কৌশলেৰে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ গ্ৰন্থখনি ৰচনা কৰি অসমীয়া সাহিত্য মন্দিৰৰ পূজাৰী সকলক এপাহি সুগন্ধী কুসুম দান দি গৈছে। ইয়াৰ সুঘ্ৰাণ লৈহে অসমীয়া জাতি, সাহিত্য-সংস্কৃতি আৰু ধৰ্ম্মৰ ক্ষেত্ৰত খোপে খোপে উঠাই যাব পাৰিব।

# বেজবৰুৱাৰ বাঁহী

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

লক্ষ্মীনাথ বেজবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ যুগস্ৰষ্টা। তেওঁৰ বাঁহী আলোচনীয়েও অসমীয়া আলোচনী সাহিত্যত ই এক বিশেষ বৰঙণি যোগাইছে।

পদ্মনাথ গোহাঞি বৰুৱা সম্পাদিত উষা আলোচনীখন (১৯০৭-১২ চন) জন্মৰ কালৰেপৰা বেজবৰুৱাই প্ৰবন্ধ-পাতিৰে পৃষ্ঠপোষকতা কৰিছিল। তাত তেওঁৰ 'কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন' শীৰ্ষক কেবাটাও প্ৰবন্ধ ওলায়। কিন্তু ১৮৩০ শকৰ ভাদ মাহৰ তৃতীয় ভাগ উষাত কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন শিতানৰ তলে 'এংলো ইণ্ডিয়ান' নামে এটা পালি প্ৰবন্ধ ওলোৱাৰ বাবে উষা ৰাজৰোষত পৰে। এই সন্দৰ্ভত সম্পাদকে উষাত এটা বিবৃতি দি কয়, "...সেই প্ৰবন্ধ সেই নামৰ আমাৰ ৰহস্যমূলক প্ৰবন্ধৰ অংশ বুলি ভাবিহে তাক ভ্ৰমবশতঃ ঠাই দিয়া হৈছিল। কিন্তু পিছত দেখা গল যে সেই প্ৰবন্ধৰ মত আৰু কথাৰ লগত আমাৰ এই মত আৰু কথা একেবাৰেই নিমিলে। কাৰো মনত অসন্তোষ দিয়া আমাৰ কাম নহয়। ইয়াৰ দ্বাৰাই আমি কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন প্ৰবন্ধ উষাৰপৰা উঠাই ললো।"

এই অমতৰ কাৰণে বেজবৰুৱাই নিজাকৈ এখন আলোচনী উলিওৱাৰ কথা চিন্তা কৰিলে। ইতিমধ্যে ১৯০৯ চনৰ আগষ্ট মাহত কলিকতাৰ মীৰ্জ্জাপুৰ ষ্ট্ৰীটত থকা 'লায়েক জুবিলী ইনষ্টিটিউচন'ত বিনন্দ চন্দ্ৰ ফুকনৰ সভাপতিত্বত বহা অসমীয়া ছাত্ৰসকলৰ সভাত কেবাবছৰো নিগাৰ হৈ থকা এ, এচ, এল ক্লাবখনক 'পুনৰ্জ্জীৱন দিবৰ আৰু এখন আলোচনী উলিয়াবৰ কাৰণে স্থিৰ কৰিলে। ইয়াৰ কেদিনমানৰ পিছত গীতিকবি যতীন্দ্ৰনাথ দুৱৰা, ভোলানাথ কাকতি, ৰোহিনীকুমাৰ চৌধুৰী, শ্ৰীনীলমণি ফুকন আৰু শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা পাঠকে বেজবৰুৱাক হেয়াৰ ষ্ট্ৰীটৰ কাৰ্য্যালয়ত দেখা কৰি ছাত্ৰসকলৰ প্ৰস্তাৱৰ কথা জনায়। বেজবৰুৱাই সেই কথা শুনি হাঁহি মাৰি ক'লে, "তোমালোকে প্ৰবন্ধ গোটাবা, সম্পাদনা কৰিবা। তাৰ পিছত যোৰহাটলৈ পঠাবা। তাত ছপা হৈ আকৌ কলিকতা পাবহি, তাৰ পিছত আকৌ তোমালোকে ইয়াৰপৰা বিলাবা। পোৱাহে তোমালোকৰ এইবিলাক তিনি ফেৰেঙনীয়া কথা। কাকত উলিওৱাৰ খুজিছা, বাৰু দিয়া মোক তিনিমাহৰ কাৰণে ছটা ছটাকৈ ওঠৰটা প্ৰবন্ধ, মই কাকত 'উলিয়াই দিম।' তেওঁলোক সন্মত হৈ ঘূৰি আহে। এমাহমানৰ মূৰত তেওঁলোকে ২২টা প্ৰবন্ধ বেজবৰুৱাৰ হাতত দিলে। তেওঁ হাঁহি মাৰি ক'লে, "তোমালোকে মোক ভাল ফান্দত পেলালা। ...বাৰু, প্ৰবন্ধবোৰ থৈ যোৱা। মই আকৌ পৰহিলৈ ঝাৰচোগোৰালৈ যাব লাগিব। দেখা' যক কি কৰিব পৰা যায়।" তেওঁ সেই প্ৰবন্ধবোৰ ৰাতি ঘৰত চায়হে। সেইবোৰ 'ৰাচি সাল-সলনি কৰি শুধৰাই দিবলৈ সময় নোহোৱাত' তেওঁ নিজা প্ৰবন্ধবিলাককে সজাই মেলি ছপাখানাৰ কাৰণে যুগুত কৰে আৰু এইকাম কৰোতে ৰাতি ২ বাজি গৈছিল। (উদ্বোধনী ভাষণ যতীন্দ্ৰনাথ দুৱৰা, বাঁহী ৩০শ বছৰ, ১১-১২শ সংখ্যা।) পিছদিনা হাওড়াৰ 'চনিকয়া প্ৰিণ্টিং ৱৰ্কচ'ত আলোচনীখন ছপাবলৈ দি নিৰ্দ্দিষ্ট দিনত বেজবৰুৱা ঝাড়চোগোড়ালৈ যায়। তেওঁ এই আলোচনীৰ বাঁহী নামকৰণ কৰে। পিছত দুৱৰাক এই নামটো কেনে হব বোলাত দুৱৰাই নামটো শুনি আনন্দ প্ৰকাশ কৰিলে। এইদৰে 'ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে' বাণী শিৰত লৈ ১৮৩১ শকৰ আঘোণ মাহত ২নং লালবজাৰ ষ্ট্ৰীটত থকা আসাম বেঙ্গল ষ্টোৰ্চৰপৰা ৩২ পিঠীয়া ডিমাই আকাৰৰ প্ৰথম সংখ্যা বাঁহী ওলায়। এই কাকত সম্পৰ্কে তেওঁ ১৮।১০।০৯ তাৰিখে হেম গোস্বামীলৈ লিখে, "..কলিকতীয়া ল'ৰাবোৰে 'নাচোৰবান্দাকৈ' লাগিছে বোলে মই মাহেকীয়া কাকত এখন উলিয়াবই লাগে। উলিয়াবলৈ মইও যোজা কৰিছো। ভাল ল'ৰাৰ দৰে তুমি এতিয়া মোক প্ৰবন্ধ যোগাব লাগে। মাহে মাহে তোমাৰ প্ৰবন্ধ একোটি লাগিবই। ইয়াত ৰাজনীতিৰ গোন্ধ ভাপ থাকিব নোৱাৰে, গতিকে তুমি নিৰাপদ" (বামধেনু, ত্ৰয়োদশ বছৰ। ৫ম সংখ্যা।)

প্ৰথম বছৰৰ প্ৰথম সংখ্যা বাঁহীৰ প্ৰথম পিঠিৰ কবিতাটি হ'ল—

"ধৰা মধুময় হক, ক্ষৰোক অমৃত
উঠি যাওক সি সোঁতত মোৰ কাঠ চিত।"

তাৰ পিছত ক্ৰমে জগৰামগুনৰ প্ৰেমাভিনয়; ৰেডিয়ামৰ কথা; অসমীয়া; আনন্দৰাম বৰুৱাৰ জীৱন চৰিত প্ৰবন্ধ (কৃপাবৰ বৰুৱাৰ নামত); কৃপাবৰৰ কবিতা দিনৰ সপোন; চন্দ্ৰ; কুলি; খোঁৱাখোৱা; কলা-বগা; আমাৰ জন্মভূমি আৰু ছয়ঋতুৰ ডাক। সামৰণিৰ প্ৰবন্ধ হল অসমীয়া ভাষাৰ সম্পৰ্কে আষাৰচেৰেক। এই প্ৰবন্ধৰ শেহত আছে, "..০০আপোনাসকলে সাৰোগতকৈ জানিব, অসমীয়া ভাষাৰ উন্নতি অসমীয়া সাহিত্যৰ উন্নতি অসমৰ উন্নতিৰ প্ৰথম চাপ। ০০ আমাৰ সাৰপৰা মিছা ভেম গৈ তাৰ ঠাইতলৈ প্ৰকৃত আত্মসন্মান আহিলে আমি এইদৰে মুজুৰা লাগি থাকিব নোৱাৰো। নিশ্চয় জানিব। এইবোৰ পাবৰ প্ৰধান উপায় জ্ঞান উপাৰ্জন, বিদ্যা উপাৰ্জ্জন আৰু মাতৃভাষাৰ উন্নতিসাধন। স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গল মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।....' প্ৰথম সংখ্যা কাকতত আত্মকথা বা সম্পাদকীয় নাছিল। সেইকাৰণে দ্বিতীয় সংখ্যা কাকতৰ সম্পাদকৰ চ'ৰাত বেজবৰুৱাই লিখে; "প্ৰথম সংখ্যা বাঁহীত "আত্মকথা" নথকা বাবে এজন বন্ধুৱে আমাক শুধিছে, "প্ৰচলিত আত্মকথা আপোনাৰ বাঁহীত নথকাৰ কাৰণ কি।" আমাৰ "কৈফিয়ৎ" বিচৰাজনক কওঁ যে বাঁহীৰ আত্মকথা নাছিল দেখিহে নোলাইছিল, থকাহেঁতেন ওলালহেঁতেন। আমি এই বাবে ওলাইছোঁহি, সেইবাবে ওলাইছোঁহি, এনে কৰিম, তেনে কৰিম, এনেবিলাক কথাৰ ঢোল বজাই সৰ্ব্বসাধাৰণৰ আগত ওলোৱাটো বাঁহীৰ মনত অভিলাষ নাছিল।

"কাৰ্য্যক্ষেত্ৰত সোমাই নিজৰ ক্ষুদ্ৰ শক্তি অনুসৰি লাহে লাহে কাম কৰি যোৱাটোহে বাঁহীৰ ইচ্ছা। কাৰ্য্যহে যোগ্যতা অযোগ্যতাৰ চিনাকি, ডাঙৰ দীঘল জাননী নহয়। ক্ষুদ্ৰ বাঁহী টিঁকিবৰ অযোগ্য হলে ৰসাতললৈ যাব আৰু যোগ্য হলে ওপৰলৈ উঠাব, এইটো নিশ্চয়। আমাৰ কাকতৰ গ্ৰাহকৰ সাগতিয়াল কৰি তুলিব পাৰিলে আমি গ্ৰাহকসকলৰ অনুগ্ৰহৰ পৰা বঞ্চিত নহওঁ বুলি আমাৰ বিশ্বাস।...."

১৯১৭ চনত বেজবৰুৱাই কলিকতা এৰি সম্বলপুৰত থাকিব লগা হোৱাত আৰু যতীন্দ্ৰনাথ দুৱৰাও ডিব্ৰুগড়লৈ যোৱাত বাঁহীৰ পৰিচালনাৰ ভাৰ শ্ৰীঅমিয়াকুমাৰ দাস, শ্ৰীৰাজেন্দ্ৰনাথ বৰুৱা, ধীৰেন্দ্ৰনাথ আগৰৱালা আদি ছাত্ৰসকলৰ ওপৰত পৰে। কিন্তু বেজবৰুৱা কাকতৰ সম্পাদক হৈ থাকিল। বেজবৰুৱাৰ সময়ৰ অভাৱ বাঁহীখনো নিয়মমতে নোলোৱা হ'ল। সেইসময়ত চন্দ্ৰকুমাৰ আগৰৱালা ডিব্ৰুগড়ত আছিল। বেজবৰুৱাই যতীন্দ্ৰনাথ দুৱৰাৰ সৈতে আলোচনা কৰি বাঁহী প্ৰকাশৰ ভাৰ আগৰৱালাক দিয়ে। পিছত অসমীয়া কাকত গুৱাহাটীৰপৰা ওলোৱাত আৰু আগৰৱালা নিজে গুৱাহাটীত থকাত বাঁহী গুৱাহাটীৰপৰা ওলাবলৈ ধৰে। এইদৰে বাঁহী চলি ১৯৩৩ চনত নিৰৱ হবলগীয়া হয়। ইতিমধ্যে শ্ৰীঅমিয়কুমাৰ দাসে বাঁহী সম্পাদনা আৰু প্ৰকাশ কৰিবলৈ ইচ্ছা কৰাত বেজবৰুৱাই দুৱৰা আৰু ড: বাণীকান্ত কাকতিৰ পৰামৰ্শক্ৰমে শ্ৰীদাসক সেই দায়িত্ব (১৯৩৪-৩৬ চন) দিয়ে। বেজবৰুৱাই দুৱৰালৈ লিখে, "কাকতিৰো চিঠি পাইছোঁ, তোমাৰো পালোঁ; দুফালৰপৰা দুজন ডেকা অধিকাৰৰ তাপত বুঢ়া অধিকাৰ লৰকফৰক। তোমালোকে যি ভাল দেখা তাকে কৰা, মোৰ অমত হবলৈ কোনো কাৰণ নাই; মাথোন মনত ৰাখিবা –"বাঁহী'মোৰ মানস প্ৰতিমা, আলায় আথানি হোৱা দেখিলে মই বৰ বেজাৰ পাম।" বেজবৰুৱাৰ মৃত্যুৰ পিছত মাধৱচন্দ্ৰ বেজবৰুৱাই কেইবছৰমান (১৯৩৮-৪৫৮৯) বাঁহীখন উলিয়ায়। এয়ে বাঁহীৰ জীৱন বৃত্তান্ত।

বাঁহীয়ে সুস্থ আৰু নিৰ্ভীক সাংবাদিকতাৰ আদৰ্শ দেখুৱালে। বাঁহীয়ে আনক অনুকৰণ নকৰি নিজ বাটত আগবাঢ়ি গৈছিল। বাঁহী কাকতত পুথি সমালোচনাৰ চানেকি পোৱা যায়। সেইকাৰণে প্ৰায় লেখকে বাঁহীৰ সম্পাদকৰ সমালোচনাক ভয় কৰি চলিছিল আৰু তাত গুৰুত্ব আৰোপ কৰিছিল।

বাঁহী জাতীয়তাৰ প্ৰতীক আৰু এই কাকতে আমাৰ নিজদেশক ভাল পাবলৈ শিকালে। এই কাকতে পুৰণি কলীয়া বিহু উৎসৱ পালন কৰিবলৈ শিকালে—"যদি অসমীয়া বিহু আদি জাতীয় উৎসৱবিলাক আগৰ দৰে পালন কৰিবলৈ পাহৰি যায়, তেন্তে অসমীয়া জাতি আৰু অসমীয়া হৈ নাথাকে।" আমাক মহাপুৰুষ-সকলৰ গুণ-কীৰ্ত্তন কৰিবলৈ এই কাকতেই উদগনি দিলে।

বাঁহীত জাতীয়তাৰ সঞ্জীৱনী মন্ত্ৰ থাকিলেও ইয়াৰ মাজেদি কেতিয়াবা আধ্যাত্মিক সুৰ বাজি উঠে। ইয়াত শ্ৰীকৃষ্ণকথা (একাদশ বছৰ, ১০শ-১১শ সংখ্যা), তত্ত্ব কথা (সপ্তদশ বছৰ ২য় সংখ্যা), সগুণ আৰু নিৰ্গুণ উপাসনা (২৩শ বছৰ, ৮ম সংখ্যা) আদি প্ৰবন্ধবোৰ আমাৰ ভাষাৰ মূল্যবান সম্পদ। এই তত্ত্বালোচনামূলক প্ৰবন্ধবোৰত বহুশাস্ত্ৰবেত্তা বেজবৰুৱাই ধৰ্ম্মৰ সূক্ষ্ম কথাবিলাক, গুৰুগম্ভীৰ আৰু প্ৰাঞ্জলভাৱে ব্যাখ্যা কৰিছে। তেওঁৰ ৰচনাৰ ভিতৰত এই প্ৰবন্ধবোৰ উৎকৃষ্ট।

বাঁহীৰ সুৰ মধুৰ, কিন্তু কাৰ্য্যক্ষেত্ৰত বেজবৰুৱাৰ বাঁহী আছিল সংগ্ৰাম-ভেৰী। অসমীয়াৰ জাতীয়ত্ব, ভাষাৰ স্বকীয়া বৈশিষ্ট্য আদি ৰক্ষা কৰাত বাঁহীয়ে সব্যসাচীৰ দৰে সকলো আক্ৰমণ ওফৰাইছিল। যেনে আসামৰ স্বতন্ত্ৰতা, (বাঁহী, ৩য় বছৰ), অসমীয়া ভাষা আৰু বঙালীৰ চকুত টোপনি (বাঁহী ২য় বছৰ, ৯ম সংখ্যা), ইত্যাদি।

বাঁহীৰ সম্পাদকীয় অৰ্থাৎ সম্পাদকৰ চ'ৰা আৰু কাঁকনী আৰু থাবলি শিতানৰ কথাখিনিত অনেক জ্ঞান-গৰ্ভ আৰু তত্ত্বমূলক কথা পোৱা যায়। সেইবোৰ বিভিন্ন বিষয়ক। সেইবোৰ কেতিয়াবা শ্ৰীকৃষ্ণৰ বিষয়ে তত্ত্বমূলক আলোচনা, কেতিয়াবা বৌদ্ধধৰ্ম্মৰ বিষয়ে আলোচনা। কেতিয়াবা জাতীয় জীৱনৰ ত্ৰুটি-বিচ্যুতিৰ কথা আলোচনা (যেনে—আজি কালিৰ অসমীয়াৰ আত্মসন্মান আৰু মনুষ্যত্ব: সপ্তম বছৰ, ৮ম সংখ্যা) ইত্যাদি। এয়ে আছিল বাঁহীৰ সম্পাদকীয়ৰ বৈশিষ্ট্য। তেওঁৰ কাকনী আৰু থাবলিৰ সোৱাদ অসমীয়াৰ জ্ঞানৰ জুতি বঢ়াইছিল।

বাঁহীত তেওঁ বৈষ্ণৱ ধৰ্ম্মৰ ৰসময়ী ব্যাখ্যা দিলে আৰু মহাপুৰুষৰ আদৰ্শ জীৱনৰ স্বচ্ছ ছবি আমাৰ চকুৰ আগত দাঙি ধৰিলে। মুঠৰ ওপৰত শঙ্কৰদেৱৰ জীৱনী, ধৰ্ম্ম আৰু সাহিত্য সম্বন্ধে বাঁহীত ওলোৱা বেজবৰুৱাৰ প্ৰবন্ধসমূহেই সাহিত্যৰ ছাত্ৰৰ থাই অৱলম্বন।

বাঁহীৰ 'কাৰ্টুন' বা ব্যঙ্গ চিত্ৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এই বিষয়ত তেওঁ পথ প্ৰদৰ্শক। গুৱালপাৰ হৰণৰ সতন (বাঁহী, ২য় বছৰ ৬ষ্ঠ সংখ্যা), বৰবৰুৱা আৰু চোকাবৰ শৰ্ম্মা (২য় বছৰ ১২শ সংখ্যা) বিহুৱা ডাঙৰীয়া (৩য় বছৰ ৬ষ্ঠ সংখ্যা), অসমীয়া ভাষাৰ উদ্ধওলি (৫ম বছৰ, ১ম সংখ্যা) ইত্যাদি 'কাৰ্টুন' সমূহ উল্লেখযোগ্য।

বাঁহীৰ পুথি-সমালোচনাৰ কথা ওপৰত উল্লেখ কৰা হৈছে। অসমীয়া লোকসকলে ভয়েৰে পুথিৰ সমালোচনা বিলাক পঢ়িছিল। বাঁহীৰ সমালোচনাই কেতিয়াবা কোনো লেখকক থকা সৰকা কৰিছিল। এজন সাহিত্যিকৰ সৰু নাটক এখন সমালোচনা কৰোঁতে বেজবৰুৱাই বাঁহীত মন্তব্য কৰিছিল। "নাট নানা তৰহৰ থাকে, কিন্তু আটাইবোৰ জানো চ'ৰাঘৰৰ বেৰত আঁৰিব পাৰি?"

বেজবৰুৱাৰ বাঁহীয়ে ভাষাৰ বিশুদ্ধতা ৰক্ষা কৰিলে। তেওঁৰ ৰচনাৰ মাজত ভাবৰ নিৰ্ম্মলতা আৰু ভাষাৰ পবিত্ৰতা মন কৰিবলগীয়া। তেওঁ আমাক এটা জতুৱা ঠাচ দি গ'ল। সেই ৰচনা-ৰীতি এহাতে যেনে সবল, আনহাতে তেনে ভাবগ্ৰাহী। তেওঁ শব্দাৱলী "চালি-জোকাৰি অসমীয়া ৰাম্ধনি ঘৰৰ সম্মুখৰ আগৰ পৰা আনি পেলাইছে" যেন আমাৰ আগত দাঙি ধৰে।

বাঁহীৰ জন্মৰ লগে লগে পুৰণি আৰু নতুন লেখক সকলৰ মাজত দুটা দলৰ সৃষ্টি হ'ল—এটা থাকিল বাঁহীৰ পিছত আৰু আনটো উষাৰ পিছত থাকিল। তথাপি বেজবৰুৱা আৰু গোহাঞিবৰুৱাৰ পূৰ্ব্বৰ সৌহাৰ্দ্দ-



ভাব অটুত থাকিল। ১৯২৪ চনৰ অসম সাহিত্য সভাৰ বিশ্বনাথ চাহনি সভাৰ দিনা গোহাঞিবৰুৱা আৰু বেজবৰুৱা দুয়ো ২০ বছৰৰ মূৰত লগ পাই পৰস্পৰে পৰস্পৰক যি আলিঙ্গন কৰিছিল সেই দৃশ্য কেনে সৌহাৰ্দ্দ্যপূৰ্ণ। এসময়ত মহাপুৰুষীয়া ধৰ্ম্ম আৰু দামোদৰীয়া ধৰ্ম্মসম্পৰ্কে বাঁহী (১১শ বছৰ ১২ শ বছৰ) আৰু আসাম প্ৰদীপিকাৰ ফলত তুমুল বাদানুবাদ হৈছিল। বাঁহীৰ ফালে ডঃ বাণীকান্ত কাকতি আৰু তেওঁ ভবানন্দ পাঠক ছদ্মনামত ৰজনীকান্ত বৰদলৈৰ যুক্তি খণ্ডন কৰিছিল। বাঁহী আৰু আসাম প্ৰদীপিকাৰ বাদানুবাদৰ ফলত পাঠক বৰ্গই অনেক মণি-মাণিক সংগ্ৰহ কৰে। সেই তৰ্ক যুদ্ধৰ পিছতো দুয়োৰে সম্পৰ্ক পূৰ্ব্বৰ দৰে অকৃত্ৰিম প্ৰীতিপূৰ্ণ হৈ থাকিল।

মুঠৰ ওপৰত অসমীয়া আলোচনী সাহিত্যৰ ইতিহাসত বাঁহীৰ স্থান আগশাৰীত আৰু এইকাকতে অসমীয়াৰ জাতীয়তাৰক্ষা কৰি নিজৰ দেশৰ মহাপুৰুষসকলক চিনি পোৱাৰ সুযোগ কৰিলে; আৰু সুস্থ আৰু নিৰ্ভীক সমালোচনাৰ আদৰ্শ দেখুৱালে।



# বেজবৰুৱাৰ ৰচনাত জাতীয়তাবাদী চিন্তাধাৰা

**শ্ৰীমনোমোহন তালুকদাৰ**

লক্ষ্মীনাথ বেজবৰুৱাই যি বুজন পৰিমাণৰ অনন্য-সাধাৰণ অনুদান আগবঢ়াই গ'ল, অসমীয়া জাতিয়ে তাৰ বাবে তেওঁক সততে স্মৰণ কৰিব। অসমীয়া ভাষা সাহিত্যত বিশিষ্ট অৰিহণা যোগোৱাৰ উপৰিও বেজবৰুৱাই অসমীয়া জাতিক এটা সুস্থ জাতি হিচাবে গঢ়ি তুলিব খুজিছিল। এনে মহান বৰগুণৰ হেতুকে বেজবৰুৱা আমাৰ মাজত প্ৰাতঃ স্মৰণীয় হৈ ৰব।

বেজবৰুৱাৰ যি কালত জন্ম হৈছিল সেইসময়ত অসমীয়া ভাষা-সাহিত্যই স্মৃতিৰ অন্ধকূপত বুৰ যাবলৈ ধৰা বুলি কব পাৰি। এনে এটা জাতিক, ভাষা সাহিত্যক পুণৰুদ্ধাৰ কৰি তাক সজাই পৰাই তোলাটো সহজ কথা নহয়। অসমীয়া ভাষা সাহিত্যৰ দৈন্যতা উপলব্ধি কৰি বেজবৰুৱাই সেই পৰিমাণে আ-অলঙ্কাৰ পিন্ধাই তেনেই লাৱণী কৰি তুলিছে। অইন জাতিৰ ভাষা সাহিত্যৰ আপেক্ষিক ভাবে যাতে অসমীয়া ভাষা সাহিত্য নিঃস্ব হব নোৱাৰে, তাৰ বাবে বেজবৰুৱাই যৎপৰোনাস্তি চেষ্টা কৰে। বেজবৰুৱাই জানে, অসমীয়া জাতিয়েও অইন জাতিৰ দৰে ক্ৰমোন্নতি কৰিবলৈ সমৰ্থ হব তাৰ বাবে হয়তো জাতিয়ে ঠিক বাট দেখুওতাজনক লগ পোৱা নাই। যিখন দেশত শঙ্কৰ-মাধৱ জন্মি এনে সোণমূলীয়া ৰত্নগুণিৰে মাতৃক চহকী কৰি গল সেই দেশ শঙ্কৰ-মাধৱৰ পাঁচ-শ বছৰ পিচতো তেনেই নিচলা হৈ থকা বুলি শুনিলে মানুহে হাঁহিব। এই সত্য উপলব্ধি কৰিয়েই বেজবৰুৱাই উঠি পৰি লাগিছিল নুইতৰ পাৰৰ দেশখনৰ ভাষা সাহিত্যক চিৰ উজ্জ্বল কৰি তুলিবলৈ। সেয়েহে বেজবৰুৱাই তেওঁৰ সতীৰ্থৰে সৈতে "জোনাকী" নামৰ মাহেকীয়া কাকত উলিয়ালে। অসমীয়া ভাষাত সাময়িকীৰ দৈন্যতাৰ কথা নুই কৰিব নোৱাৰি। সেই কালত এখনো আলোচনী নোহোৱাটো অসমীয়া ভাষা সাহিত্যৰ চৰম বিপৰ্য্যয়ৰ নিদৰ্শন। অন্ততঃ এখন আলোচনীয়ে এটা জাতিক, এটা ভাষাক সঢ়াত বহুখিনি সহায় কৰে। "জোনাকী"ৰ প্ৰাদুৰ্ভাৱে অসমীয়া সাহিত্যত এটি নতুন যুগৰ আৰম্ভ কৰিলে। ভাষা-সাহিত্যৰ পূজাৰীৰ ফালৰ পৰা অসমীয়া সাহিত্য যিমানখিনি দুখীয়া আছিল সেই অভাৱ জোনাকীয়ে বহুপৰিমাণে পূৰণ কৰিবৰ সমৰ্থ হল। এয়াই জানো বেজবৰুৱাই বাঁহী লৈ যি একুৰি চাৰিটা বছৰ ফুঁক দিলে সেই বাঁহীৰ সুৰত হেজাৰজন সতলীয়া হল, গুই থকাজনে সুৰৰ লহৰে লহৰে দৌৰি আহিল। জোনাকী তথা বাঁহীয়ে অসমীয়া সাহিত্যৰ বৰ্ত্তমান অৱস্থাপোৱাত যিমানখিনি অৰিহণা যোগাইছে সি উলাই কৰিব লগীয়া বিষয় নহয়। তদুপৰি বেজবৰুৱা সতীৰ্থৰে 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' নামৰ আলোচনা চক্ৰৰ জৰিয়তে অসমীয়া ভাষা শুদ্ধভাৱে লিখিবলৈ আৰু ইয়াৰ উন্নতি সাধিবলৈ যি অহোপুৰুষাৰ্থ কৰিছিল তাক আমি পাহৰিলে মহান জনৰ প্ৰতি অন্যায় কৰা হব।

বিভিন্ন প্ৰতিভাৰ আকঁৰ স্বৰূপ বেজবৰুৱাৰ প্ৰতিভা বহুমুখী আছিল। তেওঁ যেনেকৈ এজন বিশিষ্ট নাট্যকাৰ তেনেকৈ এজন উচ্চ পৰ্য্যায়ৰ সমালোচকো। অথবা আমি কবি বেজবৰুৱাক, উপন্যাসিক বেজবৰুৱাক নাইবা কাহিনিষ্ট বেজবৰুৱাকো কেতিয়াও পাহৰিব নোৱাৰো। এটা কথা সহজ উপলব্ধ যে এই সকলোবোৰ ৰচনাৰে সূত্ৰ ধৰিছিল বেজবৰুৱাৰ জাতীয়তাবাদী মনটোৱে। বেজবৰুৱাই অসমীয়া সাহিত্যক সজাবৰ ত্ৰুটি কৰা নাই, আনপিনে অধঃপতিত জাতীয় জীৱনটোতো জানো তেওঁ (বেজবৰুৱাই) কটাক্ষপাত কৰা নাই ? কৰিছে। তেওঁ জাতিক মহান কৰিবৰ হেতুকে নানান বক্ৰোক্তিৰে জাতিৰ দোষ গুণবোৰ দেখুৱাই গৈছে। বেজবৰুৱাই কেতিয়াবা সমাজ সংস্কাৰক, কেতিয়াবা হাস্যৰসিক, কেতিয়াবা গুৰু গম্ভীৰ ধাৰ্ম্মিক পুৰুষ জন হৈ দেখা দিছে



কিন্তু ইয়াৰ আঁৰ কাপোৰত থকা স্বদেশ প্ৰেমিকজনৰ নিৰ্দশনো আমি পাহৰিব নোৱাৰো।

বেজবৰুৱাৰ এষাৰ সোণমুখৰ বাণীঃ "স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ আৰু মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।" এই মন্ত্ৰষাৰ বেজবৰুৱাই ওৰেটো-জীৱনতে প্ৰয়োগ কৰিছিল। তেওঁ ঠাৱৰ কৰিছিল জাতীয় জীৱনৰ উন্নতি সাধিত হবলৈ হলে, পৰাধীন আইমাতৃৰ স্বাধীনতা পুনৰ পাবলৈ হলে অথবা জনগণক কৰ্ম্মঠ কৰিব লাগিলে, জাতীয় সাহিত্যইহে পাৰিব; অন্যথাই জাতিৰ উন্নতি বৃথা।

বেজবৰুৱাৰ সকলোবোৰ ৰচনা কালজয়ী নহয়। হওঁতে কথাষাৰ অসত্য নহয়। পিছে বেজবৰুৱাই যি কালত কাপ হাতত লৈছিল সেই কালৰ সাহিত্যৰ অৱস্থালৈও দৃষ্টি দিব লাগিব। বেজবৰুৱাৰ কালৰ অসমীয়া সাহিত্যৰ নিঃকিন অৱস্থাৰ কথা পুনৰ দোহাৰিবৰ প্ৰয়োজন নাই। স্বকপাৰ্থত বেজবৰুৱাই অভাৱৰ তাড়নাতেই অসমীয়া সাহিত্যৰ সকলোবোৰ দিশতে কাপ বুলাব লগীয়া হৈছিল। কালজয়ী সাহিত্য হওঁকে অথবা নহওঁকে কিন্তু সাহিত্যৰ কাল সন্ধিক্ষণত বেজবৰুৱাই যি মহান কৰ্ত্তব্য কৰিলে তাক আমি চিৰদিন মনত ৰাখিব লাগিব।

বেজবৰুৱাৰ কবি মানুহজনে 'কদম-কলি' নামৰ কবিতাপুথিখনিত ধৰা দিছে। কদম কলিত স্বদেশ প্ৰেমিক বেজবৰুৱাৰ পদক্ষেপ শুনা যায়। বেজবৰুৱাৰ জাতীয়তাবাদী মনটোৰ মূৰ্ত্তপ্ৰকাশ 'মোৰ দেশ' কবিতাটো অসমৰ জাতীয় সঙ্গীত। সোণমাটিৰ প্ৰতি বেজ-বৰুৱাই যি মোহ দেখুৱাইছে, ভাষাৰ প্ৰতি বেজবৰুৱাই যি আন্তৰিকতা প্ৰকাশ কৰিছে সিয়ে জাতীয়তাবাদী বেজবৰুৱাজনৰ প্ৰতিনিধিত্ব কৰিছে :

অ' মোৰ আপোনাৰ দেশ... 

ম' মোৰ সুৰীয়া মাত, অসমৰ সুৱদী মাত
পৃথিৱীৰ কতো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

ইয়াৰ উপৰিও কবিৰ 'বীণ বৰাগী' 'আমাৰ জন্মভূমি' আদি কবিতাটো পোৱা যায় স্বদেশ প্ৰেমৰ অফুৰন্ত বহ্নি শিখা। এইবোৰৰ কোঁহে কোঁহে জাতীয়তাবাদী ভাবধাৰা পৰিলক্ষিত হয়। অসম ভূমিক কবিয়ে অদ্বিতীয় জ্ঞান কৰিছে আৰু সেয়েহে দেশমাতৃৰ তেওঁ সততে জয়গানহে গাবলৈ বিচাৰে। মাতৃৰ কেতিয়াবা পৰাভৱ হব পাৰে, পিছে দেশভক্ত কবিয়ে তেনেবোৰ বাতৰিৰে মন ভাৰাক্ৰান্ত কৰিব নোখোজে। তেওঁ বিচাৰে মাথোন স্বৰ্ণময়ী অতীতৰ গৌৰৱৰাশি ;

শুনা ঐ বৰাগী আনন্দ কাহিনী
অসমৰ যশৰাশি।

বেজবৰুৱাই এইদৰে প্ৰাণ উজাৰি দি দেশমাতৃকাৰ জয় গুন গাবলৈ উদ্যত। অসমক বেজবৰুৱাই ভাল দেখাই চিনি পায়, চিনি পায় আনকি এই মাটিৰ খৰিচা, ঢেঁকীয়া শাককো। এইবোৰতহে বেজবৰুৱাৰ প্ৰাণে পৰম অপ্ৰুত হয়।

"ক'ত এনে কুঁহী থেকেৰা, টেঙাই যায় দাঁত ?
ক'ত পাবা পকা খৰিচা, কত ঢেঁকীয়া শাক ?

অসম সঙ্গীত (কদমকলিত সংকলিত) বোলা আন এটি জাতীয়তাবাদী কবিতাত কবিয়ে অসমৰ জয়চোল কোবাইছে। অসম কোনো দিনে দীন মাছিল অথবা নহয়ও। ঐতিহ্যময়ী অসমীক সেয়েহে বেজবৰুৱাই ডবা, শঙ্খ, মৃদং, খোলেৰে আদৰিব প্ৰয়াস পাইছে।

"বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।"

ব্ৰহ্মপুত্ৰ (বাঁহীত প্ৰকাশিত) আদিতো স্বদেশপ্ৰেমিক বেজবৰুৱাজনক ছয়া ময়া দেখা যায়।

কৃপাবৰ বৰবৰুৱা লক্ষ্মীনাথ বেজবৰুৱাৰ আন এটি ৰূপ। কৃপাবৰী বেজবৰুৱাই অসমীয়া সাহিত্যলৈ দেখুৱা বদান্যতাও কমখিনি নহয়। হাঁহিৰ বগেৰে পূৰ্ণ কৃপাবৰী সাহিত্যৰ অন্তৰালত স্বদেশ প্ৰেমিক বেজবৰুৱা জনক আমি বিচাৰি পাওঁ। যেনেলীয়া নানান ৰচনাৰ মাজত বেজ-বৰুৱাৰ জাতীয়তাবাদী মনটো লুকাই আছে। কৃপাবৰ

বৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰুৱাৰ ওভতনি, কৃপাবৰ বৰুৱাৰ সামৰণি, কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমণ, কৃপাবৰ বৰুৱাৰ নতুন টোপোলা, কৃপাবৰ বৰুৱাৰ ভাৱৰ বুৰবুৰণি, কৃপাবৰৰ আগত হাস্য, কৃপাবৰৰ হাতত বিষ, কৃপাবৰৰ অন্তাতক, কৃপাবৰৰ চিন্তাৰ চাকনৈয়া বৰবৰুৱাৰ প্ৰিয়দৰ্শন সংবাদ, বৰবৰুৱাৰ বুলনি প্ৰভৃতি পুথি প্ৰবন্ধ কথোপকথনৰ মাজত সোমালেই বেজবৰুৱাৰ জাতীয়তাবাদী চিন্তাধাৰা সহজেই উপলব্ধি হয়। এইবোৰত আৱশ্যকস্থলে জাতীয় জীৱনটোক কৃপাবৰী অস্ত্ৰেৰে হানি খুচি মাৰিছে সময়ত তেওঁ ভাৰত উদ্ধাৰ কৰিবলৈকো হাত মেলিছে। বেজবৰুৱাই বুজি পায় মুখেৰে সাত হাল মাৰি থকা সকলৰ পৰা দিনত এহালো বিচাৰি নেপাব" এনে লোকৰ জৰিয়তে জাতিয়ে উন্নতি কৰিব নোৱাৰে। কিন্তু এনে এটা জাতিক মহান জাতি কৰিবলৈ বেজবৰুৱাই অহোপুৰুষাৰ্থ কৰিছিল। হাঁহিৰ মাজেৰেই বেজবৰুৱাই জাতিৰ প্ৰাণত মনোবল আনি দিবলৈ প্ৰয়াস পাইছে "জাতীয় বৰপেৰা সাজিবলৈ তেজৰ চাচ, বলৰ বটালি সহিষ্ণুতাৰ বেন্দা, একতাৰ গজাল, স্থিৰতাৰ কৰত; গাম্ভীৰ্য্যৰ হাতুৰি, বাহ্যাড়ম্বৰৰ পাকভোহৰ, ধৰ্ম্মনিষ্ঠাৰ খিলি, সদাচাৰৰ গৰ্ভগজাল লাগে। অসমীয়াৰ জাতীয় বৰপেৰা সাজিবলৈ সেইবোৰ পুৰাপুৰ আছে। তেন্তেনো অসমীয়া জাতি ডাঙৰ নহব কিয়?" জাতি এটা সুস্থ কৰি তুলিবলৈ বেজবৰুৱাই যিমানখিনি বেজালি কৰিলে সেয়া তেনেই নুই কৰিব পৰা বিধৰ নহয়। আনকি বেজবৰুৱাই নানান ভাষাৰ সংমিশ্ৰণেৰে জাতিগত দোষবোৰ আঙুলিয়াবলৈ প্ৰয়াস পাইছে:

শোৱা ঐ শোৱা ভাৰত সন্তান
.......... ........... ..........
তোৰা না ঘুমালে কে ঘুমাবে বল?

বেজবৰুৱাৰ দিনত মানে জোনাকীৰ প্ৰকাশৰ সময়ত বহুতো শিক্ষিত গ্ৰাহকে বোলে বাৰ্ষিক অৰিহণাখিনি দিবলৈ ইচ্ছা নকৰিছিল। সময়ত বাকী পৰি থকা বৰঙণিখিনি খুজি পঠিওৱা ভি, পি ও বহুতক ওভোতাই পঠাইছিল। সেয়ে বেজবৰুৱাই এটা বুদ্ধি পাঙিলে। বেজবৰুৱাৰ বুদ্ধিতো এনেধৰণৰ আছিল;

কৃপাবৰে সমাজিকত এদিন যমনগৰ পালেগৈ। তাত যমদূতে কৃপাবৰক নি বন্দীশালত থলেগৈ। তাত পৃথিবীৰ পপীয়া মানুহবোৰো কৃপাবৰে দেখিবলৈ পালে। তেওঁলোকক যমদূতে বৰকৈ শাস্তি দিছে দূতৰ সতে কৃপাবৰে সোঁ থাকোতে দেখে আৰু এটা নতুন দৃশ্য। দৃশ্যটো দেখি কৃপাবৰ থমকি উঠিল।

"এমখা মানুহে এঠাইত বহি কেঞা আখৰেৰে লেখা এখন বাতৰি কাকত খুটিয়াই খুটিয়াই পঢ়িব লাগিছে। এজন ওজা বা অধ্যাপকে হাতত ভৰুকা বাহৰ চেকনী এডাল লৈ ভালকৈ পঢ়িব নোৱাৰা বাবে সিহঁতৰ পিঠিত সাৰটি যোৱাকৈ সাৰোপ সাৰোপ কৰে কোবাইছে। দেখি কৃপাবৰ তবধ লাগিল, দূত, ইটো কথা ৰহস্যে ওচিৰে লাগিলা।" দূতেও কহিবা লাগিলা:

"এইমখা পঢ়িব শুনিব জনা অসমীয়া মানুহ। অসমত যত বাতৰি কাকত ওলাইছে, ইহঁতে তাৰে এখনো লোৱাও নাই পঢ়াও নাই। সেই পাপৰ ফলত ইহঁতে এতিয়া কেঞাৰ আখৰেৰে লিখা বাতৰি কাকত পঢ়িব লগীয়াত পৰিছে। আৰু পঢ়োতে ভুল হোৱাত সেই ওজাই কোবত ইহঁতৰ ছাল ছিঙিছে। ইহঁতৰ ভিতৰত বৰকৈ কোবখোৱা সৌ মানুহটোক কালিহে ইয়ালৈ অনা হৈছে। সি 'জোনাকী' বুলি নকৈ ওলোৱা কাকতখন এদিনো পঢ়া নাছিল আৰু লোকে পঢ়া দেখি হাঁহিছিল। এই কথা শুনি বৰবৰুৱা কৃপাবৰৰ বুকুৰে ধান বানিব ধৰিলে। কাৰণ তেতিয়ালৈকে তেৰেঁ। 'জোনাকী' পঢ়াৰ কথা কব নোৱাৰে। এবাৰ মাহ জোনাকীখন খচিতংকৈ পঢ়ি, দ্বাদশ মাহত অহা ভিপিটো দিয়া জনৰ যে কি দুৰ্গতি! জোনাকী নপঢ়া আৰু আশীৰ্ব্বাদীয়া গ্ৰাহকৰ দুখ দুৰ্গতিবোৰ যমৰ নগৰত দেখি আহি তৎকালেই কৃপাবৰে পইচা দি কিনি জোনাকী পঢ়িব ধৰিলে।

জনচেৰেক লিখকে কিবা লিখিলে তাত একাঁকি দুফাঁকি ইংৰাজী উদ্ধৃতি দিলেহে শান্তি পায়—এনেধৰণৰ লিখক বেজবৰুৱাৰ চোকা দৃষ্টিৰ পৰা সাৰি যাব



পৰা নাই। 'কৃপাবৰ বৰুৱাৰ আসতহাস্য' শীৰ্ষক কথোপকথনটিত বেজবৰুৱাই তেনে লিখকলৈ এইপাত কাঁড় মাৰিছে:

প্ৰিয়দৰ্শন: বৰবৰুৱা দেও, হাঁহিছে দেখোন?

কৃপাবৰ: ডোন্ট মাই বিজিনেচ নট ইয়োৰচ। সেইটো মোৰ কাৰ্য্য তোমাৰতো নহয়।

প্ৰিয়দৰ্শন: অ' আই। আজি দেখোন ইমান টিঙিৰি তুলা হৈ আছে। কথা সুধিবকে নোৱাৰি।

কৃপাবৰ: দিজ আৰ কণ্ট্ৰেডিক্টৰী প্ৰপ'জিচনচ। দুইটাই পৰস্পৰ বিৰোধী কথা, ইয়াৰ আগতে তুমি মোক সুধিছিলা মোৰ মুখত হাস্য কিয়? তেনে নেদেখাদেখেন তুমি কেতিয়াও প্ৰশ্ন নকৰা। এতিয়া কৈছা, মই টিঙিৰি তুলা হৈ আছো।

I say priyadarshan, you are a bundle of contradictions ; because you do not seem to know that the habourflous influzitions of the people is closemantically gondolised by the society just as the oscilized superifluation of the molecule is herzogavinaly voluptualised by the tabular demonstration of the catapule,

প্ৰিয়দৰ্শন: (হাতযোৰকৈ) বৰবৰুৱাদেও, ক্ষান্তদিয়ক, ক্ষান্ত দিয়ক, মোৰ জাতে মাটি। মই আপোনাৰ ইংৰাজী বৰলৰ বাঁহক জোকাই লব নেপাওঁ।

কৃপাবৰ: নোপোৱাতো। বৰকৈ কটফটাৰ লাগিলে মোৰ ইংৰাজীৰ ফ্ৰেজ এণ্ড ইডিয়মচৰ কামোৰৰ তাপত থাকিব নোৱাৰি তুমি অসমীয়া পকা খৰিচা মহিব লাগিব।

প্ৰিয়দৰ্শন: নোজোকাওঁ, বৰুৱাদেও, নোজোকাওঁ। তথাপি আপুনি মোক আপোনাৰ ইংৰাজী আৰু ইংৰাজ বঙলাৰ আহিত ৰচনা কৰা অসমীয়া 'ফ্ৰেজ ইডিয়মৰূপী বোন্দা বৰলৰ কামোৰখন নুখুৱাব।

'অসমীয়া জাতি ডাঙৰ জাতি' শীৰ্ষক ৰচনাখনিত বেজবৰুৱাই অসমীয়া জাতিটো কি কি কাৰণত ডাঙৰ তাক ব্যঙ্গভাৱে কৈছে; পৰোক্ষভাৱে বেজবৰুৱাই দোষ ত্ৰুটি লৈহে আঙুলিয়াইছে।

(১) তেজ—কোনে কব পাৰে যে অসমীয়াৰ তেজ ইংৰাজ, ফ্ৰেঞ্চ, এমেৰিকান আৰু জাৰ্ম্মান জাতিতকৈ কম?

(২) সহিষ্ণুতা—এই গুণ অসমীয়া জাতিৰ যিমান আছে বঙালীৰ বাহিৰে আন কোনো জাতিৰ আছে নে নাই ঠিক নাই।

(৩) একতা—একতা মানে একেটা অৰ্থাৎ সাইপতি এটা এটা গোট গোট। অসমীয়া মানুহ সাই গোটাপেটেভৰাল বুলি ভুৱন বিদিত।

(৪) স্থিৰতা—অসমীয়া মানুহযে অস্থিৰ, এইটো কথানো তুমি কত শুনিলা? বোধকৰো তুমি কতো অসমীয়াৰ কাণি খোৱা দেখা নাই। জীয়াই থাকিলে গুৰুজনৰ আশীৰ্ব্বাদত দেখিবা আৰু তেতিয়া মোৰ এই কথাৰ সগজুৰ মৰ্ম্ম বুজিবা।

এইদৰে কৃপাবৰী ৰূপ লৈ বেজবৰুৱাই জাতি-ভাষাৰ সকলোৰে ওপৰত কটাক্ষপাত কৰিছে আৰু জাতিৰ হওক অথবা ভাষাৰে হওক দোষবোৰ আঙুলিয়াই সুস্থসবল জাতি তথা ভাষা সৃষ্টি কৰিবৰ প্ৰয়াস পাইছে। আনকি বেজবৰুৱাই সুস্থ জাতি গঠন তথা সাহিত্যৰ "সিংহদুৱাৰ" নিৰ্ম্মাণতেই আবদ্ধ নেথাকি ভাৰত উদ্ধাৰ কৰিবলৈ আগ বাঢ়িছে। অৱশ্যে বেজবৰুৱাই জানে কথাৰে ভাৰত উদ্ধাৰ নহয়। তাৰ বাবে হাতে কামে লাগিলেহে হব। কৃপাবৰী ভাষাত কবলৈ হলে—

"ভাৰত উদ্ধাৰ ভাত উদ্ধাৰ নহয়নে তাৰ মাজৰ পৰা "ৰ" টোক সতিয়াই উলিয়াই দি তই তুমি মই আপুনি সি-তত-তেওঁ-তেখেতক আদি কৰি সামৰে খোৱা ফাঁপৰে ধৰা যত যি আছে সকলোৰে কৰিব পাৰে। চিঞৰি ভাৰত উদ্ধাৰ, বাখৰি ভাৰত উদ্ধাৰ কেপকেপাই ভাৰত উদ্ধাৰ নহয়, নহয়, নহয়। হাতে কামে কাম কৰা, দেখিবা, ভাৰত উদ্ধৃতহে বৰচাঙৰ ওপৰত উঠি, বহি, হাঁহি খিলখিলাই আছে।"

খাম খেয়ালি, সম্প্ৰীতিৰ অভাৱ আদি ভাৰতীয়ৰ দোষ যদিহে দেশমাতৃকাক আপোন বুলি মনা হয় তেন্তে স্বদেশভূমিৰ বৃহৎ স্বাৰ্থৰ সন্মুখত ৰাখি আপোনাৰ ক্ষুদ্ৰ স্বাৰ্থক, সংকীৰ্ণতাক দলিয়াই দিব লাগিব। তেতিয়াহে ভাৰত উদ্ধাৰ হব পাৰে।" জাতীয় ঐক্য" নামৰ প্ৰবন্ধত বেজবৰুৱাই এই দৰে কৈছে—

"যিদিনাই স্বদেশক আগকৰি ক্ষুদ্ৰ স্বাৰ্থ, ক্ষুদ্ৰ জাতি ধৰ্ম্মৰ নামত আচৰা সঙ্কীৰ্ণতাক পিছত ঠাই দিব,

সেই দিনাই ভাৰতে পৰাধীনতাৰ জিঞ্জিৰি ছিঙি স্বৰাজৰ সোণৰ সাতশৰী গলত পিন্ধিব সেই দিনাই তেত্ৰিশ কোটি ভাৰত সন্তানৰ প্ৰবল বলে ভাৰত ধুই পখালি পবিত্ৰ কৰি আৰু জলধিৰ পৰা লক্ষ্মী ওলোৱাদি পূৰ্ণ গৌৰৱেৰে ভাৰত মাতাৰ উদয় হব। সেই ভাৰত মাতাৰ চুলিৰ আগে হিমালয় শৃঙ্গ গৌৰীশঙ্কৰ চুৰ, পূৰ্ব্বঘাট আৰু পশ্চিমঘাট এই দুই হস্ত পদ্যাই সন্তান সকলক আকোৱালী ধৰিব, বিন্ধ্য পৰ্ব্বত ৰূপ পদ্ম মালাৰে তেওঁৰ মৃণাল ধৱল কণ্ঠ পৰিশোভিত হব, চন্দ্ৰ সূৰ্য্য তৰাপতোৱা নীল চন্দ্ৰতাপ তেওঁৰ মূৰত ওৰ খাব, তেওঁৰ পাদোদক গঙ্গা, ব্ৰহ্মপুত্ৰ, কাবেৰীৰ জলে ভাৰতৰ স্থান পবিত্ৰ শস্যশালী কৰিব আৰু তেওঁৰ কোলাত আশ্ৰয় লোৱা দেশী বিদেশী নিৰ্ব্বিশেষে সকলোকে আয়ে ধৰাতৰ দান কৰি ৰক্ষা কৰি শুভাশীৰ্ব্বাদ কৰিব। এই পুৰাতন চিৰন্তন ভাৰতমাতৃয়ে আকৌ জগত শ্ৰেষ্ঠ আসন গ্ৰহণ কৰি ৰহিব। কিন্তু দুখৰ কথা কি কম, আৰু কবলৈ লাজ লাগে যে আমাৰ ভাৰতীয় সকলৰ ভালেমানে আমাৰ স্বদেশ আৰু জন্মভূমি যে প্ৰথমতে আৰু সকলোৰে আগত আৰু সঙ্কীৰ্ণ সম্প্ৰদায় বা ক্ষুদ্ৰস্বাৰ্থ তাৰ পিছতহে সেই মহাসত্য পাহৰি আজি নকটা খেৰৰ ন শ মুঠিৰ ভাগ বিচাৰি খোৱা কামোৰা কৰি নিজৰ সময় নষ্ট কৰি জগতৰ হাঁহিয়াতৰ পাত্ৰ হৈছে।"

সাম্প্ৰদায়িক বিৰোধ জাতীয় ঐক্যৰ পৰিপন্থী। সেয়েহে বেজবৰুৱাই ধৰ্মান্ধতা পৰিহাৰ কৰিবলৈ হিন্দু তথা মুছলমান উভয় সম্প্ৰদায়কে মুক্ত আহ্বান জনাইছে।

"গান্ধী মহাৰাজাৰ লগতে সুৰ মিলাই ময়ো কওঁ— মহমেদ সকলে যি বিচাৰিছে দিয়া আৰু আতৰি চাই থাকা। তেওঁলোকে দুখ নকৰাকৈ লাভৰ সৰহ ভাগ পালে সম্ভৱতঃ অপদৰ্থতাৰ ফালেহে চান নব। অৱশ্যে তেওঁলোক তেনে হওক সেইটো আমাৰ উদ্দেশ্য নহয়। কাৰণ চাৰ চৈয়দ আহমেদে কবৰ দিচিনা হিন্দু আৰু মোছলেম ভাৰত জননীৰ দুটা চকু। এটা চকু দুৰ্ব্বল হলে আমাৰ সুন্দৰী আইহে কুৎচ হব।"

কৃপাবৰী সাহিত্যৰ ব্যঙ্গচিত্ৰ কেইখনকো ভিতৰত উল্লেখ কৰিব লাগিব। বেজবৰুৱাই "বাঁহী"ত কিছুমান ব্যঙ্গচিত্ৰ আঁকিছিল আৰু চিত্ৰবোৰ 'কৃপাবৰ বৰবৰুৱাৰ সানৰণি' শিতানত প্ৰকাশ কৰা হৈছিল। এইবোৰ প্ৰধানকৈ ভাষা সমস্যা প্ৰধান আছিল। বানান-ভাষা বিষয়ৰ নানান বাকবিতণ্ডা আদিক বেজবৰুৱাই ব্যঙ্গ হিচাপে লৈ সেইবোৰ শুধৰাব বিচাৰিছিল। তেনে দুখনমানৰ উদাহৰণ দিয়া হল।

(১) মুগল পৰ্ব্ব বা ঢেঁকি খোৱা পৰ্ব্ব—এয়া এখন ব্যঙ্গ চিত্ৰৰ নাম। চিত্ৰত দুজন মানুহ—এজনৰ বেশত কোট পেণ্টলুং আৰু দ্বিতীয়জনৰ দেহত ধুতি চোলা, এজনৰ দাড়ি আছে আনজনৰ নাই। হাতত হ্ৰস্ব ইকাৰ, চন্দ্ৰবিন্দু, দীৰ্ঘ ঈকাৰ, দীৰ্ঘ উকাৰ আদি লৈ যুদ্ধৰ ভঙ্গীত আছে। মাজত বহু সংখ্যক পৰি আছে "ই কাৰ, উকাৰ', অনুস্বাৰ, চন্দ্ৰবিন্দু আদি। চিত্ৰৰ তলত থকা কথাখিনি এনে ধৰণৰ কনিষ্টবল! কনিষ্টবল! পুলিচ মেন। পুলিচ মেন! এই দুটাই চন্দ্ৰ বিন্দু, হ্ৰস্ব উকাৰ, দীৰ্ঘ ঈকাৰ আদি সাংঘাতিক অস্ত্ৰৰে যুদ্ধ কৰিছে। এতিয়াই খুনাখুনি হব। ইহঁতক ধৰি লৈ যা "পাকোৰ, পাকোৰ, পাকোৰ।"

(২) বৰবৰুৱাৰ হস্তী অৱতাৰ আন এখন ব্যঙ্গ চিত্ৰৰ শিৰোনামা। চিত্ৰত বিশাল দন্তাল হাতী এটিয়ে ওৰ সহায়ত এখন পুথি লৈ আছে। মুখৰ পৰা এটা মানুহৰ মূৰ আৰু এখন হাত ওলাই আছে। চিত্ৰৰ তলৰ কথাখিনি হল—

"হাথী" অৱতাৰ ভৈলা তৰাণিৰ মাজে
'ভাষাৰ অস্ফুট ধ্বনি' পেটৰ ভিতৰত গাজে।
(মুৰ উলিয়াই) কৰিলা নিৰ্ভয় পাইলা অসমে উদ্ধাৰ
ভক্ত বান্ধৱক প্ৰভু কৰিলা আশ্বাস।
'যদা, যদা ভাষায়াঃ ; গ্লানি ভৱতি ভাৰত
"হাথী' হাথিয়াৰ ধৰি হৈবেক বেকত
কৰিলেক স্তুতি পৰি সুৰস্বৰীয়া জাকে
উদ্ধাৰিলা সাধু ভাষা প্ৰভু ওঁৰ আগে।

এইদৰে কৃপাবৰৰ সাহিত্যত দৃষ্টি দিলে জাতীয়তাবাদী ভাৱ ধাৰাৰে আমাৰ পৰিচয় ঘটে। ইয়াতে বেজবৰুৱাই যিদৰে হাঁহিৰ সমল গোটাই থৈছে সেইদৰে ইয়াৰ আঁৰত লুকাই থকা স্বদেশ প্ৰেমৰ ফিলিঙতিয়েও আমাৰ হিয়াত দেশ ভাল পোৱা ভাৱ যোগাই তোলে।



বৈশিষ্ট্যপূৰ্ণ গল্প লিখক হিচাবে বেজবৰুৱা সু-পৰিচিত। বেজবৰুৱাই কেইখনো প্ৰহসন লিখাৰ উপৰিও তিনিখন নাটক লিখি থৈ যায়। বুঢ়ীআই নাটক কেইখনত বেজবৰুৱাই অসমীয়া সমাজৰ এলেহুৱা কানীয়া, ভবা পেটত খাপি দি অতিথি পোহা অসমীয়াৰ স্বভাৱ-চৰিত্ৰৰ চিত্ৰ দাঙি ধৰিছে। ইয়াতে কিদৰে কৃপাবৰ বৰবৰুৱাই আহি হাঁহিত নাড়ী ভুৰ চিঙিছে ঠিক তেনেকৈ সমাজ সংস্কাৰকামী বেজবৰুৱাই আহি সংস্কৰণৰ নিৰ্দ্দেশনা দিছে। লিটিকাই, নোমল, চিকৰপতি নিকৰপতি আদি কেইখনীয়া নাটত বেজবৰুৱাই ব্যঙ্গ বিদ্ৰূপাত্মক কথাৰে সমাজৰ কিছুমান চৰিত্ৰত খুঁট দাঙি ধৰিছে। নোমল নাটত আধিয়াবাদী সত্ৰাধিকাৰৰ কাৰ্য্য কলাপ চিকৰপতি নিকৰপতি নাটত বিচাৰ বিভাগৰ দুৰ্নীতিপৰায়ণতা এই খিনিতে উল্লেখযোগ্য। এই সংস্কাৰধৰ্মী মনোবৃত্তিও বেজবৰুৱাৰ দেশৰ প্ৰতি থকা ভালপোৱাৰ সৰল নিবেদন। বেজবৰুৱাৰ ঐতিহাসিক তিনিখন নাটক বেলিমাৰ, চক্ৰধ্বজসিংহ আৰু জয়মতী। এই তিনিখন নাটৰে বিষয় বস্তু অসমৰ একোটা সন্ধিক্ষণ, একোটা জাতীয় দুৰ্যোগ মুহূৰ্ত্তলৈ নিয়া হৈছে। জাতীয় কুৰঙ্গীত যি সকলে কালিমা সানিছে তেওঁলোকক কদাপি ক্ষমা কৰা নাই বেজবৰুৱাই। তেনে চৰিত্ৰক তেওঁ অন্তৰেৰে ঘৃণা কৰিলেও হাতৰ কাপোৰেই নাকীভূক উলিয়াই বাইজৰ আগত দাঙি ধৰিছে। বেলিমাৰ নাটত নিশকতীয়া, পিছাখোৰ চন্দ্ৰকান্ত, ক্ষমতালিপ্সু পূৰ্ণানন্দ আৰু বিশ্বাসী বদনে কিদৰে অসমৰ আকাশত বেলিমাৰ খেলালে তাৰ চিত্ৰ অঙ্কণ কৰিছে। দেশৰ শাসনৰ গাদীত থকা সকলে দেশৰ বৃহৎ স্বাৰ্থক অৱহেলি যেতিয়া নিজৰ ক্ষুদ্ৰ স্বাৰ্থত বিভোল হয় তেতিয়া দেশত এনে পয়মাল হোৱাটো ধ্ৰুৱপ কথা। চন্দ্ৰকান্ত সিংহ নাটত অসমীয়াৰ সিংহ বিক্ৰমৰ কথা দাঙি ধৰিছে। এটি এটা তিনিটাকৈ প্ৰবল প্ৰতাপী মোগলৰ আক্ৰমণক বীৰপুত্ৰ লাচিতৰ নায়কত্বত কিদৰে ওফোৰাই পঠালে তাকেই বতৰা বেজবৰুৱাই চন্দ্ৰকান্ত সিংহত দিছে। এয়া জাতীয়তাবাদী বেজবৰুৱাৰ মনৰ প্ৰকাশ। জয়মতী নাটত অসমীয়া নাৰীৰ স্বদেশ প্ৰেমৰ জলন্ত ইতিহাস দাঙি ধৰা হৈছে। পৃথিবীৰ ইতিহাসৰ পাত লুটিয়ালেও জয়মতীৰ নিচিনা নাৰী পোৱাটো বিৰল। জয়মতীয়ে স্বামীৰ বাবে তথা দেশৰ হকে হেজাৰ কষ্টক শিৰ পাতি ললে। জয়মতীয়ে অক্ষয় কীৰিতি ৰাখিলে—সহিষ্ণুতাৰ প্ৰতীক হিচাবে জয়মতী অমৰ হৈ ৰল। আনপিনে নাগিনী জোৱানী ডালিমীৰ চৰিত্ৰটি বিশ্বভাৰাত্মিকা। ডালিমীয়ে ভাল পায় গাম-গামিনীক, নগা জাতিক, কেচাসোণক, ভৈয়ামক তথা গোটেই বিশ্বক। অশিক্ষিতা ডালিমীৰ অন্তৰত প্ৰকাশ কৰোৱা স্বদেশপ্ৰীতিৰ চানেকিত বিশ্বভাৰাত্মিকা লেখকৰ অন্তৰাত্মাৰ কথা নহয় জানো?

বেজবৰুৱাই আৰু নানান প্ৰবন্ধ লিখিছিল আৰু তাৰ প্ৰায়বোৰতে বেজবৰুৱাৰ জাতীয়তাবাদী চিন্তাধাৰাই ঠাই পাইছিল। জোনাকী আৰু বাঁহীত তেনে প্ৰবন্ধ সিচৰিত হৈ আছে। এইবোৰ ৰচনা জাতীয় ভাৱেৰে পৰিপুষ্ট। এইবোৰে জাতি এটা গঢ়ি উঠাত, সুস্থ সবল হোৱাত, মনত মনোবল দিয়াত প্ৰভূত সহায় কৰিছিল। ইয়াৰ উপৰিও বেজবৰুৱাৰ বাঁহীৰ সম্পাদকীয়তো এই জাতীয়তাবাদৰ উমান পোৱা যায়। সেইবোৰে জাতিক সজাগ হোৱাত যথেষ্ট সহায় কৰিছিল। জোনাকী, বাঁহীত থকা প্ৰবন্ধবোৰ আজিও সোণমূলীয়া হৈ আছে। সেউ কোনোবাদিনাই বেজবৰুৱাই দিয়া অমোঘবাণী আজিও নতুন হৈ আছে। এয়া চাওক বেজবৰুৱাই কিদৰে জাতিক সাহ আনি দিছে—

"মৰিমতো যুদ্ধত মৰিম। মৰিমতো সন্মুখ সংগ্ৰামত পৰি মৰিম। চাতেলত মূৰ গুজুৱাই ঢেঁকি খোৱাৰ মাৰ খাই নহয়। জীৱন যুদ্ধত হাৰি যদি অসমীয়া ভাষা বন্দী হৈ কটা যাওঁক, তাত আমি দুখ নকৰো।"

বেজবৰুৱাৰ গল্প সাহিত্যত যিবোৰ চৰিত্ৰ লোৱা হৈছে সেইবোৰ প্ৰায় অসমৰ মাটিৰ, সেইবোৰ আমাৰ অতিকে চিনাকি। তেওঁৰ কাপত "ডম্বৰুধৰৰ প্ৰেমালাপ" ভেমপুৰীয়া মৌজাদাৰৰ কাঁতি আদিয়েহে ঠাই পায়।

হেমচন্দ্ৰ বৰুৱা, সত্যনাথ বৰাৰ ৰচনাত প্ৰবল ভাবেই সমাজ সচেতনতা উপলব্ধি হয়। বৰুৱা তথা বৰাৰ পিছত বেজবৰুৱাই পশ্চাত্য প্ৰভাৱত নৈকে গঢ় লোৱা অসমীয়া সমাজখনক থকা সৰকা কৰিছিল। ভোকেন্দ্ৰ বৰুৱা, নাওজুচন্দ্ৰ দাস, জগৰা মণ্ডল আদি চৰিত্ৰ সৃষ্টিৰে বেজবৰুৱাই সমাজৰ অন্ধানুকৰণ প্ৰিয়তাক

সমালোচনা কৰিবৰ প্ৰয়াস পাইছিল। ধৰ্মধ্বজ ফয়চলা নবিচ, লম্বোদৰ ডেকা, জাতিৰামৰ জাত, ফটেমা বিবি, মাধৈমালী আদি গল্পত বেজবৰুৱাই সমাজত প্ৰচলিত ধৰ্মান্ধতা, কুসংস্কাৰ জাত বিচাৰ আদিৰ চিত্ৰ অঙ্কণ কৰিব বিচাৰিছে। বেজবৰুৱা সমাজ চিত্ৰণত দক্ষ আছিল। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই কৈছে "অসমীয়া জীৱন ধাৰাৰ লগত পৰিচয় নাথাকিলে তেওঁৰ ৰচনাৰ সম্যক উপলব্ধি সম্ভৱ নহয়।" এইবোৰ পটন্তৰে বেজবৰুৱাৰ জাতীয়তাবাদী মনটোৰ প্ৰতিনিধিত্ব কৰিছে। ইয়াৰ উপৰি এনে নিভাঁজ খাঁটি অসমীয়া ভাষা বেজবৰুৱাৰ লেখিয়া স্বদেশপ্ৰেমিক লিখকৰ দ্বাৰাহে সম্ভৱ। স্বদেশপ্ৰেমিক বেজবৰুৱাৰ লেখাবোৰ পঢ়িলে যিমান সোৱাদ পোৱা যায় বাকীবোৰৰ ৰচনাত কেতিয়াও পোৱা নাযায়।

মৰামুখা অসমীয়াক জীয়াই তুলিব জন্ম কৰিলে বেজবৰুৱাই, পিচ পৰি থকা ভয়াৰ্ত্ত অসমীয়াক সাহস বাণী শুনালে বেজবৰুৱাই অসম ভূমিক ইমানকৈ যে ভাল পাব পাৰি তাৰো নিদৰ্শন দেখুৱালে বেজবৰুৱাই। এনেহেন জাতীয়তাবাদী ভাবধাৰাৰ বাবেই বেজবৰুৱা আমাৰ মাজত চিৰ অমৰ হৈ ৰল।



# শ্ৰীকৃষ্ণ-কথা

শ্ৰীকমলেশ্বৰ চলিহা

মহাবৈষ্ণৱ লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহী" কাকতত ওলোৱা ঈশ্বৰ-তত্ত্ব বিষয়ক বহুমূলীয়া টোকাসমূহ উদ্ধাৰ কৰি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে 'শ্ৰীকৃষ্ণ-কথা' ৰূপ আকাৰত মূল শ্ৰীমদ্‌ভগৱদ্ গীতাৰ দৰে সাহিত্য প্ৰকাশৰ যোগেদি সুন্দৰকৈ সঙ্কলন আৰু সম্পাদন কৰি উলিয়াইছে। আমাৰ ধৰ্ম্ম সম্পৰ্কীয় পবিত্ৰ গ্ৰন্থসমূহৰ ভিতৰত এইখনোৱে এখন চকুত লগা গহীন ভাবৰ গ্ৰন্থ হৈ পৰিছে তাক নকলেও হ'ব।

হাজৰিকাদেৱে বেজবৰুৱাৰ ব্যক্তিগত চৰিত্ৰ এনেভাবে বিশ্লেষণ কৰি এঠাইত এনেকৈ কৈছে যে সেই বিচক্ষণ বিশ্লেষণৰ দ্বাৰা বেজবৰুৱাক সহজে এজন ধৰ্ম্মগুৰু হিচাপে ধৰিব পাৰি। ইমান দিনে যে বেজবৰুৱাক সেই আসন দিয়া হোৱা নাই সেইটোৱেই হে বিস্ময়ৰ বিষয়। এটা আধুনিক যেনেকৈ একালে জৱাহৰলালৰ মুখমণ্ডল আৰু আনফালে যেনেকৈ অশোকস্তম্ভ সেইদৰে বেজবৰুৱা জীৱনৰ এটা দিশত হেঁট-নেকটাই পিন্ধা উৎকট চাহাব আৰু আনটো দিশত তেওঁ সন্ত-মহন্তৰ আগশাৰীৰ এজন মহাপুৰুষ। তেওঁৰ এই চাৰিত্ৰিক ৰূপ্যৰূপ কিয় হ'বলৈ পালে তাৰ উত্তৰত আমি ইয়াকে মাথো ক'ব খোজোঁ যে শঙ্কৰদেৱক পোহপাল দিবলৈ যেনেকৈ মহাৰাজ নৰনাৰায়ণ, ৰামকৃষ্ণ পৰমহংসদেৱক আবৰি ধৰিবলৈ যেনেকৈ ৰাণী ৰাসমনি, সিদ্ধাৰ্থৰ বাণী সমূহক শিলৰ স্তম্ভত খোদিত কৰিবলৈ যেনেকৈ মহাৰাজ অশোক, মহাত্মা গান্ধীক ৰক্ষণাবেক্ষণ কৰিবলৈ যেনেকৈ বিৰলা কোম্পানী, লক্ষ্মীনাথ বেজবৰুৱাৰ আশ্ৰয় দাতা হিচাপে তেনেকৈ কোনো নাই। সেইদেখি তেওঁৰ ধৰ্ম্মজীৱনৰ কাঞ্চনজঙ্ঘাই আকাশ চুই গলেও তেওঁ ব্যৱহাৰিক জীৱনৰ নাও সৰ্বসাধাৰণৰ দৰে অকলশৰে বাই নিব লগাত পৰিছিল। তেওঁৰ জীৱন যুদ্ধত তেওঁৰ চাহাবিয়ানা অপৰিহাৰ্য্য আছিল। মহম্মদীয় ধৰ্মত আগাখাঁই যি সন্মান পাইছিল বেজবৰুৱাই শঙ্কৰদেৱৰ আৱিষ্কাৰক হোৱা সত্ত্বেও ধৰ্ম্ম জগতত বেজবৰুৱাই তেনে আসন নেপালে। অথচ অসমৰ ধৰ্মজগতত শঙ্কৰদেৱৰ পিছত বেজবৰুৱাদেৱেই অভ্ৰভেদী ব্যক্তিত্ব। বেজবৰুৱাৰ আচল স্বৰূপ হ'ল ধৰ্ম প্ৰচাৰকৰ। কিন্তু বিবেকানন্দৰ দৰে পাগুৰি আৰু সাধুটি লবলৈ গলে তেওঁৰ নচলে। ইংৰাজীত revelation বুলি এটা কথা আছে। ধৰ্মকথা মানুহে অনেক লেখিব পাৰে কিন্তু প্ৰকৃত revelation নহলে সেইকথাবোৰ শব্দৰ সমষ্টি হয় মাথোন। বেজবৰুৱাৰ শ্ৰীকৃষ্ণ-কথাত ওলোৱা ৰত্নবোৰৰ কিছুমান এনেকুৱা অনুপম যে সেইবোৰে মানুহক তৎক্ষণাৎ revelation আনি দিবৰ বাবে সক্ষম। তেনেকুৱা দুই এটা কথা এই গ্ৰন্থৰ পৰা তলত তুলি দিলোঁ। এইবোৰে সঁচাকৈ আমাৰ নিচিনা পাপাচ্ছন্ন চিত্ৰকো খন্তেকলৈকে হ'বলা revealed কৰিছে। এই revealment বা শব্দৰ প্ৰকৃত অসমীয়া প্ৰতিশব্দ দিবলৈ আমি টান পালোঁ। revealment ঐশ্বৰিক প্ৰভাৱত জাগৰণ হোৱা বুলিলে সামান্য পৰিমাণে এই অৱস্থাৰ ওচৰ চাপিব পাৰি :

> এদিন আমাৰ ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা কোনো কাৰ্য্য উপলক্ষ্যে মহাবিষ্ণুৰ ওচৰলৈ গৈছিল। ব্ৰহ্মাই বৈকুণ্ঠৰ দুৱাৰত দেখিলে, দুৱৰীজন গণেশ ; কিন্তু মুখ পাঁচখন। ব্ৰহ্মাই আচৰিত মানি ভাবিলে, —এই পাঁচমুখীয়া গণেশ ক'ৰপৰা ওলালহি ; মই চৰ্জন কৰা গণেশৰ মুখ এখনহে। তাৰ পিছত, ব্ৰহ্মাই গণেশক কলে। "মই ব্ৰহ্মা: ভগৱন্তৰে সৈতে সাক্ষাৎ কৰিবলৈ আহিছোঁ।" গণেশে সুধিলে—"আপুনি কোন ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা? ভগৱন্তক

কাৰ নাম ক'ম ?" ব্ৰহ্মাৰ বিস্ময় আৰু বাঢ়িল। তেওঁ কলে—"কোন ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা ? ব্ৰহ্মাণ্ডতো এটা, আৰু তাৰে ব্ৰহ্মা মই।" গণেশে কলে, "অ' বুজিছোঁ। আপুনি পৃথিৱী ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা। বাৰু খবৰ দিওঁগৈ।" উভতি আহি গণেশে ব্ৰহ্মাক ভিতৰলৈ লৈ গ'ল। ভিতৰলৈ গৈ ব্ৰহ্মাই দেখিলে, কাৰণাৰ্ণৱত এটি অনন্ত দল পদ্ম ফুলি আছে; আৰু সেই পদ্মৰ পাহিয়ে পতি এটি এটি পৰম সুন্দৰী কন্যাই একো একোটা ঘূৰণীয়া টোপ হাতত লৈ উমলি আছে। ব্ৰহ্মাই সেই পদ্মৰ পাহিবোৰ লেখিবলৈ চেষ্টা কৰিছিল, কিন্তু নোৱাৰিলে, কাৰণ সেই পাহি অনন্ত। সেইটো কাৰ্য্য এৰিদি, তেওঁ বিমোহিত হৈ সেই কন্যাবোৰৰ খেল চাবলৈ ধৰিলে। চাই থাকোঁতেই কত যুগ বৈ গ'ল। ব্ৰহ্মাই গমকে নাপালে। হঠাৎ তেওঁ দেখিলে যে খেলোতে খেলোতে এটি কন্যাৰ গোলক অৰ্থাৎ টোপটো ভাগি চূৰ্চুৰ হৈ গ'ল। কন্যাটিয়ে ইনাই বিনাই কান্দিবলৈ ধৰিলে। মনত বৰ বেয়া লাগি ব্ৰহ্মাই কন্যাটিক কলে, "আই তুমি নাকান্দিবা। এটা টোপ ভাগি গৈছে। তাৰ নিমিত্তে ইমান বেজাৰ কৰিছা কিয় ? মই ব্ৰহ্মা, বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্ত্তা। এতিয়াই মই তোমাক তেনেকুৱা কত টোপ সাজি দিব পাৰোঁ। ৰবা নাকান্দিবা, মই এটা সাজি দিওঁ।" কন্যাটিয়ে ব্ৰহ্মাৰ কথালৈ কান নিদি কান্দিবলৈ ধৰিলে। কন্যাটিক ভুলাবৰ নিমিত্তে ব্ৰহ্মাই টোপ সাজিবলৈ চেষ্টা কৰিবলৈ ধৰিলে; কিন্তু তেওঁৰ চেষ্টা সমূলি বিফল হ'ল, এটা টোপকে সাজিব নোৱাৰিলে। ব্ৰহ্মা স্তম্ভিত হৈ বিমূঢ়ৰ দৰে চাই ৰ'ল। সেই দুৱৰী পঞ্চমুখ গণেশে ব্ৰহ্মাৰ ওচৰতে থিয় দি এই কাণ্ড চাই আছিল। তেওঁ ব্ৰহ্মাৰ মোহ দূৰ কৰিবৰ নিমিত্তে কলে। "এই কাৰণাৰ্ণৱৰ অনন্তদল কমল বিশ্বব্ৰহ্মাণ্ডৰ ৰূপক স্বৰূপ। ইয়াৰ একো একোটা পাহিত একো একোটা ব্ৰহ্মাণ্ড। এটি এটি কন্যা একো একোটা ব্ৰহ্মাণ্ডৰ অধিষ্ঠাত্ৰী দেৱী। তেওঁ সৃষ্টিৰ বিকাশকালত ব্ৰহ্মাণ্ডৰূপ ক্ৰীড়া গোলক লৈ খেলালি কৰে। প্ৰলয়ৰ সময়ত সেই গোলক চূৰ্ণ হৈ যায়। আজি আপুনি এটি ব্ৰহ্মাণ্ডৰ তেনে প্ৰলয় দেখিলে। আপোনাৰ সাধ্য কি, যে আপুনি সেই ব্ৰহ্মাণ্ডটো সৃষ্টি কৰে ? প্ৰলয় ৰাতি পুৱালেই সেই ব্ৰহ্মাণ্ডৰ ব্ৰহ্মাই তাক আকৌ সৃষ্টি কৰিব। সৃষ্টিৰ সীমা নাই। বিশ্বব্ৰহ্মাণ্ড কমলৰ অনন্ত দল।' কোৱা বাহুল্য যে এইবোৰ দেখি শুনি আমাৰ ব্ৰহ্মাৰো নিশ্চয় যথাৰ্থ revelation হ'ল।

সংসাৰত আমি সংসাৰী জীৱ মৃত্যুৰ ভয়ত বিহ্বল হওঁ আৰু চকুৰ আগতে নিৰন্তৰ পৰলোক গামী যাত্ৰীৰ ভিৰ দেখি মৰণৰ চিন্তাত আমি বিবৰ্ণ হৈ পৰোঁ। বেজবৰুৱাই এই সম্পৰ্কে শ্ৰীকৃষ্ণ-কথাত মৰণৰ ঔষধ কি দিছে চাওক আৰু আপোনাৰ মনৰ যদি সি কিবা পৰিবৰ্ত্তন আনে তেনে সি সাৰ্থক হৈছে নহলে অসাৰ্থক

'আমাৰ মৰণ নিশ্চিত বস্তু; কিন্তু আমাৰ মানে কাৰ? দেহৰ। প্ৰকৃত আমাৰ নহয়। দেহত আত্ম-বুদ্ধি কৰোঁতাইহে মৃত্যুক স্বীকাৰ কৰি লও। এই বাবেই ভক্তই আত্মনিন্দা কৰি, খেদ কৰি কৈছে:—

অনাত্মা দেহক আত্মা বুদ্ধি কৰি, হৰি হৰি হৰি এ, সেৱা পৰিহৰি সি সুখে ভৈলো বঞ্চিত।

দেহক স্বীকাৰ কৰি লোৱা মানে মৃত্যুক স্বীকাৰ কৰি লোৱা; কাৰণ দেহৰ মৰণ নিশ্চিত। এই মৰণৰ হাত এৰাব খুজিলে অৰ্থাৎ দেহকে ভাল পাই তাকে মাথোঁ ৰক্ষা কৰিবৰ চেষ্টা কৰিলে জীৱ নোৱাৰি, কিয়নো শতচেষ্টাতো তাৰ বিনাশ নুগুচে। মৰণক আনন্দৰ সৈতে গ্ৰহণ কৰি লবেই জীৱ পাৰি। আমি সকলোৱে নিজৰ শৰীৰক ভাল পাওঁহক, অনেক ভাল পাওঁহক। কিন্তু এই ভালপোৱা প্ৰেম নহয়। এই ভালপোৱা কামহে। প্ৰেমহে মৃত্যুঞ্জয়, কাম নহয়। প্ৰেমেই অমৰত্ব আনি দিয়ে। কামে নোৱাৰে।

"প্ৰেমৰ আগত কিবা দুখ,
কিবা মৃত্যু ? প্ৰেম মৃত্যুঞ্জয়।"

প্ৰতিমা—



চন্দ্ৰকুমাৰ আগৰৱালা বেজবৰুৱাৰ প্ৰিয়তম কবি। সেইবাবে তেওঁৰ পৰা এই উদ্ধৃতি। প্ৰতিমা ৰচনাৰ বহুত পাছত বিশ্ব কবি ৰবীন্দ্ৰনাথে 'শেষের কবিতা' লেখে। তাতো প্ৰেমৰ বিষয়ে বিশ্বকবিয়ে এইদৰে কৈছে

"তবু সেতো স্বপ্ন নয়
সেযে মৃত্যুঞ্জয়।
সবচেয়ে সত্য মোর সে আমার প্রেম,
তারে আমি রাখিয়া এলেম
অপরিবর্তনীয় অর্ঘ্য তোমার উদ্দেশে
পরিবর্তনের স্রোতে যাই আমি ভেসে
কালের যাত্রায়।'

কামক প্ৰেম বুলি ভ্ৰম কৰি কামুকে গৰল খ'ল পান কৰি মৃত্যুৰ মুখত পৰাৰ কথা বেজবৰুৱাই কি গভীৰ তত্ত্ব সমৃদ্ধ কৰি প্ৰকাশ কৰিছে তাক চাওক:—

"ভগৱন্ত শ্ৰীকৃষ্ণই তেওঁৰ প্ৰিয় গোপীসকলক অমূল্য তত্ত্বোপদেশ দিবৰ নিমিত্তেই তেওঁলোকৰ বস্ত্ৰহৰণ কৰি কদম্বগছত উঠি তেওঁলোকক কৈছিল,—"তোমালোকে এই কদম্ব তললৈ আহি নিজৰ নিজৰ বস্ত্ৰ লৈ যোৱাহঁক। গোপীসকলৰ তেতিয়াও দ্বিতীয় জ্ঞান সম্পূৰ্ণৰূপে বিনষ্ট হোৱা নাছিল; সেইদেখি তেওঁলোকে লাজতে পাৰলৈ উঠি কাপোৰ খুজি লব নোৱাৰিছিল। পৰমপতি কৃষ্ণক লাজ কৰি যে গোপীসকলে তেনে কৰিছিল এনে নহয়। জানোচা আন কোনোবাই তেনে অৱস্থাত তেওঁলোকক দেখে। এইবাবেই শ্ৰীকৃষ্ণই তেওঁলোকক কলে—"হে অবলা সকল! তোমালোকে যি নিমিত্তে কাত্যায়নী ব্ৰত কৰিলাহঁক সেইটো মই বুজিব পাৰিছোঁ। মোৰে সৈতে বিহাৰেই তোমালোকৰ মনোগত বাঞ্ছা। ........এতেকে তোমালোক ঘৰলৈ উভতি যোৱা। অৰ্থাৎ পতিৰ পতিক লাভ কৰিবৰ উপযুক্ত মনৰ নিৰ্ম্মলতা এতিয়াও তোমালোকৰ হোৱা নাই। এতেকে এতিয়া তোমালোক ঘৰলৈ উভতি যোৱাহঁক। ........

গোপীসকলে শ্ৰীকৃষ্ণক পতি অৰ্থাৎ সৰ্ব্বতোভাৱে ৰক্ষকৰূপেই পাবৰ নিমিত্তে কাত্যায়নীৰ পূজা কৰিছিল কিন্তু এই সময়লৈকে তেওঁলোকৰ ভেদ দৰ্শন মায়া সম্পূৰ্ণৰূপে বিনষ্ট হোৱা নাছিল। মায়া সম্পূৰ্ণৰূপে বিনষ্ট নহলে পৰমানন্দ শ্ৰীকৃষ্ণ ভগৱন্তৰে সৈতে জীৱৰ সম্মিলন হব নোৱাৰে। ...ৰকৈ গমি চালে স্পষ্টকৈ দেখিবলৈ পোৱা যায় যে বস্ত্ৰহৰণ লীলাৰ ভিতৰত অশ্লীলতা বা কদৰ্য্যতা একো নাই; আছে মাথোন পৰম তত্ত্ব আৰু ঈশ্বৰ প্ৰেমৰ কথা। তিৰুতাই পুৰুষক বৰণৰ নিমিত্তে স্বয়ং প্ৰাৰ্থনা কৰিছে, কিন্তু পুৰুষে তাত অসম্মতি প্ৰকাশ কৰিছে। কামৰ অধিকাৰৰ ভিতৰত এনেকুৱা কথাত দেখা যায়নে ? বস্ত্ৰহৰণ লীলা চঞ্চল নবীন খেলালিও নহয়; ই পৰম নিগূঢ় তত্ত্ব, ঈশ্বৰৰ দ্বাৰাই ভক্তৰ চৰম পৰীক্ষা। ...এইবাবেই পৰমেশ্বৰে একান্ত ভকত বৃন্দাবনৰ গোপীসকলৰ মায়াৱৰণ বস্ত্ৰহৰণ কৰিছিল।.... বাইবেলত বৰ্ণিত এডেম্ আৰু ইভৰ বস্ত্ৰৰ আৱশ্যকতা হৈছিল কেতিয়া ? যেতিয়া তেওঁলোক ঈশ্বৰৰ স্বৰ্গৰাজ্যৰ পৰা ঈশ্বৰৰ পৰা বিচ্যুত হবৰ অৱস্থাত উপস্থিত হৈছিল। সনক সনাতন আদি চাৰিসিদ্ধৰ ঈশ্বৰ কৃষ্ণৰ সান্নিধ্যত "নাহিকে বস্ত্ৰ সৱে দিগবাস। এইবাবেই ব্যাসৰ পুতেক শুকদেৱ উলঙ্গ হৈ পৰিছিল। ব্ৰহ্মচাৰী, মহাজ্ঞানী সংসাৰ নিৰ্লিপ্ত শুকদেৱ এনে নীতি জ্ঞানহীন আছিলনে যে মৃত্যুকালৰ সন্মুখ হোৱা পৰীক্ষিতক তেনে বিবৰণকে বিশদভাৱে শুনাই ভৱসংসাৰ বিমুক্ত কৰিছিল ? সন্ন্যাসধৰ্ম্মাৱলম্বী শ্ৰীচৈতন্যদেৱ এনে নীতি জ্ঞানহীন আছিল নে যে শ্ৰীকৃষ্ণৰ এই লীলাৰ অমৃত পানত নিমগন হৈছিল ? মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ এনে চৰিত্ৰহীন আছিলনে যে তওঁৰ কীৰ্ত্তনত ৰাসলীলা বৰ্ণনা আজি কালি সৰ্ব্ব সাধাৰণ অভক্তই বুজাদি বুজিবলৈ তাত তেওঁ সমাবেশ কৰিছিল ? মহাপুৰুষ চিৰকৌমাৰ্য্য ব্ৰতাৱলম্বী মাধৱদেৱে কেনে ভাৱত ৰাসলীলা বুজিছিল ? নৈতিকতাৰ বিৰুদ্ধ অৰ্থত তেওঁ বুজিছিল বুলি কোনোবাই ভাবিবও পাৰেনে ? পৰমভক্ত

মহাপুৰুষ শ্ৰীদামোদৰদেৱৰ পত্নৰ দক্ষিণ পাট সত্ৰত আজিও ৰাসলীলাৰ অনুপম অভিনয় হয়। ভক্তই তালপৰা অমৃত পান কৰি অমৰ হয় আৰু অভক্ত পত্নৰগ্ৰাহী কামুকে গৰল পান কৰি মৃত্যুৰ মুখত পৰে। একেটা ফুলৰে মৌ কোঁদো বৰলে আনি বিৰহ উঁৰাল বান্ধে আৰু মৌ মাখিয়ে আনি মৌ-কোঁহ প্ৰস্তুত কৰে।"

আজিকালি অৱশ্যে শুকদেৱৰ দৰে উলঙ্গ আৰু সনক সনাতনৰ দৰে দিনবাস হৈ ধৰ্ম আচৰণ কৰিবলৈ গলে প্ৰজাঘৰে নহলেও ৰজাঘৰে বন্দীঘৰত ভাত খাবলৈ দিব আৰু ভগৱন্ত শ্ৰীকৃষ্ণৰ দৰে ৰাসলীলাৰ অভিনয় কৰিবলৈ গলেও নৈতিকতাৰ চাৰিবেৰ খহা বুলি ৰাইজে ধৰিব। সেইবাবে যুগৰ উপযোগী ভাবে কৃষ্ণকথাত ৰত হৈ থাকিবৰ বাবে মহাপুৰুষ মাধৱদেৱে ঘোষাত এইবুলি উপদেশ দিছে:—

যিটোজনে কৃষ্ণকথা বিচাৰ সময়ে মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
যত তীৰ্থ স্নান দান দেৱ পিতৃ যজ্ঞ যাগ
যোগাদিৰো ফলক পাৱয়॥

সেইদেখি বিসকল ভকতে কৃষ্ণকথাকে সাৰোগত কৰি একান্তমনে নিৰহ নিপানীকৈ একমাত্ৰ শ্ৰীকৃষ্ণকে পৰমেশ্বৰ জ্ঞান কৰি শ্ৰৱণ, কীৰ্ত্তন আৰু বন্দন কৰি মনুষ্য জীৱন অতিবাহিত কৰি যাব খুজিছে সেইসকলৰ চৰিত্ৰ নিৰূপণ কৰি বেজবৰুৱাই 'বাঁহীৰ' সম্পাদকৰ চ'ৰাত এইদৰে লেখিছে:—

"সেইদেখি শঙ্কৰদেৱৰ ধৰ্ম্মক ধৰা একান্ত বৈষ্ণৱ ভকত, নিগুণ ব্ৰহ্মত স্থিতি লভা "মুক্তিত নিস্পৃহ"। মহাপুৰুষীয়া বৈষ্ণৱ হোলগোজ ভকত। তেওঁ একে আষাৰতে কৈ যায়—'তোমাৰ বেদ বেদান্তই কোৱা মুকুতি আমাক নেলাগে; আমি তাৰ ভু নাপাওঁ আৰু নলওঁ। আমি তোমাৰ সাংখ্য। পাতঞ্জলৰ একো বুজ নেপাওঁ তাৰ বুজো নলওঁ। আমি ভু পাওঁ ঈশ্বৰক, এজন Personal God ক, All Pervading Deity ক, যি আমাৰ পিতা, সুহৃদ, পাতা, ৰক্ষাকৰ্ত্তা আৰু প্ৰভু। আমাৰ উচ্চ আশা সেইজনৰ দাসৰো দাস হৈ থাকিবলৈ। তেওঁক সেৱা ভক্তি কৰি তেওঁৰ নামগুণ লৈ থাকিবলৈ পালেই আৰু আমাক তোমাৰ স্বৰ্গ, ব্ৰহ্মপদ, মুক্তি একোকে নালাগে। আমাক তোমাৰ সুখো নেলাগে দুখো নেলাগে, বিষয় সম্পত্তি ঐশ্বৰ্য্য বিভূতিও নেলাগে। আমাক লাগে মাত্ৰ আমাৰ পুৰুষোত্তম পৰমেশ্বৰৰ গুণনাম কৰ্ণ ভৰি শ্ৰৱণ কৰিবলৈ আৰু মুখ ভৰি লবলৈ।"

ঈশ্বৰৰ নাম কীৰ্ত্তনেইহে সকলো মানৱ ধৰ্মৰে মূলকথা তাক নামাজ চাৰমন আৰু বৌদ্ধ প্ৰাৰ্থনা আদিৰ পৰা ভালকৈ জানি। শ্ৰীকৃষ্ণ-কথাত কেৱল এই মানৱ-ধৰ্ম্ম পালনৰ বাবেই বেজবৰুৱাই আঙুলিয়াই দেখুৱাইছে। আজি হিন্দুস্থান, বৌদ্ধস্থান আদি যিয়েই নোহওক একেখন মানৱ স্থানেই যে সকলো মানুহৰ মিলনৰ তীৰ্থভূমি তাক এই শ্ৰীকৃষ্ণ-কথাই জলজল পটপটকৈ দেখুৱাইছে আৰু এই কথা নিসেৱন কৰিলেই যে মানৱ জীৱন সাৰ্থক হয় তাত কোনো সন্দেহ নাই। এনেহেন অমূল্য নিধি শ্ৰীকৃষ্ণকথা সকলোৰে হাতত তুলি দিব পৰাকৈ সাহিত্য প্ৰকাশে বেজবৰুৱা শতবাৰ্ষিকীত দিহা কৰা কামটো সোণত সুৱগা চৰোৱাৰ দৰে হৈছে। 'বাঁহী'ৰ সম্পাদকৰ চ'ৰাবোৰত এই ধৰণৰ বিধিলাক কথা বেজবৰুৱাৰ মৌ বৰষা লেখনীয়ে অসমীয়া সাহিত্য উঁৰালত থৈ গ'ল তাৰো সকলন আৰু সম্পাদন আমাক লাগে। উপযুক্ত সম্পাদক অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱেই আমাক এই ভোগ পৰমান্ন বিলাই দি আমাক সদাকৈয়ে ঋণী কৰিলে।

হাড়লৈকে কপোৱা সংসাৰৰ দুখ দুৰ্দ্দিনৰ জাৰ কালি নিশাত জাৰ কাপোৰৰ দৰে যি ধৰ্ম্ম কথাৰ বৰ কাপোৰ অসমীয়াৰ বাবে বেজবৰুৱাই 'বাঁহী' কাকতত থৈ গৈছে সংসাৰ জাৰ গুচোৱাৰ বাবে আমাৰ সেয়েই যথেষ্ট। তাকেই আমি সামৰি সুতৰি ল'ব জানিব লাগে মাথোন।

বেজবৰুৱাই লেখি গৈছিল

"আহক মৰণ, ভয় নকৰো সমূলি
কিন্তু কওক তেওঁ, যি জানে এই নিঃকিনক
বপুৰা বেচেৰা, ৰুইছিলে এজোপা অশোক
ফুলি যাৰ ফল আমোদিছে অসম সদায়।"

শ্ৰীকৃষ্ণ কথাৰ দৰে বেজবৰুৱাৰ ধৰ্ম্ম কথাবোৰেই যে বঙা ফলেৰে জকমক হৈ থকা অশোক-বৃক্ষ তাক আমি এশবাৰ মুখেৰে স্বীকাৰ কৰোঁ।

# বেজবৰুৱাৰ মাতৃ প্ৰেম—জন্মভূমি

—শ্ৰীযতীন গোস্বামী

যি সকল লেখকৰ একান্ত প্ৰচেষ্টা আৰু প্ৰীতিৰ গুণত অসমীয়া ভাষা সাহিত্যত "নতুনৰ সৃষ্টি" হ'ল আৰু যিসকলৰ কৰ্ম্ম জীৱনৰ মূল ক্ষেত্ৰ অসমীয়া ভাষা সাহিত্যক কেন্দ্ৰ কৰি আৰম্ভ আৰু শেষ হৈছিল সেইসকলৰ ভিতৰত প্ৰধানকৈ আছিল লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাৰ কাৰণে প্ৰথমতে স্বদেশ তাৰ পিছতহে আনবোৰ প্ৰশ্ন। 'অ' মোৰ আপোনাৰ দেশ, অ' মোৰ চিকুণী দেশ" বুলি দেশ মাতৃকাক সম্বোধন কৰি অন্তৰৰ অন্তস্থলৰ পৰা ওলোৱা ভাবক ভাষাৰ মাজেদি প্ৰকাশ কৰি গীতৰ সুৰলৈ অনাটোতেই তেওঁ ক্ষান্ত নহয়। তেওঁৰ কথা-বতৰা, লিখনি, কাম কাজৰ প্ৰতিটো অঙ্গতেই সেই একেটা সুৰ একেটা ভাব—'অ' মোৰ আপোনাৰ দেশ। অসম সাহিত্য সভাৰ তৰফৰ পৰা ১৯৩১ চনৰ ২৯ ডিচেম্বৰ তাৰিখে তেওঁলৈ দিয়া অভিনন্দনৰ উত্তৰ দি লক্ষীনাথে কৈছিল, "... এইটো মই কাচিবই লাগিব যে মাতৃভাষাৰ সেৱা কৰো বুলি সৰুৰে পৰা মই কাপ মেলান কলাপাত, তাৰ পিছত তুলাপাত হাতত লৈ খপজপাই ফুৰিছোঁ।.... মোৰ তুলাপাতৰ খনখনি, কাপৰ আচোঁৰণি আৰু মেলানৰ হোলোকণিয়ে পৃথিৱী পৰিক্ৰম কৰোঁতা য়ুৰোপীয় নাবিকৰা ড্ৰেক মেগোলিন কুকৰ দৰে সাহিত্যৰ ঘূৰণীয়া পৃথিৱীখন ঘূৰি যাৰে পৰা প্ৰথমতে গৈছিল গুৰিৰ সেইখিনিতে আজি ওলানহি দেখিছোঁ। সেই গুৰিটো হৈছে মোৰ বিদ্যাবস্তুৰ "সিদ্ধিৰস্তু।" সেই 'সিদ্ধিৰস্তু'ৰেই আজি আপোনাসকলে চেনেহ-প্ৰীতিৰ মৌৰে সানি দিয়া এই অভিনন্দন বস্তু। বৈজ্ঞানিকসকলে যিহকে কওক, আজিৰ ঘটনাই এইটো কিন্তু প্ৰমাণ কৰিলে যে এই পৃথিৱীত সৰল ৰেখা আৰু সমান্তৰাল ৰেখা বুলি পদাৰ্থ এটা নাই। সেইবোৰ টানি লৈ গৈ থাকোঁতে, গৈ থাকোঁতে শেহত আকৌ থাই ঘূৰণীয়া হৈ ওভতে। পৃথিৱীখন ঘূৰণীয়া। চন্দ্ৰ, সূৰ্য্য, গ্ৰহ নক্ষত্ৰবোৰ ঘূৰণীয়া আৰু সকলোবোৰেই ঘূৰণীয়া। বিশ্ব ব্ৰহ্মাণ্ড নামৰ কণী এটাৰ পেটত দেখিয়েই হবলা এনে। এই দেখিয়েই হবলা আমি ওপজাৰ পৰা পাওঁ আমাৰ পাৰ্থিৱ মা-বাপ, তাৰ পিছত কাপ। আৰু মৰিবৰ সময়লৈকে সেই কাপতেই আমাৰ বাপ আৰু অন্তত পাওঁ বিশ্ব ব্ৰহ্মাণ্ডৰ জননী জনক স্বৰ্গীয় মা বাপ।॥

আশাবাদী লক্ষ্মীনাথে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই আশা কৰিছিল মাতৃভূমিৰ উন্নতি, মাতৃভাষাৰ সাহিত্যৰ উন্নতি আৰু বিচাৰিছিল ভাষা সাহিত্যৰ অনুষ্ঠান অসম সাহিত্য সভাক এখন ওখ আসনত প্ৰতিষ্ঠিত কৰি বিশ্ব ব্ৰহ্মাণ্ডৰ সকলোৱে যাতে ইয়াক স্বীকৃতি দিব পাৰে। তেওঁ কৈ গৈছে "হাকুটি লগায়ো চুকি নোপোৱা দূৰ বিদেশত থকা বাবেই নেকি মোৰ চকুত পৰিছে—সভাত মনৰ গতি যদিও মন্থৰ কিন্তু সুদৃঢ়। সেই দেখি এনে এদিন আহিব বুলি মোৰ দৃঢ় বিশ্বাস হৈছে যেতিয়া এই সভাই সাহিত্যিকক দিয়া উপাধিবোৰ বিশ্ব-বিদ্যালয়ৰ উপাধিৰ নিচিনা গণ্য হব....।

বেজবৰুৱাই মানুহক তেওঁৰ লিখনীৰ দ্বাৰাই হহুঁৱাইছিল, মানুহক দুখমনা কৰি তুলিছিল আৰু গভীৰ চিন্তাত মগণ কৰাইছিল। সেই ৰচনাবোৰৰ মাজত বেজবৰুৱাৰ স্বদেশানুৰাগ বিদ্যমান। ডঃ বাণীকান্ত কাকতি দেৱে বেজবৰুৱাৰ ৰচনাৱলীৰ কথা কৈ কৈছে "স্বদেশ প্ৰীতিয়েই বেজবৰুৱা সাহিত্যৰ মূল মন্ত্ৰ।" জীৱনৰ সৰহখিনি কাল বিদেশত কটোৱা বেজবৰুৱাই কিন্তু প্ৰতিটো মুহূৰ্ত্ততে অসম মাতৃৰ কথা সুঁৱৰিছিল, সকলোবোৰ ক্ষেত্ৰতেই অসমৰ সাংস্কৃতিক তথা লৌকিক আচৰণবোৰৰ কথা মনত পেলাই গৌৰৱ কৰি কৈছিল—

"কত আছে এনে চাউল পানীত দিলে ভাত?
কত এনে কুঁহী-খেকেৰা টেঙাই যায় দাঁত?
কত পাবা পকা-খৰিচা, কত ঢেঁকীয়া শাক?
এঠা দৈ কত এনে নেবায় ধুলে যাক?
হেৰা আমাৰ জন্মভূমি !....

o

কত এনে মিৰি নাচ, কত এনে বিহু....
....হৃষ্ট পুষ্ট হাঁহি মুখ মুকলি মুৰীয়া
লৰা-ছোৱালী কত এনে দেখুৱাই দিয়া।
এনেখনি দেশ কতো নোপোৱা বিচাৰি
নিশ্চয় নিশ্চয় মই কওঁ এটাই মাৰি
হেৰা আমাৰ জন্মভূমি।"

বিদেশত থাকি নিজৰ জন্মভূমি, নিজৰ ভাষা সংস্কৃতিৰ প্ৰতি একনীয়া মনোভাব ধাৰণ কৰা লোক বেজবৰুৱা ডাঙৰীয়া নাছিল। যেয়েহে বিদেশৰ নানাবিধ সুস্বাদু ভোজন-দ্ৰব্য ভোগ কৰিবলৈ পাইও বেজবৰুৱাই অসমৰ কাঁহুদী খাৰলীক পাহৰিব পৰা নাছিল। ২য় বছৰৰ ২য় সংখ্যা (১৮৩২ শক) 'বাঁহী'ত বেজবৰুৱাই লিখা 'অসম' প্ৰবন্ধত তেওঁৰ মাতৃভূমিৰ প্ৰতি থকা কৰ্ত্তব্যৰ কথা কৈ কৈছে, "সেইবুলি আমি আমাৰ জন্মভূমিৰ যি নাম পাইছোঁ সেই নাম সাদৰে গ্ৰহণ কৰি সন্তুষ্ট থাকি নিজক গৌৰৱান্বিত বিবেচনা কৰা উচিত আৰু সেই নামক ভৱিষ্যতত যেন আৰু গৌৰৱান্বিত কৰিব পাৰোঁ। তাৰ্লৈ একাগ্ৰচিত্তে যত্ন কৰা উচিত.... ।"

অসম আৰু অসমীয়াভাষাৰ প্ৰতি চুবুৰীয়া ৰাজ্য বঙ্গদেশে বহুযুগৰ পৰা বিৰূপ মন্তব্য কৰি অহাৰ উপৰিও অসমীয়া ভাষাক বঙালী ভাষাৰ অপভ্ৰংশ নাইবা অসমীয়া ভাষা বঙালী ভাষাৰ হোজা ৰূপ বুলি কৈ আহিছে। বঙ্গদেশৰ মাজত বাস কৰি বঙালী পৰিয়ালৰ লগত পাৰিবাৰিক সম্পৰ্ক স্থাপন কৰা স্বত্তেও যি সকলে অসমীয়া ভাষাৰ বিষয়ে নানাবিধ বঙ্গ-কেন্দ্ৰীক সমালোচনা কৰি অসমীয়াৰ স্বকীয়া অস্তিত্বৰ কথা স্বীকাৰ কৰিব খোজা নাছিল, সেইসকলৰ্লৈ বেজবৰুৱাই কেৰেপ কৰা নাছিল। বৰং সেইলোকৰ প্ৰতি সমুচিত প্ৰত্যুত্তৰ দি বেজবৰুৱাই অসমক প্ৰকৃত স্থানত বহুৱাবলৈ যত্ন কৰিছিল; সেইবোৰ সমালোচকক বেজবৰুৱা ডাঙৰীয়াই দুটি কথা নুশুনোৱাকৈ স্পষ্টাই যাবলৈ এৰি দিয়া তকত নাছিল —"অসমীয়া ভাষাৰ বিৰুদ্ধ পক্ষীয় সকলে এই বিষয়ে আমাৰে সৈতে বাদানুবাদ কৰিব খুজিলে আমিও প্ৰস্তুত আছোঁ; কিন্তু অসমীয়া মানুহে বুজিব পৰা শুদ্ধ অসমীয়া ভাষাত, বিদেশী ভাষাত নহয়। কোনো এটা বিষয়ৰ ওপৰত মতামত প্ৰকাশ কৰিবলৈ গলে সকলোৱে ধৰি লয় যে মতামত প্ৰকাশ কৰোঁতাজনে সেই বিষয়টো ভালকৈ জানে নতুবা তেওঁৰ মতামত অকামিলা × × × অসমীয়া ভাষাৰ ওপৰত মতামত প্ৰকাশ কৰিবলৈ যোৱা সকলে যদি অসমীয়া ভাষাত তেওঁবিলাকৰ কি বক্তব্য আছে প্ৰকাশ কৰিব নোৱাৰে, তেন্তে অসমীয়া সৰ্ব্বসাধাৰণৰ আদালতত তেওঁবিলাকৰ নামে আমি অনধিকাৰ প্ৰৱেশৰ তালিকা কজু কৰিম আৰু তাৰ পিছত তেওঁলোকক হংকং বা ফিলিপাইন দ্বীপলৈ উঠি যাবলৈ পৰামৰ্শ দিম।" (জোনাকী ৫ম ভাগ ১১শ ১২শ সংখ্যা শাওন, ভাদ, ১৮২৭ শক)। 'অসমীয়া গৌৰীপুৰত বঙলা সাহিত্য সভা' শিৰোনামত ১ম বছৰ ৯—১২ শ সংখ্যা 'বাঁহী'ত বেজবৰুৱা ডাঙৰীয়াই গৌৰীপুৰত কটন কলেজৰ অধ্যাপক পদ্মনাথ বিদ্যাবিনোদৰ সভাপতিত্বত বহা উত্তৰ-বঙ্গ সাহিত্য সন্মিলনৰ সভাপতিৰ ভাষণত "অসমীয়া ভাষা বঙ্গভাষাৰ উপভাষা" বুলি কৰা আলোচনাৰ-উত্তৰ দি বিদ্যাবিনোদ মহাশয়ক ধকা-সৰকা কৰিছে। বাবু দীনেশচন্দ্ৰ সেনৰ আলোচনাৰ উত্তৰ দি তেখেতক অসমীয়া সাহিত্য আৰু ইতিহাসৰ উদাহৰণেৰে নিৰুত্তৰ কৰি বহুৱাই থৈছে। দীনেশ বাবুৰ "....আসামে অতি অল্পদিন হইল বঙ্গাক্ষৰ এবং বঙ্গভাষাৰ গৌৰৱ নষ্ট হইয়াছে। কিন্তু আসামেৰ ভাষাকে আমৰা বঙ্গভাষাৰ প্ৰাদেশিকভেদ ভিন্ন স্বতন্ত্ৰ ভাষা বলিয়া স্বীকাৰ কৰি না" বুলি বিদ্যাবিনোদ মহাশয়লৈ লিখা চিঠিৰ উত্তৰ সমুচিত ভাবে আৰু যুক্তি সহকাৰে বাঁহীৰ পাতত দি গৈছে। বঙালী লিখক যোগেশ ৰায়ে "সাত-আট শত-বৎসৰ পূৰ্ব্ব হইতে ওড়িয়া অক্ষৰ.... সে সময়েৰ আসামী পুথিও পাওয়া যায় না" বুলি দিয়া উক্তিৰ উত্তৰ দি বেজবৰুৱা লক্ষ্মীনাথে কৈছে," আজ্ঞে না, আসামী ভাষা ও সাহিত্যেৰ ইতিহাসটা আৰও একটু পড়িতে হচ্ছে.... আমি দুটা কথা কওঁ—(১) আপোনালোকে আপোনালোকৰ পুথিৰ বুলি তোলা পদবোৰ আসলতে। কাৰণ পূৰ্ব্ব-উত্তৰ বঙ্গত পোৱা সেইবোৰ পুথিৰ সৰহভাগ কামৰূপৰ কামৰূপীয়া ভাষাৰ সম্পত্তি। বাকী কেইখন কামৰূপীয়া ভাষাৰ ছাঁত ৰচিত ....আপোনালোকেহে আপোনালোকৰ লেখা আৰু কোৱা ভাষাৰে সৈতে বামুণ-শূদিৰৰ প্ৰভেদ ঘটাইছে, কাৰণ আপোনালোক 'উন্নতিশীল' অসমীয়া নহয়.... এইখিনিতে কওঁ যে আজিকালিৰ বঙালী সাহিত্য পৰিষদৰ সভা সকলৰ ভিতৰত এই বিদ্যানিধি মহাশয় এটি ডাঙৰ হিলৈ। বিদ্যাসাগৰ আৰু বঙ্কিমৰ আত্মাই পৰিষদৰ এই হিলৈৰ ধুমধুমনিত ভালকৈ স্বৰ্গত শুব পাৰিছেনে নাই কব নোৱাৰোঁ।"



অসম দেশ বেজবৰুৱাৰ জন্মভূমি। জীৱনৰ প্ৰতিটো ক্ষণতেই লক্ষ্মীনাথে জন্মভূমিক মনত পেলাই, প্ৰতিটো দুখ-দৈন্যৰ মাজতো জন্মভূমিক স্মৰি বিছে। নিজৰ মাতৃৰ মৃত্যুত তেওঁৰ এঘাৰদিনীয়া শ্ৰাদ্ধৰ দিনাখনো তেওঁ মহিমামণ্ডিত অসম জননীৰ কৃতী সন্তানৰ কথা স্মৰৰি লিখিছে—

"......জনম তোমাৰ
অনন্ত কন্দলি বংশে আসাম গৌৰৱ ..।"

লক্ষ্মীনাথে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক প্ৰকৃত স্থানত প্ৰতিষ্ঠা কৰি নোযোৱা হলে আমাৰ স্থান কিমানত থাকিলহেঁতেন কব পৰা টান। বেজবৰুৱাই হঁহুৱাইছে, কন্দুৱাইছে, ভাবৰ আৰু চিন্তাৰ সমল দিছে আৰু সেই সকলোবোৰৰ ভিতৰতে এটা মাত্ৰ 'স্পিৰিট' বিদ্যমান যাক মাত্ৰ এটা শব্দেৰে কব পাৰি "স্বদেশানুৰাগ" বুলি।



# নোমল

শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা

নোমল বেজবৰুৱাৰ এখনি ধেমেলীয়া নাট। এই নাটখন ১৯১৩ চনত ৰচিত। এই নাটখনৰ আগতে হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' (১৮৬১) ৰুদ্ৰৰাম বৰদলৈৰ 'বঙাল বঙালনী' (১৮৭১) আৰু বেজবৰুৱাৰ 'লিটিকাই' (১৮৯০) এই তিনিখন অসমীয়া ধেমেলীয়া নাট প্ৰকাশ পায়। সেই হিচাপে অসমীয়া ধেমেলীয়া নাটৰ বুৰঞ্জীত নোমলৰ স্থান চতুৰ্থ। অৱশ্যে নোমল ৰচনা কৰাৰ বছৰতে বেজবৰুৱাই আন দুখন ধেমেলীয়া নাট 'পাচনি' আৰু 'চিকৰপতি নিকৰপতি' ৰচনা কৰে।

নোমল নাটখন চমু। তাত এটি ধেমেলীয়া কাহিনী চিত্ৰিত কৰা হৈছে। কাহিনীটো হল নাহৰ ফুটুকা নামৰ এজন অজলা বুঢ়াই সত্ৰাধিকাৰ গোসাঁইৰ পৰা নকৈ ওপজা পুতেকৰ নাম আনিলে 'নোমল'। কিন্তু সি নামটো পাহৰিব বুলি ভয় কৰি বাটে বাটে 'নোমল' 'নোমল' বুলি কৈ অহাত শেষত 'নেমেল' নেমেল' হ'ল। তাকে শুনি নাও মেলিব খোজা নাৱৰীয়া কিছুমানে সিহঁতৰ কাৰ্য্যত বিঘিনি দিয়াৰ খোজা বুলি ভাবি নাহৰ ফুটুকাক ধৰি বৰ মাৰ দিলে। মাৰ খাই বুঢ়াই নেমেল' বুলিবলৈ পাহৰি 'নহবৰ হ'ল ঐ নহবৰ হ'ল'' বুলিবলৈ ধৰিলে। তাকে শুনি নকৈ বৰকন্যা হোৱা চকলা গোহায়ে তেওঁক বিদ্ৰূপ কৰা বুলি ভাবি বুঢ়াক টেঁকেলাৰ হতুৱাই এখুন্দা দিয়ালে। খুন্দাৰ কোবত বুঢ়াই ''উঃ সিটোতকৈ ইটোহে চৰা'' বুলি চিঞৰি যাবলৈ ধৰিলে। এনেতে এটা খোৱা আৰু এটা পকলীয়া বাটিকৰা লোকে দুয়োকে ঠাট্টা কৰা বুলি ভাবি নাহৰ ফুটুকাক আৰু এশিকনি দিলে। ইমান মাৰ খাই কেঁকাই গেঠাই বুঢ়া গৈ ঘৰ পালে।

বুঢ়াই সত্ৰাধিকাৰৰ পৰা নাম আনিবলৈ এখন মোনা লৈ গৈছিল। এতিয়া ঘৰ পানত ওচৰ চুবুৰীয়া তিৰোতা নিচনীয়ে মোনাখন মেলি নামটো চাব খোজাত বুঢ়াৰ ঘৈনীয়েকে ''নেমেল নেমেল'' বুলি কলে। তেতিয়া বুঢ়াই 'নেমেল' নামটোৱে সত্ৰাধিকাৰ গোসাঁয়ে দিয়া বুলি ঘৈনীয়েকক কলে।

চমুকৈ কাহিনীটো এই। এই কাহিনীটোৰ লগত নামনি অসমৰ ফালে প্ৰচলিত আন এটি কাহিনীৰ কিছু সাদৃশ্য দেখা যায়। সেই কাহিনীটো হ'ল এজন বৰ ধনী বুঢ়া আছিল; কিন্তু তাৰ নাম 'নিধনীয়া'। সেই কাৰণে মনৰ দুখত সি ৰজাৰ ওচৰলৈ নাম কিনিবলৈ গ'ল। বাটত এজোপা মৰা গছ দেখি বাটৰুৱা এজনক সুধিলে ''গছজোপাৰ নাম কি ?'' বাটৰুৱাই উত্তৰ দিলে ''অমৰ'। নিধনীয়াই আচৰিত হৈ মনতে কলে, ''অমৰ মৰে ।''

কিছুদূৰ গৈ পানী বৈ থকা নিজৰা এটাৰ নাম সুধি জানিলে 'নিজৰা' আৰু অলপ দূৰত দেখিলে এজন মানুহে হাল বাইছে; কিন্তু তাৰ নাম হ'ল 'মৰা'। নিধনীয়া ৰাতি গৈ ৰজাৰ ঘৰত থাকিল। পিছ দিনা পুৱা ৰজাৰ বৰ ধুনীয়া বান্দী এজনীয়ে ফটা কাপোৰ পিন্ধি চোতাল সৰা দেখি 'নিধনীয়া'ই মনতে কলে—

''অমৰ মৰে।
অজৰ জৰে,
মৰাই বায়ে হাল ।
লক্ষ্মীৰ টিকাত ফটা কানি
মোৰ নাম নিধনীয়াই ভাল ।।''

ই যি নহ'ক অৱশেষত নিধনীয়াই ৰজাৰ পৰা এটা নাম পালে, নিৰ্মল,' কিন্তু সি বাটে বাটে 'নিৰ্মল' 'নিৰ্মল' বুলি যাওঁতে 'নেমেল নেমেল' হ'ল যাৰ ফলত সি নাৱৰীয়াৰ মাৰ খাব লগাত পৰিল। মাৰ খাই সি কৈ যাবলৈ ধৰিলে 'কি 'অদ্ভুত', কি অদ্ভুত।' বাটৰ কাষত এডৰা বৰ ভাল ধান-খেতি হৈছিল। তাৰ গৰাকীয়ে নিধনীয়াৰ মাত শুনি ভাবিলে যে, সি খেতিডৰাক 'কি অদ্ভুত' বুলি নজৰ লগাইছে। ইয়াকে ভাবি সি নিধনীয়াক উধাই মুধাই কেইটামান মাৰ শোধালে। মাৰ খাই সি কবলৈ ধৰিলে 'তাতকৈ ইয়াৰ চাৰ', 'তাতকৈ ইয়াৰ চাৰ, ।

দুজন মানুহে দুটা খালৈত মাছ আনিছিল। মাছ দেখি নিধনীয়াই খালৈৰ মাছ চালে; কিন্তু মুখেৰে 'তাতকৈ ইয়াৰ চাৰ' বুলি কোৱাত দ্বিতীয়জন মাছুৱৈয়ে ধঙত কেইটামান গটা মাৰিলে। ইমানবোৰ মাৰত নিধনীয়াৰ হাৰ জুনজুনীয়া হ'ল। কিন্তু ৰজাই দিয়া নামটো পাহৰাতহে তাৰ বেছি দুখ লাগিল। ৰাতি হোৱাত ঘৰ পালে যদিও লাজতে ঘৰৰ ওচৰৰ কচুৰ তলত লুকাই থাকিল।

ৰাতি বোৱাৰীয়েকে চোতালতে আহি শাহুৱেকক কলে ''আই আকাশখন আজি নিৰ্মল হৈছে। বোৱাৰীয়েকে কবলৈহে পালে নিধনীয়াই কচুতলিৰ পৰা হেৰ বৌটি শহুৰৰ নাম কাঢ়িলি' বুলি ওলাই আহিল।

বেজবৰুৱাই এনে এটি গাওঁ সমাজত প্ৰচলিত সাধুৰ পৰাই সমল লৈ 'নোমল' নাটখন ৰচিছে। আৰু হাস্যৰসৰ কাৰণে মূল কাহিনীৰ লগত আন কিছুমান উপায় উদ্ভাৱন কৰিছে। নাটখনৰ এঠাইত কেৱল সত্ৰাধিকাৰক বিদ্ৰূপ কৰা হৈছে যদিও সমাজৰ কোনো বিশেষ দিশৰ চিত্ৰ অঙ্কিত কৰা নাই, নাইবা কোনো বিশেষ উদ্দেশ্য আগত লৈও বেজবৰুৱাই নাটখন ৰচনা কৰা নাই। হাস্যৰস সৃষ্টিয়েই যেন নাটৰচনাৰ প্ৰধান উদ্দেশ্য আৰু তাৰ কাৰণে বেজবৰুৱাই আৱশ্যকমতে অস্বাভাৱিক পৰিৱেশ সৃষ্টি কৰিছে। সেইকাৰণে 'নোমল'ক এখন বিশুদ্ধ প্ৰহসন (Pure farce) বুলিব পাৰি। ঘটনা বা পৰিস্থিতিৰ অস্বাভাৱিকতা চৰিত্ৰৰ অসামঞ্জস্যতা (inconistency) অসংগতিপূৰ্ণ ব্যৱহাৰ আৰু কাৰ্য্য-কলাপ হাস্যৰসৰ প্ৰধান উপাদান। সেইদৰে নাট্যকাৰ বা দৰ্শকৰ উচ্চাধিকা মনোভাৱেও (sense of superiority) হাস্যৰস সৃষ্টিত বিপুলভাৱে সহায় কৰে। নাটকীয় চৰিত্ৰসমূহ যদি দৰ্শকৰ সম বা উচ্চ পৰ্য্যায়ৰ হয়, তেন্তে তেওঁলোকৰ অস্বাভাৱিক কাৰ্য্য কলাপে দৰ্শকক হাঁহিবৰ ঠাইত কৰুণা বা সহানুভূতি জগাইহে তুলিব পাৰে। সেই কাৰণে ৰামৰ বীৰত্ব আৰু হেমলেটৰ কিং কৰ্তব্য বিমূঢ় অৱস্থা দেখিলে আমাৰ ৰামৰ প্ৰতি শ্ৰদ্ধা আৰু হেমলেটৰ প্ৰতি গভীৰ সহানুভূতি জাগে; কিন্তু ৰাম বা হেমলেটক যদি নাহৰ ফুটুকা বুঢ়াৰ দৰে মোনা লৈ কাৰোবাৰ নাম কিনিবলৈ যোৱা দেখো তেন্তে তেওঁলোকৰ মূৰৰ বিকৃতি হোৱা বুলিহে চিন্তা কৰিব লাগিব; ফলত পাঠকৰ মনত হাঁহিৰ ঠাইত কৰুণাৰহে উদ্ৰেক হব। কিন্তু নাহৰ খোৱা বুঢ়াক সাধাৰণতে দৰ্শকে হীন পৰ্য্যায়ৰ চৰিত্ৰ বুলি ভাবি লয় কাৰণে তাৰ কাৰ্য্য কলাপ দেখি হাঁহিবলৈহে ধৰে। নাহৰ ফুটুকাই গৌৰৱ কৰি ঘৈণীয়েকক কয় যে, তাৰ বুদ্ধিটো বৰ দীঘল; কিন্তু পিছত যেতিয়া সি পাহৰি পিঠাগুৰিৰ গামোছাৰন 'গোসাঁই ঈশ্বৰক দিয়াৰ কথা কয়, তেতিয়া স্বাভাৱিকতেই দৰ্শকৰ হাঁহি উঠে।

বেজবৰুৱাৰ আন কেইখন ধেমেলীয়া নাটৰ দৰে 'নোমল'তো ঘটনাবোৰ স্বতঃ স্ফুৰ্ত্তভাৱে বিকশিত নহয়। কিছুমান অস্বাভাৱিক ঘটনা বা পৰিস্থিতিৰ সহায়ত নাটকখনৰ কাহিনীটোৰ সামৰণি মৰা হৈছে। নাহৰ ফুটুকাই 'নেমেল নেমেল' বুলি কোৱাৰ ফলত সদাগৰৰ নাৱৰীয়াৰ হাৰা মাৰ খোৱা আৰু মাৰ খাই নহবৰ হ'ল ঐ নহবৰ হ'ল' কোৱাত চকলা গোহাঁইৰ টেঁকেলাৰ হাতত মাৰ খোৱা আদি কাৰ্য্য অকল অস্বাভাৱিকেই নহয় অতিৰঞ্জিতো। কিন্তু তথাপি চাই বা পঢ়ি আনন্দ লাগে। ভীমে সাত সাজি ভাত খোৱা বা হনুমানে কাষলতিৰ তলত বেলিটোক লুকাই ৰখা কথা পঢ়ি যেনে আনন্দ লাগে নোমল বা বেজবৰুৱাৰ আন ধেমেলীয়া নাটকেইখনৰ অস্বাভাৱিক পৰিস্থিতিৰ কথা পঢ়িও তেনে নিৰ্ম্মল আনন্দ পোৱা যায়। হাস্য ৰস সৃষ্টিৰ কাৰণেই যেন বেজবৰুৱাই ধেমেলীয়া নাটকেইখন ৰচনা কৰিছে। বিশুদ্ধ প্ৰহসনৰ লক্ষণ হৈছে চৰিত্ৰৰ কাৰ্য্য কলাপ দেখি হাঁহি উঠে যদিও সিবোৰৰ প্ৰতি দৰ্শকৰ একেবাৰে সহানুভূতিও নোহোৱাকৈ নাথাকে। সেই কাৰণে নাহৰ ফুটুকা বুঢ়াৰ দুৰ্গতি দেখি আমাৰ

হাঁহি উঠে যদিও, তাৰ প্ৰতি দৰ্শকৰ সহানুভূতিও জন্মে। এইখিনিতেই নাট্যকাৰ বেজবৰুৱাৰ সফলতা।

অস্বাভাৱিক ঘটনা আৰু চৰিত্ৰ সৃষ্টিৰ বাহিৰেও নাট্যকাৰে আন কিছুমান উপায়েৰে হাস্যৰস সৃষ্টি কৰিছে। শব্দৰ ভুল উচ্চাৰণৰ যোগেদি হাস্য ৰস সৃষ্টি কৰা হৈছে। যেনে, 'গোসাঁই ঈশ্বৰ', 'ভিস্তাগ' 'শিচ'ৰ ঠাইত 'খিচ' ইত্যাদি। কেতিয়াবা একোটা শব্দৰ বিভিন্ন অৰ্থ (pun) কৰিও হাস্যৰস সৃষ্টি কৰা হৈছে। যেনে, সত্ৰত দুৱৰীয়ে হাকিমৰ কথা কোৱাত নাহৰ ফুটুকাই জিলাৰ হাকিমৰ কথাহে বুজিছে আৰু দুৱৰীয়ে পিছত সত্ৰৰ হাকিম বোলাত নাহৰে কুকুৰৰ দৰে কামৰিব নেকি বুলি সুধিছে।

সত্ৰাধিকাৰ 'শ্ৰী৪ শ্ৰীযুক্ত বিহঙ্গ বিলাস দেৱ কেপ্‌কৰা'ৰ ভুল সংস্কৃত উচ্চাৰণ কৰা কথাই এফালে যেনেকৈ সত্ৰাধিকাৰক বিদ্ৰূপ কৰিছে আনফালে তেনেকৈ হাঁহিৰো সমল যোগাইছে।

হাকিমৰ ভকতে হাকিমৰ কাৰণে 'পাই পইচা' পাবলৈ বিচাৰে। সত্ৰত ধৰ্মৰ নামত কেনেকৈ ব্যৱসায় চলিব পাৰে, তাকেই বেজবৰুৱাই ব্যঙ্গ কৰি দেখুৱাইছে।

বেজবৰুৱাই সত্ৰবোৰত থকা পুৰণিকলীয়া ৰীতি কিছুমান সংস্কাৰ কৰি বৰ্ত্তমান জগতৰ লগত খাপ খোৱাকৈ কিছুমান নতুন ৰীতি প্ৰবৰ্ত্তনৰ কথা হয়তো চিন্তা কৰিছিল; আৰু তেনে চিন্তাধাৰাৰ কথা সাধুৰাম বৰুৱাৰ উক্তিৰ মাজেদি প্ৰকাশ হৈছে। সাধুৰামে এঠাইত গোসাঁইক কৈছে "আগৰ কালৰ দস্তুৰবোৰত সৰকৈ ধৰি থাকিলে আজি কালি নচলিব। পুৰণি দস্তুৰ পুৰণি কালৰ লগতে যোৱাই উচিত, সেইবোৰ ধৰি ৰাখিবলৈ গলেও নাথাকে। আগৰ ৰামও নাই, ৰামায়ণও নাই; অসমৰ ৰজাও নাই; পুৰণি অসমীয়া সমাজও নাই।" বেজবৰুৱাৰ পূৰ্ব্বে হেমচন্দ্ৰ বৰুৱায়ো 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী' পুথিত সত্ৰাধিকাৰৰ ভণ্ডামি তীব্ৰভাৱে ব্যঙ্গ কৰি দেখুৱাইছে; কিন্তু বেজবৰুৱাৰ ব্যঙ্গ সিমান তীব্ৰ নহয় যদিও নিম্নগামী সত্ৰ এখনৰ এটি চিত্ৰ তেওঁ সুন্দৰ ভাৱে ফুটাই তুলিব পাৰিছে।

সত্ৰাধিকাৰ সকলৰ প্ৰায়ে দুই এখন নাট ৰচনা কৰে। সেই ৰীতিত বিহঙ্গ বিলাস সত্ৰাধিকাৰেও এখন বঙলা নাট ৰচিছে। সেই নাটৰ গীতৰ যোগেদিও বেজবৰুৱাই হাস্য ৰস সৃষ্টি কৰিছে। যেনে, এটি গীতত আছে—

সইনা সুৰীয়া বাজন বাজে কিয়া—
আহা হায় আ-হা-হা
আন এটি গীতৰ প্ৰথম দুশাৰী
গলাৰ ৰকম শুনি মেদিনী মাও কম্পিছে,
তুণে দমাই আছে মাথা কিয়ে কিয়া।
ইত্যাদি

সেইদৰে নিচলীয়ে কন্দা লৰাটোক নিচুকাবৰ কাৰণে গোৱা গীতটো শুনিও হাঁহিৰ উদ্ৰেক হয়।

ঐচ ঐচ এ বান্দৰ পোৱালি।
বাটেটোকাই লৈ যায় পিঠি জোকাৰি।
ইত্যাদি।

প্ৰসিদ্ধ সমালোচক ড্ৰাইডেনে কৈছে যে অবাস্তৱ আৰু অসম্ভৱ কাহিনীৰ যোগেদিয়ে প্ৰহসনে আমাক আনন্দ দিয়ে (Farce entertains us with what is monstrous and chimaerical." এই সংজ্ঞামতে 'নোমল'ত ঠায়ে ঠায়ে অস্বাভাৱিকতা থাকিলেও তাক বিশেষ দোষযুক্ত বুলি কব নোৱাৰি। বেজবৰুৱাৰ 'পাচনি', 'চিকৰপতি নিকৰপতি' আৰু 'গদাধৰ'ৰ দৰে 'নোমল' নাটখনো চমু কাহিনীৰে এটা অঙ্কত সমাপ্ত হৈছে। অৱশ্যে কেইটামান দৃশ্য অতিমাত্ত সংক্ষিপ্ত হোৱাত অভিনয়ৰ কাৰণে নিশ্চয় সুবিধাজনক নহয়। হয়তো বেজবৰুৱাই অভিনয়লৈ লক্ষ্য নকৰি এই নাট ৰচিছিল আৰু হাস্যৰস সৃষ্টিয়েই তেওঁৰ মূল উদ্দেশ্য আছিল। নোমল নাট প্ৰচুৰ হাস্যৰসেৰেই সমৃদ্ধ হৈছে যেতিয়া এই ক্ষেত্ৰত বেজবৰুৱাই সাৰ্থকতা লাভ কৰিছে বুলি কব লাগিব।

———

# পাঁচনি

শ্ৰীহৰেন্দ্ৰ নাথ শৰ্ম্মা

পাঁচনি বেজবৰুৱাদেৱৰ এখন ধেমেলীয়া নাটক বা প্ৰহসন। উনবিংশ শতিকাৰ হিংসা-দ্বেষ, কপটতা, ছল-প্ৰবঞ্চনা, গৌৰৱ, যশস্যা, পদমৰ্য্যাদা লিপ্সু, মদপী, কানীয়া ভাওৰীৰে পৰিপূৰ্ণ অসমীয়া সমাজখনৰ নৈতিক অধঃপতনলৈ লক্ষ্য কৰি সমাজৰ তেনেবোৰ ধূলি-মকতি উৰহা-খহটা গাৰি-পুচি নিকা আৰু সমান কৰাৰ হেপাহেৰে বেজবৰুৱাই কাপ হাতত তুলি লৈ হাঁহিছিল। ৰঙ্গমঞ্চত 'লিতিকাই' নাটকেৰে পোন প্ৰথমে হাঁহি মাৰি যিদৰে সাহিত্যিক জীৱনৰ সূচনা কৰিছিল, সেই দৰেই পিচত আন তিনিখন ধেমেলীয়া নাটকৰ লগতে গল্প, কবিতা, প্ৰবন্ধ আদি আন আন ৰচনাকো সেই হাঁহিৰে পৰিপুষ্ট কৰি নিজস্ব প্ৰতিভাৰ পৰিচয় দিছিল। 'লিতিকাই' নাটকৰ তেইশ, বছৰ পিচতহে বাকী তিনিখন ধেমেলীয়া নাটক–'নোমল' পাচঁনি, চিকৰপতি নিকৰপতি ৰচনা কৰে।

পাঁচনি নাটকখন ছটা দৃশ্যৰে পৰিসমাপ্ত হৈছে। দুটা সন্ধিয়াৰ ঘটনাৰে নাটকখন পৰিপূৰ্ণ। অতিথি পৰায়ণ বৰ্ম্মাই পাঁচনি কোনো এক সন্ধিয়া অতিথি শুশ্ৰূষাৰে ভাতসাজ খাবলৈ বুলি পদূলিমুখত অতিথিলৈ বাট চাই ৰ'ল। হেৰোৱা গৰু বিচাৰি ফুৰা মানুহ এজন যিওৱা গালে ৰখাব নোৱাৰি হতাশ হৈ অতিথি বিহীন দুৰ্দ্দিনৰ কথা ভাবি থাকোতে কানীৰ নিচাত চকু মুদি খোজ দিয়া কানীয়া এজনে আওবাটে আহি পাঁচনিৰ গাত উফুটি খাই ভয়তে ডকাইত বুলি চিঞৰি চিঞৰি তৰা নৰা চিঙিলে। পাঁচনিৰ আতিথ্য নিবেদন আৰু কানীয়াৰ ডকাইত বুলি পতিয়ন, ইয়াৰ মাজেৰে প্ৰথম দৃশ্য সমাপ্ত হৈছে। মনৰ বেজাৰত আগ চোতালত বহি ঢেকী-ঠোৰা চাছি থাকোতে দুজন আলহী স্বেচ্ছাই উপস্থিত হৈছে। আনন্দতে পাঁচনি আথে-বেথে বহিব মিলিব দি ঘৈণীয়েক পাঁচনিৰ কথা মতে দোকানলৈ ধাবলি মেলিছে। ইফালে বুধিয়াক পাঁচনিয়ানী আধা চাছা ঢেকী ঠোৰা দেখুৱাই অতিথিদ্বয়ক নিশাৰ আসন্ন মৃত্যুৰ মিছা ভয় দেখুৱাই খেদি পঠাইছে আৰু পাঁচনি উভতি আহিলত ঢেকীঠোৰা খোজাত নিদিয়াৰাৰেহে খং কৰি অতিথি যোৱা বুলি জনাই গালি গালাজৰ হাত সৰাব চেষ্টা কৰিছে (দ্বিতীয় দৃশ্য)। তৃতীয় দৃশ্যত ঢেকীঠোৰা দি হলেও ওভোটাই আনিবলৈ বুলি পাঁচনি বাজআলিত অতিথিৰ পাচ লৈছে আৰু ঢেকীঠোৰা সহ বুঢ়াক দেখি অতিথিয়ে ঘটনা সচাঁ বুলিয়েই প্ৰাণৰ ভয়ত পলাই পত্ৰং দিছে। পাঁচনিৰ ঘৈণীয়েকৰ প্ৰতি খং আৰু বিৰক্তিৰে দৃশ্যটোৰ সামৰণি পৰিছে। মনৰ বেজাৰত নিশা ভাত-পানী নোখোৱাকৈ শুই থকা পাঁচনিক ঘৈণীয়েকে মিছায়ে অতিথি অহা বুলি কৈ গা-ধুবলৈ কৈছে (চতুৰ্থ দৃশ্যত)। কিন্তু (পঞ্চম দৃশ্যত) ভাত খাবলৈ বহি আলহী ক'ত সোধাত ভাতৰ পাতৰ আগত লৈ থকা মেকুৰী পোৱালীটো দেখুৱাই ঘৈণীয়েকে জীৱ মাত্ৰে ভগৱান বুলি বৈষ্ণৱ মতৰ অৱতাৰণাৰে পাঁচনিক পতিয়ন নিয়াইছে। আন এদিনাখন অন্য এজন আলহী পাচনিৰ ঘৰত উপস্থিত হ'ল। সাদৰেৰে আদৰি ঘৈণীয়েকক আলহী শুশ্ৰূষাৰ তৎপৰতা লৰলৈ দিহা-পোহা দি লোন তেল আনিবলৈ পাঁচনি দোকানলৈ গ'লগৈ। কিন্তু পাঁচনিয়ানী কৰিলে কি? আলহীৰ সন্মুখলৈ মেকুৰী পোৱালীটি আনি ধুৱাই-মিলি আলহীয়ে সুখিলত তাৰে মাংসেৰে ভোজন কৰাব বুলি জনালে। বিচুতি খাই আলহী ৰাম-বিষ্ণু সুৱৰি আতৰি গ'ল। আলহীয়ে ভাতত দি মেকুৰীটো খাব খোজা বুলি আৰু

তাকে কৰিবলৈ নিদিয়াতহে খং কৰি গুচি যোৱা বুলি পাঁচনিক জনালে । লগতে এনে আলহী অতিথি শুশ্ৰূষা কৰাতকৈ মেকুৰী-কুকুৰক খুৱাই-বুৱাই শুশ্ৰূষা কৰাহে পুণ্য কাম বুলি বুজনি দিলে। ফলত পাঁচনিৰ সাক্ষাৎ দামোদৰ ৰূপী অতিথি সেৱা কুকুৰ মেকুৰী সেৱাত পৰিণত হ'ল (ষষ্ঠ দৃশ্য) । লগে লগে নাটকৰ কাহিনীৰো অন্ত পৰিল ।

পাঁচনিৰ অতিমাত্ৰা অতিথিপৰায়ণ অথচ ঘৈণীয়েকৰ অতিথি বিমুখ, এজনে আদৰি লয় আন জনী খেদি পঠিয়াই—এই দুয়োটা বিপৰীত মুখী স্বভাৱৰ বাবে সৃষ্টি হোৱা দুটা সক্ৰিয়াৰ ঘটনা আৰু বিভিন্ন হাস্য জনক পৰিস্থিতিয়ে পাঁচনি নাটকৰ বিষয় বস্তু। কাহিনী দুৰ্ব্বল আৰু বৈচিত্ৰহীন। পাঁচনী আৰু ঘৈণীয়েকৰ চৰিত্ৰৰ মাজেৰে বাহ্যিক সংঘাট প্ৰকাশ পালেও সি নামমাত্ৰ। কাহিনী আৰু চৰিত্ৰবিকাশ নাইবা হাস্যৰস উদ্ভাবনাৰ ফালৰ পৰা চালেও চতুৰ্থ দৃশ্যটি নিস্প্ৰয়োজন। দৃশ্য কেইটা কিছুপৰিমানে পৰিস্থিতি প্ৰধান, কাহিনী, বা চৰিত্ৰ বিকাশৰ চেষ্টা তাত কম । কাহিনী, ঘটনা আৰু চৰিত্ৰৰ অতিৰঞ্জনতা আৰু অবাস্তৱতা নাটকখনত লক্ষণীয় হলেও ড্ৰাইডেনে কোৱাৰ দৰে "প্ৰহসনত অদ্ভুত অসম্ভাব্যতাই আমাক আহলাদিত কৰে।" সেয়েহে প্ৰহসনত ই বিশেষ দোষণীয় নহয় । ঢেকীঠোৰাৰে অতিথি খেদা, পাঁচনিৰ অতিথিসেৱাৰ প্ৰতি আগ্ৰহৰ মাত্ৰাধিক্য, নৰৰূপী অতিথিৰ ঠাইত মেকুৰী পোৱালীকে সাক্ষাৎ দামোদৰ ৰূপে মানি লোৱা, মেকুৰী পোৱালী দেখুৱাই আলহী আতৰোৱা আদি কথালৈ মন কৰিলেই এই কথা ওলাই পৰিব ।

পাঁচনি নিসন্দেহে বেজবৰুৱাৰ এখন বিশুদ্ধ প্ৰহসন। হাস্য ৰসেই নাটকখনত উপজীব্য। আলঙ্কাৰিকৰ কথাত "হাস্যোদ্দীপন কাব্যন্ত প্ৰহসন মিতি স্মৃতম ।" অবাস্তৱ ঘটনা আৰু চৰিত্ৰৰ অসঙ্গতি, অস্বাভাৱিক কাৰ্য্য আৰু কৌশলৰ যোগেদি পাঁচনি নাটকত হাস্যৰসৰ সৃষ্টি কৰা হৈছে। পাঁচনিৰ অতিথি পৰায়ণতা আৰু ঘৈণী যেকৰ অতিথি বিমুখীতা দুয়োটা অসঙ্গতিপূৰ্ণ চৰিত্ৰ আৰু তেওঁলোকৰ ঢেকীঠোৰাৰে অতিথিক ভয় দেখুৱা ঢেকীঠোৰা লৈ পিচে পিচে খেদি যোৱা আলহীক মেকুৰী মাংস খুৱাৰ খোজা, ভাতৰ পাতৰ আগত বহি থকা মেকুৰী পোৱালীক আলহী সাব্যস্ত কৰা আদি অস্বাভাৱিক কাৰ্য্যাই হাস্যৰসৰ সমল যোগাইছে। অৱশ্যে এইবোৰক বুদ্ধিনিষ্ঠ হাস্যৰস বোলা টান , কিয়নো প্ৰদৰ্শিত কাৰ্য্যকলাপে বহু ক্ষেত্ৰত সমাজৰ মাৰ্জিত ৰূপৰ বাহিৰ হৈ পৰাত তাৰ পৰা সৃষ্টি হোৱা হাস্য-ৰসো কিছুপৰিমাণে অমাৰ্জ্জিত (vulgar) যেন হৈ পৰিছে । অৱশ্যে অতিথি আতৰাবলৈ উদ্ভাৱন কৰা ঘৈণীয়েকৰ কৌশলজনিত হাস্যৰসে সমাজৰ এক শ্ৰেণীৰ আলহীৰূপে পৰৰ ঘৰত খাই ফুৰি ভাল পোৱা মানুহৰ ব্যঙ্গকৰা বুলি ভাবিবৰ থল থাকিলেও সেই কথা পৰিস্ফুট নহয়। পাঁচনি নাটক ৰচনাৰ অন্তৰালত নাট্যকাৰৰ কোনো উদ্দেশ্য নাই। হাস্যৰস সৃষ্টিয়ে কেৱল উদ্দেশ্য, সেই ক্ষেত্ৰত নাট্যকাৰে কৃতকাৰ্য্যতাও লাভ কৰিছে। প্ৰথম অসমীয়া ধেমেলীয়া নাটক 'কানীয়াৰ কীৰ্ত্তন' আৰু বেজবৰুৱাৰ পিচৰ গাওঁবুঢ়া আদি নাটকত ব্যঙ্গ-বিদ্ৰূপ যিদৰে পৰিস্ফুট বেজবৰুৱাৰ প্ৰহসনত তেনেদৰে হোৱা নাই । অৱশ্যে 'নোমল' নাটকত আঠিয়াবাৰী সত্ৰৰ সত্ৰাধিকাৰৰ চৰিত্ৰ, 'চিকৰপতি নিকৰপতি' নাটকত গঙ্গাৰাম, সুতলি গোহাঁই চৰিত্ৰৰ যোগেদি "মুখেন মাৰিতং জগত' শ্ৰেণীৰ আৰু অহঙ্কাৰ দৰ্শোৱা শ্ৰেণীৰ মানুহক ব্যঙ্গ নকৰা নহয় । পাঁচনি নাটকত তেনে ব্যঙ্গ কটাক্ষ নাই। আনহাতে বেজবৰুৱাৰ সংস্কাৰকামী মনটোও সুস্পষ্ট নহয় ।

নাটকখনৰ পৰিবেশ, পটভুমি সকলো গাৱঁলীয়া। গাৱঁলীয়া চিত্ৰ, পৰিবেশৰ উপৰিও নিসন্তান স্বামী স্ত্ৰী এহালৰ গৃহস্থী জীৱন নাটখনত উপজীব্য হৈ পৰিছে। সেইদৰে চৰিত্ৰও নিম্ন স্তৰৰ সাধাৰণ গাৱঁলীয়া চৰিত্ৰ। হাস্যৰস সৃষ্টিৰ বাবে এনে চৰিত্ৰ বাছনিয়ে উপযুক্ত। পাঁচনি ধাৰ্ম্মিক, অতিথি পৰায়ণ আৰু উদাৰ মনৰ। অতিথি সেৱা-শুশ্ৰূষা পাঁচনিৰ চৰিত্ৰৰ যি মহৎ আৰু আদৰ্শনীয় গুণ তাক অতিমাত্ৰা দোষে স্পৰ্শ কৰিছে। পাচনিয়ানী 'বাঘকে ছাগকে একে ঘাটতে পানী খুৱাব' পৰা 'নাকত পৈ চাকত ঘুৰাব পৰা' চতুৰ বুদ্ধিমতী অথচ ঠেক মনৰ । গিৰীয়েকৰ উদাৰ মন আৰু ঘৈণী-যেকৰ ঠেক বা সংকীৰ্ণ মনৰ অসামঞ্জস্যতাতে হাস্যৰসে পৰিপূৰ্ণতা লাভ কৰিছে। অতিথি, আলহীৰ চৰিত্ৰৰ চাৰিত্ৰীক বিকাশ নাই—কেৱল সেইবোৰত অ'কবামী, মূৰ্খামীহে পৰিচয় আছে ।

সংলাপন আৰু ভাষাশৈলীৰ ঔচিত্য পাঁচনি নাটকৰ মন কৰিবলগীয়া । নিভাজ অসমীয়া ভাষা, যোজনা, খণ্ডবাক্য, শাস্ত্ৰীয় উদ্ধৃতি, যেনে 'বোকাত কোৰ মাৰে গাত চিটিকনি পৰে, গধূলিৰ অতিথি সাইলাখ দামোদৰ', 'বাঘকে ছাগকে একে ঘাটতে পানী খুৱাম', তিৰিয়ো পুৰুষে হব একমতি, তেহে সিজিব হৰিত ভকতি' আদি প্ৰয়োগে বক্তব্য বিষয় পৰিস্ফুট কৰাৰ উপৰিও সংলাপন ৰচনাত বেজবৰুৱাৰ দক্ষতাৰ পৰিচয় দিব পাৰিছে ।

নাট্যকাৰ হিচাপে বেজবৰুৱাই উচ্চ স্থান নাপালেও তেওঁৰ নাটক ৰচনাৰ পদ্ধতি আৰু চৰিত্ৰ সৃষ্টিৰ প্ৰতিভাই (বুৰঞ্জীমূলক নাটকত) পিচৰ নাট্যকাৰ সকলক প্ৰভাৱান্বিত নকৰাকৈ নাই। পাশ্চাত্য নাট্যকাৰ সকলৰ প্ৰভাৱেৰে পৰিপুষ্ট হৈ বেজবৰুৱাই নাটক ৰচনা কৰিছিল-এই কথা নিজে স্বীকাৰ কৰি গৈছে । ঐতিহাসিক নাটকৰ যোগেদি অতীত অসমৰ গৌৰৱময় কাহিনীবোৰ দাঙ্গি ধৰাৰ দৰে ধেমেলীয়া নাটকৰ যোগেদি হাস্যৰসৰ সৃষ্টি কৰিছে। হাস্যৰস তেওঁৰ সাহিত্যিক প্ৰতিভাৰ এটি বিশিষ্ট অঙ্গ। ডক্তৰ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্যৰ কথাৰে কবলৈ গলে—"হাস্যৰসতেই বেজবৰুৱাৰ নিজস্ব স্ফুৰ্ত্তি উঠিছে, হাস্যৰসতেই তেওঁৰ বিশেষত্ব দেখা দিছে, হাস্যৰসতেই অসমীয়া সমাজত ভেলেকীবান লগাই দিছে ।"



# পদুম কুঁৱৰী

**শ্ৰীতৰুণ ভৰালী**

লক্ষ্মীনাথ বেজবৰুৱাৰ "পদুম কুঁৱৰী" প্ৰথম অসমীয়া ঐতিহাসিক উপন্যাস। পুথিখন প্ৰথমে জোনাকী কাকতৰ ৩য় বছৰত (১৮৯১ খৃঃ) ছোৱা ছোৱাকৈ প্ৰকাশিত হৈছিল, পিচত ১৯০৫ চনত হে ই কিতাপ আকাৰে সুকীয়াকৈ প্ৰকাশ পায়। সেই একেসময়তে ৰচিত পদ্মনাথ গোহাঞিবৰুৱাৰ ভানুমতী (১৮৯১) আৰু লাহৰী (১৮৯২) ঐতিহাসিক যেন লাগিলেও কাহিনী ঐতিহাসিক নহয় আৰু লিখকৰ মতেও সেই দুখন ঘৰুৱা উপন্যাসহে।

এইটো সঁচা যে বেজবৰুৱাই পদুম কুঁৱৰী ৰচনা কৰিছিল প্ৰয়োজনৰ তাগিদাত। কিয়নো অৰুণোদয় কাকত (১৮৪৬) ওলোৱাৰে পৰা জোনাকী কাকতৰ জন্মলৈকে (১৮৮৯) এই ছোৱা সময়ত অসমীয়া উপন্যাস ৰচনাৰ আহৰা চলি আছিল যদিও প্ৰকৃত অৰ্থত ভানুমতীত বাদে উপন্যাস বুলিবলৈ একোৱেই নাছিল। সকল উপন্যাস কিয় চুটি গল্প, নাটক, শিশু-সাহিত্য, জীৱনী আনকি স্কুলীয়া পাঠ্য পুথিৰো এই সময়ত শোচনীয় ভাবে অভাৱ। গতিকে বেজবৰুৱা, গোহাঞি বৰুৱা আৰু আন আন দুই চাৰিজন প্ৰতিভাশালী লিখকে বাধ্য হৈয়েই অসমীয়া সাহিত্য ভঁড়ালৰ সকলো দিশ পূৰণাৰ্থে ককালত টঙালি বান্ধিব লগীয়া হৈছিল। এনে তাগিদাৰ ফলতে পদুমকুঁৱৰীৰ জন্ম।

বেজবৰুৱাই প্ৰথম প্ৰচেষ্টাতে ঐতিহাসিক উপন্যাস লিখিবলৈ মন কৰিলে কিয় থিক বুজা নাযায়। ঐতিহাসিক উপন্যাস লিখাতো বৰ সহজ কাম নহয়। ইয়াক লিখিবলৈ হলে গভীৰ ঐতিহাসিক জ্ঞান আৰু সৃজনী মূলক প্ৰতিভা-দুয়োটা গুণৰে সমানে আৱশ্যক। কিয়নো ঐতিহাসিক ঘটনাৰ মাধ্যমেদি যুগ বিশেষৰ প্ৰতিচ্ছবি দাঙি ধৰাৰ লগে লগে মানৱৰ সুখ-দুখ, বিচিত্ৰ অভিব্যক্তি, বিভিন্ন সমস্যা ৰসোত্তীৰ্ণ ৰূপত প্ৰকাশ কৰাটোৱেই হ'ল ঐতিহাসিক উপন্যাসৰ উদ্দেশ্য। ইংৰাজী সাহিত্যৰ ছাত্ৰ হিচাপে বেজবৰুৱা সিদৰে ৰিচাৰ্ডচন, ফিল্ডিং, ডিকেন্স আদি লিখকৰ সামাজিক উপন্যাস সমূহৰ লগত পৰিচিত আছিল সেইদৰে স্কট, হাডি আদিৰ ঐতিহাসিক উপন্যাস ৰাজিও নিশ্চয় তেওঁ পঢ়িছিল। তেনেহলে তেওঁ সামাজিক উপন্যাস লিখিবলৈ মন নকৰিলে কেলেই? ইয়াৰ কাৰণ দুটা হব পাৰে; প্ৰথম, পাশ্চাত্য উপন্যাসবোৰত যি ঘটনা বৈচিত্ৰ্য আৰু জীৱন প্ৰবাহ তেওঁ দেখা পাইছিল—তেনে ঘটনা বৈচিত্ৰ্য অসমৰ সামাজিক জীৱনত সম্ভৱপৰ বুলি তেওঁ নাভাবিছিল। দ্বিতীয়তে, পৰাধীন অসমীয়া জাতিক পুনৰ জগাই তুলিবলৈ বুৰঞ্জীৰ আলমত গল্প, কবিতা, নাটক আদি লিখাতো সেই সময়ত প্ৰতিজন লিখকেএকান্ত কৰ্ত্তব্য বুলি ভাবিছিল। লক্ষ্য কৰিবলগীয়া যে বেজবৰুৱাৰ সহীন নাটক কেইখনো (বেলিমাৰ, চক্ৰধ্বজ সিংহ, জয়মতী) ঐতিহাসিক পটভূমিতে ৰচিত

পদুমকুঁৱৰীৰ ঐতিহাসিক পটভূমিত চমুকৈ এই খিনি কথা পোৱা যায়।

গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ দিনত প্ৰবল ভাবেমোৱামৰীয়া বিদ্ৰোহৰ জুই জ্বলি উঠিছিল আৰু সেই সুযোগতে দৰঙৰ ৰজা কৃষ্ণ নাৰায়ণে আহোমৰ বশ্যতা অস্বীকাৰ কৰি প্ৰকাশ্যভাৱে বিদ্ৰোহ ঘোষণা কৰে। গৌৰীনাথ সিংহই কেপ্টেইন বেলচৰ বৃটিছ ফৌজৰ সহায়ত মোৱামৰীয়া বিদ্ৰোহ দমন কৰে আৰু কৃষ্ণ নাৰায়ণক সৈমান কৰি কামৰূপ আৰু দৰঙৰ চোকা শাসনৰ ব্যৱস্থা কৰে। বিদ্ৰোহ মূলক কাৰ্য্যত সংশ্লিষ্ট থকা বুলি গুৱাহাটীৰ আহোম শাসনকৰ্ত্তা বদন বৰফুকনে কামৰূপীয়া প্ৰজাৰ ওপৰত অকথনীয় উৎপীড়ন চলায়। ফলত কামৰূপৰ প্ৰজাসকল বিদ্ৰোহী হৈ উঠে।



বজ্ঞিয়াৰ হৰদত্ত আৰু বীৰদত্ত নামৰ দুই ককাই-ভাইয়ে এই বিদ্ৰোহৰ নেতৃত্ব গ্ৰহণ কৰিছিল। বুৰঞ্জীত ইয়াকে দন্দুৱা বা দুন্দীয়া দ্ৰোহ বোলা হৈছে। বিদ্ৰোহ চলি থাকোতেই গৌৰীনাথ সিংহ ঢুকোৱাত কমলেশ্বৰ সিংহ ৰাজপাটত উঠে আৰু অত্যাচাৰী বদনক ৰাজধানীলৈ মতাই নি কলীয়াভোমোৰাক বৰফুকন পাতি গুৱাহাটীলৈ পঠিয়ায়। কলীয়া ভোমোৰাই হিন্দুস্থানী চিপাহীৰ সাহায্যত হৰদত্ত আৰু বীৰদত্তক বধ কৰি এই বিদ্ৰোহৰ সামৰণী ঘটায়। জনশ্ৰুতি আৰু জনগীতৰ মতে হৰদত্তৰ জীয়াৰী পদুম বা পদ্মকুমাৰীক কুমেদান ৰঙালে নিয়ে আৰু কোনোৰমতে ৰক্ষপুত্ৰত জাঁপদি আত্মহত্যা কৰে। পদুমকুঁৱৰী উপন্যাসৰ কাহিনী এই ঐতিহাসিক ঘটনাৰ ওপৰতে প্ৰতিষ্ঠিত। সেইটৰ বুৰঞ্জীতো এই বিদ্ৰোহৰ উল্লেখ আছে কিন্তু তাত পদুম কুঁৱৰীৰ নাম নাই।

Soon after kamalesvar's accession a serious rising was reported from Kamrup. Two brothers named Har datta and Bir Datta, with the secret aid of the Rajas of koch Bihar and Bijni, raised a band of kachāris and of Punjābi and Hindustani refugees and declared themselves independant. Large numbers flocked to their standard, and nearly the whole of North Kamrup fell into their hands while according to some they also occupied part of the south bank. They were nicknamed Dumdumiyas.

The Bar Phukan was unable to obtain help from Upper Assam where the Barhā Gohain was already fully employed. He, therefore, raised a force of Hindustanis........crossed the Brahmaputra and attacked and defeated the rebels in several engagements. Har Datta and his brother fled, but eventually caught and put to painful death." (Pages 218-219)

তেওঁ আকৌ লিখিছে যে হৰদত্ত-বীৰদত্তৰ সহ মতালী স্বভাৱ আৰু বৰুৱা চৌধাৰী সকলৰ বিশ্বাস ঘাটকতাই তেওঁলোকৰ পতনৰ কাৰণ আছিল। বেজ বৰুৱাই পদুমকুঁৱৰীত এই ঘটনাটিকে অনুসৰণ কৰিছে যদিও ৰসসৃষ্টিৰ কাৰণে তেওঁ কেইটামান চৰিত্ৰ নিজৰ মনোমতকৈ গঢ়ি তুলিছে। গুৱাহাটীৰ শাসনকৰ্ত্তা হিচাপে বদন বৰফুকনৰ নাম তেওঁ ক'তো উল্লেখ কৰা নাই, কেৱল কলীয়া ভোমোৰা বৰফুকনৰ কাৰ্য্যাৱলীহে বৰ্ণনা কৰিছে। সূৰ্য্যকুমাৰ, ফুল, কোৰ্মা-কুৰ্মী আদি চৰিত্ৰ তেওঁৰ নিজা সৃষ্টি। সেইদৰে হৰদত্তই কোচ ৰাজকোঁৱৰক বৈবাহিক সম্পৰ্ক স্থাপনাৰ্থে আহ্বান কৰা কথাও বুৰঞ্জীত নাই, জনশ্ৰুতিতহে আছে। উল্লেখযোগ্য যে এই একে ঐতিহাসিক পটভূমিতে ৰজনীকান্ত বৰদলৈয়েও "দন্দুৱা দ্ৰোহ" নামৰ এখন উপন্যাস ৰচনা কৰে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাৰ মতে "পদুম কুঁৱৰীতকৈ দন্দুৱাদ্ৰোহ অধিক ইতিহাস ঘনিষ্ঠ।"

যেই নহওক এতিয়া পদুম কুঁৱৰী'ৰ মূল ঘটনাটো বিচাৰ কৰা হওক। হৰদত্ত আৰু বীৰদত্ত দুয়ো ককাই ভাই। হৰদত্ত ক্ষমতাশালী আৰু দূৰদৰ্শীলোক; বয়স ৫৬ বছৰ। কামৰূপীয়া প্ৰজাৰ ওপৰত গুৱাহাটীৰ বৰফুকনে কৰা অন্যায় উৎপীড়নে তেওঁৰ অন্তৰ ব্যথিত কৰি তুলিছে আৰু ইয়াৰ প্ৰতিকাৰৰ কাৰণে কামৰূপৰ বৰুৱা চৌধাৰী আদি মুখীয়াল লোকসকলক ঐক্যবদ্ধ কৰাৰ ওপৰিও কোচবিহাৰৰ ৰজাৰ সাহায্য প্ৰাৰ্থনা কৰি এক মিলিত শক্তিৰে বিদ্ৰোহৰ অগনি জ্বলাব খুজিছে। উপকাৰৰ প্ৰত্যুপকাৰ হিচাপে তেওঁ তেওঁৰ একমাত্ৰ জীয়াৰী পদুম কুঁমাৰীক কোচ ৰাজকোঁৱৰলৈ বিয়া দিম বুলি প্ৰতিশ্ৰুতও হৈছে আৰু তদৰ্থে আহুত হৈ কোচ ৰাজকোঁৱৰে হৰদত্ত ভৱনলৈ যাত্ৰা কৰিছে। এই সময়তে পদুম কুঁৱৰীয়ে গোলমাল লগালে। হৰদত্তৰ ঘৰতে আশ্ৰিত সূৰ্য্যকুমাৰ নামৰ ডেকা এজনৰ প্ৰতি পদুম প্ৰণয়াসক্ত আছিল আৰু সেয়েহে তাই কোচৰাজকোঁৱৰলৈ যাব নোখোজে। এই গুপ্ত প্ৰণয়ৰ কথা প্ৰকাশ হলত হৰদত্তৰ খঙে মূৰৰ চুলি পালেগৈ। তেওঁ তৎক্ষণাত সূৰ্যকুমাৰক ঘৰৰ পৰা উলিয়াই দিলে আৰু পদুমৰ বিয়াখন সোনকালে পাতিবলৈ যোজা কৰিলে। বিতাড়িত সূৰ্য্যকুমাৰেও গুৱাহাটীৰ কলীয়াভোমোৰা বৰফুকনৰ ঘৰত আশ্ৰয় ললেগৈ। চোৰাংচোৰাৰ মুখত ডাঁৱৰ বাতৰি ডাঁৱে পাই থকা সুচতুৰ বৰফুকনে সূৰ্য্যকুমাৰক পাই ভালেই পালে আৰু মাতৃহীনা একমাত্ৰ জীয়াৰী ফুলৰ খেলৰ লগৰীয়া হিচাপে অন্তেষ পুৰতে থাকিবলৈ দিলে। তাতেই প্ৰথম দৰ্শনত ফুল, সূৰ্য্যৰ প্ৰতি অনুৰক্তা হয়; কিন্তু পদুম প্ৰেমত আত্মহাৰা সূৰ্য্যই ফুলৰ প্ৰতি হৈ থাকিল নিতান্তই নিৰ্বিকাৰ। ইফালে চেগচাই হৰদত্ত বীৰদত্তক ধৰিবলৈ বৰফুকনে সৈন্য সামন্ত পঠিয়ালত

আগতীয়াকৈ খবৰ পাই হৰদত্ত সপৰিয়ালে ভূটান পাহাৰলৈ পলাই গৈ আত্মগোপন কৰিলে। হৰদত্তৰ ৰঘুনাথৰ এজন পুতেক আছিল। চিকাৰলৈ যাওঁতে ৰঘু অতৰ্কিতে বৰফুকনৰ সৈন্যৰ হাতত বন্দী হয়। একো অপকাৰ নকৰো বুলি বৰফুকনে দিয়া মিথ্যা প্ৰতিশ্ৰুতিত ভোল গৈ নিৰ্বোধ ৰঘুৱে পিতাক লুকাই থকা ঠাই লৈকে সৈন্যৰ বৰফুকনক লৈ আহে। ইতিমধ্যে গা ধুবলৈ যাওতে পদুমৰ মাক সৰ্পদংশনত মৃত্যুৰ মুখত পৰে আৰু দুখৰ বোজা সহিব নোৱাৰি পদুম পাগলী হয়। পাৰিবাৰিক এনে বিপৰ্য্যয়ৰ মাজতে ভূতৰ ওপৰত দানহৰ দৰে ৰঘু প্ৰদৰ্শিত পথেদি আহি হৰদত্ত বীৰদত্তক অতৰ্কিতে আক্ৰমণ কৰে। ৰণত দুই ভাই-ককাই মৃত্যু মুখত পৰে আৰু অপ্ৰকৃতিস্থ পদুমক সেনাপতি কুমেদান বঙালে বলাৎকাৰ কৰিব খোজোতেই অকস্মাতে সূৰ্য্য কুমাৰ আহি কুমেদানক এক ঘাপে কাটে। ইয়াৰ পিচত সূৰ্য্যকুমাৰৰ বুকুত সোমাই পাগলী পদুমে গাঁথিব বিহ খাই আত্মহত্যা কৰে। তাকে দেখি সূৰ্য্যকুমাৰেও তৰোৱাল বুকুত বহুৱাই আত্মঘাতী হয়। উপসংহাৰত ফুলে শসাধনাত লাগে বুলি ছলকৈ দেউতাকৰ অনুমতি লৈ পদুম-সূৰ্য্যৰ শৱ দুটা গুৱাহাটীলৈ লৈ আহে আৰু সসন্মানে মৈদামত পোতাই নিজেও তাত সোমাই আত্ম সমাধিস্থ হয়।

এই খিনি কথাকে বেজবৰুৱাই পদুম কুঁৱৰীত পোক্তৰতা অধ্যায়ত কৌশলেৰে বিশ্লিষ্ট কৰিছে; লগতে পাঠকৰ সহজানুধাৰণৰ কাৰণে প্ৰতিটো অধ্যায়ৰ আৰম্ভণীতে বিষয়সূচক একোটি নাম আৰু বসজ্ঞাপক একোফাকি ইংৰাজী উদ্ধৃতিও দিছে। স্কটেও এইদৰে দিছিল। হাডিয়েও। আখ্যান ভাগ ফঁহিয়াই চালে দেখা যাব যে বৰফুকনৰ বিৰুদ্ধে হৰদত্তৰ ষড়যন্ত্ৰ আৰু পদুম-সূৰ্য্যৰ প্ৰণয় এই দুয়োটা কাহিনীৰ সমান্তৰাল গতিতেই উপন্যাস খনিৰ মূল ভেটিটোৰে গঢ় লৈছে।
ইয়াৰে প্ৰথমটো ঐতিহাসিক আৰু দ্বিতীয়টো কাল্পনিক। বুৰঞ্জীৰ ঘটনাৰ লগত প্ৰণয় মূলক ঘটনাটো অঙ্গাঙ্গীভাৱে জড়িত কৰি দিয়াত বেজবৰুৱা অধিক পৰিমাণে সফল হৈছে বুলি কব পাৰি। ঐতিহাসিক উপন্যাসৰ যোগেদি যেহেতু অকল ইতিহাসৰ তথ্য আৰু বিৱৰণ পৰিবেশন কৰাই লিখকৰ উদ্দেশ্য হব নোৱাৰে বৰং অতীতৰ কোনো যুগৰ জীৱন ধাৰা আৰু নৰনাৰীৰ বিচিত্ৰ লীলা ঐতিহাসিক ঘটনাৰ মাধ্যমেদি সজীৱ আৰু আৱেদনশীল কৰি তোলাহে সাহ কাম সেই দৃষ্টি ভঙ্গীৰে চালে পদুম সূৰ্য্যৰ প্ৰণয় কাহিনীটোৰ সাৰ্থকতা আছে; বৰং ই আৰু কিছুপৰিমাণে উজ্জ্বল হোৱাটো উচিত আছিল বুলি আমি ভাবোঁ। কিন্তু তাকে নকৰাত উপন্যাস খনে বহুখিনি বৈচিত্ৰ্য হেৰুৱাইছে। হৰদত্ত বীৰদত্তৰ যুদ্ধৰ আয়োজন, তেওঁলোকক ধৰিবৰ কাৰণে কলীয়া ভোমোৰা বৰফুকনৰ চক্ৰান্ত আৰু শেষত হৰদত্ত-বীৰদত্ত পৰাভৱ আদিৰ বৰ্ণনা যিদৰে সজীৱ আৰু আকৰ্ষণীয় হৈছে তাৰ বিপৰীতে পদুম-সূৰ্য্যৰ প্ৰণয় কাহিনীটো তেনেই চমু, খৰখেদা আৰু নিস্তেজ জনক হ'ল।

"উপন্যাস খনৰ মূল কাহিনীৰ গঠন আৰু বিকাশৰ ক্ষেত্ৰত বেজবৰুৱাৰ মৌলিকত্ব, সুনিপুণ কাৰিগৰীতা (craftmanship) আৰু উচ্চস্তৰৰ কল্পনা প্ৰিয়তাৰ চানেকী ফুটি উঠিছে। হৰদত্তৰ গৃহৰ পৰা বিতাড়িত সূৰ্য্যই হৰদত্তৰ প্ৰধান শত্ৰু বৰফুকনৰ ঘৰত আশ্ৰয় লোৱা কথাটো আপাত দৃষ্টিত অস্বাভাৱিক যেন লাগিলেও এই বিপৰীত ধৰ্ম্মী ঘটনাই এটা সুন্দৰ ৰোমাণ্টিক পৰিণতিৰ সম্ভাৱনাৰ সূত্ৰপাত কৰিছে। শত্ৰুগৃহৰ জীয়ৰীৰ প্ৰেম পাশত আৱদ্ধ হৈ গোলমালৰ সৃষ্টি কৰাত কিবা আমেজ আছে হবলা! মধ্যযুগৰ ৰোমান্সবোৰত এনে কাহিনী প্ৰচুৰ পৰিমাণে পোৱা যায়। স্কটৰ 'ব্ৰাইড অব লেমাৰমুৰ'ৰ নায়ক ডেকা ৰেভেন্সউডে চিৰ শত্ৰুৰ ঘৰত এৰাতি আতিথ্য গ্ৰহণ কৰিয়েই শত্ৰু জীয়ৰী লুচিৰ সতে প্ৰণয় চুক্তিত আৱদ্ধ হল। পৰিণতিত দুয়োৰো ঘটিল সৰ্ব্বনাশ। আমাৰ নায়ক সূৰ্য্যইও বৰফুকনৰ ঘৰত আশ্ৰয় লোৱাৰ লগে লগে বৰফুকন দুহিত্ৰী ফুল আইদেউৰ অনুৰাগ প্ৰগাঢ় ভাৱে সূৰ্য্যমুখী হৈছে; গঢ়ি উঠিছে প্ৰণয়ৰ চিৰন্তন ত্ৰিভুজ— এক পুৰুষ দুই নাৰী। তেতিয়ালৈকে অৱশ্যে সূৰ্য্যই নাজানে যে বৰফুকন হৰদত্তৰ শত্ৰু আৰু লেঠাও সেই খিনিতে। সূৰ্য্য সৰু লৰা নহয়; তাতে ডাঙৰ হৈছে হৰদত্তৰ ঘৰত। এনেস্থলত হৰদত্ত আৰু বৰফুকনৰ বিৰোধ সম্পৰ্কে সূৰ্য্য একেবাৰে অজ্ঞ হৈ থকাটো বিশ্বাস যোগ্য হোৱা নাই। আকৌ জানে বুলি ধৰিলেও মস্কিল! শত্ৰু বুলি জানিও সূৰ্য্য বৰফুকনৰ ঘৰলৈ যোৱাৰ একমাত্ৰ কাৰণ হব পাৰে প্ৰতিশোধ প্ৰচেষ্টা। কিন্তু ঔপন্যাসিকে সূৰ্য্যক প্ৰতিশোধ পৰায়ণ ডেকা হব দিব নোখোজে।



গতিকে কিছু অবিশ্বাস্য হলেও এই বিষয়ে সূৰ্য্যকুমাৰক অজ্ঞ বুলিকৈ লিখকে দুই কুল ৰক্ষা কৰিছে। সেইদৰে পদুম প্ৰেমত মত্ত সূৰ্য্যৰ প্ৰতি ফুলৰ এক তৰফীয়া ভাল পোৱাৰ সৃষ্টি কৰি সমাপ্তিত কৰুণ পৰিবেশ এটা গঢ়ি তোলাত বেজবৰুৱা কৃতকাৰ্য্য হব পাৰিছে।

আনহাতে উপন্যাসখনৰ কাহিনী গঠনত দুটামান ত্ৰুটি নথকাও নহয়। উদাহৰণ স্বৰূপে ৰাজনৈতিক উদ্দেশ্য সাধনৰ অস্ত্ৰ হিচাপে বৰফুকনে সূৰ্য্যক আশ্ৰয় দিয়াত অস্বাভাৱিকতা একো নাই যদিও তেওঁৰ একমাত্ৰ সাভৰু জীয়েক ফুলৰ লগত অবাধে মিলা মিছা কৰিবলৈ প্ৰথম দিনাই অনুমতি দিয়া কথা কিছু দৃষ্টি কটু হৈছে। হাজাৰ হওক সূৰ্য্যকুমাৰ এজন অজ্ঞাত কুলশীল যুৱক। গতিকে সূৰ্য্যকুমাৰক কিছুদিন বৰফুকনৰ ঘৰত থকাৰ পিচত বৰফুকনৰ আস্থাভাজন হৈ ফুলৰ লগত ক্ৰমে ঘনিষ্ঠ সম্পৰ্ক লৈ অহাহেতেন ঘটনাৰ ঔচিত্য বজায় থাকিল হেতেন।

আকৌ আত্মীয় স্বজনৰ বিয়োগত মানসিক ধৈৰ্য্য হেৰুওৱা পদুম কুঁৱৰীয়ে বিহ খাই আত্মহত্যা কৰা কথাটো নিতান্ত স্বাভাৱিক হৈছে কিন্তু তাই বিহ খাবৰ কাৰণে যি মুহূৰ্ত্ত বাচি ললে সিহে উপযুক্ত হোৱা নাই। হৰদত্ত, বীৰদত্ত আৰু ৰঘুৰ মৃত্যুৰ পিচত কুমেদান বঙালে বলাৎকাৰ কৰিবলৈ খেদি আহোঁতেই বিহ খাই দিয়া হলে ঘটনাটো বেছি স্বাভাৱিক হ'লহেতেন। সেইদৰে পদুম-সূৰ্য্যৰ মৰাশ দুটাৰ লগত মৈদামত সোমাই ফুলে আত্ম বিসৰ্জ্জন দিয়া দৃশ্যটো কিছু অবান্তৰ হ'ল নেকি?

উপন্যাস খনৰ প্ৰধান চৰিত্ৰ কোনটো সহজতে বুজা নাযায়। নায়িকা যে পদুমকুঁৱৰী তাত সন্দেহ নাই। সূৰ্য্যকুমাৰক নায়ক হিচাপে ধৰিলে, নায়কৰ গাত থাকিব লগীয়া সাহ, পিত, বল, বীৰ্য্য বা শক্তিশালী ব্যক্তিত্ব কোনোটোৰে সূৰ্য্যকুমাৰৰ গাত দেখা নাযায়। তেওঁ সৰল, নিৰীহ আৰু নিষ্ক্ৰিয় প্ৰেমিকৰ ভূমিকা লৈছে। হৰদত্ত-বীৰদত্ত বুৰঞ্জী প্ৰসিদ্ধ চৰিত্ৰ। কামৰূপৰ প্ৰজা সকলক সংগঠন কৰি সুদীৰ্ঘ ৭ বছৰ কাল (১৭৮৮-৯৫) এই ভাতৃদ্বয়ে বৰফুকনৰ বিৰুদ্ধে যুঁজ বাগৰ চলাই অপৰিসীম ধৈৰ্য্য আৰু বীৰত্বৰ চিনাকি দিছিল। 'পদুম কুঁৱৰী' উপন্যাসত কিন্তু হৰদত্ত বীৰদত্তৰ কথাৰ দম্ভহে প্ৰকাশ পাইছে; বিদ্ৰোহীদলৰ নেতৃত্ব কৰিব পৰা ক্ষমতা বা সংগঠন কৌশল কাৰ্য্যত ফুটি ওলোৱা নাই। বৰদলৈ "দন্দুৱা দ্ৰোহ"ত বীৰদত্তই প্ৰকৃততে বীৰৰ দৰে যুঁজি আহোমৰ হাতত প্ৰাণ এৰিছিল কিন্তু ইয়াত তেওঁক নিৰ্ব্বোধ হাস্যাস্পদ চৰিত্ৰ হিচাপেহে বৰ্ণনা কৰা হৈছে। হৰদত্তৰ পুতেক ৰঘু দদায়েকৰ দৰে দাম্ভিক যদিও তেনেই সৰল। কবলৈ গলে ৰঘুৰ সহজ বিশ্বাস প্ৰৱণতা আৰু নিৰ্ব্বুদ্ধিতাই হৰদত্তৰ পতনৰ মাই কাৰণ হৈ উঠিছে। ভুটীয়া যুৱক কোমাৰ চৰিত্ৰটি কাল্পনিক হলেও বৰ মনোগ্ৰাহী হৈছে। কম সময়ৰ কাৰণে দেখা দিলেও তাৰ মাজেদি জন জাতিৰ নিভাঁজ সৰলতা, বন্ধুত্ব, বিশ্বাস আৰু বীৰত্ব ফুটি উঠিছে। ৰঘুক ৰচাবলৈ গৈ সি আততায়ীৰ হাতত এই বুলি প্ৰাণ এৰিছে "হখি; মই মৰু তাত মুৰ বেজাৰ নাই কিন্তু তুক যে মই ৰাখিব নোৱাৰিলোঁ এই বেজাৰহে মুৰ লগত গ'ল।"

নাৰী চৰিত্ৰৰ ভিতৰত প্ৰতিনায়িকা ফুল বেছি উজ্জল আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে। তাইৰ বুদ্ধি উদাৰতা আৰু স্বাৰ্থত্যাগে আমাক মুগ্ধ নকৰাকৈ নাথাকে। অকলশৰীয়া ৰূপোটো দেখি অসুস্থ হৈ পৰা সূৰ্য্যকুমাৰৰ মানসিক দুৰ্যোগৰ উমান ধৰিব পৰা কথাই তাইৰ গভীৰ সহানুভূতিশীল অন্তৰ একনৰ পৰিচয় দিয়ে। কিন্তু শেষৰ দৃশ্যত তাইৰ কাৰ্য্য কলাপ অস্বাভাৱিক হৈ পৰিছে। বাপেকৰ চকুত ধূলি মাৰি পদুম-সূৰ্য্যৰ মৰাশ দুটা আনি প্ৰেমিক-প্ৰেমিকাৰ সংকাৰৰ দিহা কৰাত আপত্তি নাই কিন্তু নিজে মৈদামত সোমাই আত্ম সমাধিস্থ হোৱা কথাটো তেনেই অতি নাটকীয় হল। ফুল জীয়াই থকা হেতেনো তাইৰ শোক দগ্ধ অন্তৰ খনৰ কথা পাঠক সকলে শ্ৰদ্ধাৰে সুঁৱৰিলেহেতেঁন। এই খিনিতে "মিৰি জীয়ৰীৰ" উপনায়িকা ডালিমীৰ চৰিত্ৰলৈ আঙুলিয়াব পাৰি। পানেই—জঙ্কিৰ মৃত্যুৰ পিচত ডালিমীয়ে আত্মহত্যা কৰা নাই—মাথোঁ কান্দিছে আৰু সেই কান্দোনে আমাৰ চকুৰ পানী উলিয়াইছে।

প্ৰথম আৰু একমাত্ৰ উপন্যাস হিচাপে পদুম কুঁৱৰীত বেজবৰুৱাই নায়ক নায়িকাৰ মানসিক অৱস্থা চিত্ৰন, পৰিস্থিতি বৰ্ণনা বা ঘটনা বিন্যাসত যিদৰে কৃতকাৰ্য্য হৈছে তালৈ চাই নিষ্ঠাৰে অনুশীলন কৰা হেতেন তেওঁ যে এজন প্ৰথম শ্ৰেণীৰ ঔপন্যাসিক হব

পাৰিলে হেতেন তাত সন্দেহ নাই। কিন্তু ঔপন্যাসিক হবলৈ বাঞ্ছা নকৰি কেৱল প্ৰয়োজনৰ খাতিৰত 'পদুম কুঁৱৰী ৰচনা কৰিয়েই প্ৰচুৰ সম্ভাৱনা থকা সত্বেও তেনে সুযোগ লাভৰ পৰা তেওঁ বিৰত থাকিল।

বেজবৰুৱাৰ ৰচনা ৰীতিৰ এক স্বকীয়া বৈশিষ্ট্য আছে। তেওঁৰ এই ৰীতি যে সৃজনীমূলক (creative) সাহিত্যতকৈ ব্যঙ্গ বা ৰস ৰচনাৰ বাবে হে অধিক উপযোগী এই কথা তেওঁ নিজেও ভালদৰে বুজিছিল। পদুম কুঁৱৰী ৰচনাৰ ঠিক আগে আগে তেওঁৰ প্ৰথম খুহুতীয়া নাট লিতিকাই ওলাই গৈছে (১৮৮৯) আৰু 'আজ্ঞি', 'চেনীচম্পা', 'কেকো-ককা' আদি ৰসৰচনা সমূহ লিখাত তেওঁ ব্যস্ত আছে। এই বাবেই নেকি পদুম কুঁৱৰীতো গহীন বা কাব্যিক বৰ্ণনা একোটাৰ মাজতে হঠাতে টুলুঙা উপমাদিৰ প্ৰয়োগে গোটেই পৰিবেশটোকে পাতল কৰি পেলোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে বীৰদত্তৰ বৰ্ণনাংশটোকেই লোৱা যাওক। হৰদত্ত পৰিয়ালৰ প্ৰতিজনৰে পৰিচয় সূচক সুন্দৰ বৰ্ণনা একোটি দিয়াৰ পিচতে বীৰদত্তৰ বিষয়ে এইদৰে কৈছে :....তেওঁৰ মূৰটো বঙ্গালাওৰ নিচিনা; যদিও তেওঁ পাহ কাটি দাঘল চুলি ৰাখিবলৈ যত্ন কৰিছিল তথাপি তেওঁৰ তালুখনত ধান মেলি শুকাব পাৰা। গোফ মেকুৰীৰ গোফৰ নিচিনা, বৰণ চুৰা চৰুৰ তলিতকৈ অলপহে পোহৰ....'ইত্যাদি। এই বৰ্ণনাই হাস্যৰসৰ সৃষ্টি কৰিলেও ই উপন্যাসখনৰ গাম্ভীৰ্য্য কিছু ক্ষুণ্ণ কৰিছে। শাৰীৰিক অসুন্দৰতাক লৈ হাস্য পৰিহাস কৰা নিতান্ত অনুচিত কাম। তদুপৰি তেনে বৰ্ণনা বীৰদত্তৰ দৰে প্ৰধান চৰিত্ৰ এটাৰ গাত আৰোপ কৰা উচিত হোৱা নাই।

বেজবৰুৱাৰ ৰচনাৰীতিৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য হৈছে--সহজ কথা এটাকো ঘূৰাই পকাই ৰস লগাই কোৱাটো। এই ৰীতিৰ চাপ পদুম কুঁৱৰীতো পৰিছে। যৌৱনত ভৰি দিয়া একালৰ শৈশৱ-লগৰী পদুম আৰু সূৰ্য্যক লাজে ভেটা দিছে—এই সহজ কথাখিনি কবলৈ গৈ 'লাজ ডাঙৰীয়া'ৰ মাহাত্ম্য তেওঁ এইদৰে বৰ্ণাইছে : কিন্তু প্ৰেম, সঙ্কল্প আৰু কাৰ্য্য এইবিলাকৰ ওপৰত এজন নপতা ফুকন আছে। সদিয়াত থাকি ধুবুৰীত প্ৰেম কৰিব পাৰি। ব্ৰহ্ম-কুণ্ডৰ পৰা সঙ্কল্প ব্ৰহ্মপুত্ৰত উটি আহি উমানন্দত লাগিব পাৰি, সাতোটা নগা পৰ্ব্বত বগাই উপৰ চাঙৰ নগাৰ কাষ পাব গৈ পাৰি; কিন্তু এই নপতা ফুকন জনৰ তাপত চাৰি আঙুল আঁতৰত থকা এজনক এজনে পাব নোৱাৰে। এইজন নপতা ফুকনৰ নাম লাজ। এওঁ মেঘতকৈও ওখ, সাগৰতকৈও বহল, পৃথিৱীতকৈও ডাঙৰ। হিমালয় পৰ্ব্বতৰ কাঞ্চনজংঘা টিঙক কাপ কৰি লোণ সাগৰক মহী কৰি লেখিবলৈ ধৰিলেও এই মহাপুৰুষৰ গুণৰ শীল নটুকায়।'' এনে ভাষা ৰসৰচনাতহে খাটে, উপন্যাসৰ কাৰণে উপযোগী নহয়। আনহাতে এইটো দেখা গৈছে যে য'তেই বেজবৰুৱা অলপ সচেতন হৈছে বা গহীন হ'বৰ যত্ন কৰিছে তাতেই তেওঁৰ ভাষাই অপূৰ্ব সংযত অথচ কাব্যিকৰূপ পৰিগ্ৰহ কৰিছে। প্ৰথম দৰ্শনতে দিয়া পদুম কুঁৱৰীৰ শোৱা খোটালীৰ বৰ্ণনা, পদুমৰ দৈহিক ৰূপ, ফুলৰ মানসিক অৱস্থা চিত্ৰণ আদি এই ক্ষেত্ৰত প্ৰকৃষ্ট উদাহৰণ। এইবোৰ বৰ্ণনাৰ মাজেদি লিখকৰ তীক্ষ্ণ পৰ্য্যবেক্ষণ শক্তি, ঐতিহাসিক জ্ঞান, ৰুচিবোধ আৰু ক্লাচিক মন এটাৰ পৰিচয় ফুটি উঠিছে।

উপন্যাসখনৰ সংলাপ অংশ চৰিত্ৰোচিত, স্বাভাৱিক আৰু বাহুল্য বৰ্জ্জিত হোৱাত উপাদেয় হৈছে যদিও ঠায়ে ঠায়ে অতি নাটকীয় আৰু তৰাং নোহোৱাকৈও থকা নাই। পদুম সূৰ্য্যৰ গুপ্ত প্ৰণয়ৰ সন্ধেদ পাই হৰদত্তৰ খঙ্‌ উঠাতো স্বাভাৱিক; কিন্তু তাৰেক বীৰদত্তক মাতি আনি যিদৰে আলোচনা কৰিছে সি মাৰ্জ্জিত হোৱা নাই।

হৰদত্ত : শুনিছনে বীৰ, আমাৰ বংশধৰী জীয়ৰীৰ কীৰ্ত্তি-কলাপ! আমি চাই দিয়া দৰা তাইক নালাগে হেনো, তাই নিজে দৰা বাছি লৈছে! চুকতে থাকি বুকতে কামোৰা এইটো সূৰ্য্য নে কি তাতহে হেনো তাই বিয়া সোমায়। তাকে আকৌ এই সাক ডুমুনীয়ে মোক কবলৈ আহিছে। ইমান সাহ ছিকৰা যেন ছোৱালী এজনীৰ......

বীৰদত্ত : ''হেঃ হেঃ বুজিলেনে এতিয়া? আপুনিয়েই গুচালে সেইজনী ছোৱালী। সুন্দৰ হৈছে এতিয়া! মৰম দেখুৱাবহে দেখুৱাব; মোৰ পদুমহে মোৰ মইনাহে, মোৰ অমুকহে, মোৰ ভচুকহে, ভেচুলিৰ ছানহে। লৰা-ছোৱালীক বাদৰ চকুৰে চাবলৈ দিছে—ওলাওঁতে এভুকু, সোমাওঁতে এভুকু-তেহে ল'ৰা-ছোৱালী, লৰা ছোৱালী হৈ থাকে। আপোনাৰ সূৰ্য্যকুমাৰ এতিয়া বেয়া হলনে? এনে সৎস্বভাৱৰ, এনে সুন্দৰ লৰা কত আছে দেহি? আৰু গোটাচেৰেকমান আনি তুলি লৈ পদুমেৰে সৈতে ৰেমালি-ধুমুলা কৰিবলৈ লগ লগাই দিয়ক।''

—এনে গ্ৰাম্য সংলাপ নিম্নখাপৰ চৰিত্ৰৰ মুখতহে স্বাভাৱিক হ'ল হেতেন। হৰদত্ত-বীৰদত্তৰ নিচিনা চৰিত্ৰৰ মুখত ই শোভা পোৱা নাই। ইয়াৰ বিপৰীতে মাতৃ শোকত কাতৰা পাগলী পদুমৰ প্ৰলাপাংশ অতি স্বাভাৱিক, কৰুণ আৰু পৰিবেশৰ লগত খাপ খাই যোৱা বিধৰ হৈছে।

উপন্যাসখনৰ ঘাই ঘটনাটি কৰুণ পৰিণতিৰে পৰিসমাপ্ত হৈছে। কৰুণ ৰস সৃষ্টি কৰি পাঠকৰ অন্তৰ আৰ্দ্ৰ কৰি তোলাটোৱেই লিখকৰো উদ্দেশ্য আছিল। ইয়াকে কৰিবলৈ উপন্যাসৰ শেষৰ ফালে এটা দৃশ্যতে, একে ঠাইতে একে সময়তে, হৰদত্ত, বীৰদত্ত, বধু, কুমেদান বঙাল, সূৰ্য্য আৰু কুশ্মী এই ছটা চৰিত্ৰৰ মৃত্যু হোৱা দেখুৱা হৈছে। এনে আকস্মিক হত্যা বা আত্মহত্যাৰ ঘটনাই কাৰুণ্যৰ পৰিবৰ্ত্তে ভয়াবহ অস্বাভাৱিক পৰিবেশ এটাহে সৃষ্টি কৰিছে। মধ্যযুগৰ ইউৰোপীয় নাট্য সাহিত্যত শেষ দৃশ্যত ৰঙ্গমঞ্চ মৰাশৰে উপচি পৰা দেখা গৈছিল। ইংৰাজী সাহিত্যৰ ছাত্ৰ বেজবৰুৱাৰ ওপৰতো ইবোৰৰ প্ৰভাৱ পৰিব পাৰে।

উপসংহাৰত ইয়াকে কব পাৰি যে প্ৰথম ঐতিহাসিক উপন্যাস হিচাপে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত বেজবৰুৱাৰ ''পদুম কুঁৱৰী''য়ে এখন স্বকীয়া আসন সদায় পাই থাকিব। লিখকৰ কেঁচা বয়স আৰু অভিজ্ঞতাক দায়ী কৰি দুই এগৰাকী সমালোচকে উপন্যাসখনৰ কাহিনীত দুৰ্ব্বলতা আৰু দৃষ্টিভংগীত তৰলতা আছে বুলি অভিযোগ আনিছে যদিও আমাৰ বোধেৰে খুহুতীয়া ৰচনাত অধিক ব্যস্ত থকাত আৰু স্বভাৱতে হাস্যৰসিক হোৱাত জীৱনৰ গভীৰ দিশটোৰ প্ৰতি বেজবৰুৱা হৈ পৰিছিল বহু পৰিমানে লঘু দ্ৰষ্টা আৰু সেয়েহে পদুম কুঁৱৰীত tragic element প্ৰচুৰ পৰিমানে থকা স্বত্বেও হাস্যৰসৰ এটি পাতল প্ৰলেপে গোটেই উপন্যাস খন পৰিব্যাপ্ত কৰি ৰখা দেখা গৈছে, যাৰ কাৰণে প্ৰথম দৃষ্টিতে লিখকৰ দৃষ্টিভঙ্গী সম্বন্ধে আমাৰ বিভ্ৰম হয়।





# জোনবিৰি

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

বেজবৰুৱা অসমীয়া চুটি গল্পৰ প্ৰথম স্ৰষ্টিকাৰ। তেওঁৰ সৰহভাগ গল্প জোনবিৰি, সুৰভি, সাধুকথাৰ কুকি আৰু সম্প্ৰতি প্ৰকাশিত কেঁহোকলিত সন্নিবিষ্ট কৰা হৈছে। জোনবিৰি ১৮৩৪ শকত প্ৰথম প্ৰকাশিত হৈছিল। তাত আমাৰ সংসাৰ, যেনে চোৰ তেনে টাঙোন, কনকলতা, নাওলুচন্দ্ৰ দাস, জগৰা মণ্ডলৰ প্ৰেমাভিনয়, মৈদাম, মোৰে সৈতে মনাইৰ দন্দ, লোভ, কাশীবাসী, ভোম কেৰোলা, ভোকেন্দ্ৰ বৰুৱা, এৰাবাৰী, ঘণ্টাকৰ্ণ শৰ্ম্মা, ধৰ্ম্মধ্বজ ফয়চলা নবিচ আদি গল্প সংযোগ কৰা হৈছে।

আমাৰ সংসাৰত গিৰিয়েকক ফাকি দি নিজে আৰামকৈ ৰান্ধি বাঢ়ি খাই সন্তোষ পোৱা এজনী চাতুৰী ভাৰ্য্যাৰ বিষয়ে কোৱা হৈছে। যেনে চোৰ তেনে টাঙোনত কন্দাই নামৰ এজন লোকে তেওঁৰ ঘৈণীয়েকৰ ওপৰত কৰা অত্যাচাৰৰ ছবি অঙ্কিত হৈছে। কন্দাইৰ কথাৰ বিসঙ্গতি দেখি ওচৰ-চুবুৰীয়াই তেওঁক বলিয়া বুলি বান্ধি আন্ধাৰ খোটালিত পেলাই থৈছিল। ভবিষ্যতে আৰু অত্যাচাৰ নকৰো বুলি আশ্বাস দিয়াত ঘৈণীয়েকে তাক মোকোলাই দিয়ে। কনকলতা গল্পত কনকলতা আৰু গগনচন্দ্ৰৰ বিয়াৰ ক্ষেত্ৰত দেখা দিয়া নানা আলৈ আহুকালৰ কৰুণ চিত্ৰ ফুটাই তোলা হৈছে। নাওলুচন্দ্ৰ দাসত নাওলুচন্দ্ৰৰ কবিতা লিখাৰ আগ্ৰহ আৰু তাৰ ফলতে তেওঁ কেনেভাৱে নাটি ঘাটি হৈ লগাত পৰিল আৰু শেষত তেওঁ কিয় কবিতা লিখা চিৰদিনৰ বাবে এৰি দি চৰকাৰী চাকৰিত সোমাল তাৰ আমোদজনক বৰ্ণনা আছে। জগৰা মণ্ডলৰ প্ৰেমাভিনয় গল্পত সৰু ৰাম শৰ্ম্মাই উকিলৰ মুখে নভেলত বৰ্ণিত প্ৰেমৰ কথা শুনি তেৰো পৰিৱাৰৰ লগত নানা প্ৰকাৰে কৰা প্ৰেমাভিনয় প্ৰসঙ্গ অতি ৰসাল আৰু উপাদেয় ধৰণে বৰ্ণনা কৰিছে। মৈদাম গল্প ইতিহাসৰ পটভূমিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে আৰু সামাজিকত দেখা গল্পকাৰৰ অভিজ্ঞতাৰ কথা কোৱা হৈছে। মোৰে সৈতে মনাইৰ দন্দত মনৰ বিভিন্ন ভাৱ গল্পৰ আকাৰত বৰ্ণিত হৈছে। লোভ গল্পত কেনেভাৱে গল্পকাৰে এটা শল মাছ মাৰিলে আৰু শল মাছৰ পোনাবোৰে তেওঁক কেনেকৈ সামাজিকত আগুৰি ধৰিলে তাৰ এটি ৰসাল বৰ্ণনা আছে। কাশীবাসী গল্পত গল্পকাৰে কাশীত স্নান কৰিবলৈ লওতে এজনী অসমীয়া বুঢ়ী লগ পালে। বুঢ়ী কেনেকৈ মানৰ হাতত পৰিছিল, কেনেকৈ তেওঁক উদ্ধাৰ কৰা হৈছিল, সমাজে তেওঁক কি কাৰণত গ্ৰহণ নকৰিলে আৰু তাৰ পিছত কেনেকৈ তেওঁ কাশীত থাকিবলৈ ললে এই সকলো বৃত্তান্ত বুঢ়ীয়ে গল্পৰচকৰ আগত কৰুণভাৱে বৰ্ণনা কৰিছে। ভোম কেৰোলা গল্পত এজন নদীয়ালৰ লৰাই সংস্কৃত শিকি নিজকে ব্ৰাহ্মণ বুলি পৰিচয় দি সৰ্ব্বেশ্বৰ ভট্টাচাৰ্য্যৰ দুটি কন্যা বিবাহ কৰিলে আৰু বিয়াৰ পিচত কন্যাৰ ওপৰত অকথ্যভাৱে অত্যাচাৰ আৰম্ভ কৰিলে। দৈৱ দুৰ্বিপাকত এটি সামান্য কথাৰ মাজেৰে তাৰ পূৰ্ব পৰিচয় প্ৰকাশিত হ'ল।

মাজুলিৰ গোন্ধাই গোৱালৰ লৰা ভোকোন্দিয়ে এণ্ট্ৰেচ পৰীক্ষা পাচ কৰি কলিকতাৰ কলেজত পঢ়িলেগৈ। সি আগৰ নাম ভাল নোপোৱা হ'ল আৰু তাৰ নাম সলনি কৰি ভোকেন্দ্ৰ বৰুৱা ৰাখিলে। সি তাৰ মাক, বাপেক ভনীয়েকৰো নাম সলনি কৰিব খুজিলে।

ইয়াৰ পিচত ভোকেন্দ্ৰ বৰুৱাৰ জীৱনৰ পৰিবৰ্ত্তন ঘটিল। তেওঁ কবিতা লিখাত মনোযোগ দিলে আৰু



ৰবি হবলৈ বাঞ্ছা কৰিলে। ভোকেন্দ্ৰ বৰুৱাই সিদ্ধান্ত কৰিলে যে তেওঁ চাকৰি, ব্যৱসায় একোকে নকৰে কিয়নো সেই সকলোবোৰ সন্মান হানিকৰ।

ভোকেন্দ্ৰ বৰুৱাই পঢ়া শুনা বিসৰ্জ্জন দি ঘৰলৈ ঘূৰি আহিল। কিন্তু মাকে ভাবিলে লৰা হাকিম হৈ ঘৰলৈ আহিছে। সি আনকি মাকৰ লগতো ইংৰাজীত কথা বতৰা পাতিবলৈ আৰম্ভ কৰিলে।

মৌজাদাৰ সোমনচন্দ্ৰ বৰুৱাই ভোকেন্দ্ৰ বৰুৱালৈ নিজৰ জীয়েকক বিয়া দিয়াৰ প্ৰস্তাৱ কৰিলে আৰু ৫০০ টকা পালে ভোকেন্দ্ৰ বৰুৱাই বিয়া কৰাবলৈ সন্মত হ'ল। বিয়াৰ পিচত ভোকেন্দ্ৰ বৰুৱাৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। মহাজনে টকাৰ কাৰণে তেওঁৰ ওপৰত মকৰ্দ্দমা কৰিলে। উপায় নেপাই তেওঁ চোৰাং চোৰাগিৰি কৰি ধন ঘটিবলৈ ধৰিলে। তাতো তেওঁৰ অৱস্থা লাহে লাহে শোচনীয় হৈ পৰিল। গতিকে সেই ব্যৱসায় এৰি তেওঁ দেশ সেৱক হবলৈ মনস্থ কৰিলে আৰু এই উদ্দেশ্যে মৰাণ সভাপাতি ভালেমান টকা পইচা সংগ্ৰহ কৰিলে আৰু মৰাণ সকলৰ উন্নতিৰ ব্যৱস্থা কৰিবলৈ মনস্থ কৰিলে। পিছে ব্যক্তিগত লাহ বিলাহত সকলো টকা খৰচ হোৱাত মৰাণ সভাৰো মৃত্যু ঘটিল।

এৰাবাৰীত ভোগদত্ত নামৰ এজন মানুহে কেনেকৈ বিধৱা এজনীৰ সতীত্ব হৰণ কৰিছে তাৰে বৰ্ণনা সংযোগ কৰা হৈছে। প্ৰাকৃতিক বস্তুৰ মাজেৰে কাহিনী ভাগ ভাঙি ধৰা হৈছে।

ঘণ্টাকৰ্ণ শৰ্ম্মা গল্পত বাগিচাৰ মহৰি ঘণ্টাকৰ্ণ শৰ্ম্মাৰ বিষয়ে কোৱা হৈছে। টকা খোৱা অপৰাধত তেওঁৰ চাকৰি গ'ল। উপায় নেপাই তেওঁ কলিকতালৈ গৈ ছাত্ৰৰ মেছত জিৰণি ললে। পিছত ভাং-কানি খোৱাৰ অসুবিধা পাই সেই ঠাই এৰি যজ্ঞৰামৰে সৈতে হিন্দু হোটেলত থাকিবলৈ ললে। তাত থাকোতে সকলো টকা কড়ি শেষ হ'ল। অসমৰ ছাত্ৰে পইচা তুলি তেওঁক পুনৰ অসমলৈ পঠাই দিলে। কলিকতা সম্পৰ্কে ঘণ্টাকৰ্ণৰ অভিমত "কলিকতাখন বৰ ঠগৰ মলুক।"

ধৰ্ম্মধ্বজ ফয়চলা নবিছে তেওঁৰ পুখুৰীত পানী সোৱাৰ কাৰণে জয়চন্দ্ৰ ভূঞাৰ পুতেকক তিৰস্কাৰ কৰিলে। জয়চন্দ্ৰক এসময়ত মানে ধৰি নিছিল। জয়চন্দ্ৰ ভূঞাই এই কথাত বেজাৰ পাই ইচলাম ধৰ্ম্ম গ্ৰহণ কৰিলে আৰু তাৰ কাৰণে ফয়চলা নবিচে মনত শান্তি পালে।

জোনবিৰিত সন্নিবিষ্ট গল্পবোৰৰ মাজেৰে কেতবোৰ বিশেষ লক্ষণ ফুটি উঠিছে। এনেবোৰ লক্ষণে বেজবৰুৱাৰ গল্পৰ আকৰ্ষণ বৃদ্ধিত সহায়তা কৰিছে। আকস্মিকতা বেজবৰুৱাৰ গল্পৰ এটি ঘাই আকৰ্ষণ। যেনে চোৰ তেনে টাঙোন গল্পটিৰ আৰম্ভণি আৰু সামৰণী আকস্মিকতা পূৰ্ণ। কোনো কোনো গল্পত আকৌ ৰসৰাজে ব্যক্তিমুখী প্ৰবন্ধৰ ঠাচ আৰু সাধুকথাৰ ভঙ্গিমায়ো প্ৰয়োগ কৰিছে। এয়ে তেওঁৰ গল্পৰ অভিনৱ প্ৰকাশ কৰিছে। যেনে চোৰ তেনে টাঙোনৰ আৰম্ভণিত কোৱা হৈছে "কটীয়া মোমাই চৰকাৰী মোমাই" আৰু সামৰণিত উল্লেখ কৰিছে "তইঁতৰ কটীয়া মোমায়েৰৰ গাৰ কানি কাপোৰ সোপাই কলা হ'ল দেখি তেওঁ টুক টুককৰে নগৰলৈ গুচি আহিল।" হাস্যৰস সাহিত্য ৰথীৰ সাহিত্যৰ অন্যতম বৈশিষ্ট্য। এই বৈশিষ্ট্য গল্প সাহিত্যতো অব্যাহত ৰখা হৈছে। আখ্যানৰ উপস্থাপন, চৰিত্ৰৰ বিশ্লেষণ, কথোপকথনৰ ভঙ্গিমা আৰু সামাজিক বিদ্ৰূপ বাণেৰে এই হাস্যৰস তেওঁ বিভিন্ন গল্পত অৱতাৰণা কৰিছে। নাওলু চন্দ্ৰৰ কবিতা লিখাৰ আগ্ৰহ, জগৰা মণ্ডলৰ প্ৰেমাভিনয় আৰু ভোমকেৰোলাৰ বিবাহ সম্পৰ্কীয় ঘটনা চক্ৰই সহানুভূতিশীল পাঠকৰ অন্তৰত হাঁহিৰ উদ্ৰেক নকৰাকৈ নেথাকে। বেজবৰুৱাৰ কেতবোৰ গল্পৰ গাঠনি সুসংবদ্ধ যদিও আন কেতবোৰত এই গুণৰ অভাৱ দেখা যায়। কনক লতা আৰু যেনে চোৰ তেনে টাঙোনৰ গাঠনি কিছু পৰিমাণে সুসংবদ্ধ হলেও আমাৰ সংসাৰত সেই গুণৰ অভাৱ। স্পষ্ট চৰিত্ৰৰ পূৰ্ণ বিকাশ দেখুৱাবলৈ ৰসৰাজে বিশেষ তৎপৰতা গ্ৰহণ কৰা নাই। আমাৰ সংসাৰ গল্পটি নাটকীয় ঠাচত যুগুত কৰা হৈছে। বিভিন্ন দৃশ্যৰ মাজেৰে আখ্যান ভাগ আগ বঢ়াই নিবলৈ যত্ন কৰিছে। তথাপিতো সেই গল্পত স্পষ্ট চৰিত্ৰ বিকশিত হৈ নুঠিল। কথোপকথনৰ বহুলতাই গল্পটিক আচ্ছন্ন কৰি ৰাখিছে। প্ৰকৃত বিচাৰত গল্পটি গল্পৰ পৰ্য্যায়লৈ নুঠিল। ইতি-

হাসৰ ঘটনাচক্ৰ আৰু চৰিত্ৰকো কেতিয়াবা কেতিয়াবা বেজবৰুৱাই গল্পৰ ভিতৰলৈ আনিছে। কনকলতা আৰু মৈদাম গল্পত ইতিহাস আৰু পুৰাতত্ত্বৰ সফল সংযোগ কৰা হৈছে। মৈদাম গল্পত অসমৰ ঐতিহাসিক কথাক অতিৰঞ্জিত কৰা হৈছে।

এইখিনিতে উল্লেখ কৰাটো উচিত হব যে বেজবৰুৱাই তেওঁৰ কাহিনীসমূহ ব্যক্তি আৰু সমাজৰ ভুল প্ৰমাদ, ত্ৰুতি-বিচ্যুতি, ধৰ্ম্মান্ধতা, নীচতা-হীনতা প্ৰকাশৰ মাধ্যম হিচাপে প্ৰধানকৈ ব্যৱহাৰ কৰিছে। তেওঁ ৰীতিমত গল্প লিখাৰ ওপৰত গুৰুত্ব দিয়া নাছিল। তেওঁৰ সৃষ্ট চৰিত্ৰসমূহ ঘাইকৈ 'টাইপ চৰিত্ৰ।' সিবোৰ সমাজৰ বিশেষ একোটা ত্ৰুতিৰ প্ৰতীক। তেওঁৰ কাহিনীৰ সংগঠন দুৰ্ব্বল। সংলাপনৰ বহুলতা বেছি। মানসিক পৰিবেশ অনুজ্জ্বল। ইয়াৰ বিকৰণতে সামাজিক পৰিবেশ চমৎকাৰিত্বপূৰ্ণ। সতিকে যিসকলে ৰীতিমত গল্প পঢ়ি ৰস পাই তেওঁলোকে বেজবৰুৱাৰ গল্পৰ ওচৰ নচপাই ভাল। কিন্তু যি সকলে বৃটিছ ৰাজত্ব কালৰ অসমৰ সামাজিক ইতিহাস জানিব খোজে তেওঁলোকে বেজবৰুৱাৰ গল্প নপঢ়িলে নচলিব। কিয়নো বেজবৰুৱাৰ গল্পবোৰ সমসাময়িক সমাজ জীৱনৰ বুৰঞ্জী। তাত সমাজৰ সকলো স্তৰৰ লোককে লগ পোৱা যায়।

ধৰ্ম্মৰ নামত ব্যক্তি বিশেষৰ ওপৰত যি সামাজিক নিপীড়ণ হৈছিল তাৰ আভাস কাশীবাসী গল্পত আছে। মানৰ হাতত পৰাৰ কাৰণে এজনী বুঢ়ী সমাজচ্যুত হৈছিল আৰু বুঢ়ীয়ে সত্যান্তৰ নেপাই কাশীত বসতি কৰিছিল। গল্পটিত বুঢ়ীৰ মনৰ বেদনা নিৰুপম ভাৱে চিত্ৰিত হৈছে। গোঁসাই গোৱালৰ লৰা ভোকোন্দিয়ে প্ৰবেশিকা পাচ কৰি কলেজত পঢ়িলে আৰু আগৰ নাম সলাই ভোকেন্দ্ৰ বৰুৱা ৰাখিলে। ইয়াৰ মাজেৰে আত্ম-বিস্মৃত ভোকোন্দিৰ নীচাত্মিকা ভাৱ প্ৰকাশিত হৈছে। যেনে চোৰ তেনে টাঙোনত বন্দাইয়ে তাৰ ঘৈণীয়েকৰ ওপৰত অকথ্য ভাৱে অত্যাচাৰ কৰাত ওচৰ-চুবুৰীয়াই তাক বলিয়া জ্ঞান কৰি আন্ধাৰ খোটালিত বান্ধি ৰাখিলে। ইয়াৰ যোগেদি পুৰুষৰ হাতত নাৰী-নিৰ্য্যাতনৰ চিত্ৰ ফুটি উঠিছে। আনহাতে অশিক্ষিত ভাৰ্য্যাৰ লোভনীয় স্বভাৱ আমাৰ সংসাৰ গল্পৰ ভৱানি চৰিত্ৰৰ মাজেৰে বিকশিত হৈছে। জগৰা মণ্ডলে উপন্যাসত প্ৰেমৰ বৰ্ণনা শুনি তাৰ অশিক্ষিত আৰু আদহীয়া ঘৈণীয়েকৰ লগতো প্ৰেম-পীৰিতিৰ কৃত্ৰিম লীলা-খেলা আৰম্ভ কৰি লঘু লাঞ্ছনা পাব লগীয়াত পৰিছে। জগৰা মণ্ডল বাস্তৱ জ্ঞান শূণ্য আৰু আদ্যজনৰ প্ৰতিভূ।

কৱিতা লিখিবলৈ হাবাথুৰি খোৱা অকবি সকলক নাঙলুচন্দ্ৰ দাসৰ যোগেদি ভ্ৰূকুতি কৰা হৈছে। আত্ম-পৰিচয় দিবলৈ লাজ কৰা আৰু নিজৰ স্বভাৱ ঢাকি ৰাখিবলৈ যত্ন কৰা লোকক ভোমকেৰোনাক ভিত্তি কৰি তাচ্ছিল্য কৰা হৈছে। এবাবাৰীৰ ভোগদত্তৰ মাজেৰে বিধবাৰ সতীত্ব নষ্ট কৰা আৰু লম্পট লোকৰ চৰিত্ৰ ফুটি উঠিছে। ঘণ্টাকৰ্ণ শৰ্ম্মা কানি, ভাঙৰ একান্ত সেৱক আৰু পৰৰ ধন আত্মসাৎ কৰাত এক নম্বৰ ওস্তাদ। অথচ তেওঁ নিজে কয় "কলিকতাখন নৰ ঠগৰ মলুক।" ঘণ্টাকৰ্ণৰ মাজেৰে সমাজৰ এচামলোকৰ চৰিত্ৰ প্ৰকাশ পাইছে। ধৰ্ম্মধ্বজ ফয়চলা নবিছ ধৰ্ম্মৰ নামত গোড়া। তেওঁৰ পুখুৰীত পানী খোৱাৰ কাৰণে তেওঁ জয়চন্দ্ৰ ভূঞাৰ পুতেকক তিৰস্কাৰ কৰিছিল। এই কথাত বেজাৰ পাই জয়চন্দ্ৰই যেতিয়া ইচলাম ধৰ্ম্ম গ্ৰহণ কৰিলে তেতিয়াহে ধৰ্ম্মধ্বজৰ ধৰ্ম্ম পৰাস সগণ মণ্ডলত উৰিব ধৰিলে। ধৰ্ম্মধ্বজে মানুহ এৰিব পাৰে, ধৰ্ম্ম এৰিব নোৱাৰে। তেওঁৰ চৰিত্ৰৰ মাজেৰে ধৰ্ম্মৰ নামত অধৰ্ম্ম আচৰণ কৰা লোকৰ ভণ্ডামি প্ৰকাশ পাইছে। এনেভাৱে বেজবৰুৱাৰ গল্পৰ বিভিন্ন চৰিত্ৰৰ মাজেৰে আমাৰ সমাজৰ একোটি দিশ ফুটি উঠিছে। তেওঁৰ গল্পবোৰ সেই সময়ৰ অসমীয়া সমাজৰ নিখুট চিত্ৰ। সমাজৰ চিত্ৰ হিচাপে এই গল্প বোৰৰ যে বিশেষ মূল্য আছে সেই কথা স্বীকাৰ নকৰিলে বেজবৰুৱাৰ সৃষ্টি প্ৰতিভাৰ প্ৰতি ন্যায় বিচাৰ কৰা নহ'ব। সতিকে যিসকল লোকে বেজবৰুৱাৰ গল্পবোৰ ৰীতিমত গল্পৰ পৰ্য্যায়লৈ নুঠাৰ কাৰণে আক্ষেপ কৰে, তেওঁলোকে বেজবৰুৱাৰ গল্পবোৰৰ এই বিশেষ গুণটোৰ প্ৰতি লক্ষ্য ৰখাটো যুগুত। অৱশ্যে এইযাৰ কথা সচাঁ যে সাহিত্য কেতিয়াও প্ৰচাৰমুখী হব নেলাগে। প্ৰচাৰমুখী সাহিত্য নিকৃষ্ট সাহিত্য। প্ৰচাৰমুখী নহলেও সমাজক বাদ দি সাহিত্য বৰ্ত্তিব নোৱাৰে। সমাজৰ লগত সম্পৰ্ক নথকা সাহিত্য অচল টকা। অচল টকা বেপাৰীয়ে নলয়, অচল সাহিত্যও মানুহে নপঢ়ে। সমাজৰ লগত সংযোগ বিচ্ছিন্ন নোহোৱাৰ কাৰণে আজিও বেজবৰুৱাৰ সাহিত্য মানুহে পঢ়ে, সমাদৰ কৰে।

---

# বেজবৰুৱাৰ জীৱনী-পঞ্জী

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

| চন | কথা |
|---|---|
| ১৮৬৮ (১৮৬৪)? | জন্ম, ব্ৰহ্মপুত্ৰৰ দাঁতিৰ আহত গুৰিত, নাৱত জন্ম। পিতৃ দীননাথ, মাতৃ থানেশ্বৰী |
| ১৮৭২ | বিদ্যাৰম্ভ, উত্তৰ লক্ষীমপুৰ |
| ১৮৭৩ | বঙলা স্কুলৰ তৃতীয় শ্ৰেণীত ভৰ্ত্তি (শিৱসাগৰ) |
| ১৮৭৪ | শিৱসাগৰ ইংৰাজী স্কুলৰ তৃতীয় শ্ৰেণীত |
| ১৮৮৬ | উক্ত স্কুলৰ পৰা দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ |
| ১৮৮৮ | চিটি কলেজৰ পৰা এফ-এ পৰীক্ষাত উত্তীৰ্ণ |
| ১৮৮৯ | জোনাকীত 'লিতিকাই' প্ৰহসন ছোৱা ছোৱাকৈ প্ৰকাশ |
| ১৮৯০ | মেট্ৰোপলিটান কলেজৰ পৰা বি-এ পৰীক্ষাত উত্তীৰ্ণ |
| ১৮৯১ | ঠাকুৰ পৰিয়ালৰ প্ৰজ্ঞাসুন্দৰী দেৱীক বিবাহ (১১মাৰ্চ) |
| ১৮৯৫ | অ-ভা-উ-সা সভাত "অসমীয়া ভাষা"ৰ প্ৰথম বক্তৃতা (৫ জানুৱাৰী) পিতৃ দীনানথৰ পৰলোক (২৭ মে) ভোলানাথ বৰুৱাৰ সৈতে যুটীয়া কাঠৰ ব্যৱসায়, প্ৰথম সন্তান সুৰভিৰ জন্ম (২৬ জুন) |
| ১৮৯৯ | কলিকতাত দোকান ('মিছেলেনিয়াছ ষ্টোৰ', ২২ ফেব্ৰুৱাৰী) |
| ১৯০০ | অৰুণাৰ জন্ম (১৭ নবেম্বৰ) সুৰভিৰ মৃত্যু (৪ ডিচেম্বৰ) |
| ১৯০১ | 'লিতিকাই' নাটক প্ৰকাশ |
| ১৯০৩ | 'কামত কৃতিত্ব লভিবৰ সঙ্কেত' পুথি প্ৰকাশ ৰত্নাৱলীৰ জন্ম (১৬ নবেম্বৰ) |
| ১৯০৪ | ভোলানাথ বৰুৱাৰ স্লিপাৰ ব্যৱসায়ৰ সৈতে সম্বন্ধ ছেদ 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' প্ৰকাশ |
| ১৯০৫ | 'পদুম কুঁৱৰী' পুথিৰ আকাৰে প্ৰকাশ |
| ১৯০৮ | হাওড়াৰ অনাৰেৰী মেজিষ্ট্ৰেট ; দীপিকাৰ জন্ম (৪ নবেম্বৰ) |
| ১৯০৯ | 'বাঁহী' প্ৰকাশ; 'সুৰভি', 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন চৰিত্ৰ' আৰু 'কৃপাবৰ বৰুৱাৰ ওভতনি' প্ৰকাশ |
| ১৯১০ | 'জুনুকা' আৰু 'ভাৰতবৰ্ষৰ বুৰঞ্জী' (অনুবাদ) প্ৰকাশ |
| ১৯১১ | ভোলা বৰুৱাৰ সৈতে যুটীয়া কাৰবাৰ সম্পূৰ্ণ সংশ্ৰৱ ত্যাগ ; 'শঙ্কৰদেৱ' (৫ আগষ্ট) আৰু 'বুঢ়ী আইৰ সাধু' প্ৰকাশ |
| ১৯১২ | নিজাকৈ কাঠৰ ব্যৱসায় আৰম্ভ ; জয়ন্তী তেলৰ ব্যৱসায় |

| চন | কথা |
|---|---|
| ১৯১৩ | 'জোনবিৰি' ( ফেব্ৰুৱাৰী ), 'ককাদেউতা আৰু নাতি-ল'ৰা (এপ্ৰিল), 'কদম-কলি' ( নবেম্বৰ ), 'নোমল', 'পাচনি,' 'চিকৰপতি নিকৰপতি' (ডিচেম্বৰ) প্ৰকাশ |
| ১৯১৪ | 'সাধু কথাৰ কুকি'' আৰু 'শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱ দেৱ' পুথি প্ৰকাশ |
| ১৯১৫ | 'বাখৰ' (ফেব্ৰুৱাৰী), 'চক্ৰধ্বজসিংহ' ( জুন ), 'বেলিমাৰ', 'জয়মতী কুঁৱৰী' আৰু 'শ্ৰীভাগৱত-কথা''( অনুবাদ ) প্ৰকাশ |
| ১৯১৬ | ব্যৱসায়ৰ নিম্নগতি। বাৰ্ড কোম্পানীৰ চাকৰি গ্ৰহণ (চেপ্তেম্বৰ) অসম ছাত্ৰ সন্মিলনৰ সভাপতি (২৫ ডিচেম্বৰ, গুৱাহাটী ) |
| ১৯১৭ | বাৰ্ড কোম্পানীৰ ফৰেষ্ট—মেনেজাৰৰূপে সম্বলপুৰত কাৰ্য্য-পৰিচালনা |
| ১৯২০ | শ্ৰীমতী অৰুণাৰ ৰাজাবন্ধু সত্যব্ৰত মুখাৰ্জ্জীৰ সৈতে বিবাহ (১৭ নবেম্বৰ) |
| ১৯২৪ | অসম সাহিত্য সভাৰ সপ্তম অধিবেশনৰ সভাপতি (ডিচেম্বৰ ২৭, ২৮ গুৱাহাটী) |
| ১৯২৮ | বাৰ্ড কোম্পানীৰ চাকৰি ত্যাগ ( ১ মাৰ্চ্চ ); সম্বলপুৰত নিজাকৈ কাঠৰ কাৰবাৰ আৰম্ভ— শ্ৰীমতী ৰত্নাৱলীৰ ৰোহিনীকুমাৰ বৰুৱাৰ সৈতে বিবাহ (২২ নবেম্বৰ) |
| ১৯৩০ | সপৰিবাৰে অসম ভ্ৰমণ (চেপ্তেম্বৰ, অক্টোবৰ) বেজবৰুৱা সমিতিৰ অধিবেশনত (কলিকতা, ৩১ অক্টোবৰ) |
| ১৯৩১ | বেজবৰুৱা সমিতিৰ অধিবেশনত ( কলিকতা, ৭ মাৰ্চ ) অসম সাহিত্য সভাৰ বিশেষ অধিবেশনত অভিনন্দন (শিৱসাগৰ ; ২৯ ডিচেম্বৰ) |
| ১৯৩২ | দীপিকাৰ খৃষ্টান ধৰ্ম্ম গ্ৰহণ (অক্টোবৰ) |
| ১৯৩৩ | বৰোদাত প্ৰথম বক্তৃতা (৭ ডিচেম্বৰ) বৰোদাত দ্বিতীয় বক্তৃতা (২৬ ডিচেম্বৰ) |
| ১৯৩৪ | আহ্মদাবাদত ৰাজভৰা সভাত বক্তৃতা (১০ জানুৱাৰী) বৰোদা বক্তৃতা—'হিষ্টৰি অৱ্ বৈষ্ণৱইজম্ ইন্ ইণ্ডিয়া এণ্ড ৰাসলীলা অৱ্ শ্ৰীকৃষ্ণ' পুথি প্ৰকাশ |
| ১৯৩৭ | বেজবৰুৱাৰ সম্বলপুৰত অসুখ আৰম্ভ (জুন), চিকিৎসা আৰু জীৱনিৰ কাৰণে ডিব্ৰুগড় অভিমুখে যাত্ৰা (১৮ আগষ্ট); ডিব্ৰুগড়ৰ অসমীয়া নাট্য মন্দিৰত বেজবৰুৱাৰ শেষ বক্তৃতা (১৯ ডিচেম্বৰ) |
| ১৯৩৮ | শনিবাৰে পুৱা ব্ৰহ্মমুহূৰ্ত্তত দেহাৱসান (২৬ মাৰ্চ্চ)। |

---

# গ্ৰন্থ-পৰিচয়

## আৰণ্যক : শ্ৰীপৰেশমল্ল বৰুৱা

**শক্তি ভট্টাচাৰ্য্য**

যুদ্ধ-পৰৱৰ্ত্তী অসমীয়া কবিতাৰ ইতিহাস চমকপ্ৰদ নহলেও কবিতাৰ জৰিয়তে ভাষাৰ আবিষ্কাৰ মানসিক দিগন্তৰ বিস্তৃতি সাধন, আনন্দ আৰু প্ৰেৰণা দান-আদি দায়িত্ব পালনত ভালেকেইজন কবিয়েই স্বকীয় প্ৰতিভাৰ চিনাকি দিব পাৰিছে। 'ৰামধেনু' যুগতে সাম্প্ৰতিক অসমীয়া কবিতাৰ প্ৰকৃতি আৰু পৰিধিয়ে ৰূপ লয়; 'ৰামধেনু' যুগৰ শেষাৰ্দ্ধত যিসকল তৰুণ কবিয়ে কাব্য চৰ্চ্চা কৰিবলৈ লৈছিল, তাৰ ভিতৰত পৰেশমল্ল বৰুৱাও এজন। আলোচ্য পুথি তেওঁৰ দ্বিতীয় অৱিহণা।

কাব্যৰ ইতিহাস যিসকলে জানে, তেওঁবিলাকে আধুনিক জীৱনৰ গভীৰ উপলব্ধি আৰু আঙ্গিকৰ ধাৰাবাহিক চৰ্চ্চা নেথাকিলে যে আধুনিক কবিতাত সিদ্ধি সহজ নহয় সেইকথা ভালকৈ বুজে। কবিতাৰ ইতিহাস টেকনিকৰ ইতিহাস, ভাষাৰ কাৰিকৰীৰ ইতিহাস, কাৰণ কবিতা শব্দৰ কলাহে। শব্দৰ সমাবেশত কবিতা উপলব্ধিৰ প্ৰতীক হৈ দেখা দিয়ে। তাক আমি প্ৰতীক, মানস-চিত্ৰ, উপমা যি নামেৰেই অভিহিত নকৰোঁ, সৰ্বাচলতে বহল অৰ্থত, সেইবোৰ উপমাই। আধুনিক কবিতাৰ উপমাই উপমেয়ৰ শ্ৰীবৃদ্ধিতেই সহায় কৰি ক্ষান্ত নেথাকে, সি কবি-আত্মাৰ প্ৰতিভূ হৈ পৰে। এই দৃষ্টিৰ পৰা চালে আলোচ্য পুথিৰ ভালেমান কবিতাই আমাক নিৰাশ কৰিব পাৰে, কিন্তু এজন কবিৰ সকলো কবিতাই যে সাৰ্থক হব, তেনে কথাও কব নোৱাৰি। কবিতাৰ সামগ্ৰিক বেদনেহে আমাক বেচিকৈ মুগ্ধ কৰিব পাৰে; এইফালৰ পৰা আলোচ্য পুথিৰ 'কেৱল এটা শব্দ' এটা আকৰ্ষণীয় কবিতা; কবিতাটোত প্ৰসঙ্গ আৰু প্ৰকৰণৰ সাযুজ্য হৈছে বুলি মই ভাবোঁ; শব্দৰ মাজত কবি অহৰহ বুৰ গৈ থাকে, তাৰ গভীৰতাত ভৰ দি আওৱাই আছে, 'শব্দ' ধ্বনি হৈ নামে, সাংগীতিক উকি হৈ বিয়পি পৰে, জীৱনবাহী সুৰংগৰ ভিতৰত কবিয়ে শুনে সেই শব্দ—এইবোৰ ভাবানুষঙ্গৰ দ্বাৰা শব্দই যে কবিৰ জীৱন, এই শব্দই যে কবিৰ কবিতা তাক ব্যঞ্জিত কৰা হৈছে। এই শব্দই কবিক কেতিয়াবা দিয়ে উন্মাদনা, কেতিয়াবা স্থৈৰ্য্য। প্ৰকাশ—ৰূপৰ চাতুৰ্য্যৰ বাবে পৰেশমল্লৰ এই কবিতাটোৱে ৰসজ্ঞ পাঠকক আমোদ দিব। এনে আবেদন অৱশ্যে সকলো কবিতাতে নাই।

আধুনিক জীৱনৰ দ্বিধান্বিত আৰু সংশয়-কাতৰ কণ্ঠ পৰেশমল্লৰ কবিতাত সম্পূৰ্ণ ভাৱে উচ্চাৰিত হোৱা নাই, কবিৰ বিশেষ বক্তব্য কিবা আছে বুলিও কোৱা টান। ভাবৰ বৈচিত্ৰ্যই তেওঁৰ কবিতাৰ লক্ষণ; বিজ্ঞানৰ ধ্বংসমূৰ্ত্তি, আধুনিক মানুহৰ মনত সাৰ পাই উঠা আদিম বৰ্ব্বৰতা, নিঃসঙ্গ মনৰ ভয়াৰ্ত্ত আকাশ আৰু ''পতনমুখী বিমানৰ পাইলটৰ দৰে' বিকল মন'', যৌন-চেতনা, নগৰ-চেতনা, প্ৰেম-আদি বিভিন্ন ভাব-ধাৰণাৰে তেওঁৰ কবিতা বৈচিত্ৰ্যময়। 'শগুণ' তেওঁৰ কবিতাত আজিৰ ধ্বংসোন্মুখী বিজ্ঞানৰ প্ৰতিভূ; মানুহ আৰু পশু-পক্ষীৰ মৃত্যু বিচৰা বিজ্ঞানৰো এদিন মৰণ হব—এই ভাবৰ ব্যঞ্জনাৰে কবিতাটোৰ সামৰণি মৰা হৈছে:

''অসংখ্য মৃত্যুৰ মাজত এক অচিন মৃত্যুৱে
সংগোপনে বিচাৰিছে মোৰো যে মৃত্যু !''

'আৰণ্যক' নামৰ কবিতাত মানুহৰ ''শিৰে শিৰে প্ৰবাহিত অৰণ্য-কামনাৰ' ইঙ্গিত আছে। ''এটা প্ৰাগৈতিহাসিক প্ৰাণী''তো সম্ভৱতঃ আধুনিক মানুহৰ বৰ্ব্বৰতাৰ দ্যোতনা আছে। কবিৰ বাবে নিঃসঙ্গতাৰ অৰ্থ 'নাচি-চাওঁ বাগ'—ইয়াৰ দ্বাৰা কবিৰ আত্মৰতি আৰু শঙ্কাতুৰ মনৰ কথা ব্যঞ্জিত হৈছে। মানুহৰ আদিম জান্তৱ প্ৰকৃতি সম্বন্ধে কবিৰ চেতনা বিধৃত হৈছে 'এখন দলঙ' নামৰ

কবিতাত। 'বনৰীয়া ৰাজহাঁহজাকৰ বন্য উন্মাদনা কবিৰ মনৰ কামনাৰ প্ৰতিভূ; জীৱনৰ চকাৰ শব্দত অহৰহ ধ্বনিত হৈছে এই কামনা; 'বস্তি চেল্লি: ভোনাচৰ জন্ম' কবিতা বস্তিচল্লিৰ চিত্ৰত ফুটি উঠা নাৰীৰ নিৰাভৰণ যৌৱন আৰু সৃষ্টি স্পৃহাৰ ধাৰণাত বিমুগ্ধ কবিৰ অনুভূতিৰ স্থূল বৰ্ণনা মাথোন। 'নদী', 'গুহা' আদি কবিতাত যৌন-চেতনা, স্বপ্নধ্বজ, 'ইনিঙ্গী' আদি কবিতাত প্ৰেমক ইন্দ্ৰিয় গ্ৰাহ্য স্তৰলৈ অনাৰ সংকেত আছে। নগৰৰ পলাতক মন'ৰ অন্ধকাৰ দিশৰ ছবি আছে সন্ধ্যাৰ মডেল', পানবজাৰ' আদি কবিতাত; 'বুৰঞ্জী' কবিতাত সভ্যতাৰ উত্থান-পতনৰ কথা কোৱা হৈছে আৰু নঙঠা ফকীৰৰ (সম্ভৱতঃ গান্ধীৰ) শান্তিৰ বাণীৰে আজিৰ পৰিৱেশ ধন্য হ'ব বুলি কবিয়ে আশা কৰিছে।

পৰেশমল্লৰ কবিতাত একক গভীৰ উপলব্ধি নহ'লেও ভাৱৰ বৈচিত্ৰ্য আছে; কিন্তু সৰহভাগ কবিতাতে শব্দাড়ম্বৰ পৰম্পৰ, অসংবদ্ধ উপমা—প্ৰতীকৰ, ব্যৱহাৰ কৰ্ত্তা-ক্ৰিয়াৰ বিসঙ্গতি, অযথা বিস্তাৰ, বিৱৰণ মূলক ভাষাত আধিক্য দীঘলীয়া গদ্য-গন্ধী বাক্য আদি দোষৰ বাবে আঙ্গিকৰ দিশ শিথিল হৈ পৰিছে আৰু প্ৰসঙ্গৰ বৈচিত্ৰ্য থকা সত্বেও কবিতাবোৰৰ সামগ্ৰিক আবেদন নিষ্প্ৰভ হৈছে। তলৰ কেইটামান স্তৱক চাওক :—

"একাপ সুগন্ধী চাহৰ আমেজৰ সুৰভিত
অফিচ্-ভাগৰুৱা মন পলাতক হৈ
মণিধামৰ পাচে পাচে বজাৰলৈ যায়"

"সময়ক প্ৰেপ্তাৰ কৰি এদল পুলিচ গুচি যায়"
কোনো এক নঙঠা দস্যুৱে মাঘৰ পথাৰৰ শুকান নৰানিত
জুই জ্বলাই দি আনৱিক শক্তিৰে সিচিছিল বস্তবাদৰ-বাসনা এনেবোৰ স্তৱকৰ ভাষা কবিতা-কবিতা যেন নেলাগে। অনুভূতি আৰু কল্পনা কলাৰ হৃদয়ৰ শোধনাগাৰত পৰিশোধিত অভিজ্ঞতা যেতিয়া বাছকবনীয়া শব্দৰ মাজত বিধৃত হয় তেতিয়াহে কবিতা কবিতাৰ শাৰীলৈ উঠে। সেইবাবে আলোচ্য পুথিৰ কমসংখ্যক কবিতাহে সফল হৈছে। 'আৰণ্যক' কবিৰ কাব্য প্ৰয়াসৰ প্ৰথম চাপ বুলিহে ধৰিছোঁ, সচেতন ভাৱে শব্দৰ সাধনা কৰিলে পৰেশমল্লৰ কবিতা এদিন আধুনিক জীৱনৰ সাৰ্থক ভাষা হৈ উঠিব বুলি আশা কৰিব পাৰোঁ।

প্ৰাপ্তি স্বীকাৰ :

(১) বাগমতী দেখিছোঁ : শ্ৰীযতীন গোস্বামী
(২) অঙ্কুৰ : এলি আহমদ, লুতফুৰ ৰহমান, প্ৰতাপ শৰ্ম্মা
(৩) শাৰদ বংশী : শ্ৰীসুবোধ শৰ্ম্মা
(৪) মালিকা : শ্ৰীঅনন্ত দেৱ শৰ্ম্মা
(৫) এইখন ডিমৰীয়া : ডিমৰীয়া সাহিত্য সভা
(৬) ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা স্মৃতি গ্ৰন্থ : অভয়াপুৰী আঞ্চলিক বেজবৰুৱা স্মৃতি শতবাৰ্ষিকী উদ্‌যাপন সমিতি
(৭) প্ৰৱাহ: শ্ৰীপলাশ বৰুৱা



# প্ৰধান সম্পাদকৰ প্ৰতিবেদন

শ্ৰীহৰিপ্ৰসাদ নেওগ

জয়ে জয়ে অসম সাহিত্য সভাৰ ৩৫ তম সন্মিলন উপলক্ষে পুৰাণ প্ৰসিদ্ধ এই তেজপুৰ চহৰত 'চিৰচেনেহী মোৰ ভাষা জননী, এই পবিত্ৰ পতাকাৰ তলত সমবেত হোৱা সদৌ ৰাইজলৈ আৰু প্ৰতিনিধিবৰ্গলৈ সাদৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। ১৯৬৭ এই বছৰটো পাৰ হৈ যোৱাৰ লগে লগে অসম সাহিত্য সভাৰো পঞ্চাশ বছৰ সম্পূৰ্ণ হৈছে। সভাৰ সোণালী জয়ন্তী বছৰটোৰ এই সন্মিলন খনি তেজপুৰ বাসীয়ে অনুষ্ঠিত কৰাৰ গৌৰৱ অৰ্জ্জন কৰিব পাৰিছে। সেই বাবে সদৌ তেজপুৰ বাসী ৰাইজক অসম সাহিত্য সভাৰ হৈ অভিনন্দন জনাইছোঁ।

আমাৰ প্ৰতিবেদন আৰম্ভ কৰাৰ পূৰ্ব্বেই আমি শোকাশ্ৰুৰে তৰ্পন জনাইছো—সভাপতি শ্ৰীনকুলচন্দ্ৰ ভূঞা ডাঙৰীয়াৰ বিদেহ আত্মাৰ উদ্দেশ্যে। আজিৰ পৰা মাত্ৰ দহ দিনৰ আগতে সভাপতি ডাঙৰীয়াই চিৰদিনৰ বাবে বিদায় লৈছে। আজীৱন অসমীয়া ভাষা সাহিত্যৰ পূজাৰী সদালাপী পুৰুষ ভূঞা ডাঙৰীয়া, যি জনে অসম সাহিত্য সভাক মনে প্ৰাণে ভাল পাইছিল, যি জন কেন্দ্ৰীয় কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদৰ প্ৰতিটো বালিকণাৰ লগত নিবিড় ভাৱে পৰিচিত, যি জনে সাহিত্য সভাৰ যোৱা অধিবেশনৰ পিছত ৰোগশয্যাৰ পৰাই উপস্থিত সমস্যাত দিহা পৰামৰ্শৰ যোগেদি আমাক অনবৰত প্ৰেৰণা দিছিল, সিজনাৰ অভাৱ আমি এই মুহূৰ্ত্ততেও বিশেষ ভাৱে উপলব্ধি কৰি গভীৰ বেদনা অনুভৱ কৰিছো।

কেৱল এয়েই নহয় এই চলিত বছৰৰ আৰম্ভণীতে যোৱা ডিব্ৰুগড় সন্মিলনৰ সামৰণিৰ লগে লগেই আমি হেৰুৱালো প্ৰাক্তন সভাপতি দেশপ্ৰাণ অম্বিকাগিৰি ৰায়-চৌধুৰী ডাঙৰীয়াক। এই তেজপুৰ সন্মিলনতে একালত সভাপতিত্ব কৰা বিহগী কবি ৰঘুনাথ চৌধাৰীয়েও যোৱা ২০ নৱেম্বৰ তাৰিখে আমাক এৰি থৈ যায়। তদুপৰি এই চলিত বছৰৰ ভিতৰতে যথাক্ৰমে ধুবুৰীৰ অসমীয়া ভাষাৰ ৰথীয়া স্বৰূপ প্ৰমথ নাথ চক্ৰৱৰ্ত্তী, একাগ্ৰ সাহিত্য সাধক দৈৱচন্দ্ৰ তালুকদাৰ, প্ৰাক্তন বুৰঞ্জী শাখাৰ সভাপতি ৰূপনাথ ব্ৰহ্ম, প্ৰবীণ সাহিত্যিক গোলাপচন্দ্ৰ গোস্বামী, নতুন অসমীয়া আৰু ৰামধেনুৰ প্ৰতিষ্ঠাপক ইন্দ্ৰকমল বেজবৰুৱা, নবীন লেখক অধ্যাপক গিৰীশ দাস, যোগীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা, গঙ্গাৰাম দাস, ৰত্নকুমাৰী ৰাজখোৱানী আদি।

বহুসৰাকী দেশ মাতৃৰ কৃতী সন্তানৰ বিয়োগ ঘটিছে। এই সদৌজনৰ বিদেহ আত্মাৰ উদ্দেশ্যে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

**সমস্যাৰে ভৰা বছৰটো :** সভাৰ তিনি গৰাকী সভাপতিক হেৰুৱা এই উল্লেখযোগ্য বছৰটো বিশেষ ভাৱে তাৎপৰ্য্যপূৰ্ণ। আমাৰ কাৰ্য্যকালৰ বছৰৰ প্ৰথম সপ্তাহটোত ৰায়চৌধুৰীৰ আৰু শেষৰ ফালে ৰঘুচৌধাৰীৰ আৰু এই শেষৰ সপ্তাহটোত ভূঞা ডাঙৰীয়াৰ বিয়োগ-সভাৰ এই তিনি গৰাকী সভাপতি হেৰুৱা উল্লেখযোগ্য বছৰটো বিশেষ ভাৱে তাৎপৰ্য্যপূৰ্ণ। যোৱা নৱেম্বৰ মাহত একে সপ্তাহৰ ভিতৰতে দুগৰাকী বৰেণ্য সাহিত্যিক মনিষী ৰজনীকান্ত বৰদলৈ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ স্মৃতি শতবাৰ্ষিকী উৎসৱ, ১৯৬৮ৰ আৰম্ভণিতে কেন্দ্ৰীয় মন্ত্ৰী দপ্তৰৰ তেৰ জানুৱাৰী ঘোষণাৰ পাছৰে পৰা হোৱা পুনৰ গঠন প্ৰস্তাৱৰ যোগে উত্তৰ হোৱা ৰাজ্যত উত্তপ্ত পৰিস্থিতি সমগ্ৰ ভাৰতত হোৱা

১৯৬৭ৰ নিৰ্ব্বাচন, ৰাজ্যজুৰি খাদ্য সংকটৰ পটভূমিত হোৱা আন্দোলন, এই সকলোবোৰ সমস্যাৰ মাজতো অসম সাহিত্য সভাই নিৰ্দ্দিষ্ট আঁচনি সমূহ কাৰ্য্যকৰী কৰি তুলিবলৈ সক্ষম হোৱাত বা কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অগ্ৰসৰ হোৱাত আমি আনন্দ প্ৰকাশ কৰিছো। এতিয়া অসমত ৰাজ্যপুনৰ গঠনৰ আগন্তুক পৰিস্থিতিৰ আশংকাত এক মানসিক উত্তপ্ততা বিৰাজমান। এই সময়ত সাহিত্য সভাৰ ভূমিকা কি সেইবিষয়ে দেশবাসীয়ে নিতান্তই সজাগ দৃষ্টি আৰোপ কৰিছে।

### কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিবেশন :

চলিত বছৰত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিবেশন ৫।২।৬৭ তাং যোৰহাট, ৫।৫।৬৭ তাং গুৱাহাটী, ১৬।৯।৬৭ তাং যোৰহাটত আৰু ২৫।১।৬৮ তাং তেজপুৰত মুঠ চাৰিবাৰ বহে। সমিতিৰ তৃতীয় খন অধিবেশনৰ বাহিৰে বাকী কেইখনত সভাপতিত্ব কৰে উপ সভাপতি ডঃ মহেশ্বৰ নেওগ ডাঙৰীয়াই। এই অধিবেশনৰ সিদ্ধান্ত অনুক্ৰমে লোৱা কাৰ্য্য সূচী হ'ল—

(ক) ডিব্ৰুগড় সন্মিলনৰ গৃহীত প্ৰস্তাৱ প্ৰসঙ্গ (খ) ৰাজ্যপুনৰ গঠন প্ৰসঙ্গ (গ) ৰাজ্যিক ভাষাৰ প্ৰয়োগ আৰু শিক্ষাৰ মাধ্যম প্ৰসঙ্গ (ঘ) বৰদলৈ আৰু আগৰৱালাৰ জন্ম শতবাৰ্ষিকী (ঙ) প্ৰকাশন আঁচনি (সোণালী জয়ন্তী গ্ৰন্থ, স্মৃতি গ্ৰন্থ, শিশুসাহিত্য প্ৰতিযোগিতা, শ্ৰেষ্ঠ নাটক বাছনি, বিবিধ প্ৰকাশন আঁচনিৰ অগ্ৰগতি) (চ) প্ৰচাৰ আৰু সংগঠন পৰিক্ৰমা (ছ) বিবিধ পৰিক্ৰমাত হোৱা কাম।

৫।২।৬৭ তাৰিখৰ কাঃনিঃ সমিতিয়ে কেন্দ্ৰীয় কাৰ্য্যালয়ত অধ্যাপক নগেণ শইকীয়া আৰু গুৱাহাটীত অধ্যাপক নন্দ তালুকদাৰক সহকাৰী সম্পাদক মনোনীত কৰে।

৫।৫।৬৭ তাৰিখৰ অধিবেশনত চলিত বছৰৰ বাবে ১,৩৫,৫০৫·৮৯ টকা ব্যয়ৰ আঁচনিৰে (আয় ১,১৬,৭৮৫·১৬ ( ঘাটি ১৮,৭২০·৭৩) এখনি আয় ব্যয়ক গ্ৰহণ কৰে।

(ক) প্ৰস্তাৱ প্ৰসঙ্গ :

যোৱা ডিব্ৰুগড় সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ কইটা আছিল : ৰাজ্যিক ভাষা প্ৰয়োগ প্ৰসঙ্গ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া ভাষা শ্ৰেণী আৰম্ভ কৰা আৰু জনজাতীয় সংস্কৃতি গৱেষণা কেন্দ্ৰ স্থাপন কৰা, অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ সম্যক ৰূপ দিব পৰা সংগ্ৰহালয় স্থাপন, বিশ্বকোষ প্ৰণয়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক দাবী জনোৱা উচ্চ মাধ্যমিক বিদ্যালয়ত অসমীয়া বিষয়ৰ শিক্ষকক সমপৰ্য্যায় মৰ্য্যদা দানৰ দাবী। সভাত পূৰ্ব্বে গৃহীত হোৱা পিছৰ প্ৰস্তাৱ দুটা পুনৰ দোহৰা হয় ইতিমধ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া ভাষাশ্ৰেণী আৰম্ভ কৰিছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অচিৰে জনজাতীয় সংস্কৃতিৰ গৱেষণাৰ ব্যৱস্থা কৰা আৰু লক্ষ্মীনাথ বেজবৰুৱা আসন প্ৰতিষ্ঠা কৰা সম্পৰ্কত বিবেচনা কৰা হব বুলি আশ্বাস দিছে। গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত এটি সংগ্ৰহালয় স্থাপন কৰা সন্দৰ্ভত কাঃনিঃসমিতিয়ে ইতিমধ্যে প্ৰাথমিক পৰ্য্যায়ত এখনি আঁচনি গ্ৰহণ কৰিছে। ভৱনত বৰ্ত্তমানে সংৰক্ষিত সাহিত্যিক সমলৰ লগতে অধিক সংগ্ৰহ আৰু সংৰক্ষণৰ বাবেআহ্বান জনোৱা হৈছে এটি উপ-সমিতিক এই কাৰ্য্যৰ দায়িত্ব দিয়া হৈছে।

বাকী কেটা প্ৰস্তাৱৰ পটভূমিত সংশ্লিষ্ট মহলৰ লগত যোগাযোগ কৰি থকা হৈছে।

### ৰাজ্যিক ভাষা প্ৰসঙ্গ :

অসম চৰকাৰৰ দ্বাৰা গঠিত ৰাজ্যিক ভাষা প্ৰয়োগ সমিতিলৈ অসম সাহিত্য সভাৰ পৰা কাঃ নিঃ সমিতিৰ সিদ্ধান্ত অনুসৰি পৰিভাষাৰ সংশোধনী পঠোৱা হয়। ইতিমধ্যে পৰিভাষাৰ বিশুদ্ধ সংস্কৰণ প্ৰকাশৰ প্ৰস্তুতি চলিছে বুলি চৰকাৰী ভাবে জনা হৈছে। ৰাজ্যৰ বিভিন্ন অঞ্চলত নিৰ্দ্দিষ্ট পৰ্য্যায়ত ৰাজ্যিক ভাষা প্ৰয়োগ সম্পৰ্কে অনুসন্ধান চলাই ৰাজ্য চৰকাৰৰ দৃষ্টি গাচৰ কৰা হয়। এই সম্পৰ্কত সময় বিশেষে বাতৰি কাকতৰ যোগেও সংশ্লিষ্ট মহলক সচেষ্ট কৰি তোলাৰ বাবে যত্ন কৰা হয়। জিলা পৰ্য্যায়ত ৰাজ্যিক ভাষা আইন প্ৰয়োগ হোৱা অৱস্থাতে এই আইন সম্পূৰ্ণ ভাবে উলংঘা কৰি অসম আৰু নগাভূমিৰ উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কৰ ৬ মাৰ্চ্চ তাৰিখৰ অধ্যাদেশ প্ৰচাৰিত হয়। অধ্যাদেশ অনুসৰি আদালতত অসমীয়া ভাষাৰ প্ৰয়োগত বাধা প্ৰদান কৰা হয়। সাহিত্য সভাৰ ফালৰ পৰা জৰুৰী ভাবে এই



ঘোষণাৰ দৃঢ় প্ৰতিবাদ জনোৱা হয়। কাঃ নিঃ সমিতিৰ ৫।৫।৬৭ তাং অধিবেশনত ৬ মাৰ্চ্চ তাৰিখৰ আধ্যাদেশৰ বাবে গভীৰ উদ্বেগ প্ৰকাশ কৰি বিষয়টো ৰাজ্য চৰকাৰৰ দৃষ্টি গোচৰ কৰা হয়। মুখ্য মন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে জনোৱাৰ লগতে ৰাজ্যৰ উকীল সঙ্ঘ সমূহকো বিষয়টো হাতত লবলৈ অনুৰোধ জনোৱা হয়। তদুপৰি Assamese as court Language in peril. নামৰ এখনি পুস্তিকা ইংৰাজীতে প্ৰকাশ কৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট মহলক জনোৱা হয়। যোৱা বিধান সভাৰ অধিবেশনতো এই আধ্যাদেশ সম্পৰ্কে এই বিষয়টিয়ে আলোচনাত ঠাই পাই। ইতিমধ্যে যোৱা ২৫ নবেম্বৰ তাৰিখে ৰাজ্যজুৰি উচ্চন্যায়ালৰ এই কাৰ্য্যৰ প্ৰতিবাদ জনাই জনমত গঢ়ি তোলা হয়। ইতিমধ্যে উক্ত আধ্যাদেশ উচ্চ ন্যায়ালয়ে প্ৰত্যাহাৰ কৰিছে। কিন্তু এই নতুন আধ্যাদেশৰ পৰাও পৰিস্থিতিৰ বিশেষ উন্নতি পৰিলক্ষিত হোৱা নাই। সাহিত্য সভাৰ ফালৰ পৰা এই বিষয়ে পুনৰ স্পষ্টীকৰণ বিচৰা হৈছে।

### শিক্ষাৰ মাধ্যম মাতৃভাষা

আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰা সম্পৰ্কত লোৱা কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ সন্দৰ্ভত আশু ব্যৱস্থা হাতত লবৰ বাবে অসমৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষ সমূহক আৰু অসম চৰকাৰক অনুৰোধ জনোৱা হয়। উল্লেখযোগ্য যে এই দাবী অসম সাহিত্য সভাই ১৯৬৫ চনৰ পৰা সন্চালনিকৈ কৰি আহিছে।

আনহাতে উচ্চ মাধ্যমিক স্তৰত প্ৰশ্নকাকতৰ ভাষাৰ মাধ্যম আঞ্চলিক ভাষা কৰা সম্পৰ্কে পূৰ্ব্বৰ পৰা কৰি অহা দাবী দোহৰা হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখ থাকে যে কোনো অঞ্চলত মাতৃভাষালৈ প্ৰশ্নকাকত কটাৰ ব্যৱস্থাও স্বতন্ত্ৰভাৱে হৈছে। নীতিগত ভাবে এই কাৰ্য্যক সাহিত্য সভাৰ ফালৰ পৰা সমাদৰ জনোৱা হৈছে।

ৰাজ্য **পুনৰ** গঠন : পূৰ্ব্বে উল্লেখ কৰা হৈছে যে ৰাজ্য পুনৰ গঠনৰ আগন্তুক পৰিস্থিতিৰ আশংকাত এক মানসিক উত্তপ্ততা বিৰাজমান হৈ আছে। যোৱা বছৰৰ আৰম্ভণিতে ১৩ জানুৱাৰী তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ অসমক আঞ্চলিক ফেডাৰেশানৰ ভিত্তিত পুনৰ গঠন কৰা প্ৰস্তাৱ ঘোষণা কৰাৰ লগে লগে ৰাজ্যজুৰি গভীৰ প্ৰতিক্ৰিয়া হয়। অসমৰ সংহতিক খান খান কৰাৰ আশংকাত এনে অগণতান্ত্ৰিক সিদ্ধান্তক অসম সাহিত্য সভাই দৃঢ়তাৰে আৰু প্ৰণালীবদ্ধভাবে প্ৰতিৰোধ কৰে। স্বকপাৰ্থত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰবল জনমত গঢ়ি তোলাত অসম সাহিত্য সভাই নিশ্চিত ভাবে সফল কাম হয়। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ৫।২।৬৭ৰ বৈঠকতে আৰম্ভ কৰি পৰ্য্যায় বিশেষে গোটেই পৰিস্থিতিক পৰ্য্যালোচনা কৰি প্ৰয়োজনীয় ক্ষেত্ৰত ভুমিকা গ্ৰহণ কৰা হৈছে। সাহিত্য সভাই এই ক্ষেত্ৰত সদৌ জন সমাজ আৰু বিশেষকৈ ছাত্ৰ সমাজৰ পৰা সক্ৰিয় ভাবে সহযোগ পোৱাটো বিশেষ ভাবে উল্লেখ যোগ্য।

কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ যথাক্ৰমে ৫-২-৬৭,৫-৫-৬৭ ১৬-৯-৬৭ আৰু ২৫।১।৬৮ ৰ সিদ্ধান্ত অনুক্ৰমে হোৱা এই সম্পৰ্কত কাৰ্য্যাৱলী হল :

১৩ জানুৱাৰীৰ প্ৰস্তাৱ অগণতান্ত্ৰিক, অসংবিধানিক আৰু বিভেদকামী ভাবৰ পৰিচায়ক বুলি শীঘ্ৰে প্ৰত্যাহাৰ কৰি আঞ্চলিক সংহতি ৰক্ষাৰ বাবে দাবী জনায়।

১১ফেব্ৰুৱাৰী তাৰিখে এই মৰ্ম্মে প্ৰতিবাদ দিৱস পালন কৰা হয়, অসমৰ সদৌ ছাত্ৰ সমাজ আৰু ৰাইজৰ সহযোগীতাত এই দিৱস সফল হয় আৰু প্ৰধান মন্ত্ৰী আৰু গৃহমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়।

পুনৰ কাঃ নিঃ দ্বিতীয় অধিবেশনত কাঃ নিঃ সমিতিয়ে মত প্ৰকাশ কৰি জনায় "কাৰ্য্য নিৰ্ব্বাহক এই কথাৰ প্ৰতি সম্পূৰ্ণ সজাগ যে এখন পাৰ্ব্বত্য ৰাজ্য মঞ্জুৰ কৰাই হওক বা কেন্দ্ৰশাসিত অঞ্চল গঠন কৰাই হওক এনে যি কোনো অবাঞ্চনীয় খণ্ডীকৰণেই স্বাভাৱিকতে ভাৰতীয় গণতান্ত্ৰিক সংহতিত অনৈক্যৰ সৃষ্টি কৰিব।

স্বভাৱতঃ নানা আদৰণীয় গুণৰ গৰাকী, অসমৰ বহুজন মিলন সম্ভূত সংস্কৃতিলৈ বিশেষ ৰৰঙণি যোগোৱা

অসমৰ পৰ্ব্বতবাসী ৰাইজৰ প্ৰতি অসম সা: সভাৰ পূৰ্ণ মাত্ৰাৰ সহানুভূতি কা: নি: সমিতিয়ে পুনৰ প্ৰকাশ কৰে।

কা: নি: সমিতিয়ে বিশেষ ভাৱে লক্ষ কৰে যে স্বৰাষ্ট্ৰ মন্ত্ৰনালয়ৰ উপযুক্ত ঘোষণাত অঙ্কিত ভাৰতীয় সংবিধানৰ বহিভূত আঞ্চলিক সংহতি জনমত অনুসৰি চূড়ান্ত ভাবে অবাঞ্চনীয় এক পদাৰ্থ আৰু পাৰ্ব্বত্য জিলাবোৰত জনমত গ্ৰহণ কৰি পাৰ্ব্বত্য ৰাজ্য এখন গঠন কৰিবলগীয়া হোৱা অত্যান্তিক আৰু দুভাৰ্গ সূচক পৰিস্থিতি হলেও অসমৰ জনমতে তেনে আঞ্চলিক সংহতি গ্ৰহণ নকৰিব।

অসমৰ ৰাইজৰ সাহিত্যিক আৰু সাংস্কৃতিক অনুষ্ঠান অসম সাহিত্য সভাৰ কা: নি: সমিতিয়ে দৃঢ়ভাৱে দাবী জনায় যাতে ভাৰতৰ সীমান্তৰ এই ৰাজ্যখনৰ ভিতৰৰ সম্প্ৰীতি আৰু ঐক্য ভঙ্গ কৰিব পৰা কোনো কাৰ্য্যই যেন কোনো পক্ষৰ পৰাই কৰা নহয়।"

১১মে'ৰ পৰা ১৫ মে তাৰিখলৈকে নতুন দিল্লীত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীক লগ ধৰি ডঃ মহেশ্বৰ নেওগ, শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা আৰু শ্ৰীহৰি প্ৰসাদ নেওগৰে গঠিত এটি সজাতি দলে সাহিত্য সভাৰ নীতি ব্যাখ্যা কৰে। প্ৰতিনিধি দলে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেবাগৰাকী মন্ত্ৰীৰ লগতো আলোচনা কৰে। প্ৰধান মন্ত্ৰীয়ে অসমৰ জনমতৰ বিৰুদ্ধে কোনো আঁচনি জাপি দিয়া নহব বুলি জনায়। ২১ মে' তাৰিখে গুৱাহাটীত গৃহমন্ত্ৰী চৰনক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ নেতৃত্বত গঠিত এটি সজাতি দলে গৃহমন্ত্ৰী ডাঙৰীয়াক স্মাৰক পত্ৰ দি সমস্যা উত্থাপন কৰে। সমস্যা সমাধানৰ বাবে প্ৰয়োজন হলে সুৰণীয়া মেজ মেল পতাৰ প্ৰস্তাৱ সমৰ্থন জনায়। ইয়াৰ পিছত গঠিত সমিতিৰ সভাপতি অশোক মেহতালৈ সাহিত্য সভাৰ নীতি প্ৰেৰণ কৰা হয়। ৩১।৮।৬৭ তাৰিখে প্ৰকাশ পোৱা মেহতা কমিটিৰ প্ৰস্তাৱত ফেডাৰেশ্যান আৰু স্বকীয়া পাৰ্ব্বত্য ৰাজ্য গঠনৰ প্ৰস্তাৱৰ পৰিবৰ্ত্তে ৬ষ্ঠ অনুসূচীৰ সংশোধন কৰি পাৰ্ব্বত্য জিলা সমূহক অধিক স্বায়ত্ত শাসন দিয়াৰ সিদ্ধান্ত ঘোষিত হয়। এনে পৰিস্থিতিত পাৰ্ব্বত্য অঞ্চলৰ ৰাইজৰ চূড়ান্ত আশা-আকাংক্ষা পূৰণৰ ক্ষেত্ৰত মেহতা কমিটিৰ সূত্ৰকে এটি আৰু শান্তিপূৰ্ণ উপায়েৰে হব পৰা সমাধান বুলি ধৰি লৈ পূব ভাৰতৰ সমস্যা বহুল অসমৰ ঐক্য আৰু সংহতিৰ পৰিপ্ৰেক্ষিতত এই প্ৰস্তাৱত সন্মতি জনাবৰ বাবে যোৱা ১৯।৯।৬৭ তাৰিখে পাৰ্ব্বত্য অঞ্চলৰ ৰাইজক আহ্বান জনোৱা হয় আৰু সৰ্ব্বদলীয় পাৰ্ব্বত্য নেতা সন্মিলনৰ সম্পাদকলৈ পত্ৰ প্ৰেৰণ কৰা হয়।

কা: নি: সমিতিয়ে এই বিষয়টি বিশদ ভাৱে আলোচনা কৰি লোৱা শেহতীয়া প্ৰস্তাৱ হ'ল—

"অসম ৰাজ্যৰ সংহতি ৰক্ষা কৰি বিভিন্ন পাৰ্ব্বত্য অঞ্চলক অত্যান্ত বেছি ধৰণেই স্বায়ত্ত শাসনৰ সুবিধা দিয়াৰ প্ৰস্তাৱ কৰি অশোক মেহতা কমিটিয়ে যি পৰামৰ্শৱলী আগবঢ়াইছে, তাকো সৰ্ব্বদলীয় পাৰ্ব্বত্য নেতা সন্মিলনে একে আষাৰেই গ্ৰহণ নকৰাত অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সভাই উদ্বেগ আৰু আশ্চৰ্য্য প্ৰকাশ কৰে। যি সকলক গভীৰ চিন্তা কৰি বৰ্ত্তমান ব্যৱস্থাত মেহতা কমিটিৰ পৰামৰ্শৱলী গ্ৰহণ কৰিবলৈ অসম সাহিত্য সভাই আহ্বান জনায়, কাৰণ ৰাজনৈতিক দলৰ নেতাই উক্ত সমিতিৰ যোগেদি পাৰ্ব্বত্য ৰাজ্য আৰু তথাকথিত ফেডাৰেল ভিত্তিত (সংহতিৰূপে) অসম পুনৰ গঠনৰ দুইটা ধাৰণাকে খণ্ডন কৰিছে।

ইতিমধ্যে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে ডিচেম্বৰত যোৰহাটত দিয়া বিবৃত্তিৰ সভাৰ ফালৰ পৰা প্ৰতিবাদ জনোৱা হয়।

কা: নি: সমিতিয়ে পুনৰ এই মৰ্ম্মে শেহতীয়া প্ৰস্তাৱ যোগে কেন্দ্ৰীয় চৰকাৰে মেহতা কমিটিৰ সিদ্ধান্ত প্ৰত্যাহাৰ নকৰিবলৈ দৃঢ় ভাৱে দাবী জনায়।

### শতবাৰ্ষিকী আঁচনি :

এই বছৰতে অসমৰ দুগৰাকী লব্ধপ্ৰতিষ্ঠ সাহিত্যিক মনিষী ৰজনীকান্তবৰদলৈ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম শতবাৰ্ষিকী দিৱস যথাক্ৰমে ২৪ আৰু ২৮ নবেম্বৰ তাৰিখে সম্পন্ন হয়। কা:নি: সমিতিৰ হৈ শতবাৰ্ষিকী উপলক্ষে গঠিত কেন্দ্ৰীয় শতবাৰ্ষিকী সমিতিৰ তত্বাৱধানত যথাক্ৰমে ডিব্ৰুগড় আৰু গুৱাহাটীত কেন্দ্ৰীয় ভাৱে উৎসৱ পালন কৰা হয়। অসম সাহিত্য সভাৰ শাখা আৰু স্বীকৃত সভা সমূহৰ উপৰিও বিভিন্ন স্কুল কলেজ আৰু সাংস্কৃতিক অনুষ্ঠানেও শতবাৰ্ষিকী দিৱস পালন কৰে। দুখৰ বিষয় আমাৰ উপৰ্য্যুপৰি কৰা অনুৰোধ স্বত্বেও ৰাজ্যচৰকাৰে দুয়োটা অনুষ্ঠানতে বিশেষ ছুটী মঞ্জুৰ নকৰিলে।



২৪ নবেম্বৰত ডিব্ৰুগড়ত ৰজনী বৰদলৈ শতবাৰ্ষিকী উপলক্ষে শ্ৰীলক্ষীপ্ৰসাদ দত্তক সভাপতি আৰু অধ্যাপক তফজুল আলিক সম্পাদক স্বৰূপে লৈ গঠিত হোৱা অভ্যৰ্থনা সমিতিৰ সৌজন্যত অনুষ্ঠানৰ সকলো কাৰ্য্য-সূচী সফলতাৰে সম্পন্ন হয়। মূল সভাত সভাপতিত্ব কৰে প্ৰাক্তন সভাপতি সমালোচক সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীদেৱে। শতবাৰ্ষিকী উপলক্ষে ডিব্ৰুগড় পৌৰ সভাই নামাকৰণ কৰা ৰজনী বৰদলৈ পথ উন্মোচন, প্ৰাৰ্থনা, সাহিত্য আলোচনা আৰু মনোমতী কথাছবি প্ৰদৰ্শনৰ উপৰিও অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা এখনি স্মৃতি গ্ৰন্থ যুগুত কৰিও প্ৰকাশ কৰে। এই বছৰতে অভ্যৰ্থনা সমিতিৰ দানেৰে ডিব্ৰুগড়ত ৰজনী কান্ত বৰদলৈৰ আবক্ষ মূৰ্ত্তি প্ৰতিষ্ঠা কৰা হব।

কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে লোৱা সিদ্ধান্ত অনুসৰি বৰদলৈ শতবাৰ্ষিকী উপলক্ষে "ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ" আলোচনা গ্ৰন্থ (অধ্যাপক বীৰেণ বৰকটকী সম্পাদিত আৰু বৰদলৈৰ 'অপ্ৰকাশিত প্ৰবন্ধ আৰু ৰচনাৱলী সংকলন "ৰজনীবৰদলৈ ৰচনামালা" (হেমন্ত কুমাৰ শৰ্ম্মা সংকলিত আৰু সম্পাদিত) প্ৰকাশ পায়।

২৮ নবেম্বৰত প্ৰতিমাৰ খনিকৰ জোনাকী যুগৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা শতবাৰ্ষিকী উৎসৱ সু-সম্পন্ন হয়। এই উৎসৱ উপলক্ষে অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা সভাপতি আৰু অধ্যাপক হেমন্তকুমাৰ শৰ্ম্মাক সম্পাদক স্বৰূপে লৈ উৎসৱ সমিতি গঠিত হয়। মূল সন্মিলনত সভাপতিত্ব কৰে সাহিত্যিক সাংবাদিক শ্ৰীলক্ষীনাথ ফুকনে। উৎসৱ উপলক্ষে আগৰৱালাৰ সুযোগ্য পুত্ৰ শ্ৰীতৰুণ কুমাৰ আগৰৱালাই দান দিয়া আবক্ষ মূৰ্ত্তিটি শুক্ৰেশ্বৰত প্ৰতিষ্ঠিত হয়। মূল সভাৰ লগতে অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামীৰ সভাপতিত্বত আলোচনা চক্ৰ হয়। শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাই "চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা" নামৰ এখন আলোচনা গ্ৰন্থ প্ৰকাশ কৰে। গ্ৰন্থখনিৰ সম্পাদনা কৰে অধ্যাপক শ্ৰীশশী শৰ্ম্মাই। এই উপলক্ষে অসম সাহিত্য সভাৰ হৈ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই সম্পাদনা কৰা আগৰৱালাৰ সকলো কবিতাৰ সংকলন "চন্দ্ৰামৃত" প্ৰকাশ পায়। সাহিত্য সভাৰ অনুৰোধক্ৰমে জ্যোতি গোঁৰৱণী সস্থাৰ পৰা জ্যোতি প্ৰসাদ ৰচিত হৰিবিলাস আগৰৱালাৰ জীৱনীও প্ৰকাশ পায়। গুৱাহাটীৰ আদৰণী সমিতিয়ে "চন্দ্ৰ স্মৃতি" নামৰ স্মৃতি গ্ৰন্থ এখনিও প্ৰকাশ কৰে।

দুয়োখন সভাত প্ৰবীনতম প্ৰাক্তন সভাপতি শ্ৰীনীল-মণি ফুকনে সহযোগ কৰে।

এই দুয়ো গৰাকী কবি সাহিত্যিক মনিষীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বাতৰি কাকত, আলোচনী আৰু আকাশ বাণীৰ পৰা পোৱা সাহায্য উল্লেখযোগ্য।

### বেজবৰুৱা শতবাৰ্ষিকী

১৯৬৮ৰ ৫ অক্টোবৰ তাৰিখে হব লগা বেজবৰুৱা শতবাৰ্ষিকী ইতিমধ্যে গঠিত বেজবৰুৱা শতবাৰ্ষিকী কেন্দ্ৰীয় সমিতিৰ সৌজন্যত পৰ্য্যায় বিশেষে কামত আগবঢ়া হৈছে। যোৱা এপ্ৰিল মাহত বেজবৰুৱা কেলেণ্ডাৰ প্ৰকাশ পায়। ইতিমধ্যে সাহিত্য প্ৰকাশৰ দ্বাৰা বেজবৰুৱা গ্ৰন্থাৱলী প্ৰকাশৰ কাৰ্য্য আৰম্ভ হৈছে। বেজবৰুৱাৰ প্ৰবন্ধৰ বাছনি (সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী) আৰু বেজবৰুৱাৰ প্ৰতিভাৰ বিভিন্ন দিশৰ ওপৰত আলোচনা সমূহ গ্ৰন্থৰ কাম (সম্পাদক অধ্যক্ষ মহেশদেৱ গোস্বামী) কাম আগ বাঢ়িছে। বেজবৰুৱাৰ এখনি পূৰ্ণাঙ্গ জীৱনী আৰু শিশুৰ উপযোগী জীৱনীৰ ওপৰত প্ৰতিযোগিতা আহ্বান কৰা হৈছে।

সাহিত্য সভাৰ লগত হোৱা চুক্তি অনুসৰি অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা সংকলিত আৰু সম্পাদিত বেজ-বৰুৱাৰ ৰচনা ভাষা আৰু সাহিত্য' ইতিমধ্যে নিউবুক ষ্টলৰ দ্বাৰা প্ৰকাশ পাব।

বেজবৰুৱা স্মাৰক ডাকটিকত সম্পৰ্কেও কেন্দ্ৰীয় ডাকবিভাগৰ পৰা সক্ৰিয় সহাঁৰি পোৱা হৈছে।

বেজবৰুৱা শতবাৰ্ষিৰ বাবে ৰাজ্য চৰকাৰে এই বিত্তীয় বছৰতে ৪০ হাজাৰ টকাৰ এটি অনুদান আগ বঢ়াইছে।

শতবাৰ্ষিকী উৎসৱৰ বাবে কমেও একলাখ দহ হাজাৰ টকাৰ পুঁজি সংগ্ৰহৰ প্ৰস্তুতি চলোৱা হৈছে। বেজবৰুৱা তথ্য চিত্ৰৰ বাবে ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। এই কাৰ্যৰ বাবে শ্ৰীফণী তালুকদাৰক সম্পাদক স্বৰূপে লৈ এখনি তথ্য চিত্ৰ সমিতি গঠন কৰি দায়িত্ব দিয়া হৈছে।

ইতিমধ্যে বেজবৰুৱাৰ কন্যা ৰত্নাবৰুৱাৰ পৰা বেজবৰুৱাৰ পত্নী প্ৰজ্ঞা সুন্দৰী দেৱীয়ে লিখা ডায়েৰী ফটো আদি পোৱা হৈছে।

বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে বেজবৰুৱাৰ ওপৰত ইংৰাজী আৰু হিন্দীভাষাত গ্ৰন্থ প্ৰকাশৰ আঁচনি লোৱা হৈছে।

অসমৰ বাহিৰত সম্বলপুৰত বেজবৰুৱা স্মৃতি ৰক্ষা আৰু কলিকতা আৰু দিল্লীত অনুষ্ঠানৰ আয়োজন কৰাৰ বাবে যোগাযোগ কৰা হৈছে।

অহা ২৬ মাৰ্চৰ পৰা ৫ অক্টোবৰলৈকে বেজবৰুৱা শতবাৰ্ষিকী আঁচনি ফলৱতী কৰি তুলিবৰ বাবে বিশেষ প্ৰযত্ন হব।

**প্ৰকাশন :** শতবাৰ্ষিকী প্ৰকাশনৰ উপৰিও এইবছৰ তলত দিয়া শিতানত পুথি প্ৰকাশৰ আঁচনি লোৱা হয়। ৰাজ্য চৰকাৰলৈ আৰু কেন্দ্ৰীয় চৰকাৰলৈ ইতিপূৰ্ব্বে পঠোৱা বিশেষ আঁচনিত সাহায্যৰ বাবে সংশ্লিষ্ট মহলৰ লগত যোগাযোগ কৰি থকা হৈছে। বৰ্ত্তমান আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হোৱাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰক একোটি সমন্বয়কী ব্যৱস্থাৰে যাৱতীয় সহায় সহযোগ আগবঢ়াবলৈ সভাৰ ফালৰ পৰা পৰামৰ্শ আগবঢ়োৱা হৈছে।

প্ৰকাশন সম্পৰ্কত বিভিন্ন শিতান সমূহ হল : (১) চৰকাৰী অনুদান (২) বিশেষ অনুদান (৩) স্মৃতি গ্ৰন্থ (৪) সোণালীজয়ন্তী (৫) প্ৰচাৰ বিভাগ (৬) অন্যান্য।

(১) ৰাজ্য চৰকাৰে এই বছৰ ৩ খন কিতাপ অনুবাদৰ বাবে দিয়া ১৮ হাজাৰ অনুদানেৰে গুৱাহাটি বিশ্ববিদ্যালয়ৰ অধ্যাপক ভবেন হাজৰিকাৰ দ্বাৰা অনূদিত শূদ্ৰকৰ মৃচ্ছকটিক নাটক ইতিমধ্যে প্ৰকাশ পাইছে। বাকী দুখন Serpent and the Rope আৰু Our cultural Heritage অনুবাদ এই বিত্তীয় বছৰতে প্ৰকাশ পাব। এই শিতানত গান্ধী শতবাৰ্ষিকী উপলক্ষে গ্ৰন্থ অনুবাদৰ আঁচনিত ৰাজ্য চৰকাৰৰ পৰা এই বছৰতে ১২ হাজাৰ টকাৰ অনুদান মঞ্জুৰ হৈছে।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ পৰা এটি বিশেষ দানেৰে এই বছৰত প্ৰকাশনৰ আৰম্ভণী হয়। পদ্মশ্ৰী কবি নলিনী বালা দেৱীৰ শেহতীয়া ৰচনা সম্ভাৰ গীত আৰু কবিতাৰ ২৫৫ পৃষ্ঠাৰ সংকলন 'অলকানন্দা' প্ৰকাশ পাইছে।

ডিব্ৰুগড় সন্মিলনৰ অভ্যৰ্থনা সমিতিয়ে ৩৪ সন্মিলনৰ বাৰ্ষিকী প্ৰকাশ কৰিবলৈ আগবঢ়োৱা দুহেজাৰ টকা দানৰ সহায়ত এখনি বাৰ্ষিকী প্ৰকাশ পাইছে।

**স্মৃতিগ্ৰন্থ :** কাৰ্য্যনিৰ্ব্বাহকৰ সিদ্ধান্ত অনুসৰি যোৱা বছৰ বিয়োগ ঘটা প্ৰাক্তন সভাপতি দুজনৰ শ্ৰীডিম্বেশ্বৰ নেওগ আৰু শ্ৰীঅম্বিকাগিৰি ৰায়চৌধুৰীৰ প্ৰথম মৃত্যু বাৰ্ষিকীত একোখন স্মৃতিগ্ৰন্থ যুগুত কৰি প্ৰকাশ কৰা হয়।

গুৱাহাটী ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত অনুষ্ঠিত হোৱা মনোজ্ঞ অনুষ্ঠানত ১২ নবেম্বৰ তাৰিখে ডিম্বেশ্বৰ নেওগ স্মৃতিগ্ৰন্থ আৰু ২ জানুৱাৰী তাৰিখে ৰায়চৌধুৰী স্মৃতি গ্ৰন্থ উন্মোচন হয় যথাক্ৰমে প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা আৰু শ্ৰীবেণুধৰ শৰ্ম্মাই সভাত সভাপতিত্ব কৰে। প্ৰধান সম্পাদকে দুয়োখন গ্ৰন্থ সম্পাদনা কৰে।

অসমসাহিত্য সভাৰ পঞ্চাশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এখনি সোণালী জয়ন্তী গ্ৰন্থ প্ৰকাশৰ আঁচনি কাঃনিঃ সমিতিয়ে গ্ৰহণ কৰে।" বিংশ শতাব্দীৰ অসমীয়া সাহিত্য"শীৰ্ষক তিনিটা খণ্ডৰ এই গ্ৰন্থখনৰ প্ৰথমাৰ্দ্ধত অসমীয়া সাহিত্যৰ বিভিন্ন ধাৰাৰ আলচ, বিংশ শতাব্দীত বিশ্ব সাহিত্যৰ প্ৰধান ধাৰা আৰু পৰিশিষ্ট খণ্ডত সাহিত্য সভাৰ সভাপতি সকলৰ আলোচনি সহ সাহিত্য সভাৰ চমু পৰিচিতি সন্নিবিষ্ট কৰা হৈছে। লব্ধ প্ৰতিষ্ঠ ডেকা সাহিত্যিক শ্ৰীহোমেন বৰগোহাঞিৰ সম্পাদনাত এই উল্লেখযোগ্য গ্ৰন্থখনি শেহতীয়াকৈ ছাপাশালৰ পৰা ওলাইছে।



অসম সাহিত্য সভাৰ প্ৰচাৰ বিভাগৰ যোজনাত প্ৰকাশ পোৱা পুস্তিকা সমূহ হ'ল :

১। চাহবাগিচাৰ অসমীয়া

শ্ৰীগোলাপ খাউণ্ড।

২। প্ৰমথনাথ চক্ৰৱৰ্ত্তী

সম্পাদনা—শ্ৰীহৰি প্ৰসাদ নেওগ।

প্ৰচাৰ বিভাগে যুগুত কৰা অন্যান্য পুথি হ'ল : পাদম অসমীয়া আৰু মিকিৰ ভাষা শিক্ষা। এই দুয়োখন পুথি এই বিত্তীয় বছৰতে ওলোৱাৰ কথা।

কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সিদ্ধান্ত অনুসৰি সাহিত্য সভাৰ কেইখনমান অধুনা দুষ্প্ৰাপ্য পুথিৰ দ্বিতীয় সংস্কৰণৰ প্ৰকাশৰ ব্যৱস্থা কৰা হয়। শতকৰা ১৫% ৰয়েলটিৰ হিচাপত লয়াৰ্চ বুকষ্টলে 'তত্ত্বকথা' আৰু 'পবিত্ৰ অসম' দুখন পুথিৰ দ্বিতীয় সংস্কৰণ ছপাই উলিয়াইছে।

এই একে আহিতে বেজবৰুৱাৰ ৰচনা 'অসমীয়া ভাষা আৰু সাহিত্য'ৰ (শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সংকলিত) নিউ বুকষ্টলে প্ৰকাশৰ ব্যৱস্থা কৰিছে।

সভাৰ সাধাৰণ পুঁজিৰ পৰাই আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া ভাষা' পুথিখনৰ দ্বিতীয় সংস্কৰণ উলিওৱা হৈছে।

সভাৰ এইবছৰৰ প্ৰকাশনৰ তালিকা থাওকতে হ'ল ১। অলকানন্দা, ২। ৰজনী কান্ত বৰদলৈ ৰচনা মালা, ৩। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ, ৪। চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা, ৫। চন্দ্ৰামৃত ৬। ডিম্বেশ্বৰ নেওগ স্মৃতি গ্ৰন্থ, ৭। ৰায়চৌধুৰী স্মৃতিগ্ৰন্থ ৮। প্ৰমথনাথ চক্ৰৱৰ্ত্তী, ৯। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য ১০। মৃচ্ছকটিক ১১। চাহবাগিচাৰ অসমীয়া ১২। অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ ১৩। অসম সাহিত্য সভা বাৰ্ষিকী ১৪। অসমীয়া ভাষা (২য় সংস্কৰণ) ১৫। তত্ত্বকথা ১৬। পবিত্ৰ অসম ১৭। পাদম অসমীয়া ১৮। মিকিৰ ভাষা শিক্ষা, ১৯। অসমীয়া সাহিত্যৰ গ্ৰন্থসূচী Serpent and the Rope আৰু ২১। Our cultural Heritage

**অসমীয়া সাহিত্য গ্ৰন্থসূচী :**

অসমীয়া সাহিত্যৰ পুথি আৰু লেখক সকলৰ পৰিচিতিৰে গ্ৰন্থসূচী দুটা খণ্ডত যুগুত কৰাৰ দায়িত্ব বহন কৰিছে ডঃ সত্যেন শৰ্ম্মাই। বৰ্ত্তমান ইয়াৰ এটা খণ্ডৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে।

**চন্দ্ৰকান্ত অভিধান :** ডঃ মহেশ্বৰ নেওগক মুখ্য সম্পাদক হিচাপে লৈ গঠিত হোৱা সমিতিৰ যোজনাত চন্দ্ৰকান্ত অভিধানৰ তৃতীয় সংস্কৰণৰ কাম বৰ্ত্তমান ক্ষীপ্ৰ ভাবে আগবাঢ়িছে। এই বছৰতে অভিধান খন প্ৰেছৰ বাবে মুক্ত হব বুলি আশা কৰা হৈছে।

**অসম সাহিত্য সভাৰ বুৰঞ্জী :**

সভাৰ পূৰ্ব্বৰ প্ৰস্তাৱ অনুসৰি অসম সাহিত্য সভাৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জী যুগুত কৰাৰ বাবে প্ৰস্তুতি চলি আছে। এই শিতানত অধ্যাপক লীলা গগৈৰ দায়িত্বত অসম সাহিত্য সভাৰ শাখা সন্মিলন সমূহৰ সভাপতি সকলৰ ভাষণ সমূহৰ সংকলনৰ কাম চলি আছে।

গুৱাহাটি বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক নগেন আচাৰ্য্যক সম্পাদক হিচাপে লৈ অসমৰ সাংস্কৃতিক বুৰঞ্জীৰ আঁচনি ৰাজ্য চৰকাৰৰ লগত যোগাযোগ পৰ্য্যায়ত আছে।

**প্ৰকাশন সন্দৰ্ভতে :**

জোনাকী যুগৰ কবি গবেষক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ৰচনা সমূহ একত্ৰ প্ৰকাশৰ বাবে তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীপ্ৰফুল্ল গোস্বামীৰ পৰা দানৰ প্ৰতিশ্ৰুতি পোৱা হৈছে।

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক শৰৎচন্দ্ৰ গোস্বামীৰ গ্ৰন্থ সমূহ প্ৰকাশৰ বাবেও তেখেতৰ পৰিয়ালৰ লগত যোগাযোগ কৰি এই কাৰ্য্যৰ সফলতা আশা কৰা হৈছে।

আমি হাতত লোৱা বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে

প্ৰকাশন আঁচনি যথাসময়ত কাৰ্য্যকৰী হ'ব বুলি আশা কৰিছো ।

এইখিনিতে দুখেৰে জনাব লগা হৈছো যে অসমীয়া ভাষাত বিশ্বকোষ প্ৰণয়নৰ বাবে উপৰ্য্যুপৰি ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰা স্বত্বেও এই আঁচনি কাৰ্য্যকৰী কৰি তুলিবলৈ সক্ষম হ'ব পৰা নাই । শেহতীয়া ভাবে অসম চৰকাৰৰ শিক্ষা বিভাগ, বিশ্ববিদ্যালয়, সাহিত্য সভা, প্ৰকাশন পৰিষদ আৰু বিজ্ঞান সন্থাৰ লগত সমন্বয় সাধন কৰি বিশ্বকোষ প্ৰণয়নৰ বাবে আঁচনি গ্ৰহণ কৰিবলৈ আলোচনা প্ৰসঙ্গত ৰাজ্য চৰকাৰৰ কৰ্ত্তৃপক্ষক জনোৱা হৈছে ।

**ভাষা জ্ঞান পৰীক্ষা :** শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক সচিব হিচাপে লৈ গঠিত সমিতিৰ তত্বাৱধানত এই বছৰ যোৱা ২৮ আৰু ২৯ অক্টোবৰ তাৰিখে অসমীয়া ভাষাজ্ঞান পৰীক্ষা হয় । যোৰহাট, ডিব্ৰুগড় কেন্দ্ৰত মুঠ ৭ জন পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিয়ে । তলত দিয়া ধৰণে প্ৰাৰ্থীসকল কৃতকাৰ্য্য হয় :—

প্ৰাথমিক :—(১) শ্ৰীৰাখালচন্দ্ৰ মুৰা
(২) শ্ৰীৰাগাদা মাঝি
(৩) শ্ৰীৰাম কুমাৰ লোহাৰ
(৪) শ্ৰীদীপক কুমাৰ নামা ।

**ভাষা শিক্ষা শ্ৰেণী :**

সাহিত্য সভাই হাতত লোৱা ভাষাশিক্ষা শ্ৰেণীৰ আচনিত এই বছৰত কাৰ্য্যকৰী হৈছে বুলি কব নোৱাৰি যদিও এই বিত্তীয় বছৰৰ ভিতৰতে এই শ্ৰেণী সমূহৰ কাম আৰম্ভ হ'ব বুলি আশা কৰা হৈছে । অসম চৰকাৰৰ শিক্ষা বিভাগে বিচৰামতে ভাষাশিক্ষা শ্ৰেণীৰ আঁচনি দিয়াৰ পিছত চৰকাৰৰ দ্বাৰা পূৰ্ব্ব প্ৰতিশ্ৰুত অনুদান প্ৰাপ্তি আৰু জনজাতীয় ভাষা শিক্ষাৰ প্ৰাথমিক পুথি প্ৰকাশনলৈ বাট চাব লগাই হ'ল বিলম্বৰ ঘাই কাৰণ । ইতিপূৰ্ব্বে আৰম্ভ হোৱা ডিফু, মালিগাওঁ, কেন্দ্ৰ এতিয়া স্থগিত হৈ আছে । শদিয়াত ইতিমধ্যে শদিয়া সাহিত্য সভা তথা ডিব্ৰুগড় জিলা সাহিত্য পৰিষদৰ চেষ্টাত ভাষা শিক্ষা শ্ৰেণী মুকলি হৈছে আৰু এই প্ৰচেষ্টাত নেফাৰ জনজাতীয় লোক সকলৰ অভূতপূৰ্ব্ব সহাঁৰি পোৱা হৈছে । এই কেন্দ্ৰৰ বাবে পা'ম অসমীয়া শীৰ্ষক পুথি চলিত বিত্তীয় বছৰত প্ৰকাশ পাব ।

**পত্ৰিকা :** ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী সম্পাদিত এই বছৰ পত্ৰিকাৰ তিনিটা সংখ্যা প্ৰকাশ পাইছে । প্ৰথম সংখ্যা ৰায়চৌধুৰী স্মৃতি সংখ্যা আৰু পিছৰ দুটা সংখ্যা একত্ৰীকৰণ কৰি সোণালী জয়ন্তী শতবাৰ্ষিকী সংখ্যা হিচাপে ইতিমধ্যে প্ৰকাশ পাইছে । চতুৰ্থ সংখ্যা যন্ত্ৰস্থ হৈ আছে ।

## গোপাল গোস্বামী স্মৃতি পুঁজি :

শিশু সাহিত্য প্ৰতিযোগিতাৰ বাবে প্ৰাপ্ত এক কালিন দান ৩০০টকাৰ পুৰস্কাৰ প্ৰদানৰ বাবে ৩১ ডিচেম্বৰৰ ভিতৰত বৈজ্ঞানিক আবিষ্কাৰৰ ওপৰত প্ৰতিযোগিতা পতা হয় । সমিতিৰ সিদ্ধান্ত অনুক্ৰমে ২৫।১।৬৮ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে পুৰস্কাৰ ঘোষণা কৰে ।

শ্ৰীদীনেশ চন্দ্ৰ গোস্বামীয়ে এই পুৰস্কাৰ লাভ কৰিছে ।

**ডিগবৈ ন্যাস পুঁজি :** যোৱা দুবছৰৰ শ্ৰেষ্ঠ পূৰ্ণাঙ্গ নাটকৰ বাবে ডিগবৈ সাহিত্য সেৱা সমিতিয়ে আয়োজন কৰা নাটক প্ৰতিযোগিতাত শ্ৰীঅৰুণ শৰ্ম্মাৰ, নিবাৰণ ভট্টাচাৰ্য্য আৰু আব্দুল মাজিদৰ চোৰ নাটক দুখনি শ্ৰেষ্ঠ নাটক হিচাপে পৰিগণিত হয় ।

—দুয়ো সৰাকী নাট্যকাৰকে পুৰস্কাৰ দিয়া হ'ব ।

**পুঁজি :** নকলেও হ'ব যে সাহিত্য সভাৰ বিভিন্ন কাৰ্য্যৰ আঁচনি সফল কৰি তুলিবলৈ হলে এটি শক্তিশালী পুঁজিৰ আৱশ্যক । এই বছৰ ৰাইজৰ পৰা সাধাৰণ পুজিৰ বাবে ধন সংগ্ৰহ কৰা নাই । সাহিত্য সভালৈ ৰাজ্য চৰকাৰৰ পৰা ত্ৰিশ হাজাৰ টকাৰ এক কালিন বাৰ্ষিক অনুদানৰ বাবে এইবাৰো মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীৰ কাষ চপা হয় । সাহিত্য সভালৈ এক কালিন দান এই বিত্তীয় বছৰৰ পৰাই ১০ হাজাৰৰ পৰা ১৫ হাজাৰলৈ উন্নীত হৈছে ।



**প্ৰচাৰ আৰু সংগঠন :** অসম সাহিত্য সভাৰ সাধাৰণ সভ্য আৰু আজীৱন সভ্য বৃদ্ধিৰ ক্ষেত্ৰত আৰু ভিতৰুৱা অঞ্চলতো সংগঠনৰ পৰিসৰ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিয়া হয় । কিন্তু এই বছৰ উদ্ভৱ হোৱা উৎকট খাদ্য সংকট আদি সাময়িক পৰিস্থিতিয়ে সংগঠনৰ অগ্ৰগতিত যথেষ্ট বাধা দিয়ে । তথাপি চলিত বছৰত আমি ৩২ খন শাখা সভা ২ খন স্বীকৃত সভা আৰু জন নতুন সভ্য আৰু ২২জন আজীৱন সভ্যক স্বীকৃতি দিবলৈ সমৰ্থ হৈছো । এইখিনিক ধৰি আমাৰ মুঠ শাখা সভা ২৪১ ( ১২খন স্বীকৃত ) সভা ২৬,৪০০ সভ্য আৰু আজীৱন সভ্য ৩৩২ জন ।

উল্লেখযোগ্য যে ১৯৬৫ চনতে কাঃ নিঃ সমিতিয়ে যুগুত কৰা প্ৰচাৰ আৰু সংগঠন মূলক আঁচনিৰ ভিত্তিত গঠিত ডিব্ৰুগড় জিলা পৰিষদে সীমান্ত অঞ্চলকে ধৰি চাহ বাগিচা অঞ্চলৰ মাজতো প্ৰচাৰ মূলক কাম কৰিবলৈ সক্ষম হৈছে । আমাৰ সকলো অঞ্চলতে এনে ধৰণেৰে পৰিষদ গঠিত হৈ প্ৰচাৰ মূলক কাৰ্য্য অনায়াসে বৃদ্ধি কৰিব পাৰে । বৰ্ত্তমানে সাহিত্য সভাৰ প্ৰচাৰ বিভাগ এটি স্থাপিত হৈছে যেতিয়া অঞ্চল বিশেষে শাখা সভা সমূহৰ সমষ্টিৰে একোখনি আঞ্চলিক প্ৰচাৰ পৰিষদ গঠন হোৱাটো নিতান্তই বাঞ্ছনীয় ।

সীমান্তৰ শদিয়াত ডিব্ৰুগড় আঞ্চলিক পৰিষদৰ যোজনাত যোৱা বছৰ ডিব্ৰুগড় সন্মিলনত প্ৰতিনিধিত্ব কৰা খামতি, পাদম, ইদু আৰু দৈয়ামৰ জন জাতিৰ নেতৃবৃন্দৰ সমাবেশত এই প্ৰধান সম্পাদকৰ সভাপতিত্বতে অনুষ্ঠিত হোৱা আলোচনাচক্ৰ এই প্ৰসঙ্গতে তাৎপৰ্য্যপূৰ্ণ । শ্ৰীচৌখামুণ গোহাঁই, প্ৰতীক পতম, আৰু গোৱা পাটিন প্ৰেমৰতন আদি নেতৃস্থানীয় লোক সকলে শদিয়াত অসম সাহিত্য সভাই এটি সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰাৰ যোগে সম্প্ৰীতি সদৃঢ় কৰাত গুৰুত্ব দিয়ে । পূৰ্ব্বে উল্লেখিত পাদম অসমীয়া নামৰ ভাষা শিক্ষা শ্ৰেণীৰ কাৰণে যুগুত কৰা পুথিখনো জিলা পৰিষদৰ পৰাই যুগুত কৰা হৈছে ।

এই বছৰ কাঃ নিঃ সমিতিৰ পূৰ্ব্বৰ সিদ্ধান্ত অনুসৰি লিডু স্কুললৈ ২০০ টকা আৰু কাছাৰৰ দেশভক্ত তৰুণৰাম ফুকন এম, ই স্কুললৈ ২৫০ টকাৰ এক কালিন দান সাহায্য দিয়া হয় । গড় গাওঁৰ কাষৰ নগাগাওঁ লাইব্ৰেৰী, শদিয়া, লিডু ধুবুৰীৰ প্ৰতাপগঞ্জ অঞ্চলত, কাছাৰৰ শিলছৰ, গড়ৰ ভিতৰ সভাক প্ৰকাশনৰ পুথি দান দিয়া হয় । পূৰ্ব্বে বিতৰণ কৰা বাতৰি কাকত আদিৰ যথা ব্যৱস্থা কৰা হৈছে । আজীৱন সভ্য শ্ৰীভুবন ডেকাই বিতৰণৰ বাবে আঠৈকৰি কিতাপ দান দিয়ে ।

কাঃ নিঃ সদস্য শ্ৰীললিত শৰ্ম্মা বৰুৱাৰ চেষ্টাত উত্তৰলক্ষীমপুৰ আৰু সীমান্তৱৰ্ত্তী অঞ্চল পৰ্য্যন্ত সংগঠন বৃদ্ধি পাইছে । ধুবুৰীৰ খলিলুৰ ৰহমান, কাছাৰত কুমাৰ মেধিয়ে স্থানীয় ভাবে সংগঠনত গুৰুত্ব দিছে । সীমান্তৰ শদিয়া অঞ্চলত সততে যোগাযোগ ৰখা শ্ৰীধৰ্ম্ম কান্ত গোহাঁইয়ে সভাৰ প্ৰচাৰ ক্ষেত্ৰত ব্ৰতী হৈ আছে । কামৰূপ জিলাত সহকাৰী সম্পাদক নন্দতালুকদাৰৰ যোজনাত কেবাখনো নতুন সভা হৈছে ।

চাহবাগিছাৰ সাংস্কৃতিক জীৱন ধাৰাৰ ওপৰত প্ৰচাৰ বিভাগে যুগুত কৰা 'চাহবাগিচাৰ অসমীয়া' অসমীয়া শীৰ্ষক পুস্তিকা সন্দৰ্ভত চাহবনুৱা সম্প্ৰদায়ৰ শ্ৰীচিত্ৰ গোপাল কৰ্ম্মকাৰকে ধৰি কাঃ নিঃ সদস্য শ্ৰীনাৰায়ণ ঘাটোৱাৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰীহৰেণ ভূমিজৰ সহায় পোৱা হৈছে । প্ৰধান সম্পাদকে কেবাখনো চাহবনুৱা ছাত্ৰ সন্থাৰ সভাত উপস্থিত থাকে । ইতিমধ্যে চাহ বনুৱা শিক্ষিত সম্প্ৰদায়ৰ লগত বুজাপৰাৰ বাবে সম্ভৱপৰ প্ৰচেষ্টা চলোৱা হৈছে ।

**সপ্তাহ পালন :** অসম সাহিত্য সভাৰ সপ্তাহ পালনৰ যোগে প্ৰচাৰ আৰু সভ্য ভৰ্ত্তি অভিযানত গুৰুত্ব দিয়া হয় । এইবছৰ আগৰৱালা আৰু বৰদলৈ শতবাৰ্ষিকীৰ লগত সম্পৰ্ক ৰাখি ২৮ নবেম্বৰলৈকে সপ্তাহৰ কাৰ্য্য সূচী লোৱা হয় । সপ্তাহ উপলক্ষে সাহিত্য সভাৰ প্ৰতীক বিক্ৰীৰ ব্যৱস্থা কৰা হয় । প্ৰচাৰ বিভাগৰ যোজনাত এখনি প্ৰচাৰ পত্ৰ প্ৰকাশ কৰা হয় ।

এইখিনিতে উল্লেখ কৰা হয় যে অসমত বৰ্ত্তমান গভীৰ জাতীয় সমস্যাত অসম সাহিত্য সভাক এক গতিশীল আৰু জীৱন্ত অনুষ্ঠানত পৰিণত কৰাৰ মানসেৰে সভ্য সংখ্যা ১ লাখ জন আৰু আজীৱন সভ্য ১ হেজাৰ জনলৈ বৃদ্ধি কৰাৰ যি সংকল্প লোৱা হৈছে

তাক কাৰ্য্যকৰী কৰিবলৈ হলে সাহিত্য সভাৰ প্ৰচাৰ বিভাগ অধিক সক্ৰিয় কৰা, আঞ্চলিক ভাবে জিলা পৰ্য্যায়ত পৰিষদ গঢ়ি তোলা, সভাৰ এখন নিজা ছাপাশাল আৰু যানবাহনৰ ব্যৱস্থা কৰা, নেফা, কাছাৰ, চাহবাগিছা উদ্যোগ অঞ্চল আদিৰ বাবে বিশেষ ধৰণৰ পুস্তিকা প্ৰকাশ কৰা আৰু সৰ্ব্বশেষত এটি শকত পুঁজি গঠন কৰাৰ ওপৰত জৰুৰী ভাবে গুৰুত্ব দিব লাগিব।

**কেন্দ্ৰীয় লাইব্ৰেৰী আৰু সংগ্ৰহালয় :**

সাহিত্য সভাৰ কেন্দ্ৰীয় লাইব্ৰেৰী উন্নয়ন কল্পে জাতীয় লাইব্ৰেৰীলৈ ৰূপান্তৰিত কৰাৰ মানসে পুথি দান বিচাৰি লেখক আৰু প্ৰকাশক সকলক অনুৰোধ জনোৱা হৈছে। গ্ৰন্থসূচীৰ আঁচনি হাতত লৈ আহ্বান জনোৱাৰ পৰা বৰ্ত্তমানলৈকে ২৪০ জন লেখকৰ পৰা কিতাপ পোৱা হৈছে।

পৰণি পুথি সংগ্ৰহ আৰু সাহিত্যিকৰ সমল সংগ্ৰহৰ দ্বাৰা এটি সংগ্ৰহালয় ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত স্থাপনৰ বাবে এখনি প্ৰাথমিক পৰ্য্যায়ৰ আঁচনি হাতত লোৱা হৈছে।

কা: নি: সমিতিয়ে কেন্দ্ৰীয় লাইব্ৰেৰী উন্নয়নৰ বাবে এখন উপ সমিতি পাতি দায়িত্ব আৰোপ কৰিছে।

এই বছৰ গঠিত হোৱা নতুন শাখা সভা সমূহ হ'ল: লক্ষীপুৰ, দুধনৈ, পশ্চিম ৰবিগোগ, জ্ঞানদায়িনী, জেউতী, কুৰৱীগাওঁ, ঔফলী, পূব-বিহালী, বৰভাগ, বনমাজা, বিলাসীপাৰা, কাকজান, খেৰাজঘাট, গোলোক গঞ্জ, গড়েবৰন্দ, বঙ্গাইগাওঁ, চাঁদালমৰা, ভৱানীপুৰ, মুকুল, (কলগছিয়া) ৰূপহী, হামলুংটিং, ৰূপজ্যোতি, ধ্ৰুৱজ্যোতি বিহালী, জাগীৰোড, বঙাই আঞ্চলিক, বহৰী, নৰায়ণপুৰ, অপৰাজেয়, গড়ৰ ভিতৰ, বকো সাতাগাওঁ, বিশ্বনাথ চাৰি আলি শাখা সাহিত্য সভা।

স্বীকৃত সভা : পূব চাৰি আলি নেপালী ছাত্ৰ সংঘ।

**আজীৱন সভ্যসকল :**

(১) শ্ৰীচন্দ্ৰনাথ ফুকন, ডা: বিপিন কুমাৰ কৰ, শ্ৰীনীল ভূষণ দেৱ, অৰুণ চন্দ্ৰ গুহ, শৰৎকুমাৰ দত্ত, সান্ত্বনা বৰুৱা, সুচেন চন্দ্ৰ কলিতা, অঞ্জলা বুঢ়া গোহাই, ডা: দিনেশ চন্দ্ৰ দত্ত, শ্ৰীতুলসী ৰাম মহন্ত, ধন নাথ হাজৰিকা, লীলা ৰাম গগৈ, শ্ৰীবিশ্বনাথ শৰ্ম্মা, শ্ৰীমান প্ৰফুল্ল গোস্বামী।

**শাখা সভাসমূহৰ কাৰ্য্যক্ৰমৰ চমুটোকা :**

অসম সাহিত্য সভাৰ মূল শক্তি হ'ল ৰাজ্য খনৰ চুকে কোণে সংগঠিত হোৱা শাখা আৰু স্বীকৃত সভা সমূহ। সাহিত্য সভাৰ প্ৰচাৰ, প্ৰসাৰ সংগঠন আৰু কাৰ্য্যক্ৰমৰ অগ্ৰগতিত, তদুপৰি প্ৰত্যেক এলেকাত একোটি সাহিত্য মুখী পৰিবেশ সৃষ্টিত শাখা সভা আৰু স্বীকৃত সভা সমূহে পাৰ্য্যমানে বৰঙণি যোগাই, অনুষ্ঠানটিক শক্তিশালী আৰু গতিশীল কৰি ৰখাত সহায় কৰিছে। মুঠখন শাখা সভা আৰু স্বীকৃত সভাৰ ভিতৰত ১৯৬৭ চনৰ বছৰটোৰ ভিতৰত ৩২ খন শাখা সভা আৰু ২খন স্বীকৃত সভা নকৈ গঠিত হৈছে। অসমীয়া ডেকা গাভৰু সকলৰ মাজত যে নতুন জাগৰণ হৈছে, সাহিত্য সভাৰ সভ্য সংখ্যা বৃদ্ধি শাখা সভাৰ সংগঠন বৃদ্ধিয়েই তাৰ প্ৰমাণ। আমি আশা কৰিছোঁ আমাৰ শাখা সমূহৰ যোগেদি শীঘ্ৰেই অন্ততঃ একলাখলৈ সাধাৰণ সভাৰ সংখ্যা বৃদ্ধি পাব আৰু কমেও এহেজাৰ জনলৈ আজীৱন সভ্য সংখ্যা বৃদ্ধি পাব। মূল সভাৰ বিজ্ঞপ্তি অনুসৰি কৰা কামৰ বাহিৰেও শাখা সভা সমূহে স্বতন্ত্ৰ ভাবে স্থানীয় অৱস্থাৰ লগত সঙ্গতি ৰাখি নিজা কাৰ্য্যক্ৰম হাতত লোৱাটো সুখৰ কথা। শাখা সভা সমূহৰ পৰা আহ্বান কৰি অনা বছেৰেকীয়া কাৰ্য্যবিৱৰণ সযতনে সংৰক্ষণ কৰা হৈছে, যাতে অসম সাহিত্য সভাৰ সাম্প্ৰতিক গতি শক্তিৰ ইতিহাস ভাবী কালৰ কাৰণে ৰক্ষা পৰে। সেইবাবে ইয়াত শাখা সভাৰ তালিকা সন্নিবিষ্ট নকৰি আমাৰ শাখা সমূহেনো কেনেভাৱে অনুষ্ঠানটিৰ প্ৰাণ শক্তিক সবল কৰি ৰাখিছে, তাৰ ইঙ্গিতহে আমি মাত্ৰ ইয়াত দিব খুজিছোঁ।

সভাৰ প্ৰাক্তন সভাপতি দেশপ্ৰাণ অম্বিকাগিৰী ৰায়চৌধুৰী, সভাপতি, আজীৱন সাহিত্য সেৱী নকুলচন্দ্ৰ ভূঞা; অক্লান্ত সাহিত্য সেৱী দৈৱচন্দ্ৰ তালুকদাৰ, প্ৰাক্তনসভাপতি বিহগী কবি ৰঘুনাথ চৌধাৰীৰ মৃত্যুত



শাখা সভা সমূহে নিজা অঞ্চলত শোক সভা আৰু স্মৃতি তৰ্পণ কৰিছে। ইয়াৰ উপৰিও স্বৰ্গগত অসমীয়া শিল্পি সাহিত্যিকৰ মৃত্যু দিৱসো তেখেতসকলৰ সাহিত্য-প্ৰতিভা, ব্যক্তিত্বৰ ওপৰত আলোচনা চক্ৰৰ আয়োজন কৰি পালন কৰিছে।

বছৰৰ আৰম্ভতে ১৩ জানুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰে অসম পুনৰ গঠন সম্পৰ্কে দিয়া বিবৃতিৰ পৰা ২৮ ডিচেম্বৰৰ কেন্দ্ৰীয় প্ৰধান মন্ত্ৰীয়ে সেই সম্পৰ্কত কৰা অবাঞ্ছিত মন্তব্যলৈকে, এই সময় ছোৱাত অসমৰ অখণ্ডতা, ঐক্য, সম্প্ৰীতি-ৰক্ষা কৰাৰ বাবে জনমত গঢ়ি তোলাত আৰু জনসধাৰণৰ মাজত জাগৰণ অনাত শাখা সভা সমূহে বিশেষ ভূমিকা গ্ৰহণ কৰি অসম সাহিত্য সভাৰ ৫।২।৬৭ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতি আৰু ১৬।৫।৬৭ তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সিদ্ধান্তক সবল বুনিয়াদ দান কৰিছে। সেহতো কমিটিৰ পৰামৰ্শাৱলী এই ক্ষেত্ৰত গ্ৰহণ কৰিবলৈ সাহিত্য সভাই জনোৱা আহ্বানো শাখা সমূহে অধিক শক্তিশালী কৰি তুলিছে। ১১ ফেব্ৰুৱাৰীৰ প্ৰতিবাদ দিৱসৰ সফল উদ্‌যাপন উল্লেখযোগ্য।

৬।৩।৬৭ তাৰিখে বিজ্ঞপ্তি যোগে অসম আৰু নগালেণ্ডৰ মুখ্য ন্যায়াধীশে অসম ৰাজ্যভাষা আইন ১৯৬০ ৰ উলংঘা কৰি নিম্ন আদালত সমূহত অসমীয়া ভাষা ব্যৱহাৰত প্ৰতিবন্ধক জন্মোৱাত—এনে অসঙ্গত বিজ্ঞপ্তি প্ৰত্যাহাৰৰ বাবে সাহিত্য সভাই কৰা দাবীক শাখা সমূহে প্ৰতিবাদ দিৱস, প্ৰস্তাৱ গ্ৰহণৰ যোগে সবলতা দান কৰিছে। আইন-আদালত আৰু প্ৰশাসনত অসমীয়া ভাষা প্ৰয়োগ থকা আসোঁৱাহ আঁতৰাই ভাষা আইনৰ পূৰ্ণপ্ৰয়োগ কৰিবলৈ দাবী জনাই শাখাসভা সমূহে জনমত গঢ়ি তুলিছে। তদুপৰি, কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী দপ্তৰে আঞ্চলিক ভাষাক বিশ্ববিদ্যালয়ৰ মাধ্যম কৰাৰ প্ৰস্তাৱক স্বাগতম জনাই প্ৰস্তাৱাদি গ্ৰহণ আৰু প্ৰেৰণ কৰি অসমৰ বিশ্ববিদ্যালয় সমূহতো এই নীতি প্ৰয়োগৰ দাবী জনাইছে।

১৯৬৭ চনৰ নৱেম্বৰ ২৪ আৰু ২৮ তাৰিখে ক্ৰমে অসমীয়া ঔপন্যাসিক সম্ৰাট ৰজনীকান্ত বৰদলৈ আৰু অসমীয়া ৰোমাণ্টিক কবি সকলৰ অগ্ৰগণী চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাৰ শাখা সমূহে স্থানীয় ভাবে আলোচনা চক্ৰ, ৰাজহুৱা সভা, ৰম্ভি প্ৰজ্বলন আদি কাৰ্য্য সম্পন্ন কৰে। ২৩ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰলৈকে এই কেদিন 'অসম সাহিত্য সভা সপ্তাহ।' বিভিন্ন কাৰ্য্যসূচীৰে শাখা সমূহে পালন কৰি, সাহিত্য সভাৰ সভ্য বৃদ্ধি, পতাকা বিক্ৰী, প্ৰচাৰ পত্ৰ বিক্ৰী, পুথি বিক্ৰী, অভিযান চলায়। এই সপ্তাহটোৰ ভিতৰত পুৰণি শাখাৰ উদ্যোগত নতুন শাখা স্থাপন হোৱাটোও মন কৰিবলগীয়া কথা।

বিহু উৎসৱ, মহাপুৰুষ আৰু স্বৰ্গগত সাহিত্যিক সকলৰ তিথি, স্বাধীনতা দিৱস আদি পালন কৰি শাখা সমূহে জনসাধাৰণৰ মাজলৈ সোমাই যাব পৰাটো শুভ-লক্ষণ। তদুপৰি হ'ল, স্কুলঘৰ, পুথি ভঁড়াল আৰু সভাৰ স্থায়ী নিজা ভৱন নিৰ্ম্মানৰ বাবেও কেইবাখনো শাখাই কাৰ্য্যসূচী হাতত লৈ সুন্দৰ আৰ্হি দেখুৱাইছে। ডিব্ৰুগড়ত নিৰ্ম্মিয়মান 'বেজবৰুৱা ভৱন'ৰ কথা প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য। সম্বৰ্দ্ধনা সভা, একাংক নাট সন্মিলন, বিভিন্ন বিষয়ৰ ওপৰত আলোচনা চক্ৰৰ আয়োজন আদিও শাখা সমূহে কৰাৰ বতৰা নিশ্চয় সুখকৰ।

চাহবাগিচাৰ বনুৱা অসমীয়া, অসমৰ পাৰ্ব্বত্য এলেকাৰ বিভিন্ন অসমীয়া সম্প্ৰদায়, অনুন্নত অঞ্চলত শাখা সভা সমূহৰ কেইবাখনিয়েও সাহিত্য সভাৰ প্ৰচাৰ কাৰ্য্যত আত্মনিয়োগ কৰিছে। নগাভূমিৰ লগতো এনে সম্পৰ্ক গঢ়িবলৈ চেষ্টা কৰা হৈছে। শদিয়া, চুণপোৰা, আদি ঠাইত সম্প্ৰীতি সভাৰ আয়োজনে, অসমত বাসকৰা বিভিন্ন সম্প্ৰদায়ৰ মাজত সমন্বয় ৰক্ষাৰ চেষ্টাই মূল সভাৰ উদ্দেশ্যক সফল কৰাত কম সহায় কৰা নাই। উদ্যোগপ্ৰধান নামৰূপ, ডুলিয়াজান আদিত হোৱা সবল সংগঠনৰ কথাও উল্লেখযোগ্য।

কেইবাখনিও শাখাই হাতেলিখা বা ছপা কৰা মুখপত্ৰ উলিওৱাৰ বতৰাও আহিছে। বছৰটোত গুৱাহাটী সাহিত্য সভাই অম্বিকাগিৰি ৰায়চৌধুৰী, প্ৰবন্ধ শৰাই; ডাঙৰী সাহিত্য সভা বাৰ্ষিকী; ডিমৰীয়া শাখাই 'এইখন ডিমৰীয়া, সোমাৰ সৌৰভ, দণ্ডীধৰ কাটোৱালী গ্ৰন্থাৱলী; ৰকতাৰ সোণাৰৰ চুতীয়াৰ 'দাপোণ'ৰ দ্বিতীয় সংস্কৰণ; ৰৰহাপজানৰ প্ৰচাৰ পত্ৰ, আদি পুথি আলোচনী, প্ৰচাৰ

পত্ৰই প্ৰকাশ লাভ কৰিছে। তদুপৰি শিশু আলোচনী ; কমলাবাৰী শাখাই মণিৰাম গায়ন নুক্তিয়াৰ স্মৃতিগ্ৰন্থ ; টংলা সাহিত্য সভা পত্ৰিকা ; বৰপেটা শাখাই সুন্দৰম ; কেইবাখনো শাখাই স্থানীয় বুৰঞ্জী প্ৰসিদ্ধ ঘটনা স্থানাদিৰ বিৱৰণ, পৰিহৰেশ্বৰ দেৱালৰ তথ্য, গল্প সংকলন, প্ৰচাৰ পত্ৰ আদি প্ৰকাশৰ ব্যৱস্থাও স্থানীয় শাখাসমূহে লোৱাটো প্ৰশংসাযোগ্য কাম নিশ্চয়। পুৰণি সাঁচি-পতীয়া পুথি সংগ্ৰহ লোক গীতি আদিৰ সংগ্ৰহ কাৰ্য্যত শাখাসমূহৰ কেইবা খনিয়েও কৰিছে।

শাখাসমূহৰ এনে কাৰ্য্যক্ৰমে অসম সাহিত্য সভাৰ উদ্দেশ্যৰ সফলতা, আঁচনিৰ কাৰ্য্যকাৰিতা, সবল অগ্ৰগতি, প্ৰচাৰ আৰু সংগঠনৰ ব্যাপকতা আৰু জনতা মুখী মনোভাৱৰ স্পষ্ট পৰিচায়ক।

এইখিনিতে আমি ৰাজ্যৰ সকলৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু স্কুল কলেজ বিশ্ববিদ্যালয় আদি শিক্ষা-নুষ্ঠান সমূহে আপোনভাৱে সাহিত্য সংস্কৃতিৰ নামত আগবঢ়োৱাৰ কথাও সুঁৱৰিছোঁ।

**বিত্তীয় ব্যৱস্থা :** প্ৰতিবেদন সামৰাৰ আগতে আগৰ বিত্তীয় ব্যৱস্থাৰ এটি আভাস দিব খুজিছোঁ। স্থানান্তৰত মোৰ বিত্তীয় বছৰৰ হিচাপৰ বিস্তৃত বিৱৰণ সহ উদ্ধৃত পত্ৰ আৰু চলিত বিত্তীয় বছৰৰ ৩১ ডিচেম্বৰ পৰ্য্যন্ত জমা খৰচৰ বিৱৰণি দিয়া হৈছে।

সভাৰ আচুতীয়া পুঁজিৰ বাদে সাধাৰণ পুঁজিৰ আয়ৰ পথ হ'ল যাইকৈ চৰকাৰী অনুদান, পুথি বিক্ৰী, সাধাৰণ সভ্যৰ বৰঙণি, বিশেষ দান আদি। উল্লেখযোগ্য যে সাহিত্য সভা আজি চকুৰ পচাৰতে এখন মহাসভাৰূপে বৃহৎ জাতীয় অনুষ্ঠানত পৰিণত হোৱাৰ সময়ত কেৱল চৰকাৰী অনুদানৰ মুখাপেক্ষী-হৈয়েই নিৰ্দ্দিষ্ট আঁচনি কাৰ্য্যকৰী কৰাটো সম্ভৱপৰ নহব। আনহাতে চৰকাৰী অনুদানো হ'ল মাত্ৰ ১৫ হাজাৰ। অথচ বছৰি বছৰি আয় কৰ পৰিমাণ বৃদ্ধি পাই আহিছে। সেতিকে সভাই এটি শক্তিশালী পুঁজিৰ সংগ্ৰহত গুৰুত্ব দিব লগা হ'ল। এটি শক্তিশালী পুঁজিৰ ভিত্তিত এটি উন্নত ছাপাশাল প্ৰতিষ্ঠা আৰু সাহিত সভাৰ প্ৰকাশন আৰু বিক্ৰী বিভাগৰ এজন স্থায়ী সচিব নিযুক্তিৰে সুকীয়া পৰিচালনাৰ ব্যৱস্থাৰ যোগে সভাৰ স্থায়ী আয়ৰ নিশ্চয় মুকলি কৰিব পাৰি। সেতিকে সাহিত্য সভা জনমুখী হোৱা সময়ত জন সমাজৰ সৰ্ব্বতো প্ৰকাৰে সাহিত্য সভাক আৰ্থিক সহায় সহানুভূতি জৰুৰী ভাৱেই অতীৱ প্ৰয়োজন হৈছে।

**দৃষ্টিপাট :** সাহিত্য সভাৰ পঞ্চাশ বছৰৰ দীঘল সময়ৰ সীমাৰেখাৰ শেষ বিন্দুত ঠিয় দি আজি অনুষ্ঠানটোৰ কাৰ্য্যকলাপ আৰু অগ্ৰগতিৰ এটি সমীক্ষাৰ প্ৰয়োজন নিশ্চয় হৈছে। আজিৰ জাতীয় সমস্যাত সাহিত্য সভাৰ বলিষ্ঠ ভূমিকা লৈ নানা জনে নানা মন্তব্য দিলেও আমি এই কথা ন-দি কব খুজিছো যে—সাহিত্য সভাই এতিয়া লৈকে লোৱা আঁচনিত অসমীয়া জাতিৰ সংহতি আৰু আত্ম-ৰক্ষাৰ যোগে সুস্থ মানস গঢ়িতোলাৰ প্ৰয়াস স্পষ্ট। মাত্ৰ এতিয়া লাগে এদল নিষ্ঠাবান কৰ্ম্মী। সুখৰ বিষয় অসমৰ ডেকা শক্তিৰ মাজত সাহিত্য সভাৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। আধুনিক লেখক সমাজো আজি সাহিত্য সভাৰ মজিয়াত প্ৰৱেশ কৰিছে। এনে অৱস্থাত সাহিত্য সভাখনক এতিয়া নকৈ ৰূপ দিয়াৰ প্ৰয়োজন হৈছে। বিশেষকৈ আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ পটভূমিত। সমস্যাপূৰ্ণ অসমখনত এক সুন্দৰ সাহিত্যিক পৰিৱেশ সৃচাই লেখক প্ৰকাশক আৰু পাঠক সমাজৰ মাজত সমন্বয় সাধনৰ যোগেদি সাহিত্যৰ মানদণ্ড নিয়ন্ত্ৰণ কৰাত গুৰুত্ব আৰোপ কৰা আৰু এই ক্ষেত্ৰত সভাৰ ফালৰ পৰা পত্ৰিকাৰ লগতে এখনি মানবিশিষ্ট স্থায়ী আলোচনী প্ৰকাশত এটি স্থায়ী প্ৰকাশ বিভাগ প্ৰতিষ্ঠা কৰি বিভিন্ন পৰিক্ৰমাত প্ৰকাশ কাৰ্য্যত গুৰুত্ব দিয়াত সাহিত্য প্ৰতিযোগিতা আদিৰ যোগে ছাত্ৰ সমাজৰ মাজত পৰিৱেশ সৃচোৱাত, স্থায়ী প্ৰচাৰ বিভাগ স্থাপন কৰি ভিতৰুৱা অঞ্চল আদিত প্ৰচাৰ কাৰ্য্য বৃদ্ধি কৰাত আঞ্চলিক পৰিক্ৰমাত সংগঠন সুদৃঢ় কৰাৰ লগতে পাৰ্ব্বত্য আৰু ভিতৰুৱা অঞ্চলৰ মাজত বুজাপৰা আৰু ভাৱৰ আদান প্ৰদান বৃদ্ধি কৰাত আৰু একেটি কেৱল নিৰ্ম্মাণৰ যোগে স্থায়ী প্ৰচাৰ



কেন্দ্ৰ স্থাপন কৰাত আৰু সৰ্ব্বশেষত অঞ্চলবিশেষে সংগঠক আৰু প্ৰচাৰক নিযুক্ত কৰাত অসম সাহিত্য সভাই এতিয়া গভীৰ ভাৱে মনোনিবেশ কৰিব পৰা হৈছে বুলি অনুভৱ কৰিব পাৰিছো।

আজিৰ পটভূমিত সাহিত্য সভাৰ নিয়ম তন্ত্ৰবো বৈজ্ঞানিক প্ৰণালীৰে সংশোধন কৰাটো আৱশ্যক হৈছে। সাহিত্য সভাৰ অধিৱেশন অন্ততঃ দুবছৰীয়া কৰি কাৰ্য্য-কাৰকসকলক অন্ততঃ হাতত লোৱা আঁচনি সমূহ ৰূপায়িত কৰাৰ বিষয়ত চিন্তা কৰিবলৈ সুযোগ নিদিলে সভাৰ আঁচনিৰ অগ্ৰগতি স্বাভাৱিক ভাৱেই ব্যাহত হব বুলি ধাৰণা হয়। এই ক্ষেত্ৰত বিষয় বাছনি সভাৰ সংগঠন সম্পৰ্কেও চিন্তা কৰাৰ আৱশ্যকতা আছে।

আমি ভাবো অসমীয়া সাহিত্যৰ লেখক আৰু প্ৰকাশকৰ সমস্যাৰ আলচ আৰু এইখিনিৰ বছেৰেকীয়া সতিয়ান সাহিত্য সভাৰ অধিৱেশনৰ মজিয়াত হব পাৰিলে ঘড়ীৰ কাটাৰ দৰে অগ্ৰসৰ হৈ আমাৰ জাতীয় জীৱনৰ উপযুক্ত মানস গঢ়াত আৰু বিশ্বদৰবাৰত আমাৰ উপযুক্ত স্থান আহৰণ কৰাত আমি অচিৰে কৃতকাৰ্য্যতা লাভ কৰিব পাৰিম।

মাননীয় প্ৰতিনিধি বৰ্গৰ কাষত বিবেচনাৰ বাবে আগবঢ়োৱা এইখিনি মোৰ প্ৰধান সম্পাদক হিচাপে লাভ কৰা অভিজ্ঞতাৰ প্ৰকাশ মাত্ৰ।

ইমানতে প্ৰতিবেদনৰ সামৰণি মাৰিছো। আমাৰ কাৰ্য্যকালৰ ভিতৰতে হেৰুৱা সভাপতি ভূঞা ডাঙৰীয়াই ৰোগ শয্যাৰ পৰাই সদায় দি অহা দিহা পৰামৰ্শৰ কথা এই মুহূৰ্ত্তত মনত পেলাই গভীৰ বেদনা অনুভৱ কৰিছো। সভাপতি জনাই তেখেতৰ শেষ বক্তব্য ৰোগশয্যাৰ পৰাই বিবৃতি আকাৰে দিবলৈ যুগুত কৰিছিল। এতিয়া অজান দেশৰ পৰাই তেখেতে চিৰ দিন প্ৰেৰণা দিয়ক এয়ে কামনা।

আমাৰ কাৰ্য্যকালত সততে পোৱা দিহা পৰামৰ্শৰ বাবে প্ৰাক্তন সভপতি অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ নাম প্ৰথমেই লৈছো। প্ৰয়োজন বিশেষে শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ পৰাও মূল্যবান পৰামৰ্শ পাই আমি কৃতজ্ঞ হৈছো। আমাৰ উপ সভাপতি ডঃ মহেশ্বৰ নেওগ দেৱে সকলো সময়তে গুৰি ধৰি আহিছে। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সহযোগী সদস্য সকলৰ উপৰিও বিভিন্ন সময়ত সহকৰ্ম্মী আৰু সহযোগী সকলৰ পৰা পোৱা সহায় সহযোগৰ বাবে সদৌজনলৈকে কৃতজ্ঞতা জনাইছো।

# তেজপুৰ অধিৱেশন

শ্ৰীনগেন শইকীয়া

প্ৰাগৈতিহাসিক কালৰে পৰা তাহানিৰ শোণিতপুৰ আৰু এতিয়াৰ তেজপুৰে অসমৰ সাহিত্য-সংস্কৃতিৰ বন ভৰাঁলৈ সোণসেৰীয়া বৰঙণি যোগাই আহিছে। সাহিত্য, সঙ্গীত, চিত্ৰ, ভাস্কৰ্য্য, স্থাপত্য-সুকুমাৰ কলাৰ সকলো দিশতে তেজপুৰে নিজা মৌলিক অৱদানেৰে অসমৰ সাংস্কৃতিক জীৱনক মহীয়ান কৰি আহিছে। এই ঐতিহ্যৰ পৰম্পৰা তেজপুৰে বাগীয়ে ৰক্ষা কৰি অহাৰ নানা দৃষ্টান্তৰ ভিতৰত উল্লেখযোগ্য দৃষ্টান্ত হ'ল অসমৰ একমাত্ৰ শক্তিশালী সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান অসম সাহিত্য সভাৰ মুকলি অধিৱেশন এই প'ন্ত তিনিবাৰকৈ নিমন্ত্ৰণ কৰি সুন্দৰ ভাবে আৰু কৃতকাৰ্য্যতাৰে সম্পন্ন হোৱাত যোগোৱা আন্তৰিক সফল প্ৰচেষ্টা।

১৯২০ চনত পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীৰ সভাপতিত্বত আৰু ১৯৩৬ চনত বিহগী কবি ৺ৰঘুনাথ চৌধাৰীৰ সভাপতিত্বত অসম সাহিত্য সভাৰ ক্ৰমে চতুৰ্থ আৰু ষোড়শ অধিৱেশন বহাৰ পিচত ১৯৬৮ চনৰ জানুৱাৰী মাহৰ ২৬, ২৭, ২৮ তাৰিখে তিনিদিনিয়াকৈ এই তেজপুৰতে প্ৰবীন চিন্তাবিদ সাহিত্যিক শ্ৰীজ্ঞাননাথ বৰা দেৱৰ পৌৰোহিত্যত অসম সাহিত্য সভাৰ পঞ্চত্ৰিংশ তম অধিৱেশন অনুষ্ঠিত হয়। অধিৱেশনৰ লেখেৰে এই অধিৱেশন ৩৫ তম হ'লেও অসম সাহিত্য সভাৰ বয়সৰ লেখেৰে এই অধিৱেশন সাহিত্য সভাৰ পঞ্চাশ বছৰীয়া সোণালী জয়ন্তী অধিৱেশন।

অসম সাহিত্য সভাৰ অধিৱেশন উপলক্ষে সুদৃশ্য নগৰী তেজপুৰ জনসমাগমত দলদোপ হেন্দোলদোপ হৈ পৰিল। অসম সাহিত্য সভাৰ ২৩০ খন শাখা সভাৰ পৰা অহা ৪৫০ প্ৰতিনিধিৰ উপৰিও অসমৰ গাওঁ ভুঁই, নগৰ-চহৰ, পাহাৰ-ভৈয়ামৰ পৰা অহা হাজাৰ হাজাৰ দৰ্শকেৰে তেজপুৰ উপচি পৰিল। শোণিতপুৰ সাহিত্য পুৰ হ'ল।

শ্ৰীযুত কমলা প্ৰসাদ আগৰৱালাক সভাপতি আৰু শ্ৰীযুত নবীনচন্দ্ৰ কাথ হাজৰিকা আৰু শ্ৰীযুত হিতেশ্বৰ মহন্তক যুটীয়া সাধাৰণ সম্পাদক স্বৰূপে লৈ গঠন কৰা অভ্যৰ্থনা সমিতিত আছিল—প্ৰবীণ খ্যাতিমান সাহিত্য শিল্প সেৱী সৰুশ্ৰী মহাদেৱ শৰ্ম্মা, অমিয়কুমাৰ দাস, বিষ্ণুপ্ৰসাদ ৰাভা, ফণীশৰ্ম্মা, হৰকান্ত দাস, ভাৰত দাস, চন্দ্ৰ গোস্বামীৰ পৰা নবীন সাহিত্য শিল্প সেৱী সকললৈকে। এনে এখন শক্তিশালী অভ্যৰ্থনা সমিতিৰ লগত আছিল সমগ্ৰ তেজপুৰবাসী ৰাইজৰ অকুণ্ঠ সহায় সহযোগিতা আৰু শুভেচ্ছা।

## অভ্যৰ্থনাৰ আয়োজন

নগৰ সোমাওঁতেই যাই আনিত তোৰণ সাজি 'ভাষা জননীৰ সেৱক সকললৈ সম্বৰ্দ্ধনা' জনাই তেজপুৰে আদৰণি জনালে। তাহানিৰ চাৰ্চফিল্ড আৰু এতিয়াৰ নেহৰু ময়দানত নিৰ্ম্মিত মূল মণ্ডপৰ তিনিওকাষে আৰনি দাঁতিয়ে-দাঁতিয়ে আছিল সুদীৰ্ঘ আৰু সুদৃশ্য প্ৰদৰ্শনী মণ্ডপ। মূল সভামণ্ডপ আৰু প্ৰদৰ্শনী মণ্ডপৰ তোৰণেও সুকুমাৰ ৰুচিবোধৰ পৰিচয় দাঙি ধৰিলে। অসমীয়া সাংস্কৃতিৰ বিভিন্ন প্ৰতীক চিহ্নৰে সজ্জিত দুয়োখনি তোৰণেই এহাতে যিদৰে সুদৃশ্য হৈছিল, আনহাতে তেনেকৈয়ে হৈছিল সংকেতমূলক। বিশিষ্ট ব্যক্তি, কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্য আৰু প্ৰতিনিধি বৰ্গৰ বাবে চাকিট হাউচ, ডাকবাংলো আৰু স্থানীয় শিক্ষানুষ্ঠান সমূহত থকাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। সভামণ্ডপৰ ওচৰতে আৰু প্ৰতিনিধি শিবিৰ সমূহৰ পৰাও নাতিদূৰত খোৱা-বোৱাৰ ব্যৱস্থা কৰা হৈছিল। অভ্যৰ্থনা সমিতিয়ে যথাসাধ্যে নিখুঁত অভ্যৰ্থনা কৰাৰ বাবে ত্ৰুটী কৰা নাছিল। উল্লেখযোগ্য কথা জাতি-বৰ্ণ ধৰ্ম্ম-সম্প্ৰদায় নিৰ্ব্বিশেষে তেজপুৰবাসী সদৌ ৰাইজে অধিৱেশনৰ সফলতা আৰু অভ্যৰ্থনাৰ ত্ৰুটীহীনতাৰ বাবে নিস্বাৰ্থ ভাবে সেৱা আগবঢ়াইছিল।



## কাৰ্য্যনিৰ্ব্বাহক সমিতি

অধিৱেশন আৰম্ভ হোৱাৰ আগতেই ২৫ জানুৱাৰী তাৰিখে অসম সাহিত্য সভাৰ ১৯৬৭ চনৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ চতুৰ্থ আৰু শেষ অধিৱেশন তেজ-পুৰতেই অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিয়ে কাঃ নিঃ সদস্যৰ বাবে বিশেষ বেজ, নিমন্ত্ৰণীপত্ৰ আদি ছপাইত লৈ প্ৰত্যেককে আদৰণি জনাই সুন্দৰ ৰুচিবোধৰ পৰিচয় দিলে। ২৫ জানুৱাৰীৰ সন্ধ্যা ডাকবাংলোতে কাঃ নিঃ সমিতি অনুষ্ঠিত হয়।

## বিষাদ

তেজপুৰ অধিৱেশন আৰম্ভ হৈছে গভীৰ আন্তৰিক বিষাদেৰে। কিয়নো অসম সাহিত্য সভাৰ ৩৪ তম ডিব্ৰুগড় অধিৱেশনৰ সভাপতি, যি গৰাকীৰ সভাপতিত্বৰ কাৰ্য্যকলাপ শেষ হ'লহেঁতেন এই অধিৱেশনৰ লগে লগে, সেই গৰাকী প্ৰবীণ সাহিত্যিক নকুলচন্দ্ৰ ভূঞা দেৱে ১৬ জানুৱাৰীৰ দিনা শেষ নিশ্বাস ত্যাগ কৰিলে। ভূঞা ডাঙৰীয়াৰ নাট্যকাৰ জীৱনৰ লগত তেখেতৰ একালৰ কৰ্ম্মস্থলী তেজপুৰৰ বৰ নিবিড় সম্পৰ্ক আছিল; কিন্তু সাহিত্য সভাৰ জীৱনত তেখেতে সভাপতি স্বৰূপে প্ৰাক্তন হ'বলৈ নাপালে। এই তেজপুৰতেই বহা সাহিত্য সভাৰ ষোড়শ অধিৱেশনৰ সভাপতি বিহগী কবি ৰঘুনাথ চৌধাৰী দেৱেও মাত্ৰ কেইদিনমানৰ আগতে শেষ নিশ্বাস ত্যাগ কৰিলে। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী যিগৰাকীয়ে ১৯৫০ চনত তিনিচুকীয়াত বহা অসম সাহিত্য সভাৰ অধিৱেশনত সভাপতিৰ আসন অলঙ্কৃত কৰি গৈছিল, সেই গৰাকী ভীমকৰ্মী দেশপ্ৰেমিক সাহিত্যিকৰো ডিব্ৰুগড় অধিৱেশনৰ সামৰণিৰ লগে লগেই লোকান্তৰ ঘটিল। মুঠতে ৩৪ তম অধিৱেশনৰ পৰা এই ৩৫ তম অধিৱেশনলৈকে এবছৰ কালৰ ভিতৰত অসম সাহিত্য সভাই তিনি গৰাকী সভাপতিক হেৰুৱাব লগীয়া হোৱাটো কম দুখৰ কথা নহয়। অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ এই চতুৰ্থ অধিৱেশনত সভাপতিত্ব কৰে উপ সভাপতি ডঃ মহেশ্বৰ নেওগে। প্ৰধান সম্পাদক শ্ৰীহৰি প্ৰসাদ নেওগে কাঃ নিঃ সমিতিৰ তৃতীয় বৈঠকৰ কাৰ্য্যবিৱৰণি পাঠ কৰে। এই বৈঠকে অধিৱেশনৰ বাবে কাৰ্য্যসূচী প্ৰস্তুত কৰে, বিভিন্ন শাখাৰ পৰা অহা প্ৰস্তাৱ সমূহ বিষয়-বাছনি সভাত উত্থাপন কৰিবলৈ জুকিয়ায়, ভূঞা আৰু চৌধাৰীৰ স্মৃতিত দুখনি গ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু হিচাব পৰীক্ষক টোকা সম্পৰ্কে অৱগত হয়।

## বিষয়-বাছনি সভা

২৬ জানুৱাৰীৰ পুৱা বেলাৰ পৰা তেজপুৰলৈ সাহিত্য সভাৰ প্ৰতিনিধি আৰু দৰ্শকৰ সোঁত ববলৈ ধৰে। সেই দিনা গণতন্ত্ৰ দিৱস উপলক্ষে—ৰাষ্ট্ৰীয় পতাকাও উত্তোলিত হয়। সন্ধ্যা ৬'৩০ বজাত তাগৰীৰ হেমচন্দ্ৰ বৰুৱা ভৱনত আয়োজিত হয় প্ৰতিনিধিবৰ্গৰে বিষয়-বাছনি সভা। ভৱন প্ৰতিনিধিৰে ঠাহ খাই পৰে। অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ পূৰ্ণ হোৱাৰ সময়ত অনুষ্ঠিত এই ৩৫ তম তেজপুৰ অধিৱেশনৰ বাবে নিৰ্ব্বাচিত অসমৰ প্ৰখ্যাত চিন্তাবিদ্ সাহিত্যিক শ্ৰীজ্ঞাননাথ বৰা দেৱক সভাঘৰলৈ লৈ অহাৰ লগে লগে প্ৰতিনিধিসকলে থিয় হৈ সন্মান প্ৰদৰ্শন কৰে। সভাপতি শ্ৰীযুত বৰা ডাঙৰীয়াই আনুষ্ঠানিক ভাৱে সভাপতিৰ আসন গ্ৰহণ কৰাৰ পিচতে তেখেতে প্ৰতিনিধিবৰ্গক বিষয়-বাছনি সভাৰ গুৰুত্ব সম্পৰ্কে কয় আৰু ধীৰে স্থিৰে সুচিন্তিত সিদ্ধান্তত উপনীত হ'বলৈ আহ্বান জনায়। প্ৰধান সম্পাদক আৰু সহকাৰী সম্পাদকে ক্ৰমে বিশিষ্ট প্ৰবীণ ব্যক্তি সকলৰ আৰু প্ৰতিনিধি বৰ্গৰ পৰিচয় দাঙি ধৰে। এই পৰিচয় পৰ্ব শেষ হোৱাৰ পিচতে প্ৰধান সম্পাদকে—অধিৱেশনত দাঙি ধৰিবলৈ প্ৰস্তুত কৰা প্ৰতিবেদন বিষয়-বাছনি সভাৰ গৃহীতাৰে পাঠ

কৰে। প্ৰধান সম্পাদকে ক্ৰমে আৱন্তণি, শোক-তৰ্পণ, সমস্যাৰে সৰকা বছৰটো, কাঃ নিঃ সমিতিৰ অধিবেশন, প্ৰস্তাৱ প্ৰসঙ্গ, ৰাজ্য ভাষা প্ৰসঙ্গ, শিক্ষাৰ মাধ্যম, ৰাজ্য পুনৰ গঠন, শতবাৰ্ষিকী আঁচনি, প্ৰকাশন, স্মৃতি গ্ৰন্থ, গ্ৰন্থসূচী, অভিযান, ভাষাজ্ঞান পৰীক্ষা, ভাষা শিক্ষা শ্ৰেণী, পত্ৰিকা, ডিগবৈ ন্যাস পুঁজি, গোপাল গোস্বামী স্মৃতি পুঁজি, সাধাৰণ পুঁজি, প্ৰচাৰ আৰু সংগঠন, সপ্তাহ পালন, শাখা গঠন, আজীৱন সভা, শাখা সভাৰ কাৰ্যক্ৰম, বিত্তীয় অৱস্থা, দৃষ্টিপাত-এই কেইটা ছেদত প্ৰতিবেদন দাঙি ধৰে। ৯—৩০ বজাত বিষয় বাছনি সভা আহাৰৰ বাবে স্থগিত ৰখা হয় আৰু ৰাতি ১১বজাত পুনৰ আৰম্ভ হয়। প্ৰতিবেদনৰ প্ৰত্যেকটি বিষয়কে বিতংভাৱে আলোচনা কৰি আৰু স্থানবিশেষে সংশোধনী দি প্ৰতিবেদন গ্ৰহণ কৰে আৰু ৰাতি ২ বজাত বিষয় বাছনি সভাৰ প্ৰথম বৈঠকৰ সামৰণি পৰে।

## শীতল উত্তেজনা

২৬ জানুৱাৰীৰ দিনা গুৱাহাটীত সমাজ-বিৰোধী কিছুমান লোকে ঘটোৱা অগ্নিকাণ্ড আৰু লুটপাতৰ দৰে জঘন্য কাৰ্য্য আৰু এনে কাৰ্য্যই গুৱাহাটীত সৃষ্টি কৰা সন্ত্ৰাসৰ বাতৰি পলমকৈ হলেও তেজপুৰ পোৱাৰ পিচত স্বাভাৱিকতেই প্ৰতিনিধিবৰ্গ আৰু অন্যান্য লোকৰ মাজত এটি শীতল উত্তেজনাৰ সৃষ্টি হয়। কিন্তু তেজপুৰৰ এই জাতীয় মহামেলাত সমবেত হোৱা হাজাৰ হাজাৰ অসমীয়া মানুহে কোনো সময়তে ধৈৰ্য্য নেহেৰুৱাই অধিৱেশন সুকলমে সম্পন্ন হোৱাৰ বাবে আগবঢ়োৱা সংযত ধীৰ আচৰণে গুৱাহাটীৰ সন্ত্ৰাসবাদীসকলে অসমৰ জাতীয় চৰিত্ৰত চেকা পেলাবলৈ কৰা চেষ্টাক আও-পকীয়াকৈ বৃথাপ্ৰমাণিত কৰি অসমীয়া মানুহৰ জাতীয় চৰিত্ৰৰ এটি মহান দিশত পোহৰ পেলালে।

## পতাকা উত্তোলন

২৭ জানুৱাৰীৰ পুৱা ৮ বজাত মূল সভামণ্ডপৰ সন্মুখত অসম সাহিত্য সভাৰ 'চিৰচেনেহী মোৰ ভাষা জননী'ৰ পতাকা উত্তোলনৰ বাবে প্ৰতিনিধি আৰু দৰ্শক উপচি পৰে। 'আমি অসমীয়া নহওঁ দুখীয়া'— এই সমবেত গীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। গীতান্তত, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ আহ্বানত উপসভাপতি ডঃ মহেশ্বৰ নেওগে পাতকা উত্তোলন কৰে। পতাকা অভিবাদনৰ পিচত ডঃ নেওগে এটি চমু ভাষণত—সাহিত্য সভাৰ পতাকাৰ মৰ্য্যাদা ৰাখিবৰ বাবে সদাজাগ্ৰত হৈ থাকিবলৈ আহ্বান জনায়। গুৱাহাটীৰ ঘটনাৰ প্ৰসঙ্গত তেখেতে—কোনো পৰিস্থিতিতে অধৈৰ্য্য আৰু উত্তেজিত নহ'বলৈ আৰু প্ৰাচীন সাহিত্যৰ ৰব ভেটিৰ ওপৰত নতুন সাহিত্যৰ সৌধ নিৰ্ম্মাণৰ বাবে অনুকূল পৰিৱেশ গঢ়িতুলিবলৈ আহ্বান কৰে। পতাকা উত্তোলন অনুষ্ঠান প্ৰায় পাঁচ শতাধিক লোকৰ উপস্থিতি পূৰ্বৰ অধিৱেশনসমূহৰ তুলনাত নিসন্দেহে 'ৰেকৰ্ড যোগ্য।'

## প্ৰদৰ্শনীৰ দুৱাৰ মুকলি

৮-৩০ বজাত প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰি লব্ধ প্ৰতিষ্ঠ সাহিত্যিক, ৰাজনীতিবিদ্ সংসদী সদস্য শ্ৰীহেম বৰুৱাই জাতিৰ অতীত ঐতিহ্যৰ লগত সংগতি ৰাখি ভৱিষ্যতৰ সংহত জীৱন গঢ়ি তোলাত জাতীয় প্ৰদৰ্শনীৰ প্ৰয়োজনীয়তাৰ কথা কয়। ভাষণ প্ৰসঙ্গত গুৱাহাটীৰ ঘটনাৰ উল্লেখ কৰি এনে ধ্বংসাত্মক কাৰ্য্যৰ গৰিহণা দিয়ে আৰু অসমৰ এই সঙ্কট কালত স্থিৰ বিবেচনা বুদ্ধিৰে আগবাঢ়িবলৈ আহ্বান জনায়। চমু ভাষণান্তত দুৱাৰ মুকলি কৰা হয় আৰু হেজাৰ বিজাৰ দৰ্শকেৰে প্ৰদৰ্শনী মণ্ডপ উপচি পৰে।

## স্মৃতি তৰ্পণ

৯ বজাত, পতাকাবেদীৰ কাষতে আয়োজন কৰা হয় স্মৃতি তৰ্পণৰ। এইটি নতুন অনুষ্ঠানে তেজপুৰীয়া ৰাইজৰ—সাহিত্য সেৱীৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাৰ অন্যতম নিদৰ্শন দাঙি ধৰিলে। কমলাকান্ত ভট্টাচাৰ্য্য, লম্বোদৰ বৰা, দণ্ডিনাথ কলিতা, পদ্মনাথ গোহাঁঞি বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, আনন্দ চন্দ্ৰ আগৰৱালা, লক্ষীধৰ শৰ্ম্মা, জ্যোতিপ্ৰসাদ আগৰৱালা আদি নমস্য সাহিত্য শিল্প সেৱীৰ প্ৰতিকৃতিৰ লগতে যোৱা বছৰটোত



স্বৰ্গী হোৱা অসম সাহিত্য সভাৰ তিনি গৰাকী সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰী, ৰঘুনাথ চৌধাৰী আৰু নকুল চন্দ্ৰ ভূঞাৰ প্ৰতিকৃতি বৃত্তাকাৰে ৰাখি, ধূপ দীপ জলাই সজোৱা হয়। প্ৰবীণ সাহিত্যিক শ্ৰীমহাদেৱ শৰ্ম্মাই মঙ্গলাচৰণ কৰে আৰু প্ৰতিকৃতিসমূহত পুষ্পাঞ্জলি দিয়ে। বিভিন্ন অনুষ্ঠানৰ হৈয়ো পুষ্পাঞ্জলি অৰ্পণ কৰা হয়।

## আলোচনা চক্ৰ

৯-৩০ বজাত মূল সভামণ্ডপতে আয়োজিত হয় আলোচনা চক্ৰৰ। প্ৰথিত যশা পণ্ডিত ডঃ যোগীৰাজ বসুৰ পৌৰোহিত্যত সম্পন্ন হোৱা এই আলোচনা চক্ৰৰ বিষয় আছিল "শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা।" প্ৰায় তিনি হাজাৰতকৈও অধিক শ্ৰোতাৰ সমাৱেশত আৰম্ভ হোৱা এই চক্ৰৰ আলোচনাত অংশ গ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ কলেজ সমূহৰ পৰিদৰ্শক ডঃ প্ৰসন্ন কুমাৰ গোস্বামীয়ে প্ৰণিধানযোগ্য তথ্য আৰু যুক্তিৰে পৰিপূৰ্ণ এখনি ভাষণ পাঠ কৰে। ডঃ গোস্বামীয়ে দেখুৱায় যে-মাতৃভাষাৰ অবিহনে কোনো শিক্ষাই সম্পূৰ্ণ হ'ব নোৱাৰে। আঞ্চলিক ভাষাক আমাৰ বিশ্ব-বিদ্যালয় সমূহত মাধ্যম কৰিলে কেনেকুৱা সমস্যাৰ সন্মুখীন হ'ব লাগিব আৰু এই সমস্যা সমূহনো কেনেকৈ সমাধান কৰিব পৰা যাব তাকো বিস্তৃত ভাৱে বিশ্লেষণ কৰি দেখুৱায়। গুৱাহাটী মেডিকেল কলেজৰ অধ্যক্ষ ডঃ সুৰেন্দ্ৰ নাথ শৰ্ম্মায়ো ভাষণ দি আঞ্চলিক ভাষাক মাধ্যম কৰাৰ প্ৰয়োজনীয়তাৰ কথা কয়। তেখেতেও উত্তৰ হ'ব পৰা সমস্যা সমূহৰ প্ৰসঙ্গ উত্থাপন কৰি কয় যে এই বিষয়ত অন্যান্য ভাষাৰ লগত সমতা ৰাখি শব্দ গ্ৰহণ কৰি আগবাঢ়িব লাগিব। সভাপতি ডঃ যোগীৰাজ বসুৱে মাতৃভাষাৰ যোগেদি শিশুৰ মানসিক বিকাশ কেনে দ্ৰুত গতিত হ'ব পাৰে তাৰ দৃষ্টান্ত দি এটি সুচিন্তিত ভাষণ দিয়ে। অধ্যক্ষ মহেশচন্দ্ৰ দেৱ গোস্বামী আৰু নলিনী শৰ্ম্মায়ো আলোচনাত অংশ গ্ৰহণ কৰে। ১১-৪৫ বজাত এই আলোচনা চক্ৰৰ সামৰণি পৰে।

## মুকলি অধিৱেশন

মুকলি অধিৱেশন আৰম্ভ হোৱাৰ আগে আগে সভামণ্ডপ লোকে লোকাৰণ্য হৈ পৰিল। কেৱল অসমীয়া ভাষী সকলেই নহয়, তেজপুৰবাসী সকলো ধৰ্ম্ম-সম্প্ৰদায়ৰ লোকে সভামণ্ডপ দলদোপ-হেন্দোলদোপ কৰি তুলিলে। তেজপুৰৰ বয়োবৃদ্ধ লোকৰ মতে স্মৰণ কালত তেজপুৰত ইমান বিশাল জনতাৰ সমাৱেশ কেতিয়াও হোৱা নাছিল।

১২-৪৫ বজাত চাকিট হাউচৰ পৰা ফুলপাতেৰে সজোৱা এখন খোলা জীপত সভাপতি শ্ৰীবিৰিঞ্চি দেৱক লৈ, ৯টা হাতী, গায়নে-বায়নে আৰু হাজাৰ-বিজাৰ লোকৰ এটি বিৰাট সমদলে নগৰ পৰিভ্ৰমণ কৰা দৃশ্য আছিল সঁচাকৈ চকুত লগা। এজন জাতীয় লেখকক, ভাষা প্ৰাণ-জাতি প্ৰাণ এজন সাহিত্যিকক এটা জাতিয়ে ইয়াতকৈ আৰু কি বাহ্যিক সন্মান দেখুৱাব পাৰে? ১-২৫ বজাত সভাপতিক মণ্ডপলৈ আদৰি অনাৰ লগে লগে সভামণ্ডপত সমবেত পোন্ধৰ হাজাৰতকৈও অধিক লোকে থিয় হৈ সন্মান জ্ঞাপন কৰে আৰু তিৰোতা সকলৰ সমবেত উৰুলি ধ্বনিয়ে সভাঘৰ কঁপাই তোলে। সভাপতিক মঞ্চলৈ আদৰি অনা হৈছিল আৰু লগে লগে আৰম্ভ হৈছিল অসম সাহিত্য সভাৰ পঞ্চত্ৰিংশতম মুকলি অধিৱেশনৰ কাৰ্য্যসূচী। সভাপতি মঞ্চত উপবিষ্ট হোৱাৰ লগে লগে সমবেত কণ্ঠত বাজি উঠিল, "চিৰচেনেহী মোৰ ভাষা জননী" এই উদ্বোধনী গীত। সভাপতিৰ লগত মঞ্চত দেখা গৈছিল সাহিত্য সভাৰ প্ৰাক্তন সভা-পতি সৰ্ব্বশ্ৰী বেণুধৰ শৰ্ম্মা, অতুলচন্দ্ৰ হাজৰিকা আৰু বিনন্দ চন্দ্ৰ বৰুৱাক। লগতে আছিল প্ৰবীণ সাহিত্যিক মহাদেৱ শৰ্ম্মা, বিষ্ণু প্ৰসাদ ৰাভা, হেমবৰুৱা, বিজয় চন্দ্ৰ ভাগৱতী, জীৱেশ্বৰ গোস্বামী, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, অমিয়কুমাৰ দাস, ডঃ মহেশ্বৰ নেওগ আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীকমলা প্ৰসাদ আগৰ-ৱালা আদি বিশিষ্ট ব্যক্তি সকলক।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ আহ্বানক্ৰমে প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই সভা উদ্বোধন কৰি অসমীয়া ভাষা সাহিত্যৰ সৰ্বতোমুখী বিকাশৰ বাবে অনুকূল পৰিৱেশ গঢ়ি তুলিবলৈ আহ্বান জনায়। শ্ৰীহাজৰিকাই কয় যে জাতীয় সাহিত্যৰ প্ৰতি, জাতীয় শিল্পৰ প্ৰতি শ্ৰদ্ধা অবিহনে কোনেও জাতিৰ মানসিক

বিকাশ সম্ভৱপৰ কৰি তুলিব নোৱাৰে। ভাষণ প্ৰসঙ্গত তেখেতে সাম্প্ৰতিক অসমীয়া জাতিৰ সন্মুখত দেখা দিয়া সমস্যাৰ কথা উল্লেখ কৰি সুচিন্তিত পথ লবলৈ আহ্বান জনায় আৰু ৩৫ তম তেজপুৰ অধিৱেশনৰ সফল সম্পন্নতা কামনা কৰি সভাৰ আনুষ্ঠানিক উদ্বোধন সম্পন্ন কৰে।

উপসভাপতি ডঃ মহেশ্বৰ নেওগে সভাপতি শ্ৰীযুত বৰাদেৱক আনুষ্ঠানিক ভাৱে সভাপতিৰ আসনলৈ আহ্বান কৰে আৰু অভ্যঃ সঃ সভাপতিয়ে সমৰ্থন কৰি মালা প্ৰদান কৰে। সমবেত জনতাৰ হাতত চাপৰি আৰু সম্বৰ্দ্ধনা সূচক ধ্বনিৰ মাজত সভাপতিয়ে আসন গ্ৰহণ কৰি, তেখেতক এনে সন্মানৰ অধিকাৰী কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে আৰু সভা পৰিচালনাৰ বাবে সদৌৰে সহযোগিতা কামনা কৰে।

## শোক প্ৰস্তাৱ

অধিৱেশন আৰম্ভ হোৱাৰ লগে লগে অসম সাহিত্য সভাৰ চলিত বছৰৰ সভাপতি নকুলচন্দ্ৰ ভূঞা, প্ৰাক্তন সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰী আৰু ৰঘুনাথ চৌধাৰী, দৈৱচন্দ্ৰ তালুকদাৰ, প্ৰমথনাথ চক্ৰৱৰ্ত্তী, গোপাল চন্দ্ৰ গোস্বামী, ইন্দ্ৰকমল বেজবৰুৱা, যোগীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, ৰত্নাকুমাৰী ৰাজখোৱানী, গিৰীশ দাস, গঙ্গাৰাম দাস ৰূপনাথ ব্ৰহ্ম আদি লোকসকলৰ বিয়োগত এটি শোক প্ৰস্তাৱ সভাপতিৰ আসনৰ পৰা দাঙি ধৰা হয় আৰু সমবেত সকলোটিয়ে দুইমিনিট থিয় হৈ মৌন ভাৱে মৃতকসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনায়।

**শুভেচ্ছাবাণী** : অসম সাহিত্য সভাৰ ৩৫ তম অধিৱেশন সফলতা কামনা কৰি ডঃ ৰাধাকৃষ্ণণ, শ্ৰীশ্ৰীপ্ৰকাশ, লোকনাথ ভট্টাচাৰ্য্য, মহেন্দ্ৰনাথ হাজৰিকা, মিত্ৰদেৱ মহন্ত, শ্ৰীবিশ্ববীৰ, সত্য নৰায়ণ সিন্‌হা, লক্ষ্মীনাথ ফুকন, দণ্ডিৰাম দত্ত, লক্ষ্মীপ্ৰসাদ গোস্বামী, হৰেকৃষ্ণ মহতাব, মেজৰ জেনেৰেল এন দাস, মথুৰানাথ গোস্বামী, নলিনীবালা দেৱী, কালীচৰণ পাল, কে-বি কানুগো, হৰেশ্চন্দ্ৰ ভট্টাচাৰ্য্যই দিয়া চিঠি আৰু তাঁৰ বাৰ্ত্তা সহকাৰী সম্পাদক শ্ৰীনগেন শইকীয়াই পাঠ কৰে।

প্ৰাক্তন সভাপতি শ্ৰীনীলমণি ফুকন তেজপুৰলৈ আহি অসুস্থতা বশতঃ অধিৱেশনলৈ আহিব নোৱাৰি অসুস্থীয়া গাৰেই লিখি পঠোৱা শুভেচ্ছা মূলক সৰু কবিতা এটিও পাঠ কৰা হয়।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীকমলাপ্ৰসাদ আগৰৱালাই সভাপতিকে প্ৰমুখ্য কৰি সাহিত্যিক শিল্পী, সাহিত্যসেৱী আৰু সাহিত্য প্ৰেমী সদৌ ৰাইজক স্বাগতম জনাই এটি ভাষণ পাঠ কৰে। শ্ৰীআগৰৱালাই তেজপুৰৰ পুৰণি ঐতিহ্যৰ কথা সোঁৱৰে আৰু কেনেকৈ তেজপুৰৰ কবি-শিল্পী, কথাসাহিত্যিক, চিত্ৰকৰ, নৃত্যবিদ গায়ক আদি সুকুমাৰ কলাসেৱী সকলে বুৰঞ্জীয়ে চুকি নোপোৱা কালৰেপৰা অসমীয়া সুকুমাৰ কলাৰ উঁৱালৈ যথাযোগ্য বৰঙণি যোগাই আহিছে সেই কথাও উল্লেখ কৰে। ভাষণ প্ৰসঙ্গত শ্ৰীআগৰৱালাই অসমৰ পৰ্ব্বত-ভৈয়ামৰ বিভিন্ন জাতি উপজাতিৰ মাজত সমন্বয় আৰু সম্প্ৰীতি থাপনা কৰি বৃহৎ অসমীয়া জাতি গঠনত অসমীয়া ভাষাই যোগাই অহা অৱদানৰ কথা উল্লেখ কৰি কয় যে সাম্প্ৰতিক কালত অসমীয়া ভাষাৰ "পূৰ্ব্বৰ মৰ্য্যাদা আৰু বিকাশৰ অৱকাশত ব্যাঘাত পৰিছে বুলি আশঙ্কা হৈছে।" এই মৰ্য্যাদা অক্ষুণ্ণ ৰখাত সাহিত্য সভাৰ লগতে অসমৰ সকলো সাংস্কৃতিক অনুষ্ঠান আৰু ৰাইজৰ গভীৰ দায়িত্ব থকাৰ কথাও সকিয়াই দিয়ে। অসমীয়া সাহিত্যৰ বিকাশ সাধনৰ বাবে ব্ৰতী হ'বলৈ লেখক সকলক মানসিক প্ৰেৰণা আৰু আৰ্থিক সহায় আগবঢ়োৱাৰ ওপৰত গুৰুত্ব দিয়ে। শ্ৰীআগৰৱালাই ভাষণৰ সামৰণিত অভ্যৰ্থনাৰ ত্ৰুটী বিচ্যুতিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে কয়, "আপোনালোকক অভ্যৰ্থনা জনাবলৈ ভোগৰ সামগ্ৰীৰ অভাৱ হলেও, অন্তৰৰ সামগ্ৰী-স্নেহ প্ৰীতি আগবঢ়ালো।"

অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ভাষণান্তত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগে সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন দাঙি ধৰে। শোক তৰ্পণেৰে আৰম্ভ কৰা প্ৰতিবেদনত সম্পাদকে যোৱা বছৰৰ বিস্তৃত খতিয়ান দাঙি ধৰে। সাহিত্য সভাৰ প্ৰচাৰ, সংগঠন, প্ৰকাশন আদিৰ উপৰিও ৰাজ্য পুনৰ গঠন, ৰাজ্য ভাষা প্ৰয়োগ' বিশ্ববিদ্যালয়ত শিক্ষাৰ



মাধ্যম প্ৰবৰ্ত্তন আদি বিষয়ত সাহিত্য সভাৰ নীতি আৰু কৰ্ম্মসূচীৰ বিৱৰণ দিয়ে।

এটি গীতৰ অন্তত ৩৫ তম অধিৱেশনৰ সভাপতি বয়োবৃদ্ধ জ্ঞানোবৃদ্ধ সাহিত্যিক, চিন্তাবিদ শ্ৰীজ্ঞাননাথ বৰা ডাঙৰীয়াই ভাষণ দান কৰিবলৈ লয়। প্ৰায় পোন্ধৰ হাজাৰতকৈও অধিক দৰ্শক শ্ৰোতাৰে চাৰ্চফিল্ড উপচি পৰে। গতানুগতিক ভাৱে তেখেতে স্থান-মাহাত্ম্য বা ঐতিহ্যৰ কথা ন'কৈ, ভাষা-সাহিত্য সংস্কৃতিৰ ঐতিহাসিক বা পুৰাতাত্ত্বিক তথ্য উৎথাপন নকৰি কয় "বৰ্ত্তমান আমাৰ দেশৰ ৰাজনৈতিক অৱস্থাত আমাৰ সাহিত্য কি ভাৱে ৰচনা কৰিলে ই নিজৰ অস্তিত্ব ৰক্ষা কৰি দেশৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি অসমীয়া জাতিক শক্তিমন্ত কৰিব পাৰে এই বিষয়ে এই ভাষণত আলোচনা কৰাটো অসম সাহিত্য সভাৰ সভাপতিৰ মূল কৰ্ত্তব্য বুলি ভাবিছোঁ।" বৃটিছ শাসনৰ পূৰ্ব্বলৈকে ৰচিত অসমীয়া সাহিত্যৰ সম্যক সমালোচনাৰ প্ৰয়োজনীয়তা, বৃটিছ ৰাজত্বত ৰচিত অসমীয়া ভাষা সাহিত্যৰ ৰূপৰ পৰিবৰ্ত্তন আৰু কাৰণ আৰু স্বাধীনতা লাভৰ লগে লগে দেখা দিয়া অসমীয়া ভাষা-সাহিত্যৰ সমস্যা সমূহক বাস্তৱ দৃষ্টিকোণৰ পৰা কৰা পুংখানুপুংখ আলোচনাই তেখেতৰ ভাষণত ঠাই পায়। বিশুদ্ধ সাহিত্যৰ উপৰিও বিজ্ঞান, কাৰিকৰী বিজ্ঞান, চিকিৎসা-বিজ্ঞান, অৰ্থনীতি, ৰাজনীতি ইত্যাদি সকলো বিষয়ৰ ওপৰত গ্ৰন্থপ্ৰণয়নৰ প্ৰয়োজনীয়তা আৰু ক্ষেত্ৰ বিশেষে উপযুক্ত লোকৰ হতুৱাই অনুবাদ কৰোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে। অসমৰ আৰু অসমীয়া মানুহৰ উন্নতি সাধন সম্ভৱ হব সকলো দিশৰ জ্ঞান আৰ্জনৰ দ্বাৰাহে। নিজৰ ভাষাৰ মাধ্যমেৰে সেই জ্ঞান আজিবলৈ ব্যৱস্থা নকৰিলে, অসমীয়া ভাষাই কেৱল বিশুদ্ধ সাহিত্য ৰাজিৰে নিজকে দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিব নোৱাৰিব। অসমলৈ ভগনীয়াৰ সোঁতে, আন ৰাজ্য সমূহৰ মানুহে আহি পতা উপনিৱেশে আৰু অসমৰ বেপাৰ-বাণিজ্য, উদ্যোগ এই সকলোবোৰ তেনে লোকৰ হস্তগত হোৱাৰ বাবে অসমত অসমীয়া মানুহৰ বিপত্তিৰ সীমা নোহোৱা হৈছে বুলি তেখেতে আক্ষেপ কৰে। জাতিক জীয়াই ৰাখিবলৈ হলে ভাষাক শক্তিশালী-চহকী আৰু সাহিত্যক ঐশ্বৰ্য্যশালী কৰি তুলিব লাগিব। অসমীয়া ভাষা সাহিত্যৰ সেৱক সকলৰ সন্মুখলৈ অহা এই প্ৰত্যাহ্বান গ্ৰহণ কৰি অবিৰাম সংগ্ৰাম কৰি যাবলৈ আহ্বান কৰি, সভাপতিয়ে ভাষণৰ সামৰণি মাৰে। বিপুল হৰ্ষধ্বনিৰ মাজত সভাপতিয়ে ভাষণ অন্ত কৰাৰ পাচত এটি বৰগীতেৰে প্ৰথম দিনাৰ মুকলি সভাৰ অন্ত পেলোৱা হয়।

## সাংস্কৃতিক কাৰ্য্য সূচী

সন্ধ্যাৰ লগে লগে চাৰ্চফিল্ডলৈ জনতাৰ অবিৰাম সোঁত বৰলৈ ধৰিলে। বিৰ দি বাট পাবলৈ নাইকীয়া হ'ল। জানুৱাৰীৰ জাৰকো নেওচি সাংস্কৃতিক অনুষ্ঠান চাবলৈ হাজাৰ হাজাৰ দৰ্শকৰ সমাৱেশ ঘটিল। ৭-৩০ বজাৰ লগে লগে নিকামুল সত্ৰাধিকাৰ শ্ৰীগহন চন্দ্ৰ গোস্বামীৰ পৰিচালনাত 'পাৰিজাত হৰণ' অঙ্কীয়া ভাৱনা আৰম্ভ হ'ল। সম্পূৰ্ণকৈ পুৰণি ঐতিহ্য বহণ কৰি প্ৰদৰ্শন কৰা এই অঙ্কীয়া ভাৱনা, নিসন্দেহে আকৰ্ষণীয় আৰু মনোগ্ৰাহী হৈছিল

## বিষয়-বাছনি সভা

গধূলি ৮-৩০ বজাৰ লগে লগে প্ৰতিনিধিসকল ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা ভৱন'লৈ যাবলগীয়া হ'ল বিষয় বাছনি সভাত যোগ দিবৰ কাৰণে। সভাপতি শ্ৰীজ্ঞাননাথ বৰা ডাঙৰীয়াৰ, সভাপতিত্বতে বিষয়-বাছনি সভাৰ ২য় বৈঠক অনুষ্ঠিত হ'ল। প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা প্ৰমুখ্যে বিশিষ্ট লোক সকলেও এই সভাত যোগদান কৰে। বিষয় বাছনি সভাই গুৱাহাটীত সংঘটিত সমাজদ্ৰোহী কাৰ্য্যক গৰিহনা দি এটি প্ৰস্তাৱ গ্ৰহণ কৰিলে। মুকলি সভাত গ্ৰহণ কৰিবলৈ লোৱা আন প্ৰস্তাৱ সমূহত আছিল—অসমৰ পুনৰ গঠন সম্পৰ্কত সাহিত্য সভাৰ পূৰ্বৰ সিদ্ধান্ত দোহাৰি মেহতা আয়োগৰ পৰামৰ্শ গ্ৰহণৰ বাবে চৰকাৰক দাবী জনোৱা, ভাষা আইন অমান্য কৰি অসম আৰু নগাভূমি উচ্চন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে দিয়া বিজ্ঞপ্তি পৰিহাৰৰ বাবে জনোৱা দাবী আৰু অসমৰ দুয়োটা বিশ্ববিদ্যালয়তে স্নাতকোত্তৰ শ্ৰেণী পৰ্য্যন্ত শিক্ষাৰ

মাধ্যম অসমীয়া কৰিবলৈ জনোৱা দাবী। শাখা সভা আৰু সাহিত্য সভাৰ সভ্য সকলৰ পৰা অহা বিভিন্ন পৰামৰ্শ সমূহো আলোচিত হয় আৰু প্ৰয়োজনীয় পৰামৰ্শ সমূহৰ কাৰ্য্যকৰী কৰণৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়।

অসম সাহিত্য সভাৰ নিয়মাৱলীৰ পৰিবৰ্ত্তন সাধন কৰিবলৈ শাখাসভাসমূহৰ পৰা অহা প্ৰস্তাৱ আৰু সংশোধনী সমূহ দাঙি ধৰা হয়। বিস্তৃত ভাৱে আলোচনা কৰাৰ পিচত কেৱল....ছেদৰ....নং বিধিৰ সংশোধনী গ্ৰহণ কৰা হয় আৰু কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ কোনো সদস্য বিশেষ অৱস্থাৰ পৰিপ্ৰেক্ষিতত তিনি বছৰতকৈ অধিক কাল নিৰ্ব্বাচিত হ'ব পাৰিব—এনে সংশোধনী গ্ৰহণ কৰা হয়।

পুৰণি কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ কাৰ্য্যকাল অন্ত পৰাত নতুন কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠনৰ বাবে প্ৰতিনিধি বৰ্গই সদস্যৰ নাম আগবঢ়ায়। উপসভাপতি পদৰ বাবে ডঃ মহেশ্বৰ নেওগ আৰু অধ্যক্ষ মহেশচন্দ্ৰ দেৱ গোস্বামীৰ মাজত প্ৰতিদ্বন্দ্বিতা হয় আৰু ডঃ নেওগে ১৩টা ভোট বেছিকৈ পাই উপসভাপতি নিৰ্বাচিত হয়। প্ৰধান সম্পাদকৰ বিষয়ৰ বাবে একেৰাহে চতুৰ্থ বাৰৰ বাবে বিনাপ্ৰতিদ্বন্দ্বিতাই নিৰ্ব্বাচিত হয় শ্ৰীহৰিপ্ৰসাদ নেওগ। ধনভঁৰালী আৰু পত্ৰিকা সম্পাদক নিৰ্বাচিত হয় ক্ৰমে শ্ৰীদেৱপ্ৰসাদ বৰুৱা আৰু শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা। কাঃ নিঃ সমিতিৰ বাকী ১৬ জন সদস্য পদৰ বাবে প্ৰস্তাৱিত ৮৫ জন সদস্যৰ মাজৰ পৰা ১৬ জন মনোনয়ন কৰি লবলৈ সভাপতি, উপসভাপতি, প্ৰধান সম্পাদক শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা আৰু শ্ৰীহেমন্তকুমাৰ শৰ্ম্মাৰে গঠিত পাঁচজনীয়া সমিতি এটিক ভাৰ দিয়া হয়। এই সমিতিয়ে পিচদিনা—ক্ৰমে চৈয়দ আব্দুল মালিক, মহেশ্বচন্দ্ৰ দেৱ গোস্বামী, নগেন শইকীয়া, নন্দ তালুকদাৰ, যতীন গোস্বামী, প্ৰফুল্ল বৰুৱা, শ্ৰীকুমাৰ মেধি, হৰিমোহন সৰকাৰ, দেবেন্দ্ৰ লাল মান, শ্ৰীমতী অমিয়া চক্ৰৱৰ্ত্তী, হেৰম্ব বৰদলৈ, ধৰ্ম্মকান্ত গোহাঁই, হৰিনাথ শৰ্ম্মাদলৈ, শ্ৰীমান প্ৰফুল্ল গোস্বামী, শ্ৰীৰংবং টেৰাং, প্ৰফুল্ল দত্ত—এই কেইজনক নিৰ্ব্বাচন কৰে।

ৰাতি ২-৩০ বজাত বিষয় বাছনি সভাৰ ২য় আৰু শেষ বৈঠকৰ সামৰণি পৰে। প্ৰধান সম্পাদকে সভা সকলক ধন্যবাদ জনায় আৰু সভাসকলৰ ফালৰ পৰাও প্ৰধান সম্পাদকক যোৱা বছৰৰ কাৰ্য্যসম্পাদনাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

## বুৰঞ্জী সন্মিলন

২৮ জানুৱাৰীৰ দিনা পুৱা ৮ বজাত মূল সভা মণ্ডপত বহে বুৰঞ্জী শাখাৰ সন্মিলন। এই সন্মিলনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বুৰঞ্জীলেখক শ্ৰীগুণগোবিন্দ দত্তদেৱে। সভাপতিক মঞ্চলৈ আগবঢ়াই অনাৰ লগে লগে এটি গীতেৰে কাৰ্য্যসূচী আৰম্ভ কৰা হয়।

সভাপতি শ্ৰীদত্ত ডাঙৰীয়াই তেখেতৰ ভাষণত অসম বুৰঞ্জীৰ এটি আলচ আগবঢ়ায় আৰু ভাৰতৰ ইতিহাসৰ লগত অসমৰ সম্পৰ্কৰ বিষয়ে আলচ কৰে। তদুপৰি কেনেকুৱা কাৰণ বশতঃ ৰাজ্যৰ মাজত ভাঙণ হয় বা কি উপায়েৰে এই ভাঙন ৰোধ কৰিব পাৰি—সেই সম্পৰ্কেও বুৰঞ্জীৰ দৃষ্টান্তৰে ইঙ্গিত দিয়ে। ভাষণ প্ৰসঙ্গত তেখেতে কয়, "বৰ্ত্তমান যিদৰে অতীতৰ ওপৰত নিৰ্ভৰশীল, সেইদৰে ভৱিষ্যতো বৰ্ত্তমানৰ ওপৰত নিৰ্ভৰশীল।" তেখেতে কয়, "চেষ্টা আৰু দীৰ্ঘ দৃষ্টিৰে আমাৰ গণতন্ত্ৰক শক্তিমন্ত কৰি ৰাখিব লাগিব।" এই সন্মিলনত প্ৰায় দুহাজাৰতকৈও অধিক লোকৰ সমাৱেশ অন্যতম উল্লেখনীয় দিশ আছিল। সভাপতিৰ উপৰিও অধ্যক্ষ সদানন্দ চলিহা, শিল্পী বিষ্ণু প্ৰসাদ ৰাভা দুয়ো দুটি তথ্যপূৰ্ণ সাৰুৱা ভাষণ দান কৰে। অধ্যাপিকা স্বৰ্ণলতা বৰুৱা আৰু শ্ৰীহৰকান্ত দাসেও আলোচনাত অংশ গ্ৰহণ কৰে। মটকসকলৰ সম্পৰ্কে এটি চমু ভাষণ দিয়ে শ্ৰীবীৰবৰ দাসে।

## দ্বিতীয় দিনাৰ মুকলি অধিবেশন

৩৫ তম অধিবেশনৰ ২য় দিনাৰ মুকলি অধিবেশন আৰম্ভ হয় ১-২০ বজাত। সভাপতি শ্ৰীজ্ঞাননাথ বৰা ডাঙৰীয়াক চাকিট হাউচৰ পৰা আদৰি অনা হয়। সভাপতিৰ লগতে মঞ্চত উপবিষ্ট আছিল—প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, অতুলচন্দ্ৰ হাজৰিকা,



বেণুধৰ শৰ্ম্মা, বিনন্দ চন্দ্ৰ বৰুৱা আৰু মহাদেৱ শৰ্ম্মা, অমিয় কুমাৰ দাস, কমলাপ্ৰসাদ আগৰৱালা, জীৱেশ্বৰ গোস্বামী, গহন গোস্বামী, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, ডঃ মহেশ্বৰ নেওগ প্ৰমুখ্যে ব্যক্তিসকল। সভামণ্ডপ লোকে লোকাৰণ্য হৈ পৰে। তেজপুৰৰ স্থানীয় সকলো সম্প্ৰদায়ৰ লোকৰ উপৰিও দূৰ-দূৰণিৰ গাঁৱৰ পৰা আৰু বিশেষকৈ চাহ বাগিচা সমূহৰ পৰা অহা বনুৱাসকলৰ সমাৱে। উল্লেখযোগ্য আছিল। ১-২৫ বজাত বিশিষ্ট অতিথি ৰাজ্যপাল শ্ৰীবিষ্ণু সহায়ক মঞ্চলৈ আগবঢ়াই অনা হয় আৰু মাল্য প্ৰদাণ কৰা হয়। সভাপতিৰ আহ্বান ক্ৰমে ৰাজ্য পালে এটি চমু, সৰস ভাষণ দান কৰে। ভাষণ প্ৰসঙ্গত শ্ৰীসহায়ে অসমৰ লগত তেওঁৰ নিবিড় সম্পৰ্কৰ কথা উল্লেখ কৰে। তেওঁ অসমীয়া ভাষা-সাহিত্যৰ বিকাশ আৰু বিস্তাৰৰ ওপৰত গুৰুত্ব দিয়ে আৰু ভাৰতৰ এই পূৰ্বাঞ্চলত অসমীয়াক একমাত্ৰ সংযোগৰক্ষী ভাষা স্বৰূপে মৰ্য্যাদা দানৰ কথা কয়। তেওঁ কয় যে প্ৰত্যেক সৰু সৰু ভাষা বা দোৱানকে বিকাশ লাভৰ সুযোগ দিও অসমত অসমীয়াই একমাত্ৰ সংযোগৰক্ষী ভাষা হোৱাটো বাঞ্ছনীয়। ৰাজ্যপালে নেফাত অসমীয়া প্ৰচলনৰ ওপৰত অধিক গুৰুত্ব দিয়ে।

ভাষণ দানৰ অন্তত ৰাজ্যপালে বিদায় গ্ৰহণ কৰে। প্ৰধান সম্পাদককে প্ৰমুখ্য কৰি কেইবাগৰাকী লোকে ৰাজ্যপালক তোৰণ পৰ্য্যন্ত আগবঢ়াই থয়াগৈ।

## ক'লা পতাকা

এনে মুহূৰ্ত্ততে প্ৰায় ১৫।২০ জনমান ডেকা ল'ৰাৰ দল এটাই হাতত ক'লা পতাকা লৈ আকস্মিক ভাৱে ৰাজ্যপালৰ সন্মুখত উপস্থিত হৈ "অসম অসমীয়াৰ" আদি ধ্বনি তোলে। ৰাজ্যপালে ধৈৰ্য্যেৰে ধ্বনি সমূহ টুকি লয়। প্ৰতিনিধি আৰু দৰ্শকসকল—ডেকাদলটোৰ এনে আকস্মিক সহিত কাৰ্য্যত কিছু উত্তেজিত হয় যদিও, গুৱাহাটীৰ ঘটনাৰ স্মৰণে আটাইকে সংযত কৰি ৰাখে। উল্লেখযোগ্য ২৬ তাৰিখে ৰাতিৰ পৰাই তেজপুৰত "অসম অসমীয়াৰ" আদি লেখা প্ৰাচীৰ পত্ৰ আৰু প্ৰচাৰ পত্ৰ প্ৰচাৰিত হৈছিল। জিলাৰ উপায়ুক্তই এই বিষয়ত চোকা দৃষ্টি ৰাখিছিল যাতে কোনো অৱস্থাতে অপ্ৰীতিকৰ অৱস্থাৰ সৃষ্টি নহয়।

## বিশিষ্ট ব্যক্তিৰ ভাষণ

খন্তেক বিৰতিৰ পিচতে মুকলি অধিবেশনৰ কাম আৰম্ভ হয়। বিষয় বাছনি সভাত গৃহীত প্ৰস্তাৱ সমূহ ৰাজহুৱা সভাতো গৃহীত হয়। মুকলি সভাত প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে গুৱাহাটীৰ ঘটনাৰ স্মৰণ কৰি, অসমীয়া ডেকা শক্তিক সমাজদ্ৰোহী কাৰ্য্যত লিপ্ত হৈ শক্তিৰ অপচয় নকৰিবলৈ আহ্বান জনাই দিয়া আবেগময়ী ভাষণে প্ৰত্যেক দৰ্শক শ্ৰোতাৰে অন্তৰ পৰশি গৈছিল।

তেখেতে ভাষণ প্ৰসঙ্গত কয় যে অসম যদি জীয়াই থাকিব লাগে, পৰ্ব্বত-ভৈয়াম মিলিহে জীয়াই থাকিব পাৰিব।" তেওঁ চৰকাৰৰ নেফা নীতিক সমালোচনা কৰে আৰু এই ক্ষেত্ৰত ভাষা-সাহিত্যৰ সেৱক সকলক পৰ্ব্বতে-কন্দৰে সোমাই ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰকাশত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়।

অসমীয়া ভাষা, সাহিত্য আৰু জাতিৰ সৰ্ব্বতোমুখী বিকাশৰ বাবে বিভিন্ন দিশৰ পৰা আহ্বান জনাই প্ৰাক্তন সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীবেণুধৰ শৰ্ম্মা আৰু শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই দিয়া ভাষণো আছিল নিসন্দেহে স্মৰণ যোগ্য।

সেইদিনাৰ সভাত উপস্থিত থকা মহাৰাষ্ট্ৰ সাহিত্য সভাৰ প্ৰতিনিধি শ্ৰীপদযোশীয়ে সাহিত্য সংস্কৃতিৰ যোগে ভাৰতে কেনেভাৱে সমৰ্থন স্থাপন কৰি আহিছে সেই কথা উল্লেখ কৰি কয় যে প্ৰান্তীয় ভাষা সমূহৰ যথাযোগ্য মৰ্য্যাদা আৰু বিকাশেহে ভাৰতৰ একক সত্তাক অধিক শক্তিশালী আৰু ঐশ্বৰ্য্যশালী কৰি তুলিব।

প্ৰবীণ সাহিত্যিক শ্ৰীমহাদেৱ শৰ্ম্মাই বিশুদ্ধ সাহিত্যই মানসিক উৎকৰ্ষ সাধনৰ যোগে কেনেকৈ চিত্ত শুদ্ধি কৰে আৰু আনন্দ দান কৰে—সেই প্ৰসঙ্গ উল্লেখ কৰি অসমীয়া সাহিত্যৰ সৰ্ব্বাঙ্গীণ বিকাশত আত্মনিয়োগ কৰিবলৈ সাহিত্যসেৱীসকলক আহ্বান কৰে।

সিদিনাৰ সভাত অসম চৰকাৰৰ অন্যতম উপমন্ত্ৰী, একালত সাহিত্য সভাৰ সংগঠনৰ লগত ঘনিষ্ঠ ভাৱে

জড়িত থকা ব্যক্তি শ্ৰীচিত্ৰ গোপাল কৰ্মকাৰে এটি চনু ভাষণত অসমৰ চাহ বাগিচাৰ বনুৱা সকলৰ মাজত অসমীয়া ভাষাৰ বহুল প্ৰচাৰৰ যোগে তেওঁলোকক অসমীয়া সংস্কৃতিৰ বুকুত সুমাই ল'বলৈ আহ্বান কৰে। চাহ বাগিচাৰ বনুৱাৰ মাজত প্ৰাক্তন সভাপতি নকুলচন্দ্ৰ ভূঞাই কিদৰে ভাৰনা-সবাহ আদিৰ আয়োজন কৰি, তেওঁলোকৰ বাবে পাঠ্য পুথি ৰচনা কৰি কাম কৰিছিল সেই কথা সোঁৱৰে। তেওঁ বপুৰা সকলৰ সংস্কৃতিক খাচ অসমীয়া সংস্কৃতিৰ ভিতৰুৱা কৰি লবলৈ আহ্বান কৰে।

কাছাৰৰ শ্ৰীকুমাৰ মেধিয়ে কাছাৰৰ ভৌগোলিক অৱস্থানৰ কথা উল্লেখ কৰি কয় য লুইতৰপাৰৰ অসমীয়া মানুহে কাছাৰৰ খিলঞ্জীয়া অসমীয়া সকলৰ বাবে নেভাবিলে, কাছাৰবাসী অসমীয়া ৰাইজৰ বিপত্তিৰ সীমা নাথাকিব।

সমজুৱাৰ বক্তৃতাৰ অন্তত উপ সভাপতি ডঃ মহেশ্বৰ নেওগে পুৰণি কাৰ্যনিৰ্বাহক সমিতিৰ হৈ পদত্যাগ কৰে আৰু নতুন কাৰ্যনিৰ্বাহকৰ সদস্য সকলৰ নাম ঘোষণা কৰে।

কাৰ্যসূচীৰ অন্তত সভাপতি শ্ৰীবৰাদেৱে কয় "এনে বিৰাট জনসভা কেৱল ৰাজনীতি বিষয়তহে গোট খোৱা চকুত পৰে; সাহিত্যৰ এনে মহাসভাই জাতিৰ জীৱনী শক্তিৰ পৰিচায়ক।" ৰাইজৰ এনে সহায়-সহযোগ উদ্দীপনাই সাহিত্য সভাক শক্তিশালী কৰি আঁচনিৰ সফলতা লভাত বৰঙণি যোগাব বুলি তেখেতে কয়। তেখেতে তেজপুৰবাসী ৰাইজলৈ আৰু সদৌ অসম বাসীলৈ অন্তৰ ভৰা কৃতজ্ঞতা জনাই সামৰণি মাৰে।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীআগৰৱালাদেৱে সভাপতিকে প্ৰমুখ্য কৰি সদৌলৈকে শলাগৰ শৰাই আগবঢ়ায় আৰু অভ্যৰ্থনাৰ ত্ৰুটী বিচ্যুতিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰে। "অ' মোৰ আপোনাৰ দেশেৰে ৫-১৫ বজাত মুকলি অধিবেশনৰ অন্ত পেলোৱা হয়।

**স্মৃতি তৰ্পণ**

সন্ধ্যা ৫-৩০ বজাত প্ৰাক্তন সভাপতি নকুলচন্দ্ৰ ভূঞাৰ আদ্যশ্ৰাদ্ধ উপলক্ষে স্মৃতি তৰ্পণৰ আয়োজন কৰা হয়। মঞ্চত ভূঞাৰ এটি প্ৰতিকৃতি ৰখা হয় আৰু শ্ৰীমহাদেৱ শৰ্মাই 'মঙ্গলাচৰণ' কৰি পুষ্পাঞ্জলি প্ৰদান কৰাৰ লগে লগে হাজাৰ বিজাৰ লোকে শ্ৰদ্ধা পৰৱশ হৈ নীৰৱে থিয় দিয়ে।

**সাংস্কৃতিক অনুষ্ঠান**

সন্ধ্যা ৭ বজাৰ পৰা আৰম্ভ হয় দ্বিতীয় আৰু শেষ দিনাৰ সাংস্কৃতিক কাৰ্যসূচী। এই সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰে কলাবিদ প্ৰাক্তন সংসদী সদস্য শ্ৰীপ্ৰফুল্ল বৰুৱাই, তেখেতে অসমীয়া সংস্কৃতিৰ ঐতিহ্য আৰু বৈচিত্ৰ্যৰ কথা কয় আৰু সংস্কৃতিসেৱী সকলৰ বৰঙণিৰ কথা সোঁৱৰে। ৰাতিৰ এই অনুষ্ঠানত তেজপুৰ সূৰ্যোদয় সংঘৰ তৰফৰ পৰা বশিষ্ট শিল্পী শ্ৰীগজেন বৰুৱাক শৰাই গামোছাৰে সম্বৰ্দ্ধনা জনোৱা হয়। শিল্পী গৰাকীয়ে পৰ্ব্বত-ভৈয়ামৰ সাংস্কৃতিক মিলনৰ ওপৰত গুৰুত্ব দিয়ে। এই ৰাতিৰ অন্যতম আকৰ্ষণ আছিল শ্ৰীভাৰতলোহাৰ প্ৰযোজিত "জ্যোতিৰেখা।" জ্যোতি প্ৰসাদৰ নাটকৰ গীত, কথা, নৃত্যৰে সংযোজন কৰা আলেখ্য খনি নিসন্দেহে আকৰ্ষণীয় আৰু সুন্দৰ হৈছিল। "ৰঙিলী" নৃত্য নাটিকাৰ প্ৰদৰ্শনো হৈছিল চিত্তাকৰ্ষক।

এনেকৈয়ে অসম সাহিত্য সভাৰ ৩৫ তম অধিবেশনৰ সামৰণি পৰিল। এই কেইদিন তেজপুৰ উখল মাখল হৈ পৰিছিল। অভ্যৰ্থনা সমিতিৰ দক্ষতা, তৎপৰতাই অধিবেশনক সফল হোৱাত যোগাইছিল যথাযোগ্য বৰঙণি। অধিবেশন উপলক্ষে অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰা শোণিত জ্যোতি" আৰু "শোণিতাৰ্ঘ্য" নামৰ স্মৃতি গ্ৰন্থ দুখনিৰ প্ৰকাশো উল্লেখযোগ্য।

দৰাচলতে মূল অধিবেশনৰ লগত তিনিও দিনৰ কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ অধিবেশন সমূহ অসমীয়া মানুহৰ জাতীয় উৎসৱত পৰিণত হৈছে। সেইবাবেই ই কেৱল সাহিত্যিক সকলৰ অনুষ্ঠান হোৱাৰ পৰিবৰ্ত্তে হৈ উঠিছে অসমীয়াৰ এটি জাতীয় অনুষ্ঠান।

---

# সম্পাদকীয়

## লক্ষ্মীনাথ

অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী সমগ্ৰ অসমৰ গাৱেঁ নগৰে বিশেষ পয়োভৰেৰে পালন কৰা হৈছে। ইয়াৰ উপৰিও বেজবৰুৱাৰ কৰ্ম্মস্থল উৰিষ্যাৰ সম্বলপুৰ, দেশৰ ৰাজধানী দিল্লী মহানগৰী আৰু পাশ্চাত্য শিক্ষাৰ কেন্দ্ৰ লণ্ডন মহানগৰীতো শতবাৰ্ষিকী উৎসৱৰ সময়ত অসমৰ এই সৰাকী বিশিষ্ট ব্যক্তিৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হৈছে। বেজবৰুৱা অসমীয়া সাহিত্যৰ এটা নতুন যুগৰ বাৰ্ত্তা বাহক। তেওঁ একেধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, লোক সাধুৰ সংগ্ৰাহক, সমালোচক আৰু সাংবাদিক। গভীৰ স্বদেশপ্ৰেম, বলিষ্ঠ আশাবাদ আৰু অনুপম ৰচনা ভঙ্গি বেজবৰুৱা সাহিত্যৰ বিশিষ্ট লক্ষণ। দেশৰ কাল সন্ধিক্ষণত পাঞ্চজন্য শঙ্খৰ তূৰ্য্য নিনাদেৰে অসমীয়া জাতিৰ প্ৰাণত তেওঁ আত্ম চেতনা আৰু জাতীয়তাবোধৰ ভাব জাগৃত কৰাৰ স্বপ্ন দেখিছিল। বেজবৰুৱাৰ স্বপ্ন আজি বাস্তৱত পৰিণত হৈছে। অসমীয়া জাতি আকৌ সাৰ পাই উঠিছে। অসমত আৰু এটা নতুন যুগৰ দুৱাৰ মুকলি হৈছে। এই নতুন যুগক আদৰি লবলৈ অসমৰ জনগণ আগবাঢ়ি আহিব লাগে আৰু ভাষা, সাহিত্য, সংস্কৃতি, বিজ্ঞান আৰু কাৰিকৰী ক্ৰমোন্নতিৰ ফালৰ পৰা ভাৰতৰ ভিতৰত অসমক এখনি সমৃদ্ধিশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠিত কৰাত তৎপৰতা গ্ৰহণত আগভাগ লব লাগে। অসমীয়া জাতিৰ এই নৱজাগৰণৰ দিনত আমি মহান সাহিত্যিক বেজবৰুৱাই কোৱা এষাৰ কথা মনত ৰাখিব লাগে, "অসমীয়া ভাষাৰ উন্নতি অসমৰ উন্নতিৰ প্ৰথম চাপ।" লক্ষ্মীনাথৰ এই বাণী পাহৰি গ'লে অসমৰ উন্নতিৰ পথ পুনৰ ৰুদ্ধ হোৱাৰ আশঙ্কা নোহোৱা নহয়।

## জ্ঞাননাথ

যোৱা ৩০ নৱেম্বৰ তাৰিখে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীজ্ঞাননাথ বৰাদেৱৰ পৰলোক প্ৰাপ্তি ঘটিছে। অসমৰ জাতীয় জীৱনৰ লগত বৰা দেৱৰ তিনি প্ৰকাৰৰ সংযোগ আছিল। তেওঁ একেধাৰে এগৰাকী বিশিষ্ট সাহিত্যিক, ৰাজনীতিবিদ আৰু আইনজ্ঞ। "আসামত বিদেশী" "যুগতত্ত্ব", "নতুনজগত", "অসমীয়া পুৰণি সাহিত্য", "আধুনিক অসমীয়া সাহিত্য" আদি গ্ৰন্থ লিখি তেওঁ অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধনত বৰঙণি যোগাইছিল। ছাত্ৰ অৱস্থাৰপৰা অসম ছাত্ৰ সন্মিলনৰ লগত জৰিত থকাৰ উপৰিও মৃত্যুৰ আগ মুহূৰ্ত্তলৈ তেওঁ অসম ৰাজ্যিক মহা সভাৰ সভাপতি আছিল। ৰাজনৈতিক পুৰুষ হিচাবে অসমৰ স্বকীয়া সমস্যাৱলীৰ বিচাৰ-বিশ্লেষণ আৰু সমাধানৰ ওপৰত তেওঁ বিশেষ মনোযোগ দিছিল। আইনৰ খুটি-নাতি ফহিয়াই দেখুৱাই উৰ্দ্ধতম কৰ্তৃপক্ষক সুস্থ আৰু বলিষ্ঠ আইন প্ৰণয়নত পৰামৰ্শ দিছিল। ইয়াৰ উপৰিও যিটো যুগত আমাৰ চকুৰ আগৰ পৃথিৱীখন অন্যায়ৰ কুৱলিৰে আচ্ছন্ন, সেইটো যুগতে তেওঁৰ ব্যৱহাৰিক বিনয়তা, চাৰিত্ৰিক সাধুতা আৰু স্পষ্টবাদীতাই তেওঁৰ লগত জৰিত সকলো লোকক বিস্ময় বিমুঢ় নকৰাকৈ নেৰিছিল।

শ্ৰীবৰাদেৱৰ মৃত্যুত সদৌ অসমবাসী মৰ্ম্মাহত হৈছে। অসম সাহিত্য সভাই নিঃসহায় অনুভৱ কৰিছে। এই ক্ষতি অপূৰণীয়। তেওঁৰ বিদেহী আত্মাই শান্তি পাওক—এয়ে আমাৰ ঈশ্বৰৰ চৰণত আজিৰ দিনৰ প্ৰাৰ্থনা।

## ॥ পত্ৰিকা সম্পাদনা উপ-সমিতি ॥


শ্ৰীজ্ঞাননাথ বৰা, সভাপতি
শ্ৰীহৰিপ্ৰসাদ নেওগ
ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা
শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা
শ্ৰীলক্ষহীৰা দাস
শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা, পত্ৰিকা সম্পাদক


## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকা বছৰেকত চাৰিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক ।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ৫·০০ আগধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছৰেকীয়া বৰঙণি ৪·০০ ।

৩। সাহিত্য সভা পত্ৰিকাত প্ৰকাশৰ বাবে পঠোৱা প্ৰবন্ধ আদি কাগজৰ এপিঠিত ফট-ফটীয়াকৈ লেখি "শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা (সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা) অধ্যাপক, অসমীয়া বিভাগ, আৰ্য্যবিদ্যাপিঠ কলেজ, গুৱাহাটী—১৬" এই ঠিকনাত পঠায় যেন। সকলো টকাকড়ি আৰু কাকত সম্পৰ্কে চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট"—এই ঠিকনাত পঠাব ।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিব পৰা নহ'ব ।

৫। সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক আলোচনা আৰু গৱেষণামূলক প্ৰবন্ধ আদিয়েহে যাইকৈ ইয়াত ঠাই পাব ।

---


অসম সাহিত্য সভাৰ হৈ পত্ৰিকা সম্পাদক শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাৰ দ্বাৰা সম্পাদিত, অসম সাহিত্য সভাৰ প্ৰধান কাৰ্য্যালয় যোৰহাটৰ পৰা প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগৰ দ্বাৰা প্ৰকাশিত আৰু লক্ষ্মী প্ৰিণ্টিং প্ৰেছত মুদ্ৰিত।